অসমৰ মুছলমানসকল

আব্‌দুৰ ৰহমান

চন্দ্ৰপ্ৰকাশ
পাণবজাৰ, গুৱাহাটী-১

ASOMAR MUSALMANSAKAL - A description of Assamese Muslims and their contribution towards political, social, economic and cultural aspects written by Abdur Rahman and published by Rajendra Mohan Sharma, on behalf of Chandra Prakash, Panbazar, Guwahati - 1.

প্ৰকাশক ঃ
শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মা
চন্দ্ৰ প্ৰকাশ
পাণবজাৰ, গুৱাহাটী-৭৮১০০১
দূৰভাষ ঃ- ২৫১১৯৪৬

প্ৰথম প্ৰকাশ ঃ ২০০৮ চন

বেটুপাত ঃ **উৎপল বৰা**

মূল্য ঃ ১৮০.০০ টকা মাত্ৰ

ডি.টি.পি ঃ
ষ্টেণ্ডাৰ্ড ইম্প্ৰেচন্‌চ
উলুবাৰী চাৰিআলি
গুৱাহাটী-৭৮১০০৭

ছপা ঃ ৰবী প্ৰিন্টিং এণ্ড বাইণ্ডিং হাউচ
গুৱাহাটী
ফোন নং ঃ ৯৪৩৫৫ ৫৩৩৭১

উৎসর্গ

শ্বিলঙত থকা সময়ত পাইন গছৰ তলত বহি যিজনা ব্যক্তিয়ে মোক সাহিত্য চৰ্চাৰ উদ্‌গণি দিছিল, যিজনাৰ সান্নিধ্যলৈ আহি মই নিজকে ধন্য মানিছিলোঁ, সমীহ্ কৰিছিলোঁ সেইজনা লব্ধপ্ৰতিষ্ঠিত সাহিত্যিক 'কাঁচিজোন'ৰ সম্পাদক মোৰ পিতৃতুল্য মৰহুম এম্ ইব্ৰাহীম আলি শ্ৰদ্ধাভাজনেষুৰ সজল স্মৃতিত—

লেখক

বিখ্যাত লিখক, অখ্যাত লিখক আদিৰ দৰে শব্দবোৰ মই ভালকৈ বুজি নাপাওঁ। কিন্তু বুজি পাওঁ একো একোজন লিখকৰ কিবা এটা আন্তৰিক তাগিদাত কিবা এটা লিখি থৈ যোৱাৰ অনন্ত প্ৰয়াস। খ্যাতি, অখ্যাতিৰ প্ৰশ্ন ইয়াত গৌণ হৈ থাকে। মুখ্য হৈ থাকে মাথোঁন সৃষ্টিৰ অনবদ্য ক্ষুধা।"

—খবিৰ আহমেদ
প্ৰাঃ আৰক্ষী অধীক্ষক
দৰং, মঙ্গলদৈ

মোৰ দৃষ্টিত "অসমৰ মুছলমানসকল" গ্ৰন্থখন সম্পৰ্কে এটি অভিমত

মই কোনো সমালোচক বা সাহিত্যিক নহয়। কিন্তু আবদুৰ ৰহমানদেৱে লিখা 'অসমৰ মুছলমানসকল" নামৰ গ্ৰন্থখনৰ পাণ্ডুলিপি পঢ়াৰ মোৰ সৌভাগ্য ঘটিছিল। এই গ্ৰন্থখনৰ বিষয়ে অভিমত দিয়াৰ ধৃষ্টতা মোৰ নাই। তথাপি লেখকৰ অনুৰোধ মৰ্মে ভাবৰাশি প্ৰকাশৰ লোভ সম্বৰণ কৰিব নোৱাৰিলোঁ।

লেখকে অসম তথা দৰং জিলাত মুছলমানৰ আগমনৰ বিষয়ে প্ৰকাশ কৰোঁতে মুছলমানৰ অসম আক্ৰমণৰ পৰাই সমগ্ৰ বিষয়টো দাঙি ধৰি গভীৰ অধ্যয়নপুষ্ট মন এটিৰ পৰিচয় দিছে। অসমৰ অসমীয়া মুছলমানৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, ধৰ্মীয়, সাংস্কৃতিক আদি বিভিন্ন দিশৰ বিৱৰণ থকা গ্ৰন্থখন অসমীয়া মুছলমানৰ জাতীয় জীৱনৰ দলিল স্বৰূপ। গৱেষণাৰ সমল থকা এই গ্ৰন্থখন ইতিহাসৰ ছাত্ৰ-ছাত্ৰীৰ লগতে গৱেষণা কৰা ব্যক্তিৰ বাবে উপযুক্ত পুথিৰূপে পৰিগণিত হ'ব বুলি ভাবোঁ।

কিন্তু এইখিনিতে এটা কথা উনুকিওৱা ভাল হ'ব যে অভিবাসী মুছলমানৰ বিষয়ে গ্ৰন্থখনত বিশেষ লেখনি সন্নিৱিষ্ট নহ'ল। মাত্ৰ এটা অধ্যায়তহে এক নিৰ্দিষ্ট পৰিসীমাৰ ভিতৰত তেওঁলোকৰ বিষয়ে বৰ্ণনা কৰা হৈছে। আৰু অলপ বহলভাৱে তেওঁলোকৰ বিষয়ে আলোচিত হোৱাহেঁতেন লেখনিটোৱে পুথিখনৰ সৌষ্ঠৱ বৃদ্ধি কৰিলেহেঁতেন।

পৰিশেষত লেখকে কৰা প্ৰচেষ্টাৰ বাবে আন্তৰিক ওলগ জনাইছোঁ লগতে পাঠকে তেওঁৰ গ্ৰন্থখন সমাদৰ কৰিব বুলি আশা ৰাখিছোঁ।

ইতি

ইমৰাণ হুছেইন
প্ৰবক্তা (বুৰঞ্জী বিভাগ)
ছিপাঝাৰ মহাবিদ্যালয়
দৰং (অসম)

অৱসৰপ্ৰাপ্ত স্বাস্থ্য বিষয়া সুসাহিত্যিক
ডাঃ এম্ আবিদ আলিৰ মন্তব্য

আবদুৰ ৰহমান চাহাবৰ 'অসমৰ মুছলমানসকল' নামৰ পুথিখনৰ দৰঙৰ অধ্যায়টো অপূৰ্ব আপুৰুগীয়া অমূল্য। বহু কষ্টেৰে দৈহিক-মানসিক আধিক্যৰে যুগুতোৱা সংস্কৰণটো সঁচাকৈয়ে এটি গৌৰৱৰ সম্পদ— দৰঙৰ মুছলিম সমাজখনৰ বাবে আৰু জ্ঞানপিপাসু পঢ়ুৱৈ সমাজসেৱীসকলৰ বাবে। ৰহমান ডাঙৰীয়ালৈ ওলগ।

নিজে বুৰঞ্জীবিদ নহয় বুলি কোৱা ৰহমান চাহাবে দেখোন পুথিখনৰ পাতে পাতে বুৰঞ্জীৰ সমলকে দাঙি ধৰিবলৈ সক্ষম হৈছে। বৰ্তমান অশান্ত আৰু সদা সন্দিহান পৰিস্থিতিত যিটো অতীৱ আৱশ্যক, সেই আৱশ্যকতাখিনি ৰহমান চাহাবে গ্ৰন্থখনত দাঙি ধৰি অসমীয়া মাত্ৰেই সমন্বয়ৰ প্ৰতীক হৈছে। বহুতৰ বুকুত পুহি ৰখা সন্দেহ নামৰ ভূতটোক বহুগুণে নিশকতীয়া কৰি পেলালে যেন। সত্য, প্ৰকৃত ঘটনাই বুৰঞ্জী। তথ্য যুক্তিৰে সিদ্ধান্ত লোৱাত আবদুৰ ৰহমান মহাশয় কৃতকৃত্য। ইতিমধ্যে ভালেকেইখন উপভোগ্য গ্ৰন্থ প্ৰণয়ণ কৰি তেওঁ খ্যাতি অৰ্জন কৰিছে — ধন্যবাদ তেওঁলৈ। অৱসৰৰ আহৰিৰ দিনবোৰ তেওঁৰ কাপৰ চলন্ত শক্তিয়ে আৰু সমৃদ্ধ, চহকী কৰক।

তাং ৬।৬।০৬

ডাঃ এম্ আবিদ আলি
মঙ্গলদৈ

আগকথা

"দৰঙৰ মুছলমান জনগোষ্ঠীৰ চমু পৰিচয়" নামৰ ডাঃ এম্ আবিদ আলি চাহাব আৰু এই লেখকৰ লিখনি এটা মঙলদৈৰ স্থানীয় বাতৰি কাকত (সাপ্তাহিক) নতুন প্ৰবাহত ৮টা খণ্ডত প্ৰকাশ পাইছিল। উক্ত ধাৰাবাহিক লিখনিটো পঢ়ি কেইগৰাকীমান সদাশয় পাঠকে আমাক লিখনিটো পুথি আকাৰে প্ৰকাশ কৰিবলৈ উদ্‌গণি দিয়ে। পাঠকৰ সেই উদ্‌গণিকে মূলধন হিচাপে লৈ কিছুকথা সংযোজন কৰি "দৰঙৰ মুছলমানৰ চমু পৰিচয়" নাম দি সৰু পুস্তিকা এখনি যুগুতোৱা হয়।

সেই লিখনিৰ পাঠকৰ সঁহাৰিত সাহস গোটাই আমাৰ হাতত থকা পাঁজি-পুথি আৰু কিছুমান বিভিন্ন উৎসৰ পৰা সমল সংগ্ৰহ কৰি দৰঙৰ কিছু বিস্তৃত বিৱৰণসহ সমগ্ৰ অসমৰ মুছলমানৰ চমু পৰিচয় এটা দাঙি ধৰাৰ উদ্দেশ্য 'অসমৰ মুছলমানসকল" নাম দি এই পুথিখন যুগুতোৱা হৈছে। আমি বুৰঞ্জীবিদ নহওঁ, তেনে পাণ্ডিত্যও আমাৰ নাই। বাতৰি কাকত আৰু কিছুমান আলোচনীত এই সম্পৰ্কীয় দুই-এটা লিখনি পঢ়িবলৈ পাওঁ। সেইবোৰৰ বেছিভাগেই অনুমানৰ ওপৰত প্ৰতিষ্ঠিত যেন লাগে। অৱশ্যে আমিও স্বীকাৰ কৰোঁ, প্ৰামাণ্য দস্তাবেজ নাথাকিলে অনুমানৰ আশ্ৰয় ল'ব লগা হয়। আমাৰ বোধেৰে অনুমান দুবিধ— প্ৰতিভাসিক আৰু কল্পনাপ্ৰসূ। কিন্তু অকল কাল্পনিক কথাৰে এটা জনগোষ্ঠীৰ সত্যাসত্য তথ্য উদ্‌ঘাটন কৰা কঠিনেই নহয় উত্তৰ পুৰুষসকলৰ কাৰণে থৈ যোৱা হয় এটা দিক্ বিহীন পথ।

এইটোও স্বীকাৰ নকৰি নোৱাৰি যে মুছলমানসকলৰ অসমলৈ আগমনৰ বিস্তৃত বিৱৰণ, অসমকে মাতৃভূমি হিচাপে জ্ঞান কৰা এই জনগোষ্ঠীটোৰ ৰাজতন্ত্ৰ আৰু গণতন্ত্ৰত ৰাজনৈতিক, সামাজিক আৰু শিল্প-সংস্কৃতি-সাহিত্যত যি অৰিহণা যোগাইছিল বা যোগাই আহিছে তাক জানিবলৈ একত্ৰিতভাৱে পুথি এখন পাবলৈ বহু অভাৱ। পূৰ্বৰ বুৰঞ্জী প্ৰণেতাসকলৰ

বুৰঞ্জীসমূহত পক্ষপাত নথকাও নহয়, যাৰ ফলত বুৰঞ্জী বিষয়ৰ শিক্ষাৰ্থীসকলৰ কাৰণে মুছলমানসকলৰ বিষয়ে সম্যক জ্ঞান ধাৰণ কৰাত অজ্ঞতাৰ কাৰণ হয়। তৎসত্ত্বেও চাৰ এডবাৰ্ড গেইট চাহাবৰ "অসম বুৰঞ্জী", শ্ৰীমৃদুপৱণ গোস্বামীৰ বুৰঞ্জী প্ৰবাহ "পথিকৃত বুৰঞ্জী"। ড° মোহিনী কুমাৰ শইকীয়াৰ "Assam-Muslim Relation And its Cultural Significance" এখন অতি মূল্যবান গ্ৰন্থ। তেনেকৈ মেদিনী চৌধুৰীদেৱৰ 'লুইত বৰাক আৰু ইছলাম" আব্দুছ ছাত্তাৰ চাহাবৰ "সংমিশ্ৰণত অসমীয়া সংস্কৃতি" আদি কেইখনমান অসমৰ মুছলমানসকলক জনাৰ উল্লেখযোগ্য গ্ৰন্থ। সেইদৰে অসম সাহিত্য সভাৰ শিৱসাগৰত অনুষ্ঠিত ৫৯ অধিবেশনৰ স্মৃতিগ্ৰন্থ "ৰংপুৰ" আৰু বোকাখাতত অনুষ্ঠিত ৬২তম অসম সাহিত্য সভাৰ স্মৃতিগ্ৰন্থ 'নামদৈয়াং' দুখন উল্লেখনীয় স্মৃতিগ্ৰন্থ। এই দুয়োখন স্মৃতিগ্ৰন্থতে মুছলমান সম্প্ৰাদায়ৰ যিখিনি কথা প্ৰকাশ পাইছে সেইখিনিয়ে অসমীয়া পাঠকসকলক এটা নতুন পোহৰৰ ৰেঙণি বিলাবলৈ সমৰ্থ হৈছে। বিশেষকৈ 'ৰংপুৰ'খনে আমাক বিশেষভাৱে অনুপ্ৰাণিত কৰে যিখন অধ্যয়ন কৰি আমি এই গ্ৰন্থ লিখিবলৈ সাহস গোটাইছোঁ। এই সম্পৰ্কে আমি এই গ্ৰন্থৰ পৰিশিষ্ট ১ত আলোচনা কৰিছোঁ।

আমাৰ এই গ্ৰন্থখনিতো যে অসমৰ মুছলমানসকলৰ পূৰ্ণাঙ্গ তথ্য সন্নিৱিষ্ট হৈছে তাক আমি দাবী কৰিব নোৱাৰোঁ। এইটোও দাবী কৰিব নোৱাৰোঁ যে গ্ৰন্থখন ৰচনা কৰাত আমাৰ কিবা কৃতিত্ব আছে। বিভিন্ন গ্ৰন্থ, আলোচনী, বাতৰি কাকতত প্ৰকাশিত কথাবোৰকহে একত্ৰিত কৰি গ্ৰন্থৰ আকাৰ দিয়া হৈছে। তাকে কৰোঁতে আৰু বহুত মূল্যবান তথ্য বৈ যাব পাৰে, সেইবোৰৰে অসমৰ মুছলমান সমাজৰ পূৰ্ণাঙ্গ তথ্যবহুল গ্ৰন্থ উত্তৰপুৰুষসকলে প্ৰণয়ণ কৰি বৃহৎ অসমীয়া সমাজখনক উপকৃত কৰিব বুলিয়েই আমাৰ আশা।

আমাৰ পাণ্ডুলিপিটো বিভিন্নজন চিন্তাশীল ব্যক্তিয়ে পঢ়ি কিছুমানে উদ্‌গণি দিছে আৰু কিছুমানে পক্ষপাত দোষে চুব বুলি অভিমত দাঙি ধৰিছে। পক্ষপাতমূলক কোনো কথাই আমি এই গ্ৰন্থত লিপিবদ্ধ কৰা নাই। দুই-

এটা লিখনিত পক্ষপাতমূলক কথা পাওঁ যদিও আমি সেইবোৰ এৰাই চলি সাৰ্বজনীনতাৰ ওপৰত গুৰুত্ব দিবলৈ চেষ্টা কৰিছোঁ। ফলাফল শ্ৰদ্ধাৰ পঢ়ুৱৈ সমাজৰ হাতত।

গ্ৰন্থখন প্ৰস্তুত কৰোঁতে আমাক সততে উৎসাহ যোগাইছে সুসাহিত্যিক ডাঃ এম্ আবিদ আলি (যিজনাই এটা মন্তব্যও লিখি দিছে) আৰু সাহিত্যিক গীতিকাৰ তথা অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি ইদ্ৰিচ আলি চাহাবদ্বয়ে। ইদ্ৰিচ আলি চাহাবে পাণ্ডুলিপিটো পঢ়ি এখন সূচীপত্ৰ লিখি দি আমাক তেনেকৈ ভাগ কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰবক্তা ভাগিন ড° এম্ কামালুদ্দিন আহমেদে পাণ্ডুলিপিটোৰ পৃষ্ঠাসমূহ সূচীপত্ৰ মতে ভাগ কৰি দি কিছু কথা সংযোগ কৰিবলৈ পৰামৰ্শ দিয়ে। সেই পৰামৰ্শ মতে পাণ্ডুলিপিটো পুনৰ সজায় তোলা হয়। সেইদৰে দৰং জিলাৰ গ্ৰন্থগাৰিক জুলমত আলিয়ে কেইবাখনো অমূল্য গ্ৰন্থ যোগান ধৰি আমাক বিশেষভাৱে সহায় কৰে তেনেকৈ বিভিন্নজনে তথ্য পাতিৰে আমাক সহায়ৰ হাত আগবঢ়াইছে। পৰিশিষ্ট ৮ত সেইসকলৰ তালিকা সন্নিৱিষ্ট কৰা হৈছে। সুসাহিত্যিক, সমালোচক পূৰ্ণকান্ত ভাগৱতীদেৱে পাণ্ডুলিপিটোৰ কেইটামান বৰ্ণাশুদ্ধি কৰি দি গ্ৰন্থখন সমাজলৈ অমূল্য দান বুলি আমাক দুগুণ উৎসাহ যোগাইছে।

ইয়াৰ ভিতৰতো যদি কিবা আঁসোৱাহপূৰ্ণ বা সৰ্বজন স্বীকৃত নোহোৱা তথ্য সন্নিৱিষ্ট হৈছে সেইটো আমাৰ অজ্ঞানতা বুলি ধৰি লৈ ক্ষমাৰ দৃষ্টিৰে চাব বুলি সদৌটিলৈ অনুৰোধ থাকিল।

সদৌ শেষত আমি পুনৰ ক'বলৈ প্ৰয়াস কৰিছোঁ যে এইখন বুৰঞ্জী নহয়। বুৰঞ্জী বুলিলে সাধাৰণতে যুদ্ধ-বিগ্ৰহ আৰু অতীতৰ ৰাজনৈতিক বিৱৰণ থাকে। এই গ্ৰন্থখনিত যুদ্ধ-বিগ্ৰহ আৰু অতীত অসমৰ ৰাজনৈতিক বিৱৰণৰ লগতে অসমৰ জনগাঁথনিত অসমীয়া ভাষা-সাহিত্য, কলা-সংস্কৃতিলৈ মুছলমানৰ অৱদান প্ৰতিফলিত কৰা হৈছে। কেইগৰাকীমান খ্যাত-অখ্যাত মুছলমান লোকৰ জীৱনীও সন্নিৱিষ্ট কৰা হৈছে, যিসকলে অসমৰ

ৰাজনৈতিক, সামাজিক আৰু সাহিত্য-কলা-সংস্কৃতিৰ ভঁৰাললৈ প্ৰভূত অৰিহণা যোগাই আধুনিক অসম গঢ়াত অগ্ৰণী ভূমিকা লৈছে।

এইখিনিতে আমি আৰু এজন ব্যক্তিৰ নাম উল্লেখ নকৰি নোৱাৰোঁ। ছিপাঝাৰ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰবক্তা ইমৰাণ হুছেইন চাহাবে পাণ্ডুলিপিটো পঢ়ি এটা গঠনমূলক মন্তব্য লিখি দি আমাক অধিক উৎসাহ যোগাইছে। তদুপৰি চিন্তাশীল, নীৰৱ সাহিত্যিক-গীতিকাৰ শ্ৰীযুত প্ৰভাত চৌধুৰীদেৱে পাণ্ডুলিপিটো পঢ়ি সামান্য আঁসোৱাহকেইটামান উনুকিয়াই দি আমাক সহায় কৰিছে। সেই আঁসোৱাহসমূহ যতপৰোনাস্তি দূৰীকৰণ কৰিবলৈ আমি যত্নৰ ত্ৰুটী কৰা নাই। কিন্তু তেখেতে কিতাপখনৰ নাম ভূমিকাৰ ওপৰত যিটো মন্তব্য কৰিছে সেইটোহে ৰক্ষা কৰিব নোৱাৰিলোঁ। সমগ্ৰ অসমৰ তুলনাত দৰং জিলাখনৰ বৃত্তান্ত দীঘলীয়া হোৱাৰ কাৰণে পক্ষপাত দোষে চুব পাৰে বুলি তেখেতে গভীৰ চিন্তাৰে কথাষাৰ কৈছে। আমিও সেইটো চিন্তা নকৰা নহয়। কিন্তু অসমৰ অন্যান্য জিলাসমূহৰ মুছলমান সম্পৰ্কে কিছুমান তথ্য বিভিন্ন গ্ৰন্থ, আলোচনী আৰু প্ৰসংগ পুথিত পোৱা যায়। কিন্তু পোৱা নাযায় দৰঙৰ মুছলমান সম্পৰ্কে। সেই দৃষ্টি আগত ৰাখি দৰং সম্পৰ্কে অলপ বহল ব্যাখ্যা কৰা হৈছে। পঢ়ুৱৈ সমাজৰ ওচৰত আমাৰ বিনম্ৰ অনুৰোধ যে আমাক পক্ষপাতমূলক দৃষ্টিৰে নাচাই সৃষ্টি আৰু সৃষ্টৰ ওপৰত গুৰুত্ব দি আমাৰ দোষ মৰীষণ কৰে যেন। এই আপাহততে চৌধুৰীদেৱলৈ আমাৰ বিনম্ৰ শলাগ থাকিল।

গ্ৰন্থখন হয়তো লেখা অৱস্থাতে পৰি থাকিলহেঁতেন। কিন্তু গুৱাহাটীৰ পাণবাৰীস্থ চন্দ্ৰ প্ৰকাশৰ স্বত্বাধিকাৰ সদাশয় শ্ৰীযুত ৰাজেন্দ্ৰ মোহন শৰ্মাদেৱে গ্ৰন্থখনি প্ৰকাশৰ ভাৰ লোৱাত আমি হিয়া উজাৰি তেখেতৰ ওচৰত কৃতজ্ঞ হৈ ৰ'লোঁ।

কিতাপ লিখি মুনাফা আদায় কৰাৰ প্ৰয়াস আমাৰ নাই। পঢ়ুৱৈ সমাজে কিতাপখন আদৰি ল'লে সেয়াই হ'ব আমাৰ মূলধন আৰু হ'ব পৰিশ্ৰমৰ অনুপ্ৰেৰণা। কেইটামান অধ্যায়ত একেটা তথ্য বা কথাকে পুনৰুক্তি কৰা

হৈছে। ভাৱ প্ৰকাশৰ তাগিদাত। সেইটো আমাৰ অপালাপ বুলি গণ্য নকৰে যেন।

পুনঃ 'মুছলমান' শব্দটোৱেই বহুবচনাত্মক; শব্দটোৰ লগত 'সকল' যোগ কৰাত বৈয়াকৰণিক দিশত বিসদৃশ হ'ব পাৰে। কিন্তু ইংৰাজীত বহুক্ষেত্ৰত ব্যৱহাৰ্ব কৰা দেখা যায় (one lakh twenty thousand Musalmans - ASSAM -MUSLIM RELATION AND ITS CULTURAL SIGNIFICANCE by Dr. M.K. Saikia) এনে দৃষ্টিকোণৰ পৰা শব্দটো ব্যাপকাৰ্থ প্ৰকাশ কৰিবলৈ গ্ৰন্থখনৰ নামকৰণ 'অসমৰ মুছলমানসকল' কৰা হৈছে। সহৃদয় পাঠক সমাজে এইটো আমাৰ দোষ বুলি নধৰে যেন।

মঙ্গলদৈ চহৰৰ প্ৰথম আধুনিক গীতৰ কেচেট নিৰ্মাতা গীতিকাৰ, সুৰকাৰ গায়ক, বাদ্যশিল্পী যিজনে মোক এই গ্ৰন্থখনি লিখিবলৈ সততে উদ্‌গণি দিছে, প্ৰতিভামুখী হৈয়ো যিজন প্ৰচাৰ বিমুখ সেইজন শ্ৰীমান গৌৰৱ দাসৰ শলাগ নললে মই অকৃতজ্ঞ হম। তেওঁলৈ থাকিল মোৰ সুভাশীষ।

সেউজনগৰ
মঙলদৈ- ২
তাং ৬/১১/২০০৭ ইং

লেখক

সূচীপত্ৰ

		পৃষ্ঠা
১।	অসমৰ বিভিন্ন জনগোষ্ঠীৰ চমু পৰিচয়—	১-১১
২।	অসমত ইছলাম ধৰ্মৰ প্ৰচাৰ আৰু বিস্তাৰ—	১২-৩১
৩।	অসমৰ মুছলমানসকলৰ বিষয়ে বিশদ তথ্য—	৩২-৫৬
৪।	খিলঞ্জীয়া, বংগমূলীয় আৰু অন্যান্য মুছলমানৰ বিষয়ে তথ্য আৰু বিশ্লেষণ—	৫৭-৬৮
৫।	সংমিশ্ৰণত অসমীয়া মুছলমান সমাজৰ ৰূপৰেখা—	৬৯-৭৭
৬।	ইছলামীয় আৰু অসমীয়া ভাষা-সংস্কৃতিৰ সংমিশ্ৰণ, সংশ্লেষণ আৰু সমন্বয়—	৭৮-৮৯
৭।	অসমীয়া ভাষা-সংস্কৃতিলৈ মুছলমানসকলৰ অৱদান—	৯০-১০৮
৮।	অসমৰ সামাজিক অৰ্থনৈতিক, ৰাজনৈতিক প্ৰগতিলৈ মুছলমানৰ অৰিহণা—	১০৯-১১৯
৯।	এটা উপঅধ্যায় ঃ অসমৰ ছবছৰীয়া ছাত্ৰ আন্দোলনত মুছলমানৰ অৱদান—	১২০-১২২
১০।	অসমত চুফীবাদৰ প্ৰভাৱ ঃ এক সমন্বয়ৰ সেতু—	১২৩-১৩৬
১১।	অসমৰ পীৰ, ফকীৰ, আউলিয়াসকলৰ মাজাৰ আদি—	১৩৭-১৪৯
১২।	অসমৰ মুছলমান সম্প্ৰদায়ৰ কেইগৰাকীমান বিশিষ্ট ব্যক্তি—	১৫০-১৭৯

১৩।	দৰঙত ইছলাম ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ—	১৮০-২২৭
১৪।	দৰঙী সংস্কৃতি আৰু মুছলমান সম্প্ৰদায়—	২২৮-২৪২
১৫।	পৰিশিষ্ট :	
	(১) অসম তথা দৰঙৰ মুছলমানসকলৰ বিষয়ে প্ৰণিধানযোগ্য তথ্যসমূহ—	২৪৩-২৪৮
	(২) দৰঙৰ অভিবাসী মুছলমান—	২৪৯-২৫৭
	(৩) সংগ্ৰামী দৰঙী মুছলমান—	২৫৮-২৬৫
	(৪) দৰঙৰ, মাজাৰ, দৰগাহ আদি—	২৬৬-২৬৭
	(৫) দৰঙৰ কেইগৰাকীমান মুছলমান সাহিত্যিক আৰু বিশিষ্ট ব্যক্তি—	২৬৮-২৮৫
	(৬) দৰং আৰু মঙ্গলদৈ নাম উৎপত্তি সম্পৰ্কে—	২৮৬-২৯৫
	(৭) সহায় লোৱা গ্ৰন্থপঞ্জী, স্মৃতিগ্ৰন্থ, আলোচনীসমূহ —	২৯৬-২৯৮
	(৮) তথ্য আৰু সংবাদ যোগনীয়াৰসকলৰ নাম আৰু ঠিকনা —	২৯৯-৩০১

অতিৰিক্ত সংযোজন :

(১) বিখ্যাত আৰু প্ৰথম ভাৰতীয় মুছলমান	৩০২-৩০৩
(২) ফাৰ্চী বুৰঞ্জীকেইখনমানৰ তালিকা	৩০৪-৩০৫

অসমৰ বিভিন্ন জনগোষ্ঠীৰ চমু পৰিচয়

অসমৰ জনগোষ্ঠীৰ পৰিচয় দাঙি ধৰিবলৈ যাওঁতে বৃহত্তম ভাৰতীয় জনগোষ্ঠীক এৰি বাট বুলিব নোৱাৰি দেখোন। কাৰণ অসমৰ জনগোষ্ঠী ভাৰতীয় জনগোষ্ঠীৰে এটি উপকৰণ মাত্ৰ। ভাৰতীয় জনগোষ্ঠী মানেই প্ৰব্ৰজনমুখী। কিন্তু কোনটো জনগোষ্ঠীৰ প্ৰথম খোজ ভাৰতত পৰিছিল সেই সম্পৰ্কে নৃতাত্ত্বিকসকল এতিয়াও একমত হ'ব পৰা নাই যেন লাগে। বিভিন্নজন নৃতাত্ত্বিকে ভাৰতীয় জনগোষ্ঠীয় উপাদানৰ ব্যাখ্যা নানান ধৰণে দিয়া দেখা যায়, যাৰ ফলত তেখেতসকলৰ মাজত বিৰাজ কৰিছে মতানৈক্যই। তথাপি নৃতাত্ত্বিক ডঃ বিৰজা শংকৰ গুহৰ ভাৰতীয় জনগোষ্ঠীয় ব্যাখ্যাটো অধিকসংখ্যকে স্বীকাৰ কৰি লৈছে। তেখেতৰ মতে এনে ধৰণৰে জনগোষ্ঠীয় উপাদানেৰে ভাৰতীয় জনগাঁথনি গঠিত হৈছে।

১। নেগ্ৰিটো বা নিগ্ৰো

২। প্ৰায় — অষ্ট্ৰেলীয় দীৰ্ঘ মস্তকী

৩। মঙ্গোলীয়— (ক) প্ৰত্ন — মঙ্গোলীয়
(খ) প্ৰশস্তমস্তকী
(গ) তিব্বতো মঙ্গোলীয়

৪। ভূমধ্যসাগৰীয়— (ক) প্ৰত্ন — ভূমধ্যসাগৰীয়
(খ) ভূমধ্যসাগৰীয়
(গ) প্ৰাচ্য

৫। পশ্চিমীয়া প্ৰশস্ত মস্তকী— (ক) আলপাইন
(খ) আৰ্মেনীয়
(গ) ডিনাৰিক

৬। নৰ্ডিক-[১]

আনহাতে ডঃ শশাংকশেখৰ সৰকাৰে ভাৰতীয়ৰ মাজত ছটা জনগোষ্ঠীয় উপাদান বিচাৰি বিশ্লেষণ কৰি পাইছে— (১) অষ্ট্ৰেলীয় (২) ইণ্ডো-আৰ্য (৩)

১: অসমৰ সংস্কৃতি : লীলা গগৈ : পৃষ্ঠা : ৮

ইৰাণোটীখীয় (৪) মুণ্ডাৰী ভাষা-ভাষী (৫) মালয়-পলিনেছীয় (৬) মঙ্গোলীয়। আকৌ নৃতাত্ত্বিকসকলে বিশ্বৰ সকলো মানুহক একগোট কৰি এটা জীৱগোষ্ঠীৰ অন্তৰ্ভুক্ত কৰা দেখা গৈছে। এই গোষ্ঠীটো হ'ল মানৱ জীৱগোষ্ঠী।

এই জীৱগোষ্ঠীটোক ভাগ কৰিছে মুখ্যতঃ চাৰিটা জনগোষ্ঠীত— ককেছীয়, মঙ্গোলীয়, নিগ্ৰোআৰু অষ্ট্ৰেলীয়। এই বিশ্লেষণৰ দ্বাৰা ডঃ বিৰজাশংকৰ গুহই ভাৰতৰ আদিবাসীবোৰ প্ৰধানকৈ প্ৰায় অষ্ট্ৰেলীয় আৰু মঙ্গোলীয় উপাদানেৰে গঠিত বুলি কৈছে। কোনো কোনোৰ মাজত সামান্য নেগ্ৰিটো উপাদানো বিচাৰি পাইছে। এই দৃষ্টিকোণৰ পৰা পূব আৰু উত্তৰ-পূব ভাৰতৰ আদিবাসী লোক মঙ্গোলীয় বুলি ঠাৱৰ কৰা দেখা যায়। আনহাতে দাক্ষিণাত্যৰ আদিবাসীৰ মাজত প্ৰায় অষ্ট্ৰেলীয় লক্ষণ বিদ্যমান।

ভাৰতীয় খিলঞ্জীয়া আদিবাসীৰ বিশ্লেষণতো নৃতাত্ত্বিকসকলৰ মাজত প্ৰাৰ্থক্য আছে। এক মতত আজিও কোনো একত্ৰিত হ'ব পৰা নাই। নৃতাত্ত্বিক ৰিজলেই দ্ৰাবিড়সকলক ভাৰতৰ আদিম অধিবাসী বুলি কোৱাৰ বিপৰীতে গুহ, হাটন আদিয়ে নেগ্ৰিটোসকলহে ভাৰতৰ আদিবাসী বুলি কৈছে। আকৌ সৰকাৰ, মজুমদাৰ প্ৰমুখ্যে নৃতাত্ত্বিকসকলে অষ্ট্ৰেলীয়ক ভাৰতৰ আদিবাসী বুলি মত দাঙি ধৰিছে। কিন্তু দ্ৰাবিড়সকলক কোনেও আদিম বা থলুৱা বুলি ক'ব নোখোজে। কিয়নো দ্ৰাবিড়সকল ভাৰতলৈ অহাৰ আগতেই ইয়াত এটা জনগোষ্ঠী আছিল বুলি ধাৰণা কৰে। সিফালে নেগ্ৰিটো সকলো আদিম নহয় বুলি ইতিহাসে ক'ব খোজে। এনে ঠেলা হেঁচাৰ মাজত সাম্প্ৰতিক কালৰ প্ৰায় সকলো নৃতাত্ত্বিকে ভাৰতৰ খিলঞ্জীয়া লোক অষ্ট্ৰেলীয়সকল বুলি সহমতত উপনীত হৈছে। সাংস্কৃতিক আৰু জনগোষ্ঠীয় লক্ষণৰে ভাৰতৰ আদিম অধিবাসী অষ্ট্ৰেলীয়সকল অন্যান্য জনগোষ্ঠীয়ৰ লগত এনেভাৱে সমন্বয়ৰ সোঁতত সংমিশ্ৰিত হৈ গ'ল যে তেওঁলোকৰ প্ৰকৃত সাংস্কৃতিক আৰু জনগোষ্ঠীয় লক্ষণ নিজস্বভাৱে বিচাৰি উলিওৱা অতি কঠিন।

নৰ্ডিকসকল আৰ্য জাতি বুলি পণ্ডিতসকলে স্বীকাৰ কৰি লৈছে। কিন্তু আৰ্য বুলি নিজকে আখ্যা দিয়া এই নৰ্ডিক জাতিৰ লোকসকল এসময়ত এটি জনজাতিৰূপে ভাৰতৰ বাহিৰত বাস কৰি চামে চামে ইয়াত প্ৰৱেশ কৰিছিল। ডঃ সুনীতিকুমাৰ চট্টোপাধ্যায়ে নৰ্ডিক আৰ্যসকল একালত অসভ্য জনজাতি আছিল বুলিয়েই অভিমত দিছে। নৰ্ডিকসকল প্ৰাকঐতিহাসিক কালতে পশ্চিমৰ গিৰিপথেদি ভাৰতত প্ৰৱেশ কৰেছি। নৰ্ডিকসকলৰ পুৰণি বাসস্থান উৰাল পৰ্বতৰ দক্ষিণে থকা ইউৰেছীয়

উপত্যকা বুলিয়ে সম্প্ৰতি নিৰূপিত হৈছে। খ্ৰীষ্টপূৰ্ব তিনি হাজাৰ চনতে মেছ'পটেমিয়ামৰপৰা গৰু পোহাৰ আদৰ্শ তেওঁলোকে গ্ৰহণ কৰে, ভূমধ্যসাগৰ অঞ্চলৰ পৰা ছাগলী পুহিবলৈ শিকে। নৰ্ডিক জাতিৰ অন্তৰ্গত জনজাতিবোৰে শ শ বছৰ ভ্ৰমি ফুৰি খ্ৰীষ্টপূৰ্ব ১৫০০ চন মানত ভাৰতত প্ৰৱেশ কৰে।[1]

যদিও পূৰ্বতে নৰ্ডিকসকল জনজাতি আছিল কিন্তু গাৰ বৰণ তুলনামূলকভাৱে পৰিষ্কাৰ আছিল। পাঞ্জাব আৰু ইয়াৰ দাঁতি কাষৰীয়া উত্তৰ-পশ্চিম ভাৰতত বসবাস কৰা প্ৰাচীন দ্ৰাবিড় লোকসকলক তেওঁলোকে বিনাশ কৰে। আনহাতে পূব আৰু দক্ষিণলৈ আগুৱাই অহা এই লোকসকল স্থানীয় দ্ৰাবিড়সকলৰ সৈতে মিলিজুলি সেই অঞ্চলত এটা সংমিশ্ৰিত জাতিত পৰিণত হয়। পঞ্জাবৰ পৰা যিমানে দক্ষিণ ভাৰতলৈ আগুৱাই আহে সিমানেই তেওঁলোকে স্থানীয় লোকৰ সৈতে মিলি যায়।[2] সেইদৰে আৰ্মেনীয় আলপাইন উপাদান পশ্চিমৰ পৰা পিছত আহিছে।

ভাৰতৰ খিলঞ্জীয়া আদিবাসীৰ ইতিহাস যিদৰে বৈচিত্ৰ্যময় ঠিক তেনেদৰে অসমৰ খিলঞ্জীয়া আদিবাসীৰো ইতিহাস বৈচিত্ৰ্যময়। অৱশ্যে বৰ্তমানৰ সংকুচিত অসমখনৰ ভিতৰতে সোমাই থাকিলে অসমৰ জনগোষ্ঠীয় উপাদানৰ পৰিচয় একো পোৱা নাযাব।

পূৰ্বৰ বৰ অসম বা বৰ্তমানৰ উত্তৰ-পূৰ্বাঞ্চল একত্ৰিত কৰি জনগোষ্ঠীয়ৰ আঁত বিচাৰিলে হয়তো এটা থূলমূল আভাস পাব পৰা যায়। এই সম্পৰ্কে ডঃ লীলা গগৈৰ এটি মন্তব্য দাঙি ধৰা হ'ল— "অসম বুলি কোনো নিৰ্দিষ্ট ভূখণ্ড নাই। ভূগোলৰ অসম আৰু বুৰঞ্জীৰ অসমৰ সীমা কাহানিও একে হোৱা নাই। সেইদৰে ৰাজনৈতিক অসম আৰু সাংস্কৃতিক অসমৰ সীমাও একে নহয়। প্ৰাচীন অসম আৰু আধুনিক অসমৰ সীমাৰ কোনো তুলনাই নহয়। একেদৰে অসমীয়া বুলি কোনো নিৰূপিত জনসমষ্টিয়ে প্ৰতিনিধিত্ব কৰিব নোৱাৰে। বিভিন্ন যুগত বিভিন্ন ভাষা-ভাষী মানুহ আহি যিয়ে এই অসমৰ বৈশিষ্ট্যৰ লগত মিলাই দিছে, তেঁৱেই অসমীয়া। অসমৰ আদিম বাসিন্দা বুলি ক'বলৈ যথাৰ্থতে কোনো নাই। নৱপ্ৰস্তৰ যুগৰ মানুহৰ বসবাস আছিল; কিন্তু তেওঁলোকৰ বংশধৰ বা তেজৰ কণিকা আজিৰ অসমীয়াৰ মাজত পাবলৈ নাই। তাৰ বাহিৰে বিভিন্ন যুগত ৰাজ্য পাতি এই দেশৰ গৰাকী বোলোৱা আটাইবোৰ জাতি বা জনজাতিয়েই আপেক্ষিকভাৱে নতুন বা পুৰণি।

১: অসমৰ জনজাতি : শ্ৰী প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য সম্পাদিত : সম্পাদকৰ পাতনি।
২: অসম বুৰঞ্জী : চাৰ এডৱাৰ্ড গেইট : পৃঃ ৩

আজিৰ অসমীয়াৰ গাত পৃথিৱীৰ মূল জনগোষ্ঠী— আটাইকেইটাৰে তেজৰ সংমিশ্ৰণ আছে আৰু সকলো মানুহ মিহলি হৈ এই নতুন অসমীয়া জাতিটোৰ জন্ম হৈছে।"[১]

অসমলৈ জনগোষ্ঠী প্ৰব্ৰজনৰ পথ মুখ্যতঃ চাৰিটা অৰ্থাৎ চাৰিওদিশৰ পৰা প্ৰব্ৰজন ঘটিছিল। পশ্চিমে ব্ৰহ্মপুত্ৰ আৰু গংগা উপত্যকাৰ প্ৰশস্ত পথ, যি পথেৰে ককেছীয় লোকসকলে সময়ে সময়ে অসমত প্ৰৱেশ কৰিছিল। উত্তৰ দিশত পশ্চিম কোণেৰে তিব্বত, নেপাল আৰু ভূটানৰ পৰা থকা গিৰিপথবোৰৰে মঙ্গোলীয়সকল আহিছিল। উত্তৰ-পূবৰ দিশত থকা পাটকাই পৰ্বতৰ মাজৰ গিৰিপথবোৰেদিও মঙ্গোলীয়সকলৰ প্ৰব্ৰজন ঘটিছিল। দক্ষিণ-পূবৰ গিৰিপথে অসমক ব্ৰহ্মদেশ আৰু দক্ষিণ-পূব এছিয়াক সংযোগ কৰিছে। দক্ষিণ-পশ্চিম আছিল সাগৰ পথ। এসময়ত অসমৰ প্ৰান্তদেশ সাগৰে চুই আছিল। বিভিন্ন সময়ত জনগোষ্ঠীসকল এই পথেৰে অসমত সোমাইছিল বা অসমৰ মাজেদি পাৰ হৈ গৈছিল।

যি সময়ত অষ্ট্ৰেলীয়সকলে মহা পয়োভৰৰে ভাৰতত প্ৰৱেশ কৰিছিল সেই সময়ত পশ্চিমৰপৰা নিগ্ৰোসকলৰ ভাৰতত প্ৰৱেশ কৰিছিল। কিন্তু অষ্ট্ৰেলীয়সকলৰ বংশ সম্ভূত অষ্ট্ৰিকসকলৰ শক্তি আৰু সংস্কৃতিৰ আগত তিষ্ঠিব নোৱাৰি দক্ষিণ আৰু উত্তৰ-পূবলৈ আগবাঢ়ি যায়। নগা ৰাজ্যৰ দুটামান জনজাতিৰ গাত নিগ্ৰো তেজৰ কণিকা পোৱা বুলি নৃতাত্ত্বিকসকলে ঠাৱৰ কৰিছে। অষ্ট্ৰেলীয়সকলক পণ্ডিতসকলে প্ৰাক -অষ্ট্ৰেলীয়, ভেড্ডীয়, নিষাদ আদি বিভিন্ন ভাগত ভাগ কৰিছে।

খাছীসকলে অষ্ট্ৰো-এছীয় ভাষা কয় আৰু এই ভাষাৰ সম্বন্ধ অষ্ট্ৰেলীয়ৰ লগত। কিন্তু খাছীসকলৰ মাজত স্পষ্ট মঙ্গোলীয় লক্ষণ বিদ্যমান। মঙ্গোলীয় খাছীসকলে এই ভাষা ক'ত কেনেকৈ শিকিলে, এই প্ৰশ্ন স্বাভাৱিকতেই মনলৈ আহে। ডঃ সুনীতিকুমাৰ চেটাৰ্জীয়ে ইয়াৰ ব্যাখ্যা দিবলৈ চেষ্টা কৰিছে। এই মঙ্গোলীয় লোকসকলে উত্তৰ-পূব কোণেৰে অসমত প্ৰৱেশ কৰে। তেওঁলোক অহাৰ আগতে ইয়াত অষ্ট্ৰেলীয় লোকে বাস কৰিছিল আৰু তেওঁলোকৰ ভাষা আছিল অষ্ট্ৰো-এছীয়। খাছীসকল ইয়ালৈ আহি সেই ভাষাকে গ্ৰহণ কৰিলে।[২]

কিন্তু ভাষাতত্ত্ববিদ পণ্ডিত গ্ৰীয়াৰছন, লগান আদিৰ মতে খাছী, জয়ন্তীয়া, কোল-মুণ্ডা, চাওতাল আদি জনগোষ্ঠীসমূহ বিৰাট অষ্ট্ৰিক গোষ্ঠীৰ অন্তৰ্ভুক্ত। তেওঁলোকৰ আদিম ধৰ্মীয় নীতি, বসবাসৰ নিয়ম-প্ৰণালী আৰু শাৰীৰিক গঠন

১ : অসমৰ সংস্কৃতি ঃ ডঃ লীলা গগৈ ঃ পৃ ঃ ৩

২ : অসমীয়া জাতিৰ ইতিবৃত্ত ঃ অসম সাহিত্য সভা ঃ পৃঃ ১৫

আদি বিশ্লেষণ কৰি পণ্ডিতসকলে এই মত দাঙি ধৰিছে।[১] অষ্ট্ৰিক সংস্কৃতি মূলতঃ গাঁওমুখী। এওঁলোকেই ধান খেতিৰ প্ৰচলন লাওচ আৰু থাইলেণ্ডৰ পৰা ভাৰত তথা অসমলৈ কঢ়িয়াই আনিছিল। গঢ়ি তুলিছিল অসমত পৰ্বত আৰু ভৈয়াম উভয়তে কৃষি-সংস্কৃতিৰ পাতনি। সমগ্ৰ অসমত কি পৰ্বত, কি ভৈয়াম সকলোতে অষ্ট্ৰিক সংস্কৃতিৰ উপাদান বিৰাজমান। ঘাইকৈ মঙ্গোলীয় সংস্কৃতিৰ ইয়াৰ প্ৰভাৱ অধিক। অষ্ট্ৰো-মঙ্গোলীয় সংস্কৃতিৰ উৰ্বৰতাই পিছলৈ কোবাল আৰ্যসংস্কৃতিৰ সিৰে সিৰে সোমাই হৃদ য়ৰ ধমনি তুলি এক নৱ সমন্বয়ৰ সৌধ গঢ়ি তুলিছে। উৰ্বৰা মতবাদৰ বাটকটীয়া হ'ল অষ্ট্ৰিকসকল। মানুহক তামোল-পাণেৰে ক্ষমা খোজা, তামোল-পাণৰ শৰাই দি মান-সৎকাৰ কৰা, ধৰ্মীয় আচাৰ অনুষ্ঠানত তামোল-পাণৰ ব্যৱহাৰ আদি তামোল সম্বন্ধীয় সংস্কৃতিৰ উপাদান অষ্ট্ৰিকসকলৰ পৰাই পোৱা হৈছে।

ভূমধ্যসাগৰীয় উপাদান অসমৰ আধুনিক কালৰ মানুহৰ মাজত দেখা যায়। কিন্তু পৰিৱেশ, সংমিশ্ৰণ আদি নানান কাৰণত সেই লক্ষণবোৰে বিভিন্ন ৰূপ লৈছে। ভূমধ্যসাগৰীয়ৰ লগতে আলপাইন-আৰ্মেনীয় উপাদানৰ অৱস্থিতিও দেখা গৈছে। কিন্তু প্ৰকৃত আলপাইন-আৰ্মেনীয় উপাদানৰ প্ৰাবল্য আধুনিক অসমীয়াৰ মাজত কম। জৈৱিক কাৰণতো প্ৰাবল্য কমি যোৱাৰ সম্ভাৱনা বা দৃষ্টান্ত আছে। আকৌ এনেকুৱাও হ'ব পাৰে; আলপাইন প্ৰকাৰৰ লোক পূবলৈ বেছি দূৰলৈ আগনাবাঢ়িল। কিছুসংখ্যক লোকহে অসমত প্ৰৱেশ কৰিলে। তেওঁলোকে দীৰ্ঘ মস্তকী ভূমধ্যসাগৰীয়ৰ লগত বেছিকৈ মিলি যোৱাত আলপাইনীয় লক্ষণবোৰ অস্পষ্ট হৈ গ'ল। তথাপি এইটো হয়তো ক'ব পাৰি যে ভূমধ্যসাগৰীয় আৰু আলপাইন উপাদান এই অঞ্চলৰ মানুহৰ মাজত আছে।[২]

ইণ্ডো-আৰ্যসকল অহাৰ পূৰ্বে এই অঞ্চলত মধ্যসাগৰীয় আৰু আলপাইন লোক থকাৰ কথা নৃতাত্ত্বিকসকলে ঠাৱৰ কৰিছে। গতিকে অগা-দেৱাকৈ দুয়ো জনগোষ্ঠীৰ মাজত যে কিছু সংমিশ্ৰণ ঘটি এক নতুন অৱয়ব সৃষ্টি হৈছিল তাক অনুমান নকৰাকৈ থাকিব নোৱাৰি।

হিন্দুকোষ পৰ্বতৰ দক্ষিণাঞ্চলত থকা বৰ্তমানৰ বাল্টিকসকল ইণ্ডো-আৰ্যৰ বংশধৰ। সিন্ধু আৰু গংগা উপত্যকাত এওঁলোকৰ প্ৰাধান্য বেছি। সিফালে বিহাৰ পৰ্যন্ত বিস্তৃত হৈছিল। প্ৰবলভাৱে নহ'লেও বিক্ষিপ্তভাৱে পূব বিহাৰ, বংগ আৰু

১ : অসমৰ জনজাতি ঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য সম্পাদিত ঃ পৃ ঃ ২৭

২ : অসমীয়া জাতিৰ ইতিবৃত্ত ঃ অসম সাহিত্য সভা ঃ পৃ ঃ ২৬

অসমতো প্ৰবেশ কৰিছিল। উচ্চ জাতিৰ মানুহৰ মাজত এওঁলোকৰ লক্ষণ অধিক প্ৰকট। প্ৰায় তিনি-চাৰি হাজাৰ বছৰ আগেয়ে কিছুমান আৰ্য লোক উত্তৰ-পশ্চিম সীমান্তইদি ভাৰতত প্ৰৱেশ কৰিছিল। এওঁলোকৰ আগমনত ভাৰতত বিশেষকৈ পাঞ্জাব আৰু দাঁতি কাষৰীয়া উত্তৰ-পশ্চিম ভাৰতত বাস কৰা প্ৰাচীন দ্ৰাবিড় লোকসকল লোপ পায়। যিদৰে নিঃশেষ হৈছিল মঙ্গোলীয় অভ্যুত্থানত প্ৰাচীন ককেছীয়সকল।

কিন্তু ইণ্ডো-আৰ্যসকলৰ অসমলৈ কেতিয়া প্ৰৱেশ ঘটিছিল সেই সম্পৰ্কে পণ্ডিতসকল এতিয়াও সহমতত উপনীত হ'ব পৰা নাই। মহাভাৰত আৰু ৰামায়ণ এই দুখন মহাকাব্যত প্ৰাগজ্যোতিষপুৰৰ কথা উল্লেখ আছে। সেইকালতেই ইণ্ডো-আৰ্যসকলে অসমৰ কথা জানিছিল। গতিকে তেতিয়াই ইণ্ডো-আৰ্যৰ প্ৰভাৱ পৰিব পাৰে; কিন্তু প্ৰব্ৰজনৰ বিষয়ে কোনেও সঠিককৈ ক'ব নোৱাৰে। ভাস্কৰ বৰ্মনৰ ৰাজবংশটোক ক্ষত্ৰিয় বংশ বুলি পণ্ডিতসকলে ধৰি লৈছে। যদি সেয়ে হয় সেই বংশৰ আদি ৰজা পুষ্য বৰ্মন (প্ৰায় খৃঃ পূঃ- ৩৮০- ৪০৩) ক্ষত্ৰিয় আছিল। তেওঁৰ সকলো প্ৰজা একেঁ জাতিৰ নহ'লেও কিছু ক্ষত্ৰিয় লোক আছিল বুলি ঠাৱৰ কৰে। সেইটোকে ভিত্তি কৰি সেই সময়তে কিছু ইণ্ডো-আৰ্য লোক অসমলৈ আহে বুলি অনুমান কৰে। চীনা পৰিব্ৰাজক হিউয়েন চাং কামৰূপলৈ অহাৰ সময়ত বহুতো ব্ৰাহ্মণ আৰু উচ্চ জাতিৰ লোক ইয়াত লগ পোৱা বুলি তেওঁ টোকাত উল্লেখ কৰিছে। ব্ৰাহ্মণ থকা মানেই কামৰূপত ইণ্ডো-আৰ্য লোক আছিল বুলি কোনো কোনোৱে ঠিৰাং কৰিছে।

আৰ্যসকলৰ অসমলৈ আগমনৰ সঠিক বিৱৰণ নাথাকিলেও অসমৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক দুয়োখন উপত্যকাতে আৰ্যভাষাৰ বিস্তৃতিৰ গুৰিতে আছে হিন্দু পুৰোহিতসকলৰ প্ৰভাৱ। বিশেষকৈ উচ্চ শ্ৰেণীৰ হিন্দুসকলে এই ভাষা গ্ৰহণ কৰিছিল। ব্ৰহ্মপুত্ৰ উপত্যকাত বাস কৰা কলিতাসকলৰ আৰ্য চেহেৰাৰ সৈতে সাদৃশ্য আছে। প্ৰাচীন আৰ্য আক্ৰমণকাৰীসকলৰ স্থানীয় মহিলাসকলৰ সৈতে বৈবাহিক সম্বন্ধ ঘটাৰ ফলস্বৰূপে এই কলিতাসকলৰ উদ্ভৱ হৈছিল যেন লাগে।[১] তদুপৰি অসমৰ কলিতাসকলক প্ৰাক বৈদিক আৰ্য বুলি কোনো কোনোৱে যুক্তি সহকাৰে অভিমত দাঙি ধৰিছে।

---

১ : অসম বুৰঞ্জী : চাৰ এডচৱাৰ্ড গেইট : পৃঃ ৬

অসমৰ দুয়োখন উপত্যকাতে ভালেমান সৰু সৰু গোটৰ মুখিয়াল শ্ৰেণীৰ লোকে বসবাস কৰিছিল। এওঁলোকক ভূএগ্ৰা বোলা হৈছিল। পূৰ্ববংগতো ভালেমান ভূএগ্ৰাই বসবাস কৰিছিল। দৰাচলতে ভূএগ্ৰা শব্দটোৱে কোনো বৰ্ণক নুবুজায়। সংস্কৃত ভূএগ্ৰা শব্দটো পাৰ্চী 'জমিদাৰ' শব্দৰ সমতুল্য আৰু ই মাটিৰ গৰাকীক বুজায়। আহোমসকলৰ অসম আগমনৰ ফলত চুটীয়া ৰাজ্যৰ পূবে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত ভূএগ্ৰাসকলে আধিপত্য বিস্তাৰ কৰিছিল। আৰিমত্ত ৰজাৰ পুত্ৰ ৰত্নপালক সিংহাসনচ্যুত কৰা তেওঁৰ মন্ত্ৰী, সমুদ্ৰক ভূএগ্ৰাসকলে তেওঁলোকৰ পূৰ্বপুৰুষ বুলি দাবী কৰিছিল। আনহাতে নগাঁৱৰ বাৰভূএগ্ৰাসকলৰ উৎপত্তি সম্বন্ধে আন এটা সূত্ৰ পোৱা যায়। কমতাপুৰৰ ৰজা দুৰ্লভ নাৰায়ণৰ ধৰ্ম নাৰায়ণ নামৰ এজন ৰজাৰ সৈতে যুদ্ধ লাগে। ধৰ্ম নাৰায়ণে নিজকে গৌড় ৰাজ্যৰ ৰজা বুলি দাবী কৰিছিল। আধুনিক চিলেট জিলাৰ এটা অংশ গৌড় ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল। প্ৰচলিত কাহিনী মতে দুৰ্লভ নাৰায়ণৰ সৈতে সন্ধি স্থাপন কৰি ধৰ্মনাৰায়ণে তেওঁৰ ৰাজ্যলৈ সাতটা ব্ৰাহ্মণ আৰু সাতটা কায়স্থ পৰিয়াল পঠিওৱাত তেওঁ সেইসকলক মাটিবাৰী, লগুৱা লিকচৌ দি সীমান্ত ৰক্ষক হিচাপে নিযুক্তি দিছিল। সুযোগ্য কায়স্থ চণ্ডীবৰ তেওঁলাকৰ দলপতি হৈছিল। নগাঁৱৰ বৰদোৱাত চণ্ডীবৰ থাকিবলৈ লৈছিল আৰু তাতেই তেওঁৰ পৰিনাতি মহাপুৰুষ শংকৰদেৱৰ জন্ম হৈছিল।[১] আনহাতে বৌদ্ধিক মহলৰ বেছিসংখ্যকে শংকৰদেৱৰ পূৰ্বপুৰুষ কাণ্যকুব্জৰ পৰা অহা বুলি কৈছে। গুৰিত তেওঁলোক কায়স্থ। লগতে বিপ্ৰ বংশীয় লোকৰো প্ৰাদুৰ্ভাৱ ঘটে, সমসাময়িকভাৱে।

অসমত বিশেষকৈ নামনি অসমত আৰু এটা জনগোষ্ঠীৰ প্ৰৱেশ ঘটিছিল। সেইটো হ'ল ইণ্ডো-আৰ্যৰ প্ৰশাখা যোগী জনগোষ্ঠী। তেওঁলোকক নানা উপাধিৰে জনা যায়। কিন্তু জনগোষ্ঠীয় পৰিৱৰ্তন, পৰিবৰ্ধন আৰু পৰিৱেশত তেওঁলোকে শইকীয়া, চহৰীয়া, বৰা, হাজৰিকা আদি উপাধিও লিখা দেখা যায়। এই জনগোষ্ঠীটোৰ পূৰ্বপুৰুষ গোৰক্ষ নাথ আৰু মৎসেন্দ্ৰ নাথ বুলি জনা যায়। এওঁলোকৰ পূৰ্ব বাসস্থান আছিল বংগদেশ। বংগদেশত এই সম্প্ৰদায়ৰ লোক এতিয়াও আছে।

অসমৰ সিংহভাগ দখল কৰি আছে মঙ্গোলীয় জনগোষ্ঠীয়ে। অষ্ট্ৰিকসকলৰ অভ্যুত্থানত নগা ৰাজ্যৰ দুটামান জনজাতিৰ গাত তেজৰ কণিকা থৈ নিগ্ৰোসকলে মূল ভাৰতভূমি এৰি ব্ৰহ্ম দেশৰ দক্ষিণ উপকূল আৰু পূব ভাৰতীয় দ্বীপপুঞ্জ ওলাই

১: অসম বুৰঞ্জী, এড ৱাৰ্ড গেইট ঃ পৃঃ ৩৪

তাৰ পৰা সাগৰ পাৰ হৈ আন্দামান নিকোবৰ দ্বীপপুঞ্জত সোমায়। মঙ্গোলীয় অভ্যুত্থানত প্ৰাচীন ককেছীয়সকল নিঃশেষ হৈ যায়। মাত্ৰ অসমৰ মিছিমি, ডফলা আদিৰ মাজত সামান্য ককেছীয়ৰ গোন্ধ পোৱা বুলি নৃতাত্বিকসকলে অনুমানহে কৰে। মঙ্গোলীয়ৰ দ্বাৰা পৰিবেষ্টিত হৈ আইনু নামেৰে এটা ককেছীয় গোট জাপানত তিষ্ঠি আছে।

আমাৰ গ্ৰন্থখনৰ নামাকৰণৰ লগত সাদৃশ্য ৰাখি এই মঙ্গোলীয় জনগোষ্ঠীটোৰ কিছু আলোচনা কৰিবলৈ প্ৰয়োজন অনুভৱ কৰিছোঁ, যিহেতু মুছলমানসকলৰ লগত অসম তথা উত্তৰ-পূব ভাৰতত প্ৰথম সংস্পৰ্শ ঘটে এই জনগোষ্ঠীটোৰ।

পণ্ডিতসকলৰ মতে নাক চেপেটা, মূৰ চুটি, কপাল বহল, গাল গোলাকাৰ কম গুঁফীয়া আৰু হালধীয়া গাৰ বৰণৰ মানুহবোৰক মঙ্গোলীয় গোষ্ঠীৰ মানুহ বুলি কোৱা হয়। খ্ৰীঃ পূঃ দুই হাজাৰ বছৰ আগতে এই জাতীয় মানুহ ছাইবেৰীয়া আৰু মঙ্গোলীয়া এই দুই দেশত ভ্ৰমি ফুৰা দেখা গৈছিল। কালক্ৰমত তেওঁলোক তিনিভাগ হৈ এভাগ ইউৰোপৰ ফাললৈ যায় গৈ। তাত তেওঁলোকে তুৰ্কী আৰু ইটালীত বাস কৰেগৈ। দ্বিতীয় ভাঁগটো ছাইবেৰিয়াইদি বেৰিং প্ৰণালী পাৰ হৈ উত্তৰ আমেৰিকাৰ মেক্সিকোত বাস কৰেগৈ। তেওঁলোকৰে আনটো ঠালে জাপানত বাস কৰিবলৈ লয়। তৃতীয় ঠালটো ক্ৰমান্বয়ে দক্ষিণ ফালেদি নামি আহি চীনৰ দক্ষিণ-পশ্চিমত থকা হোৱাংহো উপত্যকা আৰু তিব্বত মালভূমিত বাস কৰিবলৈ লয়। হোৱাংহো উপত্যকাৰ এটা ঠাল ভাগ হৈ ব্ৰহ্মদেশ পায়গৈ। তিব্বতৰ পৰাও তেওঁলোক চামে চামে আহি হিমালয়ৰ নামনি অঞ্চলত বাস কৰিবলৈ লয়। তেওঁলোকক নেপাল আৰু ভূটানত ৰায়, লিম্বু, গুৰুং আৰু নেৱাৰ, চুনাৰ আৰু ধামাং চেৰপা আদি নামেৰে জনা যায়। তিব্বতত বাস কৰা কিছুমান মঙ্গোলীয় মানুহ ব্ৰহ্মপুত্ৰ নদীৰ শাখাবোৰেদি পাট কাপোৰৰ ব্যৱসায় কৰিবলৈ উত্তৰ-পূব ভাৰতত প্ৰৱেশ কৰে। পিছত এই ঠালটোই ব্ৰহ্মপুত্ৰ নদৰ দাঁতিকাষৰীয়া ঠাইত সৰু সৰু ৰাজ্য স্থাপন কৰি বাস কৰিবলৈ লয়।

খ্ৰীঃ পূঃ এহাজাৰ বছৰ আগেয়ে যেতিয়া ভাৰতৰ দক্ষিণ-পশ্চিম আৰু পূবে গঙ্গা উপত্যকাত আৰ্য, দ্ৰাবিড় আৰু অষ্ট্ৰিক সংস্কৃতিৰ প্ৰভাৱ পৰিছিল তেতিয়া উত্তৰ-পূব ভাৰতত মঙ্গোলীয় সংস্কৃতিৰ প্ৰভাৱ পৰিছিল। এই কালছোৱাত আৰ্য সাহিত্য বেদৰ সংকলনৰ কাম সমাধা হয়। যজুৰ্বেদ, [illegible] মঙ্গোলীয় মানুহক 'কিৰাত' বুলি অভিহিত কৰিছে। তিব্বতৰ মঙ্গোলীয়সকলে পোনে পোনে

দক্ষিণলৈ আহি হিমালয় পৰ্বতৰ দাঁতিকাষৰীয়া অঞ্চলবোৰত বসতি কৰাৰ কাৰণে সংস্কৃত কক্ষৰাত বা কচ্ছাত শব্দৰ পৰা কিৰাত আৰু কছাৰী শব্দৰ উৎপত্তি হৈছে বুলি ঐতিহাসিকসকলে ধাৰণা কৰে। পণ্ডিতসকলে আৰু অনুমান কৰে যে শাক্য, কোলীয়, লিচ্ছবি, ব্ৰিজি বা বিজ্জ, মল্ল আদি জাতিবোৰ আদিতে মঙ্গোলীয় আছিল। পিছলৈ লিচ্ছবি জাতিটোই বৰ্তমানৰ উত্তৰ বংগত ৰাজত্ব কৰাৰ সময়ত ব্ৰাহ্মণৰ দ্বাৰা দীক্ষিত হৈ আৰ্য সংস্কৃতি গ্ৰহণ কৰি 'ক্ষত্ৰিয়' বুলি পৰিচয় দিয়ে।[১]

এখন ফুলনিত যিদৰে মাত্ৰ এটা প্ৰজাতিৰ ফুলে সৌন্দৰ্য বৰ্ধন কৰিব নোৱাৰে ঠিক সেইদৰে অসমৰ সংস্কৃতি মাত্ৰ এটা সম্প্ৰদায়ৰ সংস্কৃতিয়ে কেতিয়াও ইমান চহকী কৰি তুলিব নোৱাৰিলেহেঁতেন। অসমৰ ভাষা-সংস্কৃতি বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ত গঢ়ি উঠিছে। আনহাতে এটা প্ৰজাতিৰ ফুল গোলাপ, নাৰ্জী আদিৰ যিদৰে বহু ৰঙী আৰু বহু প্ৰকৃতিৰ থাকে অসমৰ মঙ্গোলীয়সকলো বহু প্ৰজাতিত ভাগ হৈছে। মঙ্গোলীয়ৰ অসম বৰ্মী শাখাটোৰ কথাকে ধৰা যাওঁক। এই শাখাটোৰ বড়োসকলৰ মাজতে কছাৰী, মেচ, গাৰো, ৰাভা, ত্ৰিপুৰা, কোচ, চুতীয়া, লালুং ইত্যাদি। আকৌ কছাৰীৰে ভাগ সোণোৱাল কছাৰী, ঠেঙাল কছাৰী, ডিমাছা কছাৰী, হাজং আদি নামেৰে জনা যায়। সেইদৰে নগাৰ মাজতে আও, আংগামী, ছেমা, টাংখুল, ছাংটাম ইত্যাদি। মণিপুৰী, লুচাই, চিংফৌ, অকা, মিৰি, ডফলা, আবৰ আৰু কাৰ্বিসকলো মঙ্গোলীয় গোষ্ঠীৰ লোক।

কোচ জনগোষ্ঠীটোৰ সম্পৰ্কে দ্বিমত দেখা যায়। নৃতাত্ত্বিক ব্ৰাথান হড্ গছনে কোচসকলক বড়ো আৰু ধিমান লোক বুলি অভিহিত কৰিছে, যাক সমৰ্থন কৰিছে 'বুচানন' আৰু 'ঢাকা ব্লু বুকে'। আনহাতে কৰ্ণেল ডেল্টনৰ মতে কোচসকল দ্ৰাবিড়ীহে। ৰেজলীয়ে এই গোষ্ঠীটো মঙ্গোলীয় আৰু দ্ৰাবিড়ীৰ সংমিশ্ৰণত উদ্ভৱ হোৱা বুলি কৈছে। মতানৈক্যটো আহিছে ৰাজবংশী শব্দটোক লৈ। পোনতে বোধকৰো ৰাজবংশীসকল দ্ৰাবিড় বংশোদ্ভৱ আছিল। পিছত মানস নৈৰ পশ্চিমৰ কোচসকলে হিন্দু ধৰ্ম গ্ৰহণ কৰি নিজকে ৰাজবংশী বুলি ক'বলৈ ধৰে। কোচ ৰজাসকলৰ দিনত কোচ আৰু ৰাজবংশীৰ মাজত সংমিশ্ৰণ ঘটে। কিন্তু এটা কথা ধ্ৰুৱপ যে প্ৰকৃত কোচসকল মঙ্গোলীয়হে। কোচসকলৰ লগত গাৰো আৰু মেচসকলৰ নিকট সম্বন্ধ আছিল। জলপাইগুৰি, কোচবিহাৰ আৰু গোৱালপাৰা অঞ্চলত বৰ্তমানে যিসকল

১: বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি ভবেন নাৰ্জী। পৃঃ ১-৪

ৰাজবংশী লোক আছে তেওঁলোক, প্ৰকৃততে কোচহে। তেওঁলোকৰ গাৰ ৰবণ ক'লা হ'লেও আকৃতিত মঙ্গোলীয়।[১] খাছীয়া আৰু জয়ন্তীয়া পাহাৰক বাদ দি অতীত অসমৰ প্ৰায়বোৰ ঠাইতে তিব্বত বৰ্মী ভাষাভাষী মঙ্গোলীয় লোকসকলৰ সিঁচৰতি হৈ আছে। এই মঙ্গোলীয় জনগোষ্ঠীটোক আকৌ তেওঁলোকৰ বসবাসৰ ওপৰত নিৰ্ভৰ কৰি ভাৰতীয় সংবিধানে ভৈয়ামীয় আৰু পাহাৰীয় জনজাতি এই দুভাগত ভাগ কৰিছে। তাৰে কিছুমানক আকৌ অনুসূচিত জনজাতি হিচাপে স্বীকৃতি দিছে।

আৰ্যসকলৰ সংস্কৃত সাহিত্য তথা হিন্দুৰ ধৰ্মগ্ৰন্থ বেদত জনগোষ্ঠীসকলক ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ প্ৰধানতঃ চাৰি ভাগত বিভক্ত কৰিছে। মানুহৰ বৃত্তি অনুযায়ীয়েই এনে বিভক্তকৰণ কৰা হৈছে। আকৌ প্ৰত্যেক শ্ৰেণী জনগোষ্ঠীৰ মাজতে বহুতো শাখা, প্ৰশাখাত বিভক্ত হোৱা দেখা যায়। শূদ্ৰৰ ভিতৰত কিছুমানক অনসূচিত জাতিত ভাগ কৰা হৈছে আকৌ কোনোবাবিলাকক অন্যান্য পিছপৰা শ্ৰেণীত ধৰা হৈছে।

ওপৰত উল্লেখ কৰা মঙ্গোলীয়ৰ এটা ঠালে দক্ষিণ-পূব কোনেদি ভাৰতত সোমাই প্ৰাচীন কালৰ প্ৰত্যন্ত ভূমি, পূৰ্বদেশ, সূক্ষ্ম, ত্ৰিপুৰা আদি নামেৰে ৰাজ্য স্থাপন কৰি পশ্চিমবংগ আৰু মধ্যভাৰতত সংস্কৃতি-সভ্যতা বিস্তাৰ কৰিছিল। প্ৰত্যন্ত ভূমি, পূৰ্বদেশ, সূক্ষ্ম, ত্ৰিপুৰা আদি দেশৰ বৰ্তমান শ্ৰীহট্ট, চট্টগ্ৰাম, মৈমনসিংহ, ঢাকা নামেৰে পৰিচয় পোৱা যায়। সেইবোৰৰ সৰহভাগ বৰ্তমান বাংলাদেশৰ অধীনত পৰিছে। ত্ৰিপুৰাৰ বাহিৰে বাকী ৰাজ্য পিছৰ কালত মুছলমান ৰজাৰ হাতলৈ আহে। সেইবোৰত বাস কৰা কিৰাত বা মঙ্গোলীয় প্ৰজা বড়োসকলে ইছলাম ধৰ্মত দীক্ষিত হৈ মুছলমান হয়।

এইখিনিতে উল্লেখ কৰিব পাৰি যে মুছলমানৰ সংস্পৰ্শলৈ অহাৰ কাৰণেই হয়তো বড়ো কছাৰীসকলে তেওঁলোকৰ জাতীয় সৰ্ববৃহৎ 'খেৰায় পূজা'ত নবাব বাঁদচাৰ প্ৰতি সসন্মানে থাপনা পাতি ভোগ আগবঢ়ায়।[২] তেওঁলোকৰ মতে নবাব বাদচা মানে মুছলমানৰ দেৱতা। খেৰায় থানৰ পশ্চিমে এই দেৱতাক আসন দিয়ে। কুকুৰা চৰাই জবেহ কৰি পূজা দিয়ে। জবেহ কৰিবৰ সময়ত পূজাৰীয়ে লেংটি সোলোকাই পশ্চিমৰ ফালে মুখ কৰি 'বিছমিল্লাই' বুলি কয়। তাৰ পিছত সেৱা

১: অসম বুৰঞ্জী : চাৰ এডৱাৰ্ড গেইট : পৃঃ ৪০

২: বড়ো কছাৰী সমাজ আৰু সংস্কৃতি : ভবেন নাৰ্জী : পৃ : ১৫

জনাই পূজাৰ কাম সমাধান কৰে। ধৰ্মান্তৰিত মুছলমান সম্পৰ্কে পৰৱৰ্তী অধ্যায়ত বিশেষভাৱে আলোচনা কৰা হৈছে।

ত্ৰয়োদশ শতিকাৰ তৃতীয় দশকত আৰু এটা মঙ্গোলীয় গোষ্ঠী পূবফালৰ পৰা অসমত সোমাইছিল। এই জনগোষ্ঠীটো বিৰাট টাই জাতিৰে এটা ঠাল। এওঁলোকৰ আগমনত অসমৰ চুতীয়া, কছাৰী, মৰাণ, ভূঞা আদি বিভিন্ন জনগোষ্ঠীৰ হাতত খণ্ড-বিখণ্ড হৈ থকা লুইতৰ দুয়োপাৰ 'অসম' নামৰ এখন ৰাজ্যত পৰিণত হয় আৰু টুকুৰাটুকুৰ হৈ থকা জাতি-জনজাতি-উপজাতি মিলি অসমীয়া নামৰ এটা নতুন জাতিলৈ উন্নীত হয়।

ত্ৰয়োদশ শতিকাৰ আৰম্ভণিতে মুছলমানসকলৰ প্ৰৱেশ ঘটিছিল অসমত বিভিন্ন সূত্ৰৰে। বিশেষকৈ মোগল, তুৰ্কী যুদ্ধ বন্দী, ধৰ্মপ্ৰচাৰৰ কাৰণে অহা পীৰ ফকীৰসকল, বিভিন্ন মুছলমান কাৰিকৰ, ধৰ্মান্তৰিত মুছলমান আৰু পমুৱা মুছলমান। এইসকলেও অসমকে মাতৃভূমি বুলি জ্ঞান কৰি ইয়াৰ ভাষা-সংস্কৃতি গ্ৰহণ কৰি পিছলৈ থলুৱা অসমীয়া হৈ পৰে। ঠিক সেইদৰে মীৰজুমলাৰ লগত অহা শিখ গুৰু টোগবাহাদুৰ আৰু তেওঁৰ অনুগামীসকল অসমৰ অসমীয়া হয়। মাৰোৱাৰী সম্প্ৰদায়ৰ মানুহো বেহা-বেপাৰৰ কাৰণে আহি অসমীয়া হৈ পৰে।

এইদৰে বিচিত্ৰ জনগোষ্ঠী, বিচিত্ৰ সংস্কৃতি, বিচিত্ৰ জীৱন ধাৰণ পদ্ধতিৰে বৈচিত্ৰ্যময় অসমত গঢ়ি উঠে সমন্বয়ৰ ভেঁটিৰে এক অসমীয়া মহাজাতি।

অসমত ইছলাম ধৰ্মৰ প্ৰচাৰ আৰু বিস্তাৰ

আগৰ অধ্যায়ত অসমলৈ বিভিন্ন জনগোষ্ঠীৰ আগমন, উন্মেষণ, অসমকে মাতৃভূমি বুলি জ্ঞান, ভাষা-সংস্কৃতিৰ উত্তৰণ আদিৰ বিষয়ে এটা থূলমূল আভাস দিয়া হ'ল। সেই সকলৰ বৈচিত্ৰ্যময় বৈশিষ্ট্যৰ বিষয়েও সামান্য আলোকপাত কৰা হ'ল। এতিয়া অসমলৈ মুছলমানৰ আগমন, অসমত ইছলাম ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ, অসমৰ জনগাঁথনিত তেওঁলোকৰ অবদান আদি সম্পৰ্কে কিছুকথা আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ল।

খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ কাহিলি পুৱাতে কামৰূপ নামৰ ৰাজ্যত ইছলামধৰ্মী তুৰ্কীসকল প্ৰৱেশ কৰি এক নতুন প্ৰজন্মৰ ইতিহাস ৰচনা কৰিছিল, যি প্ৰজন্মই ভাষা-সংস্কৃতিৰ অৰিহণা যোগাই অসমত মূল ভেঁটি অক্ষত কৰি গঢ়ি তুলিছিল।

বৰ্তমান অসমৰ পশ্চিমাঞ্চলত কামৰূপ ৰাজ্য আছিল। ব্ৰহ্মপুত্ৰ উপত্যকা, ভূটান, ৰংপুৰ, কোচবিহাৰ, উত্তৰ-পূব মৈমনসিং জিলা আৰু বোধ কৰোঁ গাৰোপাহাৰ-জিলাও কামৰূপ ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল। সেই সময়ত কামৰূপ ৰাজ্য চাৰি ভাগত বিভক্ত আছিল। কৰোতিয়াৰ পৰা মানকোচলৈ বিস্তৃত অঞ্চল কামপীঠ, মানকোচৰ পৰা ৰূপহীলৈ ৰত্নপীঠ, ৰূপহীৰ পৰা ভৰলীলৈ সুবৰ্ণপীঠ আৰু ভৰলীৰ পৰা ডিক্ৰুঙলৈ সৌমাৰপীঠ। আন এটা সূত্ৰৰ মতে কৰোতীয়া আৰু মানসৰ মধ্যৱৰ্তী ভূখণ্ড ৰত্নপীঠ, মানস আৰু ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ শিলঘাটৰ মাজৰ অঞ্চল কামপীঠ, ইয়াৰ বিপৰীতে দক্ষিণপাৰৰ অঞ্চল ভদ্ৰপীঠ আৰু ভৰলীৰ পৰা ডিক্ৰুঙলৈ বিস্তৃত ভূখণ্ড সৌমাৰপীঠ।[১]

এটা পুৰণি কাহিনীৰ আধাৰত 'কামৰূপ' নামৰ উৎপত্তি বুলি পণ্ডিতসকলে কয়। পিতৃ দক্ষৰজাই সতী পাৰ্বতীৰ সন্মুখতে স্বামী শিৱৰ প্ৰতি অসৌজন্যমূলক আচৰণ কৰাত দুখ আৰু অপমানত ম্ৰিয়মান হৈ সতীয়ে দেহ ত্যাগ কৰে। সতীৰ স্বমৃত্যুত শোকত জৰ্জৰিত হৈ শিৱই সতীৰ মৃতদেহ কান্ধত লৈ সমগ্ৰ পৃথিৱী পৰিভ্ৰমণ কৰিবলৈ লয়। শিৱৰ তেনে কাৰ্যত প্ৰমাদ গণি বিষ্ণুদেৱতাই তেওঁৰ পিছে পিছে গৈ

১। [illegible]

শিৱক এইদৰে নিজকে কষ্ট নিদিবলৈ অনুৰোধ কৰে। কিন্তু সেই অনুৰোধৰ প্ৰতি কৰ্ণপাত নকৰাত উপায়বিহীন হৈ তেওঁ চকুৰ দ্বাৰা সতীৰ দেহ খণ্ড খণ্ড কৰিবলৈ বাধ্য হয়। সতীৰ দেহ একাৱন্ন ঠাইত সৰি পৰে। য'তেই এনেদৰে সতীৰ দেহ সৰি পৰে সেই ঠাইখন পবিত্ৰ বুলি গণ্য হৈ একোখন তীৰ্থস্থানত পৰিণত হয়। সতীৰ যোনী অংশ কামাখ্যাত পৰে। এই কামগিৰিয়েই হ'ল বৰ্তমানৰ গুৱাহাটীৰ ওচৰৰ নীলাচল পাহাৰ। তেতিয়াৰ পৰা এই ঠাইডোখৰ কামাখ্যা দেৱীৰ নামেৰে নামকৰণ কৰা হয়। কামাখ্যা হ'ল যৌন কামনাৰ প্ৰতীক। শিৱৰ কান্ধৰ পৰা এনেকৈ সতীৰ দেহ ছিন্নভিন্নকৈ পৰি শেষ হ'ল যদিও শিৱৰ ক্ৰোধ তেতিয়াও শাম নকটাত দেৱতাসকল শিৱক লৈ উদ্বিগ্ন হৈ পৰিল। সেয়ে এইবাৰ দেৱতাসকলে প্ৰেমৰ দেৱতা কামদেৱক পঠালে শিৱৰ ওচৰলৈ যাতে শিৱৰ মনত কাম ভাব উদ্বেগ কৰি তপস্যা ভংগ কৰিব পাৰে। কামদেৱে তপস্যাত ব্যাঘাত ঘটোৱাত শিৱ খণ্ডত অগ্নিশৰ্মা হৈ পৰিল। তেতিয়া শিৱৰ কঁপালৰ তৃতীয় নয়নেদি অগ্নি বিস্ফোৰণ হ'বলৈ ধৰে আৰু কামদেৱ পুৰি ভস্ম হয়। কিন্তু কামদেৱৰ পত্নী ৰতিৰ প্ৰাৰ্থনাত কামদেৱে পুনৰ জন্ম পাবলৈ সমৰ্থ হয়। যি ঠাইত কামদেৱে পুনৰ জন্ম লাভ কৰিছিল সেই ঠাইখনৰ নাম হ'ল কামৰূপ।[১]

কিন্তু গৱেষক পণ্ডিত মেদিনী চৌধুৰীয়ে কামৰূপ নামৰ উৎপত্তি সম্পৰ্কে এটা তথ্য ভিত্তিক মন্তব্য দাঙি ধৰিছে। ইখতিয়াৰুদ্দিন মহম্মদ বখতিয়াৰ খালজীয়ে তিব্বত অভিযানৰ সময়ত বাটতে খামৰু নামৰ ৰাজ্যত সোমাব লগা হৈছিল। এই খামৰু ৰাজ্যই শেষত হয়তো কাৰ্বিসকলৰ মুখত পৰি কামৰূপ নাম পাইছিল। কাৰ্বিসকলে সন্তান বা গোষ্ঠীক বুজোৱা অৰ্থত 'প' ব্যৱহাৰ কৰে। তেখেতসকলে নিজকে কয় 'আলেংপ' বুলি। তাৰ অৰ্থ হ'ল মানৱ সন্তান। খামৰুমবাসীক কৈছিল 'খামৰূপ' বুলি। হিউয়েন চাঙে কৈছিল কামলুপো বুলি।[২]

আৰবৰ বণিকসকল বিশেষকৈ সেখ সম্প্ৰদায়ৰ লোকসকল দেশ ভ্ৰমণৰ প্ৰধান আকৰ্ষণ আৰু উদ্দেশ্য আছিল বাণিজ্য। এই সেখসকলে আৰব সাগৰৰ পাৰৰ দেশবোৰত বেহা-বেপাৰ কৰি ভাৰতৰ পূৰ্বাঞ্চল চট্টগ্ৰামো পাইছিলহি। ৮৫১ খ্ৰীষ্টত বংগদেশলৈ অহা আৰবৰ পৰ্যটক সেখ চুলেইমানে বংগৰ বজাৰত যে সূক্ষ্ম কপাহী কাপোৰ পাইছিল আৰু কড়িৰ লেনদেন আছিল সেই বিষয়ে টোকাত লিখি থৈ

১· অসম বুৰঞ্জী : চাৰ এডবাৰ্ড গেইট : পৃ : ৯-১০
২: লুইত পৰীয়া আৰু ইছলাম : মেদিনী চৌধুৰী : পৃঃ ১৫

গৈছে। টোকাত পুব পিনৰ 'কামন' বুলি এখন দেশৰ কথা তেওঁ উল্লেখ কৰিছে। ঐতিহাসিকসকলে কামৰূপকে 'কামন' বুলি উল্লেখ কৰিছে।[১]

কামৰূপ ৰাজ্যৰ উৎপত্তি সম্পৰ্কে ওপৰোক্ত তথ্যসমূহ বিশ্লেষণ কৰি চালে এইটো অনুমান কৰিব পাৰি যে কামদেৱে পুনৰ জন্ম পোৱা ঠাইখনকে কামৰূপ নামকৰণ কৰা তথ্যটো কল্পনাপ্ৰসূত আৰু আধ্যত্মিক চিন্তাধাৰাৰ খোৰাক মাথো। এই তথ্য কিমানখিনি বিজ্ঞানসম্মত আৰু বাস্তৱ সেইটো চিন্তনীয়। আনহাতে মেদিনী চৌধুৰীয়ে আগবঢ়োৱা তথ্য খামৰুৰ পৰা কামৰূপ নাম পোৱা তথ্যটো অধিক গ্ৰহণযোগ্য যেন লাগে কাৰণ ইয়াত মৌলিকতা আছে আৰু আছে বিজ্ঞানভিত্তিক ভাবধাৰা।

উপৰোক্ত আলোচনাসমূহ আমাৰ বিষয়বস্তু নহয় যদিও এই কাৰণেই কৰা হ'ল যে কামৰূপ ৰাজ্যতে উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত প্ৰথমতে 'ইছলাম' নামৰ একেশ্বৰবাদী ধৰ্মাৱলম্বী মানুহৰ পদাৰ্পণ হৈছিল আৰু মুছলমান বসতিৰ সূত্ৰপাত হৈছিল।

অতীজৰ পৰাই অসমত বিভিন্ন যুগৰ বিভিন্নজনৰ বিভিন্ন মতধাৰী জনগোষ্ঠীৰ প্ৰৱেশ ঘটি আহিছে। তাৰে কিছুমান আহিছিল আদিম যাযাবৰী সমাজ ব্যৱস্থাত স্বাভাৱিক জনস্ৰোতত প্ৰব্ৰজিত হৈ, কিছুমান আহিছিল যুদ্ধৰ সৈনিক হিচাপে। ইয়াৰ বাহিৰেও আৰু এদল মানুহ আহিছিল হয় স্বতন্ত্ৰ হিচাপে নহয় যুদ্ধৰ সৈনিক আৰু সেনাপতিৰ সংগী হিচাপে। দ্বিতীয় শ্ৰেণীটোৰ যুদ্ধ-বিগ্ৰহৰ লগত কোনো সম্পৰ্ক নাছিল। পশ্চিমৰ পৰা অহা এইসকল বৌদ্ধতান্ত্ৰিক, নাথ, সহজীয়া মতচাৰী চুফী সাধক, মোল্লা-দৰবেশ, পীৰ-আউলীয়া, বৈদিক ব্ৰাহ্মণ, খ্ৰীষ্টান পাদুৰী, কাৰিকৰ-খনিকৰ, চিত্ৰ-শিল্পী, সংগীতজ্ঞ ইত্যাদি। পুব ফালৰ পৰা আহিছিল টাই-আহোম, দেওধাই বাইলুংসকল।

অসমৰ জাতিসত্বা অইন দেশৰ তুলনাত অতুলনীয়। মীৰজুমলাৰ লগত অহা মুল্লা দৰবেশ নামৰ কবিৰ অসম বৰ্ণনাত পোৱা যায়— "আলিফ আখৰটোৰ দৰেই এই দেশ পৃথিৱীৰ পৰা বিভিন্ন।[২] 'আলিফ' আৰবী বৰ্ণমালাৰ প্ৰথম বৰ্ণ। ইছলাম ধৰ্মাবলম্বী পণ্ডিতসকলে এই আখৰটোৰ অৰ্থ এনেদৰে বিশ্লেষণ কৰিছে যে বৰ্ণটো বাস্তৱতকৈয়ো অনন্য। এই অনন্য নিহিত হৈ আছে অসমৰ জনগাঁথনিৰ লগত।

১: লুইত বৰাক আৰু ইছলাম : মেদিনী চৌধুৰী : পৃঃ ১৯

২: সংমিশ্ৰণত অসমীয়া সংস্কৃতি : আব্দুছ ছাত্তাৰ : পৃ : ৪ (আগকথা)

দিল্লীৰ চুলতান কুতুবুদ্দিন আইবাকৰ সেনাধ্যক্ষ ইখতিয়াৰুদ্দিন মহম্মদ বখতিয়াৰ খালজী বিশ্ব ইতিহাসৰ সবাতোকৈ ভয়াবহ সেনাধ্যক্ষ চেংগিছখাঁৰ সমতুল্য আছিল। চেংগিছখাঁ আছিল চাইবেৰীয়াৰ মঙ্গোল নায়ক। দ্বাদশ শতিকাৰ তেওঁ প্ৰখ্যাত দ্বিখিজয়ী বীৰ। সেই সমতুল্যৰ বখতিয়াৰে পূবলৈ অভিযানৰ পাতনি মেলি হেলাৰঙে বিহাৰ জয় কৰি ১২০২-০৩ খ্ৰীঃত বংগ আক্ৰমণ কৰে। তবাকৎ - ই- নাছিৰিৰ উদ্ধতিৰে মেদিনী চৌধুৰীয়ে কৈছে যে খাল্‌জীয়ে মাত্ৰ ১৭জন তুৰ্কী অশ্বাৰোহী সৈন্যৰে বংগৰ ৰাজধানী লক্ষ্মাণাৱতী জয় কৰিবলৈ সমৰ্থ হয়। বংগৰ ৰজা লক্ষ্মণসেন ৰাজধানীৰ পৰা পলাইগৈ বিক্ৰমপুৰত আশ্ৰয় লয়। বখতিয়াৰে লক্ষ্মণাৱতী হস্তগত কৰি তাত 'গৌড়' নামেৰে এখন মুছলমান ৰাজ্য প্ৰতিষ্ঠা কৰে। তেতিয়াৰ পৰা বংগত মুছলমানৰ আধিপত্য বিস্তাৰ হয় আৰু হিন্দুৰাজৰ সূৰ্য অস্তমিত হয়।

বখতিয়াৰ আছিল উচ্চাকাংক্ষী সেনাপতি। বংগ জয় কৰাত কোনো প্ৰতিবন্ধক নাপাই তেওঁ কামৰূপৰ মাজেদি তিব্বত-চীন অভিযানলৈ মন মেলে। সেই উদ্দেশ্যে তেওঁ কামৰূপৰ ৰজাৰ লগত যোগাযোগ কৰে। সেই সময়ত কামৰূপৰ জনজাতীয় ৰজা আছিল বাৰ্ত্তু বা পৃথু। বখতিয়াৰৰ যদিও কামৰূপ আক্ৰমণ কৰাৰ কোনো পৰিকল্পনা নাছিল, মাত্ৰ কামৰূপৰ মাজেদি অভিযানৰ পাতনি মেলিবৰ বাবে পৃথুৰ পৰা অনুমতিহে বিচাৰিছিল তথাপি বাৰিষাকাল হোৱা হেতুকে নতুবা বখতিয়াৰৰ উদ্দেশ্যৰ ওপৰত সন্দিহান হৈ সেই সময়ত অভিযানৰ পাতনি মেলিবলৈ পৃথুই বাৰণ কৰিছিল। তাতে বখতিয়াৰ ক্ষুণ্ণ হয় আৰু পৃথুৰ লগত মনোমালিন্য ঘটে। বখতিয়াৰে পৃথুৰ উপদেশ উলংঘা কৰি ১২০৫ খ্ৰীঃত বৰ্তমানৰ বাংলাদেশৰ দিনাজপুৰ জিলাৰ দেৱকোটৰ পৰা প্ৰায় দহ-বাৰ হাজাৰ অশ্বাৰোহী সৈন্যৰে অভিযানৰ পাতনি মেলি কামৰূপত প্ৰৱেশ কৰে। কামৰূপত প্ৰৱেশ কৰা সময়ত বখতিয়াৰক 'মেচ' নামৰ এজন জনজাতীয় মুখীয়াল লোকে সহায় কৰিছিল। অকল সহায়েই নহয় ইছলাম ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ মেচে ইছলাম ধৰ্ম গ্ৰহণ কৰি মুছলমান হয়। ইতিহাসে ঢুকি পোৱালৈকে হিন্দু মেচেই ধৰ্মান্তৰিত হোৱা কামৰূপ তথা অসমত প্ৰথম থলুৱা মুছলমান। ধৰ্মান্তৰিত হৈ তেওঁ মেচ আলি নাম লৈছিল। তেওঁ বখতিয়াৰক বেগমতি নামৰ নদী এখনৰ পাৰে পাৰে দহ দিন বাট দেখুৱাই লৈ আহি ২৯টা তোড়ন থকা এখন শিলৰ সাঁকো পাইছিল। সেই সাঁকোৰে পাৰ হৈ তেওঁ এক পাহাৰীয়া অঞ্চলত উপনীত হৈ পাহাৰৰ মাজৰ সুংলতীয়া আৰু মুকলি পথেদি আগুৱাই গৈ ষোল্লদিনৰ মূৰত ঘন বসতিপূৰ্ণ এখন মুকলি ৰাজ্যত প্ৰৱেশ কৰিছিল। তাতে এটা দুৰ্গৰ পৰা

এদল মঙ্গোলীয় সৈন্য ওলাই আহি বখতিয়াৰৰ সৈন্যক আগভেটা দি ধৰে। সৈন্যদলৰ বেহু ভেদ কৰিব নোৱাৰি বখতিয়াৰে চীন-তিব্বত অভিযান সিমানতে অন্ত পেলাই দেশলৈ বুলি প্ৰত্যাৱৰ্তন কৰে। কিন্তু প্ৰত্যাৱৰ্তনৰ পথত দেখে যে ৰজা পৃথুই সীমান্ত পথ সকলো বন্ধ কৰি পেলাইছে আনকি ২৯টা তোড়নৰ শিলৰ সাঁকোখনো ভাঙি থৈছে। তেনে শলঠেকত পৰি বখতিয়াৰৰ সৈন্যই যেনিতেনি পলাই নিৰাপদ ঠাইত আশ্ৰয় লয়। অতি কমসংখ্যক সৈন্যৰে বখতিয়াৰে এটা মন্দিৰৰ ভিতৰত আশ্ৰয় লয় কিন্তু পৃথুই মন্দিৰটো অবৰুদ্ধ কৰি ৰখাৰ ফলত বখতিয়াৰৰ বহুতো সৈন্য খাদ্যাভাৱত পৰি মৃত্যু মুখত পৰে। উপায়বিহীন হৈ বখতিয়াৰে কেইজনমান সৈন্যৰে মন্দিৰৰ পিছফালেৰে নদীত জাপ দি সাঁতুৰি পাৰ হৈ প্ৰাণ ৰক্ষা কৰে। নদীৰ সিটো পাৰত মেচ সম্প্ৰদায়ৰ লোকসকলে তেওঁলোকলৈ আতিথ্য আগবঢ়ায় আৰু তেওঁলোকৰ সহায়ত অৱশেষত বখতিয়াৰে দিনাছপুৰৰ দেৱকোট পায়গৈ।

বখতিয়াৰৰ প্ৰত্যাৱৰ্তনৰ সময়ত প্ৰাণৰ মমতাত বহুতো তুৰ্কী মুছলমান সৈন্যই যেনিতেনি আশ্ৰয় লৈ কামৰূপৰ চুকে-কোণে যে ৰৈ গৈছিল সেইটো সহজেই অনুমেয় কিয়নো কোনো বুৰঞ্জীবিদৰ মতে বখতিয়াৰে মাত্ৰ ৯জন সৈন্যৰে স্বদেশ পাইছিলগৈ। অভিযানৰ পাতনিত তেওঁ লৈ আহিছিল প্ৰায় দহ-বাৰ হাজাৰ সৈন্য। ইমানবোৰ সৈন্য মৰিব লাগিলে এখন ভীষণ যুদ্ধৰ প্ৰয়োজন হ'লহেঁতেন আৰু মৰাশ'ৰে কামৰূপৰ ভূমি উপচি পৰিলহেঁতেন। দ্বিতীয়তে সেই যুদ্ধত অকল যে তুৰ্কী মুছলমান সৈন্যই মৰিব সেইটো নহয় কমসংখ্যক হ'লেও কামৰূপৰাজৰ সৈন্যও মৰিলহেঁতেন। তেনেকুৱা মৃত্যুৰ বিভীষিকাৰ কথা বৰ্ণনাৰ পৰা ইতিহাস নিমাত। মুছলমান সৈন্যসকল কামৰূপতে আশ্ৰয় লৈ থিতাপি লৈছিল সেইটো তেনেই স্বাভাৱিক। নতুনকৈ মুছলমান হোৱা মেচ আলিৰ সান্নিধ্য পায়ো বহুতে ইছলাম ধৰ্ম গ্ৰহণ কৰিব পাৰে।

১২৫৬-৫৭ খ্ৰীঃত মিনহাজুদ্দিন ছিৰাজীয়ে 'তবাক্যৎ-ই - নাছিৰি' প্ৰণয়ন কৰিছিল। ছিৰাজী আছিল সেই সময়ত দিল্লীৰ প্ৰধান কাজী। তেওঁ লিখিছিল বখাতিয়াৰ খালজীৰ পূৰ্ব ভাৰতৰ বিভিন্ন আক্ৰমণ আৰু যুদ্ধ বিগ্ৰহৰ কাহিনী। মিনহাজুদ্দিন চিৰাজী বখতিয়াৰৰ সৈতে অভিযানত অহা নাছিল। বখাতিয়াৰে তিব্বতলৈ বাট বিচাৰি যেতিয়া খামৰু (কামৰূপ) ৰাজ্যত অনুপ্ৰৱেশ কৰে তেতিয়া আছিল ১২০৫ খ্ৰীঃ। চিৰাজীক এই কাহিনী কৈছিল বখতিয়াৰৰ দুজন সহচৰে যি দুজনৰ নাম আছিল নিজামুদ্দিন আৰু চামছুদ্দিন। এই দুজনৰ মুখৰ পৰা বৃত্তান্ত শুনি

শুনি চিৰাজীয়ে তবাকৎ-ই-নাছিৰিৰ তথ্য সংগ্ৰহ কৰিছিল। আনৰ মুখৰ পৰা শুনি লিখাৰ কাৰণে তবাকৎ-ই-নাছিৰিত বৰ্ণনা কৰা কথাবোৰৰ উচ্চাৰণগত কিছু পাৰ্থক্য থাকিব পাৰে। সেয়ে নতুনকৈ হোৱা মুছলমান মেচ আলিক তাত আলি মেজ বুলি কৈছে।[১]

মুছলমানৰ ঐতিহাসিকে লিখা বখতিয়াৰ খালজীৰ এই বিফল অভিযানৰ কথা বিশ্লেষণ কৰি ভালেকেইজন আধুনিক বুৰঞ্জীবিদে বেগমতি নদীখনক পশ্চিম অসম আৰু বাংলাদেশৰ মাজেদি প্ৰবাহিত হোৱা ব্ৰহ্মপুত্ৰ নদখনকে বুলি ক'ব খোজে। সেই ধৰণৰে কামৰূপৰ বৰনদীখনৰ ওপৰত থকা শিলৰ সাঁকোকে পৃথু বা বাৰ্ত্তু ৰজাই ভাঙি দিয়া শিলৰ সাঁকোখন বুলি ক'ব খোজে। নগাঁবৰ গছতল শিলালিপিত বিশ্বসুন্দৰদেৱ নামৰ এজন ৰজাই কামৰূপত মুছলমান সেনাৰ আক্ৰমণ ব্যৰ্থ কৰিছিল বুলি উল্লেখ কৰিছে। গতিকে বাৰ্ত্তু বা পৃথু আৰু বিশ্বসুন্দৰ একেজন ৰজাই বুলি বুৰঞ্জী প্ৰবাহত উল্লেখ আছে। আকৌ কামৰূপ বুৰঞ্জী মতে পৃথু-ৰজাৰ আন এটা নাম কল্লেশ্বৰ। সেইদৰে কোনোজনে গোপেশ্বৰ মন্দিৰকে বখতিয়াৰে সসৈন্যে আশ্ৰয় লোৱা অথচ নাম নথকা সেই হিন্দু মন্দিৰটো বুলি চিনাক্ত কৰিব খোজে। দুই-একে জলপাইগুৰিৰ জল্লেশ্বৰ মন্দিৰটো বুলিও ক'ব খোজে।[২]

বৰনদী বৰ্ত্তমানৰ কামৰূপ আৰু দৰঙৰ সীমাৰে প্ৰবাহিত হৈ আছে। এইখন নদীৰ ওপৰত থকা সাঁকোখন কামৰূপৰাজ পৃথুৱে ভঙাহেঁতেন বখতিয়াৰৰ সৈন্যই কামৰূপলৈ পাৰ হ'ব নোৱাৰি দৰঙৰ ভূমিতহে আশ্ৰয় ল'ব লাগিলহেঁতেন আৰু সেই সময়তে দৰঙত এখন মুছলমান বসতি স্থাপন হ'লহেঁতেন। কিন্তু সেই সময়ত দৰঙত মুছলমান যুদ্ধ বন্দী বৈ যোৱা নজিৰ নাই। গতিকে বৰনদীৰ ওপৰত থকা শিলৰ সাঁকো ভঙা তথ্যটো প্ৰায় ভিত্তিহীন যেন লাগে। তাৰ পৰিবৰ্তে জলপাইগুৰিৰ জল্লেশ্বৰ মন্দিৰত আশ্ৰয় লোৱা আৰু পিছফালেদি ওলাই বখতিয়াৰে নদীত জাপ দি প্ৰাণ বচোৱা কথাষাৰে জল্লেশ্বৰ মন্দিৰক চুই যোৱা কোনো নদী হ'ব বুলি থিৰাং কৰিব পাৰি।

যিয়ে নহওক খালজীৰ অভিযানে যে অসমৰ একাংশ পৰশিছিল আৰু তাৰ কেতবোৰ লোকে যে ইতিমধ্যে ইছলাম ধৰ্মত দীক্ষিত হৈছিল সেই কথাও উক্ত অভিযানৰ ইতিহাসে প্ৰমাণ কৰে।[৩]

১: লুইত বৰাক আৰু ইছলাম : মেদিনী চৌধুৰী : পৃ : ১৭

২: বুৰঞ্জী প্ৰবাহ : মৃদুপৱন গোস্বামী : তুৰ্কী মুছলমানৰ কামৰূপ আক্ৰমণ : পৃ : ৩

৩: লুইত বৰাক আৰু ইছলাম : পৃঃ ১৭

১২০৬ খ্ৰীঃত ইখতিয়াৰুদ্দিন বখতিয়াৰ খালজীৰ মৃত্যু হয়। তাৰ কুৰি বছৰ পিছত ঘিয়াচুদ্দিন বখতিয়াৰ ওৰফে হিচমুদ্দিন ইৱাজে ১২২৭ খ্ৰীঃত কামৰূপ আক্ৰমণ কৰে। তেওঁ ব্ৰহ্মপুত্ৰ নদীয়েদি উজাই গৈ শদিয়া ওলাইছিল গৈ কিন্তু নিজ ৰাজ্যত আভ্যন্তৰীয় কন্দলৰ বাৰ্তা পাই অভিযানৰ ফলাফললৈ বাট নাচাই গৌড়লৈ উভতি যায়। এই অভিযানৰ বিষয়েও নগাঁৱৰ গছতল শিলালিপিত আৰু মিনহাজউদ্দিনৰ 'তবাকৎ-ই-নাছিৰি' গ্ৰন্থত উল্লেখ আছে।

দিল্লীৰ চুলতানৰ বিনানুমতিত ঘিয়াচুদ্দিন ইৱাজে কামৰূপত নিজৰ নামত মোহৰ মাৰিছিল। দিল্লীৰ চুলতানে তেওঁৰ বশ্যতা অস্বীকাৰ কৰা বুলি ভাবি পুতেক নাছিৰুদ্দিনক তাৰ বিহিত ব্যৱস্থা ল'বলৈ ততাতৈয়াকৈ গৌড়লৈ পঠায়। ঘিয়াচুদ্দিন 'বংগ-কামৰূদ' অভিযানত ব্যস্ত থাকোঁতে নাছিৰুদ্দিন বংগত উপস্থিত হৈছিল। ততাতৈয়াকৈ স্বদেশলৈ প্ৰত্যাবৰ্তন কৰিব লগা হোৱাত ঘিয়াচুদ্দিনে তেওঁৰ সৈন্যদলক একত্ৰিত কৰিব নোৱৰাৰ ফলত বহুতো তুৰ্কী মুছলমান সৈন্য কামৰূপত ৰৈ গৈছিল। ইতিমধ্যে বংগৰ ৰাজধানী গৌড়ত নাছিৰুদ্দিনে খোপনি পুতি লৈছিল। ফলত ঘিয়াচুদ্দিন আৰু নাছিমুদ্দিনৰ মাজত এখন তুমুল ৰণ লাগে। হৃত ৰাজ্য ঘূৰাই আনিবতো নোৱাৰিলেই সেই ৰণত ঘিয়াচুদ্দিন বখতিয়াৰৰ মৃত্যু হয়।

নাছিৰুদ্দিনে পিতৃ ইলটুতমিছৰ প্ৰতিনিধি হিচাপে দুবছৰ বংগ শাসন কৰিছিল। সেই সময়ছোৱাৰ ভিতৰতে ১২২৮ খ্ৰীঃত নাছিৰুদ্দিনে তৃতীয়বাৰ কামৰূপ আক্ৰমণ কৰে। এই আক্ৰমণত তুৰ্কী মুছলমানক দুবাৰকৈ ওফৰাই দিয়া কামৰূপৰ প্ৰতাপী ৰজা পৃথু বা বাৰ্তু পৰাজিত হৈ মৃত্যুবৰণ কৰিব লগা হয়। বিজয়ী নাছিৰুদ্দিনে পোনপটীয়াকৈ কামৰূপ চুলতানৰ অধীনলৈ নিয়াৰ পৰিবৰ্তে বাৰ্তুৰ উত্তৰাধিকাৰী এজনকে কৰতলতীয়া ৰজা হিচাপে নিয়োগ কৰি গৌড়লৈ উভতি যায়।

১২০৬, ১২২৭ আৰু ১২২৮ খ্ৰীঃত তুৰ্কী মুছলমানৰ আক্ৰমণৰ সময়ত কামৰূপৰ ৰজা পৃথু বা বাৰ্তুৰ ৰাজধানী উত্তৰ গুৱাহাটীৰ অঞ্চলতে আছিল বুলি বুৰঞ্জীবিদসকলে যুক্তি দাঙি ধৰে।

১২৫৭ খ্ৰীঃত বংগৰ শাসনকৰ্তা ইখতিয়াৰুদ্দিন উজবেক তুঘ্ৰিলখাঁহ পুনৰ কামৰূপ আক্ৰমণ কৰে। সেই সময়ত ৰামচৰণ ঠাকুৰৰ ৰচিত 'গুৰুচৰিত' পুথিৰ মতে কামৰূপৰ ৰজা আছিল সন্ধ্যা। সন্ধ্যাই যিমান দূৰ সম্ভৱ দিল্লীৰ চুলতানৰ বশ্যতা অস্বীকাৰ কৰিছিল আৰু দিব লগা কৰ-কাটলো বন্ধ কৰিছিল। সেয়ে তুঘ্ৰিলখাঁই কামৰূপ আক্ৰমণ কৰিব পাৰে। সসৈন্যে তেওঁ কামৰূপৰ ৰাজধানীত উপস্থিত হোৱাত কামৰূপৰ বড়ো ৰজা সন্ধ্যাই কামৰূপত ইছলাম ধৰ্ম প্ৰচাৰ কৰিবলৈ অনুমতি

দি পলাই যায়। তুগ্ৰীলখাঁই বিজয়ৰ কীৰ্তি স্বৰূপে ৰাজধানী উত্তৰ গুৱাহাটী অঞ্চলত এটা মছজিদ নিৰ্মাণ কৰি তাত শুকুৰবৰীয়া জুমা নামাজৰ প্ৰথা প্ৰবৰ্তন কৰে।[১] ৰণত জিকি তুগ্ৰিলখাঁই উত্তৰ গুৱাহাটীলৈকে আগুৱাই আহিল আৰু ৰজা পলাই যোৱাত তুগ্ৰিলখাঁই ৰাজধানী অধিকাৰ কৰে। জনা যায়, তেতিয়াই ৰাজধানীত এটা মছজিদ নিৰ্মাণ কৰি ইছলাম ধৰ্মানুযায়ী উপাসনা আৰম্ভ কৰে।"[২] এইখিনি তথ্যই এইটোকে প্ৰমাণ কৰে যে মেচ আলিয়ে ধৰ্মান্তৰ হোৱাৰ পৰা নাছিৰুদ্দিনৰ কামৰূপ আক্ৰমণ কৰালৈকে চুকে-কোণে বৈ যোৱা সৈন্যৰে কামৰূপত এখন মুছলমান সমাজ প্ৰতিষ্ঠিত হৈ উঠিছিল, অন্যথা মছজিদ নিৰ্মাণ আৰু জুমা নামাজৰ প্ৰশ্নই নুঠিলহেঁতেন। এতিয়ালৈকে জনা মতে এইটোৱেই কামৰূপ তথা অসমৰ প্ৰথম মছজিদ। সেই সময়ত কামৰূপৰ বড়ো ৰজাৰ সম্প্ৰদায়টো 'ৰায়কট' নামে বিখ্যাত হৈছিল যদিও তিনিটা ঠালত বিভক্ত হৈ বড়োসকলৰ এটা ঠাল বড়ো হৈয়ে থাকে, দ্বিতীয় ঠালটোৱে হিন্দু ধৰ্ম গ্ৰহণ কৰি ৰায়কট হয় আৰু তৃতীয় ঠালটোৱে ইছলাম ধৰ্ম গ্ৰহণ কৰি মুছলমান হয়।

প্ৰথম অৱস্থাত তুগ্ৰিলখাঁই জয়লাভ কৰি কামৰূপ নগৰীত অস্থায়ী ৰাজধানী পাতিছিল আৰু কামৰূপত তিনি প্ৰকাৰ বিভিন্ন মুদ্ৰাৰ প্ৰচলন কৰিছিল। কিন্তু বাৰিষা কালত ৰাজ্যত প্ৰবল বানপানী হোৱাত তুগ্ৰিলখাঁৰ সৈন্যসকল নানা দুৰ্যোগৰ সন্মুখীন হয়। সেই সুযোগতে পাহাৰীয়া ৰাজ্যলৈ পলাই যোৱা কামৰূপৰ ৰজা সন্ধ্যা দল-বলসহ সজ্জিত হৈ আহি তুগ্ৰিলখাঁক আক্ৰমণ কৰি নিহত কৰে। বহুতো মুছলমান সৈন্য বন্দী হয়। সেই বন্দী হোৱা মুছলমান সৈন্যসকল কামৰূপতে ৰৈ যায়।

১৩২১-২২ খ্ৰীঃত গিয়াছুদ্দিন আজম শ্বাহে আৰু ১৩৩৭ খ্ৰীঃত মহম্মদ শ্বাহ নামৰ আন এজন মুছলমান সেনাপতিয়ে কমতা ৰাজ্য আক্ৰমণ কৰে। উল্লেখ্য যে ইতিমধ্যে কামৰূপৰ ৰাজধানী কমতাপুৰ নামৰ ঠাইলৈ তুলি নিয়া হৈছিল। কমতাপুৰৰ অৱস্থিতি বৰ্তমানৰ কোচবিহাৰকে চিহ্নিত কৰা হৈছে। কমতাপুৰক ৰাজধানী হিচপে লৈ পূবে বৰনদী আৰু পশ্চিমে কৰতোৱা নদীলৈ জুৰি প্ৰাচীন কামৰূপ ৰাজ্যৰ ঠাইত কমতা ৰাজ্য গঢ়ি উঠিছিল। কমতা ৰাজ্যৰ ভিতৰত বৰ্তমানৰ অসমৰ সমগ্ৰ উত্তৰ-পশ্চিমাঞ্চল, উত্তৰ বংগৰ একাংশ আৰু বৰ্তমান বাংলাদেশৰ মৈমনসিং জিলাৰ একাংশ পৰিছিল বুলি বুৰঞ্জীবিদসকলে অনুমান কৰে। মহম্মদ শ্বাহে কমতা ৰাজ্য আক্ৰমণ কৰি বিফল হয়। ১৪৯৮ খ্ৰীঃত গৌড়ৰ নবাব হুচেন শ্বাহে কমতা ৰাজ্য

১: বুৰঞ্জী প্ৰবাহ ঃ শ্ৰী মৃদুপৱন গোস্বামী ঃ প্ৰথম অধ্যায় ঃ পৃঃ ৪

২: সংমিশ্ৰণত অসমীয়া সংস্কৃতি ঃ আব্দুছ ছাহান ঃ পৃঃ ৮

আক্রমণ কৰে— কমতাপুৰৰ মন্ত্রী শচীপাত্রৰ অনুৰোধ মৰ্মে। এই আক্রমণত কমতাপুৰৰ ৰজা নীলাম্বৰৰ সমূলি পতন হয়। আঢ়েশ বছৰ সগৌৰৱে শিৰনত নকৰাকৈ থকা কমতাপুৰৰ আভ্যন্তৰীণ বিশৃংখলতাত হুচেন শ্বাহৰ আক্রমণত সকলো গৌৰৱ ধূলিস্যাৎ হয়।

হুচেন শ্বাহে পুতেক দানিয়েলক হাজোৰ শাসনকর্তা পাতে। এই আক্রমণতো বহুতো মুছলমান সৈন্য কামৰূপৰ হাজো অঞ্চলত বৈ যায়। হুচেন শ্বাহ কামৰূপ-কমতাৰ শাসনকর্তা হৈ ৰঙামাটিত (গোৱালপাৰাৰ পৰা ৰঙামাটিলৈ যোৱাৰ পথত) মোগলীয় ভাস্কৰ্যৰে এটা সুন্দৰ মছজিদ সজায়। এইটোৱে বুৰঞ্জী বিখ্যাত ৰঙামাটিৰ মছজিদ।[১]

স্বৰ্ণাভ ঐতিহ্যৰ অধিকাৰী এই মছজিদটোকে বৰ্তমান পাণবাৰীৰ মছজিদ নামে জনা যায়। এই মছজিদটো মোগল চাৰু কাৰ্যৰ আৰ্হিত ১৪৯৮ খ্রীঃত স্থাপন কৰা হৈছিল। ৰঙামাটিত তেতিয়া মোগলে অস্থায়ী ৰাজধানী পাতিছিল। তদুপৰি হুচেন শ্বাহে ১৫০১-০২ খ্রীঃত মালদাত এখন মাদ্রাছা স্থাপন কৰিছিল আৰু কোচ-হাজোত বহুতো আফগান যুঁজাৰুক সংস্থাপন কৰিছিল। পিছলৈ এইসকলৰ সতি-সন্তানেৰে এখন বৃহৎ খিলঞ্জীয়া মুছলমান গাঁৱলৈ উন্নীত হৈছিল।[২]

মৰক্কো দেশৰ পৰ্যটক ইবনে বটুতা ১৩৪৫ খ্রীঃত বংগ-কামৰূপ ভ্ৰমণ কৰিবলৈ আহিছিল। তেতিয়া বংগৰ চুলতান আছিল ফকৰুদ্দিন। বটুতাই এখন ডাঙৰ নাৱেৰে উজাই আহি গহণ অৰণ্যবেষ্টিত কামৰূপ ৰাজ্যৰ হাজোৰ পৰ্বতৰ গুহাত জালালুদ্দিন নামৰ সাধক এজনক লগ পাইছিল।

বংগৰ সেনাপতি চুলেইমান কৰনাৰীয়ে ১৫৬৮ খ্রীঃত কোচ ৰাজ্য আক্রমণ কৰি মহা প্রতাপী কোচ সেনাপতি চিলাৰায়ক বন্দী কৰে আৰু তেওঁক গৌড়লৈ লৈ যায়। কিছুদিন কাৰাবন্দী খটাৰ পিছত বাদশ্বাহৰ পত্নীৰ অনুকম্পা লাভ কৰি তেওঁ বন্দীত্বৰ পৰা মুক্তি পাবলৈ সমৰ্থ হয়। এটা সূত্র মতে চিলাৰায়ে বাদশ্বাহৰ দুহিতাৰ পাণি গ্ৰহণ কৰি বৈবাহিক মিত্ৰতা স্থাপন কৰে। ফলশ্ৰুতিত যৌতুক স্বৰূপে বাদশ্বাহৰ পৰা চিলাৰায়ে বাহিৰবন্দ, ভিতৰবন্দ, গয়াবাৰী, ছেৰপুৰ আৰু দশকুণীয়া পৰগণা অৰ্থাৎ বৰ্তমানৰ ৰংপুৰ আৰু মৈমনসিং জিলাৰ অংশ বিশেষ লাভ কৰে। কৰনাৰীয়ে যুদ্ধত জয় লাভ কৰি বৰ্তমানৰ শোণিতপুৰৰ তেজপুৰলৈ আগুৱাই গৈছিল। কিন্তু উৰিষ্যাত বিদ্রোহ হোৱাৰ বাৰ্তা পাই তেওঁ অভিযান বন্ধ কৰি

১: সংমিশ্রণত অসমীয়া সংস্কৃতি : আব্দুছ ছাত্তাৰ : পৃ : ৯

২: দৈনিক জনসাধাৰণ : ইত্যাদি

ততাতৈয়াকৈ উৰিষ্যালৈ বুলি ধাবিত হয়। এই অভিযানৰ উল্লেখযোগ্য ঘটনা হ'ল— কালাপাহাৰ নামেৰে এজন ব্ৰাহ্মণ মূৰ্তিপূজাৰীয়ে ইছলাম ধৰ্ম গ্ৰহণ কৰি ১৫৬৩ খ্ৰীঃৰ পৰা ১৫৭২ খ্ৰীঃলৈ বংগৰ শাসক চুলেইমান কৰণাৰীৰ সেনাপতি হৈছিল। চুলেইমানৰ বিজয় অভিযানৰ নেতৃত্ব লৈ কালাপাহাৰে হিন্দু ধৰ্মৰ ওপৰত বিতুষ্ট হৈ পশ্চিম অসমৰ কামাখ্যা, হাজোৰ হয়গ্ৰীব-মাধব মন্দিৰকে ভিতৰ কৰি অনেকবোৰ মঠ-মন্দিৰ ভাঙি পেলাইছিল।[১]

চুলেইমান কৰনাৰী তেজপুৰলৈ আগ্ৰাসন হৈ ততাতৈয়াকৈ প্ৰত্যাবৰ্তন কৰাৰ ফলত বহুতো মুছলমান সৈন্য কামৰূপ আৰু দৰঙত ৰৈ গৈছিল আৰু তেজপুৰ অঞ্চলতো মুছলমান বসতি গঢ়ি উঠিছিল।

জাহাংগীৰবাদ (ঢাকা)ৰ চুবেদাৰ ইছলামখানে ১৬২২ খ্ৰীঃত কোচ হাজো আক্ৰমণ কৰিছিল। সেই সময়ত গোৱালপাৰাৰ দক্ষিণে আছিল দুগৰাকী ভূঞা। নাম ইছাখান আৰু মুছাখান। কামৰূপৰ দক্ষিণাঞ্চলত আছিল চিলেটৰ ৰাজিদ খান ভূঞা। তেওঁলোকেও নিজ নিজ এলেকাত মছজিদ আদি সাজি দিছিল। গোৱালপাৰাৰ দেশধোৱা দৰগাহ, ধূপধৰাৰ পাগলাপীৰৰ মাজাৰ, পাটগাঁও, গাড়ীগাঁও, সিজুবাৰীৰ দৰগাহ হয়তো সেই সময়তে সজা।[২]

হাজোৰ পোৱামক্কা তীৰ্থৰ নামত বংগৰ চুবেদাৰ তথা শ্বাহজাহান পুত্ৰ চাহ চুজাই সেই স্থানতে ভূমি পট্টন দিছিল। তাতে ১৬৫৩ খ্ৰীঃত কামৰূপৰ ফৌজাদাৰ লুৎফুল্লা ছিৰাজীয়ে নতুনকৈ মছজিদটো সজায়।

অসমৰ পশ্চিমাঞ্চল কামৰূপ কমতা ৰাজ্য প্ৰায় ২৯৩ বছৰ অৰ্থাৎ ইখতিয়াৰুদ্দিন বখতিয়াৰ খালজীৰ তিব্বত-চীন অভিযানৰ পৰিকল্পনাৰ পৰা হুচেন শ্বাহৰ কমতা ৰাজ্য আক্ৰমণ কৰালৈকে মুছলমানৰ সংস্পৰ্শলৈ অহাৰ ফলত সেই ঠাইসমূহত যে সম্পূৰ্ণ ইছলামীয় ৰীতি-নীতিৰে এখন মুছলমান সমাজ গঢ়ি উঠিছিল সেইটো সহজেই অনুমেয়। তদুপৰি এই সুদীৰ্ঘ কালছোৱাত অনেকজন পীৰ ফকীৰৰ আগমন হয় কামৰূপলৈ। মুছলমান সমাজখনত প্ৰৱৰ্তন হৈ থকা কুপ্ৰথাবোৰ সংস্কাৰ সাধন কৰাই আছিল তেওঁলোকৰ মূল উদ্দেশ্য।

বহিৰ্জগতৰ দৃষ্টিত সেইকালত কামৰূপ টিক্কিৰি অৰ্থাৎ যাদু মন্ত্ৰৰ দেশ বুলি জনাজাত আছিল। আমীৰ খশ্ৰু আৰু ইবনেবটুতাই তাহানিতে পৰ্যটকসকলক কামৰূপৰ অদ্ভুত যাদু-মন্ত্ৰৰ বিষয়ে সাৱধান কৰি দিছিল। সম্ৰাট আকবৰৰ বিশিষ্ট

১: অসম বুৰঞ্জী ঃ চাৰ এডৱাৰ্ড গেইট ঃ পৃঃ ৩৮

২: লুইত বৰাক আৰু ইছলাম ঃ মেদিনী চৌধুৰী ঃ পৃঃ ২৪

বন্ধু তথা মন্ত্ৰী আবুল ফজলে সেই বিষয়ে ১৬ শতিকাতে দৃষ্টান্ত লিখি থৈ গৈছে। সেয়ে ৰাজা ৰামসিংহেই তেওঁৰ অসম অভিযানৰ সময়ত সতৰ্কতামূলক ব্যৱস্থা হিচাপে পাঁচজন পীৰক লগত লৈ আহিছিল। তেওঁলোক হ'ল— খাহ আকবৰ, খাহ চৰণ খাহ চুফী, খাহ কামাল আৰু খাহ বাগমৰ। ধুবুৰীৰ পাঁচ পীৰৰ দৰগাহ এজনৰ নে পাঁচজনৰ অনুসন্ধিৎসুসকলৰ মনত মতানৈক্য থাকিলেও সেই দৰগাহ কামৰূপ তথা অসমত ইছলাম ধৰ্ম চৰ্চাৰ এক প্ৰাচীন সাক্ষ্য স্বৰূপ।[১] ইতিহাসপ্ৰসিদ্ধ নহ'লেও কামৰূপৰ যাদু-মন্ত্ৰৰ বিষয়ে আৰু এটা তথ্য পোৱা যায় আব্দুছ ছাত্তাৰৰ 'প্ৰসংগ কোষ'ত। "ষোড়শ শতিকাৰ আগভাগত কামৰূপত নুৰশ্বাহ নামৰ এজনী ৰাণীয়ে কামৰূপ শাসন কৰিছিল। সেই সময়ত শিখ গুৰু নানক লগত বহুতো লোকেৰে আহি কামৰূপত সোমায়। সেই সময়ত কামৰূপৰ তিৰোতাসকল মায়াবিদ্যাৰ কাৰণে জনাজাত আছিল। নুৰশ্বাহে তেতিয়া নানকক ভুলাবৰ কাৰণে মন্ত্ৰ মাতিলে। গুৰু নানকেও আধ্যাত্মিক কবিতা পাঠ কৰিলে। মন্ত্ৰই গুণ নিদিলে, তেতিয়া এই তিৰোতাবোৰে নানা অংগী-ভংগীৰে নাচি মন আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিলে, তাতো বিফল হ'ল। অৱশেষত একোৰে মুহিব নোৱৰাত এওঁলোক নানাকৰ শিষ্য হয়।"[২]

হাজোৰ মছজিদটোৰ সন্মুখতে গিয়াছুদ্দিন আউলিয়াৰ দৰগাহ অৱস্থিত। এই আউলিয়া গৰাকীজনাই হাজোত এখন মুছলমান উপনিৱেশ পাতে আৰু পোৱামক্কাৰ মছজিদটো সাজে। মছজিদটো ভেটি বান্ধোতে পবিত্ৰ মক্কাৰ পৰা এপোৱা মাটি আনি বান্ধিছিল। সেইবাবেই মছজিদটোৰ নাম পোৱা মক্কা হয় বুলি ঐতিহাসিকসকলে কয়। ১৬৫৩ খ্ৰীঃত কামৰূপৰ ফৌজদাৰ লুৎফুল্লা ছিৰাজীয়ে একে নামেৰেই এই মছজিদটোকে পুনৰ নিৰ্মাণ কৰে। আজিও হাজোৰ পোৱা মক্কা হিন্দু-মুছলমান আৰু বৌদ্ধসকলৰ সমন্বয় ক্ষেত্ৰ হৈ জিলিকি আছে।

খামৰু পৰ্বতৰ আন এটা নামেই হাজো। হাজো হ'ল 'হা' আৰু 'গজো' শব্দৰ পৰা উৎপত্তি, যাৰ অৰ্থ বড়ো ভাষাত মাটি ওখ (বড়ো ভাষাত বিশেষণ সদায় পিছত বহে) অৰ্থাৎ পাহাৰ। ইয়াৰ পৰা সহজে অনুমান কৰিব পাৰি যে হাজো অঞ্চল অতীতত মঙ্গোলীয় বংশোদ্ভৱ বড়ো-কছাৰীৰ আবাস ভূমি আছিল। এই জনজাতীয়সকলৰ পশ্চিম সীমা আছিল কৰতোৱা নৈ। বৰ্তমানৰ তিস্তা নৈখনেই কৰতোৱা। তেতিয়াৰ প্ৰচলিত প্ৰথাৰে অঞ্চলটোৰ জনসাধাৰণে এটা উৎসৱ পাতি

১: লুইত বৰাক আৰু ইছলাম : মেদিনী চৌধুৰী : পৃঃ ২৫-২৬

২: প্ৰসংগ-কোষ : আব্দুছ ছাত্তাৰ : পৃঃ ১৮৯

তিস্তাদেৱীক পূজা কৰিছিল। সেই উৎসৱটোক মেচেনী উৎসৱ নামে জনা যায়। ইয়াৰ তাৎপৰ্য-মাটিত উত্তম ফচল কামনা কৰা। মেচেনী উৎসৱত গোৱা এটা গীতৰ কলি।

এনে ধৰণৰ ঃ "পূবে না বন্দিব পীৰ পাকাম্বৰ।

পশ্চিমে বন্দিব সমুদ্ৰ সাগৰ।।"

'পীৰ পাকাম্বৰ' বুলি ভক্তি জনোৱা পীৰজনাক বহুতে সত্যপীৰ বুলি ক'ব খোজে। যিজনাই নহওক হিন্দু পূজাৰ গীতত কোনোবা এজন পীৰৰ উল্লেখেই চমকপ্ৰদ।[১]

সত্যপীৰ আছিল ব্ৰাহ্মণৰ ল'ৰা। মুছলমানৰ পীৰ, ফকীৰৰ সান্নিধ্যলৈ আহি তেওঁ ইছলাম ধৰ্ম গ্ৰহণ কৰে। তেওঁ সেই সময়ত প্ৰচলিত প্ৰথানুযায়ী সংঘটিত হৈ থকা নৰবলি প্ৰথা দেখি মৰ্মাহত হৈছিল। ঐশ্বৰিক শক্তিৰ অধিকাৰী হৈ নৰবলি প্ৰথা মোচন কৰিবলৈ সেই সময়ৰ ৰজা শিশুপালৰ লগত যুক্তি-তৰ্কত অৱতীৰ্ণ হৈ যি গীত ৰচনা কৰিছিল সেইবোৰ সত্যপীৰৰ গীত স্বৰূপে আজিও গোৱালপাৰা অঞ্চলত জনপ্ৰিয় হৈ আছে।

সেই সময়ত নৰবলি প্ৰথা যে অকল গোৱালপাৰা অঞ্চলতে আছিল সেইটো নহয়। অসমৰ প্ৰাচীন বাসিন্দা চুতীয়াসকলে বিভিন্ন ধৰণৰে কালী গোসানীক পূজা কৰিছিল। পূজাৰ বাবে তেওঁলোকে ব্ৰাহ্মণৰ সহায় নলৈছিল। চুতীয়াৰ দেউৰীয়ে পূজা সমাধা কৰিছিল। দেৱীক কেচাইখাইতী গোসানী বুলিছিল। গোসানীলৈ নৰবলি আগবঢ়োৱা হৈছিল। আহোমসকলে চুতীয়াসকলক তলতীয়া কৰিলেও নৰবলি প্ৰথাত হকাবাধা কৰা নাছিল। কিন্তু তেওঁলোকে সাধাৰণতে মৃত্যু দণ্ডৰে দণ্ডিত লোককহে বলিৰ বাবে ব্যৱহাৰ কৰাৰ নিয়ম বান্ধি দিছিল। এনে লোক পোৱা নগ'লে কোনো এটা বিশেষ সম্প্ৰদায়ৰ পৰা বলিৰ লোক নিৰ্বাচন কৰা হৈছিল আৰু তাৰ বিনিময়ত সেই সম্প্ৰদায়ে ৰজাঘৰৰ পৰা ভালেমান অনুগ্ৰহ লাভ কৰিছিল। দেৱীৰ সন্তুষ্টিৰ বাবে নিৰ্বাচিত লোকজনক ভালদৰে খুৱাই-বুৱাই হৃষ্ট-পুষ্ট কৰি তোলা হৈছিল আৰু নিৰ্দিষ্ট দিনত তেওঁক শদিয়াৰ তামৰ মন্দিৰ নাইবা আন কোনো মন্দিৰত যথাৰীতি বলি দিয়া হৈছিল। তিপ্ৰেৰা, কছাৰী, কোচ, জয়ন্তীয়াকে আদি কৰি অসমৰ ভালেমান জনজাতীয় লোকৰ মাজতো নৰবলিৰ প্ৰচলন আছিল।[২] কিন্তু মুছলমানৰ পীৰ-ফকীৰৰ অসমত প্ৰৱেশ ঘটাত আৰু তেওঁলোকৰ মৰ্মস্পৰ্শী বাণীত মানৱ

---

১ : লুইত বৰাক আৰু ইছলাম মেদিনী চৌধুৰী ঃ পৃঃ ৪৫

২ : অসম বুৰঞ্জী ঃ চাৰ এডৱাৰ্ড গেইট ঃ পৃঃ ৩৩

সম্পদ যে সকলোৰে উৰ্ধৰ্ত আৰু মানৱ মাত্ৰেই সমাধিকাৰৰ অন্তৰ্ভুক্ত তাৰ জ্ঞান প্ৰচাৰ কৰাত নৰবলিৰ দৰে কুপ্ৰথা অসম নামৰ ভূখণ্ডৰ পৰা বিলুপ্ত হয়।

নৰনাৰায়ণৰ ৰাজত্বকালত অসমলৈ অহা ৰাল্‌ফ ফিট্‌ছ নামৰ ইংৰাজ ভ্ৰমণকাৰী এজনে তেওঁৰ ভ্ৰমণ টোকাত ৰাজ্যৰ বিষয়ে এইদৰে লিখিছে— "বাংলাৰ পৰা মই কাউচ (কোচ) বা কুচেইন ৰাজ্যলৈ যাওঁ। তান্দাৰ পৰা ২৫ দিন গ'লে এই ৰাজ্যখন পায়। এই ৰাজ্যৰ ৰজাজন ভদ্ৰলোক (হিন্দু) তেওঁৰ নাম চুকেল কোচ (শুক্ল কোচ বা শুক্লধ্বজ) তেওঁৰ ৰাজ্যখন বেছ ডাঙৰ। কোচিন-চীনৰ পৰা এই ৰাজ্যৰ লোকসকলে জালুক আনে। তাৰ পৰাই বুজিব পাৰি যে এই ৰাজ্যখন চীনৰ পৰা বেছি দূৰত নহয়।........" ৰাল্‌ফে শুক্লধ্বজক ৰজা বুলি কোৱাৰ অৰ্থ হ'ল, জ্যোতিষীয়ে হেনো এবাৰ নৰনাৰায়ণৰ কোষ্ঠী বিচাৰ কৰি শনিৰ দশা পৰিছে বুলি কোৱাত ৰজাই ভায়েক শুক্লধ্বজক এবছৰলৈ ৰাজকাৰ্য পৰিচালনা কৰিবলৈ দি নিজে ছদ্মবেশেৰে কাল কটাইছিল। সম্ভৱতঃ সেই কালতে ৰাল্‌ফ কোচ ৰাজ্যলৈ অহাত শুক্ৰধ্বজক ৰজা হিচাপে পাইছিল।

নৰনাৰায়ণৰ ভতিজাক ৰঘুদেৱ নৱগঠিত কোচ ৰাজ্যৰ ৰজা হোৱাৰ কালত ঢাকাৰ নাৰায়ণগঞ্জৰ ওচৰত ইছাখাঁ নামৰ আফগান এজন মহাপৰাক্ৰমী হৈ উঠিছিল। বংগৰ নবাব ডাউদখাঁৰ সমসাময়িক এইজন লোক খিজিৰপুৰৰ ভূঞা আছিল। খাজাহানে ডাউদক সিংহাসনচ্যুত কৰাত ইছাখাঁ পূৰ্ববংগৰ আফগানসকলৰ দলপতি হ'ল আৰু কালক্ৰমত ঘোৰাঘাটৰ পৰা সাগৰ অঞ্চললৈকে জুৰি থকা বিস্তৃত ভূখণ্ড তেওঁৰ অধীন কৰিলে। ১৫৮৩ খ্ৰীঃত ছাহবাজ খাঁৰ হাতত পৰাস্ত হৈ ইছাখাঁ চিটাগঞ্জলৈ পলাই যোৱাত ইয়াতে এদল সৈন্য গোটাই তেওঁ নিজৰ বাবে এখন ৰাজ্য গঠনৰ সংকল্প লয়। সেই সময়তে কোচসকলৰ পতন হোৱাত সুযোগ বুজি ইছাখাঁই ৰজা নৰনাৰায়ণৰ হাতত তেওঁৰ বিদ্ৰোহী ভতিজাকক তুলি দি ৰাজ্যৰ দক্ষিণাংশ নিজৰ হাতলৈ নিবলৈ চেষ্টা কৰে। ৰঘুদেৱে বৰ্তমানৰ মৈমনসিংৰ জঙলাবাটী গাঁৱৰ এটা দুৰ্গৰ পৰা নিজে শত্ৰুক ভেটিবলৈ চেষ্টা কৰি বিফল হৈ গোপন সুৰংগইদি পলাই প্ৰাণ ৰক্ষা কৰে। যুঁজত জিকি ইছাখাঁই গোৱালপাৰাৰ ৰঙামাটিলৈকে কোচ ৰাজ্যৰ এটা বিৰাট অঞ্চল নিজ দখললৈ নিয়ে।

কোচ ৰাজ্যৰ অন্তৰ্দ্বন্দ্বত পৰীক্ষিতে লক্ষ্মীনাৰায়ণৰ বশ্যতা স্বীকাৰ কৰিবলৈ অমান্তি হৈ ১৫৯৬ খ্ৰীঃত নিজকে মোগলৰ কৰতলতীয়া ৰজা বুলি ঘোষণা কৰিছিল। এই বিৱৰণ আকবৰ নামাত উল্লেখ আছে। এই পুথিমতে তেওঁ চাৰি হাজাৰ ঘোঁৰা, দুই লাখ পদাতিক, সাতশ হাতী আৰু এহাজাৰ জাহাজৰ অধিকাৰী হৈছিল। ১৫৯৭

খ্ৰীঃত লক্ষ্মীনাৰায়ণে বংগৰ গভৰ্ণৰ মানসিঙলৈ এগৰাকী কন্যা বিয়া দি বৈবাহিক সম্বন্ধ স্থাপন কৰিছিল।

ইপিনে পৰীক্ষিত আৰু লক্ষ্মীনাৰায়ণৰ বিবাদ দিনক দিনে বৃদ্ধি পোৱাত লক্ষ্মীনাৰায়ণে ঢাকাৰ মানসিঙৰ হস্তক্ষেপ বিচাৰে। সেই সুযোগতে ঢাকাৰ নবাব খাঁ আলাউদ্দিন ফাটপুৰী, আৰু সেনাপতি ইছলাম খাঁ উৎসাহিত হৈ মুক্কাৰম খাঁক তিনিশ হাতী, ছহাজাৰ ঘোঁৰা, দহ-বাৰ হাজাৰ পদাতিক আৰু চাৰি-পাঁচশ যুদ্ধ জাহাজেৰে কোচ-হাজো জয় কৰিবলৈ পঠিয়ায়। ছালগোনাৰ ওচৰত এখন নৌ যুদ্ধত পৰীক্ষিতৰ শোচনীয় পৰাজয় হয়। তাৰ পৰা ভূমিৰে অভিযানৰ নেতৃত্বলৈ শেখ কামানে বিজুলী বেগেৰে আগুৱাই আহি কৰাইবাৰী পৰগণাৰ হাটছিলাত বাঁহৰ জোঙেৰে কোঠ তৈয়াৰ কৰে। পৰীক্ষিত সেই সময়ত পাঁচশ ঘোঁৰা আৰু দহ হাজাৰ পদাতিকেৰে ধুবুৰী দুৰ্গত আছিল। উপায়ান্তৰ হৈ পৰীক্ষিতে সন্ধিৰ প্ৰস্তাৱ আগবঢ়ায়। সেই সন্ধিমতে পৰীক্ষিতে মুছলমান সেনাপতিজনক এশ হাতী, এশ ঘোঁৰা আৰু বিশ মোন মূল্যবান কাঠ উপহাৰ দিয়ে। কিন্তু বংগৰ গভৰ্ণৰে পৰীক্ষিতে উক্ত সামগ্ৰী উপহাৰ দিলেও সন্তুষ্ট নহৈ তেওঁ নিজে বংগলৈ গৈ তেওঁৰ ৰাজ্য বংগৰ হাতত অৰ্পণ কৰিব লাগিব বুলি দাবী জনায়।

এইবাৰ পৰীক্ষিতে আহোমৰ সহায় বিচাৰে। কিন্তু আহোমে পোনপটীয়াকৈ তেওঁক সহায় নকৰাত অকলে যুদ্ধৰ বাবে প্ৰস্তুত হয়। ইফালে তেওঁৰ চিৰবৈৰী লক্ষ্মীনাৰায়ণে মুক্কাৰম খাঁক পৰীক্ষিতৰ ৰাজ্য আক্ৰমণ কৰিবলৈ অনুৰোধ কৰে। মুক্কাৰম খাঁই সত্ৰজিতৰ নেতৃত্বত এটা সৈন্য বাহিনী লক্ষ্মীনাৰায়ণৰ সহায়ৰ কাৰণে পঠিয়ায়। পৰীক্ষিত পলাবলৈ বাধ্য হয়। ধুবুৰীৰ পৰা প্ৰায় এদিনৰ বাট গদাধৰ নৈৰ পাৰত তেওঁ খোপনি পোতেগৈ। লক্ষ্মীনাৰায়ণেও পৰীক্ষিতৰ পিছ ল'লে। তাৰ পৰাও পৰীক্ষিত পাণ্ডুলৈ পলাবলৈ সক্ষম হৈছিল যদিও যুদ্ধত জয়লাভৰ আশা নেদেখি পৰীক্ষিতে আত্মসমৰ্পণ কৰে। মোগল সম্ৰাটৰ আদেশ ক্ৰমে তেওঁক দিল্লীলৈ নিয়া হৈছিল। সেই সময়ত দিল্লীৰ সম্ৰাট আছিল জাহাঙ্গীৰ। তেওঁ বছৰি চাৰি লাখ টকা কৰ দিয়াৰ স্বীকৃত হোৱাত সম্ৰাটে তেওঁৰ হাত ৰাজ্য উভতাই দিছিল। কিন্তু দিল্লীৰ পৰা ঘূৰি অহাৰ পথত পৰীক্ষিতৰ বাটতে মৃত্যু হয়।

পৰীক্ষিতৰ মৃত্যুৰ পিছত কোচ ৰাজ্যখন মোগলে প্ৰত্যক্ষভাৱে নিজ দখললৈ নিয়ে। মুক্কাৰম খাঁৰ ভায়েক এজনক এদল সৈন্য বাহিনীৰে সৈতে এই ৰাজ্যখন চোৱাচিতাৰ ভাৰ অৰ্পণ কৰে। কিন্তু কমদিনৰ ভিতৰতে তদাৰককাৰীজনৰ মৃত্যু হোৱাত মুক্কাৰম খাঁ নিজে এই ৰাজ্যখনৰ গভৰ্ণৰ নিযুক্ত হয়। তেওঁৰ কৰ্মস্থল

হাজোলৈ তুলি নিয়ে। তেওঁ ভালেমান মুছলমান সম্ভ্রান্ত লোকক সা-সম্পত্তি আৰু দহ-বাৰ হাজাৰ পাইক সৈন্য এই ঠাইত স্থায়ীভাৱে বহুৱাইছিল। বংগৰ পৰা অহা এই লোকসকলক সামৰিক সেৱাৰ বাবে ভূমিদান দিয়াও হৈছিল। কিন্তু ইমান সহজে কোচসকলে মোগলৰ বশ্যতা স্বীকাৰ কৰিবলৈ সাজু নাছিল আৰু চেগাচোৰোকাকৈ মোগলৰ ঘাটিবোৰ আক্রমণ কৰিছিল। পৰীক্ষিতৰ পৰাজয়ৰ পিছত ভায়েক বলী নাৰায়ণ আহোম ৰজা প্রতাপ সিংহৰ শৰণাপন্ন হৈ পলাই আছিল। বলী নাৰায়ণক আশ্রয় দিয়াৰ অজুহাত লৈ মুছলমান সৈন্যই আহোম ৰাজ্য আক্রমণ কৰিবলৈ মন মেলে। কিন্তু মুছলমান সৈন্যৰ নেতৃত্ব আবুবক্কৰক দিয়াত মুছলমানৰ মুখীয়ালসকলৰ মাজত মতানৈক্যই দেখা দিয়ে। হাজোৰ শাসনকর্তা আব্দুছ ছালামকে আদি কৰি ভালেমান উচ্চ বিষয়াই পদত্যাগ কৰে। মির্জা ছাহিন নামৰ এজন মুছলমান বিষয়াই লক্ষ্মীনাৰায়ণৰ সহায়ত এজন কোচ সেনাপতিক কৰায়ত্ত কৰিছিল। আনহাতে এজন মুছলমান কৰ সংগ্রহকাৰীক অবৈধভাৱে সনাতন নামৰ এজন ব্যক্তিয়ে ধৰি ৰখাত আব্দুলবাকীক বিচাৰৰ কাৰণে মোগলে প্রেৰণ কৰে। আব্দুল বাকীয়ে নাৱেৰে আৰু মির্জা ছাহিনে স্থল পথেৰে বিচাৰৰ বাবে অভিযানৰ পাতনি মেলে। কৱাৰহাদা-পাহাৰত এটা দুর্গ অধিকাৰ কৰি আব্দুল বাকী আহি বৰনগৰত মির্জা ছাহিনৰ অপেক্ষাত ৰ'ল।

এইবোৰ সৰু-সুৰা যুঁজত লিপ্ত থাকোঁতেই ওঠৰজন পাহাৰীয়া ৰজাই নিজকে স্বাধীন বুলি দাবী কৰি গুৱাহাটীৰ দক্ষিণ-পূৱে থকা ৰাণী নামৰ ঠাইত সমৱেত হৈ মির্জা ছাহিনক আক্রমণ কৰে কিন্তু আটাইকেইজন পাহাৰীয়া ৰজা পৰাজিত হয়। এই অভিযান অন্ত নৌপৰোতেই বংগত গৃহ কন্দলে দেখা দিয়ে। বংগত কাছিম খাঁক আঁতৰাই ইব্রাহিম খাঁ গভর্ণৰ হয়। ইব্রাহিম খাঁ আছিল সাধাৰণ কৰ সংগ্রহকাৰী। ক্ষমতালিপ্সু ইব্রাহিম খাঁই কোচসকলক মুছলমানৰ বিৰুদ্ধাচৰণ কৰিবলৈ উদ্গণি দিয়ে। কিন্তু বেছি দিন নালাগিল, ইব্রাহিম খাঁৰ ষড়যন্ত্ৰৰ কথা প্রকাশ হ'ল। আহোমৰ পৰা সহায় পোৱা সত্ত্বেও ছাহিনৰ সৈন্যৰ আগত ইব্রাহিম খাঁ তিষ্ঠিব নোৱাৰি মৃত্যুক সাবটি ল'ব লগা হয়। ধর্মনাৰায়ণ আৰু আহোমে ছাহিনক অতর্কিতে আক্রমণ কৰাত ছাহিন শুৱালকুছিলৈ পলাই যায়। ইয়াৰ পিছত বংগৰ পৰা এদল সৈন্য আহি তেওঁৰ লগ লগাত ১৬১৯ খ্রীঃত সদলবলে পাণ্ডু দখল কৰিবলৈ আগবাঢ়ে কিন্তু তেওঁৰ অতি প্রিয় সেনানায়ক সত্রজিতৰ বিশ্বাসঘাটকতাৰ কাৰণে ছাহিন বেয়াকৈ ক্ষতিগ্রস্ত হৈ হাজোলৈ পলাই যায়। ১৬৩৭ খ্রীঃত বংগৰ পৰা আন এটা অভিযান প্রেৰণ কৰে। এইবাৰ মুছলমানসকলে আহোম আৰু তেওঁলোকৰ সহযোগী ধর্মনাৰায়ণক

ক্ৰমান্বয়ে আঁতৰাই পঠাইছিল। কলংনৈৰ মোহনাৰ কাজলিত আহোম আৰু ধৰ্মনাৰায়ণ শোচনীয়ভাৱে পৰাস্ত হৈছিল। ধৰ্মনাৰায়ণ পলাছিল যদিও মুছলমান সৈন্যই খেদি গৈ শিংৰি পৰ্বতৰ ওচৰত নিধন কৰে।

১৬৩৮ খ্ৰীঃত দুয়োপক্ষৰ সন্ধি হয়। বৰনদীৰ উত্তৰপাৰৰ ভূখণ্ড মুছলমানৰ হাতত পৰে। সেইমতে পৰীক্ষিতৰ পূৰ্বৰ অঞ্চলবোৰ আহোমে লাভ কৰে। ধৰ্মনাৰায়ণৰ মৃত্যুৰ পিছত পুত্ৰ সুন্দৰ নাৰায়ণক মঙলদৈত আহোমৰ কৰতলীয়া ৰজা পতা হয়।[1]

১৭ শতিকাত আকবৰৰ শাসন কালত হেনো পীৰ বৰহম নামৰ এজন চুফীসাধক আবুল ফজলৰ ৰোষত পৰি নিৰ্বাসিত হৈ গৌড়লৈ আহিছিল। তাতে জয়পাল নামৰ এজন প্ৰখ্যাত হিন্দু সাধুৱে তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰে। মানকাছাৰৰ কামাখ্যা মন্দিৰৰ কাহিনীত জয়পাল আৰু ইছমাইল ফকীৰৰ নাম উল্লেখ আছে। উক্ত কামাখ্যা মন্দিৰৰ খটখটিৰ এঠাইত এষাৰ কথা পাৰ্চী ভাষাত খোদিত কৰা আছে—"আবে হায়াৎ চশ্মা খিজৰ।" আবে হায়াৎ মানে চিৰঞ্জীৱ কৰা পানী। চশ্মা হ'ল উহ। খিজৰ হ'ল জলদেৱতা। চমুকৈ অমৃতৰ নিজৰা। মেদিনী চৌধুৰীয়ে মন্দিৰৰ খটখটিত উক্ত কথাষাৰ ইছলাম ধৰ্ম গ্ৰহণ কৰাৰ পিছত জয়পাল ফকীৰে লেখাইছিল বুলি অনুমান কৰিছে। মীৰজুমলাৰ মাজাৰৰ ওচৰতে অৱস্থিত এই কামাখ্যা মন্দিৰটো। ই হিন্দু মুছলমানৰ সমন্বয়ৰ এক অপূৰ্ব নিদৰ্শন। যি নিদৰ্শন বহন কৰিছে হাজোৰ পোৱা মক্কা আৰু হয়গ্ৰীৱ-মাধৱ মন্দিৰে।

জয়পাল ফকীৰে ইছলাম ধৰ্ম গ্ৰহণ কৰি ইছলাম ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে দৰঙ্গ ৰাজ্য পৰ্যন্ত আহিছিল আৰু তেওঁৰ সাম্য-মৈত্ৰীৰ বাণীত মোহিত হৈ দৰঙ্গৰ বহুতো মানুহ ধৰ্মান্তৰিত হৈ মুছলমান হৈছিল।

ভাৰতবৰ্ষলৈ চুফীবাদৰ আদৰ্শ প্ৰচাৰৰ বাবে পোনপ্ৰথমে আহিছিল ইছমাইল শ্বেখ। ১১৬১ খ্ৰীঃত পাৰস্যৰ সাধক খাজা ওচমান হাৰোৱাণী চিশতিৰ শিষ্য মইনুদ্দিন চিশতিও আহিছিল অনুৰূপ উদ্দেশ্যলৈ। তেওঁলোক কোনো আক্ৰমণকাৰীৰ লগত অহা নাছিল। আহিছিল আধ্যাত্মিকতাবাদ প্ৰচাৰৰ কাৰণে। মানুহক সৎ পথ প্ৰদানৰ লক্ষ্যহে আছিল তেওঁলোকৰ। মইনুদ্দিন চিশতিৰ লগত অনেক ব্ৰাহ্মণো আহিছিল। তেওঁলোকে পিছলৈ হুচেইনী ব্ৰাহ্মণ নামে আত্ম পৰিচয় দিছিল।[2]

১: অসম বুৰঞ্জী ঃ চাৰ এডৱাৰ্ড গেইট ঃ পৃঃ ৫৩-৬০

২: লুইত বৰাক আৰু ইছলাম ঃ মেদিনী চৌধুৰী ঃ পৃঃ ২০

অতীজত বৰাক উপত্যকাৰ যিটো অঞ্চল অসমৰ অন্তৰ্গত আছিল সেই অঞ্চলটো প্ৰায় জনশূন্য আছিল। কিন্তু কছাৰী ৰজা লক্ষ্মীনাৰাগে ১৭৪৫ খ্ৰীঃত সমতলৰ খাচপুৰলৈ ৰাজধানী স্থানান্তৰ কৰাৰ আগৰপৰাই সেই অঞ্চলত মুছলমান বসতি স্থাপন হোৱা বুলি ইবনেবটুতাই তেওঁৰ ভ্ৰমণ টোকাত উল্লেখ কৰিছে। তেওঁ ১৩৩৩ খ্ৰীঃত ভাৰতলৈ আহি ১৩৫০ খ্ৰীঃত অসম ভ্ৰমণ কৰে। ১৩০৪ খ্ৰীঃত বংগৰ চুলতান আছিল তুৰ্কী চামছুদ্দিন। শ্ৰীহট্টত আছিল হিন্দু ৰজা গৌড় গোবিন্দ। গৌড় গোবিন্দৰ ৰাজ্যত ইতিমধ্যে প্ৰতিষ্ঠিত মুছলমান সমাজখনত কুসংস্কাৰে গ্ৰাস কৰি ৰখাৰ কাৰণে সেইবোৰ দূৰীকৰণ কৰি সম্পূৰ্ণ ইছলামিক প্ৰথা প্ৰচলনৰ কাৰণে জনৈক বুৰহানুদ্দিনে প্ৰবল জনমত গঠন কৰিছিল। তাতে ক্ষুন্ন হৈ গৌড় গোবিন্দই বুৰহানুদ্দিনক দণ্ড বিহে। অপমান বোধ কৰি বুৰহানুদ্দিনে বংগৰ চুলতান চামছুদ্দিনৰ সহায় প্ৰাৰ্থনা কৰে। চুলতানেও প্ৰতিশোধ লোৱাৰ উদ্দেশ্য শ্ৰীহট্ট বিজয়ৰ কাৰণে এক বিশাল সৈন্য বাহিনী পঠায়। এই বাহিনীটোৰ লগত আহিছিল ধৰ্ম প্ৰচাৰক চাহ জালাল। মুছলমান সৈন্যই শ্ৰীহট্ট হেলাৰঙে জয় কৰাৰ পিছত শ্বাহ জালালে এটা টিলাৰ ওপৰত 'খানকা' প্ৰতিষ্ঠা কৰি ইছলাম ধৰ্ম প্ৰচাৰত ব্ৰতী হয়। কালক্ৰমত তাতে দৰগাহ আৰু মছজিদ স্থাপন কৰা হৈছিল। তেওঁৰ বাণীত আকৃষ্ট হৈ বহুতো মানুহে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। ইবনেবটুতাই এইজনা সাধক শ্বাহ জালালক ১৩৪৫ খ্ৰীঃত লগ পাইছিল বুলি তেওঁ ভ্ৰমণ টোকাত উল্লেখ কৰিছে।

পৰাজয়বৰণ কৰাত শ্ৰীহট্টৰ হিন্দু ৰজা গৌড় গোবিন্দক দিল্লীৰ সম্ৰাট ঔৰঙ্গজেবে দিল্লীৰ ৰাজ দৰবাৰলৈ মতাই নিছিল। সম্ৰাটৰ সমাধিকাৰ আতিথ্য আৰু ইছলাম ধৰ্মৰ একেশ্বৰবাদৰ মতাদৰ্শত আকৃষ্ট হৈ গৌড় গোবিন্দই নিজে ইছলাম ধৰ্মত দীক্ষিত হৈছিল।

মুছলমানসকলৰ সৈতে তিপ্ৰেৰাসকলৰ ভাল সম্বন্ধ নাছিল। কুশীয়াৰাৰ দক্ষিণাঞ্চলৰ ভূখণ্ড তিপ্ৰেৰা ৰজাসকলৰ অধীনত আছিল। কালক্ৰমত মুছলমানসকলে সমগ্ৰ সমতল ভূখণ্ড নিজৰ দখললৈ নিয়ে আৰু তিপ্ৰেৰাৰ ৰজাই মুছলমানক কৰ সোধাবলৈ বাধ্য হয়।

বংগদেশৰ স্বাধীন ৰজাসকলৰ দিনত চিলেটৰ গভৰ্ণৰে নৱাব উপাধি লভিছিল। মোগলৰ অধীনত চিলেটৰ প্ৰশাসনৰ বাবে এজন আমিৰ নিযুক্ত হৈছিল। এই আমিৰজনক স্থানীয় লোকে নৱাব বুলি সম্বোধন কৰিলেও দৰাচলতে তেওঁ ঢাকাৰ নৱাবৰ ছীল-মোহৰৰ পৰা ৪০জন মান আমিৰৰ নাম পোৱা যায়। তেওঁলোকৰ ভিতৰত ফাছাদ খাঁ নামৰ এজন আমিৰে ১৭ শতিকাৰ শেষৰ ফালে চিলেটত ভালেমান

বাট-পথ, দলং আদি নিৰ্মাণ কৰিছিল। এখন শিলালিপিৰ মতে তেওঁ ১৮০৫ হিজৰী অৰ্থাৎ ১৬৭৩ খ্ৰীঃত এই দলংবোৰ নিৰ্মাণ কৰিছিল।[১]

বুৰহানুদ্দিনে মুছলমান সমাজখন সংস্কাৰমুখী কৰা কথাই প্ৰমাণ কৰে যে কাছাৰৰ পশ্চিমাঞ্চলত ইছলামৰ প্ৰভাৱ ১৪ শতিকাৰ ভিতৰতে নহ'লেও অলপ পিছতে প্ৰসাৰিত হৈছিল। ১৭৪৫ খ্ৰীঃৰ পিছত বদৰপুৰৰ পশ্চিমৰ পৰা বহুসংখ্যক মুছলমান মানুহ আহিও নিগাৰ্জীকৈ বসতি স্থাপন কৰিছিল। বেৰেঙা, বাশকান্দি তাৰে সাক্ষী। এই বাশকান্দি ঠাইখনেই বৰাক উপত্যকাৰ ইছলাম সংস্কৃতিৰ এখন প্ৰধান কেন্দ্ৰ হৈ পৰে। সেই গৌৰৱ তাত এতিয়াও অটুট আছে। তদুপৰি কছাৰী ৰজাৰ সময়ত কাছাৰবাসীৰ মুখ্য ব্যক্তিৰ সৰহসংখ্যকেই আছিল মুছলমান সম্প্ৰদায়ৰ। বৰ ভূঁয়া, বৰলস্কৰ আদি একোটাহত উদাহৰণ।[২]

উত্তৰ-পূব অসমৰ চুতীয়া ৰজা ৰত্নধ্বজে হেনো ১৪ শতিকাতে এইজনা তুৰ্কী চুলতান (লখনৌতিৰ) চামছুদ্দিনৰ লগত সখি পাতিছিল। ৰত্নধ্বজৰ পুত্ৰ এজনক বিদ্যা অৰ্জনৰ কাৰণে চুলতানৰ ৰাজ্যত ৰাখিছিল। কিন্তু এক দুৰাৰোগ্য ৰোগত পৰি ল'ৰাজনৰ অকালতে মৃত্যু হয়। চুলতান চামছুদ্দিন সখিয়েকৰ ল'ৰাৰ মৃত্যুত শোকত ম্ৰিয়মান হৈ পৰে আৰু অতিযত্নৰে মৃতদেহটো নাৱেৰে চুতীয়া ৰাজধানীলৈ পঠিয়াই দিছিল। বন্ধুত্বৰ এই নিদৰ্শন ধৰ্মৰে জুখিব পৰা বিধৰ নহয়।

অসমৰ অবিভক্ত কাছাৰ জিলাৰ "মাইমালসকল" এনে এটা জনগোষ্ঠী, যিটো জনগোষ্ঠীৰ বিষয়ে বুৰঞ্জী আজিও নিমাত। মাইমালসকল হ'ল মুছলমান জনগোষ্ঠীৰ মাছমৰীয়া সম্প্ৰদায়ৰ লোক। 'মাইমাল' শব্দটো এটা পাৰ্চী শব্দ। 'মাই' মানে মাছ আৰু 'মাল' মানে ধৰা। অৰ্থাৎ মাছ ধৰি জীৱিকা অৰ্জন কৰা লোক। জাতিত অসমত কৈৱৰ্ত, নমশূদ্ৰ আৰু পাটনা আদি জনগোষ্ঠীৰ সৈতে একেটা শ্ৰেণীতে ধৰিব পাৰি। এটা সময়ত এওঁলোক সুৰমা উপত্যকাৰ দুখন জিলা চিলেট আৰু কাছাৰৰ বাসিন্দা আছিল। বংগ বিভাজনৰ সময়ত চিলেট জিলাৰ ৯টা আৰক্ষী চকী তেতিয়াৰ পূৰ্ব পাকিস্তানৰ অন্তৰ্গতিত অন্তৰ্ভুক্ত হয়। অসমত ৰৈ যোৱা এই মাইমালসকলৰ জনসংখ্যা বৰাক উপত্যকাত প্ৰায় ৮-১০ লাখ হৈছেগৈ। তাৰ পৰা কালক্ৰমত নগাঁও, ঢিং, লংকা, মৰিগাঁও আৰু ডিব্ৰুগড় জিলাৰ টিংৰাই অঞ্চললৈ পৰ্যবসিত হয়।

এই মাইমালসকল হ'লে প্ৰব্ৰজনকাৰী মুছলমান নহয়। এই লোকসকল ধৰ্মান্তৰিত মুছলমান। যিহেতু মাইমাল পাৰ্চী শব্দ সেইফালৰ পৰা এওঁলোকক সম্ভৱতঃ

১: অসম বুৰঞ্জী, চাৰ এডৱাৰ্ড গেইট, পৃঃ ২৪২

২. লুইত বৰাক আৰু ইছলাম : চাৰ এডৱাৰ্ড গেইট : পৃঃ ২৩

ভাৰতৰ মোগল সাম্ৰাজ্য নতুবা পাঠানসকলৰ আমোলত এই নামেৰে চিনাক্ত কৰা হৈছিল। ১৩২৮ খ্ৰীঃত হজৰত জালালে চিলেট জিলাত পদাৰ্পণ কৰাৰ সময়ত চিলেটৰ ৰজা আছিল গৌড় গোবিন্দ। মাছমৰীয়া মাইমালসকল ধৰ্মত হিন্দু আছিল যদিও এওঁলোক উচ্চ হিন্দুৰ দ্বাৰা সদায় বৰ্জিত হৈছিল। এওঁলোকে কাহানিও উচ্চ হিন্দুৰ পৰা সামাজিক অধিকাৰ পোৱা নাছিল। বৰঞ্চ নীচ বুলি গণ্য হৈছিল। ইছলাম ধৰ্মত বৰ্ণভেদ নথকাৰ কাৰণে এওঁলোকৰ কিছুমানে ইছলাম ধৰ্ম গ্ৰহণ কৰি মুছলমান হৈছিল। যিসকলে ইছলাম ধৰ্ম গ্ৰহণ নকৰিলে সেইসকল কৈবৰ্ত, নমশূদ্ৰ, পাটনা বা পাটনি হিন্দু হৈ থাকিল।

"Before the invent of the Islam in the region, a bulk of population of the region had been fisherman by profession. They were looked down upon the caste Hindus as untouchables and outcaste when Shah Jalal invaded Syhhet in 1328 AD, a large seale conversion followed........ Those converted peoples formed the present day Mahlmal Community (Hoque 1985)" বৰাক উপত্যকাত কৰিমগঞ্জ আৰু হাইলাকান্দি জিলাত এই মুছলমান সম্প্ৰদায়ৰ লোক প্ৰচুৰ পৰিমাণে আছে।[১]

উপৰোক্ত তথ্যসমূহৰ পৰা এইটোকে জনা যায় যে বৰ্তমানৰ অৰুণাচল, নাগাৰাজ্য, মণিপুৰ, মিজোৰাম, মেঘালয়, ত্ৰিপুৰা, কোচবিহাৰ আৰু উত্তৰ বংগ প্ৰাচীন কামৰূপ তথা অসমৰ অন্তৰ্ভুক্ত আছিল আৰু জীৱন ধাৰা প্ৰণালীৰ এটা সাংস্কৃতিক সমন্বয় সৃষ্টি হৈছিল। বিচিত্ৰ জনগোষ্ঠীৰ বিচিত্ৰ সংস্কৃতিৰে যি ঐক্যৰ ভেটি সৃষ্টি কৰিছিল তাৰ মূলতে আছিল অষ্ট্ৰ-মঙ্গলয়ত অৰ্থাৎ নিষাদ কিৰাত সংস্কৃতি।

আকৌ পশ্চিমৰ পৰা অহা মুছলমান ৰণুৱা-বনুৱা, ধৰ্মপ্ৰচাৰক পীৰ ফকীৰসকল আহি মুছলমান বসতি স্থাপন কৰি স্বকীয় ভাষা-সংস্কৃতি বিসৰ্জন দি থলুৱা ৰীতি-নীতি গ্ৰহণ কৰি হিন্দু-মুছলমান উভয় ধৰ্মৰ সংমিশ্ৰণৰ এক সমবিন্দুত উপনীত হৈছিল। এই সংমিশ্ৰণৰ আটাইতকৈ উল্লেখনীয় দিশটো হ'ল থলুৱা হিন্দু মানুহ ধৰ্মান্তৰিত হৈ মুছলমান হৈছিল যদিও তেওঁলোকে, নিজৰ জীৱন নিৰ্বাহৰ প্ৰণালীৰ ৰীতি-নীতিকে মানি চলিছিল। তদুপৰি ৰণুৱা-বনুৱাসকলে লগত তেওঁলোকৰ তিৰোতা অনা নাছিল ইযাৰে স্থানীয় তিৰোতা বিয়া কৰাই সংসাৰ কৰিছিল। সেই তিৰোতাসকলে পূৰ্বৰ নিজৰ নিজৰ আচাৰ নীতিকে পালন কৰিছিল। বৰ্তমান যুগত ধৰ্ম-ভাষা, গোষ্ঠী-জনগোষ্ঠী বা জনজাতিসকলৰ মাজত যি মৌলবাদে

১ : জনসাধাৰণৰ ইত্যাদি ঃ ২৬ ফেঃ ২০০৬ খ্ৰীঃ

গা কৰি উঠা দেখা গৈছে অতীতত কি হিন্দু, কি মুছলমান কিম্বা জাতি-জনজাতিৰ মাজত কোনো জাতীয় বা ধৰ্মীয় মৌলবাদ নাছিল। তেওঁলোকে নিজৰ নিজৰ উপাসনাৰ মৌলিক কথাকেইটা আচৰণ কৰি সামাজিক জীৱনত অতি সহজে মিলি গৈছিল। এই প্ৰণালীবদ্ধ সমন্বয়ৰ কাৰণে মুছলমানসকলে ইছলাম ধৰ্ম প্ৰচাৰ আৰু বিস্তাৰত কতো বাধা পোৱা নাছিল। খাচ অসমীয়া হৈ মুছলমানসকলে সহ অবস্থানৰ জৰিয়তে ধৰ্মৰ আদৰ্শ প্ৰতিপালন কৰি সহৃদয়ৰে অনা-মুছলমানৰ লগত হাতত হাত ধৰি মুছলমান সমাজখন ক্ৰমান্বয়ে বিস্তৃত কৰি তুলিছিল। এই কাৰ্যত সহায়ক হৈছিল সময়ে সময়ে আগমন হোৱা পীৰ-ফকীৰসকলৰ একেশ্বৰবাদৰ মৌসনা বাণীসমূহ।

অসমৰ মুছলমানসকলৰ বিষয়ে বিশদ তথ্য

আগৰ অধ্যায়টোত পোৱা হ'ল যে ত্ৰয়োদশ শতিকাৰ প্ৰাৰম্ভৰ পৰাই অসমৰ পশ্চিমাঞ্চলত মুছলমানে সমৰ শক্তিৰ অংগ হিচাপে প্ৰৱেশ কৰি এখন প্ৰতিষ্ঠিত মুছলমান সমাজ গঢ়ি তুলিছিল। আনপিনে সেই শতিকাতে চাওলুং চুকাফাৰ নেতৃত্বত আহোমসকলে পূব পিনৰ পৰা অসমত প্ৰৱেশ কৰিছিল। ১২১৫ খ্ৰীঃত চুকাফাই [illegible] ডা-ডাঙৰীয়া, মুনিহ-তিৰোতা, ল'ৰা-ছোৱালীকে ভিতৰ কৰি ন হাজাৰজন মানুহ, দুটা হাতী, আৰু তিনিশ ঘোঁৰাৰে যাত্ৰা কৰি ১২১৮ খ্ৰীঃত খামজাংগত প্ৰৱেশ কৰিছিল। এই যাত্ৰাত বাটতে ষাঠিজন মানুহ মৰিল, সাতজন হেৰাল। যাত্ৰাকালত মৰা মানুহ আৰু হেঁৰোৱা মানুহৰ বৃত্তান্ত, যাত্ৰাপথত সন্মুখীনৰ বিপদ-বিঘিনীবোৰৰ কথা লিখি ৰাখিবলৈ লগত অহা ডাঙৰীয়াসকলক আদেশ দিছিল। সেয়াই আহোমৰ বুৰঞ্জী প্ৰণয়ণৰ আৰম্ভণি।[১]

আহোমসকলৰ আগমনৰ আগতে অসমখন ক্ষুদ্ৰ ক্ষুদ্ৰ জনজাতীয় ৰাজ্যত বিভক্ত আছিল। সেই ৰাজ্যবিলাকক বিভিন্ন নামেৰে জনা গৈছিল। কিন্তু ৰণ-কৌশলত পাৰ্গত পৰাক্ৰামী আহোমসকলে এখন এখনকৈ সেই ৰাজ্যবোৰ নিজৰ অধীনলৈ নিছিল। তেওঁলোকৰ দিনতে এক নৱজাগৰণত এই বিশাল ভূখণ্ডই 'অসম' নাম পাইছিল।

১৫২৭ খ্ৰীঃত চুহুংমুঙৰ ৰাজত্ব কালত পোন প্ৰথমে মুছলমানে আহোম ৰাজ্য আক্ৰমণ কৰে জনৈক উজীৰ উপাধিৰ সেনাপতি এজনৰ নেতৃত্বত। যুদ্ধত মুছলমানৰ পৰাজয় হ'লেও এয়াই আছিল মুছলমানৰ প্ৰথম পদাৰ্পণ। আহোমে মুছলমানৰ পৰা ৪০টা হাতী আৰু ২০-৪০ টা মান বৰতোপ কাঢ়ি লয়। যুদ্ধত বন্দী হোৱা মুছলমান সৈন্যসকল আৰু হস্তগত কৰা বয়-বস্তুলৈ আহোম ৰজা দিহিঙলৈ উভতি যায়। দ্বিতীয়বাৰ বিত মালিক নামৰ এজন সেনাপতিৰ নেতৃত্বত মুছলমান সৈন্যই ৫০খন যুদ্ধৰ নাও লৈ ব্ৰহ্মপুত্ৰৰে উজাই আহি আহোম ৰাজ্য আক্ৰমণ কৰে। আহোমৰ কনচেং বৰপাত্ৰ গোহাঁয়ে মুছলমানৰ সেনাপতি বিত মালিকক হত্যা কৰি মুছলমানৰ ৫০ টা ঘোঁৰা আৰু ভালেমান হিলৈ হস্তগত কৰে। সেনাপতিৰ মৃত্যুত বহুতো মুছলমান সৈন্য আহোমৰ হাতত বন্দী হয়।[২]

১: অসম সাহিত্য সভা ঃ ৫৯তম অধিৱেশনৰ স্মৃতিগ্ৰন্থ ঃ ৰংপুৰ, পৃষ্ঠা ঃ ১১৬

২: অসম বুৰঞ্জী ঃ চাৰ এডবাৰ্ড গেইট ঃ পৃঃ ৮০

এই দুয়োখন যুদ্ধৰে মুছলমান যুদ্ধ বন্দী অসমতে ৰৈ যায় আৰু আহোম ৰাজ্যত মুছলমান বসতিৰ সূত্ৰপাত হয়।

বুৰঞ্জীবিদ গেইটৰ মতে চুহুংমুঙৰ পিছৰ পৰাই আহোম ৰজাসকলে স্বৰ্গদেউ উপাধি ল'বলৈ ধৰে। চুহুংমুঙে আহোম নামৰ উপৰিও স্বৰ্গনাৰায়ণ নাম লৈছিল আৰু তেৱেঁই স্বৰ্গদেউ উপাধি লৈছিল।[১]

যদিও উপৰোক্ত আক্ৰমণতে অসমত মুছলমান বসতি স্থাপন হয় তথাপি মুছলমান সেনাপতি তুৰ্বকৰ আক্ৰমণৰ পৰাহে আহোম ৰাজ্যত মুছলমানৰ খোপনি বুলি ঐতিহাসিকসকলে মত দাঙি ধৰে। ১৫৩২ খ্ৰীঃত তুৰ্বকৰ সেনাপতিত্বত মুছলমানে তৃতীয়বাৰ আহোম ৰাজ্য আক্ৰমণ কৰে। তুৰ্বতৰ লগত আছিল ভালেমান হাতী, ঘোঁৰা, হিলৈ-বাৰুদ আৰু পদাতিক সৈন্য। গেইটৰ মতে মুছলমানৰ সৈন্য দলত আছিল ৩০টা হাতী, ১০০০ ঘোঁৰা আৰু বহুসংখ্যক বৰতোপ, বন্দুক আৰু পদাতিক সৈন্যৰে এক বিশাল বাহিনী।[২] সেই সৈন্যদলে শিঙৰিত আহোম সৈন্যৰ দুৰ্গৰ বিপৰীতে চাউনী পাতে। আহোম ৰজাৰ চুহুংমুঙৰ পুত্ৰ চুক্লেং কোঁৱৰে মুছলমানৰ চাউনী আক্ৰমণ কৰি পৰাজয়বৰণ কৰাই নহয় ফ্ৰাচেংমুং বৰগোহাঁইকে ধৰি চাৰিজন আহোম সেনাপতিৰ ৰণত মৃত্যু হয়। কিন্তু দ্বিতীয় যুদ্ধত মুছলমানৰ সেনাপতি তাজুক আৰু ৰঙালক আহোম সেনাই বধ কৰে। এই বাৰ্তা পাই বংগৰ নবাবে ততাতৈয়াকৈ হুচেন খাঁক তুৰ্বকক সহায় কৰিবলৈ পঠায় যদিও যুদ্ধত তুৰ্বক নিহত হয়। তাৰে কিছুদিনৰ পিছতে হুচেন খাঁৰো মৃত্যু হয়। এই যুদ্ধতে ফ্ৰাচেংমুং বৰগোহাঁই আৰু তেওঁৰ বীৰঙ্গনা পত্নী মূলাগাভৰুৰো মৃত্যু হয়। তদুপৰি মৃত্যু হয় মূলাগাভৰুৰ লগত যোৱা পাঁচগৰাকী ডা-ডাঙৰীয়াণীৰ।

তুৰ্বকৰ বহুতো আগ্নেয়াস্ত্ৰ আহোমে জব্দ কৰাৰ উপৰিও বন্দী কৰিছিল বহুতো মুছলমান সৈন্য। বন্দী হোৱা প্ৰায় এক হাজাৰ সৈন্যক আহোম ৰজাই ৰজাঘৰীয়া হাতীৰ ঘাঁহ যোগোৱা কামত নিয়োগ কৰিছিল। কিন্তু সেই কামত অযোগ্য বুলি প্ৰমাণ হোৱাত গড়মূৰ খাতত খেতি কৰাবলৈ লগাইছিল। এই তুৰ্কী মুছলমান বন্দীসকলে হোলাৰ পৰা বোকামাটি আনি খাতৰ ঠটামাটিত দি কঠিয়া ৰুই এবছৰ খেতি কৰি 'নশ মৰিয়াই ছশ ডাঙৰী' পাইছিল। হোলাৰ পৰা বোকামাটি আনি খাতত দি খেতি কৰাৰ পৰাই 'বোকখাত' নামটিও উৎপত্তি হোৱা বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। পিছলৈ এই তুৰ্কী মুছলমানসকল খেতি কৰা কামতো অযোগ্য বিবেচিত

১: বুৰঞ্জী প্ৰবাহ : শ্ৰী মৃদুপৱন গোস্বামী : পৃঃ ৫৪
২: অসম বুৰঞ্জী : চাৰ এডৱাৰ্ড গেইট : পৃঃ ৮১

হোৱাত ৰজাই তেওঁলোকক কাঁহ-পিতলৰ বস্তু তৈয়াৰ কৰা কামত লগাইছিল। অৱশ্যে এইটোও স্বীকাৰ্য যে সকলো মুছলমান যুদ্ধবন্দীকে যে এই কৰ্মত নিয়োগ কৰিছিল তেনে উদাহৰণ গ্ৰহণযোগ্য নহয়। যিসকল কৃষিকে ভিতৰ কৰি অন্য বৃত্তিত তেনেই উদাসীন নতুবা জানিও নজনাৰ ভাও ধৰিছিল সেইসকলকহে পিতল শিল্পত নিয়োগ কৰিছিল। কাঁহ-পিতল মৰিয়াই মৰিয়াই পাত্ৰ তৈয়াৰ কৰাৰ কাৰণে সেই বৃত্তিধাৰী লোকসকলক পাছলৈ 'মৰীয়া' বুলি কোৱা হৈছিল। বুৰঞ্জীবিদ হেৰম্ব কুমাৰ বৰপূজাৰীয়ে তেওঁৰ The Comprehensive History of Assam, Volume- II ত মৰিওৱাৰ পৰা মৰীয়া শব্দটোৰ উৎপত্তি হৈছিল বুলি কৈছে। সেয়ে কালক্ৰমত তেওঁলোকে যি হোলাৰ পৰা মাটি আনিছিল সি হ'ল মৰিয়াহোলা আৰু খেতি কৰা অঞ্চলটোৱেই হ'ল বৰ্তমানৰ বোকাখাত।

১৫৮৩ খ্ৰীঃত কোচ ৰজা নৰনাৰায়ণৰ ভায়েক তথা সেনাপতি চিলাৰায়ৰ পুত্ৰ ৰঘুদেৱে শ্ৰীধৰ কাৰিকৰৰ দ্বাৰা কালাপাহাৰে ভাঙি পেলোৱা হাজোৰ হয়গ্ৰীৱ-মাধৱ মন্দিৰ পুনৰ নিৰ্মাণ কৰি মন্দিৰ পৰিচালনাৰ কাৰণে পাইক প্ৰথা প্ৰৱৰ্ত্তন কৰে আৰু সেবাইত সকলক কামৰ দায়িত্ব ভগাই দি মাটি দান কৰে। সেই প্ৰথা অনুসৰি মন্দিৰত পিতলৰ বাচন যোগান ধৰা দায়িত্ব পৰে মৰীয়া সম্প্ৰদায়ৰ ওপৰত। এনেকৈয়ে হিন্দু সম্প্ৰদায়ে চলাই অহা পিতল শিল্পটোত এটি বিশেষ পৰিস্থিতিৰ মাজেৰে মৰীয়া সম্প্ৰদায়টো সংস্থাপিত হৈছিল। পোন প্ৰথমে হাজোলৈ মাত্ৰ ১২ ঘৰমান মৰীয়া সম্প্ৰদায়ৰ মানুহ অনা হৈছিল। তাৰ পৰা ক্ৰমশঃ বংশ বৃদ্ধি পাই আজি এখন ডাঙৰ গাঁৱত পৰিণত হৈছে। সময়ত মৰীয়া সম্প্ৰদায়টো পিতল শিল্পটোৰ লগত এনেকৈ জড়িত হৈ পৰিল যে এই শিল্প কৰ্মত নিয়োজিত হিন্দু-মুছলমান উভয় সম্প্ৰদায়কে অসমৰ মানুহে মৰীয়া বুলি ভাবিবলৈ ধৰিলে। আনহাতে মৰীয়া সম্প্ৰদায়টোৰ মুছলমানখিনিৰ পিতল শিল্পটোলৈ যিমানখিনি অৰিহণা আছে হিন্দু সম্প্ৰদায়টোৰ সেইটো দেখা নাযায়।......হাজোত হিন্দু-মুছলমান দুয়ো সম্প্ৰদায়ৰ খনিকৰে পিতলৰ বাচন সাজে বা বনায় যদিও হিন্দু খনিকৰৰ সংখ্যা নিচেই তাকৰ। মাত্ৰ ৩০ ঘৰ। আনহাতে মুছলমান খনিকৰৰ ঘৰৰ সংখ্যাত প্ৰায় ১৫০ ঘৰ।[১]

মৰিয়াহোলাৰ পৰা গড়মূৰ খাতলৈ অঞ্চলজুৰি যে এসময়ত মুছলমান বসতিপ্ৰধান আছিল তাৰ দুটা ঐতিহাসিক প্ৰমাণ আছে। বোকাখাত বাগানৰ পিছফালে এতিয়াও এটি মছজিদৰ ভেটি আৰু লগতে সেই অঞ্চলতে এটি পুখুৰী থকাৰ

১: দৈনিক জনসাধাৰণ : দেওবৰীয়া সংখ্যা : ১২ মাৰ্চ, ২০০৬ চন

কথাও তাৰ স্থানীয় ৰাইজে জানে। সিয়েই তাত মুছলমান গাঁৱৰ অস্তিত্ব প্ৰমাণ কৰে। কালক্ৰমত এই মানুহখিনি 'বগৰিজেং' (এই অঞ্চলটো বোধ কৰোঁ নাহৰণি, মৰঙি, কছাৰীহাট, শিয়ালখাতি, ঢেকিয়াল আদি সামৰি আছিল) অঞ্চললৈ প্ৰাকৃতিক দুৰ্যোগৰ বাবে গুচি যায় তাৰে একাংশই কলিয়াবৰ অঞ্চললৈ গৈ তাতে স্থায়ীভাৱে থাকিবলৈ লয়।

১৮৩৬ খ্ৰীঃত ডিফলু বাগান খোলাত বাগানত কাম কৰিবৰ বাবে মজদূৰৰ প্ৰয়োজন হোৱাৰ লগতে কয়লাৰ প্ৰয়োজন হোৱাত ধনশিৰিমুখত জাহাজঘাট স্থাপন কৰা হৈছিল। জাহাজেৰে সেই সময়ৰ কিছুমান মুছলমান লোক আৰু মাঝি লোকক বিহাৰ, উত্তৰ প্ৰদেশ আৰু পশ্চিমবংগৰ বিভিন্ন অঞ্চলৰ পৰা অনা হৈছিল। মুছলমান এই মজদূৰ লোকসকলে বালিজান অঞ্চলত স্থায়ীভাৱে থাকিবলৈ লয়। এওঁলোক জোলা সম্প্ৰদায়ৰ লোক আছিল। তেওঁলোক বোকাখাতৰ প্ৰাচীন বাসিন্দা হিচাপে আজিও সেই অঞ্চলত বসতি কৰি আছে। ১৯ শতিকাৰ শেষলৈকে তেওঁলোকক বোকাখাতৰ মুছলমান বাসিন্দা হিচাপে জনা যায়।

কুৰি শতিকাৰ দ্বিতীয় দশকত বোকাখাত নগৰৰ মাজমজিয়াত থকা উদীয়মান নাট্যকাৰ ৰফিকুল হুছেইনৰ ককাক স্বৰ্গীয় জামালুদ্দিন আহমদ হাজৰিকা মৰিয়নীৰ পৰা বাগানৰ ব ৰকেৰাণী হিচাপে চাকৰি সূত্ৰে আহি পিছত বোকাখাতৰে বাসিন্দা হৈ পৰে। সেই শতিকাৰে দ্বিতীয় দশকত কুলি ডিপোৰ চিকিৎসক ডাঃ ৰফিজুদ্দিন আহমেদ নাহৰণিৰ পৰা বোকাখাতৰ ধনশিৰিমুখলৈ আহে আৰু অগা-পিছাকৈ ফৰিদউদ্দিনৰ পিতৃ আব্দুল মুজিদ বোকাখাত চিকিৎসালয়ৰ পৰা প্ৰথম কম্পাউণ্ডাৰ হিচাপে যোগদান কৰি বোকাখাতৰ বাসিন্দা হৈ পৰে। বৰ্তমান বোকাখাতৰ ৩নং ৱাৰ্ডৰ বংশ পৰিয়াল এই দুই চিকিৎসকৰ বংশ পৰিয়াল।

ইয়াৰ আগতে মিৰজুমলাৰ লগত কিছুসংখ্যক গৌড় দেশৰ লোক আক্ৰমণকৰী হিচাপে অসমলৈ আহি তেওঁলোকৰ একাংশ বৰ্তমানৰ মেথনি অঞ্চলৰ পৰা আৰম্ভ কৰি কৰৈয়াটি গাঁৱলৈ এই অঞ্চলটোত থাকি যায়। এই গৌড়ীয় লোকসকলক স্থানীয় বাসিন্দাসকলে 'গড়িয়া' বুলিছিল (গৌড়ীয়ৰ অপভ্ৰংশ গৰীয়া)। লতাবাৰী বাগিচাৰ শিল ভঙা মেচিনৰ পৰা কিছু আঁতৰত 'গৰিয়া বিল' নামৰ এখন বিলৰ অৱস্থিতি এতিয়াও লক্ষ্য কৰা যায়। তদুপৰি বৰচুলি অঞ্চলত এটি মাজাৰ (সিদ্ধ পুৰুষৰ কবৰ) আছে। উক্ত দুয়োটা কথাই অতীজত ইয়াত মুছলমান বসতিৰ ইংগিত দিয়ে।

বৰ্তমানৰ বোকাখাত অঞ্চলৰ থলুৱা বাসিন্দাসকলৰ ভিতৰত সৰ্বপ্ৰথমে আহিছিল নুমলীগড়ৰ প্ৰসিদ্ধ চিকিৎসক ডাঃ ইমামউদ্দিন আহমদৰ পৰিয়ালটি। ১৮২০ চনত নুমলীগড় বাগান প্ৰতিষ্ঠা কৰাৰ পিছতে তেওঁলোকৰ পূৰ্বপুৰুষ চিদ্দিক বেপাৰী গোৱালপাৰা জিলাৰ পৰা বাগানৰ কুলি (মজদুৰ) যোগান ধৰিবলৈ আহিছিল।[১]

যুদ্ধক্ষেত্ৰত মুছলমান সেনাপতি তুৰ্বকৰ মৃত্যু হ'লেও এই যুদ্ধখনৰ পিছৰ অসমৰ ৰাজনৈতিক দৃশ্যপট সলনি হৈছিল। ইয়াৰ আগতে আহোম কিম্বা জনজাতীয় ৰজাসকলৰ যুদ্ধত ব্যৱহাৰৰ কাৰণে আগ্নেয়াস্ত্ৰ নাছিল। তুৰ্বতৰ পৰা হস্তগত কৰা বন্দুকৰ আৰ্হিত আহোমৰজাৰ নিৰ্দেশত ৰজাঘৰীয়া কাৰিকৰে বন্দুক তৈয়াৰ কৰে। ডঃ ওৱেডে এই যুদ্ধখন ১৫৪৩ খ্ৰীঃত বুলি উল্লেখ কৰিছে— "Musketry had not been made in Assam before this period, but King's artists now formed them after the mode of these which Toorbuck had brought from Bengal in 1543."[২]

তুৰ্বকৰ কটা মূৰটো চৰাইদেউ পাহাৰৰ টিঙত পুতি থৈছিল যদিও যুদ্ধত ব্যৱহাৰ কৰা বন্দুকৰ অৰিহণাই আহোম ৰাজক সমৰসজ্জাত এক শক্তিশালী ৰূপত গঢ়ি তুলিছিল। মহাপ্ৰতাপী সম্ৰাট বাবৰে ভাৰতত প্ৰথম বন্দুক ব্যৱহাৰ কৰিছিল পাৰস্যৰ ইৰাক, ইৰান আদি ঠাইৰ পৰা উপকৰণ আনি। সেইদৰে আহোম ৰজায়ো মোগলৰ পৰা উপকৰণ আনি খাৰ-বাৰুদ তৈয়াৰ কৰিছিল।

মুছলমানৰ পৰাজয় হ'লেও এই যুদ্ধৰ পৰাই আহোম- মোগলৰ বন্ধুত্ব গঢ়ি উঠিছিল। গৌড়ৰ চুলতানে জীয়েক খানবিবি হাৰমতীক স্বৰ্গদেউলৈ বিয়া দি মিত্ৰতা কৰিছিল। স্বৰ্গদেৱে এই হাৰমতী কুঁৱৰীৰ নামেৰে গৌৰীসাগৰৰ ওচৰত বৰ আলিৰ পৰা দিখৌ নৈ পাৰ কৰি কোঁৱৰপুৰ মৌজাৰ মাজে উত্তৰে দিলিহ নৈ দেও দি দিচাংমুখলৈকে এটা গড় বন্ধাইছিল। ইয়াৰ নাম হাৰমতী গড়।[৩]

১৬১৫ খ্ৰীঃত কোচ ৰজা পৰীক্ষিতৰ ভায়েক বলিত নাৰায়ণ মুছলমানৰ হাতত পৰাস্ত হৈ আহোম স্বৰ্গদেউৰ আশ্ৰয় লয়। সেই সময়ত আহোম সিংহাসনত আছিল স্বৰ্গদেউ প্ৰতাপ সিংহ। ইতিমধ্যে বলিত নাৰায়ণৰ ডাঙৰ ভায়েক পৰীক্ষিতক বন্দী কৰি দিল্লীলৈ লৈ গৈছিল। মোগল সম্ৰাট জাহাংগীৰে পৰীক্ষিতক বন্দিত্বৰ

---

১ : নামদৈয়াং : স্মৃতিগ্ৰন্থ : অসম সাহিত্য সভাঃ ৬২ তম্ অধিবেশন বোকাখাত : পৃঃ ১৪৯-১৫০।

২ : সংমিশ্ৰণত অসমীয়া সংস্কৃতি : আব্দুছ ছাত্তাৰ : পৃঃ ১০

৩ : ৰংপুৰ স্মৃতি গ্ৰন্থ : অসম সাহিত্য সভাৰ ৪৯ তম্ অধিবেশনঃ শিৱসাগৰ : পৃঃ ৩৭

পৰা মুক্তি দিছিল চাৰি লাখ টকা দিয়াৰ চুক্তিত। মোগল শাসনকৰ্তা মুকাৰম খাঁই ১৬১৬ খ্ৰীঃত ৰাজধানী উত্তৰ গুৱাহাটীৰ পৰা হাজোলৈ তুলি নি কোচ ৰাজ্যৰ পশ্চিম অংশ মোগলৰ অধীনলৈ নিছিল। স্বৰ্গদেউ প্ৰতাপ সিংহই বলিত নাৰায়ণক ধৰ্মনাৰায়ণ নাম দি দৰঙত আহোমৰ কৰতলতীয়া ৰজা পাতে। অকল ৰজা পতাই নহয়, সোণাৰী ছোৱালী এজনী বিয়া দি জোঁৱায়ো পাতে। বলিত নাৰায়ণৰ সহায়ৰ কাৰণে আহোম ৰজাই তিনি হাজাৰ চুতীয়া মানুহক মঙলদৈত পাইক হিচাপে বহুৱাইছিল। লগতে বলিত নাৰায়ণৰ লগত আহোম ৰাজ্যত আশ্ৰয় লৈ থকা কেইবাজনো কোচ ৰাজকোঁৱৰক ভিন ভিন ঠাইত ৰজা পাতিছিল।

এনে সময়তে মুছলমান নবাবৰ সদাগৰে আহোম ৰজা প্ৰতাপ সিংহৰ দিনত (১৫৩৭ শক) দুখন নাৱেৰে বেপাৰ কৰিবলৈ অসমত সোমায়। সদাগৰজনৰ নাম আছিল ৰতন শ্বাহ। আহোম ৰজাই প্ৰমাদ গণিলে যে কোচ ৰাজ্য মোগলে অধিকাৰ কৰাৰ দৰে আহোম ৰাজ্যও ধ্বংস কৰিবলৈ আহিছে। অসমীয়া মানুহে ৰতন শ্বাহক ধৰি বধ কৰে আৰু বস্তু-বাহানিৰে নাও দুখনো হস্তগত কৰিলে। ফলত মোগল আৰু আহোমৰ আকৌ বিবাদ আৰম্ভ হ'ল। আৰম্ভ হ'ল পুনৰ যুদ্ধ।

এই সম্বন্ধে এডৱাৰ্ড গেইটে History of Assamত লিকিছে— "About the same time a Musalman Trader was murdered near Kaliabar, on suspicion of being a spy and his two boats were looted. Shaikh Qasim, the Governor of Bengal decided on a punitive expedition and sent Saiad Hakim an imperial officer and Saiad Abu Bakkar with upwards of ten thousand horses and foot and four hundred large ships to invade the Ahom country."[১]

বংগদেশৰ গভৰ্ণৰ শ্বেখ কাছিমে চৈয়দ হুছেইন ওৰফে হাকিম আৰু আবু বক্কৰক অসম আক্ৰমণ কৰিবলৈ পঠিয়ায়। প্ৰথমবাৰৰ যুদ্ধত আহোমৰ পৰাজয় হৈছিল যদিও এদিন ৰাতি অতৰ্কিতে আক্ৰমণ কৰি মুছলমানক পৰাস্ত কৰি মুছলমান সেনাপতিক বধ কৰে। এই যুদ্ধত আহোম সেনাৰ হাতলৈ ভালেমান হিলৈ-বাৰুদ আহে। মুছলমান সেনাপতি আব্দুছ চালামে এই বাৰ্তা পাই ঢাকাৰ নবাবলৈ সহায় বিচৰাত নবাবৰ ভায়েক মহিউদ্দিনক হাজোলৈ পঠায়। মুছলমানে বুঢ়াগোহাঁইক বন্দী কৰে। যুদ্ধত আব্দুছ ছালামক সহায় কৰিবলৈ ১৬৩৭ খ্ৰীঃত ঢাকাৰ নবাবে জয়নুদ্দিন নামৰ সেনাপতি এজনক পঠিয়ায়। মুছলমান সৈন্যই গুৱাহাটী অধিকাৰ কৰি মীৰ নুৰযুল্লাক থানাদাৰ পাতে আৰু কামৰূপত ৰাজহ সম্পৰ্কীয় কিছু সংস্কাৰ সাধন কৰে।

১: সংমিশ্ৰণত অসমীয়া সংস্কৃতি আব্দুছ ছাত্তাৰ : পৃঃ ১২

মইনুদ্দিনৰ অধীনত ১০০০ ঘোঁৰা, ১০০০ বৰ্শাধাৰী সৈন্য ২০০ তকৈ অধিক নাও আছিল।

এই যুদ্ধবোৰতো বহুত মুছলমান সৈন্য বন্দী হৈছিল আৰু তেওঁলোক অসমতে থাকি অসমৰ স্থায়ী বাসিন্দা হৈছিল।

এওঁলোকৰ দলপতিক আৰু তেওঁৰ সংগী কিছুমানক শিলপানী নামৰ ঠাইত থাকিবলৈ অনুমতি দিছিল। দলপতিক ভূমি আৰু লগুৱা-লিকচৌৱো দিয়া হৈছিল যদিও সাধাৰণ সৈন্যসকলক আহোম ৰাজ্যৰ বৰুৱা, ফুকন আৰু অন্যান্য আহোম বিষয়াসকলৰ ঘৰত লিগিবা খাটিবলৈ নিয়া হ'ল। ইতিপূৰ্বে চৈয়দ জয়নাল আবেদিন নামৰ এজন সেনা নায়কে আব্দুছ ছালামক সহায়ৰ উদ্দেশ্য আহি লগ লাগিছিল। আহোমে মুছলমান সৈন্যসকলক এনে নীচ কৰ্মত মোতায়েন কৰাৰ কাৰণে চৈয়দ জয়নাল আবেদিন আৰু তেওঁৰ দলে মৰ্মান্তিক আঘাত পাইছিল। সেয়ে তেওঁলোকে আহোমৰ বশ্যতা স্বীকাৰ নকৰি অৱৰুদ্ধ অঞ্চলৰ পৰা আহোমৰ ৰাজ্যৰ মাজেৰে বাট উলিয়াই যাবলৈ কেইবাবাৰো বিফল চেষ্টা কৰি অৱশেষত মৃত্যুক সাবটি লয়।

হাজোৰ পৰা আহোমে বহু বয়-বস্তু লুট কৰে। সেই লুট কৰা সামগ্ৰীৰ উপৰিও দুই হাজাৰ বন্দুক আৰু সাতশ ঘোঁৰা আছিল। মুছলমানে সজা ইটাৰ ঘৰবোৰ আহোম সৈন্যই ভাঙি ধূলিস্যাৎ কৰে। মুছলমান দলপতিসকলে হাজোত অৱৰুদ্ধ হৈ থকা কালত হেনো সন্ধি কৰিবৰ মানসৰে আহোম ৰজা প্ৰতাপ সিংহই নতুনকৈ সৃষ্টি কৰা উচ্চ পদাধিকাৰী বৰফুকন বা গভৰ্ণৰ লাগি পানিছিয়াৰ যোগেদি আহোম ৰজালৈ ভালেমান মুক্তা আৰু অন্যান্য মূল্যবান সামগ্ৰী পঠাইছিল। বৰফুকনে ইয়াৰ এপদো বস্তু ৰজাক নিদি আত্মসাৎ কৰি থ'লে। উজনি অসমৰ পৰা পঞ্চাচটা তাঁতী পৰিয়ালক নি নিজৰ এলেকাতে ৰাখি থ'লে। এইবোৰ অপৰাধত আহোমৰ প্ৰথম গভৰ্ণৰ বা বৰফুকনক ৰজাই মৃত্যুদণ্ড বিহিছিল। ফলত আহোম ৰাজ্যত এক গৃহকন্দলে দেখা দিছিল। তথাপি প্ৰতাপী আহোম ৰজাই কামৰূপৰ অন্যান্য ঠাইৰ পৰা মুছলমানৰ ছাউনীবোৰ আক্ৰমণ কৰি দখল কৰিবলৈ সমৰ্থ হৈছিল। বিশেষকৈ এই কাৰ্যত কোচ ৰজা পৰীক্ষিত নাৰায়ণৰ পুত্ৰ চন্দ্ৰ নাৰায়ণে আহোমক বিশেষভাৱে সহায় কৰিছিল আৰু আহোমৰ সহায়ত ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰত কৰাইবাৰীৰ হাতছিলাত নিজকে প্ৰতিষ্ঠা কৰিছিল। এওঁ বিজনী ৰাজবংশৰ প্ৰতিষ্ঠাতা আছিল।

এই ঘটনাসমূহৰ আগেয়েই ঢাকাৰ নবাবে ১৫০০ ঘোঁৰা, ৪০০০ বৰ্শাধাৰী, বুজন পৰিমাণৰ খাৰ-বাৰুদ, অস্ত্ৰ-শস্ত্ৰ, শস্য আৰু টকা-পইচাৰে আব্দুছ ছালামক সহায় কৰিবলৈ এজন সুদক্ষ, সেনাপতিক প্ৰেৰণ কৰিবলৈ যো-জা কৰিছিল কিন্তু

ঢাকাত তেওঁৰ উপস্থিতি অপৰিহার্য হোৱাত উপায় নাপাই ভায়েক মিৰ জয়নুদ্দিনক সেইভাৰ দি অসমলৈ প্ৰেৰণ কৰে। জয়নুদ্দিনে ২৫খন কাঠৰ ভূৰেৰে এই বিশাল বাহিনীৰ নেতৃত্ব লৈ ব্ৰহ্মপুত্ৰৰে উজাই আহিছিল। এই যাত্ৰা বৰ দীঘলীয়া আৰু বিৰক্তিকৰ হোৱাৰ কাৰণে যাত্ৰাত কিছু সময় লোৱাত ওপৰত উল্লেখ কৰা ঘটনাসমূহ সংঘটিত হৈছিল। পলমকৈ হ'লেও জয়নুদ্দিনৰ বাহিনী অসমত উপস্থিত হোৱাত মুছলমানৰ আধিপত্য পুনৰ বিস্তাৰ হয় আনকি মুছলমানৰ এই আধিপত্য বিস্তাৰত কোচবিহাৰৰ ৰজা প্ৰেমনাৰায়ণেও সকলো প্ৰকাৰে সহায় কৰে। কোচ ৰজা চন্দ্ৰ নাৰায়ণৰ বিৰুদ্ধে মুছলমান সৈন্য অগ্ৰসৰ হোৱাত ভয়তে তেওঁ পলাই যায়। ৰজা পলাই যোৱাত ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ গোৱালপাৰাৰ আটাইবোৰ জমিদাৰে জয়নুদ্দিনৰ বশ্যতা স্বীকাৰ কৰে। বিজয়ী জয়নুদ্দিনে উত্তৰ পাৰলৈ অগ্ৰসৰ হোৱাত সেই অঞ্চলৰ জমিদাৰসকলেও বিনা বাধাই তেওঁৰ বশ্যতা স্বীকাৰ কৰে।

পশ্চিমাঞ্চলত পৰাজয়ৰ গ্লানি লৈ আহোমে অসম ৰক্ষাৰ্থে কোচ সৈন্যকে ভিতৰ কৰি মুঠতে ১২০০ পদাতিক আৰু অসংখ্য নাও লৈ জয়নুদ্দিনক বাধা দিবলৈ ৰণসজ্জাৰে প্ৰস্তুত হৈ আছিল। আহোম ঘাটি স্থাপন কৰিছিল উত্তৰ পাৰৰ যোগীঘোপাত আৰু দক্ষিণপাৰে হীৰপুতৰ মাজৰ ব্ৰহ্মপুত্ৰত। এইবোৰ যুদ্ধত আহোমৰ পৰাজয় হয়। ইতিমধ্যে নতুনকৈ পদানত কৰা জমিদাৰসকল আৰু পূৰ্বতে ছেদেলি-ভেদেলি হৈ থকা মুছলমান সৈন্যসকল একগোট হৈ জয়নুদ্দিনৰ লগ লগাত তেওঁৰ সৈন্যবল অধিক টনকিয়াল হয়। জয়নুদ্দিনে সৈন্য দলবোৰ ভাগ কৰি দক্ষিণপাৰৰ পৰা আহোমক বিতাৰিত কৰিবৰ কাৰণে চিলেটৰ ফৌজদাৰ মহম্মদ জামানলৈ পাঁচ হাজাৰ সৈন্য পঠিয়ায়। মহম্মদ জামানে অতি সহজে নিজৰ কৰ্তব্য পালন কৰাত এইবাৰ মানসৰ বৰনগৰৰ পৰা ইতিমধ্যে উচ্ছেদিত জমিদাৰ উত্তম-নাৰায়ণক পুনৰ জমিদাৰীত প্ৰতিষ্ঠিত কৰাত সহায় কৰিবলৈ নিৰ্দেশ দিয়ে। মহম্মদ জামান গোমাৰি নদী পাৰ হৈ বৰনগৰলৈ আগবঢ়াত আহোমসকল ভূটান পাহাৰৰ নামনিৰ চোথাৰি নামৰ ঠাইলৈ পলাই যায়। ইয়াৰ পিছত মহম্মদ জামানে বিশেষপুৰত বাহৰ পাতি বাৰিষাকালটোত যুদ্ধৰ সা-সঁজুলিবোৰৰ পুনৰ থানথিত লগায়। আনহাতে আহোমেও ৪০ হাজাৰ সৈন্যৰে মুছলমান ছাউনীৰ মাত্ৰ তিনি মাইল আঁতৰৰ কালাপানীত কোঠ তৈয়াৰ কৰি মুছলমান ছাউনীৰ চাৰিওফালে বাঁহৰ গোজ পুতি মুছলমান সৈন্যৰ বয়-বস্তু সৰবৰাহ কৰাত বাধা দিয়াৰ চেষ্টা কৰিছিল। বাৰিষাৰ অন্তত ১৬৩৭ খ্ৰীঃত ৩১ অক্টোবৰৰ দিনা আহোমে অতৰ্কিতে মহম্মদ জামানৰ ছাউনীত আক্ৰমণ চলায় মুছলমানৰ দুটা কাঠৰ দুৰ্গ অধিকাৰ কৰে। কিন্তু পিছদিনা

ৰাতিপুৱাই জামানে প্ৰতিআক্ৰমণ কৰি আহোমৰ ১৫টা তেন্তে ধৰণৰ দুৰ্গ অধিকাৰ কৰি লয়। বুৰঞ্জীসমূহৰ মতে প্ৰথমতে আহোমক দেখি মুছলমানসকলে পিছ হোঁহকি জখলিখানা, ভবানীপুৰ আৰু ভাতকুছিত বৈ আছিলগৈ। আহোমে কালাপানীত তেওঁলোকক আক্ৰমণ কৰি জখলিখানা আৰু ভবানীপুৰ দুৰ্গ দুটা অধিকাৰ কৰিছিল। কিন্তু মুছলমানসকলে পিছদিনা পুৱাতেই ইয়াক উদ্ধাৰ কৰে। আহোমে এই যুঁজত কেইবাজনো সেনাপতিকে ধৰি মুঠ ৪০০০জন সৈন্য হেৰুৱাইছিল।

তিনি সপ্তাহৰ পিছত মুছলমানসকলে তিনিদিশৰ পৰা আহোমৰ ওপৰত আক্ৰমণ চলাই বৰপৈতা নামৰ ঠাইত তেওঁলোকক শোচনীয়ভাৱে পৰাস্ত কৰিলে। ইফালে মুছলমানে আহোমৰ ৰচদপাতি সৰবৰাহ বন্ধ কৰি দিছিল। অতি শলঠেকত পৰি বহুতো আহোম সৈন্য আৰু মুখীয়াললোক ৰণত পৰিল। সেই সময়ত আহোম স্বৰ্গদেউ প্ৰতাপ সিংহ শ্ৰীঘাটত বাহৰ পাতি আছিল। যুঁজত হাৰি ছেদেলি-ভেদেলি হোৱা বহুতো আহোম সৈন্য স্বগদেউৰ ওচৰ পাইছিলগৈ। বিৰাট সাফল্যৰে এইবাৰ মুছলমান সৈন্য পাণ্ডুলৈ আগ্ৰাসন হ'ল। একভয়ানক হিলৈ যুদ্ধৰ অন্তত তেওঁলোকে আহোমৰ আগিয়াঠুৰিৰ ছাউনী দখল কৰে। শ্ৰীঘাটত হোৱা আন এখন যুঁজতো আহোমৰ পৰাজয় হয়। আহোমৰ প্ৰায় ৫০০ কাঠৰ ভুৰ আৰু ৩০০ বন্দুক বিজয়ীসকলে হস্তগত কৰে। উপায়ান্তৰ হৈ আহোমসকল পলাই কলিয়াবৰ পালেগৈ। তাতে তেওঁলোকে প্ৰধান ঘাটি স্থাপন কৰি ল'লে।

ইয়াৰ পিছত মুছলমানসকলে প্ৰতাপী কোচ ৰজা ধৰ্মনাৰায়ণক যুঁজত হৰুৱায়। তিনিমাহ কাল কোনো যুদ্ধ-বিগ্ৰহ নোহোৱাত মুছলমানসকলে নিজকে থানথিত লগায় আৰু অধিকৃত ঠাইবোৰত কিছুমান অৰ্থনৈতিক উন্নতিৰ বাবে চিন্তা-চৰ্চা কৰে। গুৱাহাটীৰ মিৰ নুৰুল্লাক পুনৰ থানদাৰ পাতি গুৱাহাটীকে তেওঁৰ মুখ্য কাৰ্যালয় স্থাপন কৰি দিয়ে। ১৬৩৮ খ্ৰীঃত মুছলমান সৈন্যৰ এটা দলে কোচবিহাৰত প্ৰেম নাৰায়ণৰ সৈতে লগ লাগি ব্ৰহ্মপুত্ৰৰে উজাই ভৰলীৰ মোহনাত ছাউনী পাতেগৈ। কেইবাখনো যুঁজত জয়-পৰাজয়ৰ সন্মুখীন হৈ তাতে যুদ্ধৰ কাল দীঘলীয়া হোৱাৰ কাৰণে ভাগৰি পৰি আহোমে এখন শান্তি চুক্তি কৰে। সেই চুক্তিমতে ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰৰ বৰনদী আৰু দক্ষিণপাৰৰ অসুৰৰ আলি দুয়ো দলৰ মাজত সীমা নিৰ্দ্ধাৰিত হয়। এই চুক্তিমতে একুৰি বছৰ মুছলমানে অসমভূমিত নিৰ্বিবাদে কটায়। মুছলমানে এই অঞ্চলত প্ৰবৰ্তন কৰা শাসন প্ৰণালীৰ দৃষ্টান্ত আজিও চলি আছে।

বহু যুদ্ধ-বিগ্ৰহৰ স্থল ধনশিৰিপাৰৰ পৰা অতিষ্ঠ হৈ মানুহবোৰ উঠি যোৱাত এই ঠাইখন জনশূন্য হৈ হাবি-বননিৰে ভৰি পৰিছিল। কালক্ৰমত ইয়াত নামবৰ হাবি সৃষ্টি হৈছিল।

স্বৰ্গদেউ প্ৰতাপ সিংহৰ ৰাজত্ব কালত হোৱা যুদ্ধ-বিগ্ৰহসমূহৰ আটাইতকৈ উল্লেখযোগ্য ঘটনা হ'ল— ইতিমধ্যে অসমত প্ৰতিষ্ঠিত মুছলমান সমাজখনৰ কাছিম খাঁ নামৰ এজন দলপতিৰ অধীনত প্ৰায় দহ হাজাৰ মুছলমান খেতিয়ক যুঁজাৰু বা পাইকে আৰু তেওঁলোকৰ দলপতিসকলে আহোম ৰজাৰ হৈ মোগলৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ হৈছিল।[১]

স্বৰ্গদেউ প্ৰতাপ সিংহৰ ৰাজত্ব কালত মোমাই তামুলী বৰবৰুৱাই আপোন-পৰ, বৰ্ণ-বৈষম্য দূৰীকৰণ কৰি অসমৰ জনসাধাৰণৰ মাজত সাৰ্বজনীনতা সৃষ্টি কৰাৰ কাৰণে অসমৰ গাঁওসমূহ নতুনকৈ সংগঠন কৰিছিল। দুঘৰ মৰীয়া আৰু দুঘৰ গৰীয়াকো অসমীয়া আন আন সম্প্ৰদায়ৰ লোকসকলক একেলগে ঠাই দিয়াৰ লগতে এওঁলোককো যে আনি বহুৱাইছিল তাৰ কথা দেওধাই অসম বুৰঞ্জীত উল্লেখ আছে। গতিকে অসমীয়া সমাজত উল্লিখিত এই সকলো সম্প্ৰদায়েই অপৰিহাৰ্য আছিল।

"ব্ৰাহ্মণ ২ ঘৰ, গণক ২ ঘৰ, কাথৰ ২ ঘৰ, কলিতাৰ ২ ঘৰ, কেওঁটৰ ২ ঘৰ, কোচ ২ ঘৰ, চুতীয়া ২ ঘৰ, বুৰুক ২ ঘৰ, বৰীয়া ২ ঘৰ, অহম ২ ঘৰ, গৰীয়া ২ ঘৰ, মৰীয়া ২ ঘৰ, ডোম ২ ঘৰ, হাৰি ২ ঘৰ— এই ক্ৰমে পাতিলে।'

মোমাই তামুলী বৰবৰুৱা আছিল লাচিত বৰফুকনৰ দেউতাক। তেওঁৰ প্ৰকৃত নাম মেমাই নেচাং। এই প্ৰথাৰে গাঁওবোৰ নতুনকৈ সংগঠন কৰি অসমক ধৰ্মনিৰপেক্ষ কৰা কাৰ্য সঁচাকৈয়ে অতুলনীয়।[২] ই সাৰ্বজনীনতাৰ এক জ্বলন্ত নিদৰ্শন।

এই দায়িত্ব সুচাৰুৰূপে পালন কৰি মোমাই তামুলী বৰবৰুৱাই এক নতুন ইতিহাস সৃষ্টি কৰিছিল। অসমীয়া বিষয়াসকলৰ কৰ্তব্য, কাৰ্যপন্থা নিৰূপণ কৰি মোগলৰ মনচবদাৰী প্ৰথানুযায়ী অসমতো বৰা, শইকীয়া, হাজৰিকা, বৰুৱা, ৰাজখোৱা, ফুকন আদি বিষয়াৰ সৃষ্টি কৰিছিল।[৩]

১৬৪৮ খ্ৰীঃত জয়ধ্বজ সিংহ মহা উলাহ-মালহৰে আহোম ৰাজপাটত বহিছিল। তেওঁক অভিনন্দন জনাই গুৱাহাটীৰ মুছলমান গভৰ্ণৰ মিৰ নুৰুল্লাই উপহাৰৰ টোপোলা পঠাইছিল।

জয়ধ্বজ সিংহই সগৌৰৱে ৰাজত্ব কৰি থকাৰ সময়ত ১৬৫৮ খ্ৰীঃত মোগল সম্ৰাট চাহ জাহানৰ নৰিয়াৰ বাতৰি পাই কোচবিহাৰৰ শাসনকৰ্তা প্ৰেমনাৰায়ণে যিজনে মোগলৰ পদলেহনকাৰী হিচাপে থাকি আহোমৰ বিপক্ষে যুদ্ধত অৱতীৰ্ণ হৈছিল

---

১ : অসম বুৰঞ্জী : চাৰ এড্‌চবাৰ্ড গেইট : পৃঃ ১০০-১০৩
২ : সংমিশ্ৰণত অসমীয়া সংস্কৃতি : আব্দুছ ছাত্তাৰ : পৃঃ ৬৯
৩ : বুৰঞ্জী প্ৰবাহ : মৃদুপৱন গোস্বামী : পৃঃ ৬৯

সেইজন প্ৰেমনাৰায়ণে চেগ বুজি মুছলমানৰ অধীনতা দলিয়াই গোৱালপাৰাৰ ফালে আক্ৰমণ চলায়। সেই আক্ৰমণত মুছলমান ফৌজাদাৰ ঢাকালৈ পলাই যায়। ফলত আহোমে প্ৰেমনাৰায়ণৰ সহায়ত সহজে গুৱাহাটী হস্তগত কৰে। তেতিয়া বংগৰ চুবেদাৰ আছিল মীৰজুমলা। তেওঁ প্ৰথমতে গুৱাহাটী দখল কৰিবলৈ সেনাপতি ৰচিদ খাঁক পঠায়। ৰচিদ খাঁৰ বিপুল সমৰসজ্জাৰে আগমনৰ বাৰ্তা পাই আহোম সেনা কোঠ এৰি পলাল। তেনে সময়তে মীৰজুমলায়ো নিজে অসম অভিযানৰ পাতনি মেলি হেলাৰঙে কোচবিহাৰ জয় কৰি ৰচিদ খাঁৰ লগ লাগেহি। ১৬৬২ খ্ৰীঃৰ ৪ ফেব্ৰুৱাৰী তাৰিখে মীৰজুমলাই গুৱাহাটী দখল কৰে। গুৱাহাটীত তিনিদিন থাকি মীৰজুলাই বাৰ হাজাৰ অশ্বাৰোহী আৰু ত্ৰিশ হাজাৰ পদাতিক সৈন্য লৈ আহোমৰ ৰাজধানী গড়গাঁৱলৈ যাত্ৰা কৰিলে। অশ্বাৰোহী বা পদাতিক সৈন্যৰ বাহিৰেও তেওঁৰ লগত নৌ সেনাৰ ভালেমান ডাঙৰ জাহাজ বা ঘৰাব আছিল। একোখন ঘৰাবত প্ৰায় ১৪টা বন্দুক আৰু ৫০/৬০ জনকৈ লোক গৈছিল। প্ৰত্যেকখন ঘৰাবৰ লগত ৪খনকৈ কোষ বা বৰ্শা মৰা নাও আছিল। মীৰজুমলাৰ বাহিনীত এনে ধৰণৰ ৩/৪ খন ঘৰাব আছিল।

ইতিমধ্যে দৰঙী ৰজাই মোগলৰ বশ্যতা স্বীকাৰ কৰিছিল। বশ্যতা স্বীকাৰ কৰা দৰঙী ৰজাজনৰ নাম আছিল সূৰ্যনাৰায়ণ। মীৰজুমলাই সসৈন্যে ব্ৰহ্মপুত্ৰ পাৰ হৈ দক্ষিণ পাৰ পোৱাত ডিমৰুৱা ৰজায়ো তেওঁৰ বশ্যতা স্বীকাৰ কৰে। আহোমৰ দুৰ্ভেদ্য শিমলাগড় পতন হোৱাত মীৰজুমলাই কলিয়াবৰত এজন মুছলমান কৰ্মচাৰীক তাৰ ফৌজাদাৰ নিযুক্তি দিয়ে। লগতে শান্তি-শৃংখলাৰ কাৰণে তাত মোতায়েন কৰি থৈ যোৱা মুছলমান সৈন্যসকলক কঢ়া নিৰ্দেশ দিছিল, যাতে সিহঁতে অসমীয়া প্ৰজাৰ ওপৰত লুটপাত আৰু কোনো ধৰণৰ অত্যাচাৰ নকৰে। সেনাপতিৰ নিৰ্দেশৰ ফলত মুছলমান সৈন্যসকলে স্থানীয় গএগ্ৰালোকক একো হাৰাশাস্তি কৰা নাছিল যাৰ ফলত স্থানীয় গএঁগ্ৰালোকে মুকলিমূৰীয়াকৈ চলাফুৰা কৰিব পাৰিছিল। মুছলমান সৈন্যসকলেও স্থানীয় হিন্দু মানুহৰ লগত ভাব বিনিময় কৰাৰ সুবিধা পাইছিল। অসমীয়া মানুহৰ আতিথ্যত তেওঁলোক আপ্লুত হৈছিল লগতে অসমৰ মোহনীয় প্ৰাকৃতিক সৌন্দৰ্যত দেহ-মন হিয়াৰে বান্ধ খাই পৰিছিল।

কলিয়াবৰত তিনিদিন থাকি মীৰজুমলাই আকৌ যাত্ৰাৰম্ভ কৰিলে। মীৰজুমলাৰ এনে প্ৰচণ্ড অগ্ৰগতিত ৰজা জয়ধ্বজ সিংহ ৰাজধানী গড়গাঁও এৰি প্ৰথমতে চৰাইদেউলৈ তাৰ পিছত তৰাই নামৰ ঠাইলৈ পলাই গ'ল। পলাই যোৱাৰ কাৰণে পাছত তেওঁ আখ্যা পাইছিল পলৰীয়া ৰজা। ১৬৬২ খ্ৰীঃৰ ১৭ মাৰ্চত

মীৰজুমলাই হেলাৰঙে গড়গাঁৱত প্ৰৱেশ কৰি বিনাবাধাই ৰাজ হাউলীৰ অন্তঃপুৰত অৱতীৰ্ণ হয়। এই বিজয়ৰ ফলস্বৰূপে আহোমৰ ৬৭৫টা বৰতোপ, ৯০০০টা তোপ, বহুসংখ্যক বন্দুক, খাৰ-বাৰুদ, লোৰ বৰ্ম আৰু এক হাজাৰতকৈয়ো অধিক যুদ্ধ জাহাজ, মুছলমানৰ হাতলৈ আহে। বৰতোপসমূহৰ একোটাৰ ওজন ২০০ পাউণ্ডতকৈ অধিক আছিল। হস্তগত কৰা একোখন যুদ্ধ জাহাজত ৬০ৰ পৰা ৮০ জনকৈ নাবিক আছিল।

বুৰঞ্জীবিদ হিতেশ্বৰ বৰবৰুৱাই "আহোম জাতি" নামৰ প্ৰবন্ধত লিখিছে — "জয়ধ্বজ সিংহৰ ৰাজত্ব কালত ঔৰংগজেৱৰ প্ৰধান সেনাপতি মীৰজুমলাই এইদেশ আক্ৰমণ কৰি উলটি যাওঁতে ৬৭৫টা বৰতোপ লৈ গৈছিল। হিলৈবোৰৰ নলী মিনা কৰোৱা আছিল। তাৰ ভিতৰত আটাইতকৈ ডাঙৰ বৰতোপটোৰ গুলী তিনিমোন ওজন আছিল।"

মীৰজুমলা গড়গাঁৱত প্ৰায় এঘাৰ মাহ আছিল। তাতে তেওঁ দিল্লীৰ সম্ৰাটৰ নামত মোহৰ মৰায়। এই সমছোৱাত মুছলমান সেনাই অসমৰ গাঁৱে-ভূঞে সোমাই বহুতে নিগাজীকৈ থাকিবলৈ লৈছিল। স্থানীয় অসমীয়া অধিবাসীসকলেও এই নতুন শাসকসকলক বিনাদ্বিধাই মানি লৈছিল। নতুন নবাব মীৰজুমলাই বাৰিষা কালটো লখাওত কটাবলৈ মন কৰিছিল। কিন্তু তিনিদিন ধাৰাষাৰে বৰষুণ হোৱাৰ ফলত বানপানীৰ আগজাননী পাই সিদ্ধান্ত সলনি কৰি গড়গাঁৱৰ সাত মাইল দক্ষিণ-পূবে অৱস্থিত ওখ ঠাই মথুৰাপুৰত থকাটোহে পছন্দ কৰিলে। এদল সৈন্যৰে সৈতে মীৰমুৰ্তাজাক গড়গাঁৱত থৈ তেওঁ মথুৰাপুৰলৈ যায়। এই সময়খিনিৰ ভিতৰত মীৰজুমলাই ভালেমান সেনা চকী নিৰ্মাণ কৰে। গড়গাঁৱৰ উত্তৰে ৰামদাং আৰু ত্ৰিমোহিনী, পশ্চিমে লখাওলৈ যোৱাৰ পথত গজপুৰ আৰু ডেৱালগাঁও, দক্ষিণে তিৰু পাহাৰৰ তলত দাসপানী আৰু শিলপানী, পূবে নামৰূপৰ পৰা গড়গাঁৱলৈ যোৱাৰ পথত গড়গাঁৱৰ পৰা ১৬ মাইল আঁতৰত অভয়াপুৰত এনে নতুন চকী স্থাপন কৰে। অযোধ্যাৰ পৰা অহা এদল শক্তিশালী সৈন্যবাহিনীক দিহিং নৈৰ পাৰত পহৰা দিবলৈ নিযুক্তি দিয়ে। লখাওৰ পৰা পশ্চিমলৈ ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে গুৱাহাটীলৈকে আৰু বহুতো চকী স্থাপন কৰে।[১]

কিন্তু ঘোৰ বাৰিষা আৰম্ভ হোৱাত মীৰজুমলাৰ সৈন্য বাহিনীৰ খাদ্যাভাৱে দেখা দিলে। তাতে আক্ৰান্ত কৰিলে বেছিভাগ সৈন্যক গ্ৰহণী বেমাৰে। সিফালে স্বৰ্গদেউ জয়ধ্বজ সিংহও বাৰে বাৰে যুদ্ধত হাৰি অস্থিৰ হৈছিল। তেওঁ মীৰজুমলালৈ সন্ধিৰ

১ : অসমবুৰঞ্জী ঃ গেইট ঃ পৃঃ ১২০-১২১

প্ৰস্তাব আগবঢ়ালে। মীৰজুমলাই সৈন্যসকলৰ মনোভাব বুজি সন্ধি কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে— ১৬৬৩ খ্ৰীঃৰ ৯ জানুৱাৰীত। সেই সন্ধিৰ চৰ্তমতে জয়ধ্বজ সিংহই—

(১) তেওঁৰ জীয়েকক মোগল হেৰেমলৈ পঠিয়াব।

(২) চুক্তিৰ লগে লগে ২০ হাজাৰ তোলা সোণ, ইয়াৰ ছগুণ পৰিমানৰ ৰূপ আৰু ৪০টা হাতী দিব। (গেইটৰ মতে ৬০টা হাতী)।

(৩) বাৰ মাহৰ ভিতৰতে তিনি হাজাৰ তোলা ৰূপ আৰু ৯০টা হাতী দিব।

(৪) তৃতীয় চৰ্ত পূৰণ নোহোৱালৈকে আহোমৰ প্ৰধান বিষয়াসকলৰ ছজন কোঁৱৰক মোগল দৰবাৰত জামিন ৰাখিব।

(৫) বছৰি ২০টা হাতী যোগান ধৰিব।

(৬) ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ভৰলী নৈ আৰু দক্ষিণ পাৰে কলং নৈৰ পশ্চিমাঞ্চল দিল্লীৰ মোগল সম্ৰাটক চমজাই দিব।

(৭) সকলো যুদ্ধবন্দী আৰু বাদুলি ফুকনৰ পৰিয়ালক মুকলি কৰি দিব।[১]

আহোম বিষয়া বাদুলি ফুকনে বিশ্বাসঘাটকতা কৰি মীৰজুমলাৰ সৈন্যবাহিনীত যোগ দিয়াৰ অপৰাধত আহোম ৰজাই পৰিয়াল সমন্বিতে বন্দী কৰি থৈছিল।

১নং সন্ধিৰ চৰ্তমতে জয়ধ্বজ সিংহই তেওঁৰ নুমলীয়া ৰাণী পাখৰী গাভৰুৰ জীয়েক ৰমণী গাভৰুক মোগলৰ হেৰেমলৈ পঠায়। সেই ৰমণী গাভৰু সময়ত ৰহমৎ বাণু বেগম নাম লৈ দিল্লীৰ সম্ৰাট ঔৰংগজেৱৰ তৃতীয় পুত্ৰ চুলতান মহম্মদ আজম তৰাৰ স্ত্ৰী হৈ ঢাকাত আছিল। ৰমণী গাভৰুৰ মাক পাখৰী গাভৰু মোমাই তামুলী বৰবৰুৱাৰ জীয়েক আছিল। আহোম মতে ৰমণী গাভৰুৰ নাম আছিল লাংচিং গাভৰু।

সন্ধি হোৱাৰ পিছত ১৬৬৩ খ্ৰীঃৰ ৯ জানুৱাৰীত মীৰজুমলাই ঢাকালৈ প্ৰত্যাৱৰ্তন কৰে। কিন্তু যাত্ৰাৰ পথত তেওঁ গুৱাহাটীত জিৰণি লয়। তাতে তেওঁৰ তীৰ কঁপে জ্বৰ উঠে। ততাতৈয়াকৈ তেওঁক ঢাকালৈ নিয়াৰ ব্যৱস্থা কৰে গুৱাহাটীৰ শাসনকৰ্তা ৰচিদ খাঁই। কিন্তু ঢাকা নাপালেগৈ। ১৬৬৩ খ্ৰীঃৰ ৩০ মাৰ্চত তেওঁ আদবাটতে শেষ নিশ্বাস ত্যাগ কৰে। ধুবুৰীৰ মানকাছাৰত তেওঁৰ কবৰ আজিও জিলিকি আছে।

মীৰজুমলাৰ অসম অভিযানৰ পিছতো অসমৰ সামাজিক জীৱনৰ বহুল পৰিৱৰ্তন হৈছিল। এই সময়তে সাতঘৰ নবাবে অসমত থিতাপি লয় বুলি জনা যায়। এই সাতঘৰ নবাবৰ ঘৰৰ ভিতৰত নবাব আমানত উল্লাহ 'ফুকনৰ ঘৰৰ খেল'

১: বুৰঞ্জী প্ৰবাহ মৃঃ পঃ গোঃ পৃষ্ঠা ৭৬

নামে জনাজাত আছিল। এই ফুকনৰ ঘৰৰ খেলৰ নবাব আমানত উল্লাহলৈ স্বৰ্গদেউ পুৰন্দৰ সিংহই এজনী আহোম ছোৱালী উপহাৰ দিছিল। সেই আহোম কন্যাৰ জীয়ৰীকে সাতাৰনৰ বিদ্ৰোহী বাহাদুৰ গাঁওবুঢ়াই বিয়া কৰাইছিল।

মুছলমান সৈন্যদল উভতি যোৱাৰ পথত বেমাৰত আক্ৰান্ত হৈ সমগ্ৰ অসমৰ গাঁৱে-ভূঞে সোমাই পৰিছিল। অসমীয়া মানুহৰ আলহী সোধা প্ৰথাত মুগ্ধ হৈ সেই সৈনিকসকল আৰু সৈন্য হৈ থকা নাছিল। হিয়াৰ মৰমত বন্দী হৈ অসমৰ অসমীয়া হৈ পৰিছিল চিৰদিনলৈ। গঢ়ি উঠিছিল হিন্দু-মুছলমানৰ এখন বৃহৎ সমাজ।

মীৰজুমলাৰ লগত অহা বুৰঞ্জীবিদ চাহাবুদ্দিন তালিশে লিখিছিল—

"As for the Mussalmans who had been taken prisoner, in formar times had chosen to marry there, their descendants are exactly in the manner of Assamese and have nothing of Islam except the name; their hearts are inclined far more towards mingling with the Assamese than towards association with Mulims."[১]

(By Sahabuddin Talishi)

এবাৰ বংগৰ চুলতান হুছেইন শ্বাহে ২০,০০০ জন পদাতিক, অশ্বাৰোহী আৰু অসংখ্য নাও লৈ অসম অভিযানলৈ অহাত ৰজা পলাই গৈ পাহাৰত লুকাই আছিল। তাকে দেখি হুছেইন শ্বাহে পুতেকক সৈন্যবোৰৰে থৈ বংগলৈ উভতি যায়। কিন্তু মুছলমান সৈন্যদলটো খাদ্যাভাবত পৰাত নিশকতীয়া হৈ পৰিছিল। সেই দুৰ্ভগীয়া সৈন্য কিছুমান স্থানীয় লোকৰ হাতত মৃত্যু হৈছিল আৰু কিছুমান বন্দী হৈছিল। এওঁলোক পিছলৈ অসমতে বৈ গৈছিল। বৰ্তমানৰ বহুবোৰ স্থানীয় মুছলমান এওঁলোকৰেই বংশধৰ বুলি কোৱা হয়।[২]

যুদ্ধবন্দীসকলৰ যিবিলাক অসমত থাকি গ'ল কালক্ৰমত তেওঁলোকে স্থানীয় তিৰোতা বিয়া-বাৰু কৰাই অসমীয়াৰ লগত মিলি গ'ল। তেওঁলোক নামতহে মুছলমান হৈ থাকিল। তেওঁলোকৰ বংশধৰসকল মুছলমানতকৈ অসমীয়াৰ প্ৰতিহে আকৃষ্ট হোৱা দেখা গৈছিল। ইছলামীয় ৰাজ্যৰ পৰা অহাৰ কাৰণে মুছলমান সকলে নিজৰ প্ৰাৰ্থনা কৰিছিল আৰু ব্ৰত (ৰোজা) ৰাখিছিল। কিন্তু তেওঁলোকক আজান দিবলৈ দিয়া নহৈছিল।[৩]

১: সংমিশ্ৰণত অসমীয়া সংস্কৃতি ঃ আঃ ছাঃ পৃঃ ১৩
২: অসম বুৰঞ্জী ঃ গেইট ঃ পৃঃ ১২৬
৩: অসম বুৰঞ্জী- গেইট ঃ পৃঃ ১৩০

এই সম্বন্ধে The Indian Heritage পুথিত Prof. Humayun Kabirয়েও লিখিছে— "In discussing the Muslim rulers of India, we must remember that the Muslims came in succeding waves. They are in most cases armies of fighting men who did not bring their woman with them and took local wives."[১]

মীৰজুমলাৰ লগত অহা বহু সৈন্য তেওঁলোকৰ দেশলৈ ঘূৰি নগৈ গড়গাঁৱৰ আগে-পিছে থাকি গ'ল। বহুতে শিৱসাগৰতে থাকিবলৈ ল'লে। (আহোমৰ দিন পৃঃ ১৪৮) Sir W. W. Hunterয়েও মীৰজুমলাৰ লগত অহা বহু সৈন্য শিৱসাগৰত থাকি যোৱা বুলি কৈছে। এইসকল লোক বৈৱাহিক সূত্ৰে পিছলৈ স্থানীয় লোকৰ লগত মিলি গৈছিল। মুছলমান সৈন্য বাহিনীৰ লগত অহা নবাব পৰিয়ালৰো কিছু লোক অসমত থাকি গৈছিল আৰু আহোম স্বৰ্গদেউসকলেও ৰজা দিনীয়া বিষয়াসকলৰ খিতাপৰ তালিকাত "নবাব" খিতাপোভুক্ত কৰিছিল। শিৱসাগৰ নগৰৰ ধাই আলিত এওঁলোকৰ কেইটামান পৰিয়াল আছে।[২]

১৬৬৭ খ্ৰীঃত গুৱাহাটীৰ থানাদাৰ ফিৰোজ খাঁই আহোমে বাকী থকা কৰসমূহ অনতিপলমে দিবলৈ এখন চৰম-পত্ৰ লিখিছিল। ইতিমধ্যে পূৰ্বৰ গুৱাহাটীৰ থানাদাৰ ৰছিদ খাঁক বংগলৈ ঘূৰাই নি তেওঁৰ ঠাইত দিল্লীৰ সম্ৰাটে ফিৰোজ খাঁক নিযুক্তি দিছিল। সেই সময়ত আহোমৰ সিংহাসনত আছিল স্বৰ্গদেউ চক্ৰধ্বজ সিংহ। কৰ শোধ কৰাৰ পৰিবৰ্তে তেওঁ মোগলৰ হাতৰ পৰা গুৱাহাটী দখল কৰাৰ পৰিকল্পনা কৰি লাচিত বৰফুকনক বৰ সেনাপতি পাতি গুৱাহাটী অভিমুখে পঠালে ১৬৬৭ খ্ৰীঃৰ ২০ আগষ্ট তাৰিখে। লাচিত বৰফুকনৰ নেতৃত্বত আহোমে মাত্ৰ দুমাহৰ ভিতৰতে গুৱাহাটী দখল কৰে। কামৰূপৰ মণিকেশ্বৰ দেৱালয়ৰ ওচৰত পোৱা কাণাইবৰশী শিলালিপি মতে ১৫৮৯ শকত (১৬৬৭ খ্ৰীঃ) "ছানা আৰু চৈয়দ ফিৰোজক যুঁজত ঘটুৱাই" আহোমে সেই ঠাইত এটা দুৰ্গ সাজিছিল। শিলঘাটত পোৱা এটা বৰতোপত সংস্কৃত ভাষাত এইদৰে লিখা আছে "ৰজা চক্ৰধ্বজ সিংহই মুছলমানক পুনৰবাৰ ১৫৮৯ শকৰ যুঁজত ঘটুৱাই এই বৰতোপটো অধিকাৰ কৰি শত্ৰু নিধনৰ গৌৰৱ অৰ্জন কৰিছিল।" এটা বৰতোপৰ গাত পাৰ্চী ভাষাত লিখা তথ্য মতে ১০৭৪ হিজৰিত (১৬৬৩ খ্ৰীঃ) অসম বিজয়ৰ বাবে চৈয়দ আহমদ আল হুছেইনক এই বৰতোপটো প্ৰদান কৰা হৈছিল।"[৩]

১: সংমিশ্ৰণত অসমীয়া সংস্কৃতি : আঃ ছাঃ পৃঃ ২

২: ৰংপুৰ : অসম সাহিত্য সভা : ৫৯ তম্ শিৱসাগৰ অধিবেশন : পৃঃ ১৯৪

৩: অসম বুৰঞ্জীঃ গেইট : পৃঃ ১৩৪

গুৱাহাটী পতনৰ বাতৰি পাই দিল্লীৰ সম্রাট ঔৰংগজেৱে ততাতৈয়াকৈ অম্বৰাধিপতি ৰজা ৰাম সিংহক অসম অভিযানলৈ পঠিয়ালে। তেওঁৰ লগত গুৱাহাটীৰ ভূতপূৰ্ব থানাদাৰ ৰছিদ খাঁও আছিল। মোগল বাহিনীত ৰাজপুত সৈন্যও আছিল। ৰামসিংহই পাটনাৰ পৰা শিক্ষাগুৰু টেগ বাহাদুৰকো অসম অভিযানত লগত লৈ আহিছিল। ১৬৬১ খ্ৰীঃৰ পৰা ১৬৭০ খ্ৰীঃলৈ আহোম-মোগলৰ ছেগাচোৰোকাকৈ যুদ্ধ চলি থকা অৱস্থাতে আহোম স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ ১৬৭০ খ্ৰীঃৰ এপ্ৰিল মাহত মৃত্যু হয়। তেওঁৰ মৃত্যুৰ পিছত ভায়েক উদয়াদিত্য আহোম সিংহাসনত বহে।

১৬৭১ খ্ৰীঃত শৰাইঘাটত আহোম আৰু মোগলৰ মাজত বিখ্যাত যুদ্ধখন হৈছিল। এই যুদ্ধখন ইতিহাস প্ৰসিদ্ধ হলেও দৰাচলতে ফলাফল দ্বিধামস্তক হৈয়েই ৰ'ল। যুদ্ধৰ আটাইতকৈ সংকটাপন্ন দিনটোত যুদ্ধখনৰ বীৰ সেনাপতি লাচিত বৰফুকন নৰীয়া পাটিত। কিন্তু আহোম সৈন্যৰ শোচনীয় অৱস্থা দেখি লাচিত বৰফুকনে নৰীয়া পাটিৰ পৰা উঠি নদাই খৰঙী নামৰ এজন বৰুৱাৰ কান্ধত ধৰি হাতত ভৰদি নাৱত উঠিছিলহি। এই কাৰ্যত সহায় কৰিছিল লাচিতৰ গাৰখীয়া লাইদন খাঁ ভকুৱা, গেঠুৱা আৰু গাঠুৱা নামৰ তিনিজন বিশ্বস্ত কৰ্মচাৰীয়ে। এওঁলোক তিনিজনেই আছিল লাচিতৰ অতি বিশ্বস্ত লোক।[১] লাচিত বৰফুকনৰ পালি সেনাপতি আছিল বাঘ হাজৰিকা। এওঁৰ প্ৰকৃত নাম আছিল ইছমাইল চিদ্দিকী। ৰাম সিংহই অসম আক্ৰমণ কৰিবলৈ অহাৰ সময়ত এইজন লোকে খালী হাতেৰে এটা বাঘ কিলাই মৰাত তেওঁৰ নাম হৈছিল বাঘ হাজৰিকা। এওঁ আছিল প্ৰকৃততে চমুৱা হাজৰিকা। অসম বুৰঞ্জীত এওঁক গড়গঞা সেনাপতি নামেৰেও জনা যায়। এওঁ শৰাইঘাটৰ যুদ্ধত মোগলৰ বিপক্ষে গড়গঞা পালি সেনাপতি ৰূপে অসমীয়া সেনাৰ যুদ্ধ পৰিচালনা কৰিছিল। বৰ সেনাপতি লাচিতৰ অসুস্থতাৰ কাৰণে ক'বলৈ গ'লে ইছমাইল ছিদ্দিকীয়েই যুদ্ধ পৰিচালনাৰ গুৰুদায়িত্ব বহন কৰিছিল। ডঃ সূৰ্য কুমাৰ ভূঞাৰ Annals of Delhi Badshadate নামৰ বুৰঞ্জী গ্ৰন্থত লিখিছে— "This story is based on the story of Mahammadan Commander 'Bagh Hazarika' whose military genius was partly responsible for the success of Lachit Barphukan operation against Ram Singh."

এই বাঘ হাজৰিকাৰ বংশতে তেওঁৰ পৰা নৱম পুৰুষত জ্ঞানমালিনীৰ কবি মফিজুদ্দিন আহমদ হাজৰিকাৰ জন্ম হয়।[২] এইবাঘ হাজৰিকাৰ বংশধৰ বৰ্তমানৰ

১: দৈনিক জনসাধাৰণ ঃ ২০০৬ চন ঃ এপ্ৰিল মাহ

২: প্ৰসংগ- কোষ ঃ আব্দুছ ছাত্তাৰ ঃ পৃঃ ২২০

লখিমপুৰ, নগাঁও, শিবসাগৰ জিলাত বৰ্তমানেও আছে আৰু তেওঁলোকে বংশানুক্ৰমিক হাজৰিকা উপাধি ব্যৱহাৰ কৰি আহিছে। লখিমপুৰৰ বিখ্যাত আইনবিদ ইউনুচ আলী হাজৰিকা এই বংশৰে লোক বুলি পৰিয়ালৰ সূত্ৰই কয়। সেইদৰে ৰাজ প্ৰদত্ত 'বৰুৱা' খিতাপ লখিমপুৰৰ মুছলমানেও ভোগ কৰিছিল। উবেইদুল লতিফ বৰুৱা সেই বংশৰে লোক আছিল। আহোম স্বৰ্গদেউসকলে লক্ষীমপুৰ জিলাৰ আঢ্যৱন্ত লোকক হাজৰিকা, বৰা, বৰুৱা আদি উচ্চ খিতাপ দিয়াৰ উপৰিও অন্য এটা সূত্ৰমতে আহোম ৰাজ্যৰ পৰা সকলো সম্প্ৰদায়ৰ অপৰাধী নতুবা নীচ মনোবৃত্তিৰ মানুহক শাস্তিৰ বিধানস্বৰূপে ব্ৰহ্মপুত্ৰ নদ পাৰ কৰি তেতিয়াৰ অবিভক্ত লক্ষীমপুৰ জিলাৰ হাবিতলীয়া বা আওহতীয়া অঞ্চলসমূহত কলীয়া পানীত দিছিল। সেইসকলৰ ভিতৰত বহুতো মুছলমান লোকো আছিল। সেইসকলে পূৰ্বৰ গাঁৱৰ নামানুসৰি জিলাখনৰ ভিতৰুৱা অঞ্চলত একোখন গাঁও গঢ়ি তুলিছিল। (কামালুদ্দিন আহমেদ, পৰিদৰ্শক, পৰিসংখ্যা বিভাগ, তেজপুৰ।)

আলমগীৰ নামাৰ মতে ৰামসিংহ অসমত ১৬৬৭ খ্ৰীঃৰ পৰা ১৬৮৫ খ্ৰীঃলৈ আছিল। তেওঁৰ প্ৰধান ঘাটি আছিল ৰঙামাটি।[১]

যুদ্ধৰ ফলাফল কি হ'ল প্ৰায় উত্তৰ নাই। কিন্তু পৰিণতি বৰ দুখজনক। বিবাদ শাম কটাৰ পিছত মোগলৰ প্ৰতি সহানুভূতিশীল বুলি সন্দেহ কৰা সকলোবোৰ লোকেক নামৰূপলৈ ধৰি নি বিচাৰ চলোৱা হ'ল। এই বিচাৰাধীনসকলৰ ভিতৰত চক্ৰপাণি নামৰ এজন পূজাৰীও আছিল। কিন্তু তেওঁ দৈৱপ্ৰকাৰে ৰাজ্যৰ সীমা পাৰ হৈ পলাই গ'ল। পিছত চক্ৰপাণিৰ পাণ্ডিত্য আৰু ধৰ্মজ্ঞানৰ কথা শুনি ক্ষমাদানৰ প্ৰতিশ্ৰুতিৰে ৰজাই তেওঁক মতাই আনি ছামগুৰিত ভূমিদানেৰে সংস্থাপন কৰি ৰাজগুৰু আসনত বহুৱাই বিষয়া আৰু প্ৰজা সমন্বিতে সকলোকে তেওঁক গুৰু মানিবলৈ নিৰ্দেশ দিছিল। তাতে অপমান বোধ কৰি ডা-ডাঙৰীয়াসকলে ৰজাৰ ভায়েকৰ সৈতে স্বৰ্গদেউ উদয়াদিত্যৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰি বন্দী কৰিলে। বৰবৰুৱাকে আদি কৰি যিসকল ডাঙৰীয়াই সেই ষড়যন্ত্ৰত সমৰ্থন নকৰিলে তেওঁলোকক হত্যা কৰা হ'ল। ইয়াৰ পিছদিনা উদয়াদিত্যক চৰাইদেউ পৰ্বতলৈ নি বিহ দি মৰা হ'ল। তেওঁৰ ৰাণী তিনিজনীকো মৃত্যুদণ্ড দিয়া হৈছিল। যিজন দুৰ্ভগীয়া পূজাৰীৰ বাবে এই বিদ্ৰোহ হৈছিল সেইজন পূজাৰী চক্ৰপাণিক শূলত দি হত্যা কৰি এখন ভূৰত মৰাশটো দিখৌ নদীত উটাই দিয়া হৈছিল। এই সমুদায় ঘটনা ঘটিছিল ১৬৭৩ খ্ৰীঃত।[২]

১: অসম বুৰঞ্জী : টোকা : গেইট : পৃঃ ১৩৬

২: অসম বুৰঞ্জী : টোকা : গেইট : পৃঃ ১৪৩

শৰাইঘাটৰ যুদ্ধখনক মুছলমান আৰু আহোমৰ যুদ্ধ বুলি কোৱাৰ যুক্তি নাই। মোগল বাহিনীৰ স্বয়ং সেনাপতি আছিল হিন্দু ৰামসিংহ। সৈন্যবাহিনীত আছিল মোগলৰ লগতে ৰাজপুত আৰু শিখ সৈন্য। ৰামসিংহ আহিছিল দিল্লীৰ সম্রাট ঔৰংগজেবৰ নিৰ্দেশত। সেইদৰে আহোমৰ সৈন্যদলত আছিল মুছলমান, আহোম, কোচ আদিৰে সন্মিলিত বাহিনী। দৰঙৰ পৰা গৈ কোচৰ সৈন্যই যুদ্ধত সহায় কৰিছিল। কোচৰ দলটোত বহুতো মুছলমান সৈনিকো আছিল। পুৰস্কাৰ স্বৰূপে বলিতনাৰায়ণৰ নাতি চন্দ্ৰনাৰায়ণক দৰঙৰ সামন্ত ৰজা পতা হৈছিল। সেইদৰে দক্ষিণপাৰে সামন্ত ৰজা পতা হৈছিল বেলতলাত গন্ধৰ্বনাৰায়ণক। গতিকে যুদ্ধখন হৈছিল প্ৰকৃততে দিল্লীৰ সম্রাট আৰু অসমীয়াৰ মাজত।

দেশপ্ৰেমত আপ্লুত হৈ অসমীয়া মুছলমানসকলে খামুচি ধৰা দেশৰ সপক্ষে আহোম ৰাজত্বৰ সৈন্য পৰিচালনাত আগভাগ ল'বলৈ সুবিধা পাইছিল। "গুৰুত্বপূৰ্ণ সামৰিক পৰিচালনাসমূহ আহোমসকলৰ দ্বাৰা মুছলমানক দিয়া হৈছিল; কাৰণ, তেওঁলোকে বসবাস কৰিবলৈ লোৱা "দেশখনৰ কাৰণে আগ্ৰহ আৰু দেশহিতৈশীতাৰে যুঁজিছিল।"

"Important military commands are said to have been given by the Ahoms to Assamese Mahammadans who fought for their, land of adoption with Zeal and patriotism."

– Annals of the Delhi Badshahate"[১]

১৬৭৩ খ্ৰীঃৰ পৰা ১৬৮১ খ্ৰীঃলৈ এই কালছোৱা আহোম ৰাজত্বৰ অন্ধকাৰ যুগ বুলি ক'ব পাৰি। নানা আভ্যন্তৰীণ অন্তৰ্কলহে ৰাজ্যখন সমস্যাবহুল কৰি তুলিছিল। আঠ বছৰৰ ভিতৰতে বিষয়াসকলে ষড়যন্ত্ৰ কৰি ছয়জন ৰজাক হত্যা কৰিছিল। এই ষড়যন্ত্ৰৰ প্ৰথমতে গুৰি ধৰিছিল ডেবেৰা বৰুৱাই। তেওঁ স্বয়ম্ভু ৰবৰুৱা হৈ আৰম্ভ কৰে ৰাজকোঁৱৰ নিধন পৰ্ব। পিছত আতন বুঢ়াগোহাঁইকো হত্যা কৰাৰ আঁচনি তৈয়াৰ কৰি ডেবেৰায়ো মৃত্যুক সাবটি ল'ব লগা হয়। ডেবেৰাক হত্যা কৰিলেও ৰাজমন্ত্ৰী আতন বুঢ়াগোহাঁইৰ আৰু এজন প্ৰতিদ্বন্দ্বী আছিল গুৱাহাটীৰ লালুকখোলা বৰফুকন। চতুৰ লালুকখোলাই বুঢ়াগোহাঁইৰ ষড়যন্ত্ৰৰ উমান পাই বংগৰ নবাব আছমতৱাৰ লগত সহায়ৰ বাবে যোগাযোগ কৰে। নবাবে লালুকৰ অসমৰ ৰজা পতাৰ প্ৰতিশ্ৰুতি দি গুৱাহাটীলৈ মোগলক হস্তান্তৰ কৰাৰ প্ৰস্তাৱ আগবঢ়ায় আৰু সেইমতে ৰাজকোঁৱৰ মহম্মদ আজামে ১৬৭৯ খ্ৰীঃৰ মাৰ্চ মাহত গুৱাহাটীৰ দখলীস্বত্ব লয়।

১: সংমিশ্ৰণত অসমীয়া সংস্কৃতি : আঃ ছাঃ পৃঃ ১৮

১৬৮১ খ্রীঃত গদাধৰ সিংহ আহোম ৰাজপাটত বহে। তেওঁৰ ৰাজত্ব কালত ৰাজ্যখনৰ মাটি জৰীপ কৰা হৈছিল। ৰজা হোৱা আগেয়ে তেওঁ আত্মগোপন কৰি থকাৰ কালছোৱাত তেওঁ মুছলমানসকলৰ মাটি জৰীপৰ নিয়মবোৰ শিকি থৈছিল। সেয়ে তেওঁ বংগদেশ আৰু কোচবিহাৰৰ পৰা মাটি জৰীপ কৰা অভিজ্ঞ লোক আনি সমগ্ৰ অসমত জৰীপ আৰম্ভ কৰে। ১২ ফুট দীঘল এডাল নল বা বাঁহেৰে একোখন পথাৰৰ চাৰিসীমা জোখা হৈছিল। তাৰ পিছত তাৰ ভিতৰত অঞ্চলটোৰ দীঘল-পুতল পূৰণ কৰি উলিওৱা হৈছিল। মাটিবোৰ পুৰা হিচাপে ভাগ কৰা হৈছিল। এপুৰা মাটিত বংগদেশৰ নিয়মেৰে ৪ বিঘা মাটি আছিল। প্ৰতি বিঘা মাটিত আছিল ১৪,৪০০ 'স্কোৱাৰ ফুট'। গদাধৰ সিংহৰ বিষয়ে গেইট চাহাবে কৈছে— "A note worthy measure of this monarch was the comencement of a detailed survey of the country. He had become acquanted with the land measurement system of the Mahommadans during the time when he was in hiding in Lower Assam, before he succeeded to the throne, and as soon as the wars which occupied the earlier years of his reign were over he issued order for the introduction of a similiar system throughout his dominions. Surveyors were imported from Koch Bihar and Bengal for the work."[১]

অৱশ্যে গদাধৰ সিংহই তেওঁৰ ৰাজত্ব কালত মাটি জৰীপৰ কাম সম্পূৰ্ণ কৰিব পৰা নাছিল। তেওঁৰ পুতেক স্বৰ্গদেউ ৰুদ্ৰ সিংহইহে একে পদ্ধতিৰে মাটিৰ জৰীপ কৰি সম্পূৰ্ণ কৰে।

ৰুদ্ৰ সিংহৰ পুতেক শিৱসিংহই গোৱালপাৰাৰ পৰা পুৰণি এটা নবাব পৰিয়ালক মতাই আনি বিশাল স্থাৱৰ সম্পত্তি দি নাজিৰাৰ দক্ষিণ-পূবে অভয়াপুৰত সসন্মানেৰে বহুৱাইছিল। অভয়াপুৰ মৌজাৰ নবাব পুখুৰী আৰু আজিও বৰ্তি থকা অসমীয়া নবাব খিতাপে সেই ঘটনাৰ ঐতিহাসিক সাক্ষ্য বহন কৰে। শিৱসাগৰৰ পুৰণিপট্টিৰ মুছলমান গাঁওখনো অতি পুৰণি।[২]

তদুপৰি ৰুদ্ৰসিংহই পোনপটীয়াকৈ মোগলীয় উপাদান আহৰণ কৰিবলৈ প্ৰয়াস কৰে। অসমীয়া মুছলমানক ৰজাই পাইক হিচাপে নিযুক্তি দিছিল। শিৱসাগৰৰ শিৱদৌলৰ নেগেৰিয়াল ঘৰৰ মানুহে দৌলৰ উপাৰ্জনৰ অংশ সৌ সিদিনালৈকে ভোগ কৰি আছিল।

১: সংমিশ্ৰণত অসমীয়া সংস্কৃতি : আব্দুছ ছাত্তাৰ : পৃঃ ১৫

২: ৰংপুৰ ৫৯তম্ সাহিত্য সভাৰ স্মৃতিগ্ৰন্থ : পৃঃ ৪৩

স্বৰ্গদেউ ৰুদ্ৰসিংহ — ১৬১৮ — ১৭১৪ খ্ৰীঃৰ ৰাজত্বৰ সময়ত পশ্চিমৰ পৰা আঠটা মুছলমান পৰিয়াল আনি অসমত সংস্থাপিত কৰিছিল। তেওঁলোকৰ দ্বাৰা অসম দেশৰ নতুন নতুন কিছুমান বৃত্তি যিবিলাক আগতে প্ৰচলন নাছিল তেনে ব্যৱসায়িক বৃত্তি প্ৰবৰ্ত্তন কৰে। এই মুছলমান পৰিয়ালকেইটা হ'ল— ফাৰ্চী পঢ়ীয়া, আখৰকটীয়া, শিলাকটীয়া, গুণাকটীয়া, খনিকৰ, নেগেৰিয়া, দৰ্জি আৰু জোলা।

ৰজাঘৰীয়া খত-পত্ৰ পঢ়ি তাক অসমীয়াত বুজাই দিয়া আৰু বিদেশী ৰজালৈ আদান-প্ৰদানৰ কাৰণে ফাৰ্চী ভাষাত চিঠি লিখা বৃত্তিটোৱেই হ'ল ফাৰ্চী পঢ়ীয়াৰ কাম। এই বৃত্তিৰ এজনৰ নাম পীৰ মহম্মদ। দিল্লীৰ বাদছাহৰ পৰা আহোম ৰজালৈ অহা ফাৰ্চী ভাষাৰ চিঠিবোৰ তেওঁ অসমীয়ালৈ অনুবাদ কৰিছিল আৰু তেঁৱেই সেই অনুবাদ চিঠিবোৰ ৰজাৰ আগত পাঠ কৰি শুনাইছিল। এই অনুবাদবোৰ কেচুৰ ৰসেৰে লিখা কাৰণে ৰাতি আন্ধাৰতো পঢ়িব পাৰিছিল। এই ফাৰ্চী পঢ়ীয়া অসমীয়া বংশটোৱেই অসমৰ শিৱসাগৰ, নাজিৰা, ডিব্ৰুগড়, লখিমপুৰ আৰু গোৱালপাৰা অঞ্চলত বসতি কৰি থলুৱা মুছলমান হৈ পৰে।

নিষ্পি, খেৰাজ আৰু লাখেৰাজ মাটিৰ কাৰণে তামৰ বা শিলালিপিত আখৰ কটাই আছিল আখৰকটীয়াৰ বৃত্তি। এই আখৰকটীয়াসকলে হাতী দাঁতৰ ফণী, সঁফুৰা আৰু পাটী তৈয়াৰ কৰাৰ লগতে ৰজাৰ মোহৰো মাৰিছিল। তেওঁলোকক 'বৰুৱা' আখ্যা দিছিল। এই বৰুৱা পৰিয়ালৰ ভাটীৰ পৰা অহা প্ৰথম ব্যক্তিজন হ'ল দিল গাঁওবুঢ়া। তেওঁ আছিল বাহাদুৰ গাঁওবুঢ়াৰ আতায়েক। ১৮৫৭ খ্ৰীঃত বাহাদুৰ গাঁওবুঢ়াই যোৰহাটৰ স্বাধীনতা সংগ্ৰামী মণিৰাম দেৱান, পিয়লি ফুকন আৰু দুতিৰাম বৰুৱাৰ সৈতে অসমৰ স্বাধীনতা ঘূৰাই আনিবলৈ মন্ত্ৰণা কৰিছিল। কিন্তু ব্ৰিটিছ চৰকাৰৰ হাতত বন্দী হৈ বৰ্মদেশৰ ৰেংগুণৰ কলিয়াপানীৰ ভাত খাব লগা হৈছিল। সাহিত্যিক ৰফিউল হুছেইন বৰুৱা এই বৰুৱা বংশৰে হ'ব পাৰে।

শিলাকটীয়াৰ বৃত্তি আছিল শিলাকটীয়াসকলৰ। এই ফৈদটোৰ প্ৰথমজন ব্যক্তি আহে ৰোহিলখণ্ডৰ পৰা। তেওঁৰ নাম আছিল ৰহমত। এই শিলাকটীয়া পৰিয়ালৰ এজন 'ফিদাৰিণ'ক 'নগা ৰজা' বুলি জনা যায়। তেওঁ আছিল ৰহমতৰ নাতিয়েক। তেওঁৰ বাসস্থান আছিল যোৰহাটৰ চক বজাৰৰ পিছফালে। ঘিলা, মণি, নগামাকো, আদা-জলকীয়া আদি তেওঁৰ পৰা সলাই নগাই নিমখ, কাপোৰ, চাহপাত আদি নিছিল। নগাৰ লগত বেহা-বেপাৰৰ সম্বন্ধ স্থাপন কৰা তেঁৱেই অসমৰ প্ৰথম ব্যক্তি।

গুণাকটাত বিশেষ পাৰদৰ্শিতা থকা এটা মুছলমান পৰিয়ালক ভাটিৰ পৰা আনি ৰজা ৰুদ্ৰসংহেই অসমত থাপিছিল। কালক্ৰমত এই পৰিয়ালৰ ব্যৱসায় লোপ পায়।

খনিকৰি বিদ্যাত পাৰ্গত মুছলমান পৰিয়ালৰ এটা ফৈদ আনি আহোম ৰজাই অসমত বহুৱাইছিল। তেওঁলোক শিল-কাঠৰ মূৰ্তি গঢ়াৰ উপৰিও সুন্দৰ চিত্ৰ আঁকিব পাৰিছিল। হস্তীবিদ্যাৰ্ণৱ পুথিৰ চিত্ৰই আজিও গৌৰৱ বহন কৰে (এই সম্পৰ্কে পৰৱৰ্তী অধ্যায় দ্ৰষ্টব্য)।

নেগেৰিয়া ফৈদ আছিল নেগেৰা বজোৱাত ওস্তাদ। সেই কাৰণে এনে বিদ্যাৰ ফৈদ এটাও ৰজাৰ মনোৰঞ্জনৰ কাৰণে অসমলৈ আনিছিল।

দৰ্জি ব্যৱসায়টো সমগ্ৰ ভাৰতে মুছলমানৰ একচেতীয়া বৃত্তি। জামিয়া-মিলিয়া-ইছলামীয়া বিশ্ববিদ্যালয়ৰ উপাচাৰ্য মুজিব আহমেদে কৈছিল— মুছলমানৰ পৰাই দৰ্জিৰ ব্যৱসায়টো ভাৰতলৈ আহে। আৰবৰ যি খলিফা আছিল ৰজা, কালক্ৰমত সেই খলিফাৰ অৰ্থ হ'ল দৰ্জি ব্যৱসায়ৰ লোক। অৱশ্যে ব্যৱহৃত বিকৃতি ঘটি দৰ্জিক বুজোৱা হ'ল। এই খলিফাই অসমীয়া সৰ্বসাধাৰণ প্ৰজাক চৌগা-চাপকণ, কুৰ্তা-পায়জামা, ফতহি সি দিয়াত অসমীয়া সাজ-পোছাকৰূপে অসম দেশত বিয়পি পৰিল। তুলাভৰাই সি লোৱা চোলাটো মিৰ্জাই চোলা। আৰবী শব্দৰ ফুতেহিৰ পৰাই হ'ল ফতহি অৰ্থাৎ হাত নোহোৱা চোলা।

অষ্টমটো মুছলমান ফৈদ হৈছে জোলা। তেওঁলোকক আনিছিল হাজৰিবাগ অঞ্চলৰ পৰা। এই জোলাবিলাক কাপোৰ বোৱাত বৰ পাকৈত। অসমীয়াত তেওঁলোকক তাঁতি বুলিছিল।[১]

স্বৰ্গদেউ গদাধৰ সিংহই ভাটি ফালৰ পৰা আৰু এক শ্ৰেণী মানুহ গৰু খাহী কৰাবলৈ আনিছিল। তেওঁলোকক ৰজাই মাটিবাৰী দি অসমত সংস্থাপন কৰিছিল। গোৱালপাৰাৰ অঞ্চলত ছদ্মবেশ ধৰি থাকোঁতে গদাধৰ সিংহই দেখিছিল, গৰু খাহী কৰিলে অধিক কৰ্মঠ হয়। তদুপৰি প্ৰজনন শক্তি হ্ৰাস পালেও গৰু ডাঙৰ দীঘল হয় আৰু সহজে পোহ মানে আৰু শান্ত হয়। এই শ্ৰেণীটোই মুছলমান ল'ৰাক চুন্নত কৰা বৃত্তিও অৱলম্বন কৰে। এইটো সমাজৰ নিকৃষ্ট কাম বুলি গণ্য কৰি সমাজৰ পৰা আঁতৰত ৰাখিছিল। তেওঁলোকেই বাদ + উৱা> বদুৱা পিছত বদীয়া নামে জনাজাত হয়।

১৮৭০ খ্ৰীঃ মানলৈ কামৰূপ ৰাজ্যৰ মুছলমানসকলে হিন্দুৰ সংস্কাৰকে মানি চলিছিল। গৰিয়া অৰ্থাৎ দৰ্জি, মৰীয়া অৰ্থাৎ পিতলৰ সাজ-পাৰ তৈয়াৰ কৰোঁতাসকলে ল'ৰাক চুন্নত নকৰিছিল। গৰু, গাহৰি, মদ খোৱাত কোনো বাদ বিচাৰ নাছিল।

১: সংমিশ্ৰণত অসমীয়া সংস্কৃতি : আঃ হাঃ পৃঃ ৪৭-৫০

"The Mahammadans dressed, shaved and wordshipped, idols like Hindus. They eschewed beaf and declined to kill cow and in the time of sickness and troubles endevoured to obtain relief by rectifying mantras and singing hymns."[১]

আনহাতে মীৰজুমলাৰ লগত অহা বুৰঞ্জীবিদজনেই অসমীয়া মানুহৰ বিষয়ে লিখিছিল যে হিন্দু-মুছলমান সকলোৱে ৰন্ধা আহাৰ তেওঁলোকে খাইছিল—

"They do not abstain from eating food cooked by Muslims and non-Muslims."

ইফালে সমসাময়িক অসমীয়াৰ সম্বন্ধে লিখিছিল—

It is not their custom to eat Ghi, so that if any articles even savours of Ghi they will not eat.

ঘিউ খোৱা তেওঁলোকৰ নিয়ম নাছিল আনকি ঘিউৰ গোন্ধ পালেই তেওঁলোকে সেই আহাৰ নাখাইছিল।[২]

উজনি অসমত স্বৰ্গদেউ গৌৰীনাথ সিংহই ইষ্ট-ইণ্ডিয়া কোম্পানীৰ আৰ্হিত এদল সৈন্য বাহিনী গঠন কৰিছিল। এই সৈন্য বাহিনীত অধিকসংখ্যক মুছলমান যুৱকক নিযুক্তি দিছিল। অধিনায়ক দুজনো আছিল মুছলমান। দিনা নামৰ মুছলমান এজনক কাপ্টান আৰু ফকিৰচান্দ নামৰ আন এজনক লেফটেনেণ্ট্ পদত নিযুক্তি দিছিল। কিন্তু সেই সৈন্য দলক কুচকাৱাজ শিকাইছিল দুজন ব্ৰিটিছ বিষয়াই। বাহিনীটোক একে ধৰণৰ পোছাক আৰু আধুনিক বন্দুক কলিকাতাৰ পৰা আনি দিয়া হৈছিল। সৈনিকসকল স্থানীয় মুছলমান হোৱাৰ উপৰিও বহুতো সৈন্য উত্তৰ ভাৰতৰ পৰা অনা হৈছিল সেইসকলৰ এভাগ ইয়াতেই থাকিগৈ বিয়া-বাৰুৰে স্থানীয় অসমীয়া সমাজৰ লগত লীন যায়।[৩]

১৮ শতিকাৰ শেষৰ পিনে জোগানগিৰি নামৰ জনৈক বিদেশীয়ে যেতিয়া কিছুমান ৰণুৱা চিপাহী লৈ গুৱাহাটী দখল কৰিছিল তেতিয়া অসমৰ ৰজাৰ হৈ গুৱাহাটী উদ্ধাৰৰ অভিযানৰ নেতৃত্ব দি যিগৰাকী বীৰে গুৱাহাটীক বিদেশী মুক্ত কৰিছিল তেওঁ আছিল এগৰাকী মুছলমান চুবেদাৰ। তেওঁৰ নাম আছিল নিয়ামৎ উল্লাহ।[৪]

১: লুইত বৰাক আৰু ইছলাম : মেঃ চৌঃ পৃঃ ৪৩

২: সংমিশ্ৰণত অসমীয়া সংস্কৃতি : আঃ ছাঃ পৃঃ ১৪

৩: ৰংপুৰ : ৫৯তম্ সাহিত্য সভাৰ স্মৃতিগ্ৰন্থ : পৃঃ ১৯৪

৪: লুইত বৰাক আৰু ইছলাম :মেদিনী চৌধুৰী : পৃঃ ৫৬

এনেকৈয়ে বিভিন্ন সময়ত বিভিন্নজন সেনাপতিৰ লগত অহা তুৰ্কী, মোগল সৈন্যসকল হয় যুদ্ধবন্দী হিচাপে নহয় নিজৰ ইচ্ছামতে অসমৰ বিনন্দীয়া প্ৰাকৃতিক সৌন্দৰ্যত মুগ্ধ হৈ নতুবা অসমীয়া মানুহৰ আকলুৱা সৌহাৰ্দ্যত বান্ধ খাই অসমৰ অসমীয়া হৈ পৰিল। কিন্তু এনেকৈ অসমীয়া মুছলমানৰ সংখ্যা সিমান নহ'লহেঁতেন। ধৰ্মীয় ইতিহাসৰ ঘটনাৱাজিয়ে ওলোটাটোৰহে সাক্ষ্য বহন কৰে। অসম তথা সমগ্ৰ ভাৰতত কৌলীন্য প্ৰথা এটা অদ্ভুত আৰু অস্বাভাৱিক ব্যৱস্থা আছিল। জাত-পাতৰ ব্যৱস্থাত উচ্চ বৰ্ণৰ হিন্দুসকলৰ হাতত নিষ্পেষিত হৈছিল নিম্ন শ্ৰেণীৰ লোকসকল। তেওঁলোকৰ নাছিল একেশাৰীত বহাৰ অধিকাৰ, নাছিল সামাজিক অধিকাৰ। কিন্তু 'ইছলাম' বোলা ধৰ্মটো আছিল উদাৰ, সকলোতে প্ৰদান কৰিছে সম অধিকাৰ। অসমত বৈ যোৱা ইছলামধৰ্মী লোকসকলৰ বৰ্ণভেদ নোহোৱা আদৰ্শত নিঃকুলীয়া আখ্যা পোৱা সহজ-সৰল মানুহখিনিৰ মন-প্ৰাণ ধাবিত হৈছিল ইছলাম ধৰ্মৰ প্ৰতি। তেনে সময়তে অসমলৈ আহিছিল আৰু এক শ্ৰেণী মানুহ। তেওঁলোক চুফীসাধক, মোল্লা, দৰবেশ, পীৰ আউলিয়া। তেওঁলোকো বৈ গৈছিল অসমত। তেনে এগৰাকী চুফীসাধক গিয়াচউদ্দিন আউলিয়া আহিছিল ত্ৰয়োদশ শতিকাৰ আৰম্ভণিতে পৰাক্ৰমী তুৰ্কী বাহিনীৰ সৈতে। উভতি যোৱা পথ তেঁৱো বিচাৰি পোৱা নাছিল কোনো দিনে। তেওঁৰ দেহ-মন-হিয়া, আদৰ্শ সমস্ত বৈ গ'ল কামৰূপ অসমৰ মাটিত।

অসমৰ হিন্দু মানুহ ধৰ্মান্তৰিত হ'ল। গ্ৰহণ কৰিলে ইছলাম ধৰ্ম। গঢ়ি উঠিল এক বিশাল মুছলমান সমাজ। এইটোও প্ৰণিধানযোগ্য যে কোনেও কাহানিও মানুহক ইছলাম ধৰ্মত দীক্ষিত কৰাবলৈ জোৰ-জুলুম কৰা নাই। ধৰ্মান্তৰিতসকলে নিজৰ বিবেকেৰে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। যুদ্ধবন্দী বা আহোম ৰজাই কাৰিকৰ হিচাপে অনা মুছলমানৰ সংখ্যাতকৈ ধৰ্মান্তৰিত মুছলমানৰ সংখ্যা বহুগুণে অধিক।

'জিন্নাৰ মতে ভাৰতৰ মুছলমান লোকৰ শতকৰা ৭৫জন হিন্দুৰ পৰা হোৱা মুছলমান আৰু নেহৰুৰ মতে শতকৰা ৯৫জন।" (জিন্না আৰু গান্ধী— লুই ফিচাৰৰ মহাত্মা গান্ধীৰ জীৱনীৰ পৰা। গান্ধী দৰ্শন ১ বছৰ, তৃতীয় সংখ্যা)।[১]

অসমৰ ক্ষেত্ৰতো এই উদাহৰণ আংশিকভাৱে সত্য। সুদূৰ তুৰ্কী, মোগলসকল হ'ল অসমৰ অসমীয়া। এই মিলিত শক্তিয়ে মীৰজুমলাৰ আক্ৰমণতে হওক নতুবা দিল্লীৰ বাদ ছাহৰ নিৰ্দ্দেশত অসম অভিযানলৈ অহা মোগল সেনাপতি ৰামসিংহৰ লগত হোৱা শৰাইঘাটৰ যুদ্ধতে হওক অসমীয়া হিন্দু-মুছলমানৰ দুয়োটা শক্তি মিলি

১: সংমিশ্ৰণত অসমীয়া সংস্কৃতি ঃ আঃ ছাঃ পৃঃ ২

মোগল শক্তিক পৰাভূত কৰিছিল। ৰামসিংহ যিজন আছিল মহাপৰাক্রমী ৰাজপুত বীৰ তেওঁ এই মিলিত শক্তিৰ 'মৰিও নমৰে পৰিও নপৰে' শক্তি দেখি বিস্ময় মানিছিল। অসম তথা ভাৰতত হিন্দু-মুছলমান উভয়ে কোনেও কাৰো ধৰ্মক নাইাহিছিল বা হেয় প্রতিপন্ন কৰা নাছিল। এই কাৰণেই হিন্দু-মুছলমানৰ ভিতৰত কেতিয়াও ধৰ্ম-বৈষম্যৰ সৃষ্টি হোৱা নাছিল। দিল্লীৰ মচনদৰ পৰা আহোম সিংহাসনলৈ হিন্দু আৰু মুছলমানক সদ্ভাব আৰু শ্রদ্ধা জনাইছিল কাৰণেই হিন্দু-মুছলমান ভাই-ককাইৰ দৰে আছিল। মোগল-তুৰ্কীসকলে অসমত থাকি পাহৰি গৈছিল তেওঁলোকৰ মুখৰ ভাষা, পাহৰি গৈছিল পোছাক-পৰিচ্ছদ, আহাৰ-বিহাৰ। ভাষা-সংস্কৃতিত ঘটিল সংমিশ্রণ। বহুতো হিন্দু প্রদত্ত আদব-কায়দা, আচাৰ-ব্যৱহাৰ মুছলমান সমাজত সোমাই পৰিল। তিৰোতাসকল হিন্দু সমাজৰ পৰা অহাৰ কাৰণে সামাজিক সংস্কৃতি থলুৱা সংস্কৃতিৰ বাহিৰে আন হোৱাৰ উপায় নাছিল। কালক্রমত দুয়োখন সমাজ এনে সানমিহলি হৈ পৰিল যে তাক ভিন্ন কৰা টান হৈ পৰিল।

যিদৰে হিন্দুৰ খাৰনি, টেঙাৰ জোল মুছলমানৰ ঘৰত সোমাল সেইদৰে হিন্দুৰ আঢ্যৱন্ত সমাজত সোমাল মুছলমানৰ পোলাও, পাৰঠা, কোৰ্মা কোপ্তা আদি।

হিন্দু-মুছলমানৰ নামৰ সাদৃশ্যও একেই হৈ পৰিল। বাপ সোণ, ধন, ভাইটি, বোপাই, তগৰ, গোলাপ, মইনা, সোণমাই, কণমাই, চেনেহী, পোৱালি আদি দুয়ো সম্প্রদায়ৰ একেই নামেৰে প্রচলন ঘটিল। সম্বন্ধবাচক, দদাই, মোমাই, শহুৰ, শাহুআই ইত্যাদি শব্দবোৰৰে হিন্দু-মুছলমানক অভিন্ন কৰা টান। মুছলমানৰ ঘৰত উপজি যোগাই কুমেশ্বৰ, দিদাই, পদো নাম লৈয়ো মুছলমান হৈয়ে মৰি গ'ল।

হিন্দু-মুছলমান মিলিত শক্তিৰে গঢ় লোৱা অসমীয়া সৈন্যই শেষবাৰৰ কাৰণে অৱতীৰ্ণ হৈছিল ১৮২২ খ্রীঃত মহাগড় ৰণত। এই যুদ্ধখনত পশ্চিমৰ মোগল-পাঠান, শিখসকলেও অসমীয়া সৈন্যক সহায় কৰিছিল। পূৰ্ণানন্দ বুঢ়াগোহাঁই আৰু বদন বৰফুকনৰ অন্তৰ্কলহৰ গড়াহত পৰি আহোমৰ বৰমূৰীয়াসকলে ব্রহ্মদেশৰ পৰা মানসৈন্যক মাতি আনি বৰপীৰাত বহুৱাইছিল। ১৮১৬ খ্রীঃৰ পৰা ১৮২৬ খ্রীঃলৈ এই সুদীৰ্ঘ ১০ বছৰকাল মানে অসমৰ ৰজা-প্রজা সকলোকে আক্রমণ কৰিছিল। অসমীয়া মানুহ অত্যাচাৰৰ চৰম বলি হৈছিল। অসমীয়াৰ চোতাল দিনতে আন্ধাৰ হৈছিল। মানুহে ভয়তে পলাই পত্রং দিছিল। অসমীয়া, জীয়ৰী-বোৱাৰীয়ে সতিত্ব ৰক্ষা কৰিবলৈ গৈ কুঁৱাত পৰি বা জুইত জাপ দি আত্মজাহ দিছিল। প্রজাৰ এনে দুৰ্দশা দেখি দ্বিতীয়বাৰৰ বাবে আহোম সিংহাসনত বহা শেষ স্বৰ্গদেউ যিজনে

মানৰ আশিস ধন্য হৈ দ্বিতীয়বাৰৰ বাবে সিংহাসন লাভ কৰিবলৈ সমৰ্থ হৈছিল সেইজন চন্দ্ৰকান্ত সিংহই আত্ম অনুশোচনাত দগ্ধ হৈ হিন্দু-মুছলমান-মোগল-পাঠান শিখ সৈন্যৰে এটা বিশাল বাহিনী গোটাই মহাগড়ত মানৰ বিৰুদ্ধে প্ৰাণটাকি যুঁজিছিল। কিন্তু মানৰ হাতত হাৰিল অসমীয়া সেনা। আকৌ বন্দী হ'ল চন্দ্ৰকান্ত সিংহ। সেই যুদ্ধখনৰ পৰা ছশ বছৰীয়া আহোম ৰাজত্বৰ অৱসান ঘটিল। অস্তমিত হ'ল স্বাধীন অসমৰ দিপ্তীমন্ত সূৰ্য। মানক খেদিবলৈ আহি ব্ৰিটিছে ১৮২৬ খ্ৰীঃৰ ২৪ ফেব্ৰুৱাৰী তাৰিখৰ পৰা ইয়াণ্ডাবু সন্ধি মতে অসমত বৰপীৰা পাৰি বহিল। লগে লগে সলনি হ'ল অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক দৃশ্যপট।

খিলঞ্জীয়া, বংগমূলীয় আৰু অন্যান্য মুছলমানৰ বিষয়ে তথ্য আৰু বিশ্লেষণ

অসমৰ জাতীয় জীৱনত এক বিশেষ স্থান দখল কৰিছে অভিবাসী মুছলমানসকলে। তেওঁলোকৰ পূবপুৰুষসকল আছিল অবিভক্ত বংগদেশৰ। তেওঁলোকৰো পূৰ্বপুৰুষসকলৰ শতকৰা প্ৰায় ৯০ ভাগেই ধৰ্মান্তৰিত মুছলমান। ১২০২ খ্ৰীঃৰ আগলৈকে অৰ্থাৎ ইখতিয়াৰুদ্দিন বখতিয়াৰ খালজীয়ে বংগ আক্ৰমণ কৰাৰ সময়ত বংগৰ ৰজা আছিল লক্ষ্মণসেন। ৰাজধানী আছিল লক্ষ্মণাৱতী। খালজীয়ে লক্ষ্মণাৱতী জয় কৰি নাম দিলে গৌড় ৰাজ্য। লগে লগে বংগদেশত মুছলমান আধিপাত্য বিস্তাৰ হয়। খালজীয়ে বংগ আক্ৰমণ কৰাৰ সময়ত অতি তাকৰীয় তুৰ্কী মুছলমান সৈন্য দল এটাহে আছিল। ১২০৫ খ্ৰীঃত খালজীয়ে তিব্বত-চীন অভিযানলৈ মন মেলি প্ৰায় দহ-বাৰ হাজাৰ মুছলমান অশ্বাৰোহী সৈন্যৰে বৰ্তমানৰ বাংলাদেশৰ অন্তৰ্গত দিনাজপুৰ জিলাৰ দেৱকোট নামৰ ঠাইৰ পৰা যাত্ৰা আৰম্ভ কৰি কামৰূপত সোমায়। বংগ জয়ৰ পৰা কামৰূপত সোমোৱা সময়ৰ ব্যৱধান আছিল মাত্ৰ তিনি বছৰ। এই তিনি বছৰৰ ভিতৰত তেওঁ চাবেক মুছলমান সৈন্য সংগ্ৰহ কৰা সহজ নহয়। গতিকে এই তিনি বছৰৰ ভিতৰতে বংগৰ বেছি সংখ্যক হিন্দু মানুহে ধৰ্মান্তৰিত হৈ যে ইছলাম ধৰ্ম গ্ৰহণ কৰি মুছলমান হৈছিল সেইটো সহজে অনুমেয়। সেই ধৰ্মান্তৰিত মুছলমানেৰে খালজীয়ে ১০-১২ হাজাৰ সৈন্যৰে সৈন্য দল গঠন কৰিছিল। এই ধৰ্মান্তৰিত প্ৰক্ৰিয়া চলি আছিল বহুদিনলৈ। হিন্দু ধৰ্মৰ অস্পৃশ্যতা আৰু জাতিভেদৰ কাৰণে সামাজিক সমতা নথকা বাবে ইছলাম ধৰ্মই সেই সময়ত সমগ্ৰ ভাৰততে গা কৰি উঠিবলৈ সুবিধা পাইছিল। বংগ কিম্বা অসমতো তাৰ ব্যতিক্ৰম হোৱা নাছিল।

বংগৰ ধৰ্মান্তৰিত হোৱা মুছলমানসকল এসময়ত নিম্ন বৰ্গৰ হিন্দু আছিল। আৰ্থিকভাৱেও তেওঁলোকৰ অৱস্থা আছিল শোচনীয়। তেওঁলোকৰ দুৰৱস্থা উন্নত কৰিবলৈ কোনেও চেষ্টা কৰা নাছিল। বৰঞ্চ সামাজিকভাৱে হেয় প্ৰতিপন্নহে হৈছিল। ফলত মানুহ ধাবিত হৈছিল একেশ্বৰবাদী অস্পৃশ্যহীন ইছলাম ধৰ্মৰ উদাৰতালৈ।

তথাপিও বংগৰ মুছলমানসকলে শোষণৰ পৰা উদ্ধাৰ পোৱা নাছিল। তেওঁলোক জমিদাৰসকলৰ শোষণৰ বলি হৈয়েই আছিল। বংগত জমিদাৰ শ্ৰেণীৰ

সৃষ্টি হয় ১৮ শতিকাত। ১৭৫৭ খ্ৰীঃত বংগৰ প্ৰতাপী নবাব চিৰাজুদ্দৌল্লাৰ পতনৰ পিছত বংগৰ শাসনভাৰ ইংৰাজৰ হাতলৈ যায়। শেষ মুহূৰ্তলৈ নবাব চিৰাজদ্দৌল্লাই বংগৰ স্বাধীনতা ৰক্ষা কৰিবলৈ ব্ৰিটিছ কোম্পানীৰ ৰবাৰ্ট ক্লাইব আৰু এডমিৰেল বাটছনৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ হৈছিল কিন্তু নবাবৰ সেনাপতি মিৰ্জাফৰ আৰু ৰাইদুৰ্লভে বিশ্বাসঘাটকতা কৰি গোপনে ইংৰাজৰ ফলীয়া হোৱাত যুদ্ধক্ষেত্ৰ এৰি চিৰাজদ্দৌল্লা পলাব লগাত পৰে। সেয়াই নহয় মিৰ্জাফৰৰ সহায়ত চিৰাজদ্দৌল্লাক ধৰি আনি নিৰ্মমভাৱে হত্যা কৰে। মিৰ্জাফৰৰ লিপ্সা আছিল নবাব হোৱা। ব্ৰিটিছে মিৰ্জাফৰৰ বংগৰ নবাব পাতিলে যদিও কলিকতাৰ ওপৰত ইংৰাজৰ সাৰ্বভৌমত্ব স্বীকৃত হৈছিল। তেওঁ মাথো ইংৰাজৰ হাতৰ পুতলা নবাব হৈ থাকিল। পিছলৈ ইংৰাজ কোম্পানীয়ে ৰবাৰ্ট ক্লাইবৰ অধীনত বংগত দ্বৈতশাসন প্ৰৱৰ্তন কৰে। ইও এক কু-নীতি । দেশ শাসনৰ ক্ষমতা আৰু দায়িত্বৰ পৃথকীকৰণ। কোম্পানীয়ে ক্ষমতা লৈছিল কিন্তু দায়িত্ব লোৱা নাছিল। ফলত প্ৰজাৰ দুখ-দুৰ্গতিৰ সীমা নাইকিয়া হৈছিল। ১৭৭০ খ্ৰীঃত ভুয়ানক দুৰ্ভিক্ষৰ কবলত পৰি বংগদেশৰ এক তৃতীয়াংশ মানুহ মৃত্যুমুখত পৰিছিল। তেতিয়াও কোম্পানী নিৰ্বিকাৰ হৈ আছিল কাৰণ দেশৰ প্ৰচলিত নীতি মতে প্ৰজাৰ আহুকালৰ বাবে কোম্পানীৰ কোনো দায়িত্ব নাছিল। মিৰ্জাফৰৰ পিছত মীৰকাছিম নাজমুদৌল্লাহ বংগৰ নবাব হৈছিল। তেওঁলোক নামতহে নবাব। সকলো কৰ্তব্য ইংৰাজে নিজৰ হাতৰ মুঠিত ৰাখিছিল। সেই ভয়ানক দুৰ্ভিক্ষৰ সময়তো ইংৰাজ নিৰ্বিকাৰ হৈ আছিল। দেশৰ মুৰব্বী নবাব গতিকে নবাবেহে সেই কালান্তক অনাটন দুৰীভূত কৰিব লাগিব। আনহাতেদি নবাবৰ নিজা ক্ষমতাৰ নামত অকল ছাঁটোয়ে আছিল।

ইয়াৰ ফলত জমিদাৰ শ্ৰেণী চহকী হৈ গৈ আছিল কিন্তু শ্ৰমজীৱীসকলৰ অৱস্থা দিনক দিনে পানীত হাঁ নচৰা অৱস্থা হৈছিল। সিফালে বংগৰ সমাজ জীৱনত জমিদাৰৰ সৰহসংখ্যক আছিল হিন্দু সম্প্ৰদায়ৰ। আনহাতে কৃষক শ্ৰেণী আছিল মুছলমান।

১৭৯৮ খ্ৰীঃত ফ্ৰান্সে ইংলেণ্ড আক্ৰমণ কৰিব বুলি সংবাদ ওলোৱাত কলিকতাত ইংৰাজৰ বাবে সহায়ৰ প্ৰথমবাৰৰ কাৰণে এখন সভা অনুষ্ঠিত হয়। সভাৰ আয়োজকসকল আছিল গৌৰীচৰণ মল্লিক, ৰামকৃষ্ণ মল্লিক, গোপীনাথ ঠাকুৰ, কালীচৰণ হালদাৰ, ৰসিকলাল দত্ত আৰু গোকুলচন্দ্ৰ দত্ত। এই ব্যক্তিসকল পূৰ্বতে নবাবৰ আমোলত অফিচ-কছাৰীত হিচাপ ৰক্ষক, মৎচুদ্দি গোমস্তা আদি পদৰ

চাকৰীয়াল আছিল। তেওঁলোকৰ আছিল ইংৰাজসকলৰ লগত নিবিড় সম্পৰ্ক। এনেকৈ এক ক্ষমতাবান শ্ৰেণীৰ জন্ম হৈছিল বংগত। পাশ্চাত্য শিক্ষাৰে শিক্ষিত এই শ্ৰেণী লোকে বৈষয়িক ছত্ৰছাঁয়াত এক অহংভাব সততে পোষণ কৰি আছিল। শ্ৰমজীৱী কৃষকৰ প্ৰতি আওকণীয়া মনোভাব, বিদ্বেষ আৰু বৈষম্য স্বতঃস্ফূৰ্তভাৱে সৃষ্টি হৈছিল তেওঁলোকৰ মনত।

১৭৯৩ খ্ৰীঃত বংগদেশত ভূমি ৰাজহৰ এক চিৰস্থায়ী বন্দবস্তৰ যোগেদি জমিদাৰসকলে দিব লগীয়া ৰাজহৰ পৰিমান স্থায়ীভাৱে নিৰ্ধাৰণ কৰি দিয়া হৈছিল। ফলত জমিদাৰসকল নিজৰ জমিদাৰীৰ একচেতীয়া মালিক হৈ পৰিল। সিফালে ইংৰাজ চৰকাৰে পাব লগীয়া ৰাজহৰ পৰিবৰ্তন হোৱা নাছিল।[১]

চিৰস্থায়ী বন্দোবস্তী পাই জমিদাৰৰ অত্যাচাৰ ইমান হৈছিল যে জমিদাৰক ঘৰত বিয়া, অন্নপ্ৰাশন হ'লে আনকি জোঁৱাই আদৰাত যাৱতীয় খৰচৰ বাবদ কৃষকৰ পৰা খাজনা উঠাই সেই খৰচ বহন কৰা নিয়মত পৰিণত হৈছিল। এনেকৈয়ে জমিদাৰসকল ঘনিষ্ঠ হৈ পৰিছিল চৰকাৰৰ। আনহাতে ঘনিষ্ঠতা ৰক্ষা কৰিবৰ কাৰণে কৃষকৰ পৰা বলপূৰ্বক খাজনা উঠাব লগা হৈছিল। মুনাফা উঠোৱাৰ কাৰণে প্ৰজা উৎপীড়ন চলিছিল কিন্তু তাত চৰকাৰ বাহাদুৰ আছিল একেবাৰে নিৰ্লিপ্ত। উৎপীড়িত হৈছিল মুছলমান কৃষক শ্ৰেণীটো। জমিদাৰসকল আছিল হিন্দু সম্প্ৰদায়ৰ।

১৯ শতিকাৰ শেষৰফালে গুণাভিৰাম বৰুৱা প্ৰমুখ্যে অসমৰ অগ্ৰণীসকলে বাহিৰৰ পৰা মানুহ আনি অসমত বহুওৱাৰ হৈ চুপাৰিছ কৰিছিল অৰ্থনৈতক দুৰ্বলতাৰ পৰা প্ৰদেশখনক মুক্ত কৰাৰ উদ্দেশ্য। এই ক্ষেত্ৰত বৰুৱাদেৱে আগবঢ়োৱা যুক্তি দুটা আছিল এনে ধৰণৰ ঃ

(ক) সস্তীয়া সাৰুৱা মাটিত সুলভতা

(খ) স্থানীয় শ্ৰম শক্তিৰ অভাৱ হেতুকে দক্ষ শ্ৰমিক কাৰিকৰৰ বাবে আদৰ্শনীয় উপাৰ্জনৰ সুযোগ।

এয়া আছিল ১৮৮৫ চনৰ কথা। তেখেতৰ সেই প্ৰস্তাৱত এক নিযুত বাহিৰা মানুহ আনি বহুৱাবলৈ অসমত যথেষ্ট ঠাই আছে বুলি কৈছিল।[২]

ইয়াৰ আগতেই ১৮৪২ খ্ৰীঃত ৰাজনৈতিক অভিসন্ধিৰ কাৰণে ইংৰাজ চৰকাৰে অসমক বংগদেশৰ লগত একত্ৰিত কৰিছিল। পূৰ্ববংগৰ অনেক ভূমিহীন কৃষক

---

১ : বুৰঞ্জী প্ৰবাহ ঃ মৃঃ পঃ গোঃ পৃঃ ১৪-২৮

২ : লুইত বৰাক আৰু ইছলাম ঃ মেঃ চৌঃ পৃঃ ৭৫

জমিদাৰ-মহাজনৰ অত্যাচাৰত তিষ্ঠিব নোৱাৰি নিকটৱৰ্তী প্ৰদেশ অসমৰ পতিত অঞ্চলবোৰলৈ আহি কৃষি-কৰ্ম কৰি জীৱিকা নিৰ্বাহ কৰে। ১৮৭৪ খ্ৰীঃলৈ গোৱালপাৰা জিলাকে ভিতৰ কৰি এক বৃহৎ ভূখণ্ড বংগৰ লেফটেনেণ্ট গভৰ্ণৰৰ অধীনত থকাৰ কাৰণে অসমৰ সৈতে বংগৰ এটা সুচল যোগাযোগ চলি আছিল। ১৮৮০ খ্ৰীঃত বিলাসীপাৰাৰ জমিদাৰৰ আমন্ত্ৰণ ক্ৰমে পূৰ্ববংগৰ মৈমনসিং জিলাৰ পৰা খেতিয়ক অনা হয়— খাজনাৰ অধিক আয়ৰ বাবে। ১৮৪৭ খ্ৰীঃত বংগৰ পৰা অসমলৈ প্ৰথম যন্ত্ৰচালিত পাইনো নাও চলে ব্ৰহ্মপুত্ৰৰ বুকুৰেদি। সেই জাহাজত উঠি নৌ পথেদি পূৰ্ববংগৰ বহুত মানুহ অসমলৈ আহে। ১৮৯২ খ্ৰীঃত অসম বেংগল ৰেলপথ স্থাপন হোৱাত অসমলৈ বংগৰ মানুহ প্ৰব্ৰজন হোৱাত অধিক সুগম হয়। প্ৰব্ৰজনৰ পথ অধিক সুগম হয় ১৯০৪ খ্ৰীঃত বংগৰ চট্টগ্ৰামৰ সৈতে ডিব্ৰুগড় তিনিচুকীয়ালৈ ৰে'লপথ সম্প্ৰসাৰণ হোৱাত। ১৯০৫ খ্ৰীঃত বিখ্যাত বংগ ভংগ আন্দোলন হয়। তেতিয়াই বংগৰ পৰা অসমলৈ প্ৰব্ৰজনৰ সোঁতটো প্ৰবল হয়। সেই সময়ত পূৰ্ববংগৰ মুছলমান মানুহ জমিদাৰসকলৰ অত্যাচাৰ-উৎপীড়নৰ বলি হৈছিল। উৎপীড়নৰ পৰা হাত সৰাৰ উদ্দেশ্যে মুছলমান মানুহ অসমলৈ গুচি আহিছিল। ১৯১২ আৰু ১৯১৩ চনত বংগত ভীষণ দুৰ্ভিক্ষ হৈছিল। খাবলৈ নাপাই শ শ মানুহ মৃত্যু মুখত পৰিছিল। দুৰ্ভিক্ষৰ পৰা পৰিত্ৰাণ পাবলৈও মানুহ গুচি আহিছিল অসমলৈ। তেনেদৰে ৰংপুৰ, চিলেট, কোচবিহাৰ আদি জিলা আৰু ত্ৰিপুৰাৰ পৰাও আহিছিল ব্যাপক সংখ্যক হিন্দু বঙালী লোক। নগাঁও জিলাৰ যমুনামুখ অঞ্চলৰ মুছলমানসকল সৰহসংখ্যকেই চিলেটৰ পৰা অহা। কাছাৰ জিলাৰ মুছলমানসকলৰ এটা অংশ কছাৰী ৰজাৰ দিনত আহিছিল। নগাঁও আৰু গোৱালপাৰাত মুছলমানৰ এটা অংশ ব্ৰিটিছৰ ঔপনিৱেশিক আঁচনিৰ সময়ত পাবনা জিলাৰ পৰা আহিছিল। মৈমনসিং জিলাৰ পৰা অহা মুছলমানসকল দৰং জিলাৰ মঙলদৈ মহকুমা আৰু বৰপেটা জিলাত থিতাপি লয়। লখিমপুৰ জিলাৰ ইছলামপুৰৰ অধিবাসী মুছলমানসকলৰ এটা অংশ বৰপেটা, নগাঁও আৰু মঙলদৈৰ পৰা গৈ বসবাস কৰা লোক। নগাঁৱৰ জুৰীয়া মৌজাৰ এৰাবাৰী গাঁৱৰ মৌলবী ওছমান আলি সৰকাৰে 'অসম প্ৰভিঞ্চিয়েল বেংকিং ইনকুৱেৰী কমিটী'ৰ আগত ১৯২৯ খ্ৰীঃত দিয়া সাক্ষ্যমতে তেওঁৰ সৈতে আন বাৰটা পৰিয়াল মৈমনসিং জিলাৰ জামালপুৰ মহকুমাৰ পৰা ১৯১২ খ্ৰীঃত আহিছিল।

তেনেকৈয়ে ১৯১১ খ্ৰীঃত অসমলৈ আহি বৰপেটাৰ কঁয়াকুছিত বসতি স্থাপন ৰৈছিল আদব সিকদাৰে। তেওঁৰ পূৰ্বপুৰুষৰ আশাৰি আকন্দ আছিল বংগত হিন্দু প্ৰদায়ৰ। তেওঁৰ পুত্ৰ বংগৰ উচ্চ বৰ্ণ জমিদাৰৰ শোষণ, উৎপীড়নত তিষ্ঠিব ৰাৰি ইছলাম ধৰ্ম গ্ৰহণ কৰে। তেওঁৰ নাম আছিল মেগু সিকদাৰ ওৰফে হাজাৰী ৱান। এই মেগু সিকদাৰৰে ৭ ম্ পুৰুষত জন্ম লাভ কৰা অসমৰ সুসাহিত্যিক-লোচক ইছমাইল হোছেইন। এই ধৰ্মান্তৰৰ ইতিহাসৰ পৰা জনা যায় যে অসম । ভাৰতৰ মুছলমানসকল আৰবীয় মূলৰ নহয়, ভাৰতীয় মূলৰ। এই লোকসকলৰ হ-মগুহ আৰু মানসিতাৰ সৈতে ভাৰতীয় ঐতিহ্য- পৰম্পৰা, হৃদয়-স্পন্দন, মাটি ঃ প্ৰকৃতিৰ সম্পৰ্ক জড়িত হৈ আছে।[১]

১২০২ খ্ৰীঃত ইখতিয়াৰুদ্দিন বখতিয়াৰ খালজীয়ে মাত্ৰ ১৭ জন অশ্বাৰোহী ৰে বংগৰ ৰাজধানী লক্ষ্মণাৱতী হস্তগত কৰি ১২০৫ খ্ৰীঃত কামৰূপৰ মাজেদি তিবৃত-চীন অভিযানলৈ আহোতে লগত আনিছিল প্ৰায় ১০/১২ হাজাৰ সৈন্য। মাত্ৰ তিনি বছৰৰ ভিতৰত তেওঁ ইমান সংখ্যক মুছলমান সৈন্য ক'ৰ পৰা গোটালে সেইটো স্বাভাৱিকতে মনলৈ প্ৰশ্ন আহে। সেইসকল যে বৰ্ণেতৰ হিন্দু লোকে ধৰ্মান্তৰিত হৈ মুছলমান হোৱা লোক সেইটো সহজেই অনুমেয়।

পূৰ্ববংগৰ পৰা প্ৰব্ৰজিত হৈ অহা এই অভিবাসী মুছলমানসকল অসমৰ ধন-সম্পদ শোষণ কৰিবলৈ অহা নাছিল। সেইটো উদ্দেশ্যও নাছিল। আহিছিল অন্ন-বস্ত্ৰ বিচাৰি। অসমলৈ আহি তেওঁলোকে অনাবাদী মাটিত ঘৰ সাজিছিল, লাখ লাখ বিঘা মাটিৰ বন-জংঘল কাটি ধান, মৰাপাট আৰু ৰবি শস্যৰ উপযোগী মাটিত পৰিণত কৰিছিল। তেজ-ঘামেৰে সিক্ত কঠোৰ পৰিশ্ৰমৰ ফলত অসমৰ অৰ্থনৈতিক বৈপ্লৱিক পৰিৱৰ্তন তেওঁলোকেই আনিছে।

বৰ্তমান অসমৰ অভিবাসী মুছলমানসকলে বাস কৰা চৰৰ জিলাভিত্তিক সংখ্যা প্ৰায় এনে ধৰণৰ— দৰঙত ১২১, বৰপেটাত ৩৫১, বঙাইগাঁৱত ১৫০, ধুবুৰীত ৩১৩, কামৰূপত ১৪৮, শোণিতপুৰত ১৮৮, মৰিগাঁৱত ৪১, নগাঁৱত ২৯, গোৱালপাৰাত ১৮৭, ধেমাজিত ৯৫, লখিমপুৰত ১৮২ আৰু ডিব্ৰুগড়ত ৮৬। এইবোৰৰ ভিতৰত বৃহৎ আৰু ক্ষুদ্ৰ চৰো সোমাই আছে।[২] তদুপৰি এই সৰু সৰু-চৰবোৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ অন্তৰ্ভুক্ত। অৱশ্যে চৰৰ এই সংখ্যা বছৰে বছৰে বঢ়া-টুটা হৈ থাকে।

১: অসমৰ জাতীয় জীৱন আৰু অভিবাসী অসমীয়া মুছলমান ঃ ইছমাইল হোছেইনঃ পৃঃ ১১
২: দৈনিক জনসাধাৰণ ঃ মাৰ্চ ঃ ২০০২ চন।

নদীয়ে কোনোবাখন উটুৱাই নিয়ে, কোনোবাখন নতুনকৈ সৃষ্টি কৰে। ঘৰবাৰী পানীয়ে উটুৱাই নিয়াৰ ফলত বহুতে যাযাবৰী জীৱন কটাব লগা হয়।

১৯ শতিকাৰ অব্যৱহিত পিছতে পূৰ্ববংগৰ পৰা কৃষিজীৱী মানুহৰ সোঁত এই চৰবোৰলৈ আৰম্ভ হৈছিল। ১৯১০-১২ খ্ৰীঃৰ ভিতৰত গোৱালপাৰা জিলাৰ লুইতৰ চৰবোৰ ভৰি পৰিছিল পূৰ্ববংগৰ কৃষিজীৱী মুছলমান পৰিয়ালৰ লোকেৰে। বৰপেটীয়া অসমীয়া মহাজন আৰু মাৰোৱাৰী কৃষিজীৱীসকলে চৰাঞ্চল আৰু দুৰ্গম দ ঠাইবোৰ কৃষিৰ উপযোগী কৰি তোলাৰ অৰ্থে টকা-সিকা ধাৰে দি এই লোকসকলক সহায় কৰিছিল। এই সম্বন্ধে শৈলধৰ ৰাজখোৱাৰ আত্ম জীৱনীতো বিশদভাৱে উল্লেখ কৰা আছে। তেওঁ বিগত কুৰি শতিকাৰ দ্বিতীয় দশকত বৰপেটাৰ বন্দোৱস্তী বিষয়া আছিল। তেওঁৰ মতে বৰপেটীয়া অসমীয়া মানুহে দ মাটিত খেতি কৰিব নাজানিছিল আৰু সেইসকল পৰিশ্ৰমীও নাছিল। গতিকে ব্ৰহ্মপুত্ৰ চৰত থকা মৈমনসিঙাবিলাকক চৰৰ পৰা আনি বৰপেটাৰ বেপাৰীবিলাকে বৰপেটা চাৰ্কোলৰ দ ঠাইবোৰত বহুৱাইছিল। তেওঁলোক বৰ পৰিশ্ৰমী বুলি ৰাজখোৱা ডাঙৰীয়াই অভিমত দাঙি ধৰিছিল।

১৯০৪ খ্ৰীঃৰ ৬ ডিচেম্বৰত ফ্ৰেজাৰ ইংৰাজ চাহাবেও বংগদেশৰ পৰা মানুহ আনি অসমত সংস্থাপিত কৰাৰ কাৰণে চুপাৰিছ কৰি ইংৰাজ চৰকাৰলৈ এটা টোকা পঠিয়াইছিল।[১]

Assam Herald ৰ ১৯৪৭ খ্ৰীঃৰ প্ৰতিবেদনৰ মতে দেখা যায়— "They have filled the Government exchequer and the Government's income, was raised from Rs. 45 lakhs to one Crore and six lakhs. This is the contribution of the Bengali Kishans. The Government of Assam are trying to hold their anti Bengali bias by giving it a communal colour but deceptions can not hold for long." লাইন প্ৰথা অনুসন্ধান সমিতি (Line System Enquiry Committee)ৰ সচিব এফ ডব্লিউ হকেনহালে ১৯৩৮ খ্ৰীঃৰ ফেব্ৰুৱাৰী মাহত দাখিল কৰা এক প্ৰতিবেদনতো উল্লেখ কৰা হৈছিল যে অভিবাসী বাসিন্দা (Immigrant Settlers) সকলৰ সহায় অবিহনে স্বদেশী লোকে ৰাজ্যখনৰ প্ৰচুৰ অনাবাদী পতিত মাটিৰ ব্যৱহাৰৰ উপায় সোনকালে উদ্ভাৱন কৰা অসম্ভৱ।[২]

১: লুইত বৰাক আৰু ইছলাম মেদিনী চৌধুৰী ঃ পৃঃ ৭৪-৭৫

২: অসমৰ জাতীয় জীৱন আৰু অভিবাসী অসমীয়া মুছলমান, ইছমাইল হোছেইন ঃ পৃঃ ৩৩-৩৪

অসমৰ অনাবাদী মাটিক শস্য-শ্যামলা কৰি তোলা এই চৰবাসী মুছলমানসকলৰ বিষয়ে অসমৰ প্ৰখ্যাত লেখক অমলেন্দু গুহই কৈছিল— 'চৰবাসী মুছলমানসকল এতিয়া আৰু পমুৱা বা মৈমনসিঙীয়া নহয়, তেওঁলোক এতিয়া ন অসমীয়া। হয়, অসমীয়া সমাজত সম্পূৰ্ণ বিলীন হৈ ন-অসমীয়া শব্দটোলৈ আপত্তি কৰি আছে, নাইবা ইয়াক মানি লৈ পূৰ্ণৰূপে অসমীয়া হোৱাৰ বাটত আগবাঢ়ি আছে.....চৰবাসীসকলে অসমৰ কৃষিক চহকী কৰিছে। অসমীয়া ভাষা-সংস্কৃতিকো চহকী কৰিছে। এতেকে তেওঁলোকক এতিয়া আমি বৃহত্তৰ অৰ্থত হাড়ে-হিমজুৱে অসমীয়া বুলিহে গণ্য কৰোঁ। ময়ো মৈমনসিঙৰ পৰা অহা মা-দেউতাৰ সন্তান হৈও নিজকে অসমীয়া বুলি গণ্য কৰোঁ।'[১]

পূৰ্ববংগতে হওঁক, অসমতে হওঁক নতুবা ভাৰতৰ অন্যান্য প্ৰদেশবোৰতে হওঁক এই ধৰ্মান্তৰ প্ৰক্ৰিয়া অৱধাৰিত গতিত চলিছিল। যিহেতু ধনীক শ্ৰেণী জমিদাৰ তাতে উচ্চবৰ্ণৰ গতিকে নিম্ন বৰ্ণৰ খেতিয়ক বা খাটীখোৱা মানুহৰ লগত তেওঁলোকে হলিগলি কৰা মৰ্য্যদা হানিকৰ বুলি ভাবিছিল। গতিকে নিম্ন শ্ৰেণীক হীন বা নীচ বুলি আঁতৰত ৰাখিছিল। তেনে অবৰ্ণনীয় সামাজিক তথা অৰ্থনৈতিক দুৰ্যোগত ভোগী মানুহ মুছলমান ধৰ্মলৈ ধাৱিত হৈছিল। প্ৰকাৰান্তৰে বাবুগিৰি কৰা উচ্চবৰ্ণৰ জমিদাৰসকলে সেই ধৰ্মান্তৰ প্ৰক্ৰিয়াক বাধা দিব পৰা নাছিল। বেদ, বেদান্ত, উপনিষদ, পুৰাণ আদি হিন্দু ধৰ্ম গ্ৰন্থসমূহ উচ্চবৰ্ণৰ হিন্দুসকলৰ কজাত আছিল। নিম্ন বৰ্ণই সেইবোৰ পঢ়া নিষেধ আছিল। উচ্চ বৰ্ণৰ লোকসকলে বেদ, উপনিষদ, পুৰাণ আদিত হয়তো ভৱিষ্যৎ বাণী এটাৰ উল্লেখ থকা গোন্ধ পাইছিল।

ভৱিষ্য পুৰাণত আছে—

এতস্মিন্নন্তৰে ম্লেচ্ছ আচাৰ্যেন সমন্বিতঃ।
মহামদ ইতি খ্যাতঃ শিষ্যশাখাসমন্বিত-।।৫।।
নৃপশ্চৈব মহাদেৱং মৰু স্থলনিবাসিনম্
গঙ্গাজলৈশ্চ সংস্নাপ্য পঞ্চগব্যসমন্বিতৈঃ
চন্দনাদিভিৰভ্যৰ্চ তুষ্টাব মনসা হৰম্।।৬।।
নমস্তে গিৰিজানাথ মৰুস্থলনিবাসিনে
ত্ৰিপুৰাসুৰনাশায় বহুমায়াপ্ৰবৰ্তিনে।।৭।।

১: অসমৰ জাতীয় জীৱন আৰু অভিবাসী অসমীয়া মুছলমান, ইছমাইল হোছেইন ঃ পৃঃ ৬৭

ভাবাৰ্থ— ঠিক সেই সময়ত 'মহামদ' নামে এজন ব্যক্তি মৰুদেশত আপোন সংগীসহ আবিৰ্ভাব হ'ব। হে মৰুদেশৰ প্ৰভু, হে জগত গুৰু তোমাৰ প্ৰতি আমাৰ স্তুতি। তুমি জগতৰ সমুদায় কলুষ নাশ কৰাৰ উপায় জানা— তোমাক নমস্কাৰ।

'অল্লোপনিষদৰ' এঠাইত দেখা যায়ঃ

হোতাৰমিন্দ্ৰো হোতাৰমিন্দ্ৰো মহাসুৰিন্দ্ৰাঃ।
অল্লো জ্যেষ্ঠং শ্ৰেষ্ঠং পৰমং পূৰ্ণং ব্ৰহ্মাণ অল্লাম।।
আল্লাহ্ ৰসুৰমহমদৰকং বৰস্য অল্লো অল্লাম।
আদল্লাবুকমে ককম অল্লাবুক নিখাতকম।।৩।।

ভাবাৰ্থ— আল্লাহ সকলো গুণৰ অধিকাৰী। তেওঁ পূৰ্ণ আৰু সৰ্বজ্ঞানী। মহম্মদ আল্লাৰ ৰছুল। আল্লা জ্যোতিষ্মান, অক্ষয় এক, চিৰ পৰিপূৰ্ণ আৰু স্বয়ম্ভু।[১]

এই ধৰ্মগ্ৰন্থসমূহ উচ্চ বৰ্ণৰ হিন্দুসকলৰ হাতত আছিল। তেওঁলোকে জানিছিল হজৰত মহম্মদ নামৰ পয়গম্বৰ এজনৰ দ্বাৰা পৃথিৱীত একেশ্বৰবাদী ধৰ্ম এটা প্ৰবৰ্তন হ'ব। যিটো ধৰ্মত নাথাকিব গোড়ামীৰ প্ৰাচুৰ্য আৰু উচ্চ-নিম্নৰ ভেদাভেদ। তেওঁ সৰ্বাগুণাকৰ হৈ সমগ্ৰ পৃথিৱীত তেওঁৰ সাম্য-মৈত্ৰীৰ ধৰ্ম প্ৰচাৰ কৰিব আৰু পৃথিৱীৰ এক গুৰুসংখ্যক মানুহ তেওঁৰ ধৰ্মলৈ ধৰ্মান্তৰিত হ'ব। তেওঁলোকে আৰু জানিছিল ইতিমধ্যে ৭ম শতিকাত আৰব মৰুত এই ধৰ্ম প্ৰবৰ্তন হৈছে আৰু মানুহ ইখন দেশৰ পৰা সিখন দেশলৈ মহম্মদে প্ৰবৰ্তন কৰা ইছলাম ধৰ্মলৈ ধৰ্মান্তৰিত হৈছে। গতিকে পূৰ্ববংগ তথা সমগ্ৰ ভাৰত তাৰ ব্যতিক্ৰম হ'ব নোৱাৰে। উচ্চ বৰ্ণৰ হিন্দুসকলে এই ধৰ্মান্তৰ প্ৰক্ৰিয়াক বন্ধ কৰাৰ পথ কোনো ফালৰ পৰা বিচাৰি পোৱা নাছিল বা চেষ্টাও কৰা নাছিল। যিহেতু নিম্ন বৰ্ণৰ খেতিয়কসকলক তেওঁলোকে সামাজিক বৰ্জনৰে প্ৰায় এঘৰীয়া কৰি ৰাখিছিল গতিকে জাত-পাত যোৱাৰ ভয়ত নতুবা বাবুগিৰি হানি হোৱাৰ মনান্তৰত ভোগী নজনা ভাও ধৰি নিজৰ অহংভাব ৰক্ষা কৰি চলিছিল।

তাৰ ফলত কোনো প্ৰতিবন্ধকতা নাপায়, দেশৰ প্ৰচলিত আইন আদালতেও কোনো নীতি উদ্ভাৱন নকৰাৰ ফলত ব্যক্তি স্বাধীনতাৰ মতত মানুহে জাউৰিয়ে জাউৰিয়ে ধৰ্মান্তৰিত হৈছিল। তদুপৰি এই বৰ্ণ বৈষম্য সৃষ্টিৰ গুৰিতে আছিল কৌলীন্য প্ৰথা। বল্লাল আৰু লক্ষ্মণ সেনৰ ৰাজত্ব কালত সমস্ত ৰাজশক্তি নিয়োজিত কৰিছিল

১: বিশ্ব নবীৰ উদ্ধৃতিৰে মৰু ফুলৰ সৌৰভ ঃ আবদুৰ ৰহমান ঃ পৃঃ ১৫-১৬

ব্রাহ্মণ্য ব্যৱস্থা পুনৰ প্ৰৱৰ্তনৰ বাবে। এই নীতিৰ বলি হৈ প্ৰাক্ ইছলাম পূৰ্ব ভাৰতৰ বৰ্ণেতৰ জনসাধাৰণ বিশেষকৈ বৌদ্ধ ধৰ্মৰ লোকসকল হৈছিল বিভিন্ন প্ৰকাৰে নিৰ্যাতিত। সেয়ে বৌদ্ধ স্বৰ্ণ বণিক্যই স্বভূমি পৰিত্যাগ কৰিছিল। এনে দৃষ্টান্তয়ো দেখা দিছিল যে বহুত বিবাহযোগ্য কুলীন কন্যাৰ পিতৃ-মাতৃ, পৰিয়াল- পৰিজন হৈ পৰিছিল সৰ্বস্বান্ত ব্ৰাহ্মণৰ কবলত পৰি।

ইছলাম ধৰ্মই ঠিক এনে এক ঐতিহাসিক ক্ষণতে প্ৰাসংগিক হৈ পৰিছিল। বিতাড়িত বৌদ্ধ, নিৰ্যাতিত বৰ্ণেতৰ নিঃসহায় কুলীন অনেকেই ইছলাম ধৰ্মই প্ৰসাৰিত কৰা নতুন আশ্ৰয় গ্ৰহণ কৰি স্বস্তিৰ নিশ্বাস কাঢ়িছিল। তথাপি বংগৰ বাবুসকলৰ গা লৰা নাছিল।

"ৰাজবংশী মুছলমান গেলা ইংৰাজ মাৰিবাৰে
বাবুগণ আছিলা মজা দেখিবাৰে।"[১]

অসমৰ অধিবাসী মুছলমানসকলে যে অকল কৃষিতে বৈপ্লৱিক পৰিৱৰ্তন আনিছে সেইটো নহয়। অসমীয়া ভাষা অসমত বৰ্তাই ৰখা ক্ষেত্ৰতো এক দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে। অসম সাহিত্য সভাৰ ১৯২৬ খ্ৰীঃৰ ধুবুৰী অধিৱেশনৰ সভাপতি বেণুধৰ ৰাজখোৱাদেৱে তেওঁৰ অভিভাষণত কৈছিল— "অসমলৈ ময়মনসিং জিলাৰ বহু মুছলমান আহিছে।..... মীৰজুমলাৰ লগত অহা বহু মুছলমান অসমত থাকি গ'ল— তেওঁলোক অসমীয়া জাতিৰ লগত মিহলি হ'ল। ময়মনসিঙীয়াসকলে সেইদৰে অসমতে চিৰস্থায়ীকৈ বাস কৰি অসমীয়া বুলিবলৈ গৌৰৱ অনুভৱ কৰিব, তাত কোনো ভুল নাই।" ১৯৪০ খ্ৰীঃত অনুষ্ঠিত ১৮তম যোৰহাট অধিৱেশনৰ সভাপতি ডঃ ময়িদুল ইছলাম বৰাদেৱে তেওঁৰ অভিভাষণত ৰাজখোৱাদেৱৰ আহ্বানৰ পূৰ্ণ ৰূপ পোৱাৰ ইংগিত বহন কৰে। ডঃ বৰাদেৱে ভাষণত কৈছিল— "অলপতে বৰপেটাৰ জয়পুৰ গাঁৱত শিশু ছাত্ৰ সন্মিলনৰ দ্বিতীয় বাৰ্ষিক অধিৱেশন বহিছিল। ইয়াৰ সকলোবিলাক মানুহেই পমুৱা। সেই সভাত খোন্দকাৰ চমচেৰ আলীচাহাবে তেওঁৰ বক্তৃতাৰ ভিতৰত এইদৰে কয় ঃ যেনেকৈ আমি আৰব এৰি, পাৰস্য এৰি আফগানিস্তান এৰি, পঞ্জাব এৰি বঙালী হৈছোঁ সেইদৰে আমি বংগদেশ এৰি অসমীয়া হৈছোঁ। এতিয়া আমি খাটী অসমীয়া। আমাৰ মঙহ, অসমৰ মঙহ, আমাৰ তেজ অসমৰ তেজ।"

---

১ : লুইত আৰু বৰাক আৰু ইছলাম ঃ মেদিনী চৌধুৰী ঃ পৃঃ ৩২/৬১

অসমীয়া ভাষাৰ স্বকীয় মৰ্যাদা ৰক্ষা কৰাতো এই অভিবাসী মুছলমানসকলৰ অৱদান অন্যতম। ১৯৬০ খ্ৰীঃৰ ৰাজ্য ভাষা আন্দোলন আৰু ১৯৭২ খ্ৰীঃৰ মাধ্যম আন্দোলনত তেওঁলোকৰ অৱদানৰ অবিহনে হয়তো অসমত অসমীয়া ভাষাই স্বকীয় মৰ্যাদা হেৰুৱাব লগা হ'লহেঁতেন। ব্ৰিটিছ অসমলৈ অহাৰ পিছত ৩৬ বছৰ কাল অসমৰ পৰা অসমীয়া ভাষাই হৰলুকি দিয়াৰ অৱস্থাই হয়তো হ'লহেঁতেন।

১৯৬০ খ্ৰীঃৰ ভাষা আন্দোলন আৰু ১৯৭২ খ্ৰীঃৰ মাধ্যম আন্দোলনৰ সময়ত অবিভক্ত কামৰূপ, নগাঁও, গোৱালপাৰা, লখিমপুৰ দৰং আদি বিভিন্ন জিলাৰ অভিবাসী মুছলমান অধ্যুষিত অঞ্চলবোৰত অসমীয়া ভাষাৰ হকে প্ৰাথমিক বিদ্যালয়ৰ পৰা মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীয়ে ধৰ্মঘটত যোগ দিছিল যাৰ যোগদানৰ ফলত অসমীয়া ভাষিক শ্ৰেণী সংখ্যাগৰিষ্ঠ হৈ অসমীয়া ভাষাৰ স্বকীয় মৰ্যাদা ৰক্ষা কৰিবলৈ সমৰ্থ হৈছিল।

১৯৬১ খ্ৰীঃৰ অসমৰ লোকপিয়লৰ অধ্যক্ষৰ টোকাত এষাৰ কথা প্ৰকাশ পাইছিল।— "When they come to Assam those Muslim immigrants honestly try to know the Assamese Language and send their children to schools where the Assamese Language is the medium of instruction."

অসমলৈ তৰপে তৰপে বিভিন্ন জনগোষ্ঠী প্ৰব্ৰজিত হৈ আহি এটা বৃহৎ অসমীয়া জাতি গঢ়ি উঠিছিল। একেবাৰে শেষৰ তৰপটো হ'ল এই প্ৰব্ৰজিত অভিবাসী মুছলমানসকল। অষ্ট্ৰিক, মঙ্গোলীয়, ককেছীয় আৰু তাৰ পৰা ওলোৱা গোষ্ঠী টাই আহোম আদি, কণৌজীয় ব্ৰাহ্মণ, মোগল-পাঠান-তুৰ্কী আদি অসমলৈ আহি সাতোটা গিলাচৰ পানী এক হৈ মিলি যোৱাৰ দৰে অসমৰ ভৌগোলিক পৰিসীমাৰ ভিতৰত অসমীয়া হৈ মিলি গ'ল। মিলি গ'ল তেনেদৰে অসমৰ অভিবাসী মুছলমানসকল।

মহেন্দ্ৰ বৰাদেৱে সাহিত্য সভাৰ ৫৩ তম্ পাঠশালা অধিবেশনৰ অভিভাষণত এষাৰ সাৰুৱা কথা কৈ গৈছে— "বিভিন্ন প্ৰজাতিৰ মানুহৰ দ্বাৰা পিঁয়াজটোৰ দৰে সৃষ্টি হোৱা অসমীয়া জাতিটো পিঁয়াজৰ ওপৰৰ চামনিটো যেনিবা চৰ-চাপৰিত বাস কৰা মানুহখিনি। সেইখিনি অসমীয়া জাতিটোৰ পৰা এৰুৱাই পেলালে গোটেই পিঁয়াজটো ভেঁকুৰ ধৰি পচি যোৱাৰ দৰে জাতিটোৱেই উঁৱলি যাব। কাৰণ ৰাজ্যিক ভিত্তিত তেওঁলোকে আটায়ে অসমীয়া ভাষী।"

এই অভিবাসী বা বংগমূলীয় মুছলমানৰ আগমনৰ বাহিৰেও বিহাৰ আৰু উত্তৰ প্ৰদেশৰ পৰা বহুতো মুছলমান লোকৰ অসমলৈ আগমন ঘটিছিল, যি সকলক

অসমত দেচোৱালী নামেৰে জনা যায়। বিহাৰী মুছলমানসকল আহিছিল বিশেষকৈ শ্ৰমিক হিচাপে আৰু উত্তৰ প্ৰদেশৰ মুছলমান আহিছিল ব্যৱসায় ভিত্তিত। তুলনামূলকভাৱে উত্তৰ প্ৰদেশৰ মুছলমান অসমত কম। তেওঁলোকৰ প্ৰধান ব্যৱসায় হৈছে ছাগলী বা ভেড়াৰ মাংস বিক্ৰী কৰা। তদুপৰি এই দুয়ো প্ৰদেশৰ মুছলমান লোক অসমৰ সৈন্য বাহিনীত নিযুক্তি লাভ কৰিছিল। এইসকলক হিন্দুস্তানী চিপাহী বোলা হৈছিল। অসমত স্বৰ্গদেউ গৌৰীনাথ সিংহৰ ৰাজত্বকালৰ পৰা ১৮৫৭ খ্ৰীঃৰ চিপাহী বিদ্ৰোহকে ভিতৰ কৰি দেশৰ স্বাধীনতাৰ আগত বা পিছত এই হিন্দুস্তানী মুছলমান থলুৱা অসমীয়াতকৈ অধিক সংখ্যক লোক চিপাহীত ভৰ্তি হৈছিল। ১৮৫৭ খ্ৰীঃত ডিব্ৰুগড়ত থকা ১ম অসম লঘু পদাতিক বাহিনী আৰু স্থানীয় গোলন্দাজ বাহিনীত বহুসংখ্যক হিন্দুস্তানী চিপাহী আছিল। গুৱাহাটীৰ দ্বিতীয় অসম লঘু পদাতিক বাহিনীতো কিছুসংখ্যক হিন্দুস্তানী চিপাহী আছিল। আলীখান, চেখ গণি, হিদায়ত আলী চিপাহীসকলে ঔপনিবেশিক আমোলৰ চ ৰকাৰ ব্ৰিটিছ কোম্পানীৰ পৰা ভাৰতক মুক্ত কৰিবলৈ চিপাহী বিদ্ৰোহত ভাগ লৈ অসমৰ পৰা আজীৱন দেশান্তৰিত শাস্তি লব লগা হৈছিল।

অসমৰ সামৰিক বাহিনীত চাকৰি কৰিবলৈ আহি এই হিন্দুস্তানী চিপাহীসকলে অসমৰ থলুৱা তিৰোতা বিয়া কৰাই অসমৰ অসমীয়া হৈছিল।

অসমলৈ ব্ৰিটিছৰ আগমনৰ শতাব্দীটোত আবিষ্কাৰ হৈছিল চূণশিলৰ খনি, লখিমপুৰ জিলাৰ মাকুমকে ধৰি কেইবাঠাইত কয়লা, ডিগবৈত ওলাইছিল তেলৰ পুং। এইবোৰ উদ্যোগত বিহাৰৰ পৰা বনুৱা আনি কাম কৰোৱা হৈছিল। লগতে ব্ৰুচ চাহাবে অসমত চাহগছ আবিষ্কাৰ কৰাত বহুতো চাহ বাগান প্ৰতিষ্ঠা কৰা হয়। এই বাগানবোৰতো চাহ পুলি ৰোপণ এই বনুৱাসকলৰ দ্বাৰাই কৰোৱা হৈছিল। তাৰ প্ৰতিপালন, যতন, উৎপাদনৰ ক্ষেত্ৰতো তেওঁলোকক নিয়োগ কৰা হৈছিল। এইসকল শ্ৰমিকক 'স্কিল লেবাৰ' আখ্যা দিয়া হৈছিল।

ইয়াৰ বিপৰীতে বহুতো বিহাৰী মুছলমান মাটি কটা কাম, ৰাজমিস্ত্ৰী, অন্যান্য কাৰিকৰ, বোজা কঢ়িওৱা ঠেলা, ৰিক্সা চলোৱা, আলু-পিঁয়াজৰ ব্যৱসায় আদি কৰ্মত নিয়োজিত হ'বলৈ অসমলৈ আহে। থলুৱা অসমীয়া লোকে এইবোৰ কাম লজ্জাৰ বৃত্তি বুলি ভাবিছিল কাৰণে বিহাৰী লোকে সেইবোৰ বৃত্তিত সিংহভাগ দখল কৰিছিল। পৰম্পৰাগতভাৱে সেইবোৰ কাম তেওঁলোকে এতিয়াও চলাই আছে। অৱশ্যে পূৰ্ববংগীয় মুছলমানৰ আগমনত তেওঁলোক স্তিমিত হোৱা দেখা গৈছে। তথাপি অসমত বৃহৎ উদ্যোগ নাথাকিলেও ক্ষুদ্ৰ উদ্যোগ একেবাৰে নোহোৱা নহয়। সেই

উদ্যোগসমূহতো বিহাৰী লোকক মালিক শ্ৰেণীয়ে অগ্ৰাধিকাৰ দিয়া দেখা যায়। ইয়াৰ গুৰিতে হ'ল কৰ্মপটুতাৰ গুণ।

বৰ্তমান আধুনিকতাৰ পৰশত অসমীয়া মানুহৰো বসবাস আৰু জীৱন নিৰ্বাহৰ প্ৰণালী দ্ৰুগতিত পৰিবৰ্তন আহিছে। মানুহৰ চাহিদানুযায়ী অসমৰ চুকে-কোণে গঢ়ি উঠিছে ইটাভাটা উদ্যোগ। এই উদ্যোগত কাম কৰা বনুৱা বিহাৰী মানুহ অপৰিহাৰ্য। যদিও তেওঁলোক এটা সময়ৰ কাৰণে আহে তাৰে কিছুসংখ্যক লোক ঘূৰি নাযায়, অসমতে ৰৈ যায়। কালক্ৰমত তেওঁলোকো হৈ পৰে অসমীয়া। তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, দৰং আদি জিলাত বনুৱা হিচাপে আহি অসমতে ৰৈ গৈ পিছলৈ সেই পূৰ্বৰ বৃত্তি ত্যাগ কৰি অসমৰ বাসিন্দা হৈ পৰিছে। আকৌ বহুতে সাধাৰণ বৃত্তিৰ পৰা অধ্যাৱসায়ৰ গুণত নিজে ক্ষুদ্ৰ বা মজলীয়া উদ্যোগৰ অধিপতি হৈছে।

কাবুলৰ পৰাও এক শ্ৰেণী মুছলমান লোক অসমলৈ আহে টকাৰ ব্যৱসায় কৰিবলৈ। টকা সুদত দিয়াই তেওঁলোকৰ বৃত্তি। সেইসকলক কাবুলিৱলা নামে জনা যায়। সেই সকলৰো কিছুমান নিজ দেশলৈ প্ৰত্যাবৰ্তন নকৰি অসমৰে বাসিন্দা হয়। তেনে মুছলমান পৰিয়াল অসমত অগণন আছে।

মুঠৰ ওপৰত অসমৰ মুছলমান একে ধৰ্মৰ হ'লেও স্থান-কাল-পাত্ৰ, চেহেৰাপাতি, বাসস্থানৰ প্ৰণালী ভিন্ন সুঁতিৰে প্ৰবাহমান হৈ আকৌ এটা মোহনাতে লগ লাগিছে। সেই মোহনাটোৱেই হ'ল অসমৰ অসমীয়া। তেওঁলোকক ধৰ্মৰে পৰিচয় পাব নোৱাৰি, পৰিচয় পাব পাৰি অসমৰ অসমীয়া হিচাপে। উজনি অসমত হিন্দু-মুছলমান উভয়ৰে এটা খেল সনা-পিঠা হৈ আছে; সেইটো হ'ল — আহোম ৰজা প্ৰতাপ সিংহৰ দিনত (১৬১১-১৬৪১ খৃঃ) এজন মুছলমান যুদ্ধবন্দীয়ে শেন চৰাইৰ যুঁজ খেল-ধেমালি হিচাপে প্ৰচলন কৰিছিল। ৰাজ অনুগ্ৰহ লাভ কৰি হিন্দু মুছলমান উভয়ে এই শেন মেলা খেলত অংশ গ্ৰহণ কৰি একোটা ফৈদত পৰিণত হৈছিল। সেই সকলৰ বংশধৰ নগাঁও জিলাত বৰ্তমানেও আছে। সেইদৰে আছে লখিমপুৰ জিলাত মুছলমান শেনচোৱা গাওঁ সম্প্ৰীতিৰ এনাজৰী গাঁঠি।[১]

---

১ : Assam-Muslim Relation and Its Cultural Significance : Dr. M.K. Saikia : Chaper VII : Page - 155

সংমিশ্ৰণত অসমীয়া মুছলমান সমাজৰ ৰূপৰেখা

অসমৰ বহু জনগোষ্ঠীয় সমাজখনৰ সৈতে মুছলমান সমাজখনো একত্ৰিত হৈ পৰে ত্ৰয়োদশ শতিকাৰ আৰম্ভণিৰ পৰাই। বহুতে ক'ব খোজে মুছলমানসকলৰ সামাজিক চেতনাবোধ বৰ নিশকতীয়া। কিন্তু এই ভ্ৰান্ত ধাৰণাটো ঐতিহাসিকভাৱে শুদ্ধ নহয়। আজিৰ অসমীয়া সমাজখনৰ লগত সেই তাহানিৰ পৰাই অসমৰ মুছলমানসকলে আধুনিক অসম গঢ়াত যি চেতনাবোধ জগাই তুলিছিল তাহানিৰ অইন জনগোষ্ঠীয়ে সাৰ্বজনীনভাৱে চেতনাবোধ জগাই তোলা মানসিকতাৰ পৰিচয় পোৱা নাযায়।

কলা-সংস্কৃতি, সাহিত্যকে ভিতৰ কৰি ৰাজনৈতিক মঞ্চসমূহত মুছলমানসকলে আদি অসমীয়া হিচাপে যি অৰিহণা যোগাই আহিছে অসমৰ শৈক্ষিক মহলত সেইটো সদায়েই উপলব্ধ। যিসকল অসমীয়া হৈয়ো অসমখনৰ বৈচিত্ৰ্যময় বাস্তৱ চিত্ৰখন চিনি নাপালে বা পোৱা নাই সেইসকলৰ একপক্ষীয় দৃষ্টিভংগীত তেনে ভ্ৰান্ত ধাৰণা থকাতো স্বাভাৱিক। অতীত ইতিহাসৰ লগত যিসকল অসমীয়া বুদ্ধিজীৱী সাঙোৰ খাই আছে তেওঁলোকে অসমৰ মুছলমানৰ বহু অৰিহণাই দেখা পাব। যিবোৰ অসমীয়া সমাজৰ লগত সংমিশ্ৰণ ঘটি সাৰ্বজনীন ৰূপ পাইছে।

আহোম ৰজা প্ৰতাপ সিংহৰ দিনত অসমৰ সীমা পাৰ হৈ গৈ বংগদেশৰ ঢাকাৰ নবাবৰ অনুমতি সাপেক্ষে সোণাৰী, জয়হৰি আৰু নৰহৰি মুদৈয়ে বেপাৰ বাণিজ্য কৰি মুছলমান নবাবৰ লগত সম্প্ৰীতি গঢ়ি তুলিছিল— যিটো কথা দেওধাই অসম বুৰঞ্জীত উল্লেখ আছে। এই সমন্বয়ৰ দ্বাৰা মুছলমানৰ বহু ৰীতি-নীতি আৰু বহু সামগ্ৰী অসমলৈ আমদানি হৈ অসমৰ ব্যৱসায় আৰু ৰীতি-নীতিক চহকী কৰি তুলি দিছিল। দিল্লীৰ সম্ৰাট ঔৰংজেবৰ বোৱাৰী হৈ ৰমণী গাভৰু ওৰফে ৰহমত বানুই আহোম ৰজালৈ উপঢৌকন হিচাপে পঠোৱা সাজ-সৰঞ্জামসমূহ পিছত অসমীয়া আঢ্যৱন্ত ব্যক্তিসকলৰ বৰ মূল্যৱান সম্পত্তি হৈ পৰিছিল। এই উপঢৌকনসমূহ কঢ়িয়াই অসমলৈ আনিছিল দোৰবেগ আৰু ৰুস্তমবেগ নামৰ দুজন মুছলমান কটকীয়ে।

মুছলমানৰ অসম আক্ৰমণৰ আগত ঘোঁৰাৰ ব্যৱহাৰ নাছিল। মুছলমান অশ্বাৰোহী সৈন্যলৈ অসমীয়া সৈন্যই বৰ ভয় কৰিছিল। অসমীয়া সেনাই জোং-যাঠীৰে বহুতৰ লগত যুদ্ধ কৰিব পাৰিছিল, কিন্তু এজন বা দুজন মুছলমান অশ্বাৰোহী সৈন্যই এজাক সৈন্যক খেদি পঠাব পাৰিছিল। মুছলমানৰ পৰা অসমৰ ঘোঁৰাৰ

প্ৰচলন হোৱাত অসমৰ ৰাজনৈতিক দৃশ্যপট সলনি হৈছিল। সলনি হৈছিল অসমীয়াৰ আত্যৱন্ত সমাজখন। তেনেকৈ তুৰ্বকৰ অসম আক্ৰমণৰ পিছৰ পৰাই মোগলীয় উপাদানেৰে গঢ়া যুদ্ধৰ আগ্নেয়াস্ত্ৰই অসমক প্ৰগতিমুখী কৰি গঢ়াত বিশেষ অৰিহণা যোগায়। গেন্ধেলা গৰিয়া নামৰ মুছলমান কাৰিকৰজন এই ক্ষেত্ৰত একক বাটকটীয়া।

শ্ৰীমন্ত শংকৰদেৱৰ ইমান উদাৰ আছিল যে তেওঁৰ ধৰ্মমতত গাৰো, মিৰি, ভোট, মুছলমান আদিক মহাপুৰুষীয়া ধৰ্মত একে শাৰীত থিয় কৰাইছিল। মুছলমানৰ একেশ্বৰবাদ তেওঁৰ ধৰ্মমতত যে প্ৰভাৱ পৰিছিল তাক সহজেই অনুমান কৰিব পাৰি। তেওঁৰ প্ৰিয় মুছলমান শিষ্য চান্দ খাঁই যে অকল দৰ্জিগিৰি কৰিয়েই ক্ষান্ত আছিল তেনে নহয়; তেওঁ বহুতো ভকতীয়া গীত লিখি সম্প্ৰীতিৰ নিদৰ্শন দাঙি ধৰিছিল। শংকৰ-মাধৱেও বহুতো আৰবী-ফাৰ্চী শব্দ বৰগীতসমূহত ব্যৱহাৰ কৰি অসমীয়া শব্দৰ ভঁৰাল চহকী কৰিছিল। চান্দ খাঁই হিন্দু-মুছলমানৰ মাজত সদ্ভাৱ-সম্প্ৰীতি স্থাপন কৰা চেষ্টাৰ উপৰিও বৌদ্ধচৰ্যা পদৰ সদৃশ দ্বি অৰ্থব্যঞ্জক মনোৰম ফকৰা গীত ৰচনা কৰি গৈছে বুলি ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে তেওঁৰ লিখনিত উল্লেখ কৰি গৈছে।

বাদ্যযন্ত্ৰ আৰু সংগীততো অসমীয়া মুছলমানৰ এটা বিৰাট অৱদান। ওস্তাদ ফৰ্মুদ আলী আহোম ৰজা কন্দৰ্পেশ্বৰ সিংহৰ দিনত ৰজাঘৰীয়া গায়ন-বায়নৰ ওজা আছিল। তেওঁ আছিল সুন্দৰ বেহেলাবাদক। পিছলৈ এই সংগীতৰ ধাৰা সাধাৰণ মানুহৰ মাজলৈ ওলাই আহি অসমৰ সমাজ জীৱনত এক নৱ সংস্কৃতি গঢ়ি তোলে।

জোতা, আঁতৰ, গোলাপজল, আতৰদানী, পিকদানী, হোকা, নলিচা, চামুচ আদি সামগ্ৰীসমূহ মুছলমানৰ যোগেদিয়েই অসমীয়া সমাজত প্ৰচলন হৈ পৰে। হাচনাহানা আৰু গোলাপ ফুল কোনে আদৰ নকৰে? সেয়াও দেখোন মুছলমানৰে অৱদান।

চিৰাজ গল্প আৰু তাৰ পৰা উদ্ভৱ নাটক, য'ত এজন মুছলমানে হিন্দু পৰিত্যক্তা নাৰী এজনীক উদ্ধাৰ কৰি হিন্দুৰ সমাজ ব্যৱস্থাকে সলনি কৰি দিছিল তাক জানো কোনোবাই ওলাও কৰিব পাৰে? আহোমৰ ৰাজশাসন চলাবলৈ প্ৰধান বিষয়া আছিল তিনিজন। তেওঁলোক যথাক্ৰমে বুঢ়াগোহাঁই, বৰগোহাঁই আৰু বৰপাত্ৰগোহাঁই। সাধাৰণ প্ৰজাক পাইক বোলা হৈছিল। এই পাইকসকলেই পদাতিক। তেওঁলোকে পোন্ধৰ বছৰৰ পৰা পঞ্চাশ বছৰলৈ ৰজাঘৰত খাটিব লাগিছিল। অৱশ্যে উচ্চ শ্ৰেণীৰ বিষয়া, পুৰোহিত উচ্চ বংশৰ লোক আৰু লগুৱা লিক্‌চৌক এই কামৰ পৰা ৰেহাই দিয়া হৈছিল। চাৰিজন পাইকেৰে একোটা গোটৰ সৃষ্টি হৈছিল। কিন্তু স্বৰ্গদেউ ৰাজেশ্বৰ

সিংহই উজনি অসমৰ ক্ষেত্ৰত তিনিজন পাইকেৰে একোটা গোট কৰাৰ নিয়ম কৰে। ২০জন পাইকৰ খেলৰ দায়িত্বত বৰা, ১০০জনৰ ওপৰত শইকীয়া, ১০০০জনৰ ওপৰত হাজৰিকা, ৩০০০জনৰ ভাৰপ্ৰাপ্তজন ৰাজখোৱা আৰু ৬০০০জনৰ দায়িত্বত থকাজনক ফুকন উপাধি দিয়া হৈছিল। একোটা অঞ্চলৰ সামৰিক মৰ্যাদা দি বৰফুকন পতা হৈছিল। তেওঁক ৬জন ফুকনে যুটীয়াভাৱে সহায় কৰিছিল।

এই বিষয়াসকলৰ ভিতৰত আটাইতকৈ মৰ্যাদাপূৰ্ণ পদ আছিল ফুকনৰ। ফুকনৰ পদমৰ্যাদা সম্বন্ধে ৱেড চাহাবে কৈছে যে প্ৰাচীন মোগল চৰকাৰৰ বিষয়-বাবৰ লগত ইয়াৰ সাদৃশ্য আছে'—

"The office of Fukan has some affinity to a rank in the ancient Mugal Government". An account of Assam by Dr. Wade.

অসম চৰকাৰেও সেই সময়ত ফুকনক সামৰিক পদমৰ্যাদা দি আদালতৰ ফুকন পাতিছিল।

"The nation of Assam generally denominate the Military Fukans by the more respectable Titles of Judges (Adalatar Fukan)" Dr. Wade's-An account of Assam.

এইমতে আহোম ৰাজদৰবাৰত - ১৬ জন দেৱান, এজন নবাব ডেকা, দুজন ফাৰ্চী পঢ়ীয়া আৰু এজন আখৰ কটীয়া আছিল। মুছলমান বিষয়া নিয়োগ আৰু আহোম দৰবাৰত মুছলমান বিষয়া থকা সম্পৰ্কে এনেদৰে দেখা যায়—

"But we know that there were learned Muhammedans in Assam in those days, some of whom were appointed in the Persian Department of the Ahom Government, who could very easily acquire a mastery of Assamese prose style, Of the Muhammadan officers of the Ahom court, there were 16 Dewans, 1 Nowab Deka, 2 Persian readers, and one engraver"

– Annals of the Delhi Badshahate.[১]

ইছমাইল চিদ্দিকিয়ে আহোম স্বৰ্গদেউৰ প্ৰদত্ত হাজৰিকা খিতাপ পাইছিল। ২৫ বছৰত তেওঁ দিল্লীৰ পৰা অসমলৈ আহে। ইয়াতে আহোম সম্প্ৰদায়ৰ এগৰাকী ছোৱালী বিয়া কৰাই নিগাৰ্জীকৈ থাকে। তেওঁ শৰাইঘাটৰ যুদ্ধত মোগলৰ বিৰুদ্ধে লাচিত বৰফুকনৰ সহকাৰী সেনাধ্যক্ষ হিচাপে যুদ্ধ পৰিচালনা কৰিছিল।

১: সংমিশ্ৰণত অসমীয়া সংস্কৃতি ঃ আঃছাঃ পৃষ্ঠা ঃ ১৬-১৮

মোগলৰ বিৰুদ্ধে যুদ্ধৰ সময়ত চামগুৰিৰ গোঁসাই চক্রপাণি প্রমুখ্যে যেতিয়া অসমৰ বহুতেই আহোম ৰজাৰ বিৰুদ্ধে ষড়যন্ত্রত লিপ্ত আছিল তেতিয়া চুলতান গৰিয়া আছিল আহোম ৰাজৰ বিশ্বস্ত কৰ্মচাৰী।[১]

১৭৮০ খৃঃ ত স্বৰ্গদেউ লক্ষ্মীসিংহৰ বিৰুদ্ধে কৰা এটা ষড়যন্ত্রত লিপ্ত হিন্দু ষড়যন্ত্রকাৰীৰ নেতৃত্ব দিছিল এজন মুছলমানে। কিন্তু সেইটো তেওঁ জনমতক উলংঘা কৰিব নোৱাৰিহে কৰিছিল। নিজস্ব অভিপ্রায় নাছিল। আনহাতে আহোম স্বৰ্গদেউসকলে মুছলমান বিষয়াক বিশ্বাস কৰিছিল প্রচুৰ। কৰ্ত্তব্যনিষ্ঠাক শলাগি মুছলমান বিষয়াক নিয়োগ কৰিছিল ৰাজধানীৰ সিংহ দুৱাৰত, নিয়োগ কৰিছিল আগ্নেয়াস্ত্রৰ কাৰখানাত, টংকশালত।

১৬৩৮ খৃঃত বংগৰ জনৈক চুলতানে বিজনী প্রতিষ্ঠা কৰি তাৰ জায়গীৰদাৰ হিচাপে থাপিছিল ৰাজবংশী ৰাজফৈদৰ পৰীক্ষিত নাৰায়ণৰ পুত্র বিজিত নাৰায়ণক। হানিফ আহমেদ নামৰ এজন ব্যক্তিয়ে ১৯ শতিকাৰ ষাঠিৰ দশকত বিজনীৰাজৰ সশস্ত্র চিপাহীৰ কামাণ্ডাৰ হিচাপে যোগ দিছিল।

স্বৰ্গদেউ শিৱসিংহই ব্রাহ্মণ আৰু জ্যোতিষ সকলক সততে বিশ্বাস কৰিছিল। ১৭৭২ খৃঃ ত ৰঁজাৰ ছত্রভঙ্গ যোগ আৰম্ভ হোৱা বুলি কোৱাত ৰজাই তেওঁৰ পাদমাঁদে ফুলেশ্বৰীক ৰাজকীয় স্বত্ত্ব অৰ্পণ কৰাত প্রথমেশ্বৰী নাম দি 'বৰ ৰজা' পাতি সিংহাসনত বহুৱাইছিল। ফুলেশ্বৰীয়ে ৰজা শিৱসিংহ আৰু তেওঁৰ নামত মোহৰ মৰায়। ফুলেশ্বৰীৰ মৃত্যুৰ পিছত ৰজাই খুলশালীয়েকক বিয়া কৰাই অম্বিকা নাম দি বৰ ৰজা পাতে। তেৰোঁ দুয়োজনৰ নামত মোহৰ মাৰে। "আহোম ৰজাসকলে মুদ্রা-নীতি অনুসৰণ কৰিবলৈ অনুপ্রাণিত হৈছিল হুচেইনী বংশৰ মুছলমান ৰজাসকলৰ পৰা। মিঃ এ. ডব্লিউ বথামৰ মতে কেৱল লিপি আৰু আকৃতিৰ বাহিৰে আন আন বিষয়ত আহোম মুদ্রাবিলাক আলাউদ্দিন হুচেইন শ্বাহৰ পুত্র নছৰৎ চাহ আৰু গিয়াচুদ্দিনৰ মুদ্রাৰে সৈতে একে আছিল।

কছাৰী ৰজাৰ আমোলত কছাৰী ৰাজ্যত মুছলমানসকলৰ সাহ-পিত আৰু কৰ্ত্তব্যনিষ্ঠ গুণত মুগ্ধ হৈ সবহ সংখ্যক বিষয়-বাব ৰজাই মুছলমানকে দিছিল। বড়লস্কৰ, বড়-ভূঁইয়া, মাঝাৰ ভূঁইএঞা, চৌধুৰী এনেবোৰ খিতাপ কছাৰী ৰজাৰ দিনত বৰাকপৰীয়া মুছলমান সকলেই পাইছিল। ক্ষুদ্র ভূস্বামী অৰ্থাৎ জমিদাৰ সকলো অধিকাংশই মুছলমান আছিল। সোণাপুৰ পৰগণাৰ প্রতাপশালী ভূস্বামী সোনামিএঞা চৌধুৰীৰ কথা উনৈশ শতিকাৰ তিনি-চাৰি দশক মানলৈ সমগ্র বৰাকপৰীয়া ৰাইজে জানিছিল।[২]

১: লুইত বৰাক আৰু ইছলাম ঃ মেঃ চৌঃ পৃষ্ঠা - ৫৬
২: লুইত বৰাক আৰু ইছলাম ঃ মেঃচৌঃ পৃষ্ঠা ঃ ৫৬

আলমগীৰ নামাৰ বিৱৰণ মতে ৰজা দুৰ্লভনাৰায়ণৰ দিনতে ১৩৩১খৃঃত চুলতান মহম্মদ বিন-টোগলকে কমতা ৰাজ্য দুবাৰ আক্ৰমণ কৰে। তাৰ আগতে ১৩২১-২২খৃঃত চুলতান ঘিয়াচুদ্দিনে কমতা ৰাজ্য আক্ৰমণ কৰি ব্ৰহ্মপুত্ৰই দি উজাই নগাঁও পাইছিলগৈ। তাতে কছাৰী ৰজাৰ লগত মুছলমানৰ এখন প্ৰচণ্ড যুদ্ধ হয়।[১] হয়তো কছাৰী ৰজাই নিজৰ ৰাজ্যৰ ৰাজ-বিষয়াৰ পদবোৰ শৃংখলাবদ্ধতাৰ কাৰণে মুছলমানৰ আৰ্হিত সৃষ্টি কৰিছিল।

আহোম স্বৰ্গদেউ সকলে মুছলমানসকলকো বিভিন্ন বিষয় বাব দি বৰা, শইকীয়া, হাজৰিকা আদি খিতাপ দিছিল। ইছমাইল চিদ্দিকিয়ে আহোম স্বৰ্গদেউৰ প্ৰদত্ত হাজৰিকা খিতাপ পাইছিল। তেওঁ শৰাইঘাট যুদ্ধত লাচিতৰ সহকাৰী সেনাধ্যক্ষ হিচাপে মোগলৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। প্ৰয়াত ৰাষ্ট্ৰপতি ফকৰুদ্দিন আলি আহমেদৰ উপৰিপুৰুষেও হেনো আহোম ৰজাৰ হাজৰিকা খিতাপ পাইছিল।[২]

ভূঞাঁ শব্দটো জনজাতি আৰু উপাধিবাচকো হব পাৰে। তেনেকৈই হব পাৰে এই উপাধিটো মুছলমানৰেই অৱদান। ত্ৰয়োদশ-চতুৰ্দশ শতিকাত বঙ্গদেশ, বিহাৰ, আৰু মাদ্ৰাজৰ একশ্ৰেণী জমিদাৰক মুছলমান শাসনকৰ্তাই 'ভূইয়া' উপাধি প্ৰদান কৰিছিল। ভূমিৰ অধিপতি বা মাটি-গিৰী হিচাপে বিশেষ এক শ্ৰেণী লোকে 'ভূঞাঁ' নামে খ্যাত হৈ পৰে।[৩] তেওঁলোকৰ প্ৰতিপত্তিও আছিল প্ৰচুৰ। ৰজাৰ সমকক্ষ নহলেও চলন-ফুৰণ, আদব-কায়দা, মৰ্যদা, প্ৰজাৰ ওপৰত শাসন-শোষণ ৰজাৰ দৰেই আছিল। তেওঁলোক ভূ-স্বামী হলেও শেষত গৈ ভূঞা উপাধিৰে জনসমাজত পৰিচয় দিছিল। বৰাক উপত্যকাৰ মুছলমানৰ ভিতৰত বৰভূঞা, মাঝাৰ ভূঞা আদি সেই বংশৰে হব পাৰে। তেনেকৈ কান্যকুব্জৰ পৰা অহা শিৰোমণি বংশৰ হিন্দুৰ ভূঞা উপাধি ভূ-স্বামীসকলৰ চিটিকণিয়েই হব পাৰে।

সেইদৰে 'চৌধুৰী' উপাধিটোও জনজাতি শব্দ। জনজাতি সকল মুছলমানৰ সংস্পৰ্শলৈ অহাত এই উপাধিটো হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰে উমৈহতীয়া উপাধি হৈ পৰে। মুছলমানৰ মইনুলহক চৌধুৰী, জনজাতিৰ মেদিনী চৌধুৰী, অজনজাতীয় ব্যক্তি অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মহেন্দ্ৰ মোহন চৌধুৰী একোটাইত উদাহৰণ। তদুপৰি অসমত কায়স্থ, ক্ষেত্ৰীয় আৰু ব্ৰাহ্মণসকলেও চৌধুৰী উপাধি লেখা দেখা যায়। ৰজাৰ আমোলত সামান্য বিষয়বাব পোৱা সকলক 'চৌধুৰী' উপাধিৰে বিভুষিত কৰিছিল।

১: বুৰঞ্জী প্ৰৱাহ ঃ মৃদুপৱন গোস্বামী ঃ পৃঃ ১৮
২ : লুইত বৰাক আৰু ইছলাম ঃ মেঃ চৌঃ পৃঃ ৫৬
৩ : বুৰঞ্জী প্ৰৱাহ - মৃঃ পঃ গোঃ পৃঃ ১২ (অসম বুৰঞ্জী খণ্ড)

অসমৰ প্ৰথম ডক্টৰেট্ উপাধিধাৰী মফিদুল ইছলাম বৰাও হেনো পূৰ্বপুৰুষে পোৱা বৰা উপাধিৰ বংশধৰ।

স্বৰ্গদেউ শিবসিংহ ৰজাৰ দিনত ৰজাই মন্দিৰলৈ যাওঁতে আৰু ৰাজদৰবাৰত প্ৰবেশ কৰোঁতে মুছলমান নেগেৰীয়া ফৈদৰ লোকে নেগেৰা ৰজাই আগবঢ়াই নিছিল। বৰ্ত্তমান শিৱসাগৰৰ ধাই আলিত বাস কৰি থকা দৌল্লা পৰিয়াল সেই নেগেৰীয়া সকলৰে বংশধৰ। ১৯৫০ খৃঃ পৰ্যন্ত মন্দিৰৰ প্ৰসাদ পাই আছিল বুলি তেওঁলোকৰ পৰিয়ালৰ পৰা জনা গৈছে।

জ্ঞানমালিনীৰ কবি একালৰ অসম সাহিত্য সভাৰ সভাপতি মফিজুদ্দিন আহমদ হাজৰিকা চমুৱা হাজৰিকা অৰ্থাৎ ইছমাইল ছিদ্দিকিৰে বংশধৰ।

আহোম স্বৰ্গদেউসকলে বিশিষ্ট ব্যক্তিক এটা বঁটাৰে বিভূষিত কৰিছিল। সেই বঁটাটোৰ নাম শিৰপাও বঁটা। এইটো মোগল উপহাৰ। এই বঁটা প্ৰস্তুত কৰিবলৈ ৰজাই এজন মুছলমান বিষয়া নিয়োগ কৰিছিল। এই বঁটাত আছিল এটা পাগুৰি, জৰিৰে কাম কৰা মিৰ্জাই আৰু কঁকালৰ বান্ধনী।

দৰঙী ৰাজ্যত আহোম ৰজাই নিযুক্তি দিয়া ৰূপাই দা-ধৰা নামৰ এজন মুছলমান ৰাজ বিষয়া আছিল— অস্ত্ৰ ভাণ্ডাৰ ৰক্ষক হিচাপে। তেওঁৰ প্ৰভাৱ আৰু প্ৰতিপত্তি যথেষ্ট আছিল আৰু ৰজাঘৰতো তেওঁ এজন বিশ্বস্ত ৰাজ বিষয়া হিচাপে পৰিগণিত হৈছিল। তেৱেঁই আজান ফকীৰে দিল্লীৰ মোগল সম্ৰাটৰ গুপ্তচৰ বুলি আহোম ৰজাৰ ওচৰত গোচৰ তৰিছিল। এই কাৰ্যত দা-ধৰাক সহায় কৰিছিল ফতুলা বুলি তেওঁৰেই গাৰক্ষী এজনে। সেই সময়ত আহোম সিংহাসনত আছিল স্বৰ্গদেউ চুৰাম্ফা বা ভগা ৰজা।

১৭৭৩ খৃঃতে মহম্মদ আগা ৰেজাই ইংৰাজৰ পদলেহনকাৰী ৰজা কৃষ্ণচন্দ্ৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰি বলীষ্ঠ কণ্ঠৰে ঘোষণা কৰিছিল- 'আল্লাই তেওঁক পঠাইছে ইংৰাজৰ হাতৰ পৰা ভাৰতক মুক্ত কৰিবলৈ ।' যদিও তেওঁ বন্দীত্ব শিকলিত বান্ধ খাইছিল তথাপি সেই সাহস অসমীয়াৰ অনুপ্ৰেৰণাৰ উৎস। বাহাদুৰ গাওঁবুঢ়া, ফৰ্মুদ আলিয়ে সাতাৱন বিদ্ৰোহত যোগ দি কলীয়া পানীত পচিছিল।[১] সেই বিদ্ৰোহৰ যাক চিপাহী বিদ্ৰোহ নামে জনা যায়। অসমৰ একমাত্ৰ চিপাহী কাছাৰৰ নল্লা খাঁনে কলিকতাত গৈ ইংৰাজৰ অধীনৰ জেলৰ ভাত খাব লগা হৈছিল। বৰাক উপত্যকাৰ মুছমানসকলে ১৯৩৯ খৃঃ ত ভূস্বামীসকলৰ বিৰুদ্ধে বিদ্ৰোহ গঠন কৰি কাৰাদণ্ড

১: সংমিশ্ৰণত অসমীয়া সংস্কৃতি : আব্দুছ ছাত্তাৰ : পৃঃ ১৪৮

ভুগিছিল। ১৮৫৫ খৃঃ তে গুৱাহাটী পৌৰসভাই কলিকতাৰ বানার্চ কোম্পানীৰ পৰা পকা কৰাৰ কাৰণে লাইম অনাইছিল মুছলমান ঢাকায়া বেপাৰীৰ যোগেদি।

১৯৩৫ খৃঃত গোৱালপাৰাৰ খানচাহেব মিজানুৰ ৰহমান ডাঙৰীয়াৰ সভাপতিত্বত আচাম ভেলি মুছলিম পলিটিকেল কন্‌ফাৰেন্সৰ সিদ্ধান্তক্রমে চাৰ চাদুল্লা আৰু ফকৰুদ্দিন আলি আহমেদ চাহাবদ্বয়ে— ডেলিগেশ্বন স্বৰূপে প্রধানতম দাবী তুলিছিল অসমত মুছলমানসকলৰ যথাযোগ্য ৰক্ষণাবেক্ষণ ব্যৱস্থাৰ প্রবর্ত্তনৰ কাৰণে গোপীনাথ বৰদলৈ যেতিয়া অসমৰ প্রধান মন্ত্রী আছিল, চৰকাৰী বিজ্ঞাপন যোগে পুলিচৰ চাব-ইন্সপেক্টৰৰ পদৰ বাবে ভাল বংশৰ ডেকা ল'ৰাৰ পৰাহে প্রার্থীত্ব বিচাৰিছল। 'ভাল বংশ' বুলি সহজেই এটা প্রশ্ন হিন্দু-মুছলমান সমন্বিতে উদয় হৈছিল। সেই প্রশ্নই হিন্দু মুছলমান উভয় সমাজৰ মাজত এক সমন্বয়ৰ জাতীয় চেতনা জাগৃত কৰিছিল। কাৰণ 'ভাল বংশ' মানে দুয়ো সম্প্রদায়ৰ আঢ্যৱন্ত লোকক বুজাইছিল।

গভর্ণৰ কাউন্সিল অর্থাৎ সেইকালৰ বিধান পৰিষদলৈ প্রথম অসমীয়া কাউন্সিললৈ নির্বাচিত হৈছিল চৰকাৰী বিষয়াৰ প্রতিনিধি স্বৰূপে আব্দুল মুজিদ চাহাব। ১৯১৭ খৃঃ ত ইংৰাজৰ জনকল্যাণ বিমুখ বাজেটনীতিৰ বিৰুদ্ধে সাহসেৰে আলোচনা কৰিছিল চাদুল্লা চাহাবে। ১৯২৪ খৃঃৰ ২৫ মার্চ তাৰিখে অসমৰ বৃটিছ প্রশাসনৰ নীতি নির্ণয়কাৰী এই সভাকক্ষতে ফৈজনুৰ আলি চাহাবে উদাত্ত কণ্ঠেৰে পূর্ণ দায়িত্বশীল চৰকাৰ গঠনৰ দাবী জনাই প্রস্তাৱ দাঙি ধৰিছিল। দৰাচলতে অসমত স্বৰাজ প্রতিষ্ঠাৰ সেয়ে আছিল ব'দ কাঁচিয়লি। আলি চাহাবৰ অকাট্য যুক্তিত ইংৰাজ চৰকাৰে হাৰ মানি তেতিয়াৰ প্রস্তাৱিত ডিভিজনেল কমিশ্যনাৰ পদটো বাতিল কৰিবলৈ বাধ্য হৈছিল। ১৯২১ খৃঃৰ খিলাফৎ আন্দোলনৰ এক শ্রমিক সমাবেশ হৈছিল প্রথমবাৰৰ বাবে গুৱাহাটীত ২৪ ফেঃ তাৰিখে। তাত সভাপতিত্ব কৰিছিল মৌলনা তৈয়াবুল্লা চাহাবে।

১৯৩২ খৃঃত বিদেশী বস্ত্র বিক্রিৰ বিৰুদ্ধে অভিযান চলাইছিল আলহ আলি, চৈয়দ মাহতাব আলি স্বদেশ হিতৈষী মুছলমান ডেকাই। সেইদৰে ১৯৩৯ খৃঃত কাছাৰত মুছলমান সকলে গাঁৱে গাঁৱে স্থানীয় তালুকদাৰ সকলৰ বিৰুদ্ধে সংগ্রাম গঢ়ি তুলিছিল। তাৰ নেতৃত্ব দিছিল তকবীৰ আলি, মহম্মদ বেদাৰ বখ্‌ট, আব্বাচ আলি পট্টাদাৰ, সেখ আজাহাৰ আলি মুছলমান ব্যক্তিসকলে। কৃষক আন্দোলনৰ গুৰি ধৰিছিল— আব্দুল হামিদ খানে। যিজনাক মানুহে মৌলানা ভাসানী নামেৰে জানে। এখেতৰ প্রচেষ্টাত ১৯৪০ খৃঃত গোৱালপাৰাৰ প্রজা সম্মিলন পতা হৈছিল ঘাগমাৰী চৰত। তাত সভাপতিত্ব কৰিছিল— নাজি আহমেদ চৌধুৰীয়ে।

১৯৪৪ খৃঃত খান বাহাদুৰ নুৰদ্দিন খান চাহাবে নৱাগত কৃষকসকলকো সেই সম্মিলনত যোগদান কৰিবলৈ আহ্বান জনাইছিল। মাছখোৱাৰ মহিবুদ্দিন আছিল সংগীতপ্রেমী। কিন্তু মুক্তি সংগ্রামত যোগ দি হব লগা হৈছিল আণ্ডাৰ গ্রাউণ্ড। শালমাৰাৰ চেৰাগ আলি আছিল চহকী খেতিয়ক। তেৰোঁ মুক্তি সংগ্রামত যোগ দি অপমানিত হৈছিল বৃটিছ পুলিচৰ হাতত।

দৰঙৰ ১৮৯৪ খৃৰ কৃষক বিদ্রোহত যোগ দি মুছলমান কাটা সেখ, বৰলিকিৰা সেখ, হাগুৰা সেখ আদিয়ে বৃটিছৰ গুলি বুকু পাতি লৈছিল। জেহিৰুদ্দিন চিদ্দিক আলিয়ে মুক্তি আন্দোলনত যোগ দি জেইল খাটি সৰ্বচ্চ হেৰুৱাইছিল। সেইদৰে ভেকুৰা গৰীয়া, ৰমজান খাঁ, মীৰদৌল্লা আৰু নগাঁৱৰ চফিউন্নেছাই স্বাধীনতা সংগ্রামত অংশ গ্রহণ কৰি কলিয়াপানীত পচিছিল।[1]

১৯২২ খৃঃতে অসমীয়া ভাষাক সুস্থ সবল কৰি তোলাৰ উদ্দেশ্য ডিব্রুগড়ৰ কামালুদ্দিন আহম্মদ আৰু ভেবেলাহাট যোগদলাৰ আহছানুদ্দিন আহমেদে দুখন পাঠ্য পুথি প্রস্তুত কৰিছিল 'মল্লিকা' আৰু 'নীতি সপোন'। ডিব্রুগড়ৰ ধৰ্মগুৰু মিৰ্জা বেগ চাহাবৰ সম্পাদনাত ওলাইছিল 'প্রচাৰক' নামৰ এখন মাহেকীয়া আলোচনী। কাছাৰৰ হুৰমৎ আলিৰ সাংবাদিকতা সৰ্বজন বিদিত। "জ্ঞান মালিনী"ৰ কবি মফিজুদ্দিন আহমেদ হাজৰিকা, কথা-সাহিত্যিক আব্দুল মালিক, কাঁচিজোনৰ সম্পাদক এম, ইব্রাহীম আলি অসমৰ প্রথম ডক্তৰেট ময়িদুল ইছলাম বৰা, ৰসিক সাহিত্যিক অধ্যাপক ৰায়হান শ্বাহ, ইমৰাণ শ্বাহ অকল মুছলমানৰে নহয় সমগ্র অসমীয়া জাতিৰ গৌৰৱ।

একেটা অৰ্চনা থলিতে, একেটা ধুনীকে ঘেৰি লৈ একেটা গীতৰে পদ টানি আল্লা কৃষ্ণৰ কীৰ্ত্তন কৰে হিন্দু মুছলিম ফকীৰ সমাজে। অনুভৱ আৰু উপলব্ধি একাকাৰ হৈ পৰে। আনন্দ বেদনাৰ সমভাগী হৈ পৰে ছিদ্দিক আলি ফকীৰ আৰু সিদ্ধেশ্বৰ সাধু উভয়ে। অসমৰ আইনামতো আছে ইছলাম আৰু স্থানিক সংস্কৃতিৰ সাংস্কৃতিক মিলন। ঘৰৰ মানুহজনীয়ে নিজৰ মূৰৰ চুলিৰে আলহীক ভৰি মচি দি আলহী সোধাৰ নিয়ম সৌ সিদিনালৈ চলি আছিল উভয় সম্প্রদায়তে। এই নিয়ম পূৰ্বতে আছিল পুৰণি কছাৰী সমাজৰ মঙ্গলয়দ শিষ্টাচাৰৰ নিয়ম। পৰৱৰ্ত্তী কালত ইয়াৰ চিটিকণি হিন্দু মুছলমান উভয় সম্প্রদায়তে পৰে। কৃষ্টি হৈ পৰে অসমীয়া সমাজৰ।

আজিও বৌদ্ধিক সমাজক সোঁৱৰায় সেই দুঃসাহসী বখতিয়াৰ খালজীৰ, দুৰ্বাৰ চামচুদ্দিন, হুচেন চাহ, মীৰজুমলা আদিৰ বীৰত্বৰ কথা। সোঁৱৰায় ব্যৰ্থ নায়ক

---

১ : দৈনিক জনসাধাৰণ ঃ ১৩ আগষ্ট ঃ ২০০৭ চন।

তুৰ্বক আৰু লুৎফুল্লা চিৰাজীৰ কথা। সেই বিক্ৰমৰ কাহিনী হয়তো আজি বিস্মৃতিৰ গৰ্ভত। কোনোৱে কব খোজে বহুদিন আগতে এদিন তেওঁলোক আহিছিল কিন্তু পাছত তেওঁলোকৰ ৰণকৌশল, তেওঁলোকৰ যশস্যা; তেওঁলোকৰ দুৰ্দশা বা দুদ্ধৰ্ষতাৰ অপযশ একাকাৰ কৰি ইতিহাসে কবৰ দি থলে। আকৌ সেই গহ্বৰৰ পাৰতে পুনৰ জন্ম লভিছিল এখন নতুন সমাজৰ সমজুৱা চুলতান গৰিয়া, ৰূপাই দাধৰা, বাঘ হাজৰিকা, দিলবৰ, গেন্ধেলা গৰিয়াইঁতে। বাহাদুৰ গাওঁবুঢ়া, ফৰ্মুদ আলি, এ লাহি বক্স, ৰহিম বক্স, নল্লাখান, জোলকাদ আলি, চেৰাগ আলি প্ৰমুখ্যে এটা নতুন দিকধাৰী শিল্পী, বীৰ, ৰাজনৈতিক, সামাজিক ব্যক্তিসকলে জন্ম লভিছিল। যি সকলৰ মাজত গঢ়ি উঠিছিল অসমীয়া মুছলমান সমাজৰ এক মহীয়ান ৰূপৰেখা। সেই ৰূপৰেখা অকল, মুছলমানৰ মাজতে সীমাবদ্ধ নাছিল। তৰান্বিত হৈছিল অসমীয়া সমাজৰ অইন সম্প্ৰদায়লৈয়ো। সেই ৰূপৰেখা অদ্যাপি অসমীয়াৰ পথ প্ৰদৰ্শক হৈ আছে।

এইদৰে কৰবাত কুঁৱলীৰে ঘেৰা, কৰবাত স্পষ্টভাৱে দৃশ্যমান বিভিন্ন দৃশ্যপট, বিভিন্ন উত্থান-পতন পাৰ হৈ অসমৰ ইছলামধৰ্মী লোকসকল আহি ১৯৪৭ খৃঃ আৰু এক যুগান্তৰৰ দোমোজাত আহি থিয় হৈছিল। ইমান যুগৰ সাধনালব্ধ সমস্ত ল্লান নিঃশেষ কৰি তেওঁলোকে অসমৰ জনসাধাৰণক সহায় কৰিলে এক বিশাল আৰু মহান সাংস্কৃতিক ঐতিহ্যৰ অধিকাৰী হোৱাত, ভাৰতীয় সুমহান ঐতিহ্য পৰম্পৰাৰ যোগ্য অংশীদাৰ হোৱাত। তাৰ মূলত তেওঁলোকে কি আশা কৰিছিল আৰু কি পাইছিল সেয়া প্ৰকাশ্য ইতিহাসৰ অন্তৰ্গত।[১]

এনেকৈ অসমীয়া সমাজখনৰ লগত সংমিশ্ৰণ ঘটি অসমীয়া মুছলমান সমাজখনে অসমখন আজিৰ দৰে পৰিবৰ্ত্তন আৰু পৰিবৰ্দ্ধনৰ যোগেদি সুগঢ়িত ৰূপত গঢ়ি তোলাত যি অগ্ৰণী ভূমিকা অতীতত লৈছিল সেইটো পাহৰণিৰ গৰ্ভতো লীন নোযোৱাকৈ অক্ষত অৱস্থাত থাকিব। একক ভাৱে কোনো সম্প্ৰদায়ে এক মহান জাতি গঢ়ি তুলিব নোৱাৰে যদিহে তাত সামুহিক প্ৰচেষ্টা নাথাকে।

গতিকে যিবোৰ অৰিহণাৰে অসমৰ মুছলমান সমাজখনে নিস্বাৰ্থভাৱে অতীত পাহৰি অসমখনকে মাতৃভূমি বুলি গঢ়ি তুলিলে সেইটো উত্তৰ পুৰুষসকলৰ কাৰণে গৌৰৱৰ স্থল। মুছলমানসকলে সম্প্ৰীতিপূৰ্ণ সমাজখনৰ ছবিকে প্ৰতিফলিত কৰি থৈ গল আৰু আগলৈয়ো যাব। এনে সমন্বয় আৰু সম্প্ৰীতিৰ ছবি ফুটাই তোলাত এটা সম্প্ৰদায়ৰ প্ৰভাৱ আনটোৰ ওপৰত পৰাটো একেবাৰে স্বাভাৱিক।

---

১ : লুইত বৰাক আৰু ইছলামঃ মেদিনী চৌধুৰী ঃ পৃঃ ৮৮

ইছলামীয় আৰু অসমীয়া ভাষা সংস্কৃতিৰ সংমিশ্ৰণ সংশ্লেষণ আৰু সমন্বয়

অসমৰ সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। এই সমন্বয়ৰ সংস্কৃতিক ধৰ্ম-বৰ্ণ-ভাষাৰে পৃথক কৰিব নোৱাৰি। কিন্তু কেতিয়া আৰু ক'ৰপৰা বৰ্ত্তমানৰ অসমীয়া ভাষা-সংস্কৃতিৰ উত্তৰণ ঘটিল তাক একেষাৰে কোৱা টান। তথাপি নৃতাত্বিকসকলে বিশ্বাস কৰে অসমৰ কি পৰ্বত কি ভৈয়াম উভয়তে সাংস্কৃতিক বহল পথাৰখনত মূলতঃ অষ্ট্ৰিক সংস্কৃতিৰ উপাদানে আজিও ৰজনজনাই আছে। প্ৰায় সমসাময়িক ভাৱে এই অষ্ট্ৰিক সংস্কৃতিক সনা-পোটোকা কৰি অসমৰ সংস্কৃতিক চহকী কৰি তোলে মঙ্গোলীয় সংস্কৃতিয়ে। এই অষ্ট্ৰ-মঙ্গোল সংস্কৃতিৰ সংমিশ্ৰণক পাছৰ যুগত কোবাল গতিত আৰ্য সংস্কৃতি প্ৰৱেশ ঘটি সমন্বয়ৰ সৌধ সৃষ্টি হয়। অসমৰ চহা জীৱনৰ কৃষি সংস্কৃতি মূলতঃ উৰ্বৰা মাটি, শইচ পথাৰ সেউজৰ আহ্বান। এই সংস্কৃতিৰ কঠীয়াতলীত এক নতুন বীজ সিঁচি প্ৰথমতে মঙ্গোলীয় আৰু তাৰ পাছত আৰ্যসকলে খেতি কৰি এক সমন্বয়ৰ খেতিৰে নতুন সংস্কৃতিৰ সৃষ্টি কৰে।

অসমীয়া ভাষা-সংস্কৃতিলৈ আৰু এটা সংস্কৃতি আহি সংযোগ হয়, সেইটো হ'ল ইণ্ডো-ইৰাণীয় সংস্কৃতি। এই ইণ্ডো-ইৰাণীয় ভাষা গোষ্ঠী ইণ্ডো-ইউৰোপীয়ান ভাষা গোষ্ঠীৰ অন্তৰ্ভূক্ত। এই দুয়োবিধ ভাষা গোষ্ঠীৰ পৰাই পস্তু, প্ৰাচীন ফাচী, মধ্যযুগীয়া আৰু আধুনিক ফাচীৰ জন্ম। গতিকে মূলতঃ সংস্কৃত আৰু পস্তু ভাষা পুৰণি আৰ্য ভাষাৰ পৰা ওলোৱা আৰু দুয়োটা একেটা গোষ্ঠীৰে অন্তৰ্ভূক্ত। পস্তু শব্দ 'পস্তুন' শব্দৰ পৰা ওলোৱা। পস্তুন শব্দৰ মূল 'পক্ত' (Pakt)। অতীতত হিন্দুকোষত বাস কৰা লোকক 'পক্ত' নামে জনা যায়।[১]

এই ইণ্ডো-ইৰাণীয় ভাষা-সংস্কৃতি অসমলৈ প্ৰৱাহিত হয় মূলত ছয়টা সুঁতিৰে।

১। অসমত বৈ যোৱা মোগল পাঠান মুছলমান যুদ্ধবন্দী,

২। ধৰ্ম প্ৰচাৰৰ কাৰণে অহা পীৰ আৰু তেওঁলোকৰ অনুগামীসকল,

---

১ : সংমিশ্ৰণত অসমীয়া সংস্কৃতি ঃ আব্দুছ ছাত্তাৰ ঃ পৃঃ ৭-৮

৩। আহোম যুগত পশ্চিমৰ পৰা অনা বিভিন্ন মুছলমান কাৰিকৰ,

৪। সেই যুগতে নিৰ্দ্দিষ্টকৈ নিয়োগ কৰা আঠোতা মুছলমান কাৰিকৰৰ পৰিয়াল,

৫। থলুৱা ধৰ্মান্তৰিত মুছলমান আৰু

৬। অভিবাসী মুছলমান।

এই প্ৰবাহৰ সোত আৰম্ভ হয় ত্ৰয়োদশ শতিকাৰ আদি ভাগৰ পৰাই। বহুতে ৰুদ্ৰসিংহই ১৬৯৬-১৭১৪ খৃঃত অসমলৈ অনা আঠোটা মুছলমান কাৰিকৰকে অসমৰ প্ৰথম কাৰিকৰ বুলি গণ্য কৰে যদিও তাৰ আগতেই মুছলমান কাৰিকৰ অসমলৈ অহা বহু নজীৰ আছে। ১২৫৭ খৃঃত ইখ্‌তিয়াৰুদ্দিন উজবেগ তুঘ্ৰিলখাঁই কামৰূপত প্ৰথম মছজিদ সজা আৰু হুচেন চাহে ১৪৯৮ খৃঃত বৰ্ত্তমানৰ পানবাৰীত মোগলীয় ভাস্কৰ্যৰে মছজিদ তৈয়াৰ কৰা একোটাহঁত উদাহৰণ।

কিন্তু এইটোও সৰ্বজন স্বীকৃত যে যিসকল মুছলমান যুদ্ধ বন্দী অসমত ৰৈ গৈছিল তেওঁলোকৰ প্ৰথম পৰিচয় আছিল অসমৰ অসমীয়া তাৰ পাছতহে পৰিচয় হৈছিল মুছলমান হিচাপে। ধৰ্মান্তৰিত মুছলমানৰ ক্ষেত্ৰত তেওঁলোকৰ সমাজখন আছিল তেনেই সুকীয়া। ইছলাম ধৰ্ম গ্ৰহণ কৰিলেও তেওঁলোকৰ আচাৰ নীতি, মাংগলিক অনুষ্ঠানৰ ক্ৰিয়া-কৰ্ম প্ৰায়ভাগ হিন্দু সংস্কৃতিৰ আৰ্হিৰে গঢ়ি তুলিছিল। এইটো সংমিশ্ৰিত সংস্কৃতি গঢ়ি উঠাৰ মূল কাৰণ আছিল মুছলমান যুদ্ধবন্দীসকলে থলুৱা হিন্দু তিৰোতা বিয়া কৰাই সংসাৰ তৰিছিল। সাধাৰণতে পাৰিবাৰিক আচাৰ-নীতি আৰু মাংগলিক ক্ৰিয়া-কৰ্ম বিশেষকৈ পুৱা-গধূলি তিৰোতাসকলেহে পালন কৰে। হিন্দু তিৰোতাই বিবাহসূত্ৰে মুছলমান হলেও যুগ যুগ ধৰি তেওঁলোকৰ পূৰ্বৰ আচাৰ-নীতিবোৰ দলিয়াই পেলাব পৰা নাছিল। ধৰ্মান্তৰিত মুছলমানৰ ক্ষেত্ৰতো প্ৰতিফলিত হৈছিল একেই উপাদান। সেই কাৰণেই অসমৰ সাংস্কৃতিক সম্প্ৰীতিয়ে গোটেই ভাৰতবৰ্ষৰ ভিতৰতে এটা স্বকীয়তা ৰক্ষিত হৈ আহিছে। কোনোবা যুগ যুগান্তৰৰ পৰা অসমৰ সামাজিক জীৱনত অসমীয়া মুছলমানৰ এই অসমীয়াত্ব ৰক্ষা কৰা নিদৰ্শন এটা গৌৰৱৰ স্থল হৈ আজিও জিলিকি আছে। এই সমন্বয় আৰু সংশ্লেষণ নাথাকিলে নহৰুৰ কোঁহ এটা এটাকৈ এৰি গৈ নিংশ্চিহ্ন হ'লহেঁতেন।

সম্প্ৰীতি ৰক্ষা কৰাৰ উপৰিও মুছলমানসকলে অসমীয়া হৈ অসমকে স্বদেশ বুলি জ্ঞান কৰিছিল। কোচ ৰজা ধৰ্মনাৰায়ণৰ ৰাজত্ব কালতে শ্বেখ ইব্ৰাহীম নামৰ

এজন দলপতিৰ অধীনত বহতো মুছলমান সৈন্যই সাম্রাজ্যবাদী মোগলক অসমৰ মাটি হাজোৰ পৰা উৎখাত কৰিবলৈ কোচ আৰু আহোমৰ সহায়ত একত্রিত হৈ এক অভিযানৰ পৰিকল্পনা কৰিছিল। যদিও এই পৰিকল্পনা বিফল হৈছিল তথাপি মুছলমান সৈন্যৰ মাতৃভূমিলৈ প্ৰাণ আগবঢ়োৱা কাৰ্য সঁচাকৈয়ে অতুলনীয়। তেনেকৈ অতুলনীয় শৰাইঘাট যুদ্ধত ইছমাইল ছিদ্দিকিৰ বীৰত্বৰ কাহিনী।

কেৱল মুছলমান বিষয়া যে ৰাজদৰবাৰতে আছিল এনে নহয় দেশ প্ৰেমত আপ্লুত হৈ অসমীয়া মুছলমানসকলে থামুচি ধৰা দেশৰ সপক্ষে আহোম ৰাজত্বৰ সৈন্য পৰিচালনাত ভাগ লবলৈ সুবিধা পাইছিল। "গুৰুত্বপূৰ্ণ সামৰিক পৰিচালনা সমূহ আহোমসকলৰ দ্বাৰা মুছলমানক দিয়া হৈছিল— কাৰণ, তেওঁলোকে বসবাস কৰিবলৈ লোৱা দেশখনৰ কাৰণে আগ্রহ আৰু দেশহিতৈষীতাৰে যুঁজিছিল।"

"Important military commands are said to have been given by the Ahoms to Assamese Muhammadans who fought for their land of adoption with zeal and patriotism."

– Annals of the Delhi Badshahate p.p.[১]

১৮ শতিকাৰ শেষৰ পিনে জোগান গিৰি নামৰ জনৈক বিদেশীয়ে যেতিয়া কিছুমান কাজু ৰণুৱা চিপাহী লগত লৈ গুৱাহাটী হস্তগত কৰিছিল তেতিয়া অসমৰ ৰজাৰ হৈ উদ্ধাৰৰ নেতৃত্বলৈ এগৰাকী মুছলমান চুবেদাৰ বীৰপুৰুষ নিয়ামৎ উল্লাই গুৱাহাটীক বিদেশী মুক্ত কৰিছিল।

যদিও আমাৰ বিষয় বস্তু ইছলামীয় আৰু অসমীয়া ভাষা-সংস্কৃতিৰ সংমিশ্রণ, সংশ্লেষণ আৰু সমন্বয়ৰ ওপৰত তথাপি ওপৰোক্ত উদাহৰণ কেইটা দিয়া হ'ল সমন্বয়ৰ ওপৰত সৌ তাহা নিয়েই মুছলমানে অসমক মাতৃভূমি স্বৰ্গাদপী গৰীয়সী বুলি ভাবি বিদেশীৰ পৰা অসমক ৰক্ষা কৰিবলৈ যি বীৰত্বৰ অৱিহণা যোগাইছিল সি অকল সমন্বয়েই নহয় মাতৃভূমিৰ প্ৰতি আত্মা বলিদানৰ জ্বলন্ত সাক্ষী। ইতিহাসে বিচাৰি নোপোৱা এনেকুৱা জ্বলন্ত সাক্ষীসমূহে অসমৰ হিন্দু-মুছলমানক সদায় একত্রিত কৰি স্বদেশপ্ৰীতিত বান্ধি ৰাখিছে আৰু ভৱিষ্যতলৈয়ো ৰাখিব।

অসমীয়া জাতি বহু প্ৰজাতীয় জনগোষ্ঠীৰ সমষ্টি মাথোঁ। অকল অসমীয়া বুলি কোনো এটা প্ৰজাতিয়েই দাঠি ক'ব নোৱাৰে। তেল, নিমখ, হালধী, জলকীয়া

১ : সংমিশ্রণত অসমীয়া সংস্কৃতি ঃ আব্দুছ ছাত্তাৰ ঃ পৃ ঃ ১৮

আদিৰ মিশ্ৰণত আঞ্জাখন হয়। মাত্ৰ এবিধ উপাদানৰে এখন আঞ্জা কেতিয়াও হ'ব নোৱাৰে সেইদৰে হ'ব নোৱাৰে কেৱল মাত্ৰ এটা প্ৰজাতিৰ দ্বাৰা অসমীয়া জাতি, হব নোৱাৰে এটা প্ৰজাতিৰ মাত কথাৰে অসমীয়া ভাষা। প্ৰাচ্য আৰু পাশ্চাত্যৰ জন প্ৰব্ৰজনৰ বিভিন্ন প্ৰজাতিৰ মাত কথাৰ সমন্বয়ত সৃষ্টি হৈছে অসমীয়া ভাষা।

প্ৰথমতে অষ্ট্ৰিক নামৰ প্ৰজাতিটোৰ কথাকে কোৱা যাওঁক। অষ্ট্ৰিকসকলেই অসমত ধান খেতিৰ প্ৰচলন কৰিছিল। তেওঁলোকেই প্ৰথমতে বনৰীয়া জীব-জন্তু জংঘলৰ পৰা ধৰি আনি পোহ মনাইছিল। সেইদৰে বনৰীয়া ফল-মূলৰ সঁচ আনি খেতি কৰিছিল। লাও, কোমোৰা, বেঙেনা, কেৰেলা, ভোল, জিকা তদুপৰি কল, তামোল নাৰিকলৰ খেতিও এওঁলোকেই কৰিছিল। হালধি, আদা, কচু, কাঠ আলুৰ খেতিও এওঁলোকৰেই অবদান। দৰা-কইনাক গা-ধুওৱাতে হালধি সনা সংস্কৃতি অষ্ট্ৰিকসকলৰ। অষ্ট্ৰিকৰ পৰাই তামোল-পানৰ সংস্কৃতি অসমলৈ আহে। ঘৰলৈ অহা আলহীজনক প্ৰথমতে তামোলখন দিয়া, তামোল-পানেৰে মান ধৰা, ক্ষমা খোজা তামোল-পানৰ সংস্কৃতি আজিও অসমীয়া সমাজত সকলোতকৈ উৰ্দ্ধত। গঁড়, মেথোন, কেৰ্কেটুৱা, জহামলা, হেঁপা, কুকুৰনেচীয়া বাংকুকুৰ, আদি জন্তু, টিয়া, ভাটৌ, কামচৰাই, কপৌ আদি পক্ষী বাচক শব্দ অষ্ট্ৰিক মূলৰ।

জাক, মখা, বোৰ, বিলাক আদি বহু বচানাত্মক শব্দবোৰ অনাৰ্যমূলীয় থলুৱা ভাষাৰ। তেনেকৈ টা, টো, টি, ডাল, গৰাকী, টাৰ বিৰা, খিলা, ফেৰা, আঁটি, জোলা, চিটা, জেৰা, চলা, ফাল, বখলা আদি সংখ্যাবাচক প্ৰত্যেয়বোৰ প্ৰায়েই অনাৰ্যমূলীয়। সেইদৰে ম, মা, চা, আদি তদ্ধিত প্ৰত্যয়বোৰো মঙ্গোলীয় বড়ো মূলীয়। অসমীয়া ক্ষুদ্ৰ বাচক শব্দবোৰো অনাৰ্যমূলীয়। যদিও ইণ্ডো-ইউৰোপীয় মূলৰ সংস্কৃত ভাষাই অসমীয়া ভাষাৰ মূল ভেঁটি তথাপি জাক, মখা, বোৰ, বিলাক আদি শব্দবোৰ সংস্কৃত ভাষাত নাই। সেইদৰে গছক, ভেকুৰ, খাম, বান্ধ, গবামাৰ, বিৰদি, গম-পা আদি তিব্বতো-বৰ্মী মঙ্গোলীয় শব্দ বুলি নৃতাত্বিকসকলে অনুমান কৰিছে। তাঁতশালৰ সঁজুলি, হাতী বিষয়ক শব্দ, মাছ, গছ-লতা বন আদিৰ নাম বাচক অনাৰ্যমূলীয় শব্দই অসমীয়াত পোহাৰ মেলি বহি আছে।

অসমীয়া ভাষাত ব্যৱহৃত, সম্বন্ধবাচক শব্দবোৰৰ বেছিভাগেই দেশজ মূলৰ শব্দ। পিতা, মাতা, আই, খুৰা, সখি আদি আৰ্যভাষাত অচল। আতা, আবু, বোপা,

বোপাই, বৌ, আমৈ, তাবৈ, বিয়ৈ আদি অনাৰ্যমূলীয়। তদুপৰি ককাই, ভাই, বাই-ভনী, সৰু-ডাঙৰ আদি শব্দ ইণ্ডো-ইউৰোপীয় ভাষাত নাই। বহুতো শব্দত উচ্চাৰণ পদ্ধতিতো অনাৰ্যমূলীয় উপাদান স্পষ্ট। যথাৰ্থতে অসমীয়া ভাষাই টাই, বড়ো, অষ্ট্ৰিক কোল, মুণ্ডা, খাচী আৰু অন্যান্য কিৰাত বংশোদ্ভৱ উপভাষাৰপৰা উচ্চাৰণ-পদ্ধতি আৰু গঠন আৰু বিকাশৰ অৰ্থে বিভিন্ন উপাদান গ্ৰহণ কৰিছে।[১] এনেকৈয়ে অষ্ট্ৰ-মঙ্গোলয়ড অৰ্থাৎ নিষাদ কিৰাত শব্দৰাজিৰে অসমীয়া ভাষা চহকী হৈছে। মাত্ৰ ইয়াৰ ব্যাকৰণ ৰচিত হৈছে সংস্কৃত ভাষাক নিৰ্ভৰ কৰি।

অসমীয়া ভাষা, ধৰ্ম, লোক-বিশ্বাস, লোক-সংস্কৃতি জীৱনধাৰণৰ পদ্ধতি সকলোতে মঙ্গোলীয় উপাদানে ৰজনজনাই আছে। অসমীয়া ভাষা মূলতঃ ইণ্ডো-ইউৰোপীয় সংস্কৃতিৰপৰা উদ্ভৱ হলেও ইয়াৰ উচ্চাৰণগত পদ্ধতি মঙ্গোলীয় প্ৰভাৱ বিদ্যমান। অসমীয়া শব্দৰ ভঁৰাল পুষ্ট হৈছে মঙ্গোলীয় উপাদানেৰে।

সংস্কৃতিৰ ক্ষেত্ৰতো মঙ্গোলীয় মানুহৰ মাজত অতি পুৰণি কালৰপৰা সৰল অথচ কাৰ্যকৰী তাঁতশালৰ ব্যৱহাৰ আছিল। তেওঁলোকৰ তাঁতশাল দুবিধ-মাটিৰ শাল আৰু কঁকালত বান্ধি বোৱা শাল। তেওঁলোকে অসমলৈ বোৱাই আনিছিল পাট, মুগা, এৰী খেতিৰ প্ৰচলন আৰু তাৰ ব্যৱহাৰ। পাছলৈ এই বৃত্তি অসমৰ সকলো জনগোষ্ঠীয়ে সাৰটি লয় আৰু আহোম যুগত ই ৰাজ মৰ্যদা লাভ কৰে। সেইদৰে পূজা-মন্ত্ৰ, ভূত-প্ৰেত, বিশ্বাস, মেজিক, চাহ, ধান, তামোলৰ খেতিত অষ্ট্ৰ মঙ্গলয়ড, উভয় সংস্কৃতিৰ অৱদান কোনেও নুই কৰিব নোৱাৰে।

ড° লীলা গগৈ দেৱৰ মতে সংস্কৃতিৰ গতিধাৰা নিৰ্ণয় কৰে ধৰ্মই। ধৰ্মৰ গইনা লৈ স্থাপত্য, ভাস্কৰ্য, সাহিত্য, গীত, নাট্যৰ চিত্ৰকলা সৃষ্টি হয়। ধৰ্ম হিচাপে হিন্দু ধৰ্ম ওপৰত। ঘাইকৈ অসমৰ বৈষ্ণৱ ধৰ্মৰ ওপৰত ইছলামীয় আদৰ্শৰ কোনো সাঁচ নাই আৰু সেই দিশৰপৰা অসমৰ সংস্কৃতিলৈ ইছলামী উপাদান অহা নাই।[২]

কিন্তু গগৈদেৱৰ এই মন্তব্য সহজে গ্ৰহণ কৰিব নোৱাৰি। ইছলামৰ একেশ্বৰবাদ একশ্বৰবাদী সাধক সকলৰ পৰা বা উপনিষদ আদি ধৰ্মগ্ৰন্থৰ পৰা একেশ্বৰবাদী আদৰ্শ গ্ৰহণ কৰিব পাৰে। ত্ৰয়োদশ শতিকাত অসমীয়া লিখিত সাহিত্য আৰম্ভ হোৱাৰে পৰা অৰ্থাৎ হেম সৰস্বতীৰ দিনৰে পৰা দ্বিধাবিহীনভাৱে বিদেশী শব্দ কবি

১ : অসমৰ সংস্কৃতি : ডঃ লীলা গগৈ : পৃঃ ১৫
২ : অসমৰ সংস্কৃতি : ডঃ লীলা গগৈ : পৃঃ ১৫০

সাহিত্যিকসকলে ব্যৱহাৰ কৰিছিল। 'নফৰ' আৰবী শব্দ ব্যৱহাৰ কৰিয়েই হেম সৰস্বতীয়ে বিদেশী ভাষাক মৰ্য্যদা দান কৰিছিল। সেইদৰে আজান ফকীৰো শঙ্কৰদেৱৰ নাম ধৰ্মৰ ওপৰত প্ৰভাৱান্বিত হৈ সমাজত প্ৰচলিত নাম কীৰ্ত্তনৰ দৰে গীত ৰচিবলৈ অনুপ্ৰেৰণা লাভ কৰিছিল। "জিকিৰ বিলাকৰ ৰচনা আৰু হাত চাপৰিৰে গোৱাৰ পদ্ধতিয়ে স্পষ্টভাৱে মহাপুৰুষীয়া নাম-কীৰ্ত্তনৰ পোনপটীয়া প্ৰভাব দেখুৱায়।" (অসমীয়া সাহিত্যৰ বুৰঞ্জী- ডিম্বেশ্বৰ নেওগ)[১]

ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ মতে আধুনিক বঙালী ভাষাত প্ৰায় আঢ়ৈ হাজাৰতকৈয়ো অধিক ফাৰ্চী শব্দ আছে বুলি তেখেতে 'বাঙ্গালা ভাষাতত্ত্বৰ ভূমিকা'ত উল্লেখ কৰিছে। "সম্প্ৰতি আমিও বিশেষ অধ্যয়ণৰ দ্বাৰা হিচাপ কৰি পাইছোঁ যে আৰবী ফাৰ্চীৰ মূল শব্দই আমাৰ অসমীয়া ভাষাত প্ৰচলিত হৈ আছে পায় ন শ আৰু বিভিন্ন মূল শব্দসমূহৰ পৰা উৎপত্তি হোৱা তত্ত্বৰ শব্দই হৈছে প্ৰায় বাৰশ।"[২] ওস্তাদ চেতাৰ, সৰোদ, নেগেৰা, খেয়াল, টুংৰি, গিলিপ, কিতাপ, আস্তন, বখিয়া আতৰ পাগ, জামা ইত্যাদি একোটাহত উদাহৰণ। ভাষা হিচাপে আৰবী ফাৰ্চী, উৰ্দ্দু বা পস্তু ভাষাৰ মূলৰ লগত মিল থকা কিছুমান শব্দ ব্যৱহাৰিক জীৱনত অসমীয়া ভাষাত এনেকৈ সনা পিটিকা হ'ল যে আজিৰ প্ৰজন্মই সেইবোৰ পৃথক কৰা সহজ নহয়। ভাষাতত্ত্ববিদসকলে সপ্তদশ-অষ্টাদশ শতিকাত ৰজাঘৰীয়া আদান-প্ৰদানৰ চিঠি পত্ৰত ব্যৱহাৰ কৰা আৰবী-ফাৰ্চী শব্দই অসমীয়া ভাষাত ব্যৱহাৰ হোৱা বুলি কলেও দৰাচলতে ত্ৰয়োদশ শতিকাৰ ৰদ'কাঁচলিতে মঙ্গোলীয় কিৰাত গোষ্ঠীয় ৰজাৰ দিনত কামৰূপত আৰবী-ফাৰ্চী ভাষাৰ প্ৰয়োগ ঘটিছিল-- তাৰ উদাহৰণ বড়ো কছাৰীৰ খেৰায় পূজা আৰু মেচেনী উৎসৱত পোৱা যায়। সেইবোৰ শব্দ হয়তো লিখিত অৱস্থাত নাহি মুখে মুখে প্ৰচলিত হৈ আছিল। অৱশ্যে এইটোও স্বীকাৰ্য যে ১৭-১৮ শতিকাত ফাৰ্চী ভাষা আদালতৰ ভাষা হোৱা হেতুকে আৰবী ফাৰ্চী ভাষাৰ দুৱাৰখন বহলকৈ মেল খাইছিল। সেই কাৰণে সেই সময়ত ফাৰ্চী জনা বিজ্ঞ হিন্দু ব্যক্তিও আছিল। কাৰণ, সংস্কৃতিৰ বিশেষ নিদৰ্শন আৰু অপৰিহাৰ্য্য আছিল ফাৰ্চী জ্ঞান আহৰণ কৰা, যিহেতু বৈদেশীক নীতি আৰু যোগাযোগ ৰাখিবৰ কাৰণে বিষয়া সকলে প্ৰায় বাধ্যতামূলক ভাবে ফাৰ্চী জানিব লাগিছিল। ইছলাম ধৰ্মাবলম্বী

১ : সংমিশ্ৰণত অসমীয়া সংস্কৃতি ঃ আব্দুছ ছাত্তাৰ, পৃ ঃ ৩০
২ : সংমিশ্ৰণত অসমীয়া সংস্কৃতি ঃ আব্দুছ ছাত্তাৰ, পৃঃ ২ (পাতনি)

লোকসকলৰ প্ৰজ্ঞা আৰু প্ৰতিভাই ৰজাঘৰত আৰু স্থানীয় সমাজত সমাদৰ লাভ কৰিছিল, শ্ৰদ্ধা পাবলৈয়ো সমৰ্থ হৈছিল। ইছলাম ধৰ্মৰ মানুহ হিন্দু ধৰ্মৰ লোকৰ সমানে বিশ্বস্ত হৈ পৰিছিল আহোম ৰজা আৰু ৰাজবিষয়াৰ মানত। ৰজাৰ গাৰখীয়াই নহয়, ৰাজধানীৰ ওলোৱা সোমোৱা বাটত অৰ্থাৎ সিংহদুৱাৰত বিশ্বস্তসূত্ৰে মুছলমানলোককহে থাপিছিল।

মোগলীয় স্থাপত্যৰ আৰ্হি যদিও থলুৱা উপাদানেৰে গঢ়া হৈছিল তথাপি দুৱাৰ-খিৰিকীবোৰত মোগলাই চানেকি জিলিকি উঠিছিল। অসমীয়া শিপিনীৰ পাট-মুগা-এৰীৰ ৰিহা-মেখেলাত গুণাৰ বন কৰা আৰ্হি সলনি হয় মুছলমানৰ জোলা বা তাঁতী ৰজাঘৰীয়া পৃষ্ঠপোষকতাত। এই নতুন চানেকীয়ে তাঁত শিল্পৰ পূৰ্বৰ আৰ্হিকে সলনি কৰিছিল। সেই কাপোৰৰ চানেকি চাই অসমৰ ডা-ডাঙৰীয়াৰ ঘৰতো কাপোৰ বোৱা ৰমৰমীয়া বৃত্তি এটাই গা কৰি উঠিছিল। বহুতো মুছলমান তিৰোতাই মঙ্গোলীয় গোষ্ঠীৰ তাঁতশালখন উৰাল মাকোলৈ উন্নীত কৰি গুণাৰ বন কৰা কাপোৰৰ ব্যৱসায় এটা গঢ়ি তুলিছিল। সুকুমাৰ বৰকাথে লিখা 'হস্তীবিদ্যাৰ্ণৱ' পুথিত মোগল চিত্ৰশৈলীৰ প্ৰভাৱো মন কৰিবলগীয়া।

শঙ্কৰদেৱ, মাধৱদেৱে বৰগীত, কীৰ্ত্তন, ভাগৱত আদি ধৰ্মৰ লগত ৰজিতা খুৱাই যি অসমীয়া গীতি সাহিত্যৰ ভঁৰাল গঢ়ি তুলিছিল, পঞ্চদশ শতিকাত সুদূৰ বাগদাদৰ পৰা আহি আজানপীৰে অসমীয়া ভাষা শিকি জিকিৰ-জাৰী ৰচনা কৰি গীতি সাহিত্যৰ সেই ভঁৰালটো চহকী কৰাই নহয় অসমীয়াক দিছিল গীতি-ব্যঞ্জনাৰ এক নৱস্বাদ। মজনুদিলেও তাৰ আগতেই সেই ধৰণৰ জিকিৰ লিখি অসমীয়া সাহিত্যৰ এক অভিনৱ দিশ প্ৰদৰ্শক হিচাপে চিহ্নিত হৈছিল। সেইদৰে গোৱালপাৰা অঞ্চলত সত্যপীৰৰ গীত আজিও সমন্বয়ৰ প্ৰতীক হিচাপে জনপ্ৰিয় হৈ আছে।

চান্দখাঁৰ দৰে মুছলমান এজনে শঙ্কৰদেৱৰ বৈষ্ণৱ ধৰ্মত দীক্ষিত হৈ ভকতীয়া গীত ৰচনা কৰিছিল। এই গীতসমূহো অসমীয়া সাহিত্যৰ বিশেষ সম্পদ। ধৰ্মৰ ক্ষেত্ৰত শঙ্কৰদেৱ কিমান উদাৰ আছিল এই নিদৰ্শনৰ পৰাই বুজিব পাৰি।

মুছলমানৰ পাগ-জামা আহোম ৰজাৰ ৰাজকীয় পোছাক হিচাপে স্বীকৃত হৈছিল। অসমৰ কি হিন্দু কি মুছলমান আঢ্যৱন্তলোকৰ এই যোৱা পোছাক সম্মানীয় পোছাক ৰূপে পৰিগণিত হৈছিল। আনকি অসমীয়া সূত্ৰধাৰী নাচতো আজিও এই পোছাক প্ৰচলিত হৈ আছে। সাধাৰণ হিন্দু-মুছলমানৰ একেটাই পোছাক আছিল

ধুতি আৰু পাঞ্জাবী। মাইকী মানুহৰ ৰিহা-মেখেলা। উভয়পক্ষৰ মাইকীমানুহে ব্লাউজ নিপিনিন্ধিছিল। বুকুত মেখেলা পিন্ধি লাজ নিবাৰণ কৰিছিল। ইছলামী পৰ্দা প্ৰথা কেৱল মুছলমান সমাজতে আবদ্ধ নাছিল। সম্ভ্ৰান্ত হিন্দু পৰিয়ালতো ইয়াৰ প্ৰচলন আছিল। মুখ নেদেখাকৈ ওৰণি নটনাকৈ উভয় সম্প্ৰদায়ৰ তিৰোতাই পৰ পুৰুষৰ আগত নোলাইছিল। ক্ৰমবৰ্দ্ধমান পৰিবৰ্ত্তনৰ লগত সাংস্কৃতিক পৰিবৰ্দ্ধনত উভয় সম্প্ৰদায়ৰ তিৰোতাই হাত দীঘল চোলা পিন্ধিছিল। পায়জামা হিন্দু-মুছলমানৰ পোছাক ৰূপে আজিও প্ৰচলিত হৈ আছে। বিয়াৰ ক্ষেত্ৰত কইনাৰ পোছাক উভয় সম্প্ৰদায়ৰে মুগা বা পাটৰ মেখেলা চাদৰ অপৰিহাৰ্য সংস্কৃতি হিচাপে বৰ্ত্তমানেও প্ৰচলিত। বিবাহিতা নাৰীক কঁপালৰ ফোটটোই হিন্দু-মুছলমান চিনাক্ত কৰিলেও অবিবাহিতা গাভৰুক বৰ্ত্তমান পৰিহিতা চুৰিদাৰ কামিজ যোৰে হিন্দু-মুছলমান পৃথকীকৰণ কৰা টান।

অসমৰ অসমীয়া মুছলমান অসমৰ মূল জাতি-সত্ত্বাৰ এক অবিচ্ছেদ্য অংগ। চিৰি-চেহেৰা আৰু অন্তৰ্নিৰ্হিত স্বভাৱশৈলীত মঙ্গোলীয় লক্ষণ বিদ্যমান। সকলোৰে ক্ষেত্ৰত মঙ্গোলীয় লক্ষণ নাথাকিলেও:তেওঁলোকৰ গাত থলুৱা সামাজিক প্ৰভাৱ ইমান গভীৰ যে তাক ধৰ্মৰে জুখিব নোৱাৰে নতুবা ধৰ্ময়ো উটুৱাই নিব পৰা নাই। মছজিদত চিন্নি-চালাট দিয়া, মাজাৰ বা দৰগাহত চিন্নি চালাট দিয়াৰ লগতে মমবাটি, ধূপ-ধূনা জ্বলোৱা, মানুহৰ মৃত্যুৰ পাছত মৃতকৰ আত্মাই মুক্তি পাবৰ কাৰণে চাহাৰাম অৰ্থাৎ তিনিদিনীয়া, চল্লিছা অৰ্থাৎ চল্লিছ দিনৰ মূৰত মৰা কাজ পতা, সেইদৰে আত্মাৰ সদ্‌গতিৰ কাৰণে বছৰে বছৰে মৰাকাজ পতা, তন্ত্ৰ-মন্ত্ৰ, জৰা-ফুকা কৰা, ভূত-প্ৰেতৰ বিশ্বাসী হৈ তাৰ পৰিত্ৰাণৰ কাৰণে মন্ত্ৰপুতঃ পানী, জাব পিন্ধা আদি হিন্দু লোকাচাৰ মুছলমান সমাজতো সঞ্চালনি গতিত চলি আহিছে। একালত মনসা পূজা, মাৰৈ পূজা আৰু ওজাপালিত মুছলমান জড়িত আছিল। মন্ত্ৰ সাহিত্যৰ ভাষা আৰু বিষয় বস্তু লক্ষ্য কৰিলে এই মন্ত্ৰবোৰে মুছলমান লোকৰহে সংস্কৃতি আছিল বুলি বিজ্ঞসকলে কব খোজে। পীৰৰ দৰগাহত হিন্দুই চাকি বন্তি জ্বলায় শৰাই আদি আগবঢ়ায়। মুছলমানৰ সম্পদ বুলি দৰগাহ বা মাজাৰত সেই সন্মানৰ পৰা মুছলমানে কাহানিও বাধা আৰোপ কৰা নাই। গতিকে পীৰ ফকীৰৰ দৰগাহ হিন্দু-মুছলমানৰ সমন্বয়ৰ ক্ষেত্ৰ হিচাপেহে পৰিগণিত হৈছে। ভ্ৰাতৃত্ববোধৰ এই নিদৰ্শন স্মৰনীয়।

হিন্দুৰ বিয়াৰ ধৰ্মীয় ৰীতি 'হোম' আৰু মুছলমানৰ 'দেনমোহৰ'ৰ যোগে নিকাহ পৰ্বৰ বাহিৰে বাকী আনুসঙ্গিক অনুষ্ঠানসমূহ যেনে আঙুঠি পিন্ধোৱা, তেলৰ ভাৰ দিয়া, আঠমঙলা খোৱা, ঘৰবৰ চোৱা বা নেতা খোৱা ইত্যাদি প্ৰথা সমান্তৰাল গতিত মুছলমান সমাজত বোৱতি সুঁতিৰ দৰেই বৰ্ত্তমানেও চলি আছে। এয়া হিন্দু বা মুছলমানৰ প্ৰথা নহয়, এই প্ৰথা এক কথাত কবলৈ হলে অসমীয়া প্ৰথা। সেইদৰে লোকাচাৰ চলি আছে— শনিবাৰে, মঙ্গলবাৰে নখ, দাড়ি চুলি নকটা, গধুলি ফেঁচাই মাতিলে, দুপৰীয়া সময়ত কাউৰীয়ে মাতিলে অমঙ্গলৰ চিন বুলি।

ড° সূৰ্যকুমাৰ ভূঞাৰ 'স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ' গ্ৰন্থত অসমীয়া মুছলমান অধ্যায়টো পঢ়িলে দেখা যায়, বিদ্ৰেশী আক্ৰমণকাৰী অসমলৈ আহিলে অসমীয়া মুছলমান সকলে মাতৃভূমি অসমৰ ফালেহে দেহ-মন সমৰ্পণ কৰিছিল। স্থানীয় অসমীয়া মুছলমানসকলে অসম আক্ৰমণকাৰী সকলক স্বধৰ্মৰ প্ৰতি সহানুভূতি দেখুৱাব বুলি মোগল সেনাপতি সকলে মনে-প্ৰাণে আশা কৰিছিল কিন্তু অসমীয়া মুছলমান সকলে তেনে সহানুভূতি নেদেখুৱাত বিদেশী বিষয়াসকল অসন্তুষ্ট হৈছিল। মীৰজুমলাই অসম আক্ৰমণ কৰাৰ সময়ত বাদুলী ফুকন, হৰি ডেকাৰ পুতেক জগতৰাম ডেকা আদি ভালেমান অসমীয়া হিন্দু বা আহোম নবাবৰফলীয়া হৈছিল কিন্তু অসমীয়া মুছলমানসকলে মোগলৰ সেনাপতি চৈয়দ বংশজাত অখণ্ড প্ৰতাপী মীৰজুমলাক আগত পায়ো বিদেশীৰ লগত কোনো প্ৰকাৰৰ সহানুভূতি নেদেখুৱাইছিল। তাতে মীৰজুমলাৰ লগত অহা ৰণ কাকতি চাহাবুদ্দিন তালিচে আক্ষেপ কৰি লিখিছিল— "পূৰ্বে যুদ্ধ বিগ্ৰহত বন্দী হোৱা ভালেমান মুছলমানে অসমত বিয়া বাৰু কৰি বাস কৰি আছে। তেওঁলোকৰ সতি-সন্ততিসকল অবিকল অসমীয়াৰ দৰে। নামটোৰ বাহিৰে ইছলামৰ কেনো চিন চাবেই তেওঁলোকৰ গাত নাই। মুছলমানৰ লগত সংগতি লোৱাৰ প্ৰতি তেওঁলোকৰ হৃদয়ৰ তান অতি কম, অসমীয়াৰ লগত মিলিবলৈহে তেওঁলোকৰ ধাউতি বেছি। মুছলমানসকল অসমীয়া সমাজৰঅবিচ্ছেদ্য অংগ।"[১]

খাদ্য-সম্ভাৰৰ ক্ষেত্ৰতো হিন্দুৰ খাৰ-খাৰনি, খৰিচা, কাঁহুদি-খাৰলি, তিলপিঠা, ঘিলাপিঠা, চুঙা পিঠা, ফেণী পিঠা, সুতুলি পিঠা, কোমল চাউল, সান্দহ, কৰাই-

১ : সুম্পাদকীয় শিতান ঃ দৈনিক জনসাধাৰণ ঃ ১৯ জুলাই ঃ ২০০৬ চন।

লাড়ু আদি যিদৰে মুছলমানৰ ঘৰত সোমাই পৰিল সেইদৰে মুছলমানৰ খাদ্য-সম্ভাৰ -যদিও পূৰ্বতে হিন্দুই ঘিউ খোৱা নিয়ম নাছিল বৰ্ত্তমান আভিজাত্য হিন্দু পৰিয়ালৰ ঘৰত ঘিউৰে ভজা খানা-পিনাত পোলাও, কোৰ্মা, কোপ্তা আদিয়ে আমোল মোলাই থকা হ'ল। এয়া হৈছে এটা জাতিৰ সাংস্কৃতিক জীৱনৰ প্ৰভাৱ আৰু ৰূপান্তৰ। যতৰ মানি প্ৰতিঘৰ অসমীয়া হিন্দু-মুছলমানে সমানে কোনোবা যুগৰে পৰা এইবোৰ ব্যৱহাৰ কৰি আহিছে। এইবোৰ কোনেও কাৰো ওপৰত জাপি দিয়া নাই। এক মৌন পৰিবৰ্ত্তনৰ বোৱতি সোঁতত এই সংস্কৃতি সমূহ উভয় সমাজত সোমাই পৰিছে।

অসমীয়া সংস্কৃতিয়েই হ'ল সমন্বয়ৰ সংস্কৃতি। আৰ্য, কিৰাত, দ্ৰাবিড় সকলো সংস্কৃতিৰে উপাদান সংমিশ্ৰিত হৈ ক্ৰমবিৱৰ্তনৰ ফলস্বৰূপে অসমীয়া সংস্কৃতিয়ে অকল নিজস্ব বুলি দাবী কৰিব নোৱাৰে। ই হ'ল সন্মিলিত জনগোষ্ঠীৰ অসমীয়া সংস্কৃতি।

কুৰ্ত্তা পায়জামাৰে এজন অসমীয়াক যি দৰে হিন্দু নে মুছলমান চিনিব নোৱাৰি ঠিক তেনেকৈ অসমীয়াত ব্যৱহাৰ হোৱা আৰবী ফাৰ্চী ভাষাৰ শব্দ অবিহনে অসমীয়া ভাষা লিখিব নোৱাৰি। কিতাপ, দোৱাত, বদজাত, বেকাৰ, বেইমান, নাচপতি তৰমুজ আদি আৰবী-ফাৰ্চীৰ প্ৰতিশব্দ অসমীয়াত বৰ্ত্তমান বিচাৰি পোৱা টান। যিদৰে ইংৰাজীৰ টৰ্চ লাইট, মেচ, ফুটবল, আদি শব্দ অসমীয়া শব্দৰে বুজাব নোৱাৰি ঠিক সেইদৰে আৰবী-ফাৰ্চী শব্দৰ অবিহনে অসমীয়া ভাষাক অৰ্থবহ কৰিব নোৱাৰি। সংস্কৃতিৰ দৰে ভাষাও উৰণীয়া পক্ষী। ই বিভিন্ন ঠাইৰ অ'ত পৰি ত'ত পৰি বীজ সিচি থৈ যায়। নতুন শব্দৰ গজালি মেলে। সেই গজালিবোৰেৰে ভাষাৰ পথাৰখন জকমকীয়া হৈ উঠে।

মহেন্দ্ৰ বৰাদেৱৰ ভাষাত, অসমীয়া জাতিটো যেনেকৈ সান মিহলি পানীযুঁৱলিত গঢ় লৈ উঠিছে, তাৰ ভাষাটোত তেনেকৈয়ে সাতোটা পিয়লাৰ ৰং একেটা পিয়লাতে মিহলি হৈ গঢ় লৈ উঠিছে।[১] অসমীয়া মানুহৰ ৰাজপ্ৰদত্ত উপাধি, বৰা, শইকীয়া, হাজৰিকা, বৰুৱা, চহৰীয়া, ভূঞা আদি উপাধিবোৰত দ্বি-বিভক্ত কৰিব নোৱাৰি। এই উপাধি প্ৰদানৰ সময়ত তেওঁলোকক ধৰ্মৰ দৃষ্টিৰে চোৱা নাছিল, চাইছিল কৰ্মনিপুণ অসমীয়া হিচাপে।

---

১ : ত্ৰিপঞ্চাশত্তম পাঠশালা অধিবেশন ঃ সভাপতি মহেন্দ্ৰ বৰাদেৱৰ অভিভাষণঃ পৃঃ ১৭।

গতিকে অসমীয়া মানুহৰ সংমিশ্ৰণত যি সমন্বয় গঢ়ি উঠিছিল সেই সমন্বয়ে আজিও অসমীয়া হিচাপেহে চিনাকি দি আহিছে। কিন্তু সংমিশ্ৰণতকৈও তত্বগধূৰ শব্দটো হ'ল সংশ্লেষণ। সংমিশ্ৰণক প্ৰয়োজনবোধে ফুট ফুটকৈ একৰাই পেলাব পাৰি কিন্তু সংশ্লেষণৰ পূৰ্ণ ৰূপটো এটা পিয়াঁজৰ নিচিনা। ই তৰপে তৰপে চামনি বান্ধি এটা গোটা বস্তুত পৰিণত হোৱা যাৰ এটা তৰপ একৰাই পেলালেই ভেঁকুৰ ধৰি গোটেই পিয়াঁজটোৱেই পচি নাইকিয়া হৈ যাব। এসময়ত অসমখনো বিভিন্ন প্ৰজাতিৰ এক জীৱন্ত যাদুঘৰ আছিল। ইতিহাসৰ পুৱতি বেলাত প্ৰব্ৰজন মাৰ্গেৰেই আদিম মানৱ গোষ্ঠী দল যিসকলে ভাৰতৰ পৰা দক্ষিণ পূব এচিয়ালৈ আৰু দক্ষিণ-পূব এচিয়াৰপৰা অৱশিষ্ট ভাৰতলৈ জুমে জুমে প্ৰৱেশ কৰিছিল-- এই অহা-যোৱা সোঁত বিলাকৰ পৰা উফৰি পৰি একোমুঠি মানুহ অসম নামৰ ভূখণ্ডত পাহাৰ-ভৈয়ামত ৰৈ গৈছিল। সেই সকলেই অসমৰ আদিমতম খিলঞ্জীয়া মানুহ।

এই খিলঞ্জীয়া মানুহ চামৰ লগতে নিজৰ ভাষা, নিজৰ কৃষ্টি, নিজৰ সংস্কৃতি জলাঞ্জলি দি আৰু এচাম মানুহ আহি অসমৰে অসমীয়া বুলি পৰিচয়ৰে লগ লাগিছিলহি। সেই চাম মানুহেই হ'ল অসমৰ অসমীয়া মুছলমান। তেওঁলোকে ধৰ্মৰে কেতিয়াও গৌৰৱ নকৰে; গৌৰৱ কৰে অসমীয়াত্ব পৰিচয়ৰে। যুগ-যুগান্তৰৰ সাধনালব্ধ সমস্ত জ্ঞান বিসৰ্জন দি তেওঁলোকে নিজৰ বাহুবল, ভাষা বলৰে অসমীয়া জনসাধাৰণক সহায় কৰিলে এক বিশাল আৰু গৌৰৱোজ্জ্বল সাংস্কৃতিক ঐতিহ্যৰ অধিকাৰী হোৱাত, ভাৰতীয় সুমহান ঐতিহ্যৰ সমাধিকাৰী হোৱাত। সেই মূল্যৰ অৱদান স্বৰূপে তেওঁলোকে অন্যান্য জন গোষ্ঠীসমূহে স্বকীয়তা দাবী কৰি যি হুঙ্কাৰ তুলিছে, তাৰ বিপৰীতে অসমীয়া মুছলমানে দাবী কৰিছে অসমীয়াত্ব ৰক্ষাৰ্থে। সেই দুঃসাহসী বখতিয়াৰ তুঘ্ৰিলখাঁ, দুৰ্বাৰ চামচুদ্দিন, হুচেন চাহ, মীৰজুমলা, ব্যৰ্থ নায়ক তুৰ্বক আৰু থানাদাৰ লুৎফুল্লা চিৰাজী যিসকলক ইতিহাসে কবৰ দিছিল বিস্মৃতিৰ আন্ধাৰ গহ্বৰত, সেই গহ্বৰৰ ওপৰতে জন্ম লাভ কৰিছিল এদল নতুন মানুহে অসমীয়া পৰিচয়লৈ। সেই নতুন সমাজৰ গুৰি ধৰিছিল চুলতান গৰিয়া, ৰূপাই দা ধৰা, বাঘ হাজৰিকা, দিলবৰ, গেন্ধেলা গৰিয়া, বাহাদুৰ গাওঁবুঢ়া, ফৰ্মুদ আলি, এলাহি বক্স, ৰহিম বক্স, নল্লাখান, আজান পীৰ, ছেৰাগ আলি প্ৰমুখ্যে এদল নতুন অগ্ৰণীয়ে। এই অগ্ৰণীসকলে এক নতুন প্ৰজাতিৰ জন্ম দিছিল। যি প্ৰজাতিত বখতিয়াৰৰ দৰে তুৰ্কী এজনো নাছিল, মীৰজুমলাৰ দৰে নাছিল এজনো মোগল। যাৰ মুখত নাছিল

তুৰ্কী, আৰবী, ফাৰ্চী অথবা বঙালী । এই প্ৰজাতিটোৱেই হ'ল লুইত আৰু বৰাকপৰীয়া হাড়ে হিমজুৰে অসমীয়া। স্থানীয় বিভিন্ন ভাষা-ভাষী অসমৰ প্ৰাচীন প্ৰজাতিৰ সমকক্ষ অংশীদাৰ। নতুন অসম স্ৰষ্টাৰ বাটকটীয়া অসমৰ অসমীয়া মুছলমান।

এই সকলৰ অতীতৰ অৱদান, নতুন প্ৰজন্মৰ আশ্ৰয়ৰ স্থল, ভৱিষ্যত সকলৰ সপোনৰ মাতৃভূমিৰ পৰা কোনোবা অজ্ঞাত শত্ৰুৱে যদি অপকাৰ সাধন কৰিব বিচাৰে তেতিয়াহলে সংশ্লেষণত তৰপে তৰপে গঢ় লোৱা পিয়াঁজটোৰ পৰা এটা চামনি এবাৰ পেলালেই যিদৰে পিয়াঁজটো ভেঁকুৰ ধৰি পচি যায় নাইকিয়া হয় ঠিক সেইদৰে অসমীয়া মুছলমানসকলৰ অবিহনে অসমৰ অস্তিত্বই হেৰাই যাব।

অসমীয়া ভাষা-সংস্কৃতিলৈ মুছলমানসকলৰ অৱদান

অসমৰ সংস্কৃত জগতখনলৈ এক বৈপ্লৱিক পৰিৱৰ্ত্তন আনে মুছলমানসকলে। প্ৰাচীন কামৰূপ তথা অসমত কোনো ধৰণৰ মুদ্ৰানীতিৰ প্ৰচলন নাছিল। কিন্তু বংগৰ নবাব সকলৰ আৰ্হিত ১৫৫৫ খৃঃতে মুদ্ৰাশাল তৈয়াৰ কৰি ৰজা নৰনাৰায়ণৰ নামত মুদ্ৰা মৰাইছিল। ষ্টেপলটন নামৰ এজন ইংৰাজ পৰিব্ৰাজকে তেওঁৰ ইথিওগ্ৰাফী অব নৰ্থ-ইষ্টাৰ্ণ ইণ্ডিয়া' নামৰ পুথিত লিখিছে— নৰনাৰায়ণৰ মুদ্ৰাসমূহ ১৫৩৮ খৃঃলৈকে বঙ্গৰ নবাব হিচাপে শাসন কৰা হুছেইন ছাহৰ মুদ্ৰাৰ আৰ্হিত নিৰ্মাণ কৰা হৈছিল। ১৫২৫ শক (১৬০৩ খৃঃ)ৰ ৰজা পৰীক্ষিতৰ মুদ্ৰা এটা অলপতে আৱিষ্কৃত হৈছে।[১]

সেইদৰে আহোমৰ ৰাজত্ব কালত শিৱসিংহই তেওঁৰ ৰাণীসকলৰ তাগিদাত ১৭২৪ খৃঃৰ পৰা ১৭৩১ খৃঃলৈ প্ৰথম মোহৰ মৰাইছিল। এই মোহৰবোৰ এঠাইৰ বাহিৰে বাকী সকলোবোৰ মোহৰতে তেওঁ আৰু ৰাণীৰ নাম যুটীয়াকৈ পোৱা যায়। ১৭৩২-১৭৩৬ খৃঃত তেওঁৰ আৰু অম্বিকাদেৱীৰ নামত আৰু ১৭৩৯-১৭৪৪ খৃঃত তেওঁৰ আৰু সৰ্বেশ্বৰীৰ নামত মুদ্ৰা প্ৰচলিত হৈছিল।[২]

ফাৰ্চী ভাষা আৰু লিপিৰ মুদ্ৰাত লেখা ভাঙণি অসমীয়া ভাষাত এনে ধৰণৰঃ—

(১) চাহ শিও সিং > ৰজা শিৱসিংহৰ

(২) ছিক্কা > টকা

(৩) জদ চোঁ মহৰ > মোহৰৰ দৰে মুদ্ৰিত

(৪) ব-হুক্‌মে বেগম পৰমতি ছৰি > বেগম পৰমতিছৰিৰ (ৰাণী প্ৰথমেশ্বৰী)

উল্লেখযোগ্য যে ৰজাৰ ছত্ৰভংগ যোগ উপস্থিত হোৱা বুলি জ্যোতিষীয়ে ভৱিষ্যত বাণী কৰাত শিৱসিংহই ৰাণী ফুলেশ্বৰীক শাসনভাৰ গটাই দি 'বৰৰজা' পাতিছিল। ফুলেশ্বৰীয়ে বৰৰজা হৈ প্ৰথমেশ্বৰী নাম লৈছিল। ৰজা আৰু তেওঁৰ নামত মোহৰ মৰাইছিল।

(৫) চাহ > ৰজা।

---

১ : অসম বুৰঞ্জী : চাৰ এডোৱাৰ্ড গেইটঃ পৃঃ ৫২

২ : অসম বুৰঞ্জী : চাৰ এডোৱাৰ্ড গেইটঃ পৃঃ ১৫৯

(৬)　(১) ময়মনত মানুছ > এজন অন্তৰঙ্গ বন্ধুৰ শ্ৰীবৃদ্ধি
(২) ১৫ > ১৫
(৩) ছনে জলুচ > ৰজা সিংহাখনত আৰোহন কৰা তাৰিখ।
(৪) জবৰ গড়গাঁও > গড়গাঁৱত মুদ্ৰিত
(৫) ১৬৫১" > ১৬৫১ (১৭২৯ খৃঃ)" ১

ৰাজকীয় টকা শালতো যে এজন মুছলমান বিষয়া আছিল তাক সহজে অনুমান কৰিব পাৰি। কাৰণ আহোম ৰজা আৰু ৰাণীয়ে মুদ্ৰাবোৰ ফাৰ্চী আখৰৰে মৰোৱাইছিল। শিৱসিংহৰ দিনৰ মুদ্ৰাসমুহে এই তথ্য সমৰ্থন কৰে। ১৭৭৫ খৃঃত এজন আচামীয়ে যি ভাষা কৈছিল সেয়া সম্পূৰ্ণ ফাৰ্চী ব্যৱহাৰ কৰিছিল বুলি জনা যায়। গতিকে আদালতত যে ফাৰ্চী ভাষাহে প্ৰচলন হৈছিল আৰু ৰজা, প্ৰজা, দেশ-বিদেশৰ লগত আদান প্ৰদান ফাৰ্চী ভাষাৰেহে হৈছিল তাক ইতিমধ্যে ইতিহাসবিদ সকলে স্বীকাৰ কৰি গৈছে।

ফাৰ্চী ভাষাৰ চিঠি অনুবাদ কৰি আহোম ৰজাক দিয়া এজন মুছলমান ব্যক্তিৰ নাম পীৰ মহম্মদ। অসমৰ বিশিষ্টা সাহিত্যসেৱী নাজিৰাৰ এলি আহমেদ এই ফাৰ্চী ভাষা পঢ়ীয়াৰ বংশৰ বুলি জনা গৈছে। এইদৰে ফাৰ্চী ভাষা পঢ়ীয়াৰ আহোম ৰাজ বিষয়াৰ পৰিয়ালৰ সতি-সন্ততি গুৱাহাটীৰ মাছখোৱাত অদ্যাপি আছে।

মুছলমান খনিকৰ পৰিয়ালৰ হাতী দাঁতৰ অপূৰ্ব চানেকি বহু শ বছৰ ধৰি আজিও যোৰহাটৰ বংশধৰসকলৰ এটা পৰিয়ালে সংৰক্ষণ কৰি ৰাখিছে।

আকৌ আগৰ প্ৰসংগলৈ আহি কব পাৰি যে যিহেতু আহোম ৰজা শিৱসিংহই সৰ্ব প্ৰথম মুদ্ৰানীতি অসমত প্ৰচলন কৰে সেই নীতি মুছলমানৰ আদৰ্শতহে প্ৰচলন কৰিছিল। সেই কাৰণে গেইট চাহাবে কৈছে, "আহোমবিলাকে ৰাজ্য বিস্তাৰ কৰি মুছলমানৰ সংস্পৰ্শলৈ অহাত ছচেইনী বংশ মুছলমান ৰজাসকলৰ মুদ্ৰা-নীতি অনুসৰণ কৰিবলৈ অনুপ্ৰাণিত হৈছিল। মিঃ এ, ডব্লিউ বথামৰ মতে কেৱল লিপি আৰু আকৃতিৰ বাহিৰে আন আন বিষয়ত আহোম মুদ্ৰাবিলাক আলাউদ্দিন হুচেইন শ্বাহৰ পুত্ৰ নছৰৎ শ্বাহ আৰু গিয়াছুদ্দিনৰ মুদ্ৰাৰে সৈতে একে আছিল।"

এই দৃষ্টান্তই প্ৰমাণ কৰে কোচ ৰজা নৰনাৰায়ণ আৰু পৰীক্ষিত নাৰায়ণেও মুছলমানৰ এই মুদ্ৰা নীতিকে প্ৰয়োগ কৰা কাৰ্যত।

১ : সংমিশ্ৰণত অসমীয়া সংস্কৃতি ঃ আঃ ছাঃ পৃঃ ১৭।

সেইদৰে ফাৰ্চী পঢ়ীয়াৰ বৃত্তিটো আহোম ৰাজ দৰবাৰত প্ৰধান বৃত্তি হৈ পৰিছিল। এই সম্পৰ্কে 'এনেলচ্ অব্ দি দেলহি ৰাদচা-হাটত' আছে—

The Ahom monarach maintained in his court a large number of Muhamadan officials who deciphered persian correspondence received from outside, and drafted letters to foreign sovereigns and potentates. The royal mint was under the superintendence of a Muhammadan officer, and several Assam Kings and queens struck coins with persian legends engraved on them. The persian or Urdu language was not absolutely unknown among the mass of people and a witness in a criminal trial of about 1775, reproduced the exact words of the conversation which had been carried on by the accused in 'Farsi'.[১]

ৰুদ্ৰ সিংহই বংগৰপৰা ভালেমান জ্ঞানীলোক এই ৰাজ্যলৈ আনিছিল। বহুতো ব্ৰাহ্মণ সন্তানক তেওঁ উচ্চ শিক্ষাৰ্থে বংগদেশত থকা শিক্ষানুষ্ঠানলৈ পঠাইছিল।[২]

১৫৫০ খৃঃত দিল্লীৰ সম্ৰাট হুমুয়াণে পাৰস্যৰ দুজন চিত্ৰ শিল্পী মিৰ চৈয়দ আলি আৰু খাজা আব্দুছ ছামাদক আনি ৰাজসভাব চিত্ৰ শিল্পীৰ মৰ্যদা দি 'দাস্তান-ই-আমীৰ হামজা' নামৰ পুথিখন বিভিন্ন চিত্ৰৰে অলংকৃত কৰিছিল। এই ধৰণৰে মোগল চিত্ৰ কলাৰ এক নৱ জাগৰণ সৃষ্টি হৈছিল। ইয়াৰ আগতে ভাৰতৰ ৰজা মহাৰজাসকলৰ ৰাজত্ব কালত ভাৰতৰ চিত্ৰকলাই বিশেষ প্ৰভাৱ পেলাব পৰা নাছিল। যিখিনি আছিল সেইখিনিও নিঃচিহ্ন গৰাহত পৰিছিল। কিন্তু এই মৃত্যুমুখী চিত্ৰ কলাকো পুনৰ্জীৱিত কৰি তুলিছিল মোগল বাদচাহসকলৰ পৃষ্ঠাপোষকতাত ভাৰতীয় চিত্ৰ শিল্পীসকলে। সেই সকলৰ পিতৃপুৰুষ আৰু প্ৰথম মুছলমান সেনা নায়ক খোৰা টাইমুৰ যদিও এগৰাকী দুৰ্দ্ধৰ্ষ যোদ্ধা আছিল আনহাতে তেওঁৰ বংশধৰসকলৰ পৃষ্ঠপোষকতাত পাৰাস্য চিত্ৰ-শিল্প বহুগুণে সমৃদ্ধ হৈ উঠিছিল। ভাৰতবৰ্ষত পাৰস্যৰপৰা অহা শিল্পীৰ কৰ্ত্তৃত্বত মোগল যুগত জন্ম লাভ কৰিছিল মোগল চিত্ৰ শিল্পই। এসময়ত এনে

১ : সংমিশ্ৰণত অসমীয়া সংস্কৃতি ঃ আঃ ছাঃ পৃঃ ১৬।

২ : লুইত বৰাক আৰু ইছলাম ঃ মেদিনী চৌধুৰী ঃ পৃঃ ৩৯

হৈছিল যে সমগ্ৰ উত্তৰ ভাৰতৰ চিত্ৰ কলাকে মোগল চিত্ৰ-কলা নামেৰে পৰিচিত কৰা হৈছিল।[১]

সেই মোগলীয় চিত্ৰ-কলাৰ আৰ্হিত সৃষ্টি কৰা অসমৰ ৰজা শিৱসিংহৰ আটাইতকৈ ডাঙৰ কীৰ্ত্তি সুকুমাৰ বৰ কাইথে লিখা "হস্তী বিদ্যাৰ্ণব" নামৰ সচিত্ৰ অতুলনীয় গ্ৰন্থখনি। এই পুথিখন শিৱসিংহৰ দ্বিতীয়া পত্নী অম্বিকাই কৰাইছিল। এই পুথিখনৰ ছবিবোৰ আঁকিছিল মুছলমান শিল্পী দিলবৰ আৰু হিন্দু শিল্পী দোচয়ে। এই ছবিসমূহ অতি আপুৰুগীয়া আৰু মোগল যুগৰ চাৰু চিত্ৰৰ অনুপম নিদৰ্শন।

"The two artists who worked on them being Dilbar a Muslim and Dosay a Hindu" -- History of Assam by E.A. Gait[২]

সেইদৰে আহোম যুগৰ সাঁচিপতীয়া পুথি যেনে-গীত গোবিন্দ, দৰং ৰাজবংশাৱলী, ধৰ্ম পুৰাণ আদিৰ চিত্ৰৰ লগত মুছলমানী চিত্ৰৰ সাদৃশ্য দেখা যায়। কিছুমান মন্ত্ৰ, মাৰৈ পূজাৰ গীত-মাত 'মৃগাৱতী চৰিত' আদি পুথিত মুছলমানী ভাৱধাৰা স্পষ্টভাৱে দেখা যায়।[৩]

দিল্লীৰ সম্ৰাট ঔৰংগজেবৰ তৃতীয় পুত্ৰ আজমতৰা বংগৰ শাসনকৰ্ত্তা হৈ থকাৰ সময়ত অসমৰ ৰজালৈ বৈবাহিক সম্বন্ধেসূত্ৰে 'দুসাজ বিলাতী পাটৰ জামা এৰে শুক্ৰপাগ' আৰু অনেক বয়-বস্তু অসমৰ ৰজালৈ উপঢৌকন পঠাইছিল। মোগল সাম্ৰাজ্যৰ পৰা আমদানি হোৱা এই পোছাক হয়তো ধৰ্মভীৰু স্বদেশ পৰায়ণ ৰজাই পৰিধান নকৰি সত্ৰলৈ পঠিয়াই দিলে। ৰজাই দিয়া দান বুলি ভক্তপ্ৰিয় সত্ৰাধিকাৰে পৱিত্ৰ সূত্ৰধাৰ নাচৰ পোছাক হিচাপে ব্যৱহাৰ কৰিলে।" (সত্ৰীয়া নাচ-শ্ৰীআনন্দ মোহন ভাগৱতী, ৰামধেনু - সপ্তদশ বছৰ, দ্বিতীয় সংখ্যা)

আনহাতে পৰৱৰ্ত্তী ৰজা স্বৰ্গদেউ কমলেশ্বৰ সিংহই মুলকাঙৰ কটকী তোলাত ৰাজপোছাকৰূপে পাগ-জেমা পিন্ধি ৰাজকীয় পোছাকৰে পৰিৱৰ্ত্তন কৰিলে— অসমীয়া সাজপোছাকত মোগল প্ৰভাৱ ৰাজ অনুগ্ৰহতে হয়। "আতপাতে সেই পৌষমাসৰ ১৪ দিন যাওঁতে শুক্ৰবাৰে গধুলি বেলা ৰংঘৰত ৮ এ সেই মুন্‌কেঙীয়াৰ

১ : লুইত বৰাক আৰু ইছলাম মেদিনী চৌধুৰী ঃ পৃঃ ৩৯

২ : সংমিশ্ৰণত অসমীয়া সংস্কৃতি ঃ আব্দুছ ছাত্তাৰ ঃ পৃঃ ৪৯

৩ : ৰংপুৰ ৫৯ তম অঃ সাঃ সঃ স্মৃতি গ্ৰন্থ ঃ পৃঃ ১৮৭

কটকীক তুলিলে। ....৺ ও বাহৰলৈ আহিল। সেই কটকী তোলাত ৰংঘৰটো কাপৰে চাইছিল। দাঁতিত ৰূপৰ বৰে আঁৰিছিল। চাংখনত বানত পাৰিছিল। সেই ঘৰতে ৺ ও চাঙতে চন্দোৱাৰ তৰি পাগ-জেমা পিন্ধি বহিল। আনেও পাগ-জেমা পিন্ধিছিল। (তুংখুঙীয়া বুৰঞ্জী -পৃঃ ১৭৫) একে সূত্রেই তুংখুঙীয়া বুৰঞ্জীত আছে— "মুনকাঙৰ কটকী তোলা সেইবেলা মুনকাঙৰ ৰজা পত্র সন্দেশ সৈতে কটকী পঞ্চাম্রক পঠাইছিল। সি আহি মহঙৰ বাটে ওলাই দিচৈৰ বাহৰ পালেহি। সেই কটকীক ৰোজবাজ দি নিবন্ধে থৈছিল। পাচে ৺ এ ৰংঘৰতে সেই কটকীক ধাৰাণে তুলিলে। সেইবেলা ৺ এ পাগ জেমা পিন্ধি ৰংঘৰত বহিছিল। পৃঃ ১৪১[১]

এনেকৈয়ে চৌগা-চাপকণ আৰু জামা অসমীয়া সম্ভ্রান্ত পৰিয়াল আৰু বিষয়াৰ পোছাক হৈ পৰিছিল। শিৱসাগৰ প্রথমতে উজনি অসমৰ শাসনৰ ঘাই কাৰ্যালয় আছিল যদিও কেপ্টেইন নিউভিল চাহাবে অলপ দিনৰ পাছতে যোৰহাটলৈ ঘাই কাৰ্যালয় স্থানান্তৰ্ কৰে। এই অঞ্চলৰ শাসনকাৰ্য চলাবৰ কাৰণে Principal Assistant to the Commisionerৰ উপৰিও দুজন Sub. Assistant এজন সদৰামীন আৰু দুজন মুনচিফ আছিল। এই শাসনৰ গুৰিয়ালসকল সাধাৰণতে মিলিটেৰী বিভাগৰ মানুহ। অসমৰ পণ্ডিত আন্দৰাম বৰুৱা ১৮৭২ খৃঃৰ পৰা ১৮৭৮ খৃঃ লৈ (এপ্রিল মাহলৈকে) শিৱসাগৰত Assistant Commissioner আছিল। কাছাৰীলৈ আহোতে বৰুৱাদেৱে চৌগা চাপকণ পিন্ধি বিশুদ্ধ অসমীয়া সাজ-পাৰেৰে ভূষিত হৈ আহিছিল।[২]

এনেবোৰ সাজ-পোছাক তৈয়াৰ কৰাৰ কাৰণেই দৰ্জ্জি ব্যৱসায় সম্বন্ধীয় ভালেমান কথা আৰু শব্দ অসমীয়া সমাজত আকাৰ্পণ্যভাৱে সোমাই পৰিল। বখিয়া, আস্তৰ, আস্তিন, ৰফু (ৰিপু) গিৰা গজ, অঙস্তান আদি শব্দ প্রণিধান যোগ্য। পীৰ মহম্মদ নামৰ এজন ফকীৰ বিদেশৰ পৰা আহি শিৱসাগৰত বসতি কৰে। এওঁৰে পুতেক হল ফৰজন্দ গাঁওবুঢ়া। এঁৱেই আহোম ৰজাৰ মূল্যবান সাজ-পোছাক তৈয়াৰ কৰিছিল। এওঁৰ নাতি-পুতি নাজিৰা অঞ্চলত আছে। ৰংপুৰত হোলীঘৰ সাজি ফাকুৱা যাত্রাত ৰজাই জামা, পাগ ইজাৰ পিন্ধা কথাই ইয়াকে বুজায়।

---

১ : সংমিশ্রণত অসমীয়া সংস্কৃতি ঃ আব্দুছ ছাত্তাৰ ঃ পৃঃ ২২

২ : ৰংপুৰ ঃ ৫৯ সাহিত্য সভাৰ স্মৃতি গ্রন্থ ঃ পৃষ্ঠা ঃ ৫৩

বহুতৰ মতে অসমত প্ৰচলিত সূত্ৰধাৰী নৃত্যৰ সাজ-সজ্জাত চাপকন আৰু পাগ মন কৰিবলগীয়া কাৰণ এইবোৰৰ মোগলৰ পোছাকৰ লগত সাদৃশ্য আছে।[১] আনকি শ্ৰীমন্ত শঙ্কৰদেৱৰ চোলা চিলোৱা চান্দখাঁ আছিল মুছলমান জোলা।[২]

তুৰ্বকে অসম আক্ৰমণ কৰোতে বংগ দেশৰ পৰা বন্দুক আনি যুদ্ধত ব্যৱহাৰ কৰিছিল। তেতিয়াৰ পৰাই আহোম ৰজাই মোগলৰ পৰা উপকৰণ আনি অসমত বন্দুক আদি তৈয়াৰ কৰাৰ কাৰখানা খুলিছিল। মীৰজুমলাৰ অসম আক্ৰমণৰ সময়ত বৰতোপো অসমীয়া কাৰিকৰে তৈয়াৰ কৰিছিল বুলি বুৰঞ্জীয়ে সাক্ষী বহন কৰে। বৰতোপ সজা অসমীয়া কাৰিকৰ গেন্ধেলা গৰিয়াৰ কীৰ্ত্তি চমকপ্ৰদ। এইজনা মুছলমান কাৰিকৰে তৈয়াৰ কৰা শিৱসাগৰৰ কাছাৰী ঘৰত থকা বৰমূৰীয়া বৰতোপটোৰ বিষয়ে বুৰঞ্জীবিদ শ্ৰীবেণুধৰ শৰ্মাই লিখিছে— "শিৱসাগৰৰ কছাৰীঘৰৰ আগ চোতালত কেইটামান বৰতোপ আৰু হিলৈ শাৰীপাতি সংৰক্ষণকৈ থোৱা আছে। সেইকেইটাৰ আগত থিয় হ'লে এনে অমসীয়া কোন আছে— যি গৌৰৱত উৎফুল্লিত অথচ চকুপানী নুটুকি নোৱাৰে। তাৰ মাজত যিটো বৰমূৰীয়া বৰতোপ আছে সেইটো দেখিলে আচৰিত মানিব লাগে— আমাৰ নিচিনা নপুংসক জাতি এটাৰ উপৰি পুৰুষতে সেই হেন বিৰাট বৰতোপ কৰিছিল নে বুলি নিজকে ধিক্কাৰ দিব লাগে। গুৱাহাটীৰ বিজয় তৰুণ দুৱাৰাৰ নাতি বহিখোৱা বৰফুকনে সেই তোপটো দি ৰাজেশ্বৰ সিংহ স্বৰ্গদেৱক মান ধৰিছিল। মনছুৰ খাঁক গুৱাহাটীৰ পৰা খেদোৱাৰ কেইবছৰমান পাছতে ১৬৯৫ খৃঃত (১৬১৭ শক) গড়গঞা সন্দিকৈ বৰফুকনৰ আদেশত গেন্ধেলা গৰীয়াই বৰতোপটো সাজে।"[৩]

এই আগ্নেয়াস্ত্ৰৰ ব্যৱহাৰ মুছলমান সকলে ১৬ শতিকাৰ প্ৰাৰম্ভতে বংগত কৰিছিল বুলি আৰবৰ পৰ্যটক বিন হাৰিৰিয়ে কৈ গৈছে। তেওঁ ১৫২৮ খৃঃত পূৰ্ব ভাৰতলৈ আহিছিল আৰু সেই অঞ্চলত আগ্নেয়াস্ত্ৰৰ ব্যৱহাৰ দেখিছিল।

অসমৰ মুছলমান হিলৈদাৰী বৰুৱাৰ বংশ (বন্দুক-কামান কাৰখানাৰ অভিযন্তা) আজিও আছে। তেতিয়াই আতচ বাজিৰো প্ৰচলন হৈছিল। এই আতচবাজিৰ প্ৰস্তুতি আৰু প্ৰচলন প্ৰথমে পূৰ্বভাৰতৰ বিশেষকৈ অসমত কৰিছিল। চিপাহী বিদ্ৰোহৰ

১ : সংমিশ্ৰণত অসমীয়া সংস্কৃতি ঃ আব্দুছ ছাত্তাৰ ঃ পৃঃ ২১—৫০
২ : লুইত বৰাক আৰু ইছলাম ঃ মেঃ চৌঃ পৃঃ ৫৪
৩ : সংমিশ্ৰণত অসমীয়া সংস্কৃতি ঃ আব্দুছ ছাত্তাৰ ঃ পৃঃ ১১

এশ বছৰৰ আগতেই ১৭৫৭ খৃঃত এজন মুছলমানেই মাথো হাৰৈত বাদে আন আতচবাজি তৈয়াৰ কৰাৰ বাবে ইষ্ট ইণ্ডিয়া কোম্পানীৰ অনুমতি পত্ৰ বিচাৰিছিল। অসমৰ প্ৰথম বাজিওবালাজন আছিল বিজনী ৰজাৰ সেনাধ্যক্ষ হানিফ আহমেদ। চাকৰিৰ পৰা অৱসৰ লোৱাৰ পাছত তেৰেই অসমৰ প্ৰথম বন্দুক বাৰুদৰ আৰু আতচবাজিৰ দোকানখন খুলিছিল অভয়াপুৰীত। অভয়াপুৰীৰ বিশিষ্ট নাগৰিক নুৰুল হক সেই স্মৰণীয় পৰিয়ালৰে বংশধৰ। আজিৰ পৰা প্ৰায় ৪৫ বছৰমান আগলৈকে অভয়াপুৰী আৰু বৰপেটা অঞ্চলত আতচবাজি তৈয়াৰ কৰা বহুতো ব্যক্তি আছিল।[১]

অসমৰ স্থাপত্য, ভাস্কৰ্য, সাহিত্য সঙ্গীত কলা আদিত মুছলমানৰ অৱদান অতুলনীয়।

ভাৰতীয় স্থাপত্য বিদ্যাতো মোগলৰ প্ৰভাৱ কম নহয়। পাৰস্যৰ ইছা আফগান্দিৰ প্ৰাণৰ সপোন তাজমহলত প্ৰতিফলিত হয়। ইণ্ডোচেৰাচিনিক আৰ্ট লাল কিল্লা, জামে মছজিদ হুমায়ুণী মাকবুৰা, চেকেন্দ্ৰা (আকবৰ সমাধি) বুলন্দ দাৰৱাজা, ফহেতপুৰ চিক্ৰিৰ বিভিন্ন মহলৰ কাৰুকাৰ্যই ইয়াৰ প্ৰমাণ সূচায়।[২]

শেষ মধ্যযুগীয়া স্থাপত্য বিকাশৰ এক সমীক্ষাৰ পৰা দেখা যায় স্বৰ্গদেউ ৰুদ্ৰসিংহৰ স্থাপত্য বিষয়ক পৰীক্ষা নিৰীক্ষা আৰু স্বৰ্গদেউ শিৱসিংহৰ (১৭১৪-১৭৪৪ খৃঃ) পৰিকল্পনা বিষয়ক শৃংখলা, এই দুই প্ৰচেষ্টাই এই যুগীয়া স্থাপত্যক এক স্বকীয় শৈলীৰ সৃষ্টিৰ ফালে আগুৱাই লৈ গৈছিল ...।

বুৰঞ্জীৰ উদ্ধৃতিৰ পৰা দেখা যায়, স্বৰ্গদেউ ৰুদ্ৰসিংহই ৰংপুৰ নগৰ পাতিবৰ বাবে পশ্চিমীয়া দেশৰ পৰা কাৰিকৰ আনিছিল। এইচাম কাৰিকৰে নগৰৰ লগতে মন্দিৰ, মৈদাম আদিৰ কামো কৰিবলৈ লোৱাত ধৰ্মীয় আৰু ধৰ্মেতৰ দুয়োবিধ স্থাপত্যৰে প্ৰসাৰ হ'বলৈ আৰম্ভ কৰিলে। হয়তো এই নতুন কাৰিকৰ খিনিৰ লগত থলুৱা কাৰিকৰখিনি লগ লগাত এক স্থানীয় খনিকৰ গোষ্ঠীৰ সৃষ্টি হ'ল, যিয়ে থলুৱা নক্সাত পশ্চিমীয়া কাৰিকৰী প্ৰয়োগ কৰি এক নিজা স্থাপত্য ধাৰাৰ সৃষ্টিত আগবাঢ়িল।[৩] প্ৰতাপ সিংহই হাজো আক্ৰমণ কৰাৰ সময়ত মুছলমানে সজা ইটাৰ ঘৰবোৰ ভাঙি ধূলিসাৎ কৰিছিল। বুৰঞ্জীত ইটাৰে সজা ঘৰৰ আৰ্হিৰ বিবৰণ পাই স্বৰ্গদেউ ৰুদ্ৰ

১: লুইত বৰাক আৰু ইছলাম : মেঃ চৌঃ পৃষ্ঠা ৫০-৫১
২: সংমিশ্ৰণত অসমীয়া সংস্কৃতি : আব্দুছ ছাত্তাৰ : পৃঃ ৬
৩: ৰংপুৰ : ৫৯ তম্ সাহিত্য সভাৰ স্মৃতি গ্ৰন্থ : পৃষ্ঠা : ২৪৬

সিংহই ৰংপুৰ নগৰ আৰু নগৰৰ দ'ল, দেবালয়, মন্দিৰ আদি সেই স্থাপত্য কলাৰে সজাবলৈ মনস্থ কৰে। কিন্তু অসমীয়া কাৰিকৰে ইটা তৈয়াৰ কৰিবলৈ নাজানিছিল। সেয়েহে তেওঁ পশ্চিমৰ পৰা মুছলমান কাৰিকৰ আনি মোগল উপাদান আৰু থলুৱা উপাদান মিহলাই এক নতুন মিশ্ৰণ তৈয়াৰ কৰি এক কৰাল তৈয়াৰ কৰাইছিল। মুছলমান কাৰিকৰে তৈয়াৰ কৰা ইটা থলুৱা উপাদানেৰে তৈয়াৰী কৰালেৰে গঁথাইছিল। সেই উপাদানবোৰ আছিল নিৰ্দ্দিষ্ট অনুপাতত মিঠাতেল, শন, ধূনা, গুৰ, চূণ, মাটিমাহ, বৰাচাউল, হাঁহকণী; মাছ আদি। সেইদৰে ৰং তৈয়াৰ কৰিছিল— শামুক, চূণ, মাছৰ তেল, জোকৰ তেজ আদিৰ মিশ্ৰণেৰে।

নগা পাহাৰৰ পৰা শিল সংগ্ৰহ কৰি আনি পশ্চিমৰ পৰা অনা মুছলমান শিলাকটীয়া খেলটোৰ দ্বাৰা শিলবোৰ কাটি চটীয়া কৰি লোৱা হৈছিল। শিৱসাগৰ চহৰৰ পৰা প্ৰায় চৈধ্য কিলোমিটাৰ পশ্চিমত নামডাং নৈৰ ওপৰত এনেকৈ শিল কাটি চটিয়া কৰি এখন শিলৰ সাঁকো ১৭০৩ খৃঃত স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজত্ব কালতে নিৰ্মাণ কৰা হৈছিল। এই খনেই ইতিহাস প্ৰসিদ্ধ নামদাঙৰ শিলৰ সাঁকো।[১] নামদাঙৰ শিলৰ সাঁকো ঘনশ্যাম উদ্দিন নামৰ এজন মুছলমান কাৰিকৰে নিৰ্মাণ কৰিছিল।

"ৰুদ্ৰসিংহই ইটাৰে এটা ৰাজকাৰেং আৰু এখন নগৰী সাজিবলৈ হেঁপাহ কৰিছিল। কিন্তু তেওঁৰ ৰাজ্যত ইটাৰ কাম জনা লোক নাছিল। সেয়ে তেওঁ কোচ বিহাৰৰ পৰা ঘনশ্যাম (ঘনশ্যাম উদ্দিন)[২] নামৰ এজন কাৰিকৰ আনি তেওঁৰ তত্বাৱধানত শিৱসাগৰৰ ওচৰৰ ৰংপুৰ আৰু চৰাইদেউত ভালেমান অট্টালিকা সজাইছিল। ঘনশ্যামৰ কাম-কাজত ৰজা অতি সন্তুষ্ট হৈছিল। নিৰ্মাণৰ কাম শেষ, হোৱাত ঘনশ্যামে ঘৰলৈ উভতি যাবলৈ যো-জা কৰিলে। ৰজাই তেওঁক ভালেমান পুৰস্কাৰ আগবঢ়াইছিল। কিন্তু বিদায়ৰ সময়ত অসাৱধানবশতঃ ঘনশ্যামৰ ওচৰত থকা এখন কাকত ওলাই পৰিল। এই কাগজখনত আহোম ৰাজ্যৰ (মেও) আৰু প্ৰজাসকলৰ সম্পূৰ্ণ বিৱৰণ পাই তেওঁৰ এনে কাকত ৰখাৰ উদ্দেশ্য সম্বন্ধে ৰজাৰ সন্দেহ হ'ল। তেওঁ যে এই কাকত মুছলমানক দি আহোমৰ বিঘিনি ঘটাব খুজিছে এই সম্বন্ধে নিশ্চিন্ত হৈ ৰজাই ঘনশ্যামক বন্দী কৰি পিছত হত্যাৰ আদেশ দিলে।"[৩]

---

১ : ৰংপুৰ ঃ ৫৯ তম্ সাহিত্য সভাৰ স্মৃতি গ্ৰন্থ ঃ পৃষ্ঠা ঃ ১০৩
২ : ৰংপুৰ ঃ ৫৯ তম্ সাহিত্য সভাৰ স্মৃতি গ্ৰন্থ ঃ পৃষ্ঠা ঃ ঐ
৩ : অসম বুৰঞ্জী, গেইট, পৃঃ ১৪৯

বিভিন্ন মন্দিৰৰ প্ৰাচীৰ চিত্ৰণতো মুছলমান শিল্পী নিয়োজিত হৈছিল বুলি বুৰঞ্জীৰ পণ্ডিতসকলে কয়। আনকি প্ৰথম ইটা আৰু কৰালৰ গঠন পদ্ধতি জনা আৰু অসমৰ স্থাপত্যকলাৰ ক্ষেত্ৰতো মুছলমানসকলৰ অৱদানেই অধিক। আৰু অসমত ৰাজত্ব কৰা কছাৰীসকলেও পাছলৈ মুছলমান স্থাপত্য পদ্ধতি গ্ৰহণ কৰে।

পুৰণি কালত চলিছিল কাঁহৰ আচী। তাৰ পাছত পিতলৰ। ১৬ শতিকাৰ মাজভাগত কাচৰ আচী প্ৰথম সোমাইছিল ভাৰতবৰ্ষত। আহোম স্বৰ্গদেউসকলৰ কাৰেংঘৰত যথাস্থানত ৰখা হৈছিল পিতলৰ আচী। সেইবোৰ তৈয়াৰ কৰিছিল মুছলমান শিল্পী সকলে।

প্ৰশাসনৰ বিভিন্ন দিশতো আছে মুছলমানৰ অৱদান। থানা, ডাকঘৰ, জিলা এইবোৰৰ আবিষ্কাৰক আছিল পাঠান নবাব চেৰচাহ (১৫৩৯ খৃঃ) সেই আৰ্হিত অসমত গঠন কৰা হৈছিল থানা, ডাকঘৰ, জিলা আদি।

সুগন্ধি পাণৰ ব্যৱহাৰ যদিও অসমত নতুন তথাপি ইও মুছলমানৰে অৱদান। ত্ৰয়োদশ শতিকাত দিল্লীৰ তুৰ্কী চুলতান গিয়াচুদ্দিন বলবনৰ প্ৰাসাদত তামোল-পান পৰিবেশন কৰা কৰ্মচাৰীয়ে আছিল হেনো ষাঠিজন নে কিমান।

হোকা, নলিচা লগোৱা গুৰগুৰি, লালীৰে মলা তামাখু (ধপাত) এইবোৰো মুছলমানৰে অৱদান। প্ৰথমতে সম্ৰাট আকবৰেই ভাৰতত ধপাত সেৱন কৰিছিল। ১৬ শতিকাত পৰ্তুগীজসকলে ধপাত ভাৰতলৈ আনিছিল। অসমত প্ৰচলন হয় প্ৰায় ১৮ শতিকা মানত।

অসমৰ ৰাজমহিষী সকলৰ প্ৰিয় ফুল আছিল গোলাপ আৰু হাচনাহানা ফুল। ১৮ শতিকাত অসমৰ আঢ্যৱন্ত নাৰী সমাজত এই দুবিধ ফুলে অতি সমাদৰ পাইছিল। আজিও অসমীয়াৰ ঘৰৰ সন্মুখত এই দুবিধ ফুলে আমোল মোলাই থাকে। এই দুয়োবিধ ফুল কঢ়িয়াই আনিছিল মুছলমানসকলে।

মুছলমানসকলে ১৬-১৭ শতিকাত অসমলৈ যোগাযোগ ব্যৱস্থাত আনিছিল এক অভূতপূৰ্ব পৰিৱৰ্ত্তন। তাৰ আগতে নদীয়েই আছিল ৰাজপথ। নাও আৰু ভুৰ আছিল যান ব্যৱস্থা। অসমৰ উত্তৰৰ ভুটান ৰাজ্যত মহম্মদ কাঁচিমে দেখিছিল টানিয়ান ঘোঁৰা। অসমত চাবেকী ঘোঁৰা নাছিল। কিন্তু অসমৰ পুৰণি গ্ৰন্থ ঘোঁৰা নিদানত দিয়া আছিল দুবিধ ঘোঁৰাৰ কথা। এবিধ টাটুকী আৰু আনবিধ তুৰ্কী ঘোঁৰা। টানিয়ানেই

যিমান দূৰ টাটুকী ঘোঁৰা। তুৰ্কী ঘোঁৰা হ'ল মুছলমানে অসম আক্রমণ কৰিবলৈ অনা ঘোঁৰাৰ বংশ।[১]

সঙ্গীতকলাৰ ক্ষেত্ৰতো ভাৰতীয় মুছলমান আমীৰ খুশ্রু, তানসেন, সদাৰঙ্গ, মীৰ্জা খাঁ আদিয়ে যুগান্তৰ সৃষ্টি কৰে। কাৱালী আৰু খেয়ালৰ ৰচয়িতা হ'ল আমীৰ খশ্রু। বাদ্যযন্ত্ৰ বীণাত এৰেই তিনিডাল তাঁৰৰ প্ৰচলন কৰে। সঙ্গীত জগতত প্ৰসিদ্ধ লাভ কৰা তানসেনৰ জীয়াৰীৰ ফালৰ পৰা অষ্টম পুৰুষত জন্ম লাভ কৰা ব্যক্তিজন হ'ল নিয়ামৎ খাঁ। কিন্তু এওঁক সদাৰঙ্গ বুলিহে জনা যায়। খেয়াল গীতৰ প্ৰচলন ৰাজদৰবাৰত এৰেঁই কৰায়। ইয়াৰ আগতে খেয়াল আছিল লোকগীতি। ধ্ৰুপদৰ ওপৰত খেয়ালৰ স্থান এৰেই দিয়ে।[২]

অসমৰ ভায়াইয়া (মৈষাল), চোটকা, কাতিপূজাৰ গীত, ভাৰিগান, গাজিগান, ওজাপালি, লোকগীত, দেহ বিচাৰৰ গীত, বিহুগীত বনগীত, বিয়ানাম, আইনাম, মাৰৈগীত, জিকিৰ, বৈষ্ণৱ যুগৰ গীত-পদ সমূহ, বিভিন্ন জাতি-জনজাতিৰ গীত, ভাটিয়ালি এই সকলোবোৰ হয় আৰ্য নহয় বড়ো সুৰ, নহয় দুয়োটা সুৰৰে মিশ্ৰণ সম্ভূত। এই আৰ্যসুৰ অইন একো নহয়। উত্তৰ ভাৰতৰ হিন্দুস্থানী সংগীতৰ বিভিন্ন সুৰ মাত্ৰ। হিন্দুস্থানী সংগীত মুছলমানসকলে গ্ৰহণ কৰাৰ পাছত ইয়াৰ বৈশিষ্ট্য কিছু পৰিমাণে লোপ পায় দুয়োটাৰ সংমিশ্ৰণত এটা নতুন ধাৰা সূচনা হয়। কামৰূপৰ লগতে কাছাৰৰ সোনাবাৰী ঘাটৰ ইদ্ৰিচ আলি ফকীৰ আৰু সম্প্ৰদায়ৰ গীতবোৰো অসমৰ গৌৰৱপূৰ্ণ ঐতিহ্যৰ অন্যতম সাক্ষী। কাছাৰত প্ৰচলিত গাজিগানত মুছলমানে কৃষ্ণ কথা কয়। ইদ্ৰিচ আলি ফকীৰ আৰু সম্প্ৰদায়ৰ লোকগীতৰ কেতবোৰতো ৰাধা-কৃষ্ণৰ প্ৰেমগাঁথাৰ প্ৰভাৱেই বেছি। মঙ্গলদৈৰ মাৰৈ গীততো হাচান-হুচেইনৰ কৰুণ কাহিনীৰ প্ৰভাৱ বিদ্যমান। অসমৰ সংগীত পৰম্পৰাক ধৰ্মীয় অনুশাসনৰ পৰা প্ৰথমে মুক্ত কৰাৰ কৃতিত্ব অৰ্জন কৰে মুছলমান সকলে।[৩]

ফৰ্মুদ আলি আছিল স্বৰ্গদেউ কন্দৰ্পেশ্বৰ সিংহৰ ৰজাঘৰীয়া গায়ন-বায়নৰ ওপৰত ওজা। তেওঁ ৰজাৰ কুৱৰীসকলক সঙ্গীত শিকাইছিল। এওঁ আছিল এজন সুন্দৰ বেহেলা বাদক।

১: লুইত বৰাক আৰু ইছলাম : মেঃচৌ : পৃঃ ৫৩-৫৫

২: সংমিশ্ৰণত অসমীয়া সংস্কৃতি : আব্দুছ ছাত্তাৰ : পৃঃ ৬

৩: লুইত বৰাক আৰু ইছলাম : মেঃচৌ : পৃঃ ৫৩

কবি কুতুবনৰ যোগেদি যেনেকৈ ইছলামী চুফীবাদ হিন্দী সাহিত্যত প্ৰৱেশ কৰিলে ঠিক সেইদৰে অসমীয়া সাহিত্যত চুফীবাদৰ প্ৰৱেশ ঘটে দ্বিজৰামৰ মৃগাৱতী চৰিতৰ যোগেদি। এই মৃগাৱতী চৰিতৰ আন এটি নাম চাহাপৰী উপখ্যান।

"Some poets searched for fresh love-theme in new literary pastures one such new love romance in Ram Dviys's Mrigavaticarita, a work corresponding to the Sufi Work of the same name written in A/D 1500 by Kutuban."

– History of Assam by E.A. Gait.

সম্ভৱ পঞ্চদশ শতিকাত মজনুদিল নামৰ এজন ফকীৰে অসমত থাকি জিকিৰ শ্ৰেণীৰ গীত ৰচনা কৰে। এওঁৰ ভাষাত সমসাময়িক বৈষ্ণৱ কবিসকলৰ প্ৰভাৱ পৰা বুলি অনুমান কৰা যায়। এওঁ আজান ফকীৰৰ আগৰ লোক। এওঁ হলে ধৰ্ম প্ৰচাৰক নাছিল।

সংমিশ্ৰণত অসমীয়া ভাষা চহকী হ'ল— মুছলমান পীৰ-ফকীৰসকলৰ জিকিৰ জাৰী আৰু মৰ্চিয়া গীতৰ অৱদানেৰে । সেইদৰে সংমিশ্ৰণৰ প্ৰভাৱ পৰিল অসমীয়া বৈষ্ণৱ কবিসকলৰ লিখনিতো। বৈষ্ণৱ ধৰ্মৰ প্ৰসৰতা লাভ কৰাত অসম দেশত ইছলাম ধৰ্মৰ একেশ্বৰবাদ প্ৰচাৰ হোৱাত সহজ হ'ল। ইছলাম ধৰ্মই ৰাজ অুগ্ৰহ লাভ কৰাত ই আৰু সহজ হৈ উঠিল। আজান ফকীৰ আৰু মজনুদিলৰ জিকিৰ শ্ৰেণীৰ গীতত জিকিৰ ৰচনাৰ ভাষা আৰু ঠাঁচে লগতে গোৱাৰ পদ্ধতিয়ে ইয়াৰ সত্যতা প্ৰমাণ কৰে। চান্দখাঁই মুছলমানৰ দৰ্জি হৈ কেৱল যে অসমীয়াৰ পোছাকে চিলালে এনে নহয়, তেওঁ শঙ্কৰদেৱৰ ধৰ্মমতত মোহ গৈ ভকতীয়া গীত লিখি অসমীয়া সাহিত্যৰ যোগেদি অসমৰ সম্প্ৰীতিৰ সোঁত বোৱাই দিলে।

আজান ফকীৰৰ জিকিৰ জাৰীবোৰে অসমীয়া গীতি সাহিত্যক চহকী কৰাই নহয় ই সম্প্ৰীতিৰ অমূল্য নিদৰ্শন। জিকিৰবিলাকৰ ৰচনা আৰু হাত চাপৰিৰে গোৱাৰ পদ্ধতিয়ে স্পষ্টভাৱে মহাপুৰুষীয়া নাম-কীৰ্ত্তনৰ পোনপটীয়া প্ৰভাৱ দেখুৱায়। প্ৰতিটো জিকিৰ আৰু জাৰীৰ লগত ঘোষা থাকে। ওজাই লগাই দিয়ে। পালীয়ে একলগে গায় যদিও মূল ঘোষাটো ওজাই অকলে গায়।

অসমীয়া জিকিৰ সম্বন্ধে চৈয়দ আব্দুল মালিক চাহাবে কৈছে— "জিকিৰৰ (আৰবী জিক্ৰ) শব্দগত অৰ্থ স্মৰণ কৰা উল্লেখ কৰা, আল্লাৰ নাম, গুণ বা

প্ৰশংসাবলী পুনঃ পুনঃ উচ্চাৰণ কৰা। সাধাৰণ অৰ্থত যেই কোনো কথাৰ উল্লেখকে জিক্ৰ কৰা বুলি কলেও জিক্ৰৰ বিশেষ অৰ্থ আল্লাৰ নাম উচ্চাৰণ কৰা, বিশেষকৈ, পুণ্যাৰ্থে বা অন্তঃ শুদ্ধিৰ কাৰণে ঈশ নাম সুঁৱৰি ধৰ্ম জীৱন যাপন কৰা বুজায়। অন্যান্য ধৰ্মৰ দৰে ইছলামতো আল্লাৰ নাম মাহাত্ম্য সুঁৱৰিলে আত্মশুদ্ধি আৰু পুণ্যৰ পথত অগ্ৰসৰ হোৱা যায় বুলি সকলোৱে বিশ্বাস।”

— অসমীয়া জিকিৰ আৰু জাৰী

অসমত পীৰ ফকীৰে ৰাজ অনুগ্ৰহ লাভ কৰিবলৈ সমৰ্থ হোৱাৰ কাৰণেই আজান ফকীৰে অসমীয়া শিকি অসমীয়া সুৰ আৰু ঠাঁচেৰে জিকিৰ জাৰী শ্ৰেণীৰ গীত-পদ ৰচনা কৰি ভাষাগত মিলন ৰক্ষা কৰি অসমীয়া গীতি-সাহিত্য চহকী কৰিলে। গতিকে অসমীয়া সাংস্কৃতিক জীৱনত এই জিকিৰ জাৰী সমূহৰ স্থায়ী মূল্য থকাৰ উপৰিও এইবোৰত আছে ৰস আৰু লয়ৰ প্ৰাচুৰ্য।

সেইদৰে গোৱালপাৰাত প্ৰচলিত পীৰ-ফকীৰৰ গীত, দেহতত্ত্বৰ গীত, মনাই যাত্ৰাৰ গীত, সত্যপীৰৰ গীত আদিত হিন্দু মুছলমানৰ সংস্কৃতিৰ সংহতিপূৰ্ণ এটি সুন্দৰ চিত্ৰ অসমৰ হিন্দু-মুছলমানৰ হৃদয় দৃষ্টিত আঁকা হৈছে। এই গীতসমূহে উভয় সম্প্ৰদায়ক সহ-অৱস্থানত বৰ পীৰাত বহুৱাইছে, সম্প্ৰীতিৰ এনাজৰী গাঁথিছে।

১৪৯৮ খৃঃত গৌড়ৰ হোচেনচাহে কমতাৰাজ্য আক্ৰমণৰ পাছত সত্যপীৰৰ গীত জনপ্ৰিয় হৈ উঠা বুলি পণ্ডিত সকলে কয়। সেই জনপ্ৰিয়তা প্ৰৱাহমান গীতত আজিও প্ৰচলিত হৈ আছে।

বিভিন্ন সময়ত, বিভিন্ন কাৰণত আহি থিতাপি লোৱা মুছলমানসকলে অসম ভূমিকে মাতৃভূমি বুলি আকোৱালি লৈ অসমীয়া ভাষাক অকাৰ্পণ্যভাৱে গ্ৰহণ কৰাৰ ফলত তেওঁলোকৰ মুখৰ আৰবী আৰু ফাৰ্চী শব্দ স্বপ্ৰণোদিত ভাৱে অসমীয়া ভাষাত সোমাই পৰে। এই আৰবী, ফাৰ্চী শব্দবোৰ কিছুমান নিজ ৰূপত আৰু কিছুমান সামান্য বিকৃত হৈ অসমীয়া ভাষাত ব্যৱহৃত হৈছে। ইয়াৰ কাৰণ বিশ্লেষণ কৰি চালে দেখা যায় অসমলৈ পীৰ ফকীৰৰ আগমন আৰু তেওঁলোকে ৰচনা কৰা গীত, পদ, জিকিৰ আৰু জাৰীতএই শব্দবোৰ প্ৰয়োগ হৈছিল তদুপৰি ৰাজনৈতিক কাৰণতো এই শব্দবোৰৰ লগত সম্বন্ধ ঘটিছিল।

যি সময়ত হাজোলৈকে অসমৰ পশ্চিম সীমা বাহাল আছিল আৰু তাৰ সিফালে সম্পূৰ্ণ মোগল ৰাজ্য আছিল সেই সময়তে বৈদেশীক সম্বন্ধৰ কাৰণে

অসমীয়া উচ্চ পর্যায়ৰ হিন্দু বিষয়ায়ো আৰবী-ফাচী শিকি মুছলমান ৰজাৰ লগত সম্বন্ধ অটুট ৰাখি বিভিন্ন শব্দৰ ব্যৱহাৰ মাতৃভাষাৰ লগত সংগতি ৰাখি প্ৰয়োগ কৰিছিল। যিকোনো ভাষাৰ শব্দই নহ'ওঁক কিয় ই যোৱতি নদীৰ পানীৰ দৰে এবাৰ ব্যৱহাৰ হ'লে বৈ থাকে।

"The Ahom ambassadors had to learn Persian. Towards the latter part of Ahom rule persian was regularly learnt and studied by Assamese gentry who aspired for higher posts. This opened the door for a large number of Persian and Arabi- words to get currency in Assam"

– Assamese phonology and vocabulary– by Sri D. Bharali.[১]

ত্ৰয়োদশ শতিকাৰ পৰা অৰ্থাৎ হেম সৰস্বতীৰ দিনৰ পৰা দ্বিধাহীন ভাৱে এই ধৰণৰ শব্দ কবি সাহিত্যিক সকলে ব্যৱহাৰ কৰিছিল। 'নফৰ' আৰবী শব্দটোৰ ব্যৱহাৰৰ যোগেদি হেম সৰস্বতীয়ে বিদেশী ভাষাৰ শব্দক মৰ্যাদা দান কৰে। প্ৰহ্লাদ চৰিত্ৰত তেওঁ এইবুলি উল্লেখ কৰিছে—

"কেহো সুখি কেহো দুখি বহুত অন্তৰ।
কেহো কাক বায়ে কেহো কৰয় নফৰ।।"

মহাপুৰুষ শঙ্কৰ-মাধৱেও তেখেতসকলৰ ভক্তিগীত 'বৰগীত'তো আৰবী-ফাচী শব্দ ব্যৱহাৰ কৰি উদাৰতাৰ পৰিচয় দিছিল।

"ভয়ো ভাই সাৱধান, যাৰে নাহি ছুটে প্ৰাণ।
গোবিন্দৰ ফৰমান নিকটে মিলিব জান।"

● ● ●

"গোবিন্দ দীন দয়াল স্বামী
তুহু মোৰ চায়েব চাকৰ হামি।"

● ● ●

"কালৰ কাল চাহেব হৰি।"

● ● ●

১ : সংমিশ্ৰণত অসমীয়া সংস্কৃতি ঃ আঃ ছাঃ পৃঃ ৩৫

"হামাৰ বাম চৰণে মন লাগু
মায়াময় সয়ল দুনিয়াহি।"

ওপৰত উল্লেখ কৰা ফৰমান, চায়েব, চাহেব, চাকৰ, দুনিয়া আদি আৰবী শব্দ।

"শৰীৰ আত্মা মানি সবলোই চোৰ।
জ্ঞানী আত্মা আৱে হাৰামহি খোৰ।।"

আৰবীত 'হাৰামহি খোৰ'ৰ অৰ্থ অপবিত্ৰ বস্তু খাওঁতা।

মন্ত্ৰ সাহিত্যতো বহুত আৰবী ফাৰ্চী শব্দ ব্যৱহাৰ দেখা যায়। আজি বিজ্ঞানৰ অগ্ৰগতিত যদিও মন্ত্ৰ সাহিত্য লোপ পাবলৈ ধৰিছে তথাপি অতীতত তন্ত্ৰ-মন্ত্ৰই বেমাৰ-আজাৰত বিশেষ ভূমিকা পালন কৰিছিল। মানুহে ৰোগৰ পৰা পৰিত্ৰাণ পাবলৈ তন্ত্ৰ-মন্ত্ৰৰে আশ্ৰয় লৈছিল। আহোম স্বৰ্গদেউ সকলেও যুদ্ধ বিগ্ৰহ আদিত পুৰোহিতৰ জৰিয়তে তন্ত্ৰ-মন্ত্ৰৰ সহায় লৈছিল।

"মগলৰ বাণ-গাঁঠি কাটো।"

ইয়াৰ বাহিৰেও আল্লা, নবী, কোৰাণ, বিচমিল্লা আদি আৰবী শব্দসমূহ মন্ত্ৰ সাহিত্যত সোমাই আছে।

শিব সম্বন্ধীয় আখ্যানমূলক গীতত আছেঃ—

"কোৰাণ কিতাপৰ গাঁঠিত স্ৰজিলা কোন ঠাই"

● ● ●

"হাজাৰ স্তম্ভ প্ৰকাশে ফটিকৰ

● ● ●

গু-কৰতি পুথিত আছে—

'ওৰাণ-কোৰাণ' কিতাপৰ গাঁঠি অসংখ্যাত।'

● ● ●

আব্দুল মালিক চাহাবে 'জিকিৰ আৰু জাৰী' গ্ৰন্থত এটা বৰ গুৰুত্বপূৰ্ণ কথা কৈছে— "বিষ জৰা দুই চাৰি মন্ত্ৰত 'আল্লাৰ দোহাই' আদিও পোৱা যায়।'এই মন্ত্ৰবোৰৰ ৰচক কোন তাক জানিবৰ উপায় নাই। কিন্তু মন্ত্ৰবোৰৰ কিছুমান উদ্ভট কোনো কোনো মুছলমানেও ৰচনা কৰিছিল যেন লাগে। তন্ত্ৰ-মন্ত্ৰৰ যুগত কিছুমান উদ্ভাবনো যোগ-সাধনাৰ শাৰীলৈ উঠিছিল। ইয়াত মুছলমানেও যোগদান কৰিছিল।'[1]

---

১ : সংমিশ্ৰণত অসমীয়া সংস্কৃতি ঃ আঃ ছাঃ পৃঃ ৪০

গোৱালপাৰা জিলাৰ অন্তৰ্গত প্ৰচলিত পীৰ-ফকীৰৰ গীত, দেহ তত্বৰ গীত, মনাই যাত্ৰাৰ গীত, সত্যপীৰৰ গীত আদি আৰবী ফাচী শব্দ মন কৰিবলগীয়া। সত্যপীৰৰ গীতত "কোৰাণ দেখিয়া বামুণ কৰিলে চালাম" "আমৰা ব্ৰাহ্মণ জাতি কোৰাণে কি কাম" ইত্যাদি।

মনাই যাত্ৰাৰ গীতৰ সম্বন্ধে জনা যায় যে এই গীতৰ ওপৰত চুফীবাদৰ ছাঁ পৰা যেন লাগে। গীতৰ কথাত পোৱা যায় মনাইৰ পিতা চুলতান বাদছাহ। কোনোবা দৰবেশৰ প্ৰভাৱত পৰি চুলতান বাদছাহ ফকীৰ হয়। তেতিয়া তেওঁৰ সন্তান মনাই বাদছাহ হয়। মনাই যাত্ৰাৰ গীতসমূহো অসমীয়া সাহিত্যলৈ বিশেষ সংযোজন।

সেইদৰে 'চাবাইচ' বা 'চাবাচ ' (সাবাস) শব্দটোৰ বুৎপত্তিগত অৰ্থ বৰ আচাৰ্যজনক। শ্বাহ আব্বাচ আছিল পাৰাস্য সম্ৰাট। তেওঁ ১৫৮৮ খৃঃৰ পৰা ১৬২৯ খৃঃলৈ ৰাজত্ব কৰিছিল। তেওঁৰ দিনতে পাৰস্য সাম্ৰাজ্যই বিস্তৃতি লাভ কৰি বিৰাট সাম্ৰাজ্যত পৰিণত হৈছিল। তেওঁ অতি বুদ্ধিমান, দূৰদৰ্শী আৰু প্ৰজাৰঞ্জক শাসক আছিল কাৰণে আজিও তেওঁৰ কাৰ্যাৱলী অতি প্ৰশংসনীয় হৈ আছে। আনকি শ্বাহ আব্বাচৰ নামৰ পৰাই কোনোবাই প্ৰশংসনীয় কাম কৰিলে আজিও ভাৰতীয় লোকে পাৰস্যৰ মানুহৰ নিচিনাকৈ 'সাবাস' বা 'চাবাচ' বুলি অভিনন্দন জনায়। আমাৰ অসমীয়াত প্ৰশংসাসূচক শব্দ 'চাবাচ' বা 'চাবাইচ' এই শ্বাহ আব্বাচৰ পৰাই আহিছে বুলিব পাৰি।

অসমীয়া প্ৰবচন, জতুৱা ঠাচ আৰু খণ্ড বাক্যতো আৰবী ফাচী শব্দৰ ব্যৱহাৰ প্ৰচুৰ। এইবোৰ অসমীয়া সাংস্কৃতিক জীৱনত অতি মূল্যবান সম্পদ। সৰ্বসাধাৰণ অসমীয়া মানুহে ভাবিবই নোৱাৰে যে এইবোৰ কেনেকৈ বিদেশী ভাষাৰ যোগেদি অসমীয়া ভাষাত সোমাল। অথচ এইবোৰৰ প্ৰয়োগ অবিহনে অসমীয়া মানুহে নিজৰ মনৰ ভাৱ প্ৰকাশেই কৰিব নোৱাৰিব। ইটোৰ লগত সিটোৰ সাদৃশ্যও প্ৰকাশ কৰিব নোৱাৰিব।

'জোৰ যাৰ মুলুক তাৰ'। ইয়াত 'জোৰ' শব্দটো ফাচী আৰু 'মুলুক' শব্দ আৰবী। মুল্‌ক' প্ৰকৃত আৰবী শব্দ, অপভ্ৰংশ মুলুক।

'চবুৰে মেওৱা ফলে।' — ইয়াৰ অৰ্থ ধৈৰ্য ধৰিলে ফল পোৱা যায়। এই পটন্তৰত ব্যৱহাৰ কৰা 'চবুৰ' শব্দটো আৰবীৰ পৰা অহা আৰু 'মেওৱা' শব্দটো ফাচীৰ পৰা অহা।

'হাকিম লৰিলেও হুকুম নলৰে'। হাকিম আৰু হুকুম দুয়োটাই আৰবী শব্দ।

'তিনি মোল্লা আছিল চাই
খোদাই ওলাল ভোৰোকাই।'

সেইদৰে—

'মোল্লাৰ দৌৰ মছজিদলৈকে।'

মুছলমান মানুহে ৰোজা খোলোতে অৰ্থাৎ ইফ্‌তাৰ কৰোঁতে আদা এচকল-দুচকল লৈ নিমখ অৰ্কণমানেৰে ৰোজা ভাঙে। 'বিছমিল্লাহ' বুলিহে সেই আদা চকলমুখত দিয়ে। ইছলামধৰ্মী মানুহৰ বাহিৰেও অন্য ধৰ্মৰ মানুহে কোৱা "বিছমিলাই কৰিবলৈ আদা এচকল নাই' কথাষাৰ অতি তাৎপৰ্যপূৰ্ণ।

মুছলমানৰ 'মোল্লা' সাধাৰণতে বৰ সৰল। এই সৰলতা খিনিকে বুজাবৰ কাৰণে অসমীয়াত প্ৰবাদ আছে— 'হোলাৰ ভাই মোলা'। ইয়াত 'মোল্লা' শব্দটো অপভ্ৰংশ হৈ 'মোলা' হৈছে।

আৰবী ফাৰ্চীৰ পৰা অহা শব্দ পোনে পোনে আহি আৰু কিছুমান অসমীয়া শব্দৰ লগত অপভ্ৰংশৰূপে লগ লাগি একোটা খণ্ড-বাক্য সৃষ্টি হোৱা দেখা যায় যিবোৰ অসমীয়া জনজীৱনত হাড়ে-হিমজুৱে সোমাই পৰিছে। যেনে — লয়-লস্কৰ, লাগাম ধৰ, ৰগত ধৰা, ৰগ চিঙা, খানা তালাচ কৰা, তৌবা তৌবা কৰা কলিজা খোৱা, গা আলগা দিয়া, ৰুজি ৰোজগাৰ, নৰম-গৰম, খতম হোৱা, কাবু কৰা, মফচল কৰা, কিস্তি কিস্তি দিয়া, স্বৰ্গ-মৰ্ত্ত ফাৰাক, বৰ্বাদ হোৱা, হায়েজ পোৱা, গোমৰ ফাঁক হোৱা, খালাচ হোৱা, গা খালাচ হোৱা, দফা-ৰফা কৰা, বাদ-বাকী, নাম খাৰিজ কৰা, আইন জাৰি কৰা, ফটোৱা জাৰি কৰা, নজৰ বন্দী, নজৰ লগা, নজৰ দিয়া, ৰুজি মৰা, দাৰু কৰা, কবুল কৰা; বাহনা ধৰা, চফৰ কৰা, জবান বন্দী, জবাব দিহি, আজব দেশ, হাৰামৰ নেগুৰ, জোৰ-জুলুম, জালিম যেন, হক হালাল, নিমখ হাৰাম, মদত কৰা, কিয়ামত পৰ্যন্ত, কুচ-কাৱাজ, কাহিল হোৱা, দিল-দৰিয়া, কাইদা কৰা, একদম ইলাহী কাৰবাৰ, আদব-কাইদা, খাৰিজ কৰা, খাম-খেয়ালী, হেস্ত-নেস্ত কৰা, আকলৰ দুখীয়া, বাদচাহী খানা, চিজিল কৰা, মজলিচ পতা, বদনাম হোৱা, মচগুল হোৱা, আখেজ পুৰোৱা, গুলজাৰ কৰা ইত্যাদি।

কিছুমান খণ্ড-বাক্য একোটা আৰবী বা ফাৰ্চী শব্দ আৰু একোটা অসমীয়া শব্দৰ লগত লগ লাগি সৃষ্টি হোৱা দেখা যায়— যেনে কাজিয়া পেচাল, ধন-দৌলত, চাফ-চিকুণ, চিন-মোকাম, চেহেৰা পাতি, গৰীব-দুখীয়া, লাভ-লোকচান, সদনাম-বদনাম, আকল-জ্ঞান, মান-ইজ্জত ইত্যাদি।

বহুতো আৰবী শব্দ সামান্য অপভ্ৰংশ হৈ এটা আখৰ সলনি নতুবা স্বৰলিপি সলনি হৈ অসমীয়াত ব্যৱহৃত হৈছে। যেনে - অচ্‌ল > আচল্ অদা > আদায়, আক্‌ল > আকল, আখ্‌জ > আখেজ, আফয়ুন > আফিং আমল > আমোল, ইখ্‌তিয়াৰ > এক্তিয়াৰ, ইস্তেফা > ইস্তফা, ইজমাল > এজমালি, ইজলাচ > এজলাচ, ইজহাৰ > এজাহাৰ, ইলাকা > এলেকা, উজ্‌ৰ > ওজৰ, কব্‌জহ্ > কজা, কব্‌ৰ > কবৰ, কফ্‌ন > কফিন, কমিচ > কামিজ, কলেজা > কলিজা, কাইদহ্ > কায়দা, কামিল > কামিলা, কিচ্‌ম > কিচিম, কিতাব > কিতাপ, খচ্চৰ্চী > খাৰ্চী, > খাহী, খজানহ্ > খাজানা, খৎম্ > খতম, খম্‌চ > খামোচ, খুচ্‌নাম > খোচনাম, গজব > গজপ, গফ্‌লতি > গাফিলতি, গুলাম > গোলাম, চাবুন > চাবোন > চাবন, চাফ > চাফা, জনাব > জোনাব, জম্‌আ > জমা, জমাবন্ধি > জমাবন্ধি, জমানত > জামিন, জৰিমা > জৰিমনা, জৰীব > জৰীপ, জল্লাদ > জাল্লাদ, জিল্‌ত > জিল (cover), জিৰ্‌হ > জেৰা, জুল্‌ম > জুলুম, জেব > জেপ, তফ্‌চীল > তপচিল, তাকিদ > তাগিদ, তাদাৰক > তদাৰক, দখ্‌ল > দখল, দফ্‌হ্ > দফা, দৱাত > দোৱাত, দাস্তুৰ > দস্তুৰ, দাৱা > দাৱাই, দাল্লাল > দালাল, দুকান > দোকান, নক্স > নক্সা, নম্‌ক > নিমখ, নাক্‌দ্ > নগদ, নুকচান > লোকচান, ফয়চলাহ > ফয়চলা, ফাট্‌ৱা > ফটোৱা, ফাইদহ্ > ফয়দা, বদল > বদলি, বহাল > বাহাল, বা-আদ > বাদ, বাচ্চা > বাচা, বালিগ > বালক, মছালা > মছলা, মদদ্ > মদত, মাৰ্জি > মৰ্জি, মিন্নত > মিনতি, মা-আমিলাহ > মামলা, মুকৰ্‌ৰৰ > মকৰল, মোকদ্দমা > মোকৰ্দমা, মোকাবিলা > মোকামিলা, মৌজুদ > মজুত, মিয়াদ > ম্যাদ, মা-আলুম > মালুম, ৰাইয়াত > ৰায়ত, ৰিহাই > ৰেহাই, লায়েক > লায়ক, ৱাকিল > উকীল, ৱাকালত > ওকালতি, ৱাজীৰ > উজীৰ, ৱিদা > বিদায়, শক্ত > শকত, শ্বাকী > চাকী, শ্বিকাৰ > চিকাৰ, সাহীব > চাহেব, হাজত > হাজোত, হাজিৰি > হাজিৰা, হুজুৰ > হজুৰ, ইত্যাদি।

তেনেকৈ ফাৰ্চী শব্দৰ পৰা হোৱা— অস্তানহ > আস্তানা, আঙ্গুষ্টৰী > আঙঠি, আন্দাজা > আন্দাজ, আপ্‌চ > আপোচ, আবকাৰ > আবকাৰী, আৰ্বা > অঁৰা (চাৰিটাৰ

লেখ), কমাণি > কামানি, কাফুৰ > কফুৰ, কাম > কম, কাৰগৰ > কাৰিকৰ, ক্ৰোহ > ক্ৰোশ, খৰ্চ > খৰচ, খাক > খাকী, খুচ-আমদ > খোচামোদ, খুৰাক > খোৰাক, খুলাচহ > খোলোচা, খোব > খুব, গৰ্দন > গলধন, গৰ্ম > গৰম, গা-জৰ > গাজৰ, গিৰিফ্তাৰ > গ্ৰেপ্তাৰ, গুম > গোম, গুমোস্তা > গোমোস্তা, গুলো > গল (ডিঙি), গুল্বন্ধ > গলাবন্ধ > গলাবন, গুলদানি > ফুলদানি, গুল, গুলা > ফুলফুলা, গুলাপ > গোলাপ, চওক > চথ, চওদাগৰ > সদাগৰ, চচ্‌ম > চচ্‌মা, চৰেজমিন > চৰজমিন, চন্দ > চান্দা > চাঁদা, চৰনামা > শিৰোনামা, চবৰ > চবুৰ, চাতুৰ > চতুৰ, চিপাহ > চিপাহী, চিয়াহী > চিয়াঁহী, চেহ্‌ৰা > চেহেৰা, ছাপ > ছপা, জৰ্দ > জৰ্দা, জবৎ > জব্দ, জমীনদাৰ > জমিদাৰ, জাৰুপ > জৰীপ, জাৰু > ঝাৰু, জিন্‌চ > জিনিচ, টালবাজ > টালিবাজি, ত'চাক > তোচক, তমচা > তামচা, তহ্ > তাও, তাব > তাপ, তেজ > তেজী, দৰমাহ > দৰমহা, দানহ > দানা, দিৱাৰ > দেৱাল, দে'ৰ > দেৰী, নও > ন, নমক > নিমখ, নমুনহ্ > নমুনা, নাৰ্ম > নৰম, নাল > নল, নাম্‌হ > নামা, নিচ্‌ফ খেৰাজ > নিষ্পি খেৰাজ, পৰগানা > পৰগনা, পহ্‌লা > পহিলা, পৰ্ৱা > পৰোৱা, প'ছাক > পোছাক, পালক > পালেং, পায়খানাহ > পায়খানা, পায়মাল > পয়মাল, পিয়াদহ > পিয়াদা, পিয়ালহ > পিয়ালা, পেয়াছ > পিয়াঁজ ফাক > ফাঁক, ব-নাম > বনাম, বখচিচ > বকচিচ, বাজয়াফৎ > বাজেয়াপ্ত, বাৰ্ফ > বৰফ, বাশ্বিন্দা > বাসিন্দা, বাজাৰ > বজাৰ, বিস্তৰা > বিছনা, বীমাৰ > বেমাৰ, বে-নাম> বেনামী, বে-জাৰ > বেজাৰ, বে'ছ > বৈছি, মজদুৰী > মজুৰী, মজমুৱাদাৰ > মজুমদাৰ, মৰ্দ > মৰদ, মুহৰ > মোহৰ, মাহাল > মহল, মুষ্ঠ > মুঠি, মৈদাহ > মৈদা > ময়দা, মৌম > মম, মামুল > মামুলি, মোজহ > মোজা, যাদুগৰ > যাদুকৰ, ৰস্তহ > ৰাস্তা, ৰাফ্‌তানি > ৰপ্তানি ৰুইমাল > ৰুমাল, লাক > লা, শ্বৰম > চৰম, শ্বিকাৰ > চিকাৰ, হৰ এক > হৰেক, হাফ্‌তা > সপ্তাহ, হিচাব > হিচাপ ইত্যাদি।

আৰবী ফাৰ্চীৰ কিছুমান ধনাত্মক শব্দৰ অসমীয়া ভাষাত ব্যৱহাৰ হোৱা একে ধনাত্মক শব্দৰে সাদৃশ্য দেখা যায়। যেনে - খৰ্‌খৰ, খচ্ খচ্, চিৰ, চিৰ, কৰ্ কৰ্ কাৰ্ কাৰ্, কা - কা ইত্যাদি।

খোৱা বস্তুৰ নাম — কালিয়া, কোপ্তা, কোৰ্মা, কাবাব, পোলাও, পাৰাথা, বৰ্ফি, জৰ্দা, তোক্‌মা, বেদেনা খিচ্ মিচ > কিচ্‌মিচ্, চালগোম, গাজৰ, পালেং, চুৰুহা,

চৰ্বি, নাচপতি, তৰমুজ, তৰকাৰী, দাৱাই, জুলাপ, নাস্তা, আঙুৰ, বাদাম, কফুৰ, হালোৱা ইত্যাদি। এইবোৰ খোৱাৰ উপকৰণ মুছলমান মানুহে তৈয়াৰ কৰিছিল কাৰণে নামবোৰ আৰবী ফাৰ্চী নামেৰেই পাছলৈ প্ৰচলন হয়। সেইদৰে ফলৰ নামো মুছলমানৰ দ্বাৰা আমদানি হোৱাৰ কাৰণে ফল আৰু কিছুমান শাক-জাতীয় সামগ্ৰীৰ নাম আৰবী-ফাৰ্চী শব্দৰে আহি অসমীয়া সাহিত্য-সংস্কৃতিৰ বহল পথাৰখনত সিঁচৰতি হৈ পৰে।[১]

মাটিৰ জৰীপ, বন্দোবস্তী আৰু জমা ব্যৱস্থা মুছলমান সকলৰে অৱদান। পট্টা, কবুলিয়ত, তহচিল, জমাবন্দি, জমা ওৱাছিল এনেবোৰ শব্দ মুছলমান সকলেই প্ৰথমে ব্যৱহাৰ কৰে। পৰ্দা, টেবুল ক্লথ, জোতা আদিও মুছলমানসকলেই লৈ আহিছিল অসমলৈ।[২]

এনেকৈ হাজাৰ-বিজাৰ আৰবী-ফাৰ্চী শব্দ অসমীয়া ভাষাত প্ৰয়োগ হোৱাত অসমীয়া ভাষাৰ শব্দৰ ভঁৰাল চহকী হোৱাৰ লগতে হিন্দু-মুছলমানৰ সংহতি স্থাপন হয়। এই সংমিশ্ৰণ বৰ্তমান যুগত এখন থালিত মিহলি হৈছে। একাকাৰ হৈছে হিন্দু-মুছলমানৰ হৃদ-স্পন্দন।

দূৰৈৰ তুৰ্কী মোগল-পাঠান আহি অসমীয়া হল। আৰবী-ফাৰ্চী শব্দ অসমীয়া শব্দ হ'ল। অসমৰ প্ৰাচীন প্ৰজাতিৰ সমকক্ষ অংশীদাৰ হ'ল।

টোকা : ওপৰোক্ত আৰবী-ফাৰ্চী ভাষাৰ শব্দৰ তালিকা প্ৰস্তুত কৰোঁতে আব্দুছ ছাত্তাৰ চাহাবৰ সংমিশ্ৰণত অসমীয়া সংস্কৃতি নামৰ গ্ৰন্থখনৰ সহায় লোৱা হৈছে। কিন্তু আমাৰ তালিকাখনত এটা নমুনাহে দিয়া হৈছে।

১ : লুইত বৰাক আৰু ইছলামঃ মে ঃ চৌঃ পৃঃ ৫৪

অসমৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক প্ৰগতিলৈ মুছলমানৰ অৰিহণা

অসমৰ পৰা মানক খেদিবলৈ আহি ১৮২৬ খৃঃৰ ইয়াণ্ডাবু সন্ধিৰ পাছত বৃটিছসকলে পোনপটীয়া ভাবে অসমৰ শাসন নিজৰ হাতলৈ নিয়ে । প্ৰথমে যদিও মান খেদিবলৈ কোম্পানীৰ সহায়হে বিচৰা হৈছিল কিন্তু পাছত অসমৰ ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ দুৰ্বলতাৰ সুযোগ লৈ ইংৰাজ কোম্পানীয়ে খোপনি পুতি ললে। ইতিমধ্যে বিভিন্ন বিদ্ৰোহ বিশেষকৈ মোৱামৰীয়া বিদ্ৰোহ দমন কৰাৰ কাৰণে আহোম ৰজা গৌৰীনাথ সিংহই বৃটিছৰ সহায় বিচাৰে। কেপ্তেইন ওৱেলছৰ নেতৃত্বত ১৭৯২ খৃঃত বৃটিছ সৈন্যদল এটাই অসমত প্ৰৱেশ কৰি মোৱামৰীয়া বিদ্ৰোহ দমন কৰে। অনুৰূপভাৱে আমন্ত্ৰণ কৰি আনিছিল কছাৰী ৰজায়ো। এনেকৈ ইংৰাজে অসমৰ মাটি দুবাৰ গছকি গৈছিল। যাৰফলত অসমৰ ভৌগোলিক পৰিসীমাৰ লগত ইতিমধ্যেই চিনাকি হবলৈ সুবিধা পাইছিল ইংৰাজে।

সিফালে বংগদেশত আঢ্যৱন্ত লোক সকল ইংৰাজৰ তোষামোদত পঞ্চমুখ হৈ পৰিছিল। ইষ্ট ইণ্ডিয়া কোম্পানীৰ অৰ্থাৎ ইংৰাজৰ উদ্যোগত কলিকতা যেতিয়া বংগদেশৰ সমাজ জীৱনৰ ঘাই কেন্দ্ৰবিন্দুত পৰিণত হৈছিল তেতিয়া কোম্পানীৰ আশ্ৰয়ত কলিকতাত থিতাপি লোৱা প্ৰায়বোৰ মানুহেই আছিল আমোলা শ্ৰেণীৰ। সেই সকলৰ ভিতৰত নব কৃষ্ণ মুন্সী, মদন দত্ত, শুকদেব মল্লিক, গোকুল ঘোষ, গোকুল মিত্ৰ আদি ভাৰতীয়সকল ইংৰাজৰ পৰম বন্ধু হৈ পৰিছিল।

তেতিয়াও মধ্যভাৰতৰ মহীশূৰৰ নবাব হাইদৰ আলিৰ সুযোগ্য সন্তান টিপু চুলতানে নিজ ৰাজ্যৰ স্বাধীনতা অক্ষুন্ন ৰাখিছিল কিন্তু তেতিয়াৰ প্ৰান্তীয় ৰাজন্যবৰ্গৰ সৌহাৰ্দ্যতা নথকাৰ কাৰণে বৰঞ্চ ইংৰাজৰ পদলেহনত নিমজ্জিত হোৱাত টিপু চুলতানে প্ৰায় অকলেই প্ৰবল প্ৰতাপী বৃটিছৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ হৈছিল। কিন্তু ১৭৯২ খৃঃত মহীশূৰত সেইজনা প্ৰবল প্ৰতাপী নবাবো ইংৰাজৰ হাতত পৰাস্ত হবলগীয়া হ'ল। টিপু চুলতান পৰাস্ত হোৱাত বংগৰ ভাৰতীয় প্ৰজাই যি নিদৰ্শন দেখুৱালে সেইটোহে অতি চমকপ্ৰদ। টিপু চুলতানৰ বংশধৰ সকলক বন্দী কৰি,

সম্পত্তি, আনকি চুলতানৰ ভাৰতীয় গ্ৰন্থৰ বিৰাট গ্ৰন্থাগাৰটো বাজেয়াপ্ত কৰি ইংৰাজ ভাইচৰয় লৰ্ড কৰ্ণৱালিচ যেতিয়া সদৰ্পে কলিকতালৈ আহিছিল তেতিয়া তেওঁক কলিকতীয়াবাসী ভাৰতীয় বাবুসকলে জনাইছিল বিপুল অভিনন্দন। ১৬২ জন মুখ্য ভাৰতীয় লোকে স্বাক্ষৰ কৰা ফাৰ্চী ভাষাৰ এই অভিনন্দন পত্ৰখন দিয়া হৈছিল টিপু চুলতানক ভাৰতীয় জনগণৰ শত্ৰু আখ্যা দি। তাৰ একাংশ এনে ধৰণৰ—

"Your lordship entered the enemy's country with a brave army, and by the ardour of your courage destroyed the enemy's members in every place, as straw is consumed by fire and by thus humbling his (Tippoo's) Pride accomplished of our prayers, the news of which was equally as a draught from the cup of immortality. Your lordship has secured the safety of our persons, liberty and properties."

"মহাশয়, আপুনি সাহসী সৈন্যবাহিনী লৈ অসীম সাহসেৰে শত্ৰুৰ দেশত প্ৰৱেশ কৰি, শত্ৰুসৈন্য ধ্বংস কৰি টিপুৰ গৰ্ব চূৰ্ণ কৰি আমাৰ কামনা পূৰ্ণ কৰিলে। টিপুৰ ধ্বংস সাধনাৰ বতৰাই আমালৈ যেন অমৃতৰ ভাণ্ডাৰহে আনিলে। তেওঁৰ ধ্বংস সাধন কৰি মহাশয়, আপুনি আমাৰ জীৱন, স্বাধীনতা আৰু সম্পত্তি ৰক্ষা কৰিলে।"

সেই একে কথাই প্ৰতিফলিত হৈছিল ১৮৫৭ খৃঃ ৰ চিপাহী বিদ্ৰোহ দমন কৰাৰ সময়ত। চিপাহী বিদ্ৰোহ যেতিয়া ইংৰাজে দমন কৰিলে তেতিয়া উল্লাসিত হৈ বংগৰ কবি ঈশ্বৰচন্দ্ৰ গুপ্তই কবিতা লিখিছিল—

"ভাৰতেৰ প্ৰিয় বন্ধু হিন্দু সমুদয়।
মুক্তমুখে বল সবে ব্ৰিটিশেৰ জয়।।"

ঈশ্বৰচন্দ্ৰ গুপ্ত আছিল সেই কালৰ বংগৰ বাবু সম্প্ৰদায়ৰ প্ৰতিনিধি।[১]

কাছাৰত ১৭৭৩ খৃঃত ৰজা কৃষ্ণচন্দ্ৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল জনৈক আগা মহম্মদ ৰেজাই। কৃষ্ণ চন্দ্ৰ আছিল ইংৰাজৰ কৰতলতীয়া ৰজা। ৰজাই ৰেজাৰ ভয়ত পলাই গৈ পৰ্বতত আশ্ৰয় লৈছিল। ৰেজাই দাবী কৰিছিল যে তেওঁ দ্বাদশ ইমাম আৰু খোদা তাল্লাই তেওঁক পঠাইছে ইংৰাজৰ হাতৰপৰা ভাৰতবৰ্ষক মুক্ত

১ : লুইত বৰাক আৰু ইছলামঃ মেঃ চৌ ঃ পৃঃ ৫৮-৬১

কৰিবলৈ। যদিও ইংৰাজে তেওঁক বন্দী কৰি কলিকতালৈ চালান দিছিল তথাপি ৰেজাৰ স্বদেশপ্ৰীতি মন কৰিবলগীয়া। স্বদেশৰ মমতাই তেওঁক একপ্ৰকাৰ উন্মাদ কৰি তুলিছিল।

ঝান্সী পেচোৱা সকলৰ এখন সৰু ৰাজ্য। এইখন ৰাজ্যৰে অধিপতি আছিল স্বাধীন মনা এগৰাকী নাৰী-লক্ষ্মীবাঈ। ১৮৫৮ খৃঃৰ ২৩ মাৰ্চত এই গৰাকী ৰাণীয়ে প্ৰবল প্ৰতাপী ইংৰাজৰ বিৰুদ্ধে যুদ্ধ কৰি মৃত্যু বৰণ কৰিছিল। ৰাণীৰ হিলৈদাৰী আছিল গোলাম গৌছখাঁ আৰু দুৰ্গ ৰক্ষক আছিল খোদাবক্স। প্ৰথম যুদ্ধত ৰাণীৰে জয় হৈছিল।

১৮৫৮ খৃঃৰ ১৭ জুনৰ পুৱা পুনৰ ইংৰাজ সকলে ৰাণীৰ ৰাজ্য আক্ৰমণ কৰিবলৈ আহিল। বৃটিছৰ পক্ষত হুৎৰজ, জেনেৰেল নেপিয়াৰ, জেনেৰেল স্মিথ, কৰ্ণেল ৰেঞ্চ, কৰ্ণেল ৰেলী আৰু কেপ্টেইন হেনেজ আনহাতে গোৱালিয়ৰৰ ৰজা জয়াজীৰাৱে ইংৰাজক সকলো প্ৰকাৰে সহায় কৰিছিল। ৰাণীৰ পক্ষত আছিল ৰাও চাহাব, তান্টিয়াটোপে, ৱান্দাৰ নবাব, বানপুৰৰ ৰজা। এওঁলোকৰ মাজত মতানৈকাই দেখা দিলে। সৈন্য পৰিচালনাৰ ভাৰ লক্ষ্মীবাঈক অৰ্পণ কৰাৰ চিন্তা-তেতিয়ালৈকে মদগৰ্বী ৰাও চাহাবৰ মূৰত খেলোৱা নাই। তেওঁ ভাবিছিল, পুৰুষৰ কাম মহিলাৰ ওপৰত অৰ্পণ কৰিলে নিজে লজ্জিত হ'ব। তাৰ পৰিণতি স্বৰূপে ১৮৫৮ খৃঃৰ ১৯জুন তাৰিখে ঝান্সীৰ ৰাণী লক্ষ্মী বায়ে যুদ্ধ ক্ষেত্ৰত প্ৰাণ হেৰুৱাব লগা হৈছিল।[১]

১৮৫৭ খৃঃৰ বিদ্ৰোহটো চিপাহী বিদ্ৰোহ নামে বুৰঞ্জীখ্যাত। অসমতো ইয়াৰ ৰেঙনি জ্বলিছিল। অসমৰ চিপাহী আলিখান, চেখ গণি, হিদায়ত আলিক আজীৱন দেশান্তৰী শাস্তি দিয়া হৈছিল। যোৰহাটৰ মুছলমানসকলক উচটাই আছিল বুলি বাহাদুৰ গাঁওবুঢ়া আৰু চেখ ফৰ্মুদ আলিক দেশান্তৰি নিৰ্বাসন দিয়া হৈছিল।

অসমৰ পদ্য বুৰঞ্জীত আছে—

> "তাৰাসৱ সঙ্গে আৰো লোক বহুজন।
> বাহাদুৰ ফৰ্মুদ দুই মুছলমান।।"[২]

"এই বিদ্ৰোহতে মণিৰাম দেৱানে ডিঙিত চিপজৰী লব লগা হৈছিল। সক্ৰিয়ভাৱে বিদ্ৰোহত যোগদান কৰি কাছাৰ জিলাৰ নাম্লা খান কাৰাবন্দী হৈছিল।

১ : ৰাণী লক্ষ্মীবাঈ ঃ অনুবাদক পূৰ্ণভাগৱতীঃ

২ : সংমিশ্ৰণত অসমীয়া সংস্কৃতিঃ আঃ ছাঃ পৃষ্ঠা ঃ ১৪৮

ভাইচৰয় এলেনবোৰোৱে লণ্ডনলৈ পঠোৱা ঠোকাত চিপাহী বিদ্ৰোহত নাম্ৰা খানে যে সক্ৰিয় ভাবে যোগদান কৰি কৰাৰাবৰণ কৰিছিল সেই কথা উল্লেখ কৰিছিল।[১]

অসমলৈ বৃটিছ আগমনৰ পাছত মুষ্টিমেয় একশ্ৰেণীয়ে বৃটিছৰ শৰণাপন্ন হৈছিল যদিও অসমৰ হিন্দু-মুছলমান সমন্বিতে গুৰু সংখ্যকে বৃটিছক সহজ ভাৱত লোৱা নাছিল। বৃটিছৰ সহায়ক হিচাবে আছিল হলিৰাম ঢেকিয়াল ফুকন, দুৰ্গা খাউণ্ড মজিন্দাৰ বৰুৱা, মহেন্দ্ৰ বৰুৱা আদি প্ৰভাৱশালী এটা অংশ।

ইংৰাজে ঠাই বিশেষে বংগৰ দৰে অসমতো সাম্প্ৰদায়িক বিৰোধ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছিল যদিও মাজুলীৰ সত্ৰ সমূহৰ অধিকাৰী সকল, ডিব্ৰুগড়ৰ পীৰ চাহাব মীৰ্জা বেগ আৰু তেখেতৰ ইজাজা প্ৰাপ্ত চুফী জেলিকাত আলি, নগাঁৱৰ চলচলিৰ মৌলনা হোছেন আলিপীৰ আদি হিন্দু-মুছলমান ধৰ্মীয় অগ্ৰণী সকলৰ উদাৰ ব্যক্তিত্বৰ কাৰণে তেনে অপ্ৰীতিকৰ বিষবাষ্প নিগৰণ কৰিবলৈ সমৰ্থ হোৱা নাছিল। বৰঞ্চ এই সকল পুৰুধা ব্যক্তিয়ে সমুদায় অসমীয়া সমাজ খনক নতুন প্ৰেৰণাৰে উদ্বুদ্ধ কৰিবলৈহে যত্ন কৰিছিল।

কাছাৰত মুছলমানৰ সংখ্যা আছিল কছাৰীৰ পাছতে। বৰাকৰ ক্ষুদ্ৰ ভূস্বামীসকলো আছিল বেছি ভাগেই মুছলমান। এই ভূস্বামীসকলৰ বিৰুদ্ধে শোষিত মুছলমানসকলেই ১৯৩৯ খৃঃত বিদ্ৰোহ সংঘটিত কৰিছিল ইংৰাজৰ চক্ৰান্তত। উদ্দেশ্য আছিল মুছলমানে মুছলমানৰ ওপৰত বিদ্ৰোহৰ জুই জ্বলাই সেই জুই সাম্প্ৰদায়িকতাৰ ৰহন সানি হিন্দুৰ মাজলৈ পৰ্যবসিত কৰা। কিন্তু কৃতকাৰ্য নহল ইংৰাজৰ ষড়যন্ত্ৰ।

১৯০৫ খৃঃত বংগ ভংগ আন্দোলনৰ সময়ত অসমৰ পশ্চিম প্ৰান্ত শিলচৰ আৰু ধুবুৰীত হিন্দু ধৰ্মীয় প্ৰেৰণাত গঢ়ি উঠিছিল এক সন্ত্ৰাসবাদী দল। ১৯১৭ চনত এই দলে গুৱাহাটীত ঘাটি স্থাপন কৰিছিল। কিন্তু পুলিচৰ হাতত ধৰা পৰাত সেই সন্ত্ৰাসবাদী দলটোৰ কাৰ্যকলাপ সিমানতে অন্ত পৰে।

১৮৯৪ খৃঃত মঙ্গলদৈ মহকুমাৰ পথৰুঘাটত ৰাইজৰ মেলত যোগ দি অমৰ শ্বহীদ হোৱা 'বিদ্ৰোহী সকলে হিন্দু-মুছলমান সমন্বিতে হাতত হাত ধৰি, বুকুৰে বুকুৰ উম লৈ নিষ্ঠুৰ ইংৰাজৰ গুলি একেলগে বুকু পাতি লৈছিল। সেই প্ৰীতি কাহানিও পাহৰণিৰ গৰ্ভত লীন হ'ব নোৱাৰে।

---

১ : লুইত বৰাক আৰু ইছলাম : মেঃ চৌঃ পৃঃ ৬৩

১৯ শতিকাত বৃটিছৰ আগমনৰ লগে লগে কেতবোৰ নতুন প্ৰমূল্যৰ সৃষ্টি হৈছিল। তাৰে কিছুমান সাংস্কৃতিক দিশত আৰু আনবোৰ অৰ্থনৈতিক দিশত। অসমৰ মুছলমানৰ দুয়োটা দিশতে স্মৰণীয়। বিশেষকৈ ব্যৱসায়ী দিশত মুছলমানসকল বিশেষভাৱে অগ্ৰণী। যদিও সেইবোৰ সৰু যেন লাগে তথাপি প্ৰথম পদক্ষেপ হিচাপে মূল্য অধিক।

পোন প্ৰথমে চাৰ্কাছ ব্যৱসায় খোলা মানুহজন আছিল মুছলমান। লটাৰী, মেজিক ব্যৱসায়ো হেনো অসমত মুছলমানেই আৰম্ভ কৰিছিল।

অসমৰ প্ৰথম এলোপেথিক ডাক্তৰ আছিল গুৱাহাটীৰ এলাহী বক্স আৰু শিলচৰৰ ৰহিম বক্স। ১৮৪০ খৃঃত ৰহিম বক্সৰ মৃত্যু হয়। তাৰ আগতে মৃত্যু হৈছিল এলাহী বক্সৰ। গুৱাহাটীৰ কমাৰপট্টিত প্ৰথম ফাৰ্মাচী খোলে এজন মুছলমান ব্যক্তিয়ে। অসমৰ এইখনেই আটাইতকৈ পুৰণি ফাৰ্মাচী।

প্ৰথম বন্দুক বাৰুদৰ দোকানখন খোলা হৈছিল অভয়াপুৰীত। তাৰ মালিক আছিল হানিফ বেপাৰী । তাৰ পাছত গুৱাহাটীৰ কমাৰপট্টিত খলিলুৰ ৰহমানে বন্দুকৰ দোকান খোলে।

ইংৰাজ আগমনৰ লগে লগে উনৈশ শতিকাৰ মাজভাগত মুছলমান ব্যৱসায়ীসকল আহি বিশেষকৈ গুৱাহাটীত দোকান পোহাৰ খুলিছিলহি। গুৱাহাটীৰ পাণবজাৰক সেইসময়ত ঢাকাযাপট্টি বোলা হৈছিল কাৰণ ঢাকাৰ ব্যৱসায়ীসকল আহি তাতে ব্যৱসায়ৰ পাতনি মেলিছিল। ঢাকায়া বেপাৰী ইমাম আলিয়ে "লাইম" (চিমেন্টৰ সলনি ব্যৱহাৰ কৰা সামগ্ৰী) আনি মজুত কৰিছিল। এই ঢাকায়া গোষ্ঠীৰে সেখ ব্ৰাদাৰ্চে ১৮৮৫ খৃঃত গুৱাহাটীত পাউৰুটিৰ কাৰখানা খুলিছিল। এতিয়াও সেখ ব্ৰাদাৰ্চৰ ৰুটি মেৰোৱা কাগজখনত তাৰিখটো লেখা আছে। ১৮৫৯ খৃঃত কাৰ্যবাহী অভিযন্তা কেপ্তেইন মাৰ্শ্বেলে অসমত প্ৰথম ইটাভাটা খোলাৰ অনুজ্ঞাপত্ৰ পাই গুৱাহাটীৰ কুমাৰপাৰাত ইটাভাটা খুলিছিল। তাত কাম কৰা কাৰিকৰ সকল আছিল মুছলমান।

গুৱাহাটীৰ প্ৰথম টেক্সী চালক দুজনৰ নাম আছিল ক্ৰমে মজিদ ড্ৰাইভাৰ আৰু আনজন আছিল বসন্ত ড্ৰাইভাৰ।

অসমত গঢ়ি উঠিছিল ক্ৰমান্বয়ে এটা ব্যৱসায়িক পৰিবেশ। এই পৰিবেশ সম্প্ৰসাৰিত হৈছিল সৰু সৰু নগৰবোৰতো। সেয়ে মানুহৰ নামৰ শেষত বেপাৰী

বিশেষণটো যোগ হৈছিল। নলবাৰী, বৰপেটা আৰু গোৱালপাৰা অঞ্চলত এই বেপাৰীবোৰে গাঁৱে-ভূঞে সোমাই গাঁৱলীয়া অৰ্থনৈতিকত এক সজাগতা সৃষ্টি কৰিছিল। গোৱালপাৰা চহৰৰ প্ৰখ্যাত ব্যৱসায়ী মাজি মহাজন, অভয়াপুৰীৰ হানিফ বেপাৰীৰ নাম প্ৰণিধানযোগ্য। এই বেপাৰী গোষ্ঠী সৃষ্টি হোৱাৰ আগতে ১৮৭৯ - ৮০ খৃঃ মানলৈ কৃষকে নিজৰ ভঁৰালৰ ধান পুৰণি হ'লে নতুন ধান থবলৈ ঠাই নোহোৱাত পেলাই দিবলগীয়াত পৰিছিল কাৰণ সেই সময়ত যাতায়তৰ কোনো সংযোগ ব্যৱস্থা নাছিল।

অসমৰ প্ৰায়ভাগ চহৰ আৰু বজাৰৰ কেন্দ্ৰবোৰৰ ওলোৱা সোমোৱা বাটত মুছলমান বসতি দেখা যায়। শিৱসাগৰত আমগুৰি আৰু ধাই আলি ৰঙিয়াত মুৰাৰা আৰু উদ্দিয়ানা, নলবাৰীত খাটাবাৰী আৰু ধমধমা উল্লেখনীয়। ব্যৱসায়ৰ খোপনি পুতি মুছলমানসকলে এই ঠাইবোৰত বসতি স্থাপন কৰিছিল।

মুছলমানৰ ব্যৱসায়ৰ অগ্ৰগতি দেখি হিন্দু ধৰ্মীয় লোকো ব্যৱসায়লৈ আগবাঢ়ি আহিছিল। বৰপেটাত এক প্ৰখ্যাত ব্যৱসায়ী প্ৰতিষ্ঠান গঢ়ি উঠিছিল। ১৮৭৮ খৃঃত গঢ়ি উঠা "ওঝা বিষ্ণুৰাম এণ্ড চন্স্" নামৰ প্ৰতিষ্ঠানটোই বিশুদ্ধ অসম এণ্ডি মুগাৰ ব্যৱসায় কৰিছিল। সেই প্ৰতিষ্ঠানটোই সুদূৰ লংকা, আফ্ৰিকা, বৰ্মা আদি ঠাইলৈ তেওঁলোকৰ উৎপাদিত সামগ্ৰী ৰপ্তানি কৰিছিল।

এই সমূহ ব্যৱসায়ৰ পথিকৃত আছিল মুছলমানসকল। ব্যৱসায় কেন্দ্ৰীক হোৱাৰ কাৰণে গুৱাহাটী ক্ৰমান্বয়ে চহৰলৈ উন্নীত হৈছিল। ১৮৫৮ খৃঃ ত গুৱাহাটী পৌৰসভালৈ পোন প্ৰথমে নিৰ্বাচিত হৈছিল দুজন অসমীয়া কমিচনাৰ। দুয়োজনে লাভ কৰিছিল সমানে ৪৭৪ টাকৈ ভোট। তাৰে এজন হিন্দু সম্প্ৰদায়ৰ উত্তৰ পাৰৰ স্বনামধন্য আনন্দ ৰামৰ পিতৃ গৰ্গৰাম বৰুৱা আৰু আনজন মুছলমান দক্ষিণ পাৰৰ মাছখোৱাৰ নিবাসী মুন্সী কেফায়ৎ উল্লাহ'। এইজনা কেফায়ৎ উল্লাহ চাহাবেই শেষ বয়সত মাছখোৱাত তিনিটা গম্বুজৰে মছজিদ সাজি বিশিষ্ট ইছলাম চুফী সাধক জোলকাত আলি চাহাবৰ হতুৱাই উদ্বোধন কৰাইছিল। তদুপৰি তেখেতে ১৮৫৩ খৃঃতে 'কৃষি দৰ্পণ' নামৰ পুথি এখন ছপা কৰি অসমৰ খেতিয়ক সকলক নতুন জ্ঞানৰ সন্ধান দিছিল। এখেতৰেই প্ৰচেষ্টাত ১৮৫৫ খৃঃত গুৱাহাটী পৌৰসভাই কলিকতাৰ বাৰ্ণচ কোম্পানীৰ পৰা মুছলমান ঢাকায়া বেপাৰীৰ জৰিয়তে ২০০ খন কোৰ অনাইছিল আৰু অনাইছিল পকা কামৰ বাবে ঢাকাৰ পৰা 'লাইম' নামৰ এবিধ

সামগ্ৰী। তদুপৰি সেই একে কোম্পানীৰ পৰা ১৮৫৭খৃঃত পৌৰসভাখনে এখন গৰুগাড়ী আনিছিল।

মুন্সী কেফায়ৎ উল্লাহ্ আছিল শিৱসাগৰৰ ফাৰ্চী পঢ়ীয়া বংশৰ লোক। সদৰামীন ৰূপে বিভিন্ন ঠাইত চাকৰি কৰি অৱশেষত গুৱাহাটীৰ মাছখোৱাত বসতি স্থাপন কৰিছিল। গুৱাহাটীত নিজৰ মাটিত আৰু নিজৰ খৰছত এখন ফাৰ্চী-সংস্কৃত স্কুল স্থাপন কৰিছিল। পাছলৈ এইখনেই মাছখোৱা মজলীয়া বিদ্যালয়লৈ উন্নীত হয়।

"শিৱসাগৰৰ ইংৰাজী স্কুলৰ কাষতে" আদৰ্শ বংগ বিদ্যালয়টো আছিল। বঙালী ভাষা মাধ্যমত এই স্কুলত শিক্ষা দান কৰা হৈছিল। লক্ষ্মীনাথ বেজবৰুৱা পঢ়ি থকা কালত ইয়াৰ প্ৰধান শিক্ষক আৰু সহকাৰী প্ৰধান শিক্ষক দুজন বঙালী, বাকী শিক্ষকসকল অসমীয়া আছিল। শিৱসাগৰৰ সকলো লোকেই এই বঙালী মাধ্যমেৰে শিক্ষা, লাভ কৰিব লগা হৈছিল। প্ৰিন্সিপাল এছিছ্‌টেণ্টে ইংৰাজী স্কুলৰ বছৰেকীয়া পৰীক্ষা পৰিচালনা কৰিছিল। সেইটো তেওঁলোকৰ চৰকাৰী দায়িত্বৰ কাম আছিল। আৰুণোদয় কাকতৰ ১৮৬১ খৃঃৰ জানুৱাৰী সংখ্যাত "শিৱাসাগৰ গভৰ্ণমেণ্ট স্কুলৰ ছাত্ৰবিলাকৰ বিদ্যাৰ মহলা" শীৰ্ষক এটা বাতৰি প্ৰকাশ পাইছিল— যোৱা শকৰ ডিচেম্বৰ মাহৰ শেষ তাৰিখে ওপৰে লেখা গভৰ্ণমেণ্ট স্কুলৰ ছাত্ৰ বিলাকৰ ইংৰাজী আৰু বঙ্গালি বিদ্যাৰ পৰীক্ষা কৰা হৈছিল। তাতে শ্ৰীযুত থৰ্ণটিন সব আশীষ্টাণ্ট কমিচনাৰ চাহাবৰ দ্বাৰায় প্ৰথম শ্ৰেণীৰ প্ৰথম ভাগৰ আৰু সব আশীষ্টাণ্ট চাৰ্জন শ্ৰীযুত ব্ৰজনাথ কৰ্ফমাৰ দ্বাৰায় দ্বিতীয় শ্ৰেণীৰ আৰু ডেপুটি ইন্সপেক্টৰ শ্ৰীযুত বাবু উৎসাবানন্দ গোস্বামীৰ দ্বাৰায় তৃতীয় শ্ৰেণীৰ বিদ্যাৰ পৰীক্ষা কৰা হৈছিল। শ্ৰীযুত মুন্সী কেফায়ৎ উল্লাহ্ ক্ষমতা সম্পন্ন সদৰ আমীন আৰু শ্ৰীযুত বাবু নীলমণি গাঙ্গুলি স্কুলৰ হেডমাষ্টাৰৰ দ্বাৰায় বঙ্গালি বিদ্যাৰ পৰীক্ষা লোৱা হৈছিল।"[1]

উজনি অসমৰ কাউন্সিলৰ মৌলবী ৰুকুনুদ্দিন চাহাবে ১৯২২ খৃঃত উজনি অসমত টেক্‌নিকেল স্কুল স্থাপন কৰা আৰু অসমৰ ছাত্ৰৰ বাবে মেডিকেল কলেজত অধিক সংখ্যক ছাত্ৰলৈ জলপানিৰ ব্যৱস্থা কৰিবলৈ কৰ্তৃপক্ষৰ ওচৰত দাবী উত্থাপন কৰিছিল।

---

১ : ৰংপুৰ : অসম সাহিত্য সভাৰ ৫৯ তম শিৱসাগৰ অধিবেশনৰ স্মৃতি গ্ৰন্থ : পৃঃ ৫২

১৯১৩ খৃঃৰ ৬ জানুৱাৰী তাৰিখৰ পুৱা ১১ বজাত শ্বিলঙত বিধান পৰিসদৰ প্ৰথম বৈঠক আৰম্ভ হয়। গভৰ্ণৰ কাউঞ্চিলেই আছিল সেই কালৰ বিধান পৰিষদ। দেশ প্ৰশাসনৰ যাবতীয় বিধানৰ উৎস। প্ৰথম অসমীয়া সদস্য হিচাপে সেই বিধান পৰিষদলৈ মনোনীত হৈছিল চৰকাৰী বিষয়াৰ প্ৰতিনিধি আব্দুল মুজিদ চাহাব। তাৰ পাছত আহিছিল ঘনশ্যাম বৰুৱা, চাৰ চাদুল্লা প্ৰমুখ্যে অসমৰ সেইকালৰ একাধিক গণ্যমান্য ব্যক্তি। এই বিধান পৰিষদৰ মজিয়াত থিয় হৈ চাদুল্লা চাহাবে সাহসেৰে ইংৰাজৰ জনকল্যাণ বিমুখ, অন্তসাৰশূণ্য বাজেট নীতিৰ বিৰুদ্ধে ১৯১৭ খৃঃতে সমালোচনা কৰিছিল। ১৯২৪ খৃঃৰ ২৫ মাৰ্চৰ দিনা অসমৰ বৃটিছ প্ৰশাসনৰ নীতি নিৰ্ণয়কাৰী এই সভাকক্ষতে ডিব্ৰুগড়ৰ ফৈজনুৰ আলি চাহাবে উদাত্ত কণ্ঠে পূৰ্ণ দায়িত্বশীল চৰকাৰ গঠনৰ দাবী তুলি পোন প্ৰথম প্ৰস্তাৱ এটা দাঙি ধৰিছিল। সেই সময়ত তেখেত আছিল স্বৰাজিষ্ট নেশ্যনেলিষ্ট ইণ্ডিপেণ্ডেণ্ট কোৱালিশ্যন পাৰ্টিৰ দলপতি। দৰাচলতে অসমৰ স্বৰাজ প্ৰতিষ্ঠাৰ সেয়ে আছিল প্ৰথম বান্দ কাঁচিয়লি। ফৈজনুৰ আলিৰ অকাট্য যুক্তিত বৃটিছ চৰকাৰে সেও মানি তেতিয়াৰ প্ৰস্তাৱিত ডিভিজনেল কমিশ্যনাৰৰ পদটো বাতিল কৰিবলৈ বাধ্য হৈছিল।

১৯২১ খৃঃত সমগ্ৰ ভাৰতত খিলাফৎ আন্দোলনে গা কৰি উঠিছিল। মহাত্মা গান্ধী স্বয়ং আলি ভ্ৰাতৃদ্বয় মহম্মদ আলি আৰু চৌকত আলিক লগত লৈ অসমলৈ আহিছিল। সেই সময়তে গান্ধীজীয়ে দেশৰ জনসাধাৰণক বাগীয়াল বস্ত্ৰ আৰু বিদেশী বস্ত্ৰ বৰ্জনৰ আহ্বান দিছিল। সেই একে বছৰৰে ২৪ ফেব্ৰুৱাৰী তাৰিখে গুৱাহাটীত প্ৰথমবাৰৰ বাবে কংগ্ৰেছৰ সমৰ্থনত এক শ্ৰমিক সমাবেশ হৈছিল। সেই সভাত সভাপতিত্ব কৰিছিল মুক্তি আন্দোলনৰ অগ্ৰণী অসমীয়া যুঁজাৰু মৌলনা তৈয়বুল্লা চাহাবে। সেই চনৰে ৩১ অক্টোবৰত সৰ্দৌ ভাৰত কংগ্ৰেছ কমিটীত যোগদান কৰিবৰ কাৰণে দিল্লীলৈ অসমৰ পৰা চাৰিজন প্ৰতিনিধি গৈছিল। সেই প্ৰতিনিধিৰ দলপতি আছিল ফৈজনুৰ আলি চাহাব।

বৰাক উপত্যকাতো ১৩ আৰু ১৪ নবেম্বৰৰ দুয়োদিনে কৰিমগঞ্জত গান্ধীজীৰ আহ্বানৰ সহাৰিত এক বিৰাট ৰাজহুৱা সভা অনুস্থিত হৈছিল। সেই সভাত সভাপতিত্ব কৰিছিল মৌলনা আব্দুল মুনাৱিৰ চাহেবে। ফলশ্ৰুতিত বৰাকৰ কৰিমগঞ্জৰ মছজিদ বিলাকত সৰু সৰু সভাপাতি মুছলমান দৰ্জ্জি সকলে বিদেশী কাপোৰ চিলাই নকৰিবলৈ সংকল্পাবদ্ধ হৈছিল।

১৯২১ -২২ খৃঃত আইন অমান্য আন্দোলনত অসমৰ আগশাৰীৰ নেতা নবীন চন্দ্ৰ বৰদলৈ, তৰুণ ৰাম ফুকন আৰু কৃষ্ণধৰ বৰুৱাক সতৰ্কতামূলক হিচাপে আটক কৰিছিল। সেইকালৰ আন এজন নেতাক সশ্ৰম কাৰাদণ্ড বিহি ছিল। তেওঁ আছিল শিলচৰৰ তবাৰক আলি। পাছলৈ অসমৰ ৰথী মহাৰথী সকলে এই মুক্তি আন্দোলন বৃটিছৰ ভয়ত চলাই নিবলৈ হেঁাহোকা পিচলা কৰিছিল যদিও দুগৰাকীপুৰুধা সংগ্ৰামীয়ে ১৯৩০ খৃঃলৈ গান্ধীজীৰ আদৰ্শত অবিচল থাকি আন্দোলনটোৰ গুৰি বঠা ধৰি আছিল। তেওঁলোক দুজন আছিল বিষ্ণুৰাম মেধি আৰু মৌলনা তৈয়বুল্লা। বিদেশী বস্তু বৰ্জনৰ অভিযান চলাই কাৰাবৰণ কৰিছিল আলাহু আলি, ছমিৰ আলি, চৈয়দ মহতাব আলি আদি মুক্তিকামীসকলে।

১৯৩৫ খৃঃত অসম ভেলি মুছলিম পলিটিকেল কনফাৰেন্সত লৰ্ড কাৰ্জনৰ মতলবৰ ওপৰত চেঁচা পানী ঢালি চাৰ চাদুল্লা আৰু ফকৰুদ্দিন আলি আহমেদ প্ৰমুখ্যে নেতাসকলে, চিলেটক অসমৰ পৰা বাদ দিয়াৰ সপক্ষে জনমত গঢ়ি তুলিলে। কাৰণ চিলেট আছিল মুছলমান বসতি প্ৰধান অঞ্চল। যদিও দেখাত এইটো বিতৰ্কিত প্ৰস্তাৱ আছিল আনহাতে ই দূৰদৰ্শিতাৰ পৰিচয় দাঙি ধৰিছিল কাৰণ চিলেটক অসমৰ লগত ওলোমাই থলে ভৱিষ্যতলৈ সাম্প্ৰদায়িকতাৰ পথ মুক্ত কৰিহে থোৱা হব পাৰে। সেই পথ বন্ধ কৰাৰ উদ্দেশ্যই এই প্ৰস্তাৱৰ মৰ্ম উপলব্ধ হৈছিল। আৰু এটা প্ৰস্তাৱ উত্থাপন কৰা হৈছিল যিটোৰ দ্বাৰা - লুইত আৰু বৰাক পৰীয়া মুছলমানৰ কাৰণে চাকৰিৰ বাবে আসন সংৰক্ষণ কৰাৰ বাবে দাবীজনোৱা হৈছিল। অসমৰ চাহ বাগিচা কেইখন হৰণ-ভগন নোহোৱাকৈ ৰখাৰ বাবে সেই সময়ত মুছলমান ৰাজনৈতিক নেতাসকল অধিক সচেষ্ট হৈছিল। কিন্তু সাধাৰণ খেতিয়কসকলৰ উন্নয়ণৰ প্ৰতি সকলো উদাসীন হৈ পৰিছিল। যাৰ ফলত ১৯৩৯ খৃঃত কাছাৰৰ মুছলমান খেতিয়ক সকলে গাঁৱে গাঁৱে এক বিদ্ৰোহৰ সূচনা কৰিছিল। এই বিদ্ৰোহৰ নেতৃত্ব দিছিল তকবীৰ আলি, মহম্মদ বেদাৰ বখ্‌ট, আব্বাচ আলি পট্টাদাৰ, সেখ আজাহাৰ আলিয়ে।

কালক্ৰমত এই বিদ্ৰোহ, গোটেই অসমত গা কৰি উঠিছিল। ১৯৪০ খৃঃত গোৱালপাৰা জিলাত ঘাগমাৰী চৰত প্ৰজা সন্মিলন পতা হৈছিল। তাত সভাপতিত্ব কৰিছিল নাজি আহমেদ চৌধুৰীয়ে। প্ৰজা স্বত্ব আইনৰ বিৰুদ্ধে প্ৰতিবাদ জনোৱা

হৈছিল সেই সভাতে। জমিদাৰৰ জনকল্যাণ বিৰোধী নীতিৰ বিৰুদ্ধে ইয়াৰ আগতে ইমান প্ৰবল জনমত গঠন হোৱা নাছিল। সেই কাৰণে খান বাহাদুৰ নুৰুদ্দিন চাহাবে ১৯৪৪ খৃঃত নবাগত কৃষকখিনিক অসমীয়া সমাজত সোমাই লোৱাৰ বাবে আহ্বান জনাইছিল। তাৰ আগতে কৃষক সকলৰ স্বাৰ্থ পূৰণাৰ্থে লুইত পাৰত ১৯৩৭ খৃ.ত সৌমেন ঠাকুৰৰ উদোগত বামপন্থী ৰাজনীতিৰ জন্ম হৈছিল। ১৯৪০ খৃঃত শ্ৰীউপেন শৰ্মাই অসমৰ কৃষকসকলক বামপন্থী আদৰ্শৰে সংগঠিত কৰিবলৈ যত্ন কৰিছিল। ফলশ্ৰুতিত অসম সশস্ত্ৰ বামপন্থী আন্দোলন এটাৰ জন্ম হয়।

১৯৩৯ খৃঃ ত কাছাৰৰ মুছলমানসকলে স্থানীয় মুছলমান তালুকদাৰ সকলৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি ২১জন মুছলমান খেতিয়কে সশ্ৰম কাৰাদণ্ড ভুগিব লগা হৈছিল। খেতিয়কৰ স্বাৰ্থৰ কাৰণে আব্দুল হামিদখান ওৰফে মৌলনা ভাছানি চাহাবে লুইতৰ চৰবোৰত ঘূৰি ফুৰি নিঃসহায় খেতিয়কক সংগঠিত কৰি ফুৰিছিল। তেওঁৰ যত্নতে দক্ষিণ-পশ্চিম গোৱালপাৰাত বিভিন্ন বাট-ঘাট, পশু চিকিৎসালয়, স্কুল গঢ়ি উঠিছিল। খেতি পথাৰৰ জলসিঞ্চনৰ ব্যৱস্থা, নদীৰ বান্ধ-মথাউৰি আদি জন-কল্যাণ হিতকৰ কাম এওঁৰ যত্নতে সাধন হৈছিল।

শালমৰাৰ দৰে আওহতীয়া গাঁৱতো মুছলমানসকলে ১৯২১ খৃঃত দেশৰ মুক্তি সংগ্ৰামত আগবাঢ়ি আহিছিল। সংগীত প্ৰেমী মাছখোৱাৰ মহিবুদ্দিন আহমেদ চাহাবে দেশৰ মুক্তি সংগ্ৰামত যোগ দি দীৰ্ঘদিন আণ্ডাৰ গ্ৰাউণ্ড হব লগাত পৰিছিল। শালমাৰাৰ চহকী খেতিয়ক ছেৰাগ আলি বৃটিছৰ পুলিচৰ হাতত অপমাণিত হৈছিল। মৌলবী তৈয়াবুল্লা চাহাবে মুক্তিসংগ্ৰামত যোগ দি সৰ্বশ্ৰান্ত হৈ কলহৰ বেপাৰ কৰিব লগা হৈছিল। চৈয়দ ছেইখোল চিষ্টিয়ে ইংৰাজৰ লোভনীয় চাকৰি হাকিমৰ পদ টিলিকতে ইস্তফা দি দেশৰ মুক্তি সংগ্ৰামত যোগ দিছিল। মৌলবী হাইদৰ আলিয়ে মুক্তিসংগ্ৰামত নামি দাৰিদ্ৰৰ যাতনা সহ্য কৰিব নোৱাৰি ফকীৰ হৈছিল। চৈয়দ মহিবুল হুচেইন অকালতে মৃত্যু হোৱাত কণ কণ লৰা-ছোৱালীৰে বিধবা পত্নীৰ পানীত হাঁহ নচৰা অৱস্থা হৈছিল। মঙ্গলদৈ মহকুমাৰ মুছলিম ঘোপা গাঁৱৰ শিক্ষিত চিদ্দিক আলি আৰু জেহেৰুদ্দিনে যথাক্ৰমে চৰকাৰী চাকৰি আৰু উচ্চ শিক্ষা দলিয়াই মুক্তি সংগ্ৰামত যোগ দিয়াৰ অপৰাধত দীৰ্ঘদিন জেল খাটি জেলৰ পৰা ওলাই আহি পেটৰ ভোকৰ তাড়নাত বজাৰে বজাৰে গাড়ী টানি নিজে বলধ হৈ বেপাৰ কৰি

ফুৰিছিল। এওঁলোক কোনো এজনেই নিজৰ ভৱিষ্যত নিৰাপত্তাৰ কথা ভাবি পৰ-মুখাপেক্ষী হোৱা নাছিল।[১]

অসমীয়া সাহিত্য-সংস্কৃতি আৰু তালৈ আগবঢ়োৱা পুৰুধা ব্যক্তিসকলৰ অৱদানসমূহ একপক্ষীয় ভাবে চিন্তা-চৰ্চা কৰাত অসমীয়া মুছলমানৰ অৱদানক অধ্যয়নৰ কাৰাগাৰত বন্দী কৰি থোৱাৰ ফলত সাধাৰণ ব্যক্তিৰ জ্ঞান চক্ষুৰ পৰা এইসকল বাটকটীয়া মুছলমান প্ৰায় আঁতৰত থাকিল। কিন্তু ইতিহাস প্ৰণেতাসকল বাকৰুদ্ধ হলেও সঁচা ইতিহাসক কোনেও জুইয়েৰেও ঢাকি ৰাখিব নোৱাৰে। বানপানী হ'লে মাটিৰ তলৰপৰা কেঁচু ওলাই অহাৰ দৰে সামাজিক তথা ৰাজনৈতিক পটভূমিত সেইবোৰ বাস্তৱলৈ ওলাই আহিবই। এই ধ্ৰুৱ সত্যক আওকান কৰা মানে অসমীয়া সমাজ-জীৱনকে আওকান কৰা হ'ব।

১: (ক) লুইত বৰাক আৰু ইছলামঃ মেঃ চৌঃ আৰু
(খ) প্ৰসঙ্গ কোৰ আঃ ছাঃ গ্ৰন্থৰ সহায় লোৱা হৈছে।

এটি উপ অধ্যায়—

অসমৰ ছবছৰীয়া ছাত্ৰ আন্দোলনত মুছলমানৰ অৱদান

অসম ৰাজ্য হিন্দু-মুছলমানৰ এক সমন্বয়ৰ প্ৰতীক ভূমি। ভাৰতৰ স্বাধীনতা আন্দোলনেই হওঁক বা অসমৰ ভাষা-সংস্কৃতিৰ আন্দোলনেই হওঁক অসমৰ মুছলমানসকলৰ স্বভূমি আৰু স্বভাষা ৰক্ষাৰ কাৰণে যি অৱদান আগবঢ়াইছে সিয়ে বীৰপুত্ৰৰ পৰিচয় দি আহিছে।

চৰকাৰৰ হেমাহিৰ ফলতেই অসমীয়া মানুহে ১৯৭২ চনত অসমীয়া ভাষাই বিদ্যালয়, মহাবিদ্যালয়সমূহত মাধ্যমৰূপে স্বীকৃতি লাভ কৰিবলৈ এক মাধ্যম আন্দোলন গঢ়ি তুলিব লগা হৈছিল। মঙ্গলদৈৰ শ্বহীদ মোজাম্মিল হক আৰু খাৰুপেটীয়াৰ ওমৰ আলি সেই মাধ্যম আন্দোলনৰ উজ্জ্বল তাৰকা।

১৯৭৯চনৰ ৯ জুন তাৰিখে ১২ ঘণ্টীয়া অসম বন্ধৰে অসমৰ পৰা বিদেশী বহিষ্কৰণ আন্দোলনৰ পাতনি মেলা হয় সদৌ অসম ছাত্ৰ-সন্থাৰ নেতৃত্বত। এই আন্দোলনৰ সহায়ক হিচাপে অসমত গঢ়ি উঠিল সদৌ অসম গণসংগ্ৰাম পৰিষদ য'ত অসমৰ জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে আন্দোলনত স্বতস্ফুৰ্টঃ ভাৱে জপিয়াই পৰিছিল। ইছলাম ধৰ্মৰ ন্যায় আৰু গণতন্ত্ৰৰ হকে কৰা সংগ্ৰামৰ যি মহান ইতিহাস আছে, সেই ইতিহাস সুঁৱৰি হাজাৰ হাজাৰ ধৰ্মপ্ৰাণ মুছলমান ৰাইজে এই গণ-সংগ্ৰামৰ গণ-সত্যাগ্ৰহত যোগ দিছিল। মঙ্গলদৈ অঞ্চলৰ নগৰবাহী-মাদ্ৰাছাৰ তালেবে-ইলিম সকলৰ সত্যাগ্ৰহত যোগদানেই তাৰ জ্বলন্ত নিদৰ্শন। অসমৰ জাতীয় স্বাৰ্থৰ হকে প্ৰাণ আহুতি দিবলৈ ১৯৭৯ চনৰ ১৮ ডিচেম্বৰ তাৰিখে অসম বাহিনীয়ে "মৃত্যু - সংকল্প" গ্ৰহণ কৰে। লোকসভা নিৰ্বাচন বৰ্জনৰ আহ্বানত অংশ গ্ৰহণ কৰি আবিদা আহমেদৰ 'মনোনয়ন পত্ৰ' দখিলৰ ১০ ডিচেম্বৰ তাৰিখে আঘাত প্ৰাপ্ত হৈ পিছত মৃতু বৰণ কৰে পাঠশালাৰ ইছলামপুৰ নিবাসী ছাত্ৰসন্থাৰ সক্ৰিয় কৰ্মী ছেৰিফুদ্দিন আহমেদে। দেৱকান্ত বৰুৱাৰ মনোনয়ন পত্ৰ দাখিল প্ৰতিৰোধ কৰিবলৈ ৰাজপথলৈ ওলাই আহিছিল নগাঁৱৰ অগণন মুছলমান ৰাইজ। দুৰ্বৃত্তৰ হাতত ২৭-৫-৮০ তাৰিখে পাটবাউসীৰ মঃ ইজাদ্দাৰ, ৩০ বছৰীয়া চফল ডেকা মানকাটা এম. ই স্কুলৰ হিন্দী

শিক্ষক, ডিব্ৰগড়ৰ টেঙাখাট নিবাসী মঃ ইছমাইল আনচাৰীয়ে ১৯-৬-৮০ তাৰিখে আন্দোলনত জড়িত হোৱা অপৰাধত মৃত্যু বৰণ কৰে। ঠিক একে ধৰণৰ মৃত্যুক সাৱটি লয় জাগীৰড নিবাসী মঃ আতৰ আলিয়ে। ১৯৮৯ চনৰ ৭ জুলাইৰ পৰা ২০ জুলাই তাৰিখলৈ অসমৰ কেন্দ্ৰীয়, অৰ্দ্ধকেন্দ্ৰীয় আৰু ৰাজ্যিক কাৰ্যালয় সমূহত পিকেটিং চলিছিল। কামৰূপৰ ১নং ভেল্লা গাঁৱৰ ছাত্ৰ কৰ্মী নুৰুল ইছলাম আৰু মনোৱাৰ আলিক সেই কাৰ্যসূচীত যোগদান কৰা অপৰাধত দুবৃৰ্ত্তই অপহৰণ কৰে। তেনেকৈ নিখোজ হৈছিল হাজোৰ একেটা পৰিয়ালৰে আব্দুল ছাত্তাৰ, আব্দুল ৰচিদ, আব্দুল জেলিল আৰু মতিউৰ ৰহমান। সেই কেইজনৰ সন্ধান আজিলৈ উদ্ধাৰ হোৱা নাই। ১৯৮২ চনৰ ১০ জুন তাৰিখে 'ছাত্ৰ-সংহতি' দিৱসত যোগদান কৰিবলৈ যাওঁতে পুলিচৰ কোবত মৃত্যু হৈছিল শিৱসাগৰৰ ছাত্ৰ ইম্তিয়াৰজুদ্দিন আহমেদৰ। ১৯৮৩ চনৰ জানুৱাৰী মাহৰ ১০ তাৰিখৰ পৰা ২০ তাৰিখলৈ গোলাম মোস্তাফা আহমেদ, মঃ মতিউৰ ৰহমান আদিয়ে বৰাক উপত্যকাৰ কাছাৰৰ খিলঞ্জীয়া জনসাধাৰণক নিৰ্বাচন বন্ধ কৰিবলৈ লগ ধৰিছিল। ফলস্বৰূপে— 'ইণ্ডিজেনাচ পিপলচ কনফাৰেঞ্চ আৰু 'কো-অৰ্ডিনেচন কমিটিয়ে' নিৰ্বাচন বৰ্জন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল। গুৱাহাটীৰ পৰা ৬২জন বিশিষ্ট মুছলমান নাগৰিকে অসমৰ ৰাইজলৈ বিনম্ৰ আহ্বান শীৰ্ষক এক যুটীয়া গোহাৰিত অসমৰ সমূহ মুছলমান ৰাইজক অবৈধ নিৰ্বাচন বৰ্জন কৰিবলৈ আবেদন জনাইছিল। ২-২-৮৩ তাৰিখে পথ-বন্ধ কাৰ্যসূচীত যোগ দিওতে মঙ্গলদৈৰ ওচৰৰ কালিয়াপাৰা গাঁৱৰ মঃ কাদিৰ আলিক পুলিচে গুলীয়াই হত্যা কৰিছিল। সেইদৰে গুলীয়াই হত্যা কৰে ৯-২-৮৩ তাৰিখে বৰমাৰ মহনুৰ আলিক আৰু ১৬-২-৮৩ তাৰিখে তিতাবৰৰ মঃ আতাউৰ ৰহমানক।

কিন্তু নিৰ্বাচনৰ বতাহত উৰি আহিল জাতিভেদ, ধৰ্মভেদৰ গোন্ধ। সাম্প্ৰদায়িক সংঘৰ্ষই অসমৰ আকাশ কলা কৰি তুলিলে। আত্মীয়ই আত্মীয়ক চিনি নোপোৱা হ'ল। স্বজন-প্ৰীতি নাইকিয়া হ'ল। বন্ধুবোৰ পৰ হ'ল। ১১-২-৮৩ তাৰিখৰ পৰা ভাতৃঘাটী সংগ্ৰামত লিপ্ত হ'ল গহপুৰ, জহামাৰী, ছমৰীয়া, বকো, চাউলখোৱা, ধূলা, খৈৰাবাৰী, নেলী, আদিত চকুলোৰ বান বাগৰিল। নৰককুণ্ডত পৰিণত হ'ল সেইবোৰ অঞ্চল।

এই সময়তেই ১৮-২-৮৩ তাৰিখে সৃজন গ্ৰামৰ চামচুল আলি দুৰ্বৃত্তৰ হাতত নিহত হয়। এনে কঠিন পৰিস্থিতিৰ মাজতে কটাহীৰ বাসিন্দা ছিপাঝাৰত মৃত্যুবৰণ কৰা মঃ মিৰ্জানুৰ ৰহমান আৰু দিঘীৰপাৰত মুছলিমঘোপাৰ খাজেদা বেগমৰ মৃত্যু

আজিও ৰহস্যজনক হৈয়েই থাকিল। চাৰিওফালে সাম্প্ৰদায়িকতাৰ পচা গোন্ধৰ ধুমুহা আহিলেও সাগৰে নিজৰ মৰ্যাদা অটুট ৰখাৰ দৰে অসমৰ হিন্দু-মুছলমানে ভাতৃঘাতী-সমৰত অৱতীৰ্ণ নহ'বলৈ বিনম্ৰ অনুৰোধ জনালে। মঙ্গলদৈত এড্‌ভোকেট গিয়াচুদ্দিন আহমেদ আৰু চাইফুদ্দিন আহমেদে সেই সময়ত আন্দোলনত অংশ গ্ৰহণ কৰি গ্ৰেপ্তাৰ বৰণ কৰিছিল। ৯-২-৮৩ তাৰিখে আন্দোলনৰ কাৰ্যসূচীত যোগদান কৰোতে বনকৰ্মচাৰী মঃ মহনুৰ আলিক পুলিচে গুলীয়াই নিহত কৰে। সেইদৰে একে বিভাগৰ কৰ্মচাৰী মনোৱাৰ আলিয়ে ৩০-৫-৮৩ তাৰিখে মৃত্যুক সাৱটি লব লগা হয়। ৮৩ৰ নিৰ্বাচন প্ৰতিৰোধ কৰিবলৈ যায় বৰমপুৰ নিবাসী 'প্ৰতিৰোধ কাৰ্যসূচী' ভাগ লোৱাৰ কাৰণে গুৱাহাটীত চি আৰ পিৰ হাতত নিৰ্যাতিত হয় পথ-গৱেষণা কেন্দ্ৰৰ কৰ্মচাৰী মঃ হাচিল আলি, ১৯৮৩ চনৰ ৪ ফেব্ৰুৱাৰী তাৰিখৰ পৰা অসমৰ সকলো শ্ৰেণীৰ কৰ্মচাৰীয়ে নিৰ্বাচনৰ কাম বৰ্জন কৰাৰ সময়তে পুলিচৰ আতিশয্যাৰ পৰা পৰিত্ৰাণ পাবলৈ অন্যান্য কৰ্মচাৰীৰ লগতে মুছলমান কৰ্মচাৰীয়েও হাবিয়ে জংঘলে পলাই ফুৰিছিল।

১৯৮০ চনৰ ২৮ এপ্ৰিল তাৰিখে 'ৰণশিঙা' দিৱসত অসমৰ আকাশত যিদৰে বাজিছিল— শঙ্খ-ধ্বনি ঠিক সেইদৰে ভাঁহিছিল মছজিদৰ মিনাৰৰ পৰা আজানৰধ্বনি। শ্বহীদ বেদীৰ সমুখত বেদ আৰু কোৰাণৰ পৱিত্ৰ সুৰে সম্প্ৰীতিৰ নিজৰা বোৱাই দিছিল। গুৱাহাটীৰ দক্ষিণ শৰণীয়াৰ উদীয়মান ছাত্ৰ মতিউৰ ৰহমানে ৭-৪-৮৪ তাৰিখে বোমাঘাতত মৃত্যুক আঁকোৱালি লৈছিল। কামৰূপ জিলাৰ ছাত্ৰ সন্থাৰ সভাপতি নেকিবুৰ জামান, সাধাৰণ সম্পাদক জেহিৰুল ইছলাম আৰু উপদেষ্টা জেহিৰুল হক সদস্য হবিবুৰ ৰহমান, নুৰুল হুচেইন আদিয়ে অসমীয়া ছাত্ৰক বৰ্ণাভেদে সংগঠিত কৰাত আগভাগ লৈছিল।

অসমৰ মুছলমান সাহিত্যিক সকলেও আন্দোলনৰ কালছোৱাত বিভিন্ন লিখনিৰে অসমীয়া ৰাইজক জাতি-বৰ্ণ-ধৰ্ম, ভাষা নিৰ্বিশেষ একত্ৰিত হৈ থাকিবলৈ আহ্বান জনাইছিল। সেই সকলৰ ভিতৰত মতিউৰ ৰহমান, ইলিমুদ্দিন দেৱান, হুমায়ুন কবীৰ, ৰায়হান শ্বাহ, হাইদৰ হুচেইন অন্যতম।[১]

---

১ : অসম গণ পৰিষদৰ প্ৰথম সাধাৰণ অধিবেশন ঃ মঙ্গলদৈ ঃ ১৮৮৮ চনৰ স্মৃতি গ্ৰন্থত প্ৰকাশ পোৱা এই লেখকৰ "অসমৰ অস্তিত্ব ৰক্ষা সংগ্ৰামত মুছলমানসকলৰ অৱদান" নামৰ প্ৰবন্ধৰ আধাৰত যুগুতোৱা হৈছে।

অসমত চুফীবাদৰ প্ৰভাৱ - এক সমন্বয়ৰ সেতু

পঞ্চভূতৰে নৰ দেহ সৃষ্ট। পুথিগত জ্ঞানে মানুহক সৃষ্টি আৰু স্ৰষ্টা সম্পৰ্কে পূৰ্ণ জ্ঞান দিব নোৱাৰে। আত্মজ্ঞানহে প্ৰকৃত জ্ঞানৰ ভঁৰাল। নৰদেহৰ প্ৰকৃত স্বৰূপ বুজিব পাৰিলে মানুহে পাৰ্থিৱ জগতৰ ৰহস্য ভেদ কৰি আধ্যাত্ম লোকৰ ৰহস্য উপলব্ধি কৰিব পাৰে। দেহতত্ত্বৰ তাৎপৰ্য বুজিব পাৰিলে শিক্ষা-দীক্ষা নথকা মানুহেও গভীৰ আধ্যাত্মলোকৰ জ্ঞান আহৰণ কৰিবলৈ সক্ষম হয়। যিমানেই মানুহৰ শৰীৰ সুন্দৰ নহওক ই অস্থায়ী, এই শৰীৰ কেতিয়াও স্থায়ী নহয়। যুগে যুগে সত্য সাধক মহাপুৰুষসকলে মানুহৰ দেহ আৰু আত্মাৰ সম্পৰ্কৰ কথা, সৃষ্টি আৰু স্ৰষ্টাৰ কথা, এই দুয়োটাৰ সম্পৰ্কৰ কথা বুজাই আহিছে। তেওঁলোকে মানুহৰ দেহ আৰু আত্মাৰ সম্পৰ্ক, মানুহ আৰু মানুহৰ স্ৰষ্টাৰ সম্পৰ্কৰ ৰহস্য উদঘাটনৰ বিষয়ে চেষ্টা কৰি আহিছে। এজন হিন্দুৰ কাৰণে গংগাজল যিদৰে পৱিত্ৰ, সেইদৰে এজন প্ৰকৃত মুছলমান ভকতৰ কাৰণে আল্লাৰ নাম লোৱা পৱিত্ৰ। কিন্তু মুখেৰে নাম ললেই নহয়; লব লাগিব হৃদয়ৰে, পৱিত্ৰ মনৰে। তেহে সাধনাত সিদ্ধি লাভ কৰিব পাৰিব।

মানুহ যিমানে বিদ্যাৰ অধিকাৰী নহওক কিয় জ্ঞান কিন্তু সীমাবদ্ধ। মানুহৰ পঞ্চভৌতিক দেহাৰ কেনেকৈ অৱসান ঘটে সেই সীমাবদ্ধ বিদ্যাৰে ক'ব নোৱাৰে। তেওঁ বিজ্ঞানীয়েই হওক নতুবা চিকিৎসা বিদ্যাৰ পৰম অধিকাৰী হওক তথাপি জীৱন, মৃত্যু আৰু মৃত্যুৰ পৰৱৰ্তী আত্মাৰ, আত্মাৰ অৱস্থান আৰু শেষ মোক্ষ বা মুক্তিৰ বিষয়ে তেওঁলোকৰ জ্ঞান সীমাবদ্ধ। এই জটিল সত্যবোৰৰ গূঢ় অৰ্থ বুজি পাবৰ কাৰণেই জ্ঞানীসকলে জ্ঞানৰ সাধনা কৰে। যিহেতু জন্ম-মৃত্যুৰ ৰহস্য ভেদ কৰাটো মানুহৰ জ্ঞানৰ সীমাৰ বাহিৰৰ কথা গতিকে মানুহে ভগৱানৰ ওচৰত দেহ-মন সপি দি তপস্যা বা ব্ৰতত ব্ৰতী হয়। সৰ্বজ্ঞ, সৰ্বনিয়ন্তা, অনন্ত অসীম বিশ্বস্ৰষ্টাৰ পৰম জ্ঞানৰ ওচৰত আত্ম সমৰ্পণৰ বাহিৰে জন্ম-মৃত্যুৰ ৰহস্য ভেদ কৰাৰ শক্তি মৰণশীল মানুহৰ হাতত নাই। সেই একমেৱ দ্বিতীয়ম পৰম স্ৰষ্টাৰ কৰুণা অবিহনে সৃষ্টিৰ ৰহস্যৰ অৰ্থ কেৱে পাব নোৱাৰে। তদুপৰি সেই পথৰ মাত্ৰ চিনাকি দিব

পাৰে— জ্ঞানী-গুণী সাধক গুৰুজনাৰ আধ্যাত্মিক জ্ঞানে। স্রষ্টা, সৃষ্টি ৰহস্য জ্ঞানৰ অধিকাৰী মানুহে তাক সৃষ্টি কৰিব নোৱাৰে মাথো কেৱল সন্ধান কৰিব পাৰে। বাটে-পথে, হাবিয়ে জংঘলে জ্ঞান পৰি নাথাকে, সাধনাৰ দ্বাৰাহে তাৰ সিদ্ধি উপলব্ধ হয়। এই আধ্যাত্মিক সাধনাত ব্রতী হৈ যিসকলে জ্ঞান-চক্ষু লাভ কৰে সেইসকলকে চুফী কোৱা হয়। তেওঁলোকে লাভ কৰা যি জ্ঞান চক্ষু আত্যাত্মিক গূঢ় তত্ত্বৰে সৰ্বসাধাৰণৰ আগত দাঙি ধৰে তাকেই চুফীবাদ বুলি ক'ব পাৰি।

প্ৰকৃত চুফীসকলৰ আত্মগোপন এটা বিশেষ গুণ। কোনো প্ৰকৃত চুফীয়েই নিজৰ পৰিচয় জাহিৰ কৰি লোকচক্ষুৰ আগত ঘূৰি নুফুৰে। নিজৰ পাৰ্থিব দেহৰ প্রতি অযতন আৰু অসচেতন হোৱাৰ কাৰণে লজ্জা নিবাৰণৰ বাহিৰে শৰীৰৰ বাকী অংশত বেশ-ভূষা নাথাকেই। অপৰিচ্ছন্নতা শৰীৰে বিকৃত ৰূপ লয়। তাৰফলত মানুহে তেওঁলোকক কৰে অৱজ্ঞা, ঘৃণা আনকি অত্যাচাৰ কৰিবলৈযো নেৰে। তথাপি তেওঁলোকে সকলো সহ্য কৰি নিৰ্বিকাৰ হৈ থাকে।

'ওমৰ খায়ামে সেই কাৰণে কৈছিল—
"কোনোৱে তোমাক চালাম নকৰে,
পৃথিৱীত এনেকৈ জীযাই থাকিবা যেন
তোমাক দেখি কোনোৱে থিয নিদিযে।
মছজিদলৈ যোৱা যদি এনেকৈ যাবা, যেন
আগলৈ মাতি নি তোমাক ইমাম নাপাতে।"

কামনা-বাসনা, আশা-অভিলাষ, গৰ্ব-অহংকাৰ সকলোৰে অবসান ঘটাই এক চৰম প্ৰেমৰ সন্ধানত আত্মাহাৰা হব নোৱাৰিলে কোনোৱেই প্ৰকৃত চুফী হব নোৱাৰে। কিন্তু এই প্ৰেম লোকক দেখুৱাবলৈ নহয়, ই সাধকৰ নিজৰ গূঢ উপলব্ধিৰ বস্তু।[১]

ফাৰ্চী কাব্যৰ বিশ্ববিখ্যাত কবিসকলে চুফী ভাৱধাৰাৰ দ্বাৰা অনুপ্ৰাণিত হৈ সৃষ্টি কৰিছিল মহৎ কাব্য য'ত চুফীতত্ত্ব আৰু কাব্যিকতাৰ সমন্বয় সাধন কৰিছে এক অনুপম জ্ঞানৰসেৰে। ভাৰততো তেনে ধ্যান-ধাৰণাৰে বহু পুথি ৰচনা কৰা হৈছে কাব্য-ছন্দত। বঙালী ভাষাত লালন ফকীৰৰ মাৰিফতি গীত যিদৰে আছিল সাধাৰণ বঙালী মুছলমানৰ অতি প্ৰিয় ঠিক সেইদৰে আজান ফকীৰৰ জিকিৰ অসমত প্ৰিয়।

১· অসমীয়া জিকিৰ জাৰী সাৰঃ সংগ্ৰহীত আৰু সম্পাদিত এছ এম হুচেইনঃ পৃঃ ৩৪

মালিক মহম্মদৰ জায়ছীৰ হিন্দী ৰূপক কাব্য 'মৃগাৱত' চুফী ভাবধাৰাৰ বাহক ৰূপেই স্বীকৃত। সেইদৰে লায়লা-মজনু, চিৰী-ফৰহাদ, ইউচুফ-জুলেখাৰ কাহিনীকো চুফী ভাৱধাৰাৰ ৰূপক হিচাপেই গণ্য কৰা হয়।

লক্ষ্য কৰিবলগীয়া কথা যে ইছলামৰ বুকুতে জন্ম লাভ কৰি চুফীবাদে এক গতানুগতিক অৰীতিৱদ্ধ মুক্ত মনোৰমী সাধন পন্থা ৰূপে প্ৰতিষ্ঠা লাভ কৰাৰ লগতে ই এক অভিনৱ ভাৱ বিপ্লৱৰো জন্ম দিয়ে আৰু এক ভাৱ গধুৰ কাব্য সাহিত্যৰো প্ৰেৰণাৰ মূল বস্তু হৈ পৰে।[১]

চুফীবাদৰ মূল তত্ত্ব হ'ল 'মই' আৰু 'তুমি'ক একত্ৰিত কৰা, স্থান আৰু কালৰ সীমা নাইকিয়া কৰা, দেহাক সীমাত আৱদ্ধ নাৰাখি মানৱাত্মক দেহাতীত এক পৰম ৰসলোকৰ সান্নিধ্যলৈ লৈ যোৱা। য'ত ধ্যানী আৰু ধ্যেয়ৰ মাজত ব্যৱধান লোপ পায়।

চুফী চিন্তাধাৰাৰ প্ৰথম উদ্ভাৱক আছিল ভিখাৰী ৰজা বুলি খ্যাতি লাভ কৰা পাৰস্যৰ খোৰাছান প্ৰদেশৰ ৰাজপুত্ৰ ইব্ৰাহীম ইবম আধম। তাৰ শ্ৰেষ্ঠ উদ্‌গাতা আছিল আজন্ম দাসী ৰাবিয়া যাৰ নিত্যকৰ্ম আছিল গৃহস্বামীৰ মোচাহেব সকলক বাঁহীৰ মিষ্ট সুৰেৰে আপ্যায়িত কৰা। এইজনী মহীয়সী নাৰীয়েই ভগৱৎ উপলব্ধিৰ পাছত উদাত্ত কণ্ঠে ঘোষণা কৰিছিল বেহেস্ত, দোজুখ' আছে নে নাই, তাৰ সতে আল্লাৰ কি সম্বন্ধ থাকিব পাৰে? মোৰ আনন্দ তেওঁৰ সেৱাত। মহান আল্লাক সেৱা কৰাৰ ভূমানন্দই পৰম্পদ। মই আৰু একোকে নিবিচাৰো।[২]

এই আদৰ্শৰ প্ৰভাৱ এসময়ত ভাৰতৰো পৰিছিল। চুফীবাদৰ আদৰ্শ ভাৰতলৈ প্ৰথমে কঢ়িয়াই আনিছিল ইছমাইল শেখ নামৰ এজন সাধকে। তাৰ পাছত ১১৬১ খৃঃত পাৰস্যৰ সাধক খাজা ওচমান হাৰোৱানি চিশতিৰে শিষ্য মইনুদ্দিন চিশতিয়ে এই মতাদৰ্শ ভাৰতত প্ৰচাৰ কৰে। এই সাধকজনাক জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে তেওঁৰ আধ্যাত্মিক গুণত মুগ্ধ হৈ তেওঁক 'আফ্‌তাব-ই- মুলক হি ন্দ' অৰ্থাৎ ভাৰত সূৰ্য বুলি ৰজা প্ৰজা সকলোৱে ভক্তি কৰিছিল। তেওঁৰ শিষ্যব ভিতৰত প্ৰধান দুজন হ'ল কুতুব অল-দীন বখতিয়াৰ আৰু শেখ ফৰিদ অল-দীন-গঞ্জ ই শকৰ। পাছৰ জনাই নিজৰ অবৰ্ত্তমানত প্ৰতিনিধি হিচাপে নিযোগ কিৰছিল সেইকালৰ বিখ্যাত সাধক নিজাম অল-দীন আউলিয়াক। আউলিয়াৰ অন্যতম শিষ্য আছিল কবি আমীৰ খশ্ৰু

১· অসমীয়া জিকিৰ জাৰী সাৰঃ এছ এম ছচেইনঃ পৃঃ ৩৩

২: লুইত বৰাক আৰু ইছলামঃ মেদিনী চৌধুৰী ঃ পৃঃ ২০

আৰু ঐতিহাসিক বাৰুণি। আমীৰ খশ্রুৰ জন্ম ১২৫৩ খৃঃত। তেওঁ আছিল বিখ্যাত সঙ্গীতজ্ঞ, কাৱালী গানৰ ৰচয়িতা। নিজাম অল-দীন-আউলিয়াৰ ভায়েক এগৰাকী বংগভূমিত নৰখাদক দেৱতাক হত্যা কৰি শান্তি প্রতিষ্ঠা কৰিবলৈ আহিছিল।

বংগদেশত মুছলমানৰ শাসন কালত প্ৰায় ছশ বছৰ কাল বহু প্রকৃত চুফী থকাৰ প্ৰমাণ পোৱা যায়। বংগদেশত প্রচলিত মাৰফতি গীত আৰু বাউল গীতবোৰেও চুফী প্ৰভাৱৰ নিদৰ্শন দাঙি ধৰে। দৰবেশ নূৰ কুত্‌বে আলম বঙ্গৰ ৰজা গণেশৰ দিনত এজন প্ৰখ্যাত চুফী আছিল।

উত্তৰ ভাৰতলৈ আহিছিল হজৰত মইনুদ্দিন চিশতি আজমীৰি, হজৰত নিজামুদ্দিন আউলিয়া, হজৰত চলীম চিস্তি, হজৰত কুতুবুদ্দিন বখতিয়াৰ কাকী, চেখ ফাৰিদুদ্দিন গঞ্জকৰ, চিৰাজুদ্দিন ওচমানী, হোচামুদ্দিন মানেকপুৰী, নচিৰুদ্দিন চিৰাগ দেহলি, এখ্‌তিয়াৰুদ্দিন ওমৰ, হাচান চৰমস্ত, চালাৰ ফাৰুকী, হজৰত মস্তান হাজী দাক্কানী, হজৰত ছাহ জালাল, হজৰত-আলা-আলহক আদি। এই প্রখ্যাত চুফী সাধকসকল কাহানিবাই অতীত হৈ গ'ল কিন্তু তেওঁলোকৰ আধ্যাত্মিক মাহাত্ম্য টুটক চাৰি দিনক দিনে বাঢ়িহে আছে। দেশৰ জাতি-বৰ্ণ ধৰ্ম নিৰ্বিশেষে আশীষ বিচাৰি সেইসকলৰ দৰগাহত আজিও ভীৰ কৰি থকা দেখা যায়।

শ্বেইৰ মুতাখাৰীন নামৰ ওঠৰ শতিকাৰ বংগৰ এজন ৰসিক ব্যক্তিয়ে ইংৰাজৰ দিনৰ জমিদাৰ সকলৰ প্ৰজা উদ্‌পীড়ণৰ বৰ্ণনা এটা এনেদৰে দিছিল শ্বাহ শ্বাদীৰ কবিতাৰে—

"Once a sheep was saved by a stoutman.
Rescued from the jaws and grasp of wolf
But at night the man drew his knife
and cut the sheep's thraot.
The animal in expiring, did not fail
to offer these words with a groan,
"To no purpose didst thou snatch me
from the wolf's grasp
Since at last thou provest a wolf thyself."

অৰ্থাৎ এজন শকত-আৱত মানুহে এদিন কুকুৰনেছীয়া বাঘৰ হাতৰপৰা ভেৰা ছাগলী এজনী উদ্ধাৰ কৰিছিল। কিন্তু ৰাতি শকত মানুহটোৱে কি কৰিলে— সি তাৰ দাখন উলিয়াই লৈ ছাগলীজনীৰ ডিঙি কাটি পেলালে। বেচাৰী ছাগলীজনীয়ে মৰিবৰ সময়ত গেঙাই গেঙাই কৈ গ'ল— কি দৰকাৰ আছিল মোক বাঘৰ হাতৰ পৰা বচোৱাৰ, শেষত যেতিয়া প্ৰমাণিত হ'ল যে আচল বাঘটো তুমি নিজেই।[১]

উপৰোক্ত উদাহৰণটোৰ পৰা বুজা যায় যে প্ৰকৃত চুফী সাধকসকলে তেওঁলোকৰ তত্ত্বসমূহ শিষ্য সকলক প্ৰত্যক্ষ ভাৱে নিদি পৰোক্ষভাৱেহে দিছিল যাতে শিষ্যসকলে নিজে নিজৰ বোধগম্যৰে গূঢ় তত্ত্বটোৰ সঁচা অৰ্থ উলিয়াই তাৰ অমৃতখিনি পান কৰিব পাৰে। তেনেকুৱা পৰোক্ষ উক্তি আজান ফকীৰৰ জিকিৰতো দেখা যায়—

"পানী মৰে পিয়াহত
অগ্নি মৰে জাৰত,
খোদা ৰচুল লুকাই থাকে
মমিনৰ আঁৰত।

সেইদৰে —

"মকৰাৰ সূতে মোমিন
বান্ধে মত্ত হাতী
দুনাই নেকি আহি পাব
মোমিনৰ সঙ্গতি।
পুখুৰীত পানী নাই
পাৰ দুটি বুৰে।
বাঁহ আছে, পখী নাই,
জাকে জাকে উৰে।"

ইত্যাদি।

অসমত চুফীবাদৰ ধাৰা আচলতে কেতিয়াৰ পৰা আৰম্ভ হয় সেই বিষয়ে ঐতিহাসিকসকল এতিয়াও একমত হব পৰা নাই। তথাপিও অনুমান কৰিব পাৰি

১ : লুইত বৰাক আৰু ইছলামঃ মেদিনী চৌধুৰী ঃ পৃঃ ৬০

যে পঞ্চদশ শতিকা মানত মজনুদিল নামৰ ফকীৰ এজনে জিকিৰ শ্ৰেণীৰ গীত ৰচনা কৰি অসমত চুফীবাদৰ ধাৰা মুকলি কৰে। মজনুদিলৰ ভাষাত সমসাময়িক বৈষ্ণৱ কবিসকলৰ প্ৰভাৱ প্ৰতিফলিত হোৱা দেখা যায়। এওঁ আজান ফকীৰৰ আগতে অহা লোক। কিন্তু ধৰ্ম প্ৰচাৰৰ কাৰণে তেওঁ অসমলৈ অহা নাছিল, আহিছিল আধ্যাত্মিক দৰ্শন লৈ।

অসম মুছলমানৰ সংস্পৰ্শলৈ আহিছিল ১২০৫ খৃঃত ইখতিয়াৰুদ্দিন বখতিয়াৰ খালজীৰ কামৰূপৰ মাজেৰে তিব্বত চীন অভিযানৰ সময়ত। তেতিয়াৰ পৰা অসমলৈ অনেকজন পীৰ, ফকীৰ আউলিযা, চুফীৰ আগমন ঘটে। সেইসকলৰ ভিতৰত আজান পীৰ, তেওঁৰ ভায়েক নবী পীৰ, আনোৱাৰ হাজী ফকীৰ, শ্বাহ ফকীৰ, ধুবুৰীলৈ অহা পাঁচপীৰ-শ্বাহ আকবৰ শ্বাহ বগমাৰ, শ্বাহ শৰন, শ্বাহ সুফী, শ্বাহ কামাল, হাজোৰ গিয়াচুদ্দিন আউলিয়া, খোন্দাকাৰ পীৰ, বান্দৰ পীৰ বা ছাৱাল পীৰ, পাঞ্জাতনত দৰগাহ থকা জনৈক পীৰজনা, পাগল পীৰ, খোৰাছানী পীৰ, শ্বাহ জালাল, শ্বাহ সৰ্প্লিণ পীৰ, বগা শ্বাহ ফকীৰ, চৈয়দ খোচবুল পীৰ, লাল ফকীৰ, মখদুল শ্বাহ, শ্বাহ চৈয়দ চাদনুৰ পীৰ, চাহনুৰ দেৱান ফকীৰ, শ্বাহ মইনুদ্দিন চাহ, জাহিৰ মিঞাফকীৰ, জামালুদ্দিন তবৰেজী আদি প্ৰধান। এই সকল পীৰ ফকীৰ কোন আগত বা কোন পাছত আহিছিল, কেইগৰাকীমানক অসমৰ ৰজাই মান-সন্মান প্ৰদৰ্শনৰ পৰা ধৰিব পাৰি যদিও বেছি ভাগৰে সঠিক সময় আৰু পৰিচয় পোৱা কঠিন। বহুতক আকৌ তেখেতসকলৰ মৃত্যুৰ পাছতহে মাহাত্মৰ কথা প্ৰকাশ পায়। তেওঁলোকৰ দৰগাহ, মাজাৰ আদি তৈয়াৰ কৰি আশীৰ্বাদ আদি মানুহে বিচৰা দেখা যায়। যিসকল খ্যাত পীৰ বা ফকীৰ জনমানসত জনা যায় সেই সকলৰ কোনোবাজন যুদ্ধৰ সেনাপতিৰ লগত নতুবা স্বতন্ত্ৰভাবে আহিছিল। সেনাপতিসকলৰ লগত অহা সকলৰো যুদ্ধৰ লগত কোনো সম্পৰ্ক নাছিল। কামৰূপ তথা অসম সেই সময়ত যাদু মন্ত্ৰৰ দেশ বুলি বহিৰ্জগতত জনাজাত হৈছিল। মুছলমান সেনাপতি বা সৈন্যসকলক যাদু মন্ত্ৰৰ কবলত পৰা ভয়ত তেওঁলোকক লগত আনিছিল। বহু কেইজন আহিছিল— সেই সময়ত প্ৰচলিত নৰবলি প্ৰথা মোচনৰ উদ্দেশ্য। তান্ত্ৰিকগ্ৰন্থ কালিকা পুৰাণত দেৱীপূজাত নৰবলি দিয়াৰ কথা উল্লেখ আছে। চৈধ্য শতিকাৰ বহু আগৰ পৰাই কালিকা পুৰাণৰ প্ৰচাৰ হৈছিল কামৰূপ বংগৰ গাঁৱে-

ভুঞেও। গতিকে নিশ্চয় নৰবলি হৈছিল— সংগোপনে। এই নৰখাদক বধৰ কাৰণে নিশ্চয় আউলিয়া সকল আহিছিল।[১]

অসমৰে গোৱালপাৰা জিলাৰ ব্ৰাহ্মণৰ সন্তান হৈয়ো পীৰ আউলিয়াৰ সান্নিধ্যলৈ আহি সত্য নাৰায়ণে মুছলমান হৈ সত্যপীৰ নামেৰে জনাজাত হৈছিল। তেওঁ চুফীবাদ পন্থা গ্ৰহণ কৰি শিশুপাল ৰজাই দিবলৈ ওলোৱা নৰবলি বন্ধ কৰিছিল। সেইদৰে হিন্দু পুৰোহিত জয়পাল সাধুই পীৰ বৰহমৰ সান্নিধ্য লাভ কৰি জয়পাল ফকীৰ হৈ ইছলাম ধৰ্ম প্ৰচাৰৰ কাৰণে সুদূৰ মানকাছাৰৰ পৰা দৰঙলৈ আহিছিল।

ইয়াতেই ইছলাম ধৰ্ম গ্ৰহণ কৰি হওক নতুবা বাহিৰৰ পৰা অহা পীৰ ফকীৰ সকলৰ এটাই উদ্দেশ্য আছিল মানুহক সৎপথ প্ৰদৰ্শন কৰোৱা। দেশ জয়ৰ লিপ্সা তেওঁলোকৰ নাছিল। হজৰত আজান পীৰ, চালেহ পীৰ, চাবাল পীৰ, নবী পীৰ, খোন্দাকাৰ আব্দুল গণি পীৰ আদি খ্যাত অখ্যাত সকলোৰে একেটাই উদ্দেশ্য আছিল— ইতিমধ্যে থলুৱা অসমীয়া মানুহে ইছলাম ধৰ্ম গ্ৰহণ কৰি মুছলমান হৈছিল যদিও সেইসকলে সৰহভাগে মুছলমান হৈয়ো প্ৰকৃত ইছলামীয় জীৱন-যাপন নকৰি স্থানীয় ৰীতি-নীতি, আচাৰ-বিচাৰ জনবিশ্বাস কুসংস্কাৰ আদিৰ মাজত নিমজ্জিত হৈ মুছলমান সমাজখন এক প্ৰকাৰ অন্ধকাৰাচ্ছন্ন কৰি তোলাৰ কাৰণে সেইসকলৰ মাজত ধৰ্মীয় আৰু আধ্যাত্মিক পোহৰৰ ৰেঙণি বিলোৱা। কোনো কোনো পীৰে ধৰ্মৰ তত্ত্বৰ কথা শিকাবৰ কাৰণে কেতিয়াবা গীত-পদ ৰচনা কৰি তেনে গীত ভকত বা শিষ্যসকলে অকলে বা সমূহীয়াভাৱে গোৱাৰ ব্যৱস্থা কৰিছিল। সাধক কবি কবীৰ, লালন ফকীৰ, আজান ফকীৰ, সত্য পীৰ আদি পীৰসকল কেৱল গূঢ় তত্ত্বজ্ঞ ভক্তই নাছিল, তেওঁলোক একেধাৰে কবি, গায়কো আছিল আৰু গীত নৃত্যৰ মাজেদি তেওঁলোকৰ শিষ্যসকলৰ মাজত লগতে সৰ্বসাধাৰণৰ কাৰণে তত্ত্বজ্ঞান প্ৰচাৰৰ মাধ্যম কৰি লৈছিল। ধৰ্মবিশেষ ধ্যান - ধাৰণা আৰু মৌলিক আদৰ্শক অৱলম্বন কৰি এনেবোৰ গীত ৰচনা কৰা হলেও, ইয়াৰ উদাৰতা আৰু সাৰ্বজনীন আবেদনৰ জনপ্ৰিয়তা আজিও ব্যাপক। কিন্তু এইটোও সত্য যে আজান পীৰৰ আগতেই, অসমত চুফীবাদৰ প্ৰভাৱ পৰিছিল, তেখেতৰ আগতে দুই চাৰিজনে

১ : লুইত বৰাক আৰু ইছলাম ঃ মেদিনী চৌধুৰীঃ পৃঃ ২২

জিকিৰ যে ৰচনা কৰিছিল তাক আজান ফকীৰৰ জিকিৰৰ পৰাই বুজিব পাৰি। তেনে দুজন জিকিৰ ৰচক মজনুদিল আৰু বান্দৰ ফকীৰ।

"মজনুদিল ফকীৰে গায় উৰি উৰি হংস যায়
ঘূৰি আছে নিৰঞ্জন পুৰি।
মাথোতে মাথোতে ননী খীৰ হৈল খনি খনি
নামৰ মাজে ধান্দা বৈল চোৰী।।

● ● ●

"মজনুদিল ফীকৰে গায় শুনৰে পণ্ডিত ভাই
ব্ৰহ্ম নামৰ ইটোৰেতো সাৰ।
মৰণ সময় বেলা ব্ৰহ্ম নামে কৰে খেলা
হেলাই কৰে ভৱনদীৰ পাৰ।।"

● ● ●

"বান্দৰ ফকীৰে গায় হকিকতৰ গীত
কেৱে কতো নুশুনিলে তাৰ সঙ্গীত।
বান্দৰৰ জোলা, ফকীৰৰ জোলা
থাকে একে থানে।
মুৰচিদ ভেটিলে তৰণি নহব,
গীতিক নধৰে মানে।
বান্দৰৰ জোলা, ফকীৰৰ জোলা
দুয়োৰে একেটি নাও।
মাজ সাগৰত ঘোঁৰাৰ ঠকে ঠকি
চৰত বুৰাব নাও।।"

ইত্যাদি।

চুফীসকলে আত্মাক পৰাত্মাৰ সতে বিলীন কৰাই মানুহক সৎ চৰিত্ৰ গঠন, আত্মোপলব্ধিৰ উন্মেষণ আৰু বিশ্ব ভ্ৰাতৃত্ববোধ উত্তৰণ পথত নিজকে উচৰ্গা কৰি আহিছে। তেওঁলোক সদায় বিষয় বাসনাৰ উৰ্দ্ধত। কোনো প্ৰলোভনত তেওঁলোক অনুভৱী নহয়।

শঙ্কৰদেৱে অসমত নাট, অভিনয় প্ৰচলন কৰে। বংগদেশৰ মৰ্চিয়াগীত-নাচ অসমৰ নাট অভিনয়ৰ লগত সামান্য সাদৃশ্য আছে যেন লাগে। কিন্তু অসমীয়া জাৰী গীতৰ এটা সুকীয়া বৈশিষ্ট্য আছে। অসমীয়া জাৰী আঠ-দহজন মানুহে ঘূৰি ঘূৰি নাচি নাচি গায়। নাচৰ খোজ অন্য নাচৰ লগত নিমিলে। গীত নাচৰ লগে লগে বুকুত ভুকুৱাই কাৰবালাৰ করুণ কাহিনীক স্মৰণ কৰা হয়।

কিন্তু আজান পীৰে সমকালীন অসমৰ নিৰক্ষৰ বিভ্ৰান্ত মানুহৰ কাৰণে— জিকিৰেই সহজতম পন্থাৰূপে গ্ৰহণীয় বুলি বিবেচনা কৰিছিল। তদুপৰি তেওঁ দেখিছিল যে সেই সময়ত মাহাপুৰুষ শঙ্কৰদেৱৰ একেশ্বৰবাদী আধ্যাত্মিক বৰগীত সমূহে অসমীয়া মানুহৰ হৃদয়ৰ ৰন্ধ্ৰে-ৰন্ধ্ৰে সোমাই অসমীয়া সমাজখনত এক নৱ জাগৰণ সৃষ্টি কৰিছে। আজান চাহাবেও সহজ সৰল অসমীয়া ভাষাত আৰবী-ফাৰ্চী শব্দ মিহলাই শঙ্কৰদেৱৰ গীতৰ আৰ্হিত জিকিৰ ৰচনা কৰি নিজেও গাইছিল আনকো গোৱাইছিল। তদুপৰি শঙ্কৰদেৱৰ ভক্তিবাদৰ গীতত ঘোষা আৰু পদৰ যি প্ৰাচুৰ্যতা সেই প্ৰাচুৰ্যতা আজান চাহাবেও ৰক্ষা কৰিছিল।

যেনে—

ঘোষা— নামে গঙ্গাজল, লবলৈ কোমল
বৈ আছে হৃদয়ৰ মাজে।
পদ— হাবিৰে পৰা নওঠা ওলালে
হাতত এককা লৈ।
লোকে যে হালোৱাই হালো মেলিলে
জুবৈয়াই জুৰিছে মৈ।

* * * * *

ঘোষা — নামে গঙ্গাজল, লবলৈ কোমল,
বৈ আছে হৃদয়ৰ মাজে।
পদ— কাৰ ঘৰৰ জীয়াৰী, কাৰ ঘৰৰ বোৱাৰী
ভাঙি কথাষাৰি কোৱা।
ভাঙি কথাষাৰি কবকে নোৱাৰি
হাতত ৰসৰে বাটি।

শঙ্কৰদেউ জীয়াৰী মাধৱদেউৰ বোৱাৰী
ৰহেপুৰ নগৰত ঘৰ
ৰহেপুৰ নগৰৰ ৰসক নমাই আনি
দিয়া সকলোকে বাটি।।
ইত্যাদি।[১]

চুফীবাদৰ মতে দেহা যদিও স্থূল আৰু নশ্বৰ, তথাপি চুফী সাধকৰ কাৰণে দেহাই আত্মাৰ আধাৰ। আধ্যাত্ম্য ধ্যান-ধাৰণাৰে আত্মাই লাভ কৰিব পাৰে পৰমেশ্বৰৰ জ্যোতি। বিষয় বাসনাক এই মানৱী দেহাক লিপ্ত নাৰাখি; উৰ্দ্ধতন সাধনাৰ অৱলম্বন স্বৰূপেহে, দেহাক ব্যৱহাৰ কৰিব লাগে। অৱশ্যে এইটোও ঠিক যে কামনা-বাসনা, গৰ্ব- অহংকাৰৰ অৱসান ঘটাই এক চৰম আৰু পৰম ঈশ্বৰিক প্ৰেমত আত্মাহাৰা হব নোৱাৰিলে প্ৰকৃত চুফী হব নোৱাৰে। সেই কাৰণে ভুৱা চুফীৰপৰা আতৰঁত থাকিবলৈ আজান চাহাবে সাৱধান কৰি দিছিল—

"সকলো হস্তীতে মুকুতা নাথাকে,
সৰ্বকণ্ঠ নহয় চন্দন,
সকলো ভকতত ভকতি নিসিজে
সৰ্ব সাধু নহয় মহাজন।"

এই চুফীবাদে অসমত যি আধ্যাত্ম্য ভাৱধাৰা সৃষ্টি কৰিছিল তাত অকল মুছলমানসকলহে যে অনুভৱী হৈছিল বা হৈ আছে সেইটো নহয় তাৰ অনুকৰণত অমুছলমানৰ মাজতো বহু কেইজন সাধকৰ উত্তৰণত উন্মেষিত হৈছে।

সত্যপীৰৰ গীত গোৱালপাৰা অঞ্চলত বৰ জনপ্ৰিয় আৰু বহুল প্ৰচাৰিত গীত। ১৪৯৮ খৃঃত হুচেন চাহে কমতাৰাজ্য আক্ৰমণ কৰাৰ পাছত এই গীতে মুছলমানৰ সংস্পৰ্শলৈ আহি বিশেষ জনপ্ৰিয়তা লাভ কৰে। প্ৰথমতে এই গীত মুখে মুখে প্ৰচাৰিত হৈ আছিল যদিও গোৱালপাৰা জিলাৰ সংস্কৃতি সংৰক্ষণ স্মৃতিগ্ৰন্থৰ সম্পাদক শ্ৰীশিৱানন্দ শৰ্মাই সংৰক্ষণৰ কাৰণে এই গীতসমূহক ছপা আকাৰলৈ আনে।

১: এছ, এম, হুচেইনৰ সংগৃহীত আৰু সম্পাদিত 'অসমীয়া জিকিৰ-জাৰী সাৰ'ৰ পৰা উদ্ধৃত।

সত্যপীৰ আছিল ব্ৰাহ্মণৰ ল'ৰা। মুছলমানৰ পীৰ-ফকীৰৰ সান্নিধ্যলৈ আহি তেওঁ ইছলাম ধৰ্ম গ্ৰহণ কৰি আধ্যাত্মিক ভাৱে পুষ্ট হৈ বহুতো গীত ৰচনা কৰে। জনমানসত পৰৱৰ্তী কালত তেওঁ পীৰ হিচাপেই পৰিগণিত হয়। বিশেষকৈ তেওঁ তেতিয়াৰ সেই অঞ্চলত প্ৰচলিত নৰবলি প্ৰথা মোচনৰ কাৰণে আধ্যাত্মিক ভাৱে চিন্তা-চৰ্চা কৰিছিল আৰু সফলো হৈছিল।

"একদিন সত্যপীৰ চান্ কৰিতে যায়
নুৰ নদীৰ ঘাটে যায়া কোৰাণ হাৰা পায়।
চালাম কৰিয়া কোৰাণ তুলি নিল মাথে
আনন্দে চলিয়া গেল পিতাৰ সাক্ষাতে।
কোৰাণ দেখিয়া বামুন কৰিলে চালাম।
আম্ৰা ব্ৰাহ্মণ জাতি কোৰাণে কি কাম।
সত্যপীৰ বলে পিতা-শোন মোৰ কথা
আমাক পড়াও পিতা - কোৰাণেৰ কথা।
ব্ৰাহ্মণে কোৰাণ পড়ে কোন শাস্ত্ৰে কয়
যাতে পাইয়াছ কোৰাণ তাতে থইয়া আয়।"

এই গীতত উল্লেখ থকা "কোৰাণ দেখিয়া বামুন কৰিলে চালাম" বুলি ব্ৰাহ্মণে কোৰাণক ভক্তি জনোৱা কথাষাৰে হিন্দুই মুছলমানৰ ধৰ্ম গ্ৰন্থ কোৰাণক এক উচ্চ স্থান দিয়া কথাষাৰ জলজল পট-পটকৈ ফুটি উঠিছে। কোৰাণক অশ্ৰদ্ধা নকৰি য'তে পাইছে ত'তে কোৰাণখন থৈ আহিবলৈ দেউতাকে পুতেকক নিৰ্দ্দেশ দিছে। এই দৃষ্টান্তই হিন্দু-মুছলমানৰ দুয়ো সম্প্ৰদায়ৰ সহ অৱস্থান আৰু সম্প্ৰীতিৰ মহিমাকে সূচাইছে।

সেই সময়ত সেই অঞ্চলৰ ৰজাজনৰ নাম আছিল শিশুপাল। তেওঁৰ সতি-সন্তান নাছিল। সন্তান লাভাৰ্থে তেওঁ জ্যোতিষীৰ পৰামৰ্শ মতে কালীপূজা কৰি নৰবলি দিবৰ কাৰণে এজন থুলন্তৰ ল'ৰাক ধৰাই অনাইছিল।

"নীল নদীৰ তীৰ এক শ্ৰীফল তৰু আছে
সত্যপীৰ বসে তাতে সন্ন্যাসীৰ বেশে।
দৈৱযোগে সেহিদিন শিশুপাল ৰাজা
নৰবলি দিয়া কৰে অষ্টকালী পূজা।

সুন্দৰ ছাৱাল এক দিব বলিদান
সেইঘাটে গেল নিয়া কৰাবাৰে স্নান।।"

সত্যপীৰে বলি দিবলৈ অনা ল'ৰাজনৰ গাত হাতফুৰাই আশীৰ্ব্বাদ দিলে। সেই মাহাত্ম্য গুণৰ কাৰণে বলিৰ তীক্ষ্ণ চুৰিয়েও ল'ৰাজনক নাকাটিলে। শিশুপাল ৰজা হতভম্ব হ'ল। বিমূঢ় হৈ পুৰোহিতক তাৰ কাৰণ সুধিলে। পুৰোহিতে সেই মাহাত্ম্য সত্যপীৰৰ বুলি কোৱাত ৰজাই ৰাজদৰবাৰলৈ সত্যপীৰক মতাই নিলে। দৰবাৰত উপস্থিত হৈয়েই সত্যপীৰে ৰজাক সুধিলে—

"সত্যপীৰে বলে ৰাজা নৰবলি কেনে দাও
সেই কথা আগে মোক বিবৰীয়া কও।"

ৰজাই তেওঁৰ যে সতি-সন্তান নাই আৰু কালীপূজা কৰি এটা নৰবলি দিলে তেওঁ পিতৃৰ অধিকাৰী হব বুলি বৰ দুখেৰে ক'লে—

"মুই বৰ অভাগীয়া কৰিয়াছি পাঁচ বিয়া
পুত্ৰে-কন্যা গৃহে মোৰ নাই।"

উত্তৰত সত্যপীৰে ক'লে —

"সত্যপীৰে বলে ৰাজা শুনহ বচন
কলিকালে অৱতাৰ মুই সত্যনাৰায়ণ।
হিন্দুৰ দেৱতা মুই মুছলমানেৰ পীৰ
ঘৰে ঘৰে মোৰ নামে ভৰিল জিকিৰ।
সত্যনাৰায়ণেৰ সেৱা ভাবিয়া অন্তৰে
পাঁচৰাণী তপ কৰুক নীল নদীৰ তীৰে।
যদি ভাগ্যে ফল মিলে খাইবে পঞ্চজন
অৱশ্যে তোমাৰ ঘৰে জন্মিব নন্দন।"

কালক্ৰমত এদিন —

"কোন কৰ্ম কৰে পাছে অনাথেৰ নাথে
সত্যপীৰ খাইল কলা বসিয়া ঐ পথে।
চোছাখানি দিয়া ৰাণীক বলে, ধুইয়া খাও জল
অৱশ্যে খোদায় তোক দিব বংশবল।"

"চাৰিজন ফল খায় আনন্দ উল্লাস
ছোটৰাণী চোছা খায় ছাৰিয়া নিশ্বাস।
ছোটৰাণীৰ গর্ভ হৈল সত্যপীৰেৰ বৰে
চাৰি ৰাণী বাঞ্চা হইল দুর্ভাগ্যেৰ ফেৰে।"

সত্যপীৰৰ বৰৰ কৃপাত শিশুপাল ৰজা সন্তানৰ অধিকাৰী হৈছিল।

এনেকৈয়ে সত্যপীৰে কুপ্রথা নৰবলি মোচন কৰিবলৈ সক্ষম হৈছিল। এই গীতসমূহত আধ্যাত্ম্য ভাবধাৰা থাকিলেও গীতি-সাহিত্যৰ ভঁৰাল চহকী কৰাৰ লগতে হিন্দু-মুছলমানৰ সমন্বয়ৰ ভাব জগাই তুলিছে।

মনাই যাত্রাৰ গীতসমূহো অতি তত্ত্ব-গধূৰ। মন আৰু আত্মাক একত্রিত কৰাৰ উদ্দেশ্যই আধ্যাত্মিক বাতাবৰণৰে এই গীতসমূহ ৰচনা কৰা হৈছে। এই গীতসমূহতো চুফীবাদৰ ছাঁ পৰা বুলি বিজ্ঞসকলে কয়। মনাইৰ দেউতাক চুলতান বাদচাহ আছিল। কোনোবা দৰবেশৰ প্রভাৱত তেওঁ ফকীৰ হয়। দেউতাকে ফকীৰ জীৱন গ্রহণ কৰাত পুতেক মনাই বাদচাহ হয়। এই গীতসমূহৰ মাধুর্য ইমান গধূৰ যে এইবোৰত সাহিত্যৰ মূল্য প্রত্যেক শব্দতে অন্তর্নিহিত হৈ আছে—

"মাও বৰ ধনৰে মনাই মাও বৰ ধন।
যাৰ ঘৰে মাও নাই তাৰ নিষ্ফল জীৱন।।
দৈ মিঠা দুধ মিঠা আৰো মিঠা ননী।
তাৰ চাইতে অধিক মিঠা মাও হেন জননী।"

ইত্যাদি।

গোৱালপাৰাত প্রচলিত "মাৰফতী গীত" সমূহ দেহতত্ত্বৰ গীতৰ ভিতৰত পৰে। ই অসমৰ বহুল প্রচাৰিত টোকাৰী গীতৰ সমসাময়িক। তদুপৰি এই গীতসমূহ সাম্প্রদায়িক সম্প্রীতি আৰু সংহতিৰ বিশেষ সহায়ক। এই গীতৰ জৰিয়তে গুৰুৰ মাধ্যমেৰে ভগৱানৰ মাহাত্ম্য বর্ণনা কৰা হয়। এইবোৰো আধ্যাত্ম্যবাদৰ অন্তর্গত গীত।

"আৰ না হবে মানৱ জনম
যদি এ জনম তোৰ যায়।'

• • •

"সাধন ভজন গুৰুভক্তি
এইছাৰা — নাই জীৱনেৰ মুক্তি

জীৱনেৰ এই ভক্তি সাধন
ভজ গুৰুৰ পায়।"

গোৱালপাৰা জিলাৰ সংস্কৃতি সংৰক্ষণ স্মৃতিগ্ৰন্থৰ সম্পাদক শ্ৰী শিৱানন্দ শৰ্মাই স্মৃতিগ্ৰন্থৰ ভূমিকাত লিখিছে "দেহতত্ত্বৰ গীতত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ পৰাৰ উপৰিও পীৰ ফকীৰ সকলৰ প্ৰভাৱ পৰিছে।.... সত্যপীৰ, মনাইযাত্ৰা আৰু নাওখেলৰ গীতত মুছলমান কিৰাত গোষ্ঠীৰ লোকৰ প্ৰভাৱ পৰিছে। এইবোৰ বিভিন্ন জাতি আৰু ধৰ্মভাৱৰ সংমিশ্ৰণত সৃষ্টি হৈছে।[১]

এই গীতসমূহ হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ অমূল্য সম্পদ। কাৰণ চুফীবাদৰ প্ৰভাৱত সৃষ্টি হোৱা এই গীতবোৰে হিন্দু-মুছলমানৰ মাজত মৌলবাদ সৃষ্টি নকৰি দেহ আৰু আত্মা যে একে উপাদানেৰে সৃষ্ট, পৰম পৰমেশ্বৰৰ চকুত সকলো সমান সেই তত্ত্বকহে মানৱক উপলব্ধ কৰাইছে।

আজান ফকীৰেও জিকিৰত গাইছিল—

"মোৰ মনত আন ভাব নাই ঐ আল্লা
মোৰ মনত নাই আন ভাব।
হিন্দু কি মুছলমান এক আল্লাৰ ফৰ্মান
আখেৰতত একে আল্লাৰ নাম।"

• • •

"হিন্দু আৰু মুছলমান একে আল্লাৰ ফৰ্মান
গোৰেস্থানে কবৰ শাৰী শাৰী
হিন্দুক জ্বলাব, মমিনক গোৰ দিব
চাৰিও কলিমা পৰচাৰি।।"

এই গীত, জিকিৰ-জাৰীসমূহ ইহকাল-পৰকালৰ সেতুবন্ধন যদিও ইয়াক ধৰ্মৰ মাপকাঠিৰে জুখিব নোৱাৰি। অকল ইছলাম তত্ত্বৰ কথাই ইয়াত নিহিত থকা নাই, মানৱী জনমৰ মুক্তি লাভৰ এক চিৰন্তন পথৰ সন্ধান আলোকিত কৰিছে। ধৰ্ম-বৰ্ণ সম্প্ৰদায় নিৰ্বিশেষে এডাল ঐশ্বৰিক প্ৰেমৰ ৰচিৰে বান্ধি সমন্বয় আৰু সম্প্ৰীতিৰ সৰল আবেদন আগবঢ়াইছে।

---

১ : সংমিশ্ৰণত অসমীয়া সংস্কৃতিঃ আব্দুছ ছাত্তাৰঃ পৃঃ ৪২-৪৬

অসমৰ পীৰ, ফকীৰ, আউলিয়াসকলৰ দৰগাহ, মাজাৰ আদি।

শিৱসাগৰ —

আহোম স্বৰ্গদেউ সকলে ব্ৰাহ্মণ, পুৰোহিত আদিৰ লগতে মুছলমানৰ পীৰ ফকীৰ সকলক বৰ আদৰ-সাদৰ কৰিছিল।

স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত নেৱাজ নামৰ এজন মুছলমান ফকীৰ লগৰীয়া বহুতো ফকীৰেৰে সৈতে ৰাজধানীতে আছিল। ৰজাই নিজৰ মঙ্গলৰ কাৰণে তেওঁক হাজোলৈ মুছলমানী ধৰণে প্ৰাৰ্থনা কৰিবলৈ পঠাইছিল। মুছলমানক তেতিয়ালৈ ঘোঁৰাত উঠিবলৈ দিয়া নহৈছিল। কিন্তু বিশেষ অনুগ্ৰহ দেখুৱাই নেৱাজ ফকীৰক ৰজাই ঘোঁৰাত উঠিবলৈ অনুমতি দিছিল। কিন্তু পাল্কী দোলাতহে উঠিবলৈ দিয়া নহৈছিল। এনে ধৰণৰ ফকীৰ তিনি চাৰিজন সদায়ে ৰাজ কাৰেঙত আছিল আৰু ৰজাৰ মঙ্গলৰ কাৰণে হাত দাঙি প্ৰাৰ্থনা কৰিছিল।

১৭৮০ খৃঃৰ চেপ্তেম্বৰৰ মাহত আনোৱাৰ হাজী ফকীৰ নামৰ ফাৰ্চীপঢ়ীয়া খেলৰ এজন অসমীয়া মুছলমানে ৰজা লক্ষ্মী সিংহক মক্কাত হজ কৰি আহি লগ ধৰিছিল। ৰজাই ফকীৰ জনাৰ লগত কথা বতৰা পাতি অতি আনন্দিত হৈ তেওঁক কামৰূপত লাখেৰাজ মাটি দান দি আৱশ্যকীয় সংখ্যক সেৱকো দিছিল আৰু সেইবাটাও দৰ্গাহৰ সৰ্বপ্ৰথম দৰকাৰী বস্তুসমূহ দি মান ধৰিছিল এনেধৰণৰে — "বাউসী পৰগণাৰ শ্বাহ মাদাৰ বৰ মোকাম, বৰ নগৰ পৰগনাৰ শ্বাহ ফকীৰৰ মোকাম আৰু ক্ষেত্ৰী পৰগণাৰ পাঁচ পীৰৰ মোকাম, আৰু হাজোৰ বৰ মোকামৰ এক চতুৰ্থাংশ"। এইদৰে লিখিত আছিল যে— "আনোৱাৰ হাজী ফকীৰ ফাঁচী-পঢ়ীয়াই চিৰদিনৰ কাৰণে ওপৰত দিয়া সমূহ উপভোগ কৰি থাকিব— পুতেক, নাতিয়েক আৰু পুৰুষৰ শাৰীৰ তেওঁলোকৰ বংশধৰ সকলে।

"In September 1780, an Assamese Muslim, named, Anowar Hazi Faquir of the guild of Parsiparhias or Persian

translators, met King Lakshmi Singha after his return from his pilgrimage, obviously to Mecca. The King became highly pleased by his conversation with the Faquir and granted him revenue free Lands in Kamrup together with the necessary number of Servitors, as well as the Pre-requisites of the following maqams or darghas, Shah Madar Bar-Maqam in Bausi Perganah. Shah Faqir's Maqam in Barnagar Perganah, Panchapirar Maqam in Khettri perganah, and one-fourth Share of the Barmaqam at Hazo. It was laid down the "Anowar Hazi Faqir Parsi-Parhia will enjoy the above in perpetuity, down to the days of his sons, grandsons and their descendants on the male line."

– Annals of the Delhi Badshahate by Dr. Bhuyan.

বুৰঞ্জীবিদ আৰু সাহিত্যিক গুণাভিৰাম বৰুৱাই 'আসাম বুৰঞ্জী'ত লিখিছে— "লোকে এনে কথা কয় বোলে প্ৰমত্তসিংহ ৰজাদেৱৰ বৰকৈ মূৰৰ বিষ আছিল। অনেক ঔষধ কৰাতো আৰোগ্য নহ'ল। পাছে স্বৰ্গদেৱে এনে স্বপ্ন দেখিলে বোলে মুছলমানৰ তীৰ্থত পূজা কৰিলে স্বৰ্গদেৱৰ শৰীৰ আৰোগ্য হ'ব। এই স্বপ্নাদেশ অনুসৰি স্বৰ্গদেৱে এজন মুছলমানক ধন-বস্তু দি মক্কালৈ পঠালে। সেই মুছলমান আপোন পুত্ৰ আৰু ভ্ৰাতৃক লগত লৈ মক্কালৈ গ'ল। ইফালে প্ৰায় আঢ়ৈ বছৰৰ মূৰত মক্কাৰপৰা ঘূৰি আহিল, কিন্তু নগৰ পোৱাৰ কিছুদিন আগেয়ে স্বৰ্গদেৱ ১৬৭৩ শকৰ ২৯ আশ্বিন, কৃষ্ণা নৱমী তিথিত স্বৰ্গী হ'ল।"[১]

খৃষ্টীয় সপ্তদশ শতিকাৰ আগভাগত অৰ্থাৎ ১৬৩৫-৩৬ খৃঃত আজান পীৰ অসমলৈ আহিছিল। ইয়াৰ প্ৰমাণ তেওঁৰ এটা জিকিৰৰ পৰাই পোৱা যায়।

"দহশ দুকুৰি নবীচন হিজ্‌ৰী আৰু পাঁচে বছৰ যায়।
চাহ মিলনে এই জিকিৰ কৰিলে কোৰাণ কিতাপে পায়।।

দহশ - ১০০০, দুকুৰি - ৪০ আৰু পাঁচে বছৰ - ৫ অৰ্থাৎ ১০৪৫ হিজৰী। খৃষ্টান বৰ্ষমতে ১০৪৫ হিজ্‌ৰী = ১৬৩৫-৩৬ খৃঃ। এই জিকিৰটোৱেই আৰু সাক্ষ্য দিয়ে যে তেওঁৰ নাম চাহ মিলন বা চাহ মীৰাণ।

১ : সংমিশ্ৰণত অসমীয়া সংস্কৃতিঃ আব্দুছ ছাত্তাৰঃ পৃঃ ৪১-৪৬ আৰু ৫২-৫৪

এচিয়াৰ পশ্চিমে ইৰাক পুৰণা নাম মেছোপটেনিয়াম। ইয়াৰ ৰাজধানী বুৰঞ্জী প্রসিদ্ধ বাগদাদ চহৰ। প্ৰাচীন কালৰে পৰা ই মানৱ সভ্যতাৰ কেন্দ্ৰ আছিল। বহু সাধকে ইয়াতে জন্ম গ্ৰহণ কৰি পৃথিৱীৰ চাৰিওফালে জ্ঞানৰ বন্তি জলাইছিল। হজৰত চাহ মীৰান বা আজান পীৰ তেওঁৰ ভায়েক নবী পীৰৰ সৈতে বাগদাতৰ পৰা আহি ভাৰতত প্ৰৱেশ কৰি পোনতে আজমীৰৰ হজৰত খাজা মইনুদ্দিন চিস্তিৰ দৰগাহত কিছুদিন থাকি তাৰ পাছত যায় দিল্লীৰ ওচৰত থকা হজৰত নিজামুদ্দিনৰ দৰগাহলৈ। আজান পীৰ আৰু নবী পীৰ অসমলৈ অহা সম্পৰ্কে মঃ আফ্‌তাবুদ্দিন আহমেদ ডাওৰীয়াৰ সদ্য প্ৰকাশিত 'আজান পীৰ আৰু নবী পীৰৰ চমু ইতিহাস নামৰ গ্ৰন্থখনিত কিছু নতুন তথ্য সংযোজন কৰিছে। দিল্লীৰ নিজামুদ্দিন আউলিয়াৰ দৰগাহত বহুত দিন কটোৱাৰ পাছত তেওঁলোকে বিহাৰ আৰু বংগৰ বহুতো ঠাইত ধৰ্মৰ বাণী প্ৰচাৰ কৰি খাজা গৰীৱ নেৱাজৰ নিৰ্দেশক্ৰমে অসমত প্ৰৱেশ কৰে। অসমত প্ৰৱেশ কৰাৰ পাছত কামৰূপ জিলাৰ হাজোত থকা গিয়াচুদ্দিন আউলিয়াৰ দৰগাহত থাকিবলৈ লয় আৰু অসমীয়া ভাষা আয়ত্ব কৰে। লাহে লাহে তেওঁলোকৰ শিষ্য বাঢ়িবলৈ ধৰে। হাজো, গৌৰীপুৰ, ছিলা সেন্দুৰী মৌজাৰ ছিলা গাঁও এতিয়াও ফকীৰ তোলা নামে জনাজাত তাৰ পাছত তেওঁ ভায়েক নবী পীৰৰ সৈতে দেউ দুৱাক গাঁৱৰ গোপেশ্বৰ দেৱালয়ৰ নিচেই ওচৰতে থকা পিয়ালী খাটাৰ মীৰা তোলাত থাকিবলৈ লয়। তাৰ পাছত মান্দাকাটা গাঁৱৰ বৰমূলা চেকেঞ্জীয়া পাহাৰত আশ্ৰম পাতে। হজৰত আজানপীৰে এই আশ্ৰমতে প্ৰথমতে আজান দি নামাজ পঢ়াৰ প্ৰথা উলিয়াই গতিকে তেতিয়াৰ পৰা তেওঁ আজান ফকীৰ নামে জনাজাত হয়।

কিন্তু এছ্‌, এম্‌ হুচেইন সম্পাদিত 'অসমীয়া জিকিৰ-জাৰী সাৰ' গ্ৰন্থত উল্লেখ কৰা মতে তেওঁ দবঙী ৰাজ্যৰ মাজেদি উজাই গৈ তেতিয়াৰ আহোম ৰাজ্যৰ ৰাজধানী গড়গাঁৱলৈ যায় আৰু তাৰপৰা কিছু নিলগৰ চুণপোৰাত ভায়েকৰ সৈতে বসবাস কৰিবলৈ লয়।

চুণপোৰাত থকা সময়ত আজান ফকীৰে ভায়েক নবী পীৰৰ লগলাগি স্থানীয় মুছলমান লোকৰ সহযোগিতাত দিখৌ নৈৰ পাৰত এটা মছজিদ সাজি আজান দি সমূহীয়া ভাৱে নামাজ পঢ়াৰ ৰীতি প্ৰবৰ্ত্তণ কৰে— যিটো ব্যৱস্থা পৃথিৱীৰ সকলো মছজিদতে আছে। আজান দি মানুহক নামাজ পঢ়িবলৈ মছজিদলৈ আহ্বান কৰাৰ নিয়মীয়া ব্যৱস্থা কৰাৰ কাৰণে জনমানসত তেওঁ 'আজান ফকীৰ নামে জনাজাত

হৈ পৰে। এতিয়ালৈ পোৱা তথ্যমতে চুণপোৰাৰ দিখৌ নৈৰ পাৰৰ মছজিদটোৱেই উজনি অসমৰ প্ৰথম মছজিদ।

লুইত বৰাক আৰু ইছলাম গ্ৰন্থত মেদিনী চৌধুৰীদেৱে দিচাংমুখৰ সৰাগুৰিৰ মছজিদটো উজনি অসমৰ প্ৰথম বুলি কৈছে যদিও যুক্তিটো গ্ৰহণযোগ্য নহয় যেন লাগে। কাৰণ আজান ফকীৰৰ চকু কঢ়াৰ পিছতহে অনুতপ্ত হৈ ৰজাই দিখৌ আৰু ব্ৰহ্মপুত্ৰৰ সংগমস্থলত থকা সৰাগুৰি চাপৰিত ভালেমান ঠাই জুৰি এটা মঠ সজাই দিয়ে।

যিয়ে নহওক গড়গাঁৱলৈ আহি চুণপোৰাত বসবাস কৰিবলৈ লৈ আজান ফকীৰে থলুৱা অসমীয়া মাত-কথা আৰু গীত-মাতৰ ছন্দ আদি নিয়াৰিকৈ টোকাৰী গীত, ধৰ্মীয় গীত, দেহ বিচাৰৰ গীত, বৰাগী গীত আদিৰ আৰ্হিত শুদ্ধ অসমীয়া ভাষাত আৰবী পাৰ্চী শব্দ, প্ৰয়োগ কৰি সকলোৱে গাব পৰাকৈ আৰু সহজে বুজিব পৰাকৈ জিকিৰ-জাৰী গীত ৰচনা কৰিবলৈ লয়। অসমত ইয়াৰ আগতে প্ৰায় দুশ বছৰৰ পৰা চলি থকা বৈষ্ণৱ নাম-ধৰ্মৰ জনপ্ৰিয়তাৰ ওপৰত লক্ষ্য ৰাখি আজান ফকীৰে জিকিৰ গীত ৰচনা কৰে।

এইখিনিতে মঃ আফ্‌তাবুদ্দিন আহমেদ আৰু এছ্‌ এম হুচেইনৰ লিখনিত কিছু দ্বিমত দেখা যায়। আফতাবুদ্দিন আহমেদৰ মতে আজান পীৰ আৰু ভায়েক নবী পীৰ ওপৰত উল্লেখ কৰা বৰমুলা পাহাৰৰ পৰা বিভক্ত হৈ আজান পীৰ অকলে উজনি অসমৰ পিনে গতি কৰে আৰু নবী পীৰে গোগত এটা মছজিদ প্ৰাঙ্গণত থাকি ধৰ্ম প্ৰচাৰত আত্ম নিয়োগ কৰে। এই গাঁৱৰে বাসিন্দা হৈ ইয়াতেই তেওঁ বিবাহ বন্ধনত আবদ্ধ হয়। তেওঁৰ ঔৰষত পুত্ৰ ৰুকুল ছাহৰ জন্ম হয়। গোগৰ উত্তৰে নকুছি আৰু মাজগাঁও। মাজগাঁৱৰ উত্তৰ ফালে নিচেই ওচৰতে ঐতিহাসিক এনাজৰীৰে বান্ধ খাই থকা হিন্দু-মুছলমানৰ সাতামপুৰুষীয়া মিলন ভূমি পিঙ্গেলেশ্বৰ দেৱালয় আৰু এটা মছজিদৰ চিহ্ন আজি কোপতি বিদ্যমান। এই মন্দিৰৰ গাতে লাগি থকা মছজিদটোৰ প্ৰাঙ্গণত হাতে লেখা কোৰাণ এখনি মাটিৰ তলৰ পৰা উদ্ধাৰ হৈছে। অসমৰ তেতিয়াৰ বিত্তমন্ত্ৰী ফকৰুদ্দিন আলি আহমেদ আৰু মইনুলহক চৌধুৰী চাহাবদ্বয় সেই ঠাইলৈ আহি দেৱালয় আৰু কোৰাণ খনিৰ সংৰক্ষণৰ হকে ৰাইজক দিহা পৰামৰ্শ দিছিল, সেই মৰ্মে পাত্ৰপুৰ গাঁৱৰ মছজিদত পবিত্ৰ কোৰাণখনি সংৰক্ষিত কৰা হৈছে।

আফ্‌তাবুদ্দিন আহমেদ চাহাবে সংগ্ৰহ কৰা জিকিৰ এফাঁকি এইদৰে পোৱা যায়—

"ৰাজ্যৰ চৌদিশে ঘূৰি মই
কʼতো নেদেখিলোঁ বাম,
দেখি হলোঁ, অতিকৈ আচৰিত
স্বৰ্গদেউ মহাৰাজ
যি ঠাইত আজান চাহাবে
আল্লাক মাতিছিল
সেই ঠাইতে দেখিলো যে বাম।"

কিন্তু এচ এম হুচেইন চাহাবে সংগ্ৰহ কৰা জিকিৰ ফাঁকিত এইদৰে পোৱা যায়—

নগৰৰ চাৰি চুক ফুৰি সি বৰুৱাই
কʼতো নেদেখিলে বাম,
আজানৰ দুভায়ে কোৰাণ পঢ়িছিল
সেই খিনিতে দেখিলে বাম।"

সি যিকি নহওঁক, আজান পীৰৰ জিকিৰৰ জনপ্ৰিয়তাত আৰু তেওঁ মানুহৰ অন্তৰত প্ৰৱেশ কৰাৰ মাহাত্ম্য গুণৰ বিপক্ষে থিয় দিলে আহোম ৰজাৰ দৰঙী ৰাজ বিষয়া ৰূপাই দা ধৰা নামৰ এজন মুছলমান বিষয়া। ফতুলা নামৰ এজন মুছলমান লোকৰ চাতুৰিত দা ধৰাই আহোম স্বৰ্গদেউ চুৰমফাক জনালেগৈ যে আজান ফকীৰ বোলা মানুহজন আচলতে মোগল সম্ৰাটৰ গুপ্তচৰ। স্বৰ্গদেউ চুৰমফায়ো আজান দি নামাজ পঢ়োৱাৰ প্ৰথা ইতিমধ্যে নিষেধ কৰি দিছিল। দা ধৰাই নিজৰ জনপ্ৰিয়তা হেৰোৱাৰ ভয়ত সেই সুযোগটোকে গ্ৰহণ কৰিছিল। কিন্তু স্বৰ্গদেৱে এজন সিদ্ধ পুৰুষৰ বিৰুদ্ধে বিচাৰৰ ভাৰ লবলৈ অমান্তি হৈছিল। কিন্তু এবাৰ নহয় তিনিবাৰকৈ একে অভিযোগৰে গোচৰ তৰাত ৰজাই আজান ফকীৰৰ চকু কাঢ়িবলৈ নিৰ্দ্দেশ দিলে। চকু কঢ়াৰ পাছত ফকীৰজনাৰ মাহাত্ম্য বুজি পাই অনুতাপ কৰি সৰাগুৰি চাপৰিত এটা মঠ সজাই দি আজান ফকীৰক তাতে থাকিবলৈ দিয়ে। তেৰোঁ ছকুৰি ভকতৰ সৈতে থাকিবলৈ লয়। "সৰাগুৰি চাপৰি দিখৌ নৈৰ কাষৰি ৰজাই সজাই দিয়া মঠ, ছকুৰি ভকতে লয় আল্লাৰ নাম মাদুৰী বনৰে কঠ।'

দৃষ্টি শক্তি কাঢ়ি লোৱাৰ পাছত অধিক সময় সৰাগুৰি আশ্ৰমতে আছিল যদিও তিনিদিন আগতে মৃত্যুৰ আগজাননী পাই সোণাই নৈৰ পাৰত থকা তেওঁৰ নিজা ঘৰলৈ যায় আৰু তাতে মাঘ মাহৰ শনিবাৰে ৰাতি চাৰি পৰত ছকুৰি বছৰ বয়সত ইহলীলা সম্বৰণ কৰে।

বহুত পলমকৈ ৬/৩/৪৯ তাৰিখে মাননীয় চামচুল হুদা চাহাবৰ নেতৃত্বত এদল মানুহ সৰাগুৰি চাপৰিলৈ গৈ ৰাতিটো তাতে তম্বু তৰি থাকি অনুসন্ধান কৰি এটা কবৰৰ সন্ধান পাই কবৰটো পকা কৰে। সেইটোৱেই আজান পীৰৰ কবৰ বুলি বিশ্বাসত লৈ তাত দৰগাহ স্থাপন কৰে।

আজান পীৰৰ দৰগাহ যিদৰে বহু পলমকৈ উদ্ধাৰ হ'ল ঠিক তেনেদৰে পলমকৈ উদ্ধাৰ হৈছে পীৰজনাই ব্যৱহাৰ কৰা তচ্‌বিত্ৰ অৰ্থাৎ জপমালা। বিগত ১৯৮৮ খৃঃৰ মে মাহৰ ৫ তাৰিখে ড° ৰবীনদেৱ চৌধুৰী আৰু জিকিৰ জাৰীৰ গৱেষক সুসাহিত্যিক আব্দুল মালিক চাহাবে বৰ্ত্তমানৰ শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলী চাহ-বাগিচাৰ এজন মুছলমান কৰ্মচাৰীৰ ঘৰত তচ্‌বিহ ডাল পায় কিন্তু গৃহস্থই তচ্‌বিহ ডাল তেওঁ লোকৰ হাতত অৰ্পণ কৰিবলৈ অমান্তি হয়। তচ্‌বিহ ডাল সংগ্ৰহ কৰি ৰখা মানুহজন নগাঁও জিলাৰ পুৰণিগুদামৰ। হাত বাগৰি এঘাৰ পিৰিৰ বংশধৰ উক্ত মানুহজনৰ হাতত তচ্‌বিহ ডাল আছে। ঠিক তেনেদৰে বংশানুক্ৰমে ঘূৰি আজান পীৰ চাহাবক চুণপোৰাৰ পৰা সৰাগুৰি চাপৰিলৈ চকু কঢ়াৰ পাছত নিয়া দোলাখন আৰু তেখেতে নিজ হাতে লেখা কোৰাণ স্বৰীফখন উদ্ধাৰ হয়। (নতুন দৈনিক, ১ম বছৰ, ১৩৪ সংখ্যাত প্ৰকাশিত প্ৰৱন্ধকাৰ ড° ৰবীন চন্দ্ৰ দেৱচৌধুৰী।)

হজৰত আজান পীৰৰ তিনিজন পুত্ৰ আছিল। এই তিনিজনৰ বংশধৰ শিৱসাগৰ, লখীমপুৰ আৰু নগাওঁ জিলাত আছে। প্ৰথমজনৰ বংশক সৰাগুৰীয়া বা জাজৰিয়াল, দ্বিতীয় জনৰ বংশক চাপৰিয়াল বা কপহিয়াল আৰু তৃতীয়জনৰ বংশক হেংধৰা বা হোলোংগাপৰীয়া বোলে।

নবী পীৰ বা চাহেল পীৰৰ দৰগাহ — শিমলুগুৰিৰ ৰেল ষ্টেচনৰ পৰা ২ কিঃমিঃ দূৰত ৰামুগাঁৱৰ ওচৰৰ ন পুখুৰী নামে এটা পুখুৰীৰ পাৰত এওঁৰ দৰগাহ আছে। নবী পীৰৰ বংশক নবী ঘৰীয়া বোলে। নাজিৰা আৰু নমাটিত তেওঁৰ বংশধৰ সকল এতিয়াও আছে।

খোন্দকাৰ পীৰ বা আব্দুল গণি চাহাবৰ দৰগাহ — **শিৱসাগৰ চহৰৰ পৰা ৪/৫ কিঃমিঃ দূৰৈত দিলিহ নৈৰ কাষত এইজনা পীৰৰ দৰগাহ আছে বুলি বিশ্বাসত লৈ আজিও মানুহে জিয়াৰত কৰি আছে। দৰগাহটোৰ আশে-পাশে থকা ২০ বিঘামান মাটি আজিও দৰগাহৰ খাদিমসকলে নিষ্কৰ ভাৱে ভোগ দখল কৰি আছে। তিনি বিঘা মাটিৰে প্ৰকৃত দৰগাহটো নিৰ্মিত। কথিত আছে যে খোন্দকাৰ পীৰক ইকৰা বনৰ পাতে কটাত এন্তেকাল হৈছিল। তেওঁক কোনেও কবৰ দিয়া নাছিল। বহা অৱস্থাতে এন্তেকাল হৈছিল আৰু উঁয়ে মাটি তুলি ওখ কবৰৰ দৰে সৃষ্টি কৰি ঢাকি পেলাইছিল। কিছু দিনৰ পাছত মানুহে পীৰৰ চকু দুটা আৰু মূৰৰ চুলি ওলাই থকা দেখা পাই মাটি চপাই কবৰৰ দৰে কৰি দিয়ে। দৰগাহটোত হেনো বৰ্ত্তমানেও উঁয়ে মাটি তুলি থাকে।**

খোন্দ কাৰ পীৰে বিয়া বাৰু কৰোৱা নাছিল। কিন্তু এজন ল'ৰাক পোষ্য পুত্ৰ কৰি ৰাখিছিল। এই পোষ্য পুত্ৰ জনলৈ হজৰত আজান পীৰৰ ছোৱালী বিয়া কৰাই আনে। তেওঁৰ বংশধৰ সকলে নিজকে চৈয়দ বুলি পৰিচয় দিয়ে।

বান্দৰ পীৰ বা ছাবাল পীৰৰ দৰগাহ —

দিচাং মুখৰ উজনিৰ ৰিৰিয়া গাঁৱত, দিচাং নৈৰ কাষত এইজনা পীৰৰ দৰগাহ আছে বুলি জনা যায়। গছৰ ডালত উঠি ধ্যান কৰা কাৰণে এওঁ বান্দৰ পীৰ নামে জনজাত হৈ পৰে। তেওঁ দুই এটা জিকিৰো লিখিছিল।

গোৱালপাৰা আৰু ধুবুৰী পাঞ্জাতনৰ বা ডাকাই দলৰ দৰগাহ—

গোৱালপাৰা চহৰৰ দহ মাইল দক্ষিণ-পূৱে আৰু সূৰ্য্য পাহাৰৰ দুমাইলমান পূৱে ব্ৰহ্মপুত্ৰ নৈৰ উত্তৰ পাৰত পাঞ্জাতনৰ দৰগাহ অবস্থিত। এই দৰগাহ অতি প্ৰাচীন। ১৮৯৭ খৃঃৰ বৰ ভূঁইকপতো এই দৰগাহৰ হানি-বিঘিনি হোৱা নাছিল। গোৱালপাৰা জিলাৰ ডেপুটী কালেক্টৰৰ ১৮/১১/১৮৫৭ তাৰিখৰ ১৯ নং ৰোবকাৰীমতে এই দৰগাহৰ অধীনত ১০০২।৭।। কঠা জমি আছিল। বৰ্ত্তমান এই পীৰপাল মাটি বিজনী মহকুমাৰ অন্তৰ্ভূক্ত হৈছে। প্ৰথমতে ইয়াৰ মোৱাল্লিম (সেৱায়ত) জনক দিল্লীৰ শ্বাহ আলম বাদচাহৰ তৰফৰ পৰা নিযুক্ত কৰা হৈছিল। অতীতত ইয়াত জাকজমকতাৰে মহৰম উৎসৱ পালন কৰা হৈছিল। কিন্তু পাছত দৰগাহটো ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যায়। মোৱাল্লিমৰ বংশধৰ সকল ডাকাইদল গাঁৱতে বৰ্ত্তমানলৈ

আছে কিন্তু পীৰপাল ভূমি তেওঁলোকৰ হাতত নাই। পাছত দৰগাহখন নকৈ পাতে আৰু এতিয়াও পবিত্ৰ হিচাপে গণ্য হৈ আছে।

ডেগধোৱা পাহাৰৰ দৰগাহ — গোৱালপাৰা চহৰৰ চাৰি মাইলমান দক্ষিণ-পূৱে ব্ৰহ্মপুত্ৰৰ পাৰত ডেগধোৱা পাহাৰ। এখন নিৰ্জন ঠাই। এই পাহাৰতে আছিল এজন দৰবেশ। ভাটীৰ ফালৰ মানুহে কামৰূপক যাদু-মন্ত্ৰৰ দেশ বুলি ভয় কৰিছিল। সেয়ে মুছলমান আক্ৰমণকাৰী সকলে যাদু মন্ত্ৰৰ পৰা ৰক্ষা পাবলৈ লগত আনিছিল সাধক পুৰুষসকলক। ডেগধোৱা পাহাৰত যিজন দৰবেশ আছিল তেৰোঁ কোনোবা ফৌজৰ লগত অহা। আস্তানা পাতি তেওঁ এই পাহাৰতে ৰৈ গৈছিল। ইয়াতেই তেওঁ দেহত্যাগ কৰিছিল। তেওঁৰ কবৰ ভূমিয়েই পবিত্ৰ দৰগাহ। কথিত আছে যে এজন শিষ্যই তেওঁক হত্যা কৰিছিল।

পাটপাৰা গাঁৱৰ পাগলপীৰৰ দৰগাহ— ধূপধৰা গাঁৱৰ চাৰিমাইলমান পশ্চিমে পাটপাৰা এখন পুৰণি গাঁও। এই গাঁৱতে পাগলপীৰৰ দৰগাহ আছিল। দৰগাহখনক আশ্ৰয় কৰি এখন মুছলমান গাৱোঁ আছিল। গোৱালপাৰা জিলাৰ ডেপুটী কলেক্টৰৰ ৩১/১/১৮৫৯ তাৰিখৰ ২৪৬ নং ৰোবকাৰী মতে এই দৰগাহৰ পীৰপাল ভূমি আছিল ৬২৯।।২ কঠা। ডোমন চাহ আৰু বক্স আলি চাহ ফকীৰ দুজনৰ পূৰ্বপুৰুষ সকল এই দৰগাহৰ সেৱাইত আছিল

ধুবুৰীৰ পাঁচ পীৰৰ দৰগাহ— মীৰজুমলাৰ অসম অভিযানৰ সময়ত কামৰূপৰ তন্ত্ৰ মন্ত্ৰৰপৰা উদ্ধাৰ পাবলৈ পাঁচজন পীৰ লগত আনিছিল। তেওঁলোক হ'ল — শ্বাহ আকবৰ, শ্বাহ বগমাৰ, শ্বাহ শৰণ, শ্বাহ সুফী আৰু শ্বাহ কামাল। মীৰজুমলাই অসম আক্ৰমণ কৰাৰ পাছত ১১ মাহৰ মূৰত দিল্লীৰ সম্ৰাট ঔৰংগজেবে বংগত ভীষণ আকাল হোৱাৰ কাৰণে ততাতৈয়াকৈ মাতি পঠোৱাত আহোম ৰজাৰ লগত সন্ধি কৰি ঢাকালৈ ঘূৰি গ'ল। কিন্তু এই পাঁচজনা পীৰ ধুবুৰীতে ৰৈ গ'ল। তেওঁলোকৰ মুখীয়ালজনৰ নাম আছিল হজৰত গাজী শ্বাহ আকবৰ। ধুবুৰীতে এওঁলোকে ইহলীলা সম্বৰণ কৰে। এই পাঁচজন পীৰৰ মাজাৰ-শ্বৰীফক পাঁচ পীৰৰ দৰগাহ বোলে। বৰ্ত্তমানেও ই এখন তীৰ্থস্থান।

খোৰাছানী পীৰৰ মাজাৰ — অষ্টাদশ শতিকাত খোৰাছান দেশত (আজি কালি এই দেশখন ৰুছিয়া, ইৰাণ আৰু আফগানিস্থানৰ অন্তৰ্গত) জন্ম গ্ৰহণ কৰা

হজৰত আবুল কাছেমে শিক্ষা শেষ কৰি কান্দাহাৰৰ চৈয়দ মহম্মদ আতাজান চাহাবৰ শিষ্যত্ব গ্ৰহণ কৰি পৃথিৱীৰ বহুতো ঠাই ঘুৰি ফুৰি ভাৰতলৈ আহে। তাৰ পাছত তেওঁ অসমৰ গোৱালপাৰা জিলাত প্ৰৱেশ কৰে। মৃত্যুলৈ তেওঁ ইয়াতে থাকিবলৈ লয়। হজৰত খোৰাছানী পীৰ চাহাবৰ ১৮৯৬ খৃঃত মৃত্যু হয়। গোৱালপাৰাৰ মটৰ ট্ৰেন্সপৰ্ট ষ্টেচনৰ পশ্চিমফালে থকা টিলা এটাৰ ওপৰত এওঁৰ মাজাৰ আছে। তেওঁৰ ডাঙৰ ল'ৰাৰ সন্তানসকল মাজাৰটোৰ সেৱক আৰু ছোৱালীপক্ষৰ নাতি-পুতি গোৱালপাৰাত আছে।

মীৰজুমাৰ মছজিদ আৰু কবৰ — মানিকচৰ (মানকাছাৰত) কলা নৈৰ পাৰত এটা টিলাত মীৰজুমলাৰ মছজিদ অৱস্থিত। ঔৰংগজেবৰ সেনাপতি, বংগৰ চুবেদাৰ মীৰজুমলাই অসম আক্ৰমণ কৰিবলৈ আহোঁতে মানকাছাৰত কিছুদিন চাউনী পাতি আছিল আৰু তেতিয়াই তাত এটা মছজিদ সজায়। দেশলৈ প্ৰত্যাবৰ্ত্তনৰ সময়ত তেওঁ এই মানকাছাৰতেই ইহলীলা সম্বৰণ কৰে।

মীৰজুমলাৰ সৈন্যবাহিনীৰ অধিনায়ক দিলেৰ খাঁ দাউদ - জাই মানকাছাৰত মীৰজুমলাক কবৰ দিয়ে। অসমৰ বিভিন্ন বুৰঞ্জীত এওঁক দলাল খাঁ, দিলেল খাঁ, চিহলেল খা, চুলাল খাঁ আদি বিভিন্ন নামে জনা যায়। এওঁ আফগান দাউদ জাই বংশৰ লোক। এওঁৰ আদি নাম আছিল জালাল খাঁ। চাহজাহান বাদচাহে এওঁক দিলেৰ খাঁ উপাধি দিছিল। মীৰজুমলাৰ মৃত্যু হোৱাত এঁৱেই সা-সম্পত্তি আৰু সকলো সৈন্য চম্‌জিলৈ ঢাকালৈ গৈছিল। মছজিদটোৰ কাষতে আছে বিখ্যাত কামাখ্যা মন্দিৰ। যিটো মন্দিৰৰ খটখটিত জয়পাল পকীৰে ইছলাম ধৰ্ম গ্ৰহণ কৰি আবে হায়াৎ চশ্মা খিজ্‌ৰ বাণী লিখাইছিল।

ৰঙামাটিৰ মছজিদ — গৌড়ৰ নবাব হুছেন শ্বাহে কামৰূপ কমতা ৰাজ্য জয় কৰি এই সুন্দৰ মছজিদটো নিৰ্মাণ কৰিছিল। গৌৰীপুৰ নগৰৰ উত্তৰে গোৱালপাৰা বঙাইগাঁৱলৈ যোৱাৰ পথত বুৰঞ্জী বিখ্যাত পুৰণি ৰঙামাটি নগৰ আছিল। এই ৰঙামাটিতে তেওঁ মছজিদটো সজাইছিল। বৰ্ত্তমান ই পানবাৰীৰ বৰ মছজিদ নামে খ্যাত।

বৰাক উপত্যকা ঃ

মিৰাৰ শৃংগাৰ দৰগাহ — হাইলাকান্দিৰ পৰা ১২ মাইল উত্তৰে এই দৰগাহ অৱস্থিত। ১৩০৪ খৃঃত বংগৰ চুলতান তুৰ্কী চামচুদ্দিনে শ্ৰীহট্ট জয় কৰিবলৈ

এটা বিশাল বাহিনী লৈ আহে। এই বাহিনীটোত শ্বাহ জালাল নামৰ এজন ইছলাম ধৰ্ম প্ৰচাৰকো আহিছিল। শ্ৰীহট্ট বিজয়ৰ পাছত শ্বাহ জালালে হাইলাকান্দি জিলাৰ এটা টিলাৰ ওপৰত খানকাহ প্ৰতিষ্ঠা কৰি ইছলাম ধৰ্ম প্ৰচাৰ কৰিছিল। ইবনে বটুটাই দেশ ভ্ৰমণত আহি উক্ত টিলাটোত ১৩৪৫ খৃঃত শ্বাহ জালালক দেখা কৰিছিল। ১৩৪৬ খৃঃত এই চুফী গৰাকীৰ এন্তেকাল হয়।

কালক্ৰমত চুফী চাহেবৰ সমাধিস্থলত দৰগাহ প্ৰতিষ্ঠা হয় আৰু ওচৰতে মছজিদো স্থাপন কৰা হয়। এই সাধকজনকে বহুতে জামালুদ্দিন তাব্ৰিজী বুলিও কয়। মৰক্কো দেশৰ পৰ্যটক ইবনে বটুটাই ১৩৪৫ খৃঃ ত বংগ-কামৰূপ আদি ঠাইলৈ আহি জামালুদ্দিন নামৰ সাধক এজনক লগ পাইছিল এটা পৰ্বতৰ গুহাত। সাধকজন আছিল সেখ কুতুব-উদ্-দীন বখ্তিয়াৰ কাকীৰ শিষ্য। কাকা মত প্ৰচাৰৰ উদ্দেশ্যই আছিল তেওঁৰ লক্ষ্য। এচটা শিলৰ ওপৰত তেওঁৰ হাতৰ চাব এতিয়াও আছে বুলি মানুহৰ বিশ্বাস।

পাঁচ পীৰৰ দৰগাহ — হাইলাকান্দি চহৰৰ পৰা আঢ়ৈ কুৰি মান মাইল দক্ষিণত এই দৰগাহ অৱস্থিত। ওচৰতে এটা হিন্দু মন্দিৰো আছে কিন্তু এই পাঁচজনা পীৰ কোন আছিল তাৰ তথ্য পোৱা নাযায়।

মেঘালয় — শ্বাহ সাৰ্পিন চাহেবৰ মকাম — ইছলাম ধৰ্মৰ দেশীয় আউলিয়া ৩৬০জনৰ ভিতৰত শ্বাহ-সা ৰ্পিন চাহেব অন্যতম। ঘটনাক্ৰমে শিষ্যবৰ্গৰে সৈতে ঘূৰি ফুৰি আহি জপৰ উপযোগী স্থল স্বৰূপে খাচী পাহাৰৰ গোমাঘাটৰ পৰা বালাটমুখী পথৰ প্ৰায় এক ফাৰ্লং দূৰত্বৰ লাউড পাহাৰত এইজনা সাধকৰ মোকাম অৱস্থিত। সাধকজনে এখন ভৰিত ভৰ দি জপ কৰা, নামাজ পঢ়োতে ভৰিৰ, আঁঠুৰ, হাতৰ আঙুলিৰ চিন শিলত আছে বুলি ভ্ৰমণকাৰীসকলক তদাৰক কাৰীজনে এতিয়াও দেখুৱায়। কোনো কোনোৰ মতে এওঁ অমৰ । মাজে মাজে এওঁৰ আৱাজ শুনা যায় বোলে।

শ্বাহ কামালৰ দৰগাহ — গাৰোপাহাৰ জিলাৰ ৮নং ৰেভিনিউ মৌজাত এটা পুৰণি দৰগাহ আছে। দৰগাহটো শ্বাহ কামালৰ দৰগাহ বুলি চান্দ মহম্মদ চৌধুৰী কামৰূপীয়ে সমৰ্থন কৰে। আনহাতে ধুবুৰীৰ পাঁচ পীৰৰ কবৰৰ ভিতৰত শ্বাহ কামালৰো এটা। ঐতিহাসিক সকল এই সম্পৰ্কে এতিয়াও একমত নহয়। যিয়ে নহওক এই দৰগাহটোৰ ওচৰতে থকা পুখুৰীটোক 'দৰগা দীঘি' বোলে। বছৰি তিনি

হাজাৰ টকাৰ খাজনাৰ পীৰপাল ভূমি দৰগাহৰ নামত এতিয়াও আছে। মহেন্দ্ৰনাৰায়ণ বৰুৱাই দৰগাহটোৰ নামত বহুত মাটি আবণ্টন দিছিল।

লখিমপুৰ ঃ লখিমপুৰত তেনে কোনো প্ৰাচীন দৰগাহৰ সমল পোৱা হোৱা নাই। মাত্ৰ জাপিসজীয়া গাঁৱত এজন ফকীৰৰ পুৰণি কবৰ এটা আছে। মছজিদ কেইবাটাও আছে। তাৰ ভিতৰত নগৰৰ বৰ মছজিদ, পকা মছজিদ, তদুপৰি শেনচোৱা, ফুকনৰ হাট, মৈদমীয়া গাঁৱৰ মছজিদ সমূহ পুৰণি।

ডিব্ৰুগড় ঃ বগা শ্বাহ ফকীৰৰ মাজাৰ — এই ফকীৰজনা আছিল উত্তৰ প্ৰদেশৰ। অসমলৈ আহি ডিব্ৰুগড়ৰ ৰেলষ্টেচনৰ ওচৰত থাকিবলৈ লৈছিল। তেওঁ এটা সৰু ঘৰত বাস কৰিছিল আৰু সৰু চৰুত ৰন্ধা-বঢ়া কৰিছিল। সেই সৰু চৰুত ৰন্ধা আহাৰকে তেওঁ সকলোকে খুৱাব পাৰিছিল। তেওঁৰ এই মাহাত্ম্যৰ কাৰণে সকলো মুগ্ধ হৈছিল আৰু সাধক বুলি পৰিগণিত হৈছিল। তেওঁৰ মৃত্যু হোৱাত তেওঁ থকা ঘৰটোতে কবৰ দিয়ে। সেই কবৰকে কেন্দ্ৰ কৰি বৰ ধুনীয়া এটি মছজিদৰ আকৃতিত এটি দৰগাহ নিৰ্মাণ কৰে। এয়েই হ'ল বগা শ্বাহৰ মাজাৰ বা দৰগাহ। ব্ৰহ্মপুত্ৰ নদ ক্ৰমে এই মাজাৰৰ ওচৰ পাইছেহি। ডিব্ৰুগড় জিলাত ১৬টা মছজিদ আছে। তাৰ ভিতৰত মৌলনা আবদুৰ বেগ চাহাবে ডিব্ৰুগড় আমোলাপট্টিত সম্ৰাট চাহজাহানে হাজোত সজোৱা দৰগাহৰ আৰ্হিত এটা মছজিদ সজায়। ই এটা প্ৰসিদ্ধ মছজিদ।

গোলাঘাট ঃ গোলাঘাট চহৰত অৱস্থিত লস্কৰ ফকীৰৰ দৰগাহ, লাল ফকীৰৰ দৰগাহ আৰু ক'লা ফকীৰৰ দৰগাহ উল্লেখযোগ্য। বছৰি উৰুচ আদি হয়।

নগাওঁ ঃ কোনো দৰগাহ বা মাজাৰৰ সন্ধান পোৱা হোৱা নাই। কলিয়াবৰৰ মছজিদ প্ৰায় ডেৰশ দুশ বছৰৰ পুৰণি।

কামৰূপ ঃ হাজোৰ আটাইতকৈ ওখ টিলা গৰুড়াচল পাহাৰৰ ওপৰত মুছলমানৰ তীৰ্থস্থান পোৱামক্কা অৱস্থিত। ইয়াতে এটি প্ৰাচীন মছজিদো আছে। তাত এৰাবি ফাৰ্চী ভাষাত লিখা লিপি বিদ্যমান। উক্ত লিপিখন মতে দিল্লীৰ বাদচাহ চাহজাহানৰ ৰাজত্ব কালত মীৰ লুট্‌ফুল্লা - ই - চিৰাজীয়ে ১০৫৭ হিজ্‌ৰী অৰ্থাৎ ১৬৫৭ খৃঃত মছজিদটো নিৰ্মাণ কৰিছিল। এইটোৱে প্ৰথম মছজিদ বুলি গণ্য হৈ আহিছে। সেই সময়ত হাজোৰ থানাদাৰ আছিল লুট্‌ফুল্লা চিৰাজী। এই মছজিদটোৰ

সম্মুখতে আছে ষোড়শ শতিকাতে অসমলৈ অহা গিয়াচুদ্দিন আউ লিয়াৰ দৰগাহ্। (কামৰূপত মুছলমানৰ প্ৰবেশ অধ্যায় দ্ৰষ্টব্য)

ছিজুবাৰী দৰগাহ্ — গুৱাহাটী মহানগৰীৰ বেলতলাৰ ওচৰতে ছিজুবাৰীত হজৰত মখ্‌দুম শ্বাহৰ দৰগাহ্ অৱস্থিত। এইজনা আউলিয়াও গিয়াচুদ্দিন আউলিয়াৰ সমসাময়িক বুলি কয়। মখ্‌দুম শ্বাহ্ চাহেব অসমলৈ আহি নানা ঠাই ঘূৰি ফুৰি অবশেষত ছিজুবাৰীৰ নিৰ্জন টিলা এটাত খানকাহ্ পাতি থাকিবলৈ লয়। সেই সময়ত ছিজুবাৰী আছিল জনসমাগমৰ পৰা তেনেই আওহতীয়া নিৰ্জন ঠাই। সেই টিলাটোতে আউলিয়াজনাৰ এন্তেকাল হয় আৰু কালক্ৰমত তাতে দৰগাহ্ সৃষ্টি হয়। ধৰ্ম-বৰ্ণ নিৰ্বিশেষে ছিজুবাৰী দৰগাহ্ বৰ পবিত্ৰ বুলি আজিও জ্ঞান কৰে।[১]

উলুবাৰী মাজাৰ — গুৱাহাটী মহানগৰীৰ উলুবাৰীৰ পশ্চিমাঞ্চলত আৰক্ষী অনাতাঁৰ কেন্দ্ৰৰ ওচৰত জাহিৰ মিঞা ফকীৰৰ মাজাৰ। এইটোকে উলুবাৰী মাজাৰ বুলি জনা যায়।

গাড়ীগাঁৱৰ - দৰগাহ্ - গুৱাহাটী বিশ্ববিদ্যালয়ৰ উত্তৰ দিশে গাড়ীগাঁৱত হজৰত জালালুদ্দিন তব্‌ৰেজিৰ দৰগাহ্ অৱস্থিত। এইজনা সাধক হাইলাকান্দি জিলাত থকা দৰগাহ্ জামালুদ্দিন তাব্ৰিজী একেজনাই নে অন্য এজন তাৰ সঠিক বিৱৰণ পোৱা নাযায়।

গুৱাহাটী ৰেল ষ্টেচনৰ উত্তৰত হিন্দী বিদ্যালয় খনৰ ওচৰত আন এটা মাজাৰ আছে। এইজনা সাধকৰ বিষয়েও জনা নাযায়। ওচৰত মুছলমান মানুহো নাই। অইন ধৰ্মাৱলম্বী মানুহে গধূলি মাজাৰটোত চাকি বন্তি দি বৰ আৱদাৰ কৰি ৰাখিছে।

চৈয়দ খোশবুল পীৰৰ দৰগাহ্ — আহোম স্বৰ্গদেউ চুহুংমুঙৰ ৰাজত্ব কালত চৈয়দ খোশবুল পীৰ অসমলৈ আহিছিল। সম্ভৱতঃ উজনি অসমলৈ অহা এৱেঁই প্ৰথম পীৰ। ১৫৩২ খৃঃত তুৰ্ববকৰ অসম আক্ৰমণৰ সময়ত যুদ্ধবন্দী হিচাপে ৰৈ যাবা মুছলমানসকলক এৱেঁই ইছলাম ধৰ্ম সম্পৰ্কীয় জ্ঞান আৰু অন্যান্য শিক্ষা প্ৰদান কৰিছিল। এইজনা পীৰৰ মাজাৰ গোলাঘাট জিলাৰ মৰঙী মৌজাৰ

---

১ : টোকা ঃ দৰগাহ্, মাজাৰ, মছজিদ আদিৰ বিৱৰণ দিওঁতে প্ৰসঙ্গকোষ; সংমিশ্ৰণত অসমীয়া সংস্কৃতি, পবিত্ৰ অসম, লুইত বৰাক আৰু ইছলাম, অসমীয়া জিকিৰ জাৰী সাৰ, ৫৯ তম অসম সাহিত্য সভাৰ স্মৃতি গ্ৰন্থ ৰংপুৰ আদি পুথিৰ সহায় লোৱা হৈছে।

লেটেকুজান বাগানৰ সমীপত ধনশিৰি নদীৰ পাৰত অৱস্থিত। পীৰজনা চৈয়দ বংশী আছিল। এওঁৰ তিনিজন পুত্ৰ আছিল। এজনে গোলাঘাট জিলাৰ উষা-গৰঙা অঞ্চলত বসবাস কৰিবলৈ লয়। (অসমীয়া খবৰ ঃ ২৬ মেঃ শুক্ৰবাৰ ঃ ২০০৬ চন)[১]

শ্বাহ্ চৈয়দ চাদনুৰ পীৰৰ দৰগাহ — কোচ ৰজা মহাৰাজা নৰনাৰায়ণৰ ৰাজত্ব কালত শ্বাহ চৈয়দ চাদনুৰ পীৰ নামনি অসমত ইছলাম ধৰ্ম প্ৰচাৰৰ কাৰণে আহিছিল। ৰজা নৰনাৰায়ণে বৰ্ত্তমান কামৰূপ জিলাৰ ভেকাৰকুছী গাঁৱত তেওঁক বহু একৰ মাটি দান কৰিছিল। তাতে তেওঁৰ দৰগাহ অৱস্থিত। কামৰূপ জিলাৰ বিভিন্ন ঠাইত তেওঁৰ বংশধৰ সকলে এতিয়াও বসবাস কৰি আছে।[১] তেওঁলোকে চৈয়দ উপাধি লিখে। একালৰ ৰঙীয়াৰ বাসিন্দা ডাঃ ৰহমান আলি যিজনে সামৰিক বিভাগত চাকৰি কৰি পাছত দৰং জিলাৰ খৈৰাবাৰীৰ বাসিন্দা হৈছিল তেওঁ চৈয়দ উপাধি লিখা হিচাপে তেওঁৰ পূৰ্বৰ বংশৰ সেইজনা পীৰৰ চৈয়দ বংশীয় বুলি ঠাৱৰ কৰা যায়। ৰহমান ডাক্তৰৰ পুত্ৰ খায়ৰুৰ (ৰুমী) ৰহমানে বংশ পৰম্পৰাগত ভাৱে চৈয়দ উপাধি লিখে।

ভেল্লা দৰগাহ — বৰপেটাৰ ওচৰৰ ভেল্লাৰ খোন্দকাৰপাৰা গাঁৱত আহোম ৰজা দিনীয়া চৈয়দ চাহনুৰ দেৱান ফকীৰৰ দৰগাহ আছে।

পাঞ্জাবাৰীৰ দৰগাহ — গুৱাহাটীৰ পাঞ্জাবাৰীত চাহ মইনুদ্দিন চাহ নামৰ ফকীৰ এজনৰ দৰগাহ আছে।

---

১ : অসমীয়া খবৰ ঃ ২৬ মে ঃ শুক্ৰবাৰ ২০০৬ চন।

অসমৰ মুছলমান সম্প্ৰদায়ৰ কেইগৰাকীমান বিশিষ্ট ব্যক্তি

ফকৰুদ্দিন আলি আহমেদ —

১৩/৫/১৯০৫ তাৰিখে দিল্লীত জন্ম। দেউতাকৰ নাম জালনুৰ আলি আহমেদ আৰু মাক ৰোকোৱা চুলতানা। উত্তৰ প্ৰদেশৰ গোন্দা আৰু দিল্লীৰ চৰকাৰী হাইস্কুলত পঢ়ি ১৯২১ খৃঃত পঞ্জাব বিশ্ববিদ্যালয়ৰ পৰা এন্ট্ৰেন্স্ পাছ কৰি দিল্লীত চেণ্ট্ ষ্টিফেন্স কলেজত কিছুদিন পঢ়াৰ পাছত বিলাতলৈ যায়। ১৯২৭ খৃঃত কেম্ব্ৰিজৰ চেণ্ট্ কেথেৰিন কলেজৰ পৰা বুৰঞ্জীৰ স্নাতক আৰু লণ্ডনৰ ইনাৰ টেম্পলৰ পৰা বাৰ-এট-ল উপাধি লাভ কৰে। ভাৰতলৈ আহি পাঞ্জাব উচ্চ ন্যায়ালয়ত কিছুদিন ওকালতি কৰি ১৯২৮ খৃঃত অসমলৈ আহে আৰু ওকালতি কৰাৰ লগতে ৰাজনীতিত নামে। ১৯৩১ খৃঃত কংগ্ৰেছ দলত যোগ দি ১৯৩৫ খৃঃত অসম বিধান সভালৈ মনোনীত সদস্য হিচাপে নিৰ্বাচিত হয়। ১৯৩৮-৩৯ খৃঃত তেওঁ বৰদলৈ মন্ত্ৰী সভাৰ বিত্ত আৰু ৰাজহ মন্ত্ৰী হৈছিল। ১৯৪০ খৃঃত সত্যাগ্ৰহ আন্দোলনত যোগ দি এক বছৰ কাৰাদণ্ড খাটে। ১৯৪২ খৃঃত পুনৰ জেললৈ যায় আৰু এক বছৰ তিনিমাহ জেল খাটে। ১৯৪৬ খৃঃত কংগ্ৰেছ প্ৰাৰ্থী হিচাপে বিধান সভালৈ নিৰ্বাচিত হয়। সেই বছৰতে অসমৰ এড্‌ভোকেট জেনেৰেল পদত অধিষ্ঠিত হয়। ১৯৫২ খৃঃলৈকে ৰাজ্যসভাৰ সদস্য ৰূপে থাকি ১৯৫৭ খৃঃত পুনৰ অসম বিধান সভালৈ আহে আৰু বিমলা প্ৰসাদ চলিহাৰ মন্ত্ৰীসভাৰ কেবিনেট মন্ত্ৰীত্ব লাভ কৰে। ১৯৬২ খৃঃত মন্ত্ৰী সভাত স্থানীয় স্বায়ত্ব শাসনৰ বাহিৰেও আন বহুতো দপ্তৰৰ মন্ত্ৰী হৈছিল। ১৯৬৬ খৃঃত লোক সভাৰ সদস্য হৈ কেন্দ্ৰীয় মন্ত্ৰী হয়। ১৯৭৪ খৃঃত তেওঁ ভাৰতৰ ৰাষ্ট্ৰপতিৰ পদ শুৱনি কৰিছিল। ৰাষ্ট্ৰপতিৰ আসন লাভ কৰা তেঁৱেই প্ৰথম অসমীয়া। ৰাজনীতিৰ বাহিৰেও তেওঁ এগৰাকী খেলপ্ৰেমী লোক আছিল। তেওঁ অসম ফুটবল সন্থা আৰু অসম ক্ৰিকেট সন্থাৰ গুৰিয়াল। ১৯/২/১৯৭৭ তাৰিখে হৃদৰোগত আক্ৰান্ত হৈ স্বৰ্গগামী হয়।

অসম সাহিত্য সভাৰ তিনিগৰাকী মুছলমান সভাপতি

মফিজুদ্দিন আহমেদ হাজৰিকা

(অসম সাহিত্য সভাৰ গোলাঘাট অধিবেশনৰ সভাপতি ১৯৩০ চন)

ডিব্ৰুগড়ত ৩০/৮/১৮৭০ তাৰিখে মফিজুদ্দিন আহমদ হাজৰিকাৰ জন্ম হয়। পিতৃৰ নাম হিম্মতুদ্দিন হাজৰিকা। তেওঁ অসম গৌৰব বাঘ হাজৰিকাৰ বংশধৰ। এই বংশৰ ৯ম পুৰুষৰ ব্যক্তিজনেই হ'ল মফিজুদ্দিন আহমদ হাজৰিকা।

ডিব্ৰুগড় চৰকাৰী হাইস্কুলৰ পৰা তেওঁ ১৮৯২ চনত এণ্ট্ৰেন্স্ পৰীক্ষা দিছিল কিন্তু পৰীক্ষাত কৃতকাৰ্য নহল। সিমানতে শিক্ষা জীৱনৰ অন্ত পেলাই উত্তৰ লক্ষিমপুৰত ফৰেষ্টাৰ হিচাপে চাকৰিত সোমাই চাকৰি জীৱনৰ পাতনি মেলে। তিনি বছৰমান সেই চাকৰি কৰাৰ পাছত ১৮৯৬ চনত লক্ষীমপুৰতে কাছাৰীৰ আমোলা পদত নিযুক্তি পায়। ১৯০২ চনত ডিব্ৰুগড়ৰ কাছাৰীলৈ বদলি হৈ আহি ১৯২৬ চনত পেস্কাৰ ৰূপে অৱসৰ লয়। অসম সাহিত্য সভাৰ জন্ম লগ্নৰে পৰা তেওঁ সাহিত্য সভাৰ লগত জড়িত আছিল। ১৯১৭ চনৰ ২৬, ২৭ ডিচেম্বৰত শিৱসাগৰৰ ৰংপুৰ নগৰত অনুষ্ঠিত হোৱা সাহিত্য সভাৰ অধিবেশনত পৰৱৰ্তী কাৰ্যকালৰ কাৰণে তেওঁ কাৰ্য নিৰ্বাহক সদস্য নিৰ্বাচিত হৈছিল। তদুপৰি ১৯০৪ চনৰ পৰা ১৯৩৪ চনলৈ তেওঁ সুদীৰ্ঘ ৫০ বছৰ কাল ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক পদত আছিল। ১৯১৩ চনত শিৱসাগৰত বহা ছাত্ৰ সভাৰ তেওঁ সভাপতিত্ব কৰিছিল।

কবি হিচাপে মফিজুদ্দিন, আহমদ হাজৰিকাৰ নাম চিৰস্মৰণীয়। ১৮৯৬ চনত এইজনা কবিয়ে "জ্ঞান মালিনী" নামৰ কবিতা পুথি প্ৰকাশ কৰি কবিৰূপে প্ৰশংসা লাভ কৰে। তেতিয়াৰ পৰা তেওঁ "জ্ঞানমালিনী'ৰ কবি হিচাপে পৰিচিত হয়। আনএখন কবিতা পুথি 'তত্ত্ব পাৰিজাত' নাম দি ৰচনা কৰিছিল যদিও তাৰ মাত্ৰ চাৰিটা কবিতাহে উদ্ধাৰ হৈছে।

জ্ঞানমালিনী কবিতা পুথিখনৰ বৈশিষ্ট্য হ'ল নিভাঁজ ঘৰুৱা শব্দৰ ব্যৱহাৰৰ দ্বাৰা বলিষ্ঠ ভাব, ছন্দৰ লালিত্য আৰু প্ৰকাশ ভঙ্গি ৰক্ষা কৰাত। বিশাল সাহিত্য জগতখনত এখন মাত্ৰ কবিতা পুথি ৰচনা কৰি তেওঁ যাউতি যুগলৈ খ্যাতি ৰাখি থৈ

গৈছে। সাহিত্য প্ৰতিভাৰ কাৰণে চৰকাৰে তেওঁক সাহিত্যিক পেন্সন দি বিভূষিত কৰিছিল।

লিখিত বা কথিতভাৱে ব্যৱহাৰ কৰি থকা কিছুমান শব্দ বা খণ্ডবাক্যৰ প্ৰকৃত অৰ্থ বা তাৰ মূল তত্ত্ব সম্পৰ্কে মানুহৰ ধাৰণা বহু সময়ত অস্পষ্ট আৰু বহুতৰে ক্ষেত্ৰত অসম্পূৰ্ণ। সেই অস্পষ্টতা আৰু অসম্পূৰ্ণতাখিনিকে কবি মফিজুদ্দিন আহমদ হাজৰিকাদেৱে জ্ঞানমালিনীৰ কবিতাসমূহৰ যোগেদি কবিতা আকাৰে প্ৰকাশ কৰি বোধগম্য কৰি তুলিবলৈ যি প্ৰয়াস কৰিছে তাত তেওঁ সফল হৈছে। মানুহে জানিও নাজানে যে মৰিশালিখন সকলোৰে কাৰণে ৰৈ আছে। জীৱনৰ খলা-বমা দীঘলীয়া পৰিক্ৰমাৰ অন্তত এদিন আশ্ৰয়ৰ স্থল হব জয়াল জয়াল লগা মৰিশালিখনেই। মানুহৰ যিমানেই বংশ অহঙ্কাৰ নাথকক কিয় যিমানেই 'ধন-দৌলত'ৰ অধিকাৰী নহওক কিয় পাৰ্থিৱ মায়া ধূলিস্যাত হব জীৱন-বন্তি নিৰ্বাপিত হোৱাৰ লগে লগে। এই তত্ত্বটোকে কবিজনাই জীৱন-দৰ্শন হিচাপে হয়তো গ্ৰহণ কৰিছিল। যিটো মৰ্মে মৰ্মে উপলব্ধ হয় তেওঁৰ কবিতাসমূহত। বিখ্যাত বুৰঞ্জী প্ৰসিদ্ধ হাজৰিকা খিতাপ্ৰধাৰী বংশত জন্মিও তেওঁ কটাইছিল নিৰানন্দ জীৱন। সেই বুলি তেওঁ নিৰুৎসাহী নাছিল। সৎ জীৱন-যাপনৰে মানুহক পাৰ্থিৱ জীৱন জুখিবলৈ পৰামৰ্শ দিছিল। উৎসাহ প্ৰদান কৰিছিল।

তেওঁ কবিতাৰ যোগেদি, সাহিত্যৰ যোগেদি সেই অমূল্য উপদেশকে মানুহক দি থৈ গৈছে।

১৯৩০ চনত গোলাঘাটত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ সভাপতিৰ আসন তেওঁ অলংকৃত কৰিছিল।

২৯/১০/১৯৫৮ তাৰিখে এইজনা মহান কবিৰ দেহাৱসান ঘটে।

ড° ময়িদুল ইছলাম বৰা

(অসম সাহিত্য সভাৰ যোৰহাট অধিবেশনৰ সভাপতি - ১৯৪০ চন)

দেউতাকৰ নাম আছিল মেহেৰুদ্দিন বৰা। ময়িদুল ইছলাম বৰাই শিৱসাগৰত জন্ম গ্ৰহণ কৰে। সৰুতে দেউতাকৰ মৃত্যু হোৱাত ককায়েকহঁতৰ তত্ত্বাৱধানত ডাঙৰ-

দীঘল হয়। ১৯১৭ চনত শিৱসাগৰৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষা পাছ্ কৰি গুৱাহাটীৰ কটন কলেজত নাম লগায়। তাৰপৰা ১৯১৯ চনত প্ৰথম বিভাগত আই, এ আৰু ১৯২১ চনত বি.এ. পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষাৰ্থে ঢাকা বিশ্ববিদ্যালয়লৈ যায়। ১৯২৩ চনত ফাৰ্চী সাহিত্যত ১ম শ্ৰেণীৰ ১ম্ হৈ এম এ পাছ্ কৰি ঢাকা বিশ্ববিদ্যালয়তে অধ্যাপকৰ পদত নিযুক্তি লাভ কৰে। ১৯২৯ চনত বিলাতলৈ যায় আৰু লণ্ডণ বিশ্ববিদ্যালয়ত দিল্লীৰ ফাৰ্চী কবি আমীৰ হাছানৰ জীৱন আৰু দৰ্শনৰ ওপৰত গৱেষণা কৰে।

"The life & works of Amir Hasan Dihlavi" নামৰ গ্ৰন্থখনি লিখি ১৯৩১ চনত তেওঁ লণ্ডণ বিশ্ববিদ্যালয়লৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰা ময়িদুল ইছলাম বৰাই প্ৰথম অসমীয়া।

ড° বৰাই মিৰ্জ্জা নাথনে লিখা 'বাহাৰিস্তানে গাইবি" নামৰ ফাৰ্চী গ্ৰন্থখন ইংৰাজীলৈ অনুবাদ কৰি অসম বুৰঞ্জীৰ এটা আপুৰুগীয়া সমল দি গৈছে। এই পুথিখন ইংৰাজীলৈ ভাঙনি কৰাৰ লগে লগে মোগল বাদচাহ্ জাহাঙ্গীৰৰ ৰাজত্ব কালত কোচবিহাৰ, বংগদেশ, বিহাৰ আৰু অসমত হোৱা মোগল যুদ্ধৰ বিতং বিৱৰণ পোৱা যায় কাৰণে বুৰঞ্জীৰ বহু সমল উদ্ধাৰ হৈছে। এই ফাৰ্চী ভাষাৰ বুৰঞ্জীখনৰ লিখক আছিল মিৰ্জা নাথন। এইখন উদ্ধাৰ কৰে চাৰ যদুনাথ চৰকাৰে।

বৰাদেৱে লণ্ডণত থকা অৱস্থাত ইণ্ডিয়া লাইব্ৰেৰীত ৰুচিনাথ কামৰূপী নামৰ এজন লোকৰ এখন অভিধানৰ সন্ধেদ পায় তাৰ ওপৰত এটা মন্তব্যও দি গৈছে। ১৮১০ চনতে ৰুচিনাথ কামৰূপীয়ে এই অভিধান খন লিখিছিল। বৰ্ত্তমানলৈকে জনাৰ ভিতৰত এইখনেই অসমীয়া ভাষাৰ প্ৰথম অভিধান। শব্দ সমূহক সংস্কৃত, অসমীয়া আৰু কামৰূপী এই তিনিভাগে ভাগ কৰা হৈছে। এই অভিধানৰ অন্তৰ্গত শব্দবোৰৰ বানান যেনেকৈ উচ্চাৰণ, কৰা যায় ঠিক তেনেকৈয়ে লেখা হৈছে। এই অভিধানখনি অপ্ৰকাশিত অৱস্থাত ইংলেণ্ডৰ ইণ্ডিয়া অফিছ্ লাইব্ৰেৰীত সংৰক্ষিত হৈ আছে। ২০২ পৃষ্ঠাৰ সৰু এখন অভিধান হলেও অসমৰ প্ৰথম অভিধান বুলি আৰু পুৰণি এটি চিন বুলি গৌৰৱ কৰিবৰ থল আছে। ড° বৰাই এই মন্তব্য... অভিধানখনৰ ওপৰত দি থৈ গৈছে।

ড° বৰাই অসমীয়া ভাষাত কেইটামান মূল্যৱ... Reader, My second Reader আদি পাঁচখ...

১৯৪০ চনত যোৰহাটত বহা অসম সাহিত্য সভাৰ অধিবেশনৰ তেওঁ সভাপতি আছিল।

১৯৪৪ চনৰ ৫ মে'ত ড° ৰবাদেৱৰ মৃত্যু হয় লক্ষ্ণৌত। লক্ষ্ণৌ চহৰত তেওঁৰ কবৰ আজিও আছে।

চৈয়দ আব্দুল মালিক

(অসম সাহিত্য সভাৰ অভয়াপুৰী অধিবেশনৰ সভাপতি - ১৯৭৭ চন)

গোলাঘাট জিলাৰ নাহৰণি গাঁৱত চৈয়দ পৰিয়ালত ১৯১৯ চনৰ ১৬ জানুৱাৰী তাৰিখে আব্দুল মালিকৰ জন্ম হয়। পিতৃৰ নাম আছিল চৈয়দ ৰহম্মত আলি আৰু মাতৃৰ নাম চৈয়দা লতিফুন্নিছা। ১৯৩৭ চনত তেওঁ যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষা পাছ কৰি যোৰহাটৰ জগন্নাথ বৰুৱা কলেজত ভৰ্ত্তি হয়। তাৰপৰা প্ৰথম বিভাগত আই এ পাছ কৰি কটন কলেজলৈ আহে। ১৯৪১ চনত কটন কলেজৰপৰা ইংৰাজী বিষয়ত অনাৰ্চসহ স্নাতক ডিগ্ৰী লাভ কৰি কলিকতা বিশ্ববিদ্যালয়লৈ যায়। উক্ত বিশ্ববিদ্যালয়ৰ পৰা তেওঁ অসমীয়া ভাষা-সাহিত্যত এম্ এ ডিগ্ৰী লাভ কৰে।

মালিক চাহাবে আবকাৰী বিভাগৰ উপ-পৰিদৰ্শকৰ চাকৰিৰে চাকৰি জীৱনৰ পাতনি মেলি কলেজৰ অধ্যাপক হৈছিলগৈ। কিন্তু তেওঁৰ পৰিচয় এগৰাকী স্বনামধন্য সাহিত্যিক হিচাপেহে।

১৯৩৫ চনতে 'জেউতি' নামৰ আলোচনী এখনত তেওঁৰ চুটীগল্প 'বন্ধ কোঠা' প্ৰথম প্ৰকাশ হোৱাৰ পৰা মৃত্যুৰ আগমুহূৰ্ত্তলৈ তেওঁৰ কলম কোনো দিনে বন্ধ হোৱা নাছিল। সেই খোলা কলম হাতত লৈ জীৱন জোৰা সাধনাৰে অসমীয়া সাহিত্যলৈ উপহাৰ দি থৈ গ'ল ৬৭ খন উপন্যাস, ২০০০ টা চুটীগল্প, ৮খন মঞ্চনাট, ১৩ খন অনাতাঁৰ নাট, তিনিখন কবিতাপুথি, পাঁচখন অনাতাঁৰ সংগীতালেখ্য। ১৯৫৪ চনৰ পৰা ১৯৫৬ চনলৈ তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোক-সংস্কৃতি বিভাগৰ গৱেষণা আঁচনিৰ অধীনত অসমীয়া জিকিৰ আৰু জাৰী বিষয়ক গৱেষণা কৰে। ফলশ্ৰুতি স্বৰূপে লুপ্ত প্ৰায় অমসীয়া জিকিৰ আৰু জাৰীক উদ্ধাৰ কৰি অসমীয়া গীতি সাহিত্যৰ ভঁৰাল চহকী কৰিলে। চহকী কৰিলে অসমীয়া ভাষাত মধ্যপ্ৰাচ্য

আৰু উত্তৰ ভাৰতৰ শব্দ সম্ভাৰ, চুফী আৰু চুফীবাদ, শংকৰদেৱ আৰু অসমীয়া সংস্কৃতি। "মালিকে যি বিশাল চিত্ৰশালা সৃষ্টি কৰি থৈ গৈছে সেই চিত্ৰশালাত অসমীয়া মানুহে— অসমীয়া সমাজে নিজৰ প্ৰতিচ্ছবি দেখিবলৈ পায়। অসমীয়া সমাজৰ অতীতৰ উত্তৰাধিকাৰ, বৰ্ত্তমানৰ অভিজ্ঞতা আৰু ভৱিষ্যতৰ আশা— এই সকলোবোৰ বিধৃত হৈ আছে চৈয়দ আব্দুল মালিকৰ বিপুল ৰচনাৱলীত। এই কথা কলে বোধ হয় অত্যুক্তি কৰা নহব যে আধুনিক যুগত লক্ষ্মীনাথ বেজবৰুৱাৰ পাছত মালিকেই হ'ল দ্বিতীয়জন লেখক- -যিজনে সমগ্ৰ অসমীয়া জাতিৰ হৃদয় জয় কৰিবলৈ সমৰ্থ হৈছে।" (মালিকৰ সুখ-দুখ— হোমেন বৰগোহাঞি)

আবকাৰী বিভাগত চাকৰি কৰাৰ উপৰিও তেওঁ ১৯৪২ চনৰ পৰা ১৯৪৫ চনলৈ ১৪তম্ সেনাবাহিনীৰ চিভিলিয়ান চেন্সৰ গ্ৰেড (চি) হিচাপে কাম কৰিছিল। ১৯৪৭ চনৰ পৰা ১৯৪৯ চনলৈ আকাশবাণী, শ্বিলং কেন্দ্ৰৰ অনুষ্ঠান সহায়ক আছিল। ১৯৪৯-৫১ চনলৈ কুৰালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক, ১৯৫১-৭৬ চনলৈ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰি চাকৰি জীৱনৰ পৰা অৱসৰ লয়।

মালিক চাহেবৰ একেধাৰে অগাধ দক্ষতা আছিল অসমীয়া, বাংলা, উৰ্দু, হিন্দি, পাৰ্চী আৰু ইংৰাজী ভাষাৰ ওপৰত। সেইদৰে সংস্কৃত, নেপালী, ফৰাচী, ৰাচিয়ান, উৰিয়া আৰু আৰবী ভাষা সম্পৰ্কেও জ্ঞান আছিল প্ৰচুৰ। ১৯৫৬ চনত ছোভিয়েট ইউনিয়নত অনুষ্ঠিত ইণ্ডো ছোভিয়েট সাংস্কৃতিক বিনিময় কাৰ্যসূচীত প্ৰতিনিধিত্ব কৰা ভাৰতীয় লেখকসকলৰ নেতৃত্ব দিছিল মালিক চাহাবে। ১৯৫৬-৫৭ চনত এছিয়ান ৰাইটাৰ্ছ কনফাৰেন্সত তেওঁ ভাৰতৰ হৈ প্ৰতিনিধিত্ব কৰিছিল। ১৯৬৩ চনত বিশ্বৰ কেইবাখনো দেশ ভ্ৰমণ কৰিছিল আৰু তাৰ পৰা বহুতো অভিজ্ঞতা লাভ কৰিছিল। ১৯৬৩ চনত আফগানিস্তান ভ্ৰমণ, ১৯৪৪ চনত ব্ৰহ্মদেশ ভ্ৰমণ, ১৯৯১ চনত ছৌদি আৰবৰ চৰকাৰৰ আমন্ত্ৰণক্ৰমে ছৌদি আৰব ভ্ৰমণ উল্লেখযোগ্য। তদুপৰি তেওঁ ১৯৮১ চনত ইংলেণ্ড ভ্ৰমণৰ লগতে বৰ্ল্ড মাইনৰিটি কনফাৰেন্সত যোগদান কৰিছিল।

১৯৪৬-৪৭ চনত মালিক চাহাবে সাহিত্য বিষয়ক এখন মাহেকীয়া আলোচনী 'পয়গম' সম্পাদনা কৰে। ১৯৬৯-৭০ চনৰ কালছোৱাত তেওঁ অসম সাহিত্য সভাৰ সাধাৰণ সম্পাদক পদ অলঙ্কৃত কৰিছিল।

১৯৭৭ চনৰ অসম সাহিত্য সভাৰ অভয়াপুৰী অধিবেশনৰ সভাপতি পদত অধিষ্ঠিত হৈছিল।

১৯৫২-৫৫ চনত তেওঁ ভাৰতীয় গণনাট্য পৰিষদৰ উপ সভাপতি আছিল। ১৯৬৪-৬৭ চনলৈ তেওঁ অসম প্ৰকাশন পৰিষদৰ এজন সক্ৰিয় সদস্য আছিল।

১৯৭৬-৮২ চনত ৰাজনীতিত প্ৰৱেশ কৰি ৰাজ্যসভাৰ সদস্য নিৰ্বাচিত হৈছিল। তেওঁ সাহিত্য একাডেমী, সংগীত নাটক একাডেমী আৰু ললিত কলা একাডেমীৰো সদস্য আছিল।

জীৱনজোৰা বহুমুখী সাধনাৰ স্বীকৃতি স্বৰূপে তেওঁ ১৯৬৫ চনত সাংবাদিকতাৰ বাবে ছোভিয়েট দেশ নেহৰু বঁটা লাভ কৰে। ১৯৭২ চনত 'অঘৰী আত্মাৰ কাহিনী' উপন্যাসৰ বাবে সাহিত্য একাডেমী বঁটা লাভ কৰে। ১৯৯৭ চনত অসম সাহিত্য সভাই তেওঁক সাহিত্যাচাৰ্য উপাধি প্ৰদান কৰে। ১৯৯২ চনত অসম উপত্যকা বঁটা, ১৯৯৩ চনত আজান ফকীৰ বঁটা, ১৯৮৮ চনত হাৰ্মাণ বঁটা, ১৯৯৫ চনত মহাপুৰুষ শঙ্কৰদেৱৰ জীৱনৰ ওপৰত লিখা 'ধন্য নৰ তনু ভাল' নামৰ উপন্যাসৰ বাবে শঙ্কৰদেৱ বঁটা লাভ কৰে। ১৯৯৯ চনত লাভ কৰে সাহিত্য একাডেমীৰ ফেলশ্বিপ। ১৯৪৯ চনতে মুক্ত কণ্ঠ বঁটাও পায়।

নাট্যকাৰ, চিত্ৰনাট্যকাৰ, অভিনেতা আৰু এজন সুপৰিচালক হিচাপেও মালিক চাহাব আছিল অনন্য। ১৯৭৬ চনত তেওঁৰ "অ মোৰ আপোনাৰ দেশ" সংগীতালেখ্যখনি গুৱাহাটী আৰু ডিব্ৰুগড় অনাঁতাৰ কেন্দ্ৰযোগে প্ৰচাৰ হয় আৰু সৰ্বভাৰতীয় সংগীতালেখ্য প্ৰতিযোগিতাত পুৰস্কৃত হয়। তদুপৰি "কাঠফুলা" অনাতাঁৰ নাটখন সৰ্বভাৰতীয় অনুষ্ঠানত বিভিন্ন ভাষাত সম্প্ৰচাৰ হয়। এই নাটখন ইউৰোপৰ কেইবাটাও ভাষালৈ অনুদিত হয়।

ক্লান্তিহীন পৰিশ্ৰমৰ স্বীকৃতি স্বৰূপে ভাৰত চৰকাৰে ১৯৮৪ চনত পদ্মশ্ৰী আৰু ১৯৯২ চনত পদ্মভূষণ উপাধিৰে মালিক চাহাবক বিভূষিত কৰিছিল।

তেওঁৰ বহুতো গল্প ভাৰতীয় বহুভাষালৈ অনুবাদ হোৱাৰ লগতে ইংৰাজী ভাষালৈয়ো অনুদিত হৈছে। বিভিন্ন ভাষালৈ অনুদিত হোৱা 'সূৰুজমুখীৰ স্বপ্ন' অন্যতম।

এজন ইছলামধৰ্মী লোক হৈয়ো বৈষ্ণৱ (হিন্দু) ধৰ্মৰ দুজন ধৰ্মগুৰু শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰী শ্ৰী মাধৱদেৱৰ জীৱনৰ আধাৰত ক্ৰমে 'ধন্য নৰ তনু ভাল'

আৰু 'প্ৰেম অমৃতৰ নদী' নামৰ দুখন যুগজয়ী উপখ্যান ৰচনা কৰি মালিক চাহাবে হিন্দু-মুছলমানৰ ঐক্য তথা সম্প্ৰীতিক যে মুখেৰে নহয় কাৰ্যৰেও বিচাৰে তাকে প্ৰমাণ কৰি গ'ল।

তথাপিও এইজনা বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তি, শ্ৰদ্ধাৰ 'চাৰ', ককাইটি, দদাইটি মালিক চাহাব অসম আন্দোলনৰ সময়ছোৱাত বহুতৰে; অপ্ৰিয় হ'ল, সঁচা কথা কোৱাৰ কাৰণে 'সাম্প্ৰদায়িক' আখ্যা পালে। লাঞ্চিত হ'ল, বঞ্চিত হ'ল ৰাজহুৱা সভাৰ পৰা, অনুষ্ঠানৰ পৰা।

১৯৭৯ চনৰ ১৪ নবেম্বৰৰ দিনা ভাটিবেলা তেওঁৰ নিজা ঘৰ নাহৰণিত এপাল স্কুলীয়া ল'ৰা-ছোৱালীয়ে আকাশ-পাতাল কঁপাই শ্ল'গান দিছিল— 'আব্দুল মালিক ধ্বংস হওক'। 'আব্দুল মালিক মূৰ্দাবাদ'। 'আব্দুল মালিক জহন্নামে যাওক।' কিন্তু "জীয়াই থাকোঁতে মই এই পৃথিৱীত, চিৰদিন ইয়াৰে অসমীয়া, মৰিলেও অসমৰে মই, মৰাৰ পিছতো যদি আহোঁ পুনু কেতিযাবা আহিম ইয়ালৈ ঘূৰি, স্মিৰিতিৰ ইতিহাস লৈ, অসমৰে অসমীযা হৈ।" — ("মই অসমীয়া" কবিতা আব্দুল মালিক)

আন্দোলনকাৰী সকলৰ কাণ তালফলা চিঞৰত, বুদ্ধিজীৱীসকলৰ চেপা-খুন্দাত আব্দুল মালিক নমৰিল। বৰঞ্চ মালিক চাহাবৰ কলমৰ পৰা ওলাল "পোৱা গাঁৱত পহিলা বহাগ" যিখন হাতৰ যাদুৰে লিখা গল্পৰ কিতাপ য'তে পাই ত'তে আজুৰি আনি পুৰি পেলোৱা হৈছিল। বাতৰি কাকতত সজোৰে দাবী উত্থাপিত হৈছিল কিতাপখন বাজেয়াপ্ত কৰিবলৈ। মালিক চাহাব 'মূৰ্দাবাদ' নহল ।আয়ুসহে বাঢিল। সবিস্তাৰে লিখিলে " মোৰ জীৱনৰ নহলবোৰ" বেদনা-বিধুৰ হৈ যিখন তেওঁৰ জীৱনৰ পোৱা নোপোৱাৰ এখন হুবহু ডুখুৰীয়া ছবি।

আৰু এশ্ৰেণী মানুহৰ মানত সেই বেয়া মানুহজনৰ কলমৰ চিয়াঁহী শুকুৱা নাছিল, অবিৰাম গতিৰে লিখি গৈছিল— গল্প, উপাখ্যান, ভ্ৰমণ কাহিনী চকুৰে দেখা, শুনা, বুজা-নুবুজা সকলো কথা, সকলো মানুহৰ কথা।

জীৱন্ত কিম্বদন্তি ইতিহাসত পৰিণত হোৱা বহু প্ৰতিভাৰ মালিক আব্দুল মালিক চাহাব দুৰাৰোগ্য কেন্সাৰ ৰোগত আক্ৰান্ত হৈ সুদূৰ পশ্চিম এৰি, এৰি থৈ স্বৰ্ণপুৰী ৰাজ-অন্তপুৰ" ২০০২ চনৰ ১৯ ডিচেম্বৰৰ মাজনিশা ১২-১৫ বজাত চিৰদিনলৈ গুচি গ'ল স্বৰ্গধামলৈ।

নৱাব চেহিদুৰ ৰহমান — নৱাব চেহিদুৰ ৰহমান অসমৰ এজন খ্যাতি সম্পন্ন দেশৰ মুক্তি সৈনিক। যদিও তেওঁ চৰম পন্থী আছিল তথাপি দেশমাতৃৰ স্বাধীনতাৰ কাৰণে তেওঁৰ বীৰত্ব ইতিহাসে চুব নোৱাৰিলেও নৱ প্ৰজন্মৰ কাৰণে আদৰ্শ স্বৰূপ। বৰ্ত্তমানৰ গোলাঘাট জিলাৰ তিতাবৰ গোমতি দেৱী বালিকা বিদ্যালয়ৰ বিপৰীতে ধোদৰ আলিৰ কাষত ঘিলাধাৰী মৌজাৰ নৱাব বংশৰ নৱাব আজিজুল ৰহমান আছিল মুক্তিকামীবীৰ চেহিদুৰ ৰহমানৰ পিতৃ। তজবজীয়া অথচ তীক্ষ্ণ বুদ্ধিৰ চেহিদুৰ ১০ম্ শ্ৰেণীত পঢ়ি থাকোতেই ইংৰাজৰ অধীনৰ ভাৰতীয় সৈন্য বাহিনীত ভৰ্ত্তি হবলৈ মন মেলে আৰু এদিন ঘৰৰ অমতত সৈন্য বাহিনীত ভৰ্ত্তি হয়গৈ। বৃটিছৰ সৈন্য হৈ তেওঁ যুদ্ধ কৰিবলৈ গল চিঙ্গাপুৰলৈ। তাতে তেওঁ মিত্ৰ শক্তিৰ বিৰুদ্ধে মহাৰণৰ পাতনি মেলা হিটলাৰৰ জাপানী সৈন্যৰ হাতত বন্দী হয়। তেনেতে জাপানত আবিৰ্ভাৱ হয় ভাৰতৰ বীৰ সন্তান সুভাষ বসুৰ। সুভাষ বসুৰ বৃটিছ বাহিনীৰ বিৰোধী ভাষণত আকৃষ্ট হৈ পলাই গৈ চেহিদুৰে আজাদ হিন্দ ফৌজত যোগদান কৰে ১৯৪৩ খৃঃত। আজাদ হিন্দ ফৌজে ৰেঙ্গুণত বৃটিছৰ বিৰুদ্ধে শিবিৰ পাতিছিল। সেই দলটোত নবাব চেহিদুৰ ৰহমানো আছিল। তেওঁ আছিল 'ইচুবাৰ'। ১৯৪৫ খৃঃ ৩১ মাৰ্চৰ দিনা উক্ত শিবিৰটোত মাৰ্কিন সৈন্যই বোমাবৰ্ষণ কৰে। তাতে মৃত্যু হয় চেহিদুৰৰ। উমেশ চন্দ্ৰ দেৱ চৌধুৰীয়ে তেওঁৰ ১৯৯০ খৃঃত প্ৰকাশিত পুথি 'সেই ৰণাঙ্গণ'ত চেহিদুবৰ বিষয়ে লিখিছে "মৰাশবোৰ বোমা পৰি হোৱা পুখুৰীৰ নিচিনা গাতত পেলাই মাটি দি জাপি দিয়া হৈছিল। শ'বোৰ গাতত পেলোৱা সময়ত দেখিলোঁ মোৰ পৰিচিত অসমীয়া সৈনিকৰ নিচিনা এজন মানুহৰ মৰাশ। মই চিনি পোৱা মানুহজনৰ ঘৰ শিৱসাগৰ জিলাত। আৰাকান জংঘলত মই তেওঁক লগ পাইছিলোঁ। তেওঁ ৰণাক্ষেত্ৰৰ হাস্পতালত কাম কৰিছিল। শৰটো চিনাক্ত কৰা কঠিন আছিল। কিন্তু সুন্দৰ কেঁকোৰা চুলি, কঁপালৰ তিনিটা ৰেখা আৰু দালিম গুটীয়া ওপৰৰ পাৰি দাঁতৰ পৰা বুজিলোঁ সেইজন মোৰ অসমীয়া বন্ধু চেহিদুৰ ৰহমানে স্বৰ্গ পাইছে। আনবোৰ শ'ৰ পৰা অলপ আঁতৰত নতুনকৈ মাটি খান্দি পুতি ৰাখিলোঁ। ভাৰতৰ মুক্তি যুদ্ধৰ অসমীয়া সৈনিকৰ নশ্বৰ দেহটো ৰেংগুণৰ বিশ্ব বিদ্যালয়ৰ চৌহদত পুতি ৰাখিলো।" (অসমীয়া প্ৰতিদিন ১২ চেপ্টেম্বৰ, ২০০৫ চন)

স্মৰণীয় যে চেহিদুৰ শ্বহীদ হোৱাৰ সময়ত শেষ মুহূৰ্ত্তত মুখত পানীটোপা দিয়ে হাজোৰ বৰদধি সত্ৰৰ চেকেণ্ড লেঃ শ্ৰীদাম মহন্তই, শেষ শয়নত মাটি দিয়ে পাটাচাৰকুছিৰ ব্ৰাহ্মণ সন্তান লেঃ উমশ চন্দ্ৰ দেৱ চৌধুৰীয়ে। এয়া সমন্বয়ৰ জলন্ত সাক্ষী।

বিদেশৰ মাটিত জাতি ধৰ্ম-বৰ্ণ নিৰ্বিশেষে চিনাকি অচিনাকি সকলো আপোন হৈ পৰে। সেই সকল স্বদেশৰ যিয়েই নহওক কিয় বুকুৰ কুটুম হয়। সৈন্য বিভাগত সেই আপোনত্ব আৰু গাঢ় হৈ পৰে। ধৰ্মই কাকো বান্ধি ৰাখিব নোৱাৰে যিদৰে নোৱাৰে বৰ লুইত ভেটা দি ৰাখিবলৈ। নবাব চেহিদুৰ, শ্ৰীদাম মহন্ত, উমেশ চন্দ্ৰদেৱ চৌধুৰী সেই আপোনত্বৰ জলন্ত সাক্ষী।

চাৰ ছাদুল্লা — চাৰ ছাদুল্লা, চাহাব আছিল হাড়ে-হিমজুৰা এজন প্ৰকৃত ভদ্ৰলোক, ৰাজনৈতিক ব্যক্তি। ৰাজনৈতিক ব্যক্তি হলেও তেওঁ অত্যাধিক সমাজ সচেতক আছিল। অথচ এইজনা ব্যক্তি আজিও বিতৰ্কিত হিচাপে জনমানসত চিহ্নিত হৈ থাকিল। ছাৰ ছাদুল্লা অসমৰ প্ৰধান মন্ত্ৰী ৰূপে ১/৪/৩৭ খৃঃৰ পৰা ১৯/৯/৩৮ খৃঃলৈ, ১৭/১১/৩৯ ৰ পৰা ২৪/১২/৪১লৈ আৰু ২৫/৮/১৯৪২ৰ পৰা ১১/২/৪৬ লৈকে মুঠতে ৩ বাৰ শাসনকাৰ্য চলাইছিল।

১৮৮৫ খৃঃৰ ২১ মে তাৰিখে গোলাঘাট চহৰৰ ওচৰৰ কছাৰী হাটত জন্ম লাভ কৰা চাৰ ছাদুল্লাৰ পিতৃৰ নাম আছিল চৈয়দ মহম্মদ তৈয়বুল্লা। কটন কলেজিয়েট স্কুলৰ শিক্ষক। আজান পীৰৰ বংশধৰ বুলি তেওঁলোক খ্যাত। ১৯০৯ খৃঃত ছাদুল্লা চাহাবে বি এল পাছ কৰে তাৰ আগতে ৰসায়ণ বিভাগত এম্ এছ্ চি পাছ কৰি কটন কলেজৰ ডেমনষ্ট্ৰেটৰ পদত নিযুক্তি পায়। স্বাধীন অসমৰ প্ৰথম মুখ্যমন্ত্ৰী গোপীনাথ বৰদলৈ তেওঁৰেই ছাত্ৰ।

ৰাজনৈতিক নেতা হিচাপে ছাদুল্লা চাহেব বিতৰ্কিত ব্যক্তি হিচাপে পৰিগণিত হৈ পৰিছিল অসমলৈ মিঞা অনাৰ অগ্ৰদূত বুলি আৰু এক বিশেষ সাম্প্ৰদায়িক নেতা হিচাপে। ছাদুল্লা চাহাবৰ অভিন্ন হৃদয় বন্ধু আছিল গোৱালপাৰাৰ বিশিষ্ট নাগৰিক প্ৰসন্ন কুমাৰ ঘোষ। যাৰ সতে লগলাগি তেতিয়াৰ প্ৰতাপী জমিদাৰৰ ইচ্ছাৰ বিৰুদ্ধে তেওঁ গাঁৱে গাঁৱে প্ৰতিষ্ঠা কৰিছিল অসমীয়া মাধ্যমৰ স্কুল, অসমীয়া সমাজ জীৱনৰ জন-গাঁথনি। পূৰ্ব বংগৰ পৰা খেতিয়ক অহাত তেওঁ উৎসাহ দিছিল সঁচা কাৰণ তেওঁলোক খেতি কৰ্মত পাকৈত। সেই খেতিয়কৰ আদৰ্শত অসমীয়া খেতিয়কসকলো কৰ্মঠ হব। সেইবুলি তেওঁ সেইসকলৰ নেতা হোৱা নাছিল। বৰঞ্চ ছাদুল্লা চাহাবে

গৃহ দপ্তৰৰ ফাইল এটাত লিখিত নির্দেশ দি থৈছিল যে পমুৱা লোকসকলে অধিকাৰ কৰা জমিত তেওঁলোকক কেতিয়াও ম্যাদী পট্টাৰে মাটি পট্টন দিব নালাগে। কিন্তু পৰৱৰ্ত্তী আন এজন মন্ত্রীৰ দিনত তেওঁৰ মন্ত্রী সভাৰ ৰাজহ মন্ত্রীজনে সেই নির্দেশ বাতিল কৰে।

এবাৰ বৰপেটালৈ গৈ ছাদুল্লা চাহাবে বৰপেটাহেন সত্ৰৰ সত্ৰাধিকাৰৰ দৰ্শন পাবলৈ ইচ্ছা প্ৰকাশ কৰিলে। সেইমতে সত্ৰলৈ বাৰ্তাও পঠালে। সত্ৰত উপস্থিত হোৱাত সত্ৰাধিকাৰে ছাদুল্লা চাহাবৰ লগত যোৱা হিন্দু বিষয়া কৰ্মীসকলক চন্দনৰ ফোট দিলে। ছাদুল্লা চাহাবক সন্মান জনোৱা হ'ল এখন ফুলাম গামোচা আৰু এপাহি কেতেকী ফুলেৰে। সেই মহা মিলনৰ আনন্দত উপস্থিত সকলোৱে তবধ মানিলে। ছাদুল্লা চাহাবে সত্ৰাধিকাৰৰ লগত গীতা-ভাগৱতৰ কথা আলোচনা কৰিলে। সত্ৰৰ প্ৰসাদ হেপাহ পলুৱাই খালে। ছাদুল্লা চাহাবৰ জীৱিত কাললৈ সত্ৰাধিকাৰলৈ প্ৰতি বছৰে বহাগৰ প্ৰথম দিনা-মাননি পঠাই আছিল। শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰ এনাজৰী অটুট ৰাখিছিল— সেই মাননিৰ যোগেদি।

ভ্ৰমণ কালতো তেওঁ একেলগে খানা খোৱাত গুৰুত্ব দিছিল। তেওঁ নিজে খাবলৈ বহাৰ আগেয়ে চাপ্ৰাচী, ড্ৰাইভাৰ আদিয়ে খালে নে নাই সুধি লৈছিল। মনত উচ্চ-নীচ ভাব কেতিয়াও নাৰাখিছিল।

চাৰ ছাদুল্লা অসমৰ প্ৰথম আৰু একমাত্ৰ লোক যিজনে 'চাৰ' উপাধি পাইছিল। তেওঁৰ প্ৰশাসনীক দক্ষতা আৰু সাংবিধানিক অভিজ্ঞতাৰ বাবে তেওঁ স্বাধীন ভাৰতৰ সংবিধান ৰচনা কমিটীৰ এজন সদস্য নিৰ্বাচিত হৈছিল আৰু সেই পদৰ মৰ্যাদা ৰক্ষা কৰি প্ৰশংসাভাজন হৈছিল। কোনো কাহানিও তেওঁ হীন মন্যতাত ভোগা নাছিল। চাৰ ছাদুল্লা চাহাব আছিল এজন প্ৰকৃত অসমীয়া আৰু অসমক ভালপোৱা লোক। মুছলীম লীগৰ প্ৰধান মন্ত্ৰী আছিল বুলিয়েই তেওঁ অস্পৃশ্য নাছিল। তেওঁ সেই সময়ৰ প্ৰত্যেকখন অসম সাহিত্য সভাত উপস্থিত হৈছিল।

শ্ৰীদেৱেশ্বৰ শৰ্মাই তেওঁৰ 'হেৰাই যোৱা দিনবোৰ নামৰ পুথিখনৰ ৪২৩ পৃষ্ঠাত লিখিছে— "ছাদুল্লা চাহাব আছিল হাড়ে-হিমজুৱে অসমীয়া আৰু উদাৰ প্ৰকৃতিৰ লোক। তেওঁৰ সাংবিধানিক জ্ঞান আৰু প্ৰশাসনীয় দক্ষতা বিশেষভাৱে উল্লেখযোগ্য। অসমৰ জনজীৱনৰ সকলো ক্ষেত্ৰতে উন্নতশিৰে বিচৰণ কৰা পুৰুষজনৰ মৃত্যুৰ লগে লগে ৰাজ্যখনৰ সামাজিক আৰু ৰাজনৈতিক জগতত এটা

উজ্জ্বল নক্ষত্ৰ নিৰ্বাপিত হৈ গ'ল — (ঈশ্বৰ চন্দ্ৰ চৌধুৰীঃ আজিৰ অসম ঃ শনিবাৰ ১০ এপ্ৰিল ঃ ১৯৯৩ চন।)

আব্দুল মজিদ — জন্ম ১৮৬৭ খৃঃত। যোৰহাটৰ মহম্মদ চাহ মৌজাদাৰৰ পুত্ৰ। কলিকতা হাইকোৰ্টৰ বিচাৰক নিযুক্ত হোৱা প্ৰথম অসমীয়া। প্ৰথমতে কলিকতাত বেৰিষ্টাৰী কৰিছিল। তেওঁ "অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা" আৰু "অসমীয়া ছাত্ৰৰ সাহিত্যচৰ্চাৰ সভা"ৰ যোগেদি নিস্বাৰ্থ ভাবে অসমীয়া জাতি, ভাষা আৰু সাহিত্যৰ উন্নতিৰ হকে যত্ন কৰিছিল। নিম্ন প্ৰাইমাৰী পাঠ নামৰ দুখন পাঠ্য পুথিও লিখিছিল। ১৯২৪ খৃঃত মৃত্যু হয়।

আহলায়াৰ খাঁ — বংগৰ এজন প্ৰখ্যাত সেনাপতি। ১৬৩৯ খৃঃত এওঁৰ লগতে সন্ধি কৰি মোমাই তামুলী বৰবৰুৱাই হৃতৰাজ্য "কোচ হাজো" অঞ্চল ঘূৰাই পায়। কোচ হাজোক সেই সময়ত সোণকোষ নদীৰ পূব খণ্ডক বুজাইছিল।

ইবনে বতুতা — এজন মুছলমান পৰিব্ৰাজক। ১৪ শতিকাত উত্তৰ আফ্ৰিকাৰ তানজিয়াৰত জন্ম। সম্পূৰ্ণ নাম আছিল আবু আবদুল্লাহ মহম্মদ ইব্‌নে আবদুল্লাহ। ২২ বছৰ বয়সতে তেওঁ মক্কা দৰ্শনৰ বাবে গৃহ ত্যাগ কৰে। তাৰ পাছত এচিয়াৰ বহু দেশ ভ্ৰমণ কৰি ইৰাণত থাকিবলৈ লয়। ১৩৩৩ খৃঃত তেওঁ ভাৰতলৈ আহে। ভাৰতৰ পৰা চীনলৈ যায়। এইদৰে ৩০ বছৰ বিভিন্ন দেশ পৰিভ্ৰমণ কৰি প্ৰচুৰ জ্ঞানৰ অধিকাৰী হৈ নানা দেশৰ ঐতিহাসিক ভৌগলিক আৰু সামাজিক অৱস্থাৰ ওপৰত নিখুঁত চিত্ৰ আঁকি বিৱৰণ লিখে। সেইবোৰ এচিয়া মহাদেশৰ ইতিহাস আৰু ভূগোল শাস্ত্ৰৰ অতুলনীয় সম্পদ। ১৩৫০ খৃঃত এই গৰাকী মনীষীয়ে অসম ভ্ৰমণ কৰি অসমৰ সেই সময়ৰ এটা মনোগ্ৰাহী বিৱৰণ লিখা বুলি জনা যায়।

কাজিম — ১৭ শতিকাত অহা এজন মুছলমান বুৰঞ্জীবিদ। অসমলৈ আহি তেওঁ অসমৰ বৰ্ণনা লিখিছিল। তেওঁ লিখিছিল "হিন্দুস্থানৰ পাগান (বিধৰ্মী) বোৰৰ দৰে অসমীয়া মানুহবোৰ নহয়। ইহঁতে মুছলমানে পৰিবেশন কৰা খাদ্যকো প্ৰত্যাখ্যান নকৰে।"

গ্লেনিয়াচ — এজন ওলন্দাজ নাবিক। মীৰজুমলাৰ লগত অসমলৈ আহিছিল। মীৰজুমলাৰ সৈন্যৰ বিলৈ বিপত্তিৰ বিৱৰণ লিখাৰ উপৰিও অসমৰ সেই সময়ৰ অৱস্থাৰ ওপৰত এটা বিস্তৃত টোকা লিখি থৈ যায়।

চান্দ মহম্মদ চৌধুৰী কামৰূপী — কামৰূপৰ কমলপুৰৰ ওচৰৰ পিয়ালিখাতা গাঁৱত চান্দ মহম্মদ চৌধুৰীৰ জন্ম হয় ১৮৯৬ খৃঃত। দেউতাকৰ নাম আছিল নিয়ামত আলি চৌধুৰী আৰু মাক সোণাবাণু চৌধুৰী। পূৰ্বতে অসমৰ নাম কামৰূপ আছিল কাৰণে মাতৃভূমিৰ প্ৰতি শ্ৰদ্ধা জনাই তেওঁ নিজকে কামৰূপী বুলি চিনাকি দি গৌৰব অনুভব কৰিছিল। তেওঁ আবাহন যুগৰ এজন প্ৰসিদ্ধ লিখক। 'সচিত্ৰ বিবাহ চিত্ৰ' তেওঁৰ প্ৰকাশিত গ্ৰন্থ।

চান্দসাই > চান্দ খাঁ > চান্দসাঁ — মহাপুৰুষ শঙ্কৰদেৱৰ এজন মুছলমান শিষ্য। বৃত্তিত দৰ্জি। একশৰণীয় ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ শঙ্কৰদেৱৰ শিষ্য হয়। এওঁ বহুতো গীত লিখি অসমৰ গীতি সাহিত্যৰ ভঁৰাল চহকী কৰে। এওঁৰ গীতত হিন্দু-মুছলমানৰ সম্প্ৰীতি মন কৰিবলগীয়া। এওঁকে "চান্দৰে বড়াই" বুলি কোৱা হয়। কিছুমানৰ মতে 'কবীৰ' উপাধিও পায়।

চাৱা লৈ — গৌড়ৰ সেনাপতি তুৰ্বকৰ জীয়াৰী। এওঁক আহোম ৰজা চুজিনফা বা দিহিঙ্গীয়া ৰজাই বিয়া কৰাই ৰাজৰাণী পাতে। এইজনা ৰাণীয়ে অসমত ইতিমধ্যে বসতি স্থাপন কৰা মুছলমান প্ৰজাৰ হিতাৰ্থে যথেষ্ট কল্যাণময়ী কাম কৰিছিল।

চাহাবুদ্দিন তালিশ — এজন মোগল বুৰঞ্জীবিদ। মীৰ জুমলাৰ লগত অসমলৈ আহিছিল। এৱেঁই বিখ্যাত "ফাতিয়ায়ে - ইবৰীয়া" নামৰ বুৰঞ্জীগ্ৰন্থখন লিখিছিল যদিও দেখাত এইখন ভ্ৰমণটোকাহে, তথাপি এই বুৰঞ্জীখন অসমৰ তেতিয়াৰ ভৌগলিক পৰিবেশ আৰু ৰাজনৈতিক অৱস্থাৰ বিষয়ে জনাৰ এখন অতি মূল্যৱান গ্ৰন্থ।

মহম্মদ চুলেইমান খাঁ— ১৮৭০ খৃঃত এওঁৰ জন্ম হয় ডিব্ৰুগড়ত। দেউতাকৰ নাম জান মহম্মদ খান। এওঁ বৃত্তিত যদিও শিক্ষক আছিল জনাজাত কিন্তু শিশু সাহিত্যিক হিচাপেহে। "নোৱাৰো কথাটি, হেৰা বোপা বেয়া কথা বৰ" (আচলতে পদ্য) "কদাপি নহয় সিটো কথা পুৰুষৰ" এটা কালজয়ী আৰু চিত্ৰাকৰ্ষক কবিতা। তদুপৰি এওঁৰ 'মতিৰ খোকা' নামৰ ইছলামী ভাবধাৰাৰ এখন উল্লেখযোগ্য পুথি। 'প্ৰচাৰক' নামৰ এখন পত্ৰিকাৰ এওঁ দুবছৰ সম্পাদনা কৰে। কিতাপ ব্যৱসায়ৰ কাৰণে এওঁ ডিব্ৰুগড়ত 'মোখলেচীয়া এজেন্সী খুলিছিল। ১৯৩৫ খৃঃত এওঁৰ মৃত্যু হয়।

চৈয়দ মুজতবা আলী — জন্ম ১৯০৪ খৃঃত কৰিমগঞ্জত। এওঁ বঙালী ভাষাত 'দেশে-বিদেশে' নামৰ আফগানিস্তানৰ ভ্ৰমণ কাহিনী লিখি খ্যাতি অৰ্জন কৰে। এজন চিন্তাশীল আৰু ৰসিক লেখক। তদুপৰি পঞ্চতন্ত্ৰ ১ম, ২য় খণ্ড, ময়ুৰকণ্ঠী, অবিশ্বাস্য, হিটলাৰ, শবনম, মুসাফিৰ, কতনা অশ্ৰুজল আদি এওঁৰ উল্লেখযোগ্য গ্ৰন্থ। ইংৰাজী গ্ৰন্থ হ'ল— Origin of the Khojas and their Religious life - to day.

জালনুৰ আলি আহমেদ — ১৮৪৮ খৃঃত গুৱাহাটীত জন্ম। ভাৰতৰ ৰাষ্ট্ৰপতি প্ৰয়াত ফকৰুদ্দিন আলি আহমেদৰ পিতৃ। এওঁ এজন দুখীয়া খেতিয়কৰ সন্তান আছিল। ১৮৬৪ খৃঃত গুৱাহাটীৰ কলেজিয়েট স্কুলৰ পৰা এণ্ট্ৰেন্স্ পৰীক্ষা পাছ কৰি প্ৰথমতে কলিকতা আৰু পাছত গ্লাচগো বিশ্ববিদ্যালয়ৰ পৰা চিকিৎসা বিজ্ঞানৰ শিক্ষা সুখ্যাতিৰে পাছ কৰি ভাৰতীয় সেনাবাহিনীৰ চিকিৎসক পদত যোগ দিয়ে। অসমৰ বাহিৰৰ বিভিন্ন ঠাইত চাকৰি কৰি কৰ্ণেল ৰূপে অবসৰ লয়। উৰ্দুভাষী মহিলা বিয়া কৰাই দিল্লীত বসবাস কৰিছিল। ১৯৩১ খৃঃত মৃত্যু হয়।

জিকিৰ আলি হাজৰিকা — জন্ম ১৮ শতিকাত। এওঁৰ পিতৃ মৌলবী গহৰ আলি খাঁ ১৭ শতিকাৰ শেষ ভাগত অসমলৈ আহিছিল। জিকিৰে দেউতাকৰ পৰা ভাষা, সাহিত্য আৰু ধৰ্মৰ শিক্ষা লৈ আজান ফকীৰৰ আশ্ৰমত থাকি জিকিৰ-জাৰী গীত ভালকৈ গাবলৈ শিকে। সেয়ে তেওঁ জিকিৰ আলি নামে প্ৰসিদ্ধ হৈ পৰে। তেওঁ সংগীতৰ স্বীকৃতি স্বৰূপে আহোম ৰজাই তেওঁক মাটি-বৃত্তি দিয়াৰ উপৰিও এহেজাৰ মুছলিম পাইকৰ ওপৰত হাজৰিকা পাতিছিল। তেওঁকেই 'বৰ মোল্লা' নামে জনা যায়।

জেহিৰুদ্দিন আহমেদ — ১৮৮৬ খৃঃত যোৰহাটত জন্ম। পিতৃৰ নাম আছিল ডাঃ কেৰামত আলি। ১৯১০ খৃঃত কলিকতা বিশ্ববিদ্যালয়ৰপৰা বি.এ. পাছ কৰি যোৰহাট চৰকাৰী হাইস্কুলত শিক্ষকৰূপে চাকৰিত সোমায়। সুদীৰ্ঘ কাল সেই স্কুলতে শিক্ষকতা কৰি সেই স্কুলৰে প্ৰধান শিক্ষক হয়। শিক্ষা জগতলৈ আগবঢ়োৱা অৱদানৰ কাৰণে বৃটিছ চৰকাৰে তেওঁক খান বাহাদুৰ উপাধি প্ৰদান কৰে। ১৯৭৩ খৃঃ ত তেওঁৰ মৃত্যু হয়।

আব্দুল জালাল জোলকাদ আলি — এওঁ চুফী চাহেব নামে জনাজাত। শিৱসাগৰত ১৭৯৬ খৃঃত জন্ম হয়। এওঁৰ দেউতাকৰ নাম আছিল ফৰজন্দ গাঁওবুঢ়া। ফৰজন্দ গাঁওবুঢ়াৰ দেউতাক পীৰ মহম্মদ্ আজান ফকীৰৰ লগত অসমলৈ আহিছিল। তেওঁ আছিল আহোম ৰজাৰ ফাচী পঢ়ীয়া। মানৰ আক্ৰমণৰ সময়ত জোলকাদ আলি ককায়েক তেখেঞ্জৰ আৰু দুজনী ভনীয়েকৰ সৈতে গুৱাহাটীলৈ আহে। গুৱাহাটীৰ জৰ্জফিল্ডৰ ওচৰত কিছুদিন থকাৰ পাছত কমাৰপট্টিলৈ উঠি যায়।

গুৱাহাটীৰ পৰা ছাত্ৰবৃত্তি পাছ কৰি আৰবী- ফাৰ্ছী শিকিবৰ কাৰণে ঢাকালৈ যায়। ঢাকাত পাঁচ বছৰ পঢ়াৰ পাছত উচ্চ শিক্ষাৰ্থে জৌনপুৰলৈ যায়। তাত মৌলনা কেৰামত আলিৰ অধীনত শিক্ষা গ্ৰহণ কৰি পাৰদৰ্শিতা দেখুৱাৰ কাৰণে 'চুফী' উপাধি লাভ কৰে। এই গৰাকী ব্যক্তিৰ যোগেদি অসমীয়া গদ্য ৰচনাৰ এটা বিশেষ নিদৰ্শন পোৱা যায়। চুফীজনাই "তৰিকুল হক ফি বয়ানে নুৰুল হ'ক যাৰ অৰ্থ 'সত্যৰ পথ' নামৰ গ্ৰন্থখনি আৰবী আখৰৰে অসমীয়া ভাষাত লিখিছিল ১৮৩৯ খৃঃত। তেওঁৰ নাতি ল'ৰা গুৱাহাটীৰ মহম্মদ চালেহ কাজিমে ১৯৬৭ খৃঃত অসমীয়া লিপিত প্ৰকাশ কৰি উলিয়ায়। ইয়াৰ উপৰিও তেওঁৰ আন এখন বিখ্যাত গ্ৰন্থ "বিবি ৰেমিয়াৰ জীৱনী।" ইয়াৰো লিপি উৰ্দ্দু কিন্তু ভাষা অসমীয়া ১৮৯১ খৃঃত ৯৫ বছৰ বয়সত চুফী গৰাকীৰ এন্তেকাল হয়। গুৱাহাটীৰ আঠগাঁৱৰ কবৰস্থানত তেওঁৰ মাজাৰ বিদ্যমান। চুফী চাহেব আছিল এজনা প্ৰসিদ্ধ ধৰ্ম সংস্কাৰক। মঙ্গলদৈৰ মুছলমানে তেওঁৰ যত্নতে আজি সংস্কাৰমুখী প্ৰকৃত ইছলামীয় সাংস্কৃতিক সমাজখন পাবলৈ সমৰ্থ হৈছে বুলি কলে বঢ়ায় কোৱা নহয়। মানৰ আক্ৰমণত ফৰজন্দৰ পুত্ৰ ফিৰিঙ্গি চাহ যায় ডিব্ৰুগড়লৈ, বীৰচাহ যায় নাজিৰালৈ। ছাহজাহান, তেখেঞ্জৰ আৰু জোলকাদ চাহাব দুজনী ভনীয়েকৰ সৈতে গুাহাটীলৈ যায়। ডিব্ৰুগড়ত ফিৰিঙ্গি চাহৰ পুত্ৰই হ'ল ডাঃ আউৰঙ্গ চাহ। তেখেতৰ নাতি প্ৰসিদ্ধ ডাঃ আয়েজ চাহাব।

ডাক্তৰ আওৰংগ চাহ — জন্ম ডিব্ৰুগড়ত ১৮৫৭ খৃঃত। দেউতাকৰ নাম আছিল ফিৰিঙ্গি শ্বাহ। ১৮৭৬ খৃঃত তেওঁ পাটনাৰ পৰা ডাক্তৰী পাছ কৰে। উচ্চ শিক্ষাৰ কাৰণে ১৮৮৪ খৃঃত স্কটলেণ্ডৰ গ্লাচগো বিশ্ববিদ্যালয়লৈ যায়। তাত চাৰি বছৰৰ পাঠ্যক্ৰম তিনি বছৰতে শেষ কৰি নৰিয়াপাটীৰ পৰাই পৰীক্ষা দিয়ে। কিন্তু পৰীক্ষাত কৃতকাৰ্যতা লাভ কৰা খবৰ পাবলৈ তেওঁৰ সৌভাগ্য নঘটিল। ১৮৮৬ খঃৰ ২ আগষ্টৰ দিনা গ্লাচগোতে তেওঁ ইহলীলা সম্বৰণ কৰে।

নবাব দানিছ মহম্মদ — তিতাবৰত ১৯০৩ খৃঃত জন্ম। দেউতাকৰ নাম আলহাজ নবাব মহম্মদ জোলকাদ আলি আৰু মাকৰ নাম ৰুহন্নিছা। ব্যৱসায়ত ডাক্তৰী যদিও ধৰ্মপ্ৰাণ ব্যক্তিৰূপে জনাজাত হৈছিল। 'হজ যাত্ৰাৰ ডায়েৰী' তেওঁৰ উল্লেখযোগ্য গ্ৰন্থ। 'বিবি ফাতিমা' আৰু 'শান্তিৰ নিজৰা' তেওঁৰ আন দুখন উপাদেয় গ্ৰন্থ। ১৯৮০ খৃঃত যোৰহাটৰ লেচুবাৰীত তেওঁৰ মৃত্যু হয়।

নূৰ মহম্মদ — এওঁ আৰক্ষী বিভাগৰ জামাদাৰ। ১৮৫৭ খৃঃত চিপাহী বিদ্ৰোহৰ সময়ত চাকৰিৰ পৰা ছুটী লৈ আহি ভগা ৰজা কন্দৰ্পেশ্বৰক লগ ধৰি ডিব্ৰুগড়ৰ চিপাহীসকলে তেওঁক ৰজা পতাত সহায় কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে।

নুৰশ্বাহ — ১৬ শতিকাত এইজনী ৰাণীয়ে কামৰূপ শাসন কৰিছিল বুলি উল্লেখ আছে যদিও এই সম্পৰ্কত বুৰঞ্জী নিমাত। তেওঁৰ ৰাজত্ব কালতে শিখ গুৰু নানকৰ লগত বহুতো শিখ ধৰ্মাৱলম্বী লোক অসমত প্ৰৱেশ কৰে। সেই সময়ত কামৰূপৰ তিৰোতাবোৰ মায়া বিদ্যাত পাৰ্গত আছিল। নুৰশ্বাহে নানকক ভুলাবৰ কাৰণে মন্ত্ৰ মাতিলে। নানকেও শিখ ধৰ্মৰ আধ্যাত্মিক স্তোত্ৰ পাঠ কৰিলে। নুৰশ্বাহৰ মন্ত্ৰই কাম নিদিয়াত নানকক মুহিব নোৱাৰি বহুতো মানুহ নানকৰ শিষ্যত্ব গ্ৰহণ কৰে।

ফাইজুদ্দিন আহমেদ — জন্ম ১৮৬৫ খৃঃত। ডিব্ৰুগড়ৰ প্ৰখ্যাত বাঘ হাজৰিকাৰ বংশধৰ এজন উচ্চ পৰ্যায়ৰ চাকৰীয়াল। এওঁৱেই পোন প্ৰথমে হজৰত মহম্মদ (দঃ) ৰ জীৱনী 'হজৰত মহম্মদ' নামেৰে জীৱনীগ্ৰন্থ লিখে। ইয়াৰ বাহিৰেও তেওঁ ইছলাম জগতৰ প্ৰথম চাৰিজন খালিফা --আবু বক্কৰ চিদ্দিক, ওচমান গণি, ওমৰ ফাৰুক আৰু হজৰত আলিৰ চাৰিখন জীৱনী গ্ৰন্থ লিখে। 'Islam the only Universal Relegion' নামৰ ইংৰাজী গ্ৰন্থখন তেওঁৰ উল্লেখযোগ্য।

ফৰ্মুদ আলি — সঙ্গীতজ্ঞ আৰু বেহেলাবাদক। আহোম ৰজা কন্দৰ্পেশ্বৰ সিংহৰ ৰজাঘৰীয়া গায়ন-বায়নৰ ওপৰত ওজা আছিল। ৰাজ হাউলীত কুঁৱৰীসকলক সঙ্গীত শিকাইছিল। ১৮৫৭ খৃঃ ত চিপাহী বিদ্ৰোহত মণিৰাম দেৱানৰ লগত দেশৰ মুক্তিৰ হকে, জল্পনা-কল্পনা কৰি ধৰা পৰাত বন্দী হৈছিল। এওঁৰ পিতৃৰ নাম আছিল পদো মোল্লা। যোৰহাটৰ বাসিন্দা। চিলাই আৰু গুণাৰ কামত পাকৈত আছিল।

ফৈজনুৰ আলি — ২/৪/১৮৭৭ তাৰিখে ডিব্ৰুগড়ত জন্ম হয়। পিতৃ

ফানুৰ আলি আৰু মাতৃ জাৰচানি বিবি। ১৮৯৩ খৃঃত ডিব্ৰুগড়ৰ ৰাজ্য পালন হাই স্কুলৰপৰা প্ৰথম বিভাগত এণ্ট্ৰেন্স পাছ কৰি কলিকতাৰ মাদ্ৰাছা কলেজৰ পৰা প্ৰথম বিভাগত এফ্ এ আৰু প্ৰেচিডেন্সী কলেজৰ পৰা বি এ পৰীক্ষা পাছ কৰে। যুৰিষ্ট্ৰীত এম্ এ পঢ়িছিল। যদিও পঢ়া সাং নকৰিলে। ১৯০৪ খৃঃত বি এল পাছ কৰি ডিব্ৰুগড়ত ওকালতি কৰে। ২৪ বছৰ ওকালতি কৰে। ডিব্ৰুগড়ত বহা অসম এছোচিয়েছনৰ অভ্যৰ্থনা সমিতিৰ উপসভাপতি পদত নিযুক্ত হৈছিল। ১৯২০ খৃঃত নাগপুৰ কংগ্ৰেছ অধিবেশনত যোগদিয়াৰ অপৰাধত পুলিচি নিৰ্যাতন ভুগিব লগা হৈছিল। ১৯২৪ - ২৯ খৃঃৰ কালছোৱা অসম ব্যৱস্থাপক সভাৰ সদস্য আৰু ১৯৩৭ -৪২ কালছোৱাত লোকসেৱা আয়োগৰ সদস্য ৰূপে থাকে। কংগ্ৰেছত সক্ৰিয়ভাৱে যোগ দি ১৯৫০ খৃঃত লোক সভাৰ সদস্য, ১৯৫২ খৃঃত অসম বিধান সভাৰ সদস্য নৰ্বাচিত হয়। তেওঁ বহুতো জনহিতকৰ কামত জড়িত আছিল। ১৯৪৮ খৃঃতে তেওঁ ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ প্ৰথম সভাপতি হৈছিল। ২৪/৪/১৯৬২ খৃঃত মৃত্যু হয়।

ফৈয়াজ আহমেদ — জন্ম গুৱাহাটীত। মুন্সী কেফায়ৎ উল্লাৰ বংশধৰ। কটন কলেজিয়েট স্কুলৰ পৰা প্ৰৱেশিকা পাছ কৰি কলিকতাৰ চেণ্ট জেভিয়াৰ্চ কলেজত নাম ভৰ্ত্তি কৰে। তাৰপৰা বি. এ. পাছ কৰি শিক্ষকতা কৰে। পাছত বি. এল পাছ কৰি গুৱাহাটীত ওকালতি কৰে; মাজতে কিছুদিন ই. এ. চি. হৈছিল। অসহযোগ আন্দোলনৰ সময়ত চৰকাৰী চাকৰি ত্যাগ কৰি আন্দোলনত যোগ দিয়ে। গুৱাহাটী পৌৰসভাৰ প্ৰথমতে উপসভাপতি পাছত সভাপতি হৈছিল। নানা সামাজিক অনুষ্ঠানৰ লগত তেওঁ জড়িত আছিল।

বাঘ হাজৰিকা — প্ৰকৃত নাম মহম্মদ ইছমাইল চিদ্দিকি। ২৫ বছৰ বয়সত দিল্লীৰ পৰা অসমলৈ আহি আহোম ছোৱালী বিয়া কৰাই গড়গাঁৱত নিগাজীকৈ বাস কৰে। কৰ্মদক্ষতাৰ কাৰণে আহোম ৰজাই চমুৱা হাজৰিকা পাতিছিল। শৰাই ঘাটৰ যুদ্ধত মোগলৰ বিৰুদ্ধে লাচিত বৰফুকনৰ সৈতে গড়গঞা পালি সেনাপতি ৰূপে যুদ্ধ কৰিছিল। সেয়ে তেওঁ 'গড়গঞা' সেনাপতি ৰূপে জনাজাত।

বাহাদুৰ গাওঁবুঢ়া — যোৰহাটত ১৮১৯ খৃঃত জন্ম। প্ৰকৃত নাম বাহাদ্বিল। এওঁৰ আতাক দিল গাঁওবুঢ়া। এইদিল গাঁওবুঢ়া আখৰকটীয়া হিচাপে আহোম ৰজাৰ

দিনত ভাটিৰ ফালৰ পৰা অসমলৈ আহিছিল। বাহাদৰ গাঁওবুঢ়াই ১৮৫৭ খৃঃৰ বিদ্ৰোহত যোগ দি ইংৰাজৰ হাতত বন্দী হৈ কলীয়াপানীত পচিছিল। তেওঁ মণিৰাম দেৱানৰ সহকৰ্মী আছিল আৰু ফৰ্মুদ আলিৰ বন্ধু আছিল। বৰ পুতেক মণিৰুদ্দিনে দুতিৰাম বৰুৱাৰ পুতেক প্ৰিয়লাল বৰুৱাৰে লগলাগি আপীল কৰি ১৮৬৩ খৃঃত চাৰি বছৰৰ পাছত কলীয়াপানীৰ পৰা মুক্ত কৰি আনে। তেওঁ এজন দক্ষ আখৰকটীয়া আছিল। হাতী দাঁতৰ কামো জানিছিল। এওঁৰেই আউনিআটী সত্ৰৰ বাবে হাতীদাঁতৰ পাটি আৰু বিচনী তৈয়াৰ কৰি দিছিল। ১৮৯১ খৃঃত মৃত্যু হয়।

মজনুদিল — এজন ফকীৰ। সম্ভৱত ১৫ শতিকাত অসমত থাকি জিকিৰ শ্ৰেণী গীত ৰচনা কৰিছিল। এওঁৰ ভাষাত সমসাময়িক বৈষ্ণৱ কবিৰ প্ৰভাৱ পৰিছিল এওঁ আজান ফকীৰতকৈ আগতে অসমলৈ আহিছিল। এওঁ ধৰ্ম প্ৰচাৰক নাছিল।

মনচুৰ খাঁ — লালুকসোলা বৰফুকণে যেতিয়া কু-অভিপ্ৰায়েৰে অৰ্থাৎ নিজে ৰজা হোৱাৰ প্ৰচেষ্টা কৰি মোগলক গুৱাহাটী অঞ্চল এৰি দিছিল তেতিয়া মোগল সেনাপতি আছিল এইজন মনচুৰ খাঁ। ১৬৭১ খৃঃত লালুকসোলাই বিনা যুদ্ধে এইজন মোগল সেনাপতিক গুৱাহাটী এৰি দিছিল।

মহম্মদ ছালেহ — জন্ম গুৱাহাটী ১৮৯৭ খৃঃত। দেউতাকৰ নাম জমৰজ হুছেইন। ছালেহ চাহাবে বি. এ. পাছ কৰি কটন কলেজিয়েট স্কুলত শিক্ষকতা কৰে। অসমীয়া ভাষা-সাহিত্যৰ এজন একনিষ্ঠ সেৱক। বহুতো প্ৰবন্ধ আৰু কবিতা ৰচনা কৰাৰ উপৰিও তেওঁ 'হাঁহিৰ থুনুপাক' নামৰ এখনি ধেমেলীয়া গল্পৰ কিতাপ লিখে। মুছলমান সমাজৰ মুখপত্ৰ 'সাধনা'ৰ সম্পাদক আছিল। মুখপত্ৰখন প্ৰথমতে প্ৰকাশ পায় ১৯২৩ খৃঃত। হাইদৰাবাদত অনুষ্ঠিত হোৱা 'অল ইণ্ডিয়া কনফাৰেন্স'ত অসমৰ প্ৰতিনিধি স্বৰূপে গৈ "Constitution of Muslims -- Assamese Literature' নামৰ প্ৰবন্ধটো পাঠ কৰে। ১৯৪৭ খৃঃত গুৱাহাটীত মৃত্যু হয়।

মহম্মদ জামান — পূৰ্বতে গোৱালপাৰা অঞ্চলত যাদু আৰু ভেলেকী বিদ্যাৰ প্ৰচলন আছিল বুলি বাহাৰিস্তানে গাইবী গ্ৰন্থত উল্লেখ আছে। এই জামান নামৰ মানুহ জনে তাৰ বিৰুদ্ধে প্ৰত্যুত্তৰ দিবলৈ গৈ ভেলেকী বিদ্যাত আচ্ছান্ন হৈ কুকুৰ-মেকুৰীৰ মাত মাতি তিনি দিনমানৰ পাছতে মৃত্যু হয়।

আব্দুছ ছাত্তাৰ — শিৱসাগৰৰ টিফুক চাহ বাগিচাত ১৯২২ খৃঃত জন্ম হয়। ১৯৪০ খৃঃত দৰ্শন বিষয়ত অনাৰ্চ সহ বি. এ. পাছ কৰি প্ৰথমে তিতাবৰৰ মিহিৰামশইকীয়া হাইস্কুলত পাছত শিৱসাগৰ চৰকাৰী হাইস্কুলত শিক্ষকতা কৰে। তাৰ পিছত তেওঁ দিল্লীৰ জামিয়া মিলিয়া ইচলামীয়াত বুনিয়াদী শিক্ষকৰ প্ৰশিক্ষণ লবলৈ যায়। ১৯৪৯ খৃঃত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এম. এ. উপাধি লাভ কৰে। ১৯ ৫৩ খৃঃত ভাৰত চৰকাৰৰ শুভেচ্ছামূলক আঁচনিৰ অধীনত নিৰ্বাচিত হৈ আফগানিস্থানলৈ গৈ তাত কেবাবছৰো শিক্ষকতা কৰে। তাৰপৰা ঘূৰি আহি ১৯৬০ খৃঃত চৰকাৰী শিক্ষা বিষয়া হিচাপে নিযুক্তি লাভ কৰে। বুনিয়াদি প্ৰশিক্ষণ কেন্দ্ৰৰ অধ্যক্ষ ৰূপে অসমৰ বিভিন্ন ঠাইত চাকৰি কৰি ১৯৭৬খৃঃত বিদ্যালয়সমূহৰ উপপৰিদৰ্শক হিচাপে যোৰহাটলৈ যায় আৰু তাৰ পৰাই ১৯৮৩ খৃঃত অৱসৰ গ্ৰহণ কৰে।

আব্দুছ ছাত্তাৰ চাহাব আছিল এগৰাকী খ্যাতনামা সাহিত্যিক। ছাত্ৰ অৱস্থাতে তেওঁ 'কটনিয়ান' আলোচনীৰ সম্পাদনা কৰিছিল। তেখেত আছিল হিন্দু-মুছলমানৰ সম্প্ৰীতিৰ একক স্ৰষ্টা। তেখেতৰ প্ৰসংগ কোষ, সংমিশ্ৰণত অসমীয়া সংস্কৃতি, সম্প্ৰীতিৰ চানেকি এনে বিষয়ক অমূল্য গ্ৰন্থ। ইতিহাসে বিচাৰি নোপোৱা বহুতো সমল অসমীয়া সমাজক উপহাৰ স্বৰূপে দি এই সেতু-বন্ধন যুগমীয়া কৰি থৈ গৈছে। তেখেতৰ এই সমল উদ্ধাৰৰ আশাশুধীয়া চেষ্টাৰ কাৰণে পণ্ডিত প্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈ অতিকৈ মুগ্ধ হৈ অসমৰ একমাত্ৰ এইজনা ছাত্তাৰ চাহেবক জীৱনী লিখিবলৈ অনুমতি দিছিল। সেয়ে তেখেতে পণ্ডিতজনাৰ "পণ্ডিত প্ৰৱৰ কৃষ্ণ কান্ত সন্দিকৈ নামৰ জীৱনী" গ্ৰন্থখন লিখিছিল। তদুপৰি তেখেতৰ 'অসমীয়া সাহিত্যত বিবিধ আলোচনা, 'বিদেশত দুদিনমান 'গান্ধীজীৰ জীৱন কথা' 'নবি আৰু ইছলাম' উল্লেখযোগ্য গ্ৰন্থ।

ছাত্তাৰ চাহাবৰ সম্পাদিত গ্ৰন্থসমূহ — মফিজুদ্দিন আহমদ হাজৰিকাৰ ৰচনাৱলী, প্ৰাচ্য বিদ্যাৰ্ণৱ কৃষ্ণকান্ত, সপ্তম দশকৰ অসমীয়া ভাষা-সাহিত্যৰ ইতিবৃত্ত অন্যতম। অনুদিত গ্ৰন্থ — কাজি নজৰুল ইছলাম, কবীৰ আৰু সৌভাগ্য, পৰশমণি। তদুপৰি তেখেতৰ দুখন কবিতাপুথি 'কবৰ' আৰু 'সূৰুজ'। ১৯৭১-৭২ত সাহিত্য সভাৰ পত্ৰিকা সম্পাদক, ১৯৭৭-৭৮ ত প্ৰধান সম্পাদক আৰু ১৯৮৬ খৃঃত অসম প্ৰকাশন পৰিষদৰ উপসভাপতিৰ দায়িত্ববহন কৰিছিল। ২৭/২/১৯৮৭ এইজনা গুণীলোকৰ মৃত্যু হয়।

আব্দুল মতলিব মজুমদাৰ — হাইলাকান্দি জিলাৰ বৰজুৰাই গাঁৱত ১/৬/১৮৯০ তাৰিখে জন্ম। ১৯২৫ খৃঃত হাইলাকান্দিৰ ভিক্টোৰিয়া মেমোৰিয়েল হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষা পাছ কৰি 'আৰ্ল মেডেল' পুৰস্কাৰ লাভ কৰে। ঢাকাৰ পৰা অনাৰ্চসহ বি. এ. পাছ কৰি ১৯২১ খৃঃত ইংৰাজীত এম. এ. পাছ কৰে। তিনিবছৰৰ পাছতে বি. এল উপাধিও লয়। প্ৰথমতে শ্বিলঙৰ সচিবালয়ত চৰকাৰী চাকৰি কৰি পাছত ওকালতি কৰিবলৈ লয়। তেতিয়াই তেওঁ খিলাফত আন্দোলনত যোগ দিয়ে। ১৯২৫ খৃঃত ভাৰতীয় কংগ্ৰেছৰ এজন অগ্ৰণী সেৱক হিচাপে পৰিগণিত হয়। ১৯৩৭ খৃঃত তেওঁ হাইলাকান্দিত জিলা কংগ্ৰেছ গঠন কৰি সভাপতি হয়। ১৯৪৫ খৃঃত হাইলাকান্দিত লোকেল বৰ্ডৰ চেয়াৰমেন নিৰ্বাচিত হয়। হাইলাকান্দিত তেৱেঁই ভাৰতীয় হিচাপে প্ৰথম সভাপতি আছিল। ১৯৪৬ খৃঃত বিধান সভালৈ নিৰ্বাচিত হৈ বৰদলৈ মন্ত্ৰীসভাৰ সদস্যপদ লাভ কৰে। তেতিয়াৰ পৰাই তেওঁ বিষ্ণুৰাম মেধিৰ দিনলৈকে একেৰাহে মন্ত্ৰী হৈ আছিল। পুনৰ ১৯৬৭ খৃঃত বিমলাপ্ৰসাদ মন্ত্ৰীসভাৰ মন্ত্ৰী হয়। মহেন্দ্ৰ মোহন চৌধুৰীৰ দিনতো মন্ত্ৰীত্ব লাভ কৰি ১৯৭৯ খৃঃলৈ মন্ত্ৰীপদত থাকি সক্ৰীয় ৰাজনীতি ত্যাগ কৰে। স্বাধীনতা লাভৰ সময়ত কাছাৰ জিলাক ছিলেটৰ লগত সংযুক্ত কৰাত বিৰোধিতা কৰিছিল আৰু সেই উদ্দেশ্যে অসম জাতিয়তাবাদী মুছলিম সভা আহ্বান কৰিছিল। প্ৰাক্ স্বাধীনতা কালত মুছলিম লীগৰ প্ৰতিদ্বন্দ্বী ৰূপে 'জমিয়াৎ' উলেমা-ই-হিন্দ নামৰ এটা সংগঠন খুলিছিল।

১৯৮০ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে এখেতৰ মৃত্যু হয়।

আব্দুল হক চৌধুৰী — জন্ম উজনি অসমৰ ডুমডুমাত। পিতৃ মহম্মদ চফী চৌধুৰী। নাট্যকৰ আৰু অভিনেতা। মঞ্চাভিনয়ৰ উপৰিও 'লটিঘটি' ড° বেজবৰুৱা, 'সংগ্ৰাম আদি কেবাখনো অসমীয়া চিনেমাত অভিনয় কৰিছিল। কেইবাখনো নাটক আৰু বহুতো কবিতা লিখিছিল।

উবেইদুল লতিফ বৰুৱা — উত্তৰ লখিমপুৰত জন্ম। লক্ষিমপুৰ হাইস্কুলৰ পৰা প্ৰৱেশিকা, কটন কলেজৰ পৰা বি. এ. আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰা বুৰঞ্জী বিষয়ত প্ৰথম শ্ৰেণীত এম. এ. পাছ কৰে। কলিকতাত পঢ়ি থাকোতে আকাশবাণী কলিকতা কেন্দ্ৰত অসমীয়া শাখাৰ অনুষ্ঠানৰ ঘোষক হিচাপে কাম কৰে। পাছত তাতেই স্থায়ীভাৱে প্ৰগেম সহকাৰী হিচাপে চাকৰি জীৱনৰ পাতনি

মেলে। ১৯৪০ খৃঃত গুৱাহাটীত নতুনকৈ আকাশবাণী কেন্দ্ৰ খোলাত গুৱাহাটী কেন্দ্ৰলৈ আহে। ১৯৬২ খৃঃত ত্ৰিবান্দ্ৰম কেন্দ্ৰৰ নিৰ্দেশক নিযুক্ত হয়। ১৯৭০ খৃঃত পুনৰ গুৱাহাটী কেন্দ্ৰলৈ নিৰ্দেশক হিচাপে বদলি হৈ আহে। ১৯৭৯ খৃঃত আকাশবাণীৰ মহা নিৰ্দেশক পদলৈ উন্নীত হয়। এনে পদ পোৱা এৱেঁই প্ৰথম অসমীয়া। 'দিচ' ইচ অল ইণ্ডিয়া ৰেডিঅ' নামৰ এখন ইংৰাজী গ্ৰন্থ লিখি খ্যাতি অৰ্জন কৰিছিল।

মহম্মদ আব্দুল্লাহ — ১৮৮৮ খৃঃত জন্ম ডিব্ৰুগড়ত। আৰ্থিক অনাটনৰ কাৰণে উচ্চ শিক্ষা লব নোৱাৰি ১৮ বছৰ বয়সতে 'টাইম্‌চ অব্ আসাম' কাকতৰ কম্পজিটৰ কামত সোমায়। ১৯২২ খৃঃত এই কাকতৰ মেনেজাৰ পদ অলঙ্কৃত কৰে। কাকতৰ মালিক ৰাধানাথ চাংকাকতিৰ মৃত্যু হোৱাত তেওঁৰ পত্নীয়ে ছপাখানাৰ সমস্ত ভাৰ আব্দুল্লাহৰ ওপৰতে ন্যস্ত কৰে। ৰোগত আক্ৰান্ত হৈ বহুবছৰ শয্যাগত হৈ থাকি ২০/১২/১৯৫১ তাৰিখে মৃত্যু মুখত পৰে।

মহম্মদ আলি — 'পাদশ্যাহ বুৰঞ্জী'ৰ সমল যোগাওতা। নবাব মনছুৰ খাঁৰ লগত অহা দাক্ষিণাত্যৰ চেকেন্দ্ৰাবাদৰ আৰবী ফাৰ্চী ভাষাৰ এজন বিদগ্ধ পণ্ডিত। গুৱাহাটীত নবাব মনচুৰ খাঁ চুবেদাৰ হিচাপে থকা অৱস্থাত পুতেকহঁতক পঢ়োৱা এওঁ ঘৰুৱা শিক্ষক আছিল। ১৬৮২ খৃঃত আহোমৰ হাতত পৰাস্ত হৈ মনচুৰ খাঁ গুৱাহাটীৰ পৰা গুচি যোৱাৰ পাছতো মহম্মদ আলি অসমতে থাকি যায়। এওঁৰ হাতত দিল্লীৰ বাদচাহসকলৰ এখন পূৰ্ণাঙ্গ বুৰঞ্জী আৰু যুধিষ্ঠিৰৰ দিনৰ পৰা দিল্লীৰ ৰজাসকলৰ এখন তালিকাও আছিল। গড়গঞা সন্দিকৈৰ নিৰ্দেশক্ৰমে অসমীয়া কাকতি সকলে জনাৰ কাৰণে এওঁ সকলো কথাৰ টোকা লিখি ৰাখিছিল। এইখনকে পাদশ্যাহ বুৰঞ্জী বুলি জনা যায়। ড° সূৰ্য কুমাৰ ভূঞা ডাঙৰীয়াই এই বুৰঞ্জীখন সম্পাদনা কৰি প্ৰকাশ কৰে। তেখেতে এই বুৰঞ্জীখনকে ইংৰাজীলৈ অনুবাদ কৰি নাম দিয়ে "Annals of the Delhi Badshahate"

মুল্লা দৰবেশ — মীৰজুমলাৰ লগত অসমলৈ অহা এজন মুছলমান কবি। অসমৰ প্ৰাকৃতিক সৌন্দৰ্য, তেতিয়াৰ অসমীয়া মানুহৰ সৰলতা, দেশহিতৈষীতাৰ নিদৰ্শন আদি অভিজ্ঞতা সঞ্চয় কৰি এটি সুন্দৰ কবিতা লিখিছিল।

মোছলেউদ্দীন আহমেদ — নগাঁৱৰ বাসিন্দা। শিক্ষকতা আৰু হোমিওপেথিক চিকিৎসা কৰিছিল। তেওঁৰ 'মজাৰ কথা' এখন উল্লেখযোগ্য গল্পপুথি।

'বাহী' আৰু 'আলোচনী'ত তেওঁৰ বহুতো গল্প আৰু কবিতা, প্ৰবন্ধাদি প্ৰকাশ পাইছিল।

মুন্সী কেফায়ৎ উল্লাহ — শিৱসাগৰৰ ফাচী-পঢ়ীয়া বংশৰ লোক। সদৰামীনৰূপে অসমৰ বিভিন্ন ঠাইত চাকৰি কৰি অৱশেষত গুৱাহাটীৰ মাছখোৱাত নিগাজীকৈ বসবাস কৰিছিল। গুৱাহাটীৰ নিজা মাটিত আৰু নিজা খৰছত এখন পাৰ্চী-সংস্কৃত স্কুল খুলিছিল। পাছত এইখনেই মাছখোৱাৰ মজলীয়া স্কুললৈ উন্নীত হয়। এঁৱেই মাছখোৱাৰ মছজিদ নিৰ্মাণ কৰোঁতা। 'কৃষি দৰ্পণ' নামৰ পুথি এখন লিখি খেতিয়কসকলক খেদিৰ নতুন পদ্ধতি দান কৰিছিল। বৃটিছ চৰকাৰে এওঁক 'খান বাহাদুৰ' উপাধি প্ৰদান কৰিছিল।

মুন্সী ৰহমত আলি — নগাঁৱৰ পুৰণি গুদামৰ মানুহ। ইংৰাজী ভালকৈ নাজানিছিল যদিও নিজৰ চেষ্টাৰ বলত ১৮৭৩ খৃঃত এখন চাহ বাগিচা খুলি ১৮৯৩ খৃঃত বহু একৰ মাটিৰ দুখনকৈ চাহ বাগিচাৰ মালিক হৈছিল। বৃটিছ চৰকাৰে অনাৰেৰী মেজিষ্ট্ৰেট নিযুক্ত কৰিছিল।

মৌলনা তৈয়বুল্লা — ১৮৯৪ খৃঃত গুৱাহাটীত জন্ম। পিতৃ মছিয়ৎ উল্লা চৰকাৰী হাকীম। ১৯০৯ খৃঃত অসম উপত্যকাৰ ভিতৰত শিৱসাগৰ হাইস্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষাত প্ৰথম স্থান দখল কৰি বেথাৰাম ঠাকুৰীয়া 'সোণৰ পদক' লাভ কৰে। কটন কলেজৰ পৰা আই এছ চি পৰীক্ষাত প্ৰথম বিভাগত পাছ কৰি ১৯১৩ খৃঃত পদাৰ্থ বিজ্ঞানত সন্মানসহ বি. এছ. চি. ডিগ্ৰী লোৱাৰ পাছত কলিকতা বিশ্ববিদ্যালয়ত নাম ভৰ্ত্তি কৰিছিল যদিও পৰীক্ষা নিদি বি. এল. ডিগ্ৰীহে লয়। গুৱাহাটীত প্ৰথমতে ওকালতি আৰম্ভ কৰি আলিগড় জামিয়া মিলিয়া ইছলামিয়াত শিক্ষকতা কৰিবলৈ যায়। বৃটিছ চৰকাৰে ই, এ, চি পদ যাঁচিছিল যদিও সেই পদ গ্ৰহণ নকৰি ভাৰতৰ স্বাধীনতা আন্দোলনত জপিয়াই পৰে। ১৯২২ খৃঃত গুৱাহাটী জিলা কংগ্ৰেছৰ সম্পাদক আৰু পাছত সভাপতি হয়। ১৯২৬ খৃঃত পাণ্ডু কংগ্ৰেছৰ আদৰণি সমিতিৰ সম্পাদক আৰু সেই বছৰতে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক হৈ ১৯৩১ খৃঃলৈ কাৰ্যনিৰ্বাহ কৰে। ৪২ ৰ ভাৰত ত্যাগ আন্দোলনত সক্ৰিয়ভাৱে সহযোগ কৰি প্ৰথমতে প্ৰায় ছয়মাহ, দ্বিতীয়বাৰ ১৯৪২-৪৫ খৃঃলৈ প্ৰায় তিনিবছৰ জেল খাটিছিল। স্বাধীনতাৰ পাছত মঙ্গলদৈ সমষ্টিৰ পৰা বিনা

প্ৰতিদ্বন্দ্বিতাৰে বিধান সভালৈ নিৰ্বাচিত হৈছিল। কংগ্ৰেছ চৰকাৰৰ শিক্ষামন্ত্ৰী পদো গ্ৰহণ কৰিছিল যদিও ১৯৫০ খৃঃত স্বইচ্ছাই মন্ত্ৰীপদ ত্যাগ কৰে।

জেলৰ ভিতৰত থকা কালছোৱাত তেওঁ কেইবাখনো গ্ৰন্থ ৰচনা কৰিছিল। সেইবোৰ উৰ্ম্মুল কোৰাণ, 'Islam and Non-Violence. Between the Symbol and the Idol at last', 'কাৰাগাৰৰ চিঠি' আৰু 'পোহৰ আগষ্ট' বিখ্যাত গ্ৰন্থ। উৰ্ম্মুল কোৰাণত এফালে আৰবী আয়াত আৰু আনফালে সংস্কৃত শ্লোকৰ ব্যাখ্যা কৰি হিন্দু-মুছলমানৰ ধৰ্মগ্ৰন্থৰ সাৰমৰ্মসমূহ যে একেডাল শিপাৰ পৰাই সৃষ্টি তাক তেওঁ উদাহৰণ সমূহৰে দাঙি ধৰিছিল। কাৰাগাৰ চিঠিত তেওঁৰ ব্যক্তিগত দৈন্যতা আৰু অসমৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক পটভূমিৰ একো একোটো হুবহু চিত্ৰ দাঙি ধৰিছে। পদ্মধৰ চলিহাৰ 'অসমীয়া' নামৰ কাকতখনৰ লগত জড়িত আছিল। তদুপৰি গীত-মাত-অভিনয়ৰ প্ৰতিও তেওঁ অনুৰাগী আছিল। ৩০/১০/১৯৬০ খৃঃত তেওঁ স্বৰ্গগামী হয়।

ৰসখান — ৰস্‌খান ১৭ শতিকাৰ বৈষ্ণৱ ভক্তিবাদৰ এজন মুছলমান কবি। প্ৰকৃত নাম চৈয়দ ইব্ৰাহীম। বিট্‌ঠল নাথ নামৰ এজন ভকতৰ শিষ্যত্ব গ্ৰহণ কৰি কৃষ্ণ ভক্ত হৈ পৰে। কৃষ্ণ ভক্তিত মতলীয়া হৈ ব্ৰজভাষাত ভক্তিমূলক কবিতা ৰচনা কৰিবলৈ লয়। 'প্ৰেম-বাটিকা' আৰু 'সুজান ৰস্‌খান' এওঁৰ ভক্তিবাদৰ ওপৰত লিখা দুখন অমূল্য গ্ৰন্থ। 'সুজান ৰস্‌খান' লিখি এওঁ ৰস্‌খান নামেৰেই পৰিচিত হৈ পৰে।

ৰমণী গাভৰু — স্বৰ্গদেউ জয়ধ্বজ সিংহৰ কন্যা। মীৰজুমলাই অসম আক্ৰমণ কৰাৰ পাছত প্ৰত্যাৱৰ্ত্তনৰ সময়ত সন্ধিৰ ১ নং চৰ্তমতে এই কুৱৰীজনীক মোগল সম্ৰাট ঔৰঙ্গজেবৰ ৰাজদৰবাৰলৈ পঠাব লগাত পৰে। ঔৰঙ্গজেৱে বিবাহাপোযুক্ত হোৱাত নিজ পুত্ৰ বংগৰ নবাব আজম তৰালৈ বিয়া কৰাই বোৱাৰী কৰি লয়। বিবাহৰ পাছত ৰমণী গাভৰুৰ নাম সলাই ৰহমত বাণু ৰাখে। এই ৰহমত বাণুই আহোম ৰজালৈ বহুতো উপঢৌকণ পঠাইছিল। তাৰ ভিতৰত 'বিলাতী পাটৰ জামা এ' উল্লেখযোগ্য। এই পোছাকযোৰে এসময়ত আহোম ৰজাৰ ৰাজকীয় পোছাকত পৰিণত হৈছিল। ৰমণী গাভৰুৰ আহোম নাম আছিল লাং ছিং গাভৰু।

ৰূপাই দাধৰা — আহোম ৰজাৰ অস্ত্ৰ ভাণ্ডাৰ ৰক্ষক হিচাপে মুছলমান দাধৰা আহোম ৰজাৰ বিশ্বস্ত ৰাজ বিষয়া আছিল। তাৰফলত তেওঁৰ প্ৰতিপত্তিও বাঢ়িছিল। নিজকে উচ্চমান বিষয়া বুলি জনমানসত উচ্চস্থানত থাকিব বিচাৰিছিল।

কিন্তু আজান ফকীৰে সেই সময়ত চুফী বাদৰ জৰিয়তে জিকিৰ-জাৰীৰে সৰ্বসাধাৰণ ৰাইজৰ মন জয় কৰিবলৈ সমৰ্থ হোৱাত ৰূপাই দাধৰাৰ প্ৰতি আওকণীয়া মনোভাব লোৱ বুলি দাধৰাই নিজকে নীচাত্মকবোধ জ্ঞান কৰি আজান ফকীৰক ৰজাৰ ৰোষত পেলাবলৈ জাল তৰিছিল। এদিন দাধৰাই এটা ভোজৰ আয়োজন কৰি আজান ফকীৰকো তালৈ নিমন্ত্ৰণ কৰিবলৈ আহিল। আজান ফকীৰে ৰূপাইক কিহত তুলি ভোজলৈ নিব বুলি প্ৰশ্ন কৰাত পূৰ্বৰে পৰা ফকীৰৰ প্ৰতি বিতুষ্ট হৈ থকা ৰূপাই ভিতৰি খঙত জ্বলি গ'ল। ফতুলা নামৰ আন এজন মুছলমান সহচৰৰ সহায়ত ৰজাক গোচৰ তৰিলেগৈ আজান ফকীৰ আচলতে মোগলৰ গুপ্তচৰ বুলি। প্ৰথমতে মান্তি নহলেও বাৰে বাৰে আজান ফকীৰৰ বিৰুদ্ধে অভিযোগ দি থকাত গুপ্তচৰৰ অপৰাধত ফকীৰৰ চকু কাঢ়িবলৈ নিৰ্দ্দেশ দিয়ে। ৰূপাইৰ কু-চক্ৰান্তৰ বলি হৈ ফকীৰে ৰূপাইৰ গাৰ মঙহ কাউৰ, শগুণে খাব বুলি অভিশাপ দিয়ে। ৰূপাইৰ মাকে সেই কথা জানি এচৰু সোণ-ৰূপেৰে ফকীৰক মান ধৰি অভিশাপ উঠাই লবলৈ খাটনি ধৰিছিল। কিন্তু ফকীৰে মুখেৰে এবাৰ ওলোৱা বাক্য সলনি কৰিব নোৱাৰে বুলি সেই মান ওভোটাই দিছিল। তিনিদিনৰ পাছত ফকীৰৰ শাওপাত অনুযায়ী জেৰেঙা পথাৰত ৰূপাইক কোনোবাই টুকুৰা টুকুৰ কৈ কাটি পেলাই থৈছিল। মঙহ কাউৰ-শগুণে খাই থকাতহে সেইটো ৰূপাই দা-ধৰাৰ মৰাশ' বুলি চিনাক্ত হৈছিল।

হজৰত ৰহমান আলি শ্বাহ চফৰি — ১৮৯০ খৃঃত ডিব্ৰুগড়ত জন্ম। প্ৰকৃত নাম আছিল আব্দুৰ ৰহমান। পিতৃ আব্দুল কাদেৰ। স্থানীয় মাদ্ৰাছাত ৪ বছৰমান আৰবী ভাষা শিকি উচ্চ শিক্ষাৰ কাৰণে ঢাকালৈ যায়। দুবছৰ শিক্ষা গ্ৰহণ কৰি টেঙাখাটৰ মছজিদ এটাত ইমামতি কৰে। ১৯২৫ খৃঃত হজৰত চফি আলি শ্বাহ চফৰি নামৰ সাধক এজনৰ সান্নিধ্যলৈ আহি তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰে। সাধকজনে ইছলাম ধৰ্মৰ উপৰিও মাৰোৱাৰী সকলৰ জৈন ধৰ্মৰ শিক্ষা দি ফুৰিছিল। এইজনা সাধকে আব্দুৰ ৰহমানক হজৰত ৰহমান আলি শ্বাহ চফ্‌ৰি' নাম দি অসমৰ শিষ্যসকলৰ উত্তৰাধিকাৰী পাতি লক্ষ্ণৌলৈ যায়গৈ। গুৰুৰ আদৰ্শত হিন্দু-মুছলমান উভয় ধৰ্মৰ মানুহকে ধৰ্ম শিক্ষা দি মানুহৰ আপোন হৈছিল। মঙ্গলদৈ মহকুমাৰ দুমুনিচৌকিৰ ওচৰৰ বাঁহগড়া গাঁৱত ১৯৮০ খৃঃত মৃত্যু হয়। বাঁহগড়াত তেওঁৰ মাজাৰ বিদ্যমান। সাহিত্যিক ডাঃ ইৰফান চকৰিৰ পৰিয়াল এওঁৰ একান্ত শিষ্য। ডাঃ জাকিৰ হুচেইনৰ সাহিত্যিক নাম ইৰফান চফ্‌ৰি।

হেৰাছুৎ উল্লা — জন্ম গুৱাহাটীত। পিতৃৰ নাম মছিয়ৎ উল্লা। মাতৃ তৈয়বুন্নিছা। বি.এ. পাছ কৰিয়েই মাটিৰ হাকিমৰ চাকৰি পাইছিল। কিন্তু প্ৰত্যাখান কৰি বি. এল. পাছ কৰি ওকালতি কৰে। তেওঁৰ অসম সংৰক্ষিণী সভাৰ অনুগামী আছিল। ১৯৪৭ খৃঃত যোৰহাটৰ অসম জাতীয় মহাসভাৰো অনুগামী আছিল। চেতনা, বাঁহী,আৱাহন আদিত তেওঁৰ বলীষ্ঠ লিখনি প্ৰকাশ পাইছিল।

আজিজুৰ ৰহমান — শিৱসাগৰৰ নাজিৰাৰ বাসিন্দা। শিক্ষা সাং কৰি ১৯১৭-১৮ খৃঃত ডিব্ৰুগড়ত চৰকাৰী হাইস্কুলত শিক্ষকতা কৰি এবছৰ মূৰত নাজিৰা হাইস্কুললৈ আহে। তাত ২৪ বছৰ সহকাৰী শিক্ষক পদত থকাৰ পাছত শিৱসাগৰ চৰকাৰী হাইস্কুললৈ প্ৰধান শিক্ষকৰূপে বদলি হৈ আহে। তেওঁ নাজিৰা হাইস্কুল আৰু নাজিৰা ছোৱালী হাইস্কুলৰ প্ৰতিস্থাপক। তদুপৰি তেওঁ আছিল এজন সমাজহিতৈষী ব্যক্তি। হিন্দু-মুছলমান সকলোৱে তেওঁক শ্ৰদ্ধাৰ চকুৰে চাইছিল।

এম্ ইব্ৰাহীম আলি — ২১/৬/১৯১৭ তাৰিখে মঙ্গলদৈৰ শিঙিমাৰী গাঁৱত জন্ম। পিতৃৰ নাম আবিদ আলি, মাতৃ আমিনা খাতুন। এখেতৰ পূৰ্বপুৰুষ কলিয়াবৰৰ বিখ্যাত লাইধন খাঁ'ৰ বংশধৰ। মঙ্গলদৈ হাইস্কুলত ৮ ম্ শ্ৰেণীলৈকে পঢ়ি যোৰহাট নৰ্মাল স্কুলত নাম লগায়। ১৯৩৮ খৃঃত নৰ্মাল পাছ কৰি প্ৰাইভেটকৈ মেট্ৰিক পৰীক্ষা দি পাছ কৰে। তেজপুৰ এম. ভি. স্কুল আৰু খিলং হাইস্কুলত কিছুকাল শিক্ষকতা কৰাৰ পাছত ১৯৪১ খৃঃত স্কুল সমূহৰ সহ উপপৰিদৰ্শক পদ লাভ কৰে। দ্বিতীয় মহাযুদ্ধত চাৰি বছৰ সৈন্য বাহিনীত চাকৰি কৰি ১৯৪৬ খৃঃত পুনৰ আগৰ চাকৰিত যোগদান কৰি প্ৰায় কুৰি বছৰ চাকৰি কৰাৰ পাছত ১৯৬৫ খৃঃত সহ-পৰিদৰ্শক পদলৈ পদোন্নতি পায়। দুবছৰ চাকৰিকাল বাকী থাকোতেই স্বইচ্ছাই চাকৰি ত্যাগ কৰি ১৯৭১ খৃঃত ভাৰতীয় স্কাউট আৰু গাইডৰ অসম শাখাৰ ৰাজ্যিক সচিব পদত যোগদান কৰে।

আলিদেৱে ১৯৬৪ খৃঃত প্ৰাইভেটকৈ বি. এ. আৰু ১৯৬৭ খৃঃত অসমীয়া বিভাগত এম. এ. পাছ কৰে। মেট্ৰিকৰ পৰা এম. এ. পৰ্যন্ত প্ৰাইভেটকৈ পৰীক্ষা দি সফলতা অৰ্জন কৰা উদাহৰণ বিৰল।

তেখেত আছিল এগৰাকী সু-সাহিত্যিক। ৰচনাৱলী ঃ জীৱনী গ্ৰন্থ-কুমাৰী জেবুন্নিছা, মাধব চন্দ্ৰ বেজবৰুৱা, উপন্যাস — পুঁৱতি নিশাৰ অনামী সপোন আৰু ৰাজদ্ৰোহী; মাটি আৰু সোণ

ইব্ৰাহীম আলি চাহাবৰ মৃত্যু হলেও অমৰত্ব লাভ কৰিছে তেওঁৰ সম্পাদনাত ওলোৱা শিশু আলোচনী 'কাচিজোনে'। কাচিজোনৰ প্ৰকাশ বন্ধ হলেও তাৰ বেঙশি সাহিত্য প্ৰেমীসকলৰ স্মৃতিৰপৰা আজিও মাৰ যোৱা নাই। তদুপৰি কথা সাহিত্যিক আব্দুল মালিক চাহাবে ৰচনা কৰা "মই অসমীয়া কবিতা'টোৰ প্ৰত্যুত্তৰত ৰচনা কৰা আলি চাহাবৰ "তুমি যদি অসমীয়া" কবিতাটো যিদৰে মনোগ্ৰাহী সেইদৰে কবি সমাজৰ মাজত এটা বিখ্যাত কবিতা। কবিতাটো "বাহী" আলোচনীত প্ৰকাশ হোৱাত সাহিত্যিক মহলত এক আলোড়ণ সৃষ্টি হৈছিল যি আলোড়ণৰ জিনজিননি আজিও মাৰ যোৱা নাই।

"তুমি যদি অসমীয়া
মই তেনে বিদ্ৰোহী পাঠান,
তেজেৰে ৰাঙলী কৰোঁ বুকু ধৰণীৰ
ঢালি দিও ৰঙা তেজ জনমভূমিৰ মঙ্গল
কামনা কৰি
অসমৰ চিৰসুখী নন্দন কানন।"

উপন্যাসখনত তেখেতে ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ পাবলৈ সমৰ্থ হৈছিল। শিশু উপন্যাস --পৰী কুঁৱৰীৰ দেশ, চোহৰাব ৰোস্তম; কবিতা - চাহাৰা, নিস্তব্ধ নিষাদ। শিশু পাঠ্যপুথি-- 'সহজ ক - খ (১ম্ ২য় ভাগ) সাহিত্য সুধা (১মৰ পৰা ৮ম ভাগলৈ), শিশু ধাৰাপাত, ব্যাকৰণ পুথি, ৰচনা মুকুল। নবকান্ত বৰুৱাৰ সৈতে কুঁহিপাঠ নামৰ পাঠ্যপুথি এখন সম্পাদনা কৰি উলিয়াইছিল। অসমীয়া সংস্কৃতিত বহিৰাগত প্ৰভাৱ সম্পৰ্কে গৱেষণাৰ কামো হাতত লৈছিল কিন্তু সেই কাম সম্পূৰ্ণ কৰিবলৈ নাপালে। ১৯৭৫ খৃঃৰ ২২ নবেম্বৰ তাৰিখে গুৱাহাটীৰ কাছাৰী ঘৰৰ ওচৰত সংঘটিত এটা স্কুটাৰ দুৰ্ঘটনাত এইজনা নমস্য পুৰুষৰ দেহাৱসান ঘটে।

কেৰামৎ আলি — যোৰহাটত ১৮৮২ খৃঃত জন্ম। ১৯১০ খৃঃত ওকালতি আৰম্ভ কৰে। ১৯২৭ খৃঃত অসম ব্যবস্থাপক সভাৰ সদস্য নিৰ্বাচিত হয়। চৈয়দ ছাদুল্লাৰ ঘনিষ্ঠ সতীৰ্থ আছিল। ১৯৪৭ খৃঃত অসমৰ প্ৰতিনিধি হিচাপে ভাৰত ব্যবস্থাপক সভালৈ নিৰ্বাচিত হয়। ১৯২২-২৫ আৰু ১৯৩১-৩৮ খৃঃৰ কালছোৱাত যোৰহাট পৌৰসভাৰ সভাপতি আছিল। এখেতে বৃটিছ চৰকাৰৰ পৰা 'খান বাহাদুৰ' উপাধি পাইছিল।

ওপৰৰ এইসকল খ্যাতনামা ব্যক্তিৰ উপৰিও কুৰি শতিকাৰ অনেক মুছলমান লেখকে নিজৰ অভিৰুচিৰে গল্প, উপন্যাস, ভ্ৰমণ কাহিনী, কবিতা, প্ৰবন্ধ আদি লিখি অসমৰ সাহিত্যৰ ভঁৰাল চহকী কৰিছে। তদুপৰি গীতিকাৰ, গায়ক, নাট্যকাৰ, অভিনেতাহিচাপে বহুতে সংস্কৃতিৰ পথাৰখন জকমকীয়া কৰি তুলিছে।

ইমৰাণ শ্বাহ — শিৱসাগৰ নগৰৰ বাবুপট্টিৰ বিখ্যাত নবাব পৰিয়ালত ১৯৩২ খৃঃৰ নবেম্বৰ মাহৰ ২৪ তাৰিখে কথা শিল্পী ইমৰাণ শ্বাহৰ জন্ম হয়। ছাত্ৰ জীৱনৰ নৱম শ্ৰেণীতে 'বনবাসী' নামৰ কবিতাটিৰে সাহিত্যিক জীৱনৰ দুৱাৰখন খুলি বাইজৰ মাজলৈ যি ওলাই আহিছিল আজি ৭৫ বছৰ বয়সতো তেওঁৰ বাবে সেই দুৱাৰ উন্মুক্ত হৈ আছে। সেই কবি প্ৰতিভাৰে তেওঁ সমৰ্থ হৈছিল লব্ধ প্ৰতিষ্ঠ সাহিত্যিক সকলৰ মন আকৃষ্ট কৰিবলৈ। বহুজনৰ অনুপ্ৰেৰণাত হাইস্কুলীয়া জীৱনতে এখনি মনোৰম উপন্যাস লিখিছিল 'তথাপি সাগৰ'। তাৰপাছত 'পোৰা মাটিৰ মালিতা', 'বন্দী জবানবন্দী', 'স্পৰ্শৰেখা', 'বিহঙ্গমে কান্দে' আদি ৩৫ খন গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্য ভঁৰাল চহকী কৰাৰ লগতে এই কথাশিল্পী গৰাকীয়ে ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। তদুপৰি ইমৰাণ শ্বাহৰ কেবাখনো গ্ৰন্থ আন আন ভাষালৈয়ো অনুদিত হৈছে। বৰ্তমান বাতৰি কাকত, বিভিন্ন আলোচনীত তত্ত্বগধুৰ প্ৰবন্ধ, গল্প, কবিতা নীৰবচ্ছিন্নভাবে প্ৰকাশ পাই আছে। ঈষাণ দত্ত, অনামিকা বৰুৱা, বাবুল দত্ত আদি ইমৰাণ শ্বাহৰ ছদ্ম নাম। খুব কম দিনৰ ভিতৰতে তেওঁ সহধৰ্মিনীক হেৰুৱাই নিঃসঙ্গ হলেও সাহিত্যকে সঙ্গী হিচাপে গ্ৰহণ কৰি বিৰামহীনভাৱে সমাজলৈ অৱদান আগবঢ়াই আছে। পত্নীৰ অবিহনে পুৰুষৰ জীৱন পূৰ্ণ নহয় বুলি কোনোবাই মত প্ৰকাশ কৰিলে তেওঁ কয় —

"মই কিন্তু বঠাডাল সদায় জোৰেৰে ধৰি আছোঁ
সিৰামুৰী ধৰিলেও এৰা নাই হেমিংৱেৰ বুঢ়াৰ দৰে
মানুহৰনো আৰু থাকে কি?
আছে কি?"

পোন্ধৰশবো অধিক গল্প ৰচনা কৰা কথাশিল্পী ইমৰাণ শ্বাহে এটা সৰু পুৰণি মডেলৰ ঘৰত জীৱন-যাপন কৰি অসমক দিছে সাহিত্যৰ এখন বহল পথাৰ। এইজনা কথাশিল্পীৰ গল্প জনপ্ৰিয় গল্পকাৰ আব্দুল মালিকৰ গল্পত কৈয়ো উচ্চস্তৰৰ বুলি সমালোচকসকলে মত দাঙি ধৰিছে।

এম কোৰাদ আলি — এজন চিন্তাশীল লিখক। কোৰাণ আৰু পুৰাণৰ সাৰখিনি মথি তেওঁ হিন্দু মুছলমানৰ সংহতিৰ এক নতুন পথ প্ৰদৰ্শন কৰে।

ছমছেৰ আলি — গুৱাহাটী কটন মহাবিদ্যালয়ৰ কাৰ্যালয় সহায়ক হিচাপে চাকৰি কৰি থকা অৱস্থাতে প্ৰাপ্তবয়স্ক শিক্ষাৰ ওপৰত এখনি পুথি লিখি ভাৰত চৰকাৰৰ পৰা পুৰস্কাৰ পাবলৈ সমৰ্থ হয়। কোৰাণ দৰ্শন লিখি তেওঁ প্ৰতিষ্ঠিত সাহিত্যিক ৰূপে স্বীকৃতি লাভ কৰে। বৰ্ত্তমান তেওঁ চুফী সাধক ৰূপে জীৱন যাপন কৰি আছে।

দেলাওবাৰ হুচেইন — মঙ্গলদৈ নগৰবাহীৰ বাসিন্দা। স্বভাৱ কবি হুচেইন চাহাবে 'ৰাইজৰ ৰং কোনে চায়' নামৰ সৰু কবিতা পুথি এখন লিখি ৰাষ্ট্ৰপতি পুৰস্কাৰ অৰ্জন কৰে।

১৯১৭ খৃঃৰ ২৬ আৰু ২৭ ডিচেম্বৰ তাৰিখে অসম সাহিত্য সভাই জন্ম লাভ কৰিছিল শিৱসাগৰৰ ৰংপুৰ নগৰত। পদ্মনাথ গোহাঞিও বৰুৱাৰ সভাপতিত্বত উক্ত তাৰিখত দুদিনীযাকৈ অসম সাহিত্য সভাৰ প্ৰথম অধিবেশন আৰম্ভ হৈছিল। দিনৰ ১ বজাৰ মূল সভাত নগাৱঁৰ মোছলেহউদ্দিন আহমেদে "অসমীয়া সাহিত্য আৰু মুছলমান" শীৰ্ষক প্ৰবন্ধ এটা পাঠ কৰে। মোছলেহ উদ্দিন চাহাব সভাৰ বিষয় বাচনি সভাৰো সদস্য মনোনীত হৈছিল। লগতে মনোনীত হৈছিল মিনুৰ আলি। উক্ত সভাতে পৰৱৰ্তী কাৰ্যকালৰ কাৰণে এখন কাৰ্য নিৰ্বাহক সভা গঠন কৰা হৈছিল। উক্ত কাৰ্য নিৰ্বাহকলৈ পাঁচজন মুছলমান সদস্য নিৰ্বাচিত হৈছিল। তেওঁলোক হ'ল — মফিদজুদ্দিন আহমেদ হাজৰিকা (ডিব্ৰুগড়), জেহিৰুদ্দিন আহমদ (যোৰহাট), মোছলেহ উদ্দিন আহমদ (নগাওঁ), আজিজুৰ ৰহমান (গুৱাহাটী), আৰু চফিকুৰ ৰহমান (গোৱালপাৰা)।

তদুপৰি অভ্যৰ্থনা সমিতিৰ সদস্য নাজিৰাৰ মফজল হুচেইন আৰু সভাখন সাফল্যমণ্ডিত কৰি তোলাত আগভাগ লোৱা সকলৰ ভিতৰত আছিল জামায়ৎউদ্দিন আহমদ, বখতদৌল্লা, আৰু আব্দুল গোফাৰ।

১৯৪০ খৃঃত যোৰহাটত অসম সাহিত্য সভাৰ ১৮তম্ অধিবেশন বহে। উক্ত সভাত সভাপতি কৰিছিল ড° ময়িদুল ইছলাম বৰাই।

পুনৰ ১৯৪৪ খৃঃত অসম সাহিত্য সভাৰ ১৯ তম্ অধিবেশ বহে শিৱসাগৰত। উক্ত সভাৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল মহিবুল্লা অৱসৰ প্ৰাপ্ত ই. এ. ছি। যুটীয়া প্ৰধান সম্পাদক আছিল পদ্মধৰ চলিহা আৰু মৌলবী ৰিয়াজুল হুচেইন।

অধিবেশনৰ লগত প্ৰদৰ্শিত 'পুথি প্ৰদৰ্শনী'খন উন্মোচন কৰিছিল তেতিয়াৰ অসমৰ মাননীয় প্ৰধান মন্ত্ৰী ছাৰ মহম্মদ ছাদুল্লা চাহাবে।

এনেকৈয়ে অসম সাহিত্য সভাৰ জন্ম লগ্নৰে পৰা অসমীয়া মুছলমানসকল' ওতঃপ্ৰোতঃ ভাৱে জড়িত হৈ অসমীয়া ভাষা-সাহিত্যৰ বৰ ভেঁটি গঢ়ি তোলাত নিজকে আত্ম নিয়োগ কৰিছিল।

নজিৰুদ্দিন আহমেদে 'অসমীয়া মৌলুদ শ্বৰীফ' উলিয়াই আৰবী উৰ্দু নজনা অসমীয়া মুছলমানক বিশ্বৰ মহানবী হজৰত মহম্মদ (দঃ) গুণানুকীৰ্ত্তন কৰিবলৈ সুযোগ দান কৰিছে। মহিবুল্লা চাহাবে 'দুনিয়াদাৰি' লিখি কৰ্ম আৰু ধৰ্মৰে জীৱনটোক জুখিবলৈ আহ্বান জনাইছে। হেৰাচত উল্লাই সঙ্গীতৰ যোগেদি সংস্কৃতিৰ জগতখন উ জ্বলাই তুলিছে। পজিৰুদ্দিন চাহেবে 'গুলেনা'ৰ যোগেদি অসমীয়া সাহিত্যলৈ বিশেষ অৱদান আগবঢ়ালে। অধ্যাপক ৰায়হান চাহেবে মৌলিক সমালোচনা সাহিত্যৰ নতুন দিশ সৃষ্টি কৰাই নহয় ওমৰ খায়ামৰ কিছুমান ৰুবায়ত অসমীয়া ভাঙনি কৰি খ্যাতি অৰ্জন কৰিছে । মহিবুলি হুচেইনৰ 'আদৰ্শ নবী' এখন উপাদেয় গ্ৰন্থ। সেইদৰে হাৰুনাৰ ৰচিদৰ ৰত্ন-দীপ' আৰু 'গুড আৰ্থ অনুবাদ খণ্ড খণ্ডকৈ প্ৰকাশ কৰে মহিবুল হুচেইন চাহাবে । জিকিৰ গীত সংগ্ৰহ কৰাৰ এওঁ বাটকটীয়া। যোগান বিভাগৰ বিষয়া চাদেৰ আলি চাহাবে কোৰাণ মহাগ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰি আলীমসকলৰ কটু বাক্যৰ সন্মুখীন হৈয়ো এটা ডাঙৰ অভাৱ দূৰ কৰাত সমৰ্থ হ'ল। ড° নুৰুল হুদাৰ 'হজৰ কাহিনী', ড° নবাব দানিছ মহম্মদৰ 'হজ যাত্ৰীৰ ডায়েৰী' অসমীয়া সাহিতলৈ বিশেষ বৰঙণি। 'বিবি ফাতিমা'ৰ জীৱনী ড° নবাব দানিছ মহম্মদৰ এক বিশেষ সংযোজন। দানিছ মহম্মদৰ 'শান্তিৰ নিজৰা' আৰু চাদেৰ আলিৰ 'ইছলাম ৰবি' সুখপাঠ্য গ্ৰন্থ। মুস্তাফিজুৰ ৰহমানৰ লেখাৰ চেষ্টা প্ৰশংসনীয়। আলোড়ন সৃষ্টি কৰিছে আনিছুজ্জামানৰ আধুনিক কবিতাই। চিৰাজুদ্দিন আহমেদৰ "নদীৰ নাম শিয়ালদহ" উপন্যাসে সৰ্বহাৰাৰ বিষয়ে জানিবলৈ পথ প্ৰশস্ত কৰিছে। মহম্মদ পিয়াৰে 'সংগ্ৰাম', জীৱন নৈৰ জাঁজি 'প্ৰীতি উপহাৰ' আদি উপন্যাস লিখি উপন্যাস সাহিত্য চহকী কৰিছে। ফাতেমা খাতুনে 'অগ্নিৰেখা' নামৰ কবিতা পুথি লিখি অসমীয়া নাৰী সমাজৰ কাব্যিক প্ৰতিভাকে প্ৰকাশ কৰিছে। কবি হিচাপে এৱেঁই প্ৰথম মুছলমান নাৰী। জনপ্ৰিয়তা অৰ্জন কৰা লিখিকা আলিমুন্নিছা পিয়াৰ। গীতিকাৰ হিচাপে অসম খ্যাত অধ্যাপক তফজ্জুল আলি 'মন্দাক্ৰান্তা' আৰু অনুষ্টুপ তেওঁৰ দুখন উল্লেখযোগ্য

গীতৰ পুথি। জমিৰুদ্দিন আহমেদৰ কবিত্ৱই পঢ়ুৱৈৰ মন হৰিছিল। 'মিনাৰ' তেওঁৰ সম্পাদনাৰ 'শিশু আলোচনী'। 'চন্দন' তেওঁৰ এখন বৰ সুখপাঠ্য উপন্যাস। ভেকা শিল্পী নুৰুলহকে নৱ-দিগন্ত সৃষ্টি কৰিবলৈ সমৰ্থ হৈছে। হৈদুদ্দিনৰ কবিতাই বাস্তৱতাৰ প্ৰতিচ্ছবি দান কৰিছে। আবুল লেইচ আৰু চাইদুল ইছলামে ভাল লেখক বুলি পৰিগণিত হৈছে। মহম্মদ আক্ৰামে 'আজিৰ যুগ' আৰু 'কোৰাণ পাক'ৰ যোগেদি কোৰাণ দৰ্শনক বিজ্ঞান সম্মতভাৱে বিশ্লেষণ কৰিবলৈ সক্ষম হৈছে। আব্দুল হেকিমৰ 'বেদ আৰু কোৰাণ' এখন তুলনামূলক মৌলিক গ্ৰন্থ।

অভিবাসী মুছলমান ইলিমুদ্দিন দেৱান এজন প্ৰতিষ্ঠিত সাহিত্যিক। 'আজান' আলোচনী তেওঁৰেই সম্পাদনা। "ইতিহাসৰ বা মাৰলীত সম্ৰাট দুহিতা জাহানাৰা", 'মতিভ্ৰষ্ট নবাব চিৰাজ নে বিকাৰগ্ৰস্ত ইংৰাজ' আদি দেৱানৰ ঐতিহাসিক নিবন্ধ। 'ধৃষ্টতা কাৰ!' এখন উন্নত একাঙ্কিকা। অভিবাসী মুছলমান মহিলা লেখিকা চাকিনা খাতুনৰ 'পাঞ্জাবৰ সাধু' উল্লেখযোগ্য। প্ৰাক্তন মন্ত্ৰী আতাউৰ ৰহমানৰ 'ভাৰত ভ্ৰমিলো' এখন বৰ মোনোমোহা ভ্ৰমণ কাহিনীৰ পুথি। ইছমাইল হুচেইন একেধাৰে কবি, সমালোচক, প্ৰবন্ধকাৰ হিচাপে উচ্চস্তৰৰ সাহিত্যিক। তেওঁৰ 'অসমৰ জাতীয় জীৱন আৰু অভিবাসী অসমীয়া মুছলমান', 'গো হত্যা আৰু সাম্প্ৰদায়িকতা' আদি তথ্য গধুৰ আৰু চিন্তা মূলক গ্ৰন্থ।

আব্দুল মজিদ এগৰাকী পাৰদৰ্শী শিল্পী। অভিনেতা আৰু প্ৰযোজক। মজিদ চাহাবৰ 'চোৰ' এখন উচ্চস্তৰৰ নাটক। 'বঞ্চিতা' আৰু 'ধূলি মাকতি' তেওঁৰ এই দুখন উল্লেখযোগ্য নাটক। চৈয়দা চাকিনা আশ্ৰফ আলীয়েও ইছলাম সম্বন্ধে লিখি খ্যাতি অৰ্জন কৰিছে। তছদুক ইউচুফ এগৰাকী গীতিকাৰ আৰু অভিনেতা। সুকণ্ঠী পাৰবীন চুলতানাই ইতিমধ্যে নতুন পুৰণি সংগীতত সৰ্বভাৰতীয় গৌৰৱ অৰ্জন কৰিছে। দোস্ত হবিবুৰ ৰহমানৰ গীত আৰু অভিনয় কালজয়ী হৈ খ্যাতি অৰ্জন কৰিছে। বিশেষকৈ এতিয়াও তেওঁৰ পেৰেদি গীতৰ জনপ্ৰিয়তা হ্ৰাস পোৱা নাই।[১]

---

১ টোকা : ১৯ শতিকালৈ মুছলমান সাহিত্যিক আৰু জনহিতৈষী ব্যক্তিসকলৰ চমু পৰিচয় দিওঁতে আব্দুছ ছত্তাৰ চাহাবৰ 'প্ৰসঙ্গ কোষ' আৰু শিৱনাথ বৰ্মণৰ 'অসমীয়া জীৱনী অভিধান'ৰ সহায় লোৱা হৈছে। কুৰি শতিকাৰ ব্যক্তিবো দুই-চেৰেকৰ পৰিচয় সন্নিবিষ্ট হৈছে মনৰ এৰাব নোৱাৰা তাগিদাত।

কেইগৰাকীমান অনা অসমীয়া ব্যক্তিৰো পৰিচয় দিয়া হৈছে। যিহেতু অসম আৰু অসমীয়াৰ কাৰণে সেইসকলৰ অৱদান প্ৰচুৰ। — লেখক।

দৰঙত ইছলাম ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ

"বিহংগম দৃষ্টিৰে মুছলিমঘোপাত এভুমুকি" মঃ নজৰুল ইছলাম নামৰ এজন লেখকে 'হাছিম' নামৰ স্মৃতিগ্ৰন্থ এখনত এটা প্ৰবন্ধ লিখিছিল — এইদৰে — "দৰং জিলাৰ মধ্য পশ্চিম অঞ্চলত অৱস্থিত মুছলিমঘোপা (পুৰণি নাম গৰীয়াঘোপা) এখন ঐতিহ্যমণ্ডিত গাঁও। ইছলামীয় ঐতিহ্য নামৰ মঃ ৰফিউল হুছেইন বৰুৱা চাহাবৰ গ্ৰন্থত পোৱা মতে খৃষ্টীয় সপ্তম শতিকাত তুৰ্বক সেনাপতিয়ে চীন দেশ জয় কৰি আহি বৰ্ত্তমানৰ মুছলিমঘোপা নামৰ ঠাইতে জিৰণি লৈছিল আৰু কিছু সৈন্য-সামন্ত এই অঞ্চলতে ৰৈ যায়। কালক্ৰমত এই সৈন্য সামন্তৰ দ্বাৰাই গাঁওখন সৃষ্টি হোৱা বুলি কোৱাৰ থল আছে। আনহাতে বখতিয়াৰ খালজীৰ আগমনৰ (১২০৬ খৃঃ) বহু আগতে গৌড় দেশৰপৰা মুছলমানসকলৰ অসম অভিমুখে আগমন হৈছিল। গৌড়ৰপৰা অহাৰ কাৰণেই মুছলমানসকলক পূৰ্ব বসতিস্থানৰ নাম অনুসৰি গৌড়িয়া বুলি কোৱা হৈছিল।" লেখকজনাই ইয়াকো দাবী কৰি কৈছে যে অকল গৌড়েই নহয়, তদানিন্তন ভাৰতীয় উপমহাদেশৰ পশ্চিম অংশৰ উপৰিও ইয়াৰ বাহিৰৰ পশ্চিমৰ বিভিন্ন অঞ্চলৰ পৰা বিভিন্ন সময়ত প্ৰব্ৰজন হোৱা মুছলমানসকলকো গৰিয়া নামেৰেই সামৰি লোৱা হৈছিল।"[১]

কোনো প্ৰামাণিক দস্তাবেজ নাথাকিলে কিছুমান কথা অনুমানৰ ওপৰত কোৱা হয় বা তথ্যও অনুমানৰ ওপৰত নিৰ্ভৰ কৰা হয় — সেইটো সত্য। কিন্তু, অনুমানৰো এটা ভিত্তি আছে যিটো প্ৰতিভাসিক অৰ্থাৎ যিটোৰে গৈ সত্যৰ ওচৰ পাব পাৰি।

এতিয়া অলপমান জুকিয়াই চোৱা হওঁক শান্তিৰ ধৰ্ম ইছলাম কেতিয়া ধৰাৰ বুকুত প্ৰৱৰ্ত্তন হৈছিল। ইছলাম ধৰ্মৰ ইতিহাস মতে ৬১০ খৃঃৰ আগষ্ট মাহৰ এটা সোমবাৰৰ গভীৰ ৰাতি হজৰত মহম্মদে (ছঃ) নবুয়তি লাভ কৰিছিল। অৰ্থাৎ তেখেতৰ যোগেদি সেইদিনাৰপৰা ইছলাম ধৰ্ম নামৰ এটা নতুন ধৰ্ম বিশ্বৰ বুকুত প্ৰৱৰ্ত্তন হয়। কিন্তু ইছলাম ধৰ্মই প্ৰসৰতা লাভ কৰে ৬২২ খৃঃৰ ২২ চেপ্তেম্বৰৰ পৰা। অৰ্থাৎ মহম্মদে (ছঃ) মক্কাৰপৰা মদিনালৈ হিজৰত কৰাৰ পৰা— যিদিনা

১ : হাছিম : স্মৃতিগ্ৰন্থঃ পৃঃ ৮৪

খনৰ পৰা আৰবী হিজ্‌ৰী (চন) আৰম্ভ হয়। গতিকে সপ্তম শতিকাত আৰবতে ইছলাম ধৰ্মই গা কৰি উঠিব পৰা নাছিল। প্ৰসৰতা লাভ কৰিছিলগৈ প্ৰথমতে মদিনাত। তেনেস্থলত ভাৰত ৰাষ্ট্ৰৰ অসম প্ৰদেশৰ এখন ক্ষুদ্ৰ ঠাইত মুছলমানলোক কৰপৰা আহি মুছলিমঘোপাত বৈ মুছলমান বসতি স্থাপন কৰিলে-তথ্যটো তেনেই অবাস্তৱ যেন লাগে।

আনহাতে যি সেনাপতিৰ লগত আহি কিছু সৈন্য মুছলিমঘোপাত বৈ যোৱা বুলি কোৱা হৈছে সেইজন সেনাপতি তুৰ্বকৰ বিষয়ে ইতিহাস মেলিলে দেখা যায়, ১৫৩২ খৃঃত আহোম ৰাজ্য আক্ৰমণ কৰিবলৈ গৌড়ৰপৰা আহিছিল মুছলমান সেনাপতি তুৰ্বক। এইটো মুছলমানৰ আহোম ৰাজ্য তৃতীয় আক্ৰমণ। ইয়াৰ আগতে আহোম ৰাজ্য আক্ৰমণ কৰে ১৫২৭ খৃঃত জনৈক উজীৰ উপাধিৰ এজন মুছলমান সেনাপতিয়ে তাৰ পাছত সেনাপতি বিত মালিকে অসম আক্ৰমণ কৰে।[১]

এয়া মুছলমানৰ দ্বিতীয় আৰু তৃতীয় আক্ৰমণ।

তুৰ্বক সেনাপতি চীন অভিযানলৈ যোৱা আৰু চীনদেশ জয় কৰি ঘূৰি অহা দস্তাবেজ কোনো ইতিহাসত পোৱা হোৱা নাই। চীনদেশলৈ কোন মুছলমান সেনাপতি গৈছিল তাৰ তথ্য বিচাৰিলে পোৱা যায়— "ত্ৰয়োদশ শতিকাটো বিশ্ব ইতিহাসত বিশেষ তাৎপৰ্যপূৰ্ণ। সেইকালত আটাইতকৈ দুৰ্দ্ধৰ্ষ বুলি পৰিগণিত মহম্মেদান শক্তিৰ প্ৰভাৱ সেই শতিকাতে পশ্চিমৰ দেশবোৰত ক্ৰমে স্তিমিত হৈ আহিছিল আৰু পূবৰ মঙ্গোলসকল প্ৰবল পৰাক্ৰান্ত হৈ উঠিছিল চেংগিজখাঁৰ নেতৃত্বত।

তেওঁৰে নাতি কুবলাই খাঁই যেতিয়া মহাচীনৰ সম্ৰাট, সেই শতিকাৰে ষষ্ঠ দশকৰ পিনে সুদূৰ ভেনিচৰ (ইটালি) পৰা পল নামৰ এটা সাউদ পৰিয়ালৰ জনদিয়েক চীন দেশলৈ গৈছিল আৰু তাতে প্ৰায় সোতৰ বছৰমান আছিল। তাৰে এজনে উভতি যাওঁতে পাৰস্য ৰজালৈ বুলি চীনৰ ৰাজকুমাৰী এগৰাকী লগতে লৈ গৈছিল। সেই সময়ত পোপৰ অধিকাৰ লৈ গোলমাল নলগাহেঁতেন কুবলাইখাঁৰ অনুৰোধক্ৰমে খৃষ্টান ধৰ্ম প্ৰচাৰৰ দল এটা চীনলৈ ধৰ্ম প্ৰচাৰৰ বাবে পঠোৱাৰ কথা আছিল। সেই প্ৰস্তাৱ বাস্তৱত ৰূপায়িত হোৱাহেঁতেন বিশ্বৰ ইতিহাসে হয়তো অন্য গতি ললেহেঁতেন।[২]

১: টোকা: আহোম যুগত মুছলমান অধ্যায়ত এই আক্ৰমণবোৰ সম্পৰ্কে বিস্তৃত বিৱৰণ দিয়া হৈছে।

২: লুইত বৰাক আৰু ইছলাম: মেদিনী চৌধুৰী: পৃঃ ১৪

ইব্‌নে বতুতা এজন মুছলমান পৰিব্ৰাজক। চতুৰ্দশ শতিকাত আফ্ৰিকাৰ তানজানিয়াত তেওঁৰ জন্ম। তেওঁৰ প্ৰকৃত নাম আবু আবদুল্লাহ্ মহম্মদ ইবনে আবদুল্লাহ্। এঘাৰ বছৰ বয়সত তেওঁ মক্কা দৰ্শন কৰি মধ্য এচিয়াৰ বহু দেশ ভ্ৰমণ কৰি ইৰাণত থাকিবলৈ লয়। ১৩৩৩ খৃঃত তেওঁ ভাৰতলৈ আহে আৰু ভাৰতৰপৰা চীনলৈ যায়। ১৩৫০ খৃঃত তেওঁ অসম ভ্ৰমণ কৰে।[১]

উপৰোক্ত তথ্য সমূহৰ পৰা তুৰ্বক নামৰ সেনাপতি চীনদেশলৈ যোৱা তথ্যটো বৰ নিশকতীয়া বুলি অনুমান হয়। কুবলাই খাঁ আছিল চীনদেশৰ ত্ৰয়োদশ শতিকাৰ ষষ্ঠদশক ৰজা। সপ্তম শতিকাৰ নহয়। তদুপৰি তেওঁ অসম দেশলৈ অহাৰ প্ৰশ্নই নুঠে। ইবনে বতুতা সেনাপতি নাছিল। এজন পৰিব্ৰাজকহে।

আৰবৰ পৰ্যটক শেষ চুলেইমান ৮৫১ খৃঃত বংগলৈ আহিছিল। তেওঁৰ ভ্ৰমণ কাহিনীত বংগৰ বজাৰত যে সুক্ষ্ম কপাহী কাপোৰ পাইছিল আৰু যে কড়িৰ লেনদেন আছিল সেই কথা লিখি থৈ গৈছে। তেওঁ ভ্ৰমণ টোকাত পূব পিনৰ 'কামন' নামৰ এখন দেশৰ কথা উল্লেখ কৰিছে। ঐতিহাসিক সকলে কামৰূপ দেশকে কামন বুলি উল্লেখ কৰিছিল বুলি মত দাঙি ধৰা দেখা যায়।

দ্বাদশ শতিকাৰ শেষ দশকত দিল্লীত তুৰ্কী মুছলমানৰ ৰাজনৈতিক কৰ্ত্তৃত্ব স্থাপিত হৈছিল। গজনীৰ চুলতান মহম্মদ ঘোৰীয়ে তৰাইনৰ দ্বিতীয় যুদ্ধত ১১৯২ খৃঃত জয়লাভ কৰি ভাৰতত নিগাজিকৈ এখন মুছলমান সাম্ৰাজ্য গঢ়ি তোলাৰ বাবে পৰিকল্পনা কৰে। ইতিপূৰ্বে মুছলমানে বহুবাৰ ভাৰত আক্ৰমণ কৰিছিল যদিও ভাৰতত এখন মুছলমান ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিবলৈ তেওঁলোকৰ মনত সেই লিপ্সা নাছিল। যুদ্ধ কৰা আৰু যুদ্ধত জয়লাভ কৰাই আছিল সেই সকলৰ মুখ্য হাবিলাস। কিন্তু মহম্মদ ঘোৰীয়ে প্ৰবল প্ৰতাপী হিন্দু ৰজা পৃথ্বীৰাজ চৌহানক পৰাস্ত কৰি নতুন পৰিকল্পনাৰে ভাৰতৰ উত্তৰ-পূব দিশলৈ আগবাঢ়িছিল। ১১৯৪ খৃঃত কনৌজৰ ৰজা জয়চন্দ্ৰক পৰাস্ত কৰাৰ পাছত মহম্মদ ঘোৰীয়ে নিজে সিংহাসনত নবহি সেনাপতি কুতুবুদ্দিন আইবাকক ভাৰতৰ শাসন কৰ্ত্তা পাতিছিল। কুতুবুদ্দিন আৰু তেওঁৰ দুৰ্দ্ধৰ্ষ সেনাপতি ইখ্‌তিয়াৰুদ্দিন মহম্মদ বখ্‌তিয়াৰ খালজীয়ে মহম্মদ ঘোৰীৰ আকাংখ্যাক বাস্তবত ৰূপ দিয়াৰ উদ্দেশ্য ইখনৰ পিছত সিখন দেশ জয় কৰি মুছলমান

---

১ : প্ৰসঙ্গ কোষ ঃ আবুল হুসেন ছাত্তাৰপৃঃ ৩৫

আধিপাত্য বিস্তাৰ কৰিছিল। বখতিয়াৰ খালজীয়ে ত্ৰয়োদশ শতিকাৰ দুৱাৰ দলিতে অৰ্থাৎ ১২০২ খৃঃত অনায়াসে বংগৰ ৰাজধানী লক্ষ্মণাৱতী জয় কৰি লক্ষ্মণাৱতীৰ নামকে সলাই গৌড় ৰাজ্য নাম দি তাত মুছলমানৰ আধিপাত্য বিস্তাৰ কৰে।

সেই সময়ত বংগদেশৰ আভ্যন্তৰীণ সমাজ ব্যৱস্থাই ভুগিছিল এক অভাবনীয় অস্থিৰতাত। বিশেষকৈ সাধাৰণ কৃষকশ্ৰেণী আৰু নিম্নবৰ্ণৰ প্ৰজাসকল জমিদাৰসকলৰ নিষ্ঠুৰতাৰ বলি হৈছিল। দ্বাদশ শতিকাৰ শেষৰ পিনে যেতিয়া উত্তৰ ভাৰতত চুফীবাদৰ প্ৰৱেশ ঘটে তেতিয়া বংগত আছিল প্ৰবল-প্ৰতাপী সপ্তমজন হিন্দু ৰজা বল্লাল সেন। বল্লাল সেনে বংগত কৌলীন্য প্ৰথা প্ৰবৰ্ত্তন কৰাৰ কাৰণেই বংগৰ সামাজিক গাঁথনি থানবান হৈ পৰিছিল আৰু সাধাৰণশ্ৰেণী মানুহ অস্থিৰতাত ভুগিব লগা হৈছিল। বল্লাল সেনৰ উদ্দেশ আছিল ব্ৰাহ্মণ আৰু কায়স্থ বৰ্ণৰ বাবে এক অবিমিশ্ৰ আৰু নিৰ্মল পৰম্পৰা নিশ্চিত কৰা। শ্ৰুতি-স্মৃতি, সংহিত-পুৰাণ সকলোতে ব্ৰাহ্মণৰ শ্ৰেষ্ঠত্ব আৰু প্ৰভাৱ অক্ষত কৰি ৰখাৰ উদ্দেশ্য অলেখ নীতি সৃষ্টি কৰিছিল। বল্লাল সেন আনকি তেওঁৰ পুত্ৰ লক্ষ্মণ সেনে তেওঁলোকৰ ৰাজত্ব কালত সমষ্ট ৰাজশক্তি নিয়োজিত কৰিছিল ব্ৰাহ্মণ্য ব্যৱস্থা পুনৰ প্ৰৱৰ্ত্তনৰ কাৰণে। ফলত পূৰ্ব-ভাৰতৰ নীঃহকুলীয় আখ্যা পোৱা জনসাধাৰণ বিশেষকৈ বৌদ্ধধৰ্মৰ লোকসকল হৈছিল বিভিন্ন প্ৰকাৰে নিৰ্যাতিত। কৃষক শ্ৰেণীও হৈ পৰিছিল অৰ্থনৈতিক ভাৱে দিশহাৰা। বহুত বিবাহযোগ্যা কুলীন কন্যাৰ পিতৃ-মাতৃ, পৰিয়াল -পৰিজন ব্ৰাহ্মণৰ কবলত পৰি সৰ্বশ্ৰান্ত হৈ পৰিছিল। এই সম্বন্ধে ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ ৰচিত "বহু বিবাহ" আৰু "ভাৰতে বিবেকানন্দ" গ্ৰন্থত বিষদ বিৱৰণ আছে। আনকি পৰৱৰ্তী লেখকসকলেও কেতবোৰ মন্তব্য প্ৰকাশ কৰিছে সেইকালৰ ব্ৰাহ্মণ্য সংস্কৃতিৰ অপকৰ্ম সম্বন্ধে—

"ত্ৰয়োদশ শতাব্দী হইতে গৌড়দেশে মুছলমান প্ৰভাৱ আৰম্ভ হয়, এই সময় হইতে মহাপ্ৰভুৰ সময় পৰ্যন্ত মুছলমানেৰ সংস্পৰ্শে ও অত্যাচাৰে এবং কৌলীন্য প্ৰথাৰ অদ্ভুত ও আস্বাভাৱিক ব্যৱস্থাৰ ফলে হিন্দুৰ প্ৰাচীন সমাজ ব্যৱস্থা শিথিল হইয়া গেল।" কিন্তু তাত কোৱাৰ দৰে এয়া ইছলামৰ অত্যাচাৰ নহয়। ইতিহাসৰ ঘটনাৰাজিয়ে ওলোটাটোহে প্ৰমাণ কৰে, সেই শিথিলতাৰ কাৰণ আছিল উচ্চ বৰ্ণৰ অত্যাচাৰহে।[১]

১ : লুইত বৰাক আৰু ইছলামঃ মেদিনী চৌধুৰী ঃ পৃঃ ৩১-৩২

পীৰ-ফকীৰৰ ইছলাম ধৰ্মৰ একেশ্বৰবাদী আৰু উচ্চ-নিম্ন ভেদাভেদমুক্ত বাণীত মোহিত হৈ আৰু ইতিমধ্যে বখ্‌তিয়াৰ খালজীয়ে বিস্তাৰ কৰা মুছলমান সমাজৰ আদৰ্শ স্বচক্ষুই দেখি শোষিত সাধাৰণ শ্ৰেণী আৰু খেতিয়কসকল ধাবিত হৈছিল ইছলাম ধৰ্ম গ্ৰহণ কৰিবলৈ । সেই সময়ত ধৰ্মান্তৰিত হোৱা প্ৰক্ৰিয়াত কোনো ধৰণৰ সামাজিক প্ৰতিবন্ধকতা নাছিল। উচ্চ বৰ্ণৰ সকলেও সেই ধৰ্মান্তৰিত প্ৰক্ৰিয়া নীৰৱে চাই থকাৰ বাহিৰে প্ৰতিৰোধৰ পথ বিচাৰি পোৱা নাছিল।

ত্ৰয়োদশ শতিকাৰ প্ৰাৰম্ভণীতে খাল্‌জীয়ে কামৰূপৰ মাজেদি তিব্বত-চীন অভিযানলৈ পথ এটা মুকলি কৰিছিল। কামৰূপত খাল্‌জীৰ পথ প্ৰদৰ্শক হৈ মেচ নামৰ জনজাতীয় লোক এজনে ইছলাম ধৰ্ম গ্ৰহণ কৰি মেচ আলি নাম লৈছিল। কামৰূপ তথা অসমত সেই মেচ আলিয়েই প্ৰথম থলুৱা মুছলমান।[১]

এইবোৰ ইতিহাস প্ৰসিদ্ধ তথ্য অনুসৰণ কৰিলে দেখা যায়, সপ্তম শতিকাত দৰঙৰ মুছলিমঘোপাত মুছলমান বসতি স্থাপন হোৱা তথ্যটো অবাস্তৱ।

মানুহ মাত্ৰেই প্ৰব্ৰজনমুখী। সৃষ্টিৰ পাতনিৰপৰা এই প্ৰব্ৰজনৰ সোঁত অব্যাহত ভাবে চলি আহিছে। বিশ্বৰ বুকুত এনেকুৱা এখন দেশ বা ৰাষ্ট্ৰ নাই য'ত প্ৰব্ৰজিত মানুহৰ বসতি নাই। অতীতৰ যাযাবৰী জীৱন-ধাৰণ কৰা লোকসকলেই সিচৰতি হৈ প্ৰব্ৰজনৰ দ্বাৰা বিভিন্ন দেশত নিগাজী হৈছেগৈ।

কামৰূপ, হাজো অঞ্চলত মুছলমান বসতি ইতিমধ্যে গঢ়ি উঠাৰ পাছত ত্ৰয়োদশ শতিকাৰ মধ্য বা শেষ ভাগত গৌড়ৰপৰা এদল তুৰ্কী বংশোদ্ভৱ মানুহ ন বাসভূমিৰ অন্বেষণত আহি কামৰূপ অতিক্ৰম কৰি দৰঙত প্ৰৱেশ কৰে। ইতিমধ্যে ২৯২ বছৰ অৰ্থাৎ বখ্‌তিয়াৰ খালজীৰ ১২০৫ খৃঃৰ পৰা ১৪৯৮ খৃ-ত গৌড়ৰ নবাব হুচেন চাহে কামৰূপ-কমতা ৰাজ্য আক্ৰমণ কৰালৈকে কামৰূপৰ বিভিন্ন ঠাইত মুছলমানৰ সুপ্ৰতিষ্ঠিত আৰু সংস্কৃতিবান গাওঁ-ভূঁই গঢ়ি উঠিছিল। সেই ন প্ৰব্ৰজনকাৰী দলটোই হয়তো সামূহিক ভাবে কামৰূপৰ সেইবোৰ ঠাইত বৈ যাবলৈ সুবিধা পোৱা নাছিল। গতিকে তেওঁলোকে পূবলৈ গতি কৰি দৰঙত সোমায় আৰু কিছুদূৰ উজাই আহিছিল।

এইখিনিতে অতীজৰ দৰঙ ৰাজ্যখনৰ এটা ৰাজনৈতিক আৰু সামাজিক দৃশ্যপটৰ চমু আভাস লোৱা প্ৰয়োজন বুলি ভাবোঁ। এই দৃশ্যপটত দেখা যায় ৯৮৫

১ : সংমিশ্ৰণত অসমীয়া সংস্কৃতিঃ আব্দুছ ছত্তাৰঃ পৃঃ ৮

খৃঃৰ পৰা ১১২৫ খৃঃলৈ কামৰূপত পালবংশীয় ৰজাসকলে কামৰূপ শাসন কৰিছিল। এই পালবংশৰ ৰজা ব্ৰহ্মপালে তেওঁৰ ৰাজ্য পশ্চিম ফালে নবঢ়াই পূবফালে বঢ়াইছিল। দৰঙৰ পশ্চিমাংশ পাল ৰজাৰ অধীনস্থ হৈছিল। সেই সময়ত দৰঙৰ পশ্চিম সীমাৰ ভূখণ্ড আছিল মাটিগিৰি ভূঞা ধৰ্মদেৱ মহন্তৰ অধীনত, তেওঁৰ বাসস্থান আছিল বৰাবাৰী। তাতে তেওঁ বিষ্ণু দেৱতাৰ সেৱক হৈ পৰ্বত সমান মাটিৰে এটা ববদল বান্ধিছিল। তেতিয়াৰ পৰা বৰাবাৰীৰ নাম ৰবদ'লগুৰি হয়। পাল ৰজাই পূৱলৈ অৰ্থাৎ তেওঁৰ ৰাজ্যৰ ভূখণ্ড হস্তগত কৰাত ধৰ্মদেৱ মহন্তই পাল ৰজাৰ বশ্যতা স্বীকাৰ কৰি লৈ পালৰ সান্নিধ্যলৈ আহে। ধৰ্মদেৱ মহন্তই মঙ্গলদৈ অঞ্চলত উদ্‌যাপিত বহাগ মাহৰ দৌল উৎসৱৰ প্ৰৱৰ্ত্তক। তদুপৰি এওঁৱেঁই দশম শতিকাৰ শেষ বা একাদশ শতিকাৰ আৰম্ভণিতে ডাঁহী মৌজাত দীঘি পুখুৰী খন্দাইছিল।

"দৈবজ্ঞক মাতি পাছে গণাইলা পুখুৰী।
গণি পৰি নাম থলে দীঘি দীঘেশ্বৰী।।"

এওঁৰেই পুত্ৰ সম্বৎসৰ ভূঞা। যিজনাক জনা যায় শিয়ালা বৈষ্ণৱ স্বৰূপে। ডাঁহী মৌজাৰ চপৰা গাঁৱৰ বাসিন্দা কবিৰাজ সুচন্দই এইজনা শিয়ালা বৈষ্ণৱৰ চৰিত বৰ্ণনা কৰি বিখ্যাত 'শিয়ালা বৈষ্ণৱ চৰিত ৰচনা কৰিছিল। কবিজনাই নিজেই নিজৰ পৰিচয় বৰ্ণনা কৰিছিল—

"সূৰ্য বিপ্ৰকুলে জন্ম আমি অধমৰ।
দৰঙ্গত মধ্যে চপৰাত ঘৰ।।
নামে কবিৰাজ সুচন্দ সদাই।
চাউল মাগি ফুৰোঁ এহি কবিতা বৰ্ণাই।"

সম্বৎসৰ ভূঞাৰ দেউতাক ধৰ্মদেৱ মহন্তৰ বিষয়ে তেওঁ বৰ্ণনা কৰিছে—

"বাৰভূঞাৰ এক ভূঞা বিপ্ৰবৰ।
নামে ধৰ্মদেৱ কৰ্ম কৰিব বিস্তৰ।।
প্ৰথমে কৰিলা গৃহ ভাথি দৰঙ্গত।
ৰবাবাৰী নামে গ্ৰাম প্ৰসিদ্ধ লোকৰ।"[১]

---

১ : শিয়ালা বৈষ্ণৱ চৰিতঃ ভাৰত চন্দ্ৰ নাথঃ

এই ভূঞাবংশৰে অনেক ভূঞাই মুছলিম ঘোপা গাঁৱৰ পশ্চিম সীমাত ২৪ বিঘা মাটি কালিৰে পৰো পুখুৰী খন্দাইছিল। আজিও সেই পুখুৰীৰ অৱশিষ্ট বিদ্যমান। উক্ত শতিকাৰ ভূঞাসকলৰ শাসনতে দৰঙৰ পশ্চিমাঞ্চলত নতুবা সমগ্ৰ দৰং জিলাৰ ভিতৰত মুছলমানৰ বসতি সম্পৰ্কে জনা নাযায়।

মুছলিমঘোপা — আগতেই উল্লেখ কৰা হৈছে যে ত্ৰয়োদশ শতিকাৰ মধ্য বা শেষভাগত গৌড়ৰপৰা এদল তুৰ্কী বংশোদ্ভৱ মুছলমান ন বাসভূমিৰ অন্বেষণত প্ৰব্ৰজিত হৈ আহি কামৰূপ অতিক্ৰম কৰি দৰঙত প্ৰৱেশ কৰিছিল।

এই নৱ প্ৰব্ৰজিত মুছলমান দলটোৱে ক্ৰমান্বয়ে উজাই আহি দৰং জিলাৰ ছিপাঝাৰৰ পৰা প্ৰায় ডেৰ কিঃমিঃ উত্তৰত এডোখৰ জনবসতিহীন হাবিতলীয়া ঘোপ মৰা অঞ্চলত প্ৰৱেশ কৰিছিল। বিশ্বাস কৰিব পৰা যায়, দলটো পদব্ৰজে আহিছিল চাগে। বংগৰ গৌড়দেশৰ পৰা সুদূৰ দৰঙলৈ এক দীঘলীয়া পথ পদব্ৰজে অহা কথাটোত সহজে অনুমান কৰিব পাৰি যে এই প্ৰব্ৰজনকাৰী দলটোত কোনো তিৰোতা বা ল'ৰা-ছোৱালী অহা নাছিল। মানুহবিলাকো ডেকা বয়সৰ আৰু সুস্বাস্থ্যৰ আছিল সম্ভৱ। লেবেলা-চেপেটা, ৰোগীয়া বা বৃদ্ধলোকে ইমান দীঘলীয়া পথ খোজ কাঢ়ি পৰিক্ৰমা কৰা সহজ নহয়। তেওঁলোক আছিল বংগত নিৰ্যাতনৰ সন্মুখীন হোৱা মানুহ। সেয়ে তেওঁলোক আহিছিল এখন সুস্থ সমাজৰ অন্বেষণত। দৰঙত প্ৰৱেশ কৰি দুমুনীচকী, অলপ ইফালে সিফালে থকা বাঁহগুৰি বা পাৰ্শ্ববৰ্তী অঞ্চলত দলটোৰ দুই এজন বৈ যোৱা একো অস্বাভাৱিক নহয়। ঘোপাত প্ৰৱেশ কৰি দলটোৱে হাবি-জংঘল কাটি স্থায়ী বসতি স্থাপন কৰে। সেই ঘোপমৰা ঠাইত বসতি স্থাপন কৰা কাৰণে ঠাইখনে নাম পালে 'ঘোপা'। মানুহখিনিৰ আদি বাসস্থান গৌড় দেশৰ কাৰণে তেওঁলোকে চিনাকি দিলে গৌড়ীয় পাছত গড়িয়া আৰু সংস্কৃত ৰূপত গৰিয়া বুলি। ঘোপ মৰা ঠাই আৰু পূৰ্বৰ বাসস্থান গৌড় কাৰণে গাঁওখনে নাম পাইছিল গৰিয়াঘোপা। উল্লেখযোগ্য যে দৰং জিলাত এই গৰিয়াঘোপাই মুছলমানৰ প্ৰথম বসতি স্থল। প্ৰায় সাত শ বছৰ এই নামেৰেই পৰিচিত হৈ থকাৰ পাছত ১৯২৬ খৃ-ত্তহে তেতিয়াৰ ভূমি বন্দোবস্তিকৰণ বিষয়া (Settlement officer) মঃ আনোৱাৰ হুছেইন চাহাবে ৰাজপত্ৰত গৰিয়াঘোপাৰ পৰিবৰ্তে মুছলিমঘোপা নামেৰে নামকৰণ কৰে। সেই সময়ৰ বিজ্ঞ ৰাইজেও গাঁওখনৰ নাম মুছলিমঘোপা দিব লাগে বুলি কৰ্তৃপক্ষৰ ওচৰত দাবী উত্থাপন কৰিছিল।

মুছলিমঘোপাৰ নিকটত পূৰ দিশত হিন্দুঘোপা গাঁও অৱস্থিত। ইয়াত বাস কৰা হিন্দু মানুহসকলো চাগে প্ৰব্ৰজন সূত্ৰে আহি সেই হাবি জংঘলে আবৃত ঘোপ মৰা অঞ্চলত বসতি কৰিছিল। সেই কাৰণে ঠাইখনে হিন্দুঘোপা নাম পাব পাৰে।

প্ৰত্যেক প্ৰব্ৰজনকাৰীয়ে লগত লৈ আহে নিজৰ কৃষ্টি-সংস্কৃতি। তাৰ ভিতৰত ধৰ্মীয় সংস্কৃতিয়েই প্ৰধান। কিন্তু নকৈ প্ৰব্ৰজিত হৈ আহি মুছলিমঘোপাত বসতি স্থাপন কৰা মানুহখিনি গৌড় দেশত আছিল ধৰ্মান্তৰিত হোৱা নতুন মুছলমান। তাত তেওঁলোকে হিন্দু-ধৰ্ম ত্যাগ কৰি নতুনকৈ মুছলমান হৈয়েই প্ৰব্ৰজনকাৰী হোৱাৰ কাৰণে সম্পূৰ্ণ মুছলমান সংস্কৃতিৰ লগত চিনাকি হবলৈ সময় পোৱা নাছিল। নতুন মুছলমান কাৰণেই তেওঁলোকে নতুমিত থলুৱা সংস্কৃতিৰহে সন্মুখীন হৈছিল। তাতে তেওঁলোকে স্থানীয় মঙ্গোলয়দ গোষ্ঠীয় তিৰোতাৰ পাণি গ্ৰহণ কৰি সংসাৰ তৰিছিল। এটা উদাহৰণৰ পৰা ইয়াৰ এটা সম্যক ধাৰণা কৰিব পাৰি— "মঙ্গলদৈ তথা দৰং অসম নতুবা ভাৰতলৈ অহা মুছলমানসকলে লগত মাইকী মানুহ অনা নাছিল। গতিকে ইয়াত যুদ্ধ কৰি, জয় লাভ কৰি ইয়াৰ তিৰোতাৰ পাণি গ্ৰহণ কৰি ভাৰতত বসবাস কৰিছিল।"

"In discussing the Muslim rulers of India, we must remember that the Muslims came in successing waves. They were in most cases armies of fighting men who did not bring their women with them and took local wives." (The Indian Heritage by Prof. Humayun Kabir).

এই নিদৰ্শনটো প্ৰব্ৰজিত হৈ আহি মুছলিমঘোপাত বসতি স্থাপন কৰা মুছলমানসকলৰ ক্ষেত্ৰটো খাটে। কিন্তু এইটো স্মৰণযোগ্য যে মুছলিমঘোপালৈ অহা মানুহখিনি সৈনিক নাছিল। সৈনিক হোৱাহেঁতেন নিশ্চয় যুদ্ধৰ আহিলা-পাতি লগত থাকিলহেঁতেন বা চাৰিত্ৰিক বৈশিষ্ট্যই সলনি হ'লহেঁতেন। তেওঁলোক আছিল সাধাৰণ কৃষিজীৱী মানুহ। যদি গৌড়ৰ পৰা নাহি কামৰূপৰ পৰা আহিলহেঁতেন তেতিয়াও নিশ্চয় মুছলমান প্ৰকৃত সংস্কৃতিবান সমাজ এখন লৈ আহিলহেঁতেন। কাৰণ ইতিমধ্যে কামৰূপত এখন প্ৰতিষ্ঠিত সংস্কৃতিবান মুছলমান সমাজ গঢ়ি উঠিছিল।

সেই সময়ত সমগ্ৰ মঙ্গলদৈ অঞ্চল মঙ্গলয়দ বড়ো-কছাৰী মূলীয় গোষ্ঠীৰ দ্বাৰা অধ্যুষিত আছিল। ধৰ্মত আছিল হিন্দু। নৱ বাসিন্দা সকলে থলুৱা হিন্দু নাৰী বিবাহ কৰি সংসাৰৰ পাতনি মেলে "কালক্ৰমত মুছলমানে যাৰ গ্ৰহণ কৰিছে,

অনেকেই মুছলমানৰ ৰীতি-নীতি পাহৰি স্থানীয় আচাৰ ব্যবহাৰ, সমাজ ব্যবস্থা গ্ৰহণ কৰিছে”— (পবিত্ৰ অসম-সম্পাদনা মাহেশ্বৰ নেওগ।)

সেই ত্ৰয়োদশ শতিকাতে মুছলিমঘোপাৰে বাইহাটা চুবাৰ প্ৰৱেশ দ্বাৰত পূব মুছলিমঘোপা প্ৰাইমাৰী স্কুলৰ ওচৰত আজিকোপতি ধোপৰ তল নামে জনাজাত— তাত ধৰ্মীয় ৰীতি নীতি পালন কৰিবলৈ এটা “মোকাম” ঘৰ সজায় আৰু ওচৰতে এটা প্ৰকাণ্ড শিল পোতে। সেই মোকাম ঘৰটোত মুছলিম সংস্কৃতিৰ লগতে হিন্দু সংস্কৃতিৰো প্ৰভাৱ পৰে। নতুনকৈ মুছলমান হৈয়েই মতা মানুহখিনি অহাৰ ফলত মুছলমান সংস্কৃতি সম্পূৰ্ণকৈ জানিবলৈ পৰা নাছিল আনহাতে হিন্দু বংশোদ্ভৱ তিৰোতা বিয়া কৰোৱাৰ কাৰণে এক মিশ্ৰিত সংস্কৃতি গঢ় লৈ উঠিছিল। সেই কাৰণেই হবলা তাত পাৰ, কুকুৰাৰ বলি বিধানৰ প্ৰচলন চলিছিল। ঢোল, তাল, ত্ৰিশূল আদিও হেনো মোকাম ঘৰটোত মজুত আছিল। সম্ভৱতঃ শিলটোত বলি বিধান চলিছিল। শিলটোক মানুহে পবিত্ৰ জ্ঞান কৰিছিল। তাৰ ওপৰত বহা গচকা আদি নকৰিছিল। প্ৰয়োজন সাপেক্ষে খান্দিলে শিলটো এতিয়াও পোৱা যাব পাৰে। (আজিজুৰ ৰহমানঃ মোকাম ঘৰটিৰ এজন নিকটবৰ্তী)

“আজিকালিৰ নিচিনাকৈ কোৰাণ শ্বৰীফ পঢ়ি সমাজক বুজাব পৰা লোক সেই সময়ত নাছিল বুলিলেই হয়। দুই এক মুন্সি - মোল্লাই সামাজিক নীতি নিয়মবোৰ চলাইছিল মাত্ৰ। মাজে সময়ে গোলাঘাট মহকুমাৰ বিখ্যাত সৰুবাগুৰীয়া দেৱান বংশৰ মঃ চেখায়েত আলি পীৰ চাহাব, গুৱাহাটীৰ চুফী জোলকাত আলি মুন্সি চাহাব ও তৎপুত্ৰ চুফী ইয়াকুব আলি মুন্সি চাহাব আহি এই অঞ্চলৰ মুছলমান সমাজত দীক্ষা দি ফুৰিছিলহি। তেতিয়াৰ দিনত ইয়াৰ গাঁও বিলাকত মছজিদ নাছিল বোলে। ঘোপাত (বৰ্ত্তমান মুছলিম ঘোপা) মাত্ৰ একেটি ‘নামঘৰ’ (আল্লাৰ নাম লোৱা ঘৰ অৰ্থাৎ ওপৰত উল্লেখ কৰা মোকাম ঘৰটো আছিল)। তাতে পীৰৰ নামে ভোজ পাতি ৰঙা কুকুৰা কাটি তাৰ তেজৰ পিঠা তৈয়াৰ কৰি খাই ৰাইজে জাহেলী (নিষিদ্ধ) নাম-গীত গাইছিল।”[১]

“যিয়ে নহওক, তেনে সময়তে চুফী জোলকাদ আলি চাহাব প্ৰথমে ঘোপাত সোমায়হি আৰু সেই অঞ্চলৰ কু-সংস্কাৰবোৰ আঁতৰাই ৰাইজক সজ পথলৈ আনিবলৈ সমৰ্থ হয়। ঘোপাৰ সেই নামঘৰটিকে মছজিদলৈ পৰিবৰ্ত্তন কৰি তাতে সমাজ

---

১ : মোৰ জীৱনৰ কিছু কথা : মঃ নজৰ আলি : পৃঃ ৬।

বহুৱাই ধৰ্মৰ সাৰমৰ্মবোৰ চুফী চাহাবে প্ৰচাৰ কৰে। এই কামত তেখেতে অনেক বিধি পথালিৰ ভেঁটা ভেঁটি হ'বলগীয়া হৈছিল। ককা-আতা সকলৰ দিনৰ নীতি-নিয়মবোৰ দলিয়াই পেলাই নতুন নিয়ম কিছুমান প্ৰচাৰ কৰাটো সমাজ দ্ৰোহ আচৰণ বুলি মেলেকী ধৰণৰ তিৰোতা এগৰাকীয়ে তেখেতক অপমান কৰিবলৈ নেৰিলে। কিন্তু কোনো বাধা বিঘিনি তেওঁৰ সন্মুখত তিষ্ঠিব নোৱাৰিলে; বৰং দ্বিগুণ উৎসাহেৰে তেওঁ প্ৰচাৰ কাৰ্যত আগবাঢ়িল। ই গাঁও সি গাঁওকৈ ওচৰৰ প্ৰায় আটাইকেইখন গাঁৱৰ মানুহ তেওঁৰ সমাজ সেৱাত মোহ গ'ল আৰু আশাশুধীয়াকৈ কামত সহায় কৰাত লাগিল। এইদৰে গৰিয়াঘোপা, বৰকলিয়াঝাৰ, ঘোঁৰাশাল (তুৰাই), কুমাৰপাৰা (কুৰ্পি) নিৰাচুবা আদি গাঁৱৰ মুখীয়াল ৰাইজসকল চুফী চাহাবৰ ওচৰত দীক্ষিত হৈ নৱজ্যোতিৰে দীপ্তিমান হৈ একেশ্বৰবাদৰ পৰম সৌভাগ্য লাভ কৰে।"[১]

আকৃতিত সৰু হলেও যিটো 'নামঘৰ' (মোকাম) চুফীজনাই মছজিদলৈ উন্নীত কৰিলে মুছলিমঘোপাৰ সেই মছজিদটোৱেই মঙ্গলদৈ মহকুমাৰ প্ৰথম মছজিদ। অৱশ্যে সেইটোত ওৱক্তিয়া অৰ্থাৎ দিনটোত পাঁচবাৰ নামাজ পঢ়াহে মছজিদ আছিল। জুমা নামাজ পঢ়োৱা নহৈছিল। জুমা নামাজ পঢ়িবৰ কাৰণে গাঁওখনৰ মধ্যস্থল চেঙা চুবাত এটা জামে মছজিদ তাৎক্ষণিকবাৰে নিৰ্মাণ কৰে। মুছলিম ঘোপাৰ মানুহে সেইটোকে বুঢ়া মছজিদ বা বৰ মছজিদ বোলে। মোগল সেনাপতি মীৰজুমলাৰ নিৰ্দেশত দৰঙী কৰতলতীয়াৰজা সূৰ্যনাৰায়ণে দৰং অঞ্চলত কুপ্ৰথাত নিমজ্জিত হৈ থকা মুছলিক সমাজখন সংস্কাৰ কৰাবলৈ চিলেট কিম্বা ৰংপুৰ অঞ্চলৰপৰা চাৰিজন মোল্লা (ইছলাম ধৰ্ম জ্ঞান থকা ব্যক্তি) আনি বিভিন্ন ঠাইত ভূমি দান কৰি সংস্থাপিত কৰাৰ লগতে তেনে মোল্লা এজন মুছলিম ঘোপাতো সংস্থাপিত কৰিছিল। সেই বংশৰে মোল্লা আলিমুদ্দিন আহমেদৰ এই জুমা মছজিদটো নিৰ্মাণ কৰাত অৰিহণা প্ৰচুৰ। মছজিদটোত তেৰেঁ প্ৰথম ইমামতি কৰাৰ কাৰণে তেওঁ 'বৰ মোল্লা' আখ্যা পাইছিল। ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত আৰবী শিক্ষক মঃ ছমচেৰ আলি চাহাবে বৰ্ত্তমানেও সেই বৰ মোল্লা বংশৰ অতীত গৌৰৱাই আছে।[২]

চুফী জোলকাদ আলি চাহাব ১৮৮০ চনত গুৱাহাটীৰ পৰা আহি মুছলিম ঘোপাৰ হাজী চুবাৰ নিবাসী ফক্‌লু সেখৰ ঘৰত বাহৰ পাতি এই ধৰ্মীয় সংস্কাৰবোৰ

১: মোৰ জীৱনৰ কিছু কথা ঃ মঃ নজৰ আলি ঃ পৃঃ ৬।

২: গণিৰুদ্দিন আহমেদ ঃ মুছলিমঘোপা ঃ অঃ প্ৰাঃ শিক্ষকঃ পশ্চিম মঙ্গলদৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়।

সাধন কৰি ফুৰিছিল আৰু বিভিন্ন ঠাইত মছজিদ নিৰ্মাণ কৰিছিল। সেই চনতে ৰবকলিয়াঝাৰৰ জয়পাল পুখুৰীৰ উত্তৰ পাৰত চৌহানৰ খেৰী বৰ এটাও মছজিদ স্থাপন কৰা হ'ল। প্ৰথম ডাঙৰ মছজিদ বুলি এই মছজিদটো আজিও বৰ মছজিদ বুলি প্ৰখ্যাত ।

চুফীজনাৰ লাখুটি হৈ ফুৰিছিল ফকলু সেখ। চুফীজনা সেই ঠাই ত্যাগ কৰাৰ পাছত ফকলু সেখ নিজৰ ঘৰৰে এঠাইত খানকাহ পাতি আল্লাৰ ধ্যানত মগ্ন আছিল। হাজী চুবাৰ তেওঁৰ বংশটোক আজিও ফকীৰ বংশ বুলি জনাজাত হৈ আছে।

জনসংখ্যা বৃদ্ধিৰ লগে লগে মুছলিমঘোপাক প্ৰধানতঃ পাঁচটা চুবাত ভাগ কৰা হয়। প্ৰত্যেক চুবাতে আকৌ পাৰা বা বংশীয় পৰিচয় অনেক। চুবাবোৰ হাজীচুবা, কলঠাচুবা, চেঙাচুবা, বাইহাঠাচুবা, মাজচুবা আৰু ধোঁৱাচুবা। কি ভিত্তিত আৰু কিহৰ আলমত চুবাবোৰৰ নামকৰণ কৰা হৈছিল তাক জনা নাযায়। শাৰীৰিক আৰু মনোবলৰ দক্ষতা নিৰ্ভৰ কৰি দৰঙী ৰজাই মুছলিম ঘোপাৰ প্ৰত্যেক চুবাৰ মানুহক ৰাজপদ দিছিল। তাৰফলত পৰৱৰ্ত্তী কালত গঢ়ি উঠিছিল একো একোটা বংশ। কলঠা চুবাৰ স্বৰ্গীয় বুদু সেখ হেনো কুৰুৱা মৌজাৰ মৌজাদাৰ আছিল। মৌজাদাৰৰ খত-পত্ৰ আদি লিখি দিয়াৰ কাৰণে সৃষ্টি হৈছিল কাকতি বংশ। বৰ্ত্তমান মঙ্গলদৈ নিবাসী কৃষি বিভাগৰ কৰ্মচাৰী আকেল আলি তেওঁ কোৱামতে সেই বংশৰে লোক। বৃটিছ অহাৰ পাছত মৌজা প্ৰথাত ৰাজহ আশা কৰামতে সংগ্ৰহ কৰিব নোৱাৰি দৰঙক ৭২ খন ৰেভিনিউ চাৰ্কোলত ভাগ কৰি একোজন পাটগিৰি নিয়োগ কৰিছিল। প্ৰথমজন পাটগিৰি কোন জনা নহলেও কলঠা চুবাৰ মহৰুত, আৰফান আলি সেই পাটগিৰি বংশৰ লোক। কালক্ৰমত এই বংশৰ লোক প্ৰথমতে কাউকাৰিলৈ তাৰপৰা আকৌ এজন বড়িগাঁৱৰ পাৰিয়া পাৰালৈ পামুৱৈ হিচাপে গৈ বৰ্ত্তমান সেইঠাইৰ স্থায়ী বাসিন্দা হৈ পাটগিৰি ঘৰৰ মানুহ বুলি পৰিচয় অক্ষত ৰাখিছে। কাউৰপৰিৰ আব্দুল আলি, তুলহ সেখ আৰু পাৰিয়াপাৰাৰ চেণ্ডা সেখ অতীতহৈ গলেও সতি-সন্ততি পাটগিৰি বংশৰে জনাজাত হৈ আছে। প্ৰাক্তন আৰক্ষী পৰিদৰ্শক আহেদ আলি ওজা বংশৰ। অৱশ্যে ওজাপালি গোৱা ওজা নহয়। দৰঙী ৰজাৰ দিনৰ গাঁৱৰ বা অঞ্চলটোৰ মুখীয়াল মানুহ। বৰ্ত্তমান যুগৰ গাঁওবুঢ়াৰ পদবী স্বৰূপ। এই ওজাজনৰ ওপৰতে অঞ্চলটোৰ সুখ-দুখ, অভাৱ-অনাটনৰ খবৰ যোগনীয়াৰৰ ভাৰ ন্যস্ত কৰাৰ উপৰিও অঞ্চলটোৰ দায়-দোষৰ বিচাৰ কৰা দায়িত্ব ন্যস্ত কৰিছিল। তেওঁৰ আসন

সমাজত বৰ উচ্চ আছিল। কোনোবাখন বিচাৰলৈ যাওঁতে ওজাই মুগাৰ চাপকণ, চুৰীয়া, মূৰত দীঘল পাগুৰি, ভৰিত আগপালে ওখ জোঙ থকা জোতা পিন্ধি যোৱা এটা আঢ্যবন্তীয় ৰীতি আছিল। মেলৰ সন্মুখ পোৱাৰ আগমুহূৰ্ত্তত আগত এখন ধকধকীয়া শুধ বগা কাপোৰ পাৰি দি মানুহে তেওঁক সন্মান জনাইছিল। ওজাজনে সেই বগা কাপোৰখনৰ ওপৰেৰে গহীন গম্ভীৰ খোজেৰে গৈ মেলত আসন লৈছিল। আহৰু সেখ তেনে এজন ওজা আছিল। তেওঁৰ বংশৰ মানুহ আজিও ওজাঘৰৰ মানুহ বুলি পৰিচিত হৈ আছে। পোৱা সেখৰ বংশধৰ মজিবৰ ৰহমান দলগাঁৱত মৌজাদাৰ হৈছিলগৈ। কলঠা চুবাৰে মাহাৰ সেখ, দেওবৰ সেখ দৰঙী ৰজাৰ প্ৰদত্ত খিতাপধাৰী চহৰীয়া বংশৰ। হাজীচুবাৰ ডাক-তাঁৰ বিভাগৰ কৰ্মচাৰী মহবুব আলি সেইদৰে হাজৰিকা বংশধৰ। তেওঁৰ পুত্ৰ মহিবুদ্দিন হাজৰিকাইঁতে সেই বংশৰ পৰম্পৰা উপাধি এতিয়াও অটুট ৰাখিছে। হাজীচুবাৰে আচমা, গণিৰুদ্দিন, মহিবুল্লা খানচামা বংশধৰ। তেওঁ লোকৰ উপৰিপুৰুষ চাহ-বাগানৰ বৃটিছ মেনেজাৰসকলৰ খানচামা আছিল হেনো। মাজচুবাৰ হাচাৰহঁত বাঢ়ৈ বংশধৰ। তেওঁলোক বাঁহ-বেত, কাঠৰ কামত ওস্তাদ আছিল। কাপোৰ কাণি থবৰ কাৰণে বাঁহৰে সজা পেৰা, ধান-চাউল ওজন কৰিবৰ কাৰণে ঢোল, দোন আদি ধনী ব্যক্তিসকলৰ অতি মূল্যবান সম্পত্তি আছিল। সেইদৰে সাধাৰণ পৰিয়ালে শোৱা বাঁহৰ চাংখনৰ পৰিবৰ্ত্তে কাঠৰ চাল পিৰাখন ধনী ব্যক্তিৰ কাৰণে আছিল লেখৰ সম্পত্তি। কোচ ৰজাসকলে কিছুমান 'বাঢ়ৈ' আনি তেওঁলোকক দৰঙৰ বিভিন্ন ঠাইত বসবাস কৰোৱাইছিল বুলি গুৱাহাটী বিশ্ববিদ্যালয়ৰ নৃতত্ব বিভাগৰ অধ্যাপক ইৰছাদ আলি চাহাবে তেওঁৰ 'দৰঙৰ অসমীয়া মুছলমান সমাজ আৰু সংস্কৃতিঃ এটি টোকা "প্ৰবন্ধত উল্লেখ কৰিছে। সেই দৃষ্টিকোণৰ পৰা এই বাঢ়ৈ বংশটো তেনেকৈয়ে থিতাপি লোৱা হ'ব পাৰে। মাজচুবাতে ৰজাৰ খিতাপধাৰী বৰুৱা বংশ এটা আছিল বুলি জনা যায়। সোণাফুল সেখ এই বৰুৱা বংশৰে লোক। ধৌবাচুবাৰ হামীৰ আলি, সন্তু সেখ শইকীয়া খিতাপ ধাৰী বংশৰ লোক বুলি আজিও পৰিচিত। শইকীয়া খিতাপধাৰী লক্ষী শইকীয়া হেনো তেওঁলোকৰ পূৰ্বপুৰুষ। তেওঁলোককে ভিতৰ কৰি প্ৰায় ৯/১০ ঘৰমান মানুহৰ বসতিৰ পাছ ফালে এখন প্ৰকাণ্ড বাঁহ-বেতেৰে আবৃত বাৰী আছে। সেইখনে লক্ষীবাৰী বুলি আজিও পূৰ্বৰ কথা সোঁৱৰায়। পথৰুঘাট ৰণৰ শ্বহীদ বৰলিকিৰাৰ বংশধৰ সকলো আছিল শইকীয়া খিতাপধাৰী। মাজচুবা আৰু বাইহাটাচুবাৰ ক্ৰমে কাদিৰ আলি আৰু

মনিৰুদ্দিন আছিল বৰা খিতাপধাৰী বংশৰ। উভয় বংশৰ পৰিয়াল 'বৰাৰ ঘৰ' বুলি আজিও পৰিচিত। ঘোপাৰপৰা উত্তৰ-পশ্চিম দিশেৰে বেংনৈ মৈলে যোৱাৰ পথত আছিল ধুলীয়া বংশৰ মানুহ। জপৰা ঢুলীয়া সেই বৃত্তিৰ ওস্তাদ আছিল। হিন্দু ঢুলীয়াসকলে ঢোলত চেও দিয়াৰ আগতে জপৰা ঢুলীয়াক সন্মান জনাই "জপৰা ঢুলীয়া নমঃ" বুলিহে ঢোলৰ চেও আৰম্ভ কৰিছিল। বৰ্ত্তমানৰ দলগাঁও বাসিন্দা আব্দুৰ ৰহমান (অধিবক্তা) সেই বংশৰে ব্যক্তি।

মুছলিমঘোপাৰ উত্তৰ পূব কোণৰ অতিকম সংখ্যক মানুহ কোনো কোনোৱে ধৰ্মান্তৰিত মুছলমান বুলি কব খোজে। সেইদৰে আমানাথ আলিৰ পূৰ্বপুৰুষত ব্ৰাহ্মণী চাপ পৰা বুলি কয়। সোহালি সেখৰ পূৰ্বপুৰুষ মঙ্গোলৰ্য়দৰপৰা ধৰ্মান্তৰিত হৈ মুছলমান হোৱা বুলি কাউৰ পৰিৰ নুৰ আলিয়ে জানিবলৈ দিয়ে। সেই বংশৰ মানুহ বৰ্ত্তমান মুছলিমঘোপাত নাই। কাউৰ পৰি গাঁৱতহে আছে।

দৰং জিলাৰ ভিতৰতে মুছলিমঘোপা এখন ঐতিহ্যপূৰ্ণ মুছলমান ঘন বসতিৰ গাঁও। আদম আলি যাক কংগ্ৰেছৰ ভলণ্টীয়াৰ বুঢ়া নামেৰে জনাজাত তেওঁ বৰদলগুৰিৰ ওচৰৰ কবেৈই চুবাৰপৰা উঠি গৈ ঘোপাত বসতি কৰা লোক। তেওঁ মঙ্গলদৈ নিবাসী তৈয়ব আলিৰ ৰৰদেউতাক। তেওঁৰ বংশটোক এতিয়াও কবেৈই বংশ বুলি জনা যায়।

মুছলিমঘোপাত চুফী জোলকাদ আলি চাহাবৰ উদ্যোগত ১৮৮৩/৮৪ খৃঃত আৰবী শিক্ষাৰ কাৰণে এখন মোক্তাব প্ৰতিষ্ঠা কৰিছিল। পাছলৈ এইখনকে আনোৱাৰ উল-উলুম মাদ্ৰাছালৈ উন্নীত কৰা হয়। দৰঙৰ প্ৰথম চাম আলিমে এই মাদ্ৰাছাৰপৰাই শিক্ষা গ্ৰহণ কৰিছিল। দৰঙৰ বিদগ্ধ মৌলানা হাজী মৌলানা আব্দুল কৰিম, মৌলানা আব্দুল মজিদ, তদুপৰি মোজাহাৰুল হক, তৈয়বুল্লা, আনোৱাৰ হুচেইন, আদি মৌলবীসকলে এই মাদ্ৰাছাতে আৰবী শিক্ষা গ্ৰহণ কৰিছিল। কুপীগাঁৱৰ প্ৰখ্যাত মৌলানা তথা ধৰ্ম সংস্কাৰক হাছিমুদ্দিন আহমদ চাহাবেও মুছলিমঘোপাৰ এই মোক্তাবতে আৰবীৰ প্ৰাৰ্থমিক শিক্ষা গ্ৰহণ কৰিছিল ওস্তাদ গাঁঠি মুন্সীৰ অধীনত। চুটি-চাপৰ ওস্তাদ গাঁঠি মুন্সীৰ ঘৰ আছিল দুমুনিচকীত। ইয়াৰ বাহিৰেও বহুতো লোকে ইয়াতে পঢ়ি মোল্লা, মুন্সী হৈ দৰঙৰ বিভিন্ন ঠাইত যযমানি (নামাজ পঢ়োৱা, মুছলমান কাজ-কৰ্ম, তিথি আদিত ধৰ্মীয় কাম কৰা ব্যক্তি) কৰি ফুৰিছিল। মুঠতে দৰঙত আৰবী শিক্ষাৰ অংকুৰণ হয় প্ৰথমতে দুমুনিচকীত আৰু তাৰ পাছতেই মুছলিমঘোপাত।

বৃটিছ চৰকাৰে শিক্ষা বিস্তাৰৰ কাৰণে মুছলিমঘোপাতেই পোন প্ৰথমে দুখন প্ৰাইমাৰী স্কুল স্থাপন কৰে। এখন ছাত্ৰৰ কাৰণে আৰু আনখন ছাত্ৰীৰ কাৰণে। সেই সময়ত ল'ৰা-ছোৱালী একেলগে পঢ়াৰ ব্যৱস্থা নাছিল কাৰণেই হবলা ছাত্ৰ আৰু ছাত্ৰীৰ বাবে পৃথক স্কুল খোলা হৈছিল। বালক প্ৰাইমাৰী ১৮৩২ খৃঃত আৰু বালিকা প্ৰাইমাৰী ১৮৩৪ খৃঃত ইংৰাজ চৰকাৰে প্ৰতিষ্ঠা কৰে।[১]

জনসংখ্যা বৃদ্ধিৰ বহু পাছত বাইহাঠাচুবাৰ প্ৰবেশ দ্বাৰত পুব-মুছলিমঘোপা নাম দি আন এখন প্ৰাইমাৰী স্কুল স্থাপন কৰে। ১৯৬৫ খৃঃত স্থাপন কৰা হয় এখন এম্ ই মাদ্ৰাছা। এই গ্ৰন্থৰ লেখক আছিলোঁ প্ৰতিষ্ঠাপক শিক্ষক। বৰ্ত্তমান এখন হাই মাদ্ৰাছাও স্থাপন কৰা হৈছে।

সাহিত্যানুৰাগী সকলে সৌ অতীজতে মুছলিম ঘোপাত স্থাপন কৰিছিল 'নুৰ পুথিভঁৰাল'। মুছলিমঘোপা আৰু পাৰ্শ্ববৰ্তী অঞ্চলৰ সেইটোৱেই আছিল একমাত্ৰ পুথিভঁৰাল। সেইসময়তে ডেকা চামৰ ভিতৰত পুথিভঁৰাল খোলাৰ এটা আলোড়ণ সৃষ্টি হৈছিল। মুছলিমঘোপাৰ ঘোপৰ তলত আন এটা পুথিভঁৰাল খুলিছিল। কিন্তু পশ্চিমীয়া সংস্কৃতিৰ প্ৰাদুৰ্ভাৱত ডেকা-গাভৰুসকলক ক্লাব উন্মদনাই যুৱ মানসিকতাত পৰিৱৰ্ত্তন আনি দিয়াত পুথিভঁৰাল কেইটা বহুদিন অনাদৰত থাকি এদিন পাহৰণিৰ গৰ্ভত লীন গ'ল।

অতীতত খোৱাপানীৰ বাবে পুখুৰীয়েই আছিল সম্বল। ঘোপাৰ পশ্চিম প্ৰান্তত ভূঞাবংশীয় পদো পুখুৰী আছিল যদিও অযত্নত কালক্ৰমত সেইটোৰ পানী ব্যৱহাৰৰ অনুপযোগী হোৱাত মধ্যস্থলত প্ৰাইমাৰী স্কুলৰ পশ্চিমত ৰাইজে এটা ডাঙৰ পুখুৰী খান্দে। ঘোপাৰ সেই পুখুৰীটোৱে চৰকাৰী পুখুৰী নাম পায়। পাছলৈ সেইটোও যথেষ্ট নোহোৱাত তাতে গাঁওখনৰ এমূৰে হোৱাৰ কাৰণে মাজচুবাৰ পূবত চামতীয়া নামৰ আন এটা পুখুৰী খান্দে। পাছলৈ পঞ্চায়ত ৰাজ প্ৰতিষ্ঠা হোৱাত চুবুৰীসমূহত একোটাকৈ নলী নাদ বহুৱায়। নলীনাদৰ প্ৰচলন হোৱাত অৱস্থাপন্ন মানুহে ঘৰে ঘৰে নলীনাদ বহুৱাই লয়।

দৰঙৰ আদি মুছলমান সমাজৰ মুছলিমঘোপাৰ প্ৰথম ব্যক্তি কেইজনমান — মহম্মদ মাণিক আলি, ১ম মেট্ৰিকুলেট (১৯১৬ খৃঃ) দৰঙৰ সকলো সম্প্ৰদায়ৰ

১ : গোলবাহাৰ বেগমঃ প্ৰাঃ শিক্ষয়িত্ৰীঃ মুঃ ঘো বালি, প্ৰাথমিক বিদ্যালয়।

প্ৰথম জন এম্ এ ডিগ্ৰীধাৰী ব্যক্তি আব্বাছুদ্দিন আহমদ (১৯২৪ খৃঃ) প্ৰথম চৰকাৰী চাকৰিয়াল ধন মহম্মদ। এওঁ ১৮৪৯ খৃঃত কোৰ্টত চাকৰিত সোমাই ১৮৬৫ খৃঃত নাজিৰ পদলৈ পদোন্নতি পাই অৱসৰ গ্ৰহণ কৰে। ১ম্ নৰ্মাল চিদ্দিক আলি (মুক্তি যুঁজাৰু) ১ম গুৰু ট্ৰেনিং পাছ মহিৰুদ্দিন আহমেদ। (১৯১৬ খৃঃ)

মঙলদৈ মহকুমাৰ পশ্চিমাঞ্চলত মঙোলয়ড্ কৃষ্টি এৰী, মুগা পুহি তাৰপৰা সূঁতা কাটি শিপিনীসকলে তাঁতশাল বোৱা এটা ঘৰুৱা কৃষ্টিত পৰিণত হৈছিল। বজাৰত সস্তাতে সূঁতা পোৱা হোৱাত সেই কৃষ্টি পাহৰণিৰ গৰ্ভত লীন হ'ল। মুছলিমঘোপাৰ উত্তৰ অঞ্চলত মানুহে চোম গছৰ বাৰী এখন পাতিছিল। চাহ গছক বৰ গছবে ছাঁ দিয়াৰ দৰে চোম গছ আৰু তাত থকা মুগা পলুবোৰ ৰ'দৰ তাপৰ পৰা ৰক্ষা কৰিবলৈ মাজে মাজে নাহৰৰ গছ ৰুইছিল। এদিন সেই চোম গছত মুগা পোহা বৃত্তি হেৰাই গ'ল কিন্তু ঠাইখনে এতিয়াও বুঢ়া নাহৰৰ তল নামলৈ অতীত সোঁৱৰাই আছে।

পুন ঃ-- মুছলিমঘোপাৰ ধোঁৱা চুবাৰ নিবাসী জিলিমুদ্দিন আহমেদৰ উপৰিপুৰুষ মাৱৈ গাঁৱৰ। আজিও বংশটো মাৰৈ গঞা নামে জ্ঞাত। এই বংশটোৰ মানুহ দলগাঁওলৈ গৈয়ো নিগাজীকৈ বসবাস কৰে। আদি বাসস্থান মাৰৈত বংশটো ধৰ্মান্তৰিত বুলি অনুমান কৰা যায়।

জয়পাল পুখুৰীৰ পাৰ্শ্ববৰ্তী অঞ্চলৰ গাঁও-ভূঁইসমূহ

বৰকলীয়াঝাৰ : দৰং জিলাৰ সদৰ মঙ্গলদৈ চহৰৰ পৰা প্ৰায় ১৬ কিঃমিঃ পশ্চিমত ৰইনাকুচি মৌজাত এই- গাঁও অৱস্থিত। ইয়াতেই ঐতিহ্যমণ্ডিত জয়পাল পুখুৰীয়ে অতীত দৰঙৰ ইতিহাস সোঁৱৰাই আছে। পালবংশীয় ৰজা জয়পালে ১১২০-১১৩৮ খৃঃৰ ভিতৰত এই পুখুৰিটো খন্দাইছিল। বহুতে কব খোজে যে পাল ৰজাই দৰং ৰাজ্য শাসন কৰা নাছিল গতিকে পাল ৰজাই দৰঙত কোনো পুখুৰী কিম্বা জনহিতকৰ কাম কৰা নাছিল। কিন্তু ইতিহাসৰ পাত লুটিয়ালে দেখা যায় পাল ৰজাই কামৰূপৰ পশ্চিমফালে ৰাজ্যৰ সীমা নবঢ়াই পূৱফালে বঢ়াইছিল। তেতিয়া দৰঙৰ শাসনভাৰ আছিল মাটিগিৰী ভূঞাৰ অধীনত। ভূঞাই পাল ৰজাৰ বশ্যতা স্বীকাৰ কৰাত তেওঁলোকক তলতীয়া কৰি ৰাখি প্ৰত্যক্ষভাৱে পালে দৰং শাসন নকৰি পৰোক্ষভাৱে কৰিছিল। কৰ কাটলো ভূঞাসকলে পাল ৰজাক সোধাব লগা হৈছিল। তেনে অৱস্থাত ভূঞাৰ অনুৰোধক্ৰমে পাল ৰজাই পুখুৰী আদি খন্দাই বহুতো জনহিতকৰ কাম কৰি দিছিল। সেই জনহিতকৰ কাম স্বৰূপেই পালৰ শেষ ৰজা জয়পালে নিজৰ নামত জয়পাল পুখুৰীটো খন্দাইছিল। পুখুৰীটোৰ মাটিকালি ২৪ বিঘা। এসময়ত পুখুৰীটোত পিটনি পৰিছিল। ১৯৩৯ খৃঃত তেতিয়াৰ মঙ্গলদৈৰ মহকুমাধিপতি গৌৰিশংকৰ গুহৰ পদক্ষেপত বৃটিছ চৰকাৰে পিটনি চাফা কৰি পুখুৰীটো পিটনি মুক্ত কৰিছিল। মহকুমাধিপতিজনাৰ হেনো যৈণীয়েক টান নৰীয়াত পৰিছিল। কোনো ঔষধেই কাম দিয়া নাছিল। মানুহৰ মুখত জয়পাল পুখুৰীৰ পানীৰ মাহাত্ম্যৰ কথা শুনি তাৰপৰা পানী আনি খুওৱাত যৈণীয়েক অচিন ৰোগৰপৰা আৰোগ্য হয়। তেতিয়াই জয়পাল পুখুৰীৰ প্ৰতি আকৃষ্ট হৈ তেওঁ পুখুৰীটো পৰিষ্কাৰ কৰি দিছিল। মহকুমাপতিৰ এই উদ্যোগত সেই সময়ৰ সৰবৰহী ডেকা মৌজাদাৰ তুৰাই গাঁৱৰ নিবাসী ফৰিদুদ্দিন আহমেদ চাহাবে আগভাগ লৈছিল।

মঙ্গলদৈ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ আব্দুল মজিদ চাহাবকে ভিতৰ কৰি বহু কেইজন নবীন প্ৰবীণ লেখকে আলোচনী আদিত জয়পাল নামৰ ফকীৰ এজনে জয়পাল পুখুৰী খন্দাইছিল বুলি মত দাঙি ধৰিছে। দিল্লীৰ সম্ৰাট মহামতি আকবৰৰ নিৰ্দেশ মতে জয়পাল ফকীৰে পুখুৰীটো খন্দাইছিল বুলি লিখনিসমূহত কোৱা হৈছে। আকবৰৰ ৰাজত্ব কাল ১৫৫৬-১৫৮১ খৃঃ। কিন্তু জয়পাল ফকীৰ ১৭ শতিকাৰ

মানুহ। প্ৰথমতে তেওঁ হিন্দু আছিল। পীৰ ৰবহম নামৰ এজন চুফী সাধকৰ সান্নিধ্যলৈ আহি ইছলাম ধৰ্ম গ্ৰহণ কৰি ধৰ্ম প্ৰচাৰৰ কাৰণে পূবলৈ যাত্ৰা কৰি জয়পাল পুখুৰীৰ অঞ্চললৈ আহে। জয়পাল পুখুৰীৰ পাৰত এটা 'খানকাহ্' পাতি তেওঁ ধৰ্ম প্ৰচাৰ কৰে। কিন্তু তেৰেঁই জয়পাল পুখুৰী খন্দা মতটোত সত্যতা বিচাৰি পোৱা নাযায়। কাৰণ সেই শতিকাতে শেষভাগত চুফী জোলকাদ আলি চাহাব আহি পুৰণি জয়পাল পুখুৰীটো পাইছিল। সময়ৰ ব্যৱধানো মনকৰিবলগীয়া। সম্ৰাট আকবৰৰ মৃত্যু হৈছিল ১৫৮১ খৃঃত । কিন্তু জয়পাল ফকীৰ ধৰ্মান্তৰ হৈছিল ১৭ শতিকাৰ কোনোবা এটা বছৰত।

দৰঙৰ জনগাঁথনি যিদৰে চমকপ্ৰদ সেইদৰে চমকপ্ৰদ বৰকলীয়াঝাৰ আৰু তাৰ আশে পাশে থকা গাঁওসমূহৰ জনগাঁথনি। জনশ্ৰুতি মতে জয়পাল পুখুৰীৰ উত্তৰ পূৰত কইলুনী নামৰ এজনী বুঢ়ীয়ে বাস কৰিছিল। কইলুনী বুঢ়ীৰ সমসাময়িক ব্যক্তি এজনৰ নাম আছিল সন্ধি। সন্ধিৰ চাৰিজন পুত্ৰ-হৰপাল, নেপাল, চামগুটি আৰু ভেটা। এই চাৰিজন পুত্ৰৰ বংশধৰসকলে তাত এখন হিন্দু বসতি গাঁও গঢ়ি তুলিছিল। কইলুনী বুঢ়ীয়ে হাবি-জংঘলৰে ভৰা ঠাইখনত সন্ধিৰ বংশধৰসকলৰ লগত বাস কৰিছিল। অতীতত মঙ্গলদৈৰ সমগ্ৰ অঞ্চল বড়ো-কছাৰীৰ দ্বাৰা অধ্যুষিত আছিল। এদিন বড়ো-কছাৰীসকল তাৰপৰা আঁতৰি গৈছিল যদিও তেওঁলোকৰ ঠাই নামৰ শব্দ সেই পূৰ্বৰ বসতি স্থানত থৈ গৈছিল। বড়ো-কছাৰী ভাষাত 'ঝাৰ' শব্দই হাবি জংঘলে আবৃত অঞ্চলক বুজাইছিল। তাত বাস কৰা কইলুনী বুঢ়ীৰ নামৰ লগত ঝাৰ শব্দ লগাই ঠাইখনৰ নাম কইলুনীঝাৰ হোৱা বুলি বহুতে অনুমান কৰে। তাৰ পাছত মুখে বাগৰি কইলুনীঝাৰ > কলিয়াঝাৰ হব পাৰে। ঠাইখন ডাঙৰ আছিল কাৰণেই বৰকলিয়াঝাৰ হ'ল।

আন এটা তথ্যমতে মহম্মদ ঘোৰীৰ লগত যুদ্ধত হাৰি পালবংশীয় ৰজা জয়পালে লণ্ডৰা-লিকচৌৰে পলাই আহি এই কইলুনী বুঢ়ীৰ আশ্ৰয়তে হাবীখনত আশ্ৰয় লৈছিল। তেওঁৰ লণ্ডৰা-লিকচৌ আৰু সৈন্য কিছুমানে ইয়াতে স্থায়ী বাসস্থান গঢ়ি তুলিছিল। কইলুনী বুঢ়ীৰ আশ্ৰয়ত থকা সময়ত জয়পাল ৰজাই বৰকলীয়াঝাৰত পানীৰ এটা উহ দেখা পাই সেই উহটোকে জয়পাল ৰজাই পুখুৰীৰ ৰূপ দিয়ে বুলি বহুতে ক'ব খোজে। তদুপৰি অন্য এটা তথ্যই কয়— তাত বৰকালি বজোৱা এজন কালিবাদক আছিল। তেওঁ হেনো উচ্চৈস্বৰে বৰকালি বজাই ৰাতিপুৱা হোৱা আৰু

গধূলি হোৱাৰ সংকেত দিছিল। ব্যক্তিজনে যিখন ঠাইত বসতি কৰি থাকি ৰবকালি বজাইছিল সেই ঠাইখনৰ নাম বুৰকালিয়াঝাৰ > ৰবকলিয়াঝাৰ হয়। ইয়াতেই ১৮৮০ খৃঃত চুফী জোলকাদ আলি চাহাবে জয়পাল পুখুৰীৰ উত্তৰ পাৰত এটা জুমা মছজিদ স্থাপন কৰে।

ৰবকুমাৰপাৰা ঃ ৰবকলিয়াঝাৰৰ লগতে সংলগ্ন হৈ আছে কুৰ্পিগাঁও যিখনৰ বৰ্ত্তমান নাম ৰবকুমাৰপাৰা। অতীতত এই অঞ্চলটোত জনজাতীয় নতুৱা পিছপৰা শ্ৰেণীৰ বসতি স্থল আছিল বুলি বহু সূত্ৰৰপৰা জনা যায়। বিভিন্ন সময়ত মাটি খান্দোতে শিৱলিংগ আৰু শিলালিপি উদ্ধাৰ হোৱা বুলি স্থানীয় ৰাইজে কয়। কিন্তু কোনো শিলালিপি দৃশ্যমান হোৱা নাই এথোন। তথাপি মাটিৰ তলত 'খোলা' আৰু 'পোৰা' মাটি পোৱা বুলি কয়।[১] ইয়াৰপৰা অনুমান কৰিব পাৰি যে তাৰ বাসিন্দাসকল পূৰ্বত মৃৎশিল্পীধাৰী কুমাৰ লোকৰ বসতি আছিল। বৰ ফকীৰ, কামপাল ফকীৰ, আদি চুফীসাধক সকল আহি ইছলাম ধৰ্মৰ একেশ্বৰবাদ আৰু বৰ্ণবৈষম্যহীন সমাজ ব্যৱস্থাৰ অমৃত বাণী প্ৰচাৰ কৰাত কিছুমান মানুহ ধৰ্মান্তৰ হৈ মুছলমান ধৰ্ম গ্ৰহণ কৰে। যিসকলে নকৰিলে সেইসকলে পিছ হুহকি গৈ অইন গাঁও পাতি বাস কৰে। পুনৰ জয়পাল ফকীৰ ১৭ শতিকাত আহি জয়পাল পুখুৰীৰ পাৰত খানকাহ পাতি ধৰ্ম প্ৰচাৰ কৰিবলৈ লোৱাত দলে দলে আহি মানুহে ইছলাম ধৰ্মত দীক্ষা লয়। ১৮৮০ খৃঃত চুফী জোলকাদ আলি চাহাবে নৱদীক্ষিত মুছলমান সমাজৰ মাজত ধৰ্মৰ কুসংস্কাৰবোৰ শোধন কৰি মানুহক ইছলাম তত্ত্বৰ জ্ঞান দান কৰি অন্ধ বিশ্বাসৰপৰা মুক্ত কৰে।

ব্যাসপাৰা ঃ ব্যাসপাৰা এখন পুৰণি সংস্কৃতিবান ঠাই। পণ্ডিত দীনেশ্বৰ শৰ্মাদেৱে 'মঙ্গলদৈ বুৰঞ্জীত এই সত্যতা প্ৰমাণ কৰিছে। ব্যাসৰ ওজাপালি আৰু ব্যাসওজাৰ বাসস্থান বুলি এই ঠাই ইতিমধ্যে স্বীকৃত হৈছে। এই ব্যাসপাৰালৈ কোচ ৰজা নৰনাৰায়ণ — চিলাৰায়ৰ বংশধৰ দৰঙী কৈফৰ আদি ৰজা বলিত নাৰায়ণ ওৰফে ধৰ্মনাৰায়ণে শ্ৰী শ্ৰী কামাখ্যাধামৰ প্ৰধান পূজাৰী 'কেন্দুকলাই'ৰ বংশধৰ ব্যাস পণ্ডিতসকলক আনি বাস কৰিবলৈ দিছিল। ব্যাসপণ্ডিত সকলৰ বাসস্থান হোৱা বাবেই এই ঠাইখনৰ নাম ব্যাসপাৰা হয়।[২] মূল ব্যাসপাৰাত মুছলমান মানুহ নাই

১ : হাছিম ঃ স্মৃতিগ্ৰন্থঃ ৰবকুমাৰপৰা গাঁৱৰ চমু ইতিবৃত্তঃ পৃঃ ৭৬।
২ : ব্যাসজ্যোতিঃ ছিপাঝাৰ সাহিত্য সভাৰ ৬৮ তম্ অধিৱেশনৰ স্মৃতি গ্ৰন্থৰ সম্পাদকীয় কলম।

যদিও ইয়াৰ চাৰিওদিশ জুৰি নিকটৰ গাঁও ঘোৰাশাল, খুজেৰী, লোক্ৰাই, চেঙেলিয়াঝাৰ, বৰকলিয়াঝাৰ আদি মুছলমান বসতি প্ৰধান গাওঁ অৱস্থিত। এই গাঁওসমূহৰে পৰিবেষ্টিত ব্যাসপাৰা এটা বৃহৎ অঞ্চল আৰু ঐতিহাসিক-সামাজিক দৃষ্টি কোণত ই হিন্দু মুছলমানৰ সমন্বয় ভূমি।

তুৰাই ঃ ১নং ঘোৰাশালৰ অন্তৰ্গত তুৰাই গাঁও। ৰাজহ গাঁও হিচাপে ১নং ঘোৰাশালহে স্বীকৃত। ই জয়পাল পুখুৰীৰ দক্ষিণ -পশ্চিমত অৱস্থিত। নবীন-প্ৰবীণ বহুতো লেখকে জনৈক তুৰ্কী সেনাপতি চাহাবুদ্দিন তুৰ্ক নামৰ পৰা তুৰ্ক > তুৰুক > তুৰাই শব্দৰ সৃষ্টি বুলি বিভিন্ন আলোচনীত লিখিছে। সেইসকল লেখকৰ কিছুমানে আকৌ চাহাবুদ্দিনক তুৰ্কী সেনাপতি আৰু কিছুমানে মোগল সেনাপতি বুলি অভিহিত কৰিছে। কিন্তু ইতিহাসৰ পাত লুটিয়ালে উভয় কোনো এটা ফৈদৰ সেনাপতি হিচাপে চাহাবুদ্দিনক পোৱা নাযায়। মীৰ জুমলাৰ অসম অভিযানত (১৬৬১-১৬৬৩খৃঃ) চাহাবুদ্দিন তালিশ নামৰ এজন বুৰঞ্জীবিদহে লগতআহিছিল। মীৰজুমলাৰ অসম অভিযান বৰ্ণনা কৰি তেৱেঁই 'ফাতিয়ায়ে-ই- ইব্‌ৰিয়া' লিখিছিল। সেই সময়ত গৌড় বা বংগত তুৰ্কী নবাবসকলৰ শাসন অন্ত পৰিছিল। তাত প্ৰতিষ্ঠা হৈছিল মোগলীয় শাসন। বুৰঞ্জীবিদ চাহাবুদ্দিন তালিশে হয়তো যাত্ৰা পথত দেহৰক্ষী অশ্বাৰোহী সৈন্যৰে তুৰাই অঞ্চলত অৰ্থাৎ ঘোঁৰাশালত ঘোঁৰা বান্ধি জিৰণি লব পাৰে। ঘোঁৰাবন্ধা ঠাইখনেই পাছত ঘোঁৰাশাল নামে জনাজাত হব পাৰে বুলি কলেও হয়তো সত্যৰ অপালাপ কৰা নহয়। আহোমৰ ৰাজধানী অধিকাৰ কৰিবলৈ যোৱা তুৰ্কী বাহিনী বা মোগল বাহিনীৰ কামৰূপ অতিক্ৰম কৰি দৰঙৰ মাজেদি — এইটোৱেই আছিল যাত্ৰা পথ। পাৰ্চী শব্দ 'তুৰ্ক' মানে ঘোঁৰা। নতুন জন্তু দেখি মানুহে হয়তো তুৰ্ক উচ্চাৰণ কৰিব নোৱাৰি তুৰুক উচ্চাৰণ কৰিছিল। সেই শব্দটোৱে অপভ্ৰংশ হৈ তুৰাই হোৱাৰ থল আছে। পুনৰ ঘূৰি যোৱাৰ পথত ইয়াতে বৈ গৈছিল এজন সৈনিক 'মানসিং' যিজন আছিল মোগলীয় বংশোদ্ভৱ। হিন্দু আছিল চাগৈ। মোৰ জীৱনৰ কিছু কথাৰ লেখক নজৰ আলিৰ পূৰ্বপুৰুষ। তেওঁৰ পুতেক জয় সিঙে ইছলাম ধৰ্ম গ্ৰহণ কৰে। তেওঁ আছিল ওখ-পাশ লোক। সেইকাৰণে নাম পাইছিল দীঘলা বুঢ়া। ভাল কুঁহিয়াৰ খেতিয়ক। শালত কুঁহিয়াৰ পেৰী পগাই 'চুৰা' তৈয়াৰ কৰি হিন্দু-মুছলমান সকলোকে ভগাই দিহে নিজে খাইছিল। কুঁহিয়াৰ খেতিত তেওঁ মঙ্গলদৈ বিখ্যাত আছিল।

বিশ্বৰ ভিতৰত 'মৰিচাচ' আছিল কুঁহিয়াৰ খেতিৰ বাবে বিখ্যাত। বৃটিছে তাত ঔপনিবেশ পতাৰ পাছত ভাৰত আৰু দক্ষিণ আফ্রিকাৰপৰা কিছুমান শ্রমিক নিছিল মৰিচাচত কুঁহিয়াৰ খেতিত কাম কৰাবলৈ। মানসিং সেই বিশেষ শ্রমিকৰ বংশধৰ হব পাৰে। সৈনিক হৈ অসমলৈ আহি ইয়াৰে নিগাজী বাসিন্দা হৈ পিতা-পিতামহৰ বৃত্তিটো প্ৰচলন কৰে। হয়তো তেওঁ নিজে সেই বৃত্তিটো কৰিবলৈ বেছিদিন সময় নাপালে। পুতেক জয় সিঙে জয় সেখ নাম লৈ মুছলমান হৈ পিতৃ বৃত্তিত বিখ্যাত হৈ পৰিছিল। 'সিং' উপাধিধাৰী মানুহ যিহেতু অসমত নাই গতিকে মানসিং হিন্দু বুলি কোৱাৰ যথেষ্ট থল আছে।

জয়পাল পুখুৰীৰ নাতি দূৰৈত খলিফা চুবা। এই বংশৰ পূৰ্বপুৰুষজনৰ নাম চৈয়দ মহিম খাঁ। এওঁ আছিল পীৰ। মীৰজুমলাৰ অসম অভিযানৰ সময়ত শিৱসাগৰ অঞ্চলত বৈ যোৱা লোক। যিমানদূৰ মানৰ আক্রমণৰ সময়ত তেওঁ শিৱসাগৰৰ পৰা আহি ইয়াতেই নিগাজী হৈছিল। তেওঁৰ নাতিয়েক চৈয়দ মালিক। তেওঁৰ দুই পুত্ৰ চৈয়দ খমিৰুদ্দিন আৰু চৈয়দ গণিৰুদ্দিন। এওঁলোকৰ সতি-সন্ততিৰে খলিফা চুবা। পীৰজনাৰ খলিফা ভাৰ, লাখুটি ডাল, মালা এধাৰ (জপ মালা) আৰু ত্ৰিশূলৰ দৰে ধাতুৰ প্ৰতীক এপাট পৰিয়ালটোৱে বহু দিনলৈ সংৰক্ষণ কৰি ৰাখে। ভাৰ মাৰিৰ দুই মূৰে বাঁহৰ মিহি কামী-কাঠীৰে সজা দীঘলীয়া মজবুত চকুত লগা পেৰা দুটা ইফালে সিফালে যাওঁতে লৈ ফুৰিছিল। আজি কালি তেনে পেৰা দেখিবলৈ নাই।[১] অৱশ্যে প্ৰত্যেক অসমীয়া মানুহৰ ঘৰত আজি কালিৰ টিনৰ বাকচৰ সলনি অতীতত তেনে পেৰা আছিল।

বৰকুমাৰ পাৰাৰ প্ৰথম এলপথিক ডাক্তৰ লতিফুদ্দিন আহমেদৰ পূৰ্ব পুৰুষ (চতুৰ্থ পুৰুষ) ৰ ব্যক্তিজনৰ নাম কানাই শইকীয়া। অতীতত বংশটো ধৰ্মান্তৰিত মুছলমান বুলি এতিয়াৰ বংশধৰ সকলে কয়। দৰঙী ৰজাৰ দিনত 'শইকীয়া' খিতাপ পোৱাৰ কাৰণে বংশটোৱে শইকীয়া বংশৰ (চামচুল হক শইকীয়া) অতীত পৰম্পৰা ৰক্ষা কৰি আছে। কানাই শইকীয়াই ৰাজপদ পোৱা অঞ্চলটোৰ প্ৰথম ব্যক্তি।

পথৰুঘাট ঃ জনগাঁথনিৰ বৈশিষ্ট্যৰে পথৰুঘাট এখন ঐতিহাসিক স্থান। পশ্চিম মঙ্গলদৈৰ প্ৰথম শিক্ষা কেন্দ্ৰ। পথৰুঘাটৰ মাজেৰে বৈ গৈছে বুঢ়া নদী

১ : পথৰুঘাট ঃ ডঃ আবিদ আলি ঃ পৃঃ ৯০।

ৰীগঞ্জ। অতীতত বুঢ়া নদীৰ মূলসুঁতি এটা ননৈ নদীৰ লগত সংযোগ আছিল বুলি জনা যায়। নাতিদূৰত উত্তৰৰ 'হৰহৰীয়া' সুঁতিৰ আঠটা কুৰৰ সমষ্টি আঠকুৰীয়া গাঁৱৰ 'ননৈকাষ' নামটোৱেই অতীতক সোঁৱৰায়। কালক্ৰমত ননৈৰ মূলসুঁতি কিছু পশ্চিমলৈ গতি কৰাত বুঢ়া নদী মৰা নদীত পৰিণত হ'ব পাৰে। তেতিয়া পথৰুঘাটৰ দুয়োপাৰে ডাঠ হাবি। মাজত গৰু-মহৰ গাড়ী যাব পৰা এটা সৰু ৰাস্তা। নদীত আছিল এটা পাৰঘাট। পথৰুঘাট অঞ্চলটো ধান, মাহ, সৰিয়হৰে উভৈনদী। পথৰুঘাট হৈ পৰিছিল এটা ব্যৱসায়িক কেন্দ্ৰ। গুৱালকুছীয়া, বৰপেটীয়া সদাগৰ সকল আহে পথৰুঘাটৰ বিস্তীৰ্ণ অঞ্চলৰ উৎপাদিত সামগ্ৰী কিনিবলৈ। পথৰু হীৰা নামৰ ঘাটুৱৈ এজনে নাৱৰে মানুহ, গৰু, ছাগলী পাৰ কৰাই দিয়ে। মানুহৰ মুখত পথৰু ঘাটুৱৈৰ নামটো বিখ্যাত হৈ পৰে। জাতিত আছিল মৃৎশিল্পী হীৰা সম্প্ৰদায়ৰ। ওচৰতে হীৰা সম্প্ৰদায়ৰ গাওঁখন। পাছত ৰাজহ সংগ্ৰহৰ কাৰণে ঘাটটো ডাকত দিয়াৰ ব্যৱস্থা কৰে। পথৰু হীৰাৰ পুত্ৰ দানেশ্বৰ হীৰাই ঘাটটো ডাকত কিনি লয়। ওচৰৰ মুছলমানৰ সান্নিধ্যলৈ আহি তাতে চুফী জোলকাত আলি পীৰ চাহাবৰ একেশ্বৰ বাদৰ আহ্বানত পথৰু হীৰাই ধৰ্ম্মান্তৰ হৈ পথৰু সেখ নাম ললে। দানেশ্বৰ হ'ল দানো সেখ। তেওঁৰ পুত্ৰ গেল্লেই সেখ। তেওঁ পথৰু ঘাটৰ তহচিলদাৰ কাৰ্যালয়ৰ টেকেলা আছিল। মঙ্গলদৈৰ পৰা ডাক অনা-নিয়াৰ নিৰাপত্তাৰ কাৰণে তেওঁক চৰকাৰে এটা দুনলীয়া বন্দুক আৰু ৰঙা ঘোঁৰা এটা দিছিল। চৰকাৰৰ আস্থা ভাজন হোৱাৰ কাৰণে গেল্লেই সেখক পথৰুঘাট মৌজাৰ খাজনা সংগ্ৰহ কৰা বৃত্তিত মকৰল কৰিছিল। পথৰুঘাটত কৃষক বিদ্ৰোহৰ সময়ত চৰকাৰক বন্দুক আৰু ঘোঁৰা চমজাই দি সেই বৃত্তি পৰিহাৰ কৰি বিদ্ৰোহত যোগ দিয়ে। গেল্লেইৰ দুজন ল'ৰা -- চামচুদ্দিন আৰু হাচান আলি। পুৰুষানুক্ৰমে পথৰু হীৰাৰ বঠা পাট সংৰক্ষিত কৰি ৰাখিছিল। কিন্তু কোনোবা অপাত্ৰই বঠাপাট খৰি খায় আৰু নাও বন্ধা ১৫ হাত দীঘল লোৰ শিকলি ডাল নিৰণচুবা নিবাসী হাতীৰ মহাজন ক্ষিতেশ্বৰ শইকীয়াক আঢ়ৈশ টকাত বিক্ৰি কৰে।

পথৰু ঘাটুৱৈৰ নামৰেই ঠাইখনে নাম পাই পথৰুঘাট।

১৯১৮ খৃঃত প্ৰয়াত ভগীৰাম বৰুৱা আৰু ভবেন্দ্ৰ দাসৰ প্ৰচেষ্টাত পথৰুঘাট মাইনৰ স্কুলখন স্থাপন হয়। পশ্চিম দৰঙৰ প্ৰাইমাৰী বিদ্যালয়ৰ পাছতে মজলীয়া শিক্ষাৰ কাৰণে এইখনেই প্ৰথম শিক্ষানুষ্ঠান। দূৰ-দূৰণিৰ ছাত্ৰৰ কাৰণে আছিল হোষ্টেলৰ ব্যৱস্থা। ১৯৪৮ চনৰ ৪ ফেব্ৰুৱাৰীত স্থাপন হয় পাথৰিঘাট হাইস্কুল। উক্ত স্কুলখন হায়াৰ চেকেণ্ডাৰীলৈ উন্নীত কৰা হয় ১৯৯৩ খৃঃত।

আলিখাঁ পাৰা : পথৰুঘাটৰ নিচেই ওচৰত দক্ষিণত ননৈ নদীৰ কাষত আলিখাঁপাৰা গাঁও। জনৈক কোঁচ ৰজাই (বলিত নাৰায়ণ হ'ব পাৰে) ৰাজ্যত শিক্ষা বিস্তাৰৰ বাবে কান্যকুব্জৰ পৰা বীৰভদ্ৰ আৰু চাৰু ভদ্ৰ নামৰ দুজন ব্ৰাহ্মণ পণ্ডিত আনি ইয়াতে সংস্থাপন দিছিল। বীৰভদ্ৰই পৰিবাৰসহ ইয়াত বাস কৰিছিল আৰু চাৰু ভদ্ৰ অবিবাহিত আছিল। এওঁলোকৰ সেৱাতৰ কাৰণে বেজ, কঁহাৰ, কমাৰ, কুমাৰ আৰু উপসনাৰ বা-যোগাৰকাৰী ঠাকুৰীয়া লোকক আনি ইয়াতেই বসবাস কৰিব দিছিল। সেয়েহে আলিখাঁপাৰাত ঠাকুৰীয়া চুবা, কঁহাৰপাৰা, কুমাৰপাৰা নামে জনাজাত হৈ আছে। আলিখাঁপাৰা প্ৰাথমিক বিদ্যালয়ৰ শতবাৰ্ষিকী স্মৃতিগ্ৰন্থত এই কোচ ৰজাজনক দীপ্পাল স্বৰ্গদেউ বুলি কোৱা হৈছে যদিও কোঁচ ৰাজবংশাৱলীত দীপ্পাল নাম পোৱা নাযায়। তদুপৰি কোনো কোঁচ ৰজাক স্বৰ্গদেউ উপাধিৰে বিভূষিত কৰা নহৈছিল। তথাপি জনৈক কোঁচ ৰজাই ব্ৰাহ্মণ পণ্ডিতক শিক্ষা বিস্তাৰৰ কাৰণে সংস্থাপিত কৰিব পাৰে। অনুমান কৰিব পাৰি সেইজন বলিত নাৰায়ণ হব পাৰে কাৰণ তেওঁ ধৰ্মনাৰায়ণ নাম লৈ বহুতো প্ৰজা হিতকৰ কাম কৰিছিল। কোচ ৰজা মহীন্দ্ৰ নাৰায়ণৰ ৰাজত্ব কালত ১৬৩৪ খৃঃত এঘৰ কায়স্থ লোক আনি দীঘিপুখুৰীৰ উত্তৰ পাৰত কিছু নানকাৰ মাটি দি সংস্থাপন কৰি মন্ত্ৰীপদ দিছিল। তেওঁলোকে দত্ত উপাধি লিখিছিল। আজি তেওঁলোকৰ হাতত মন্ত্ৰীপদ নাই কিন্তু দত্ত উপাধিধাৰী লোক আছে। (দৰঙ্গ স্মৃতি ১৯৭৪ চন)

কোঁচ ৰাজ্য দুভাগ হোৱাত ৰঘুদেৱৰ ভাগত পৰে কোচ হাজো ৰাজ্য। ইয়াৰ সীমা বৰ্ত্তমানৰ মঙ্গলদৈ পৰ্যন্ত আছিল। সেয়া ১৫৮১ খৃঃৰ কথা। "ৰঘুদেৱ কোচ বিহাৰৰ পৰা পলাই আহোতে লগত ভালেখিনি ৰণুৱা, বিষয়া, অনুচৰ আহিছিল। এই সকলৰ ভিতৰত বহুতো মুছলমান ৰণুৱা, সম্ভ্ৰান্ত বা-বিষয়া আৰু ওজাপালি গোৱা লোকো আহিছিল বুলি জনা যায়। এইদৰে বিভিন্ন সূত্ৰত মুছলমানসকল বাহিৰৰ পৰা আহি অসম ভূমিত নিগাজীকৈ থিতাপি লয় আৰু সংস্কৃতিৰ মিলনৰ সূত্ৰপাত হয়।"[1] এই ৰণুৱা বিষয়া সকলক কোচ ৰজাই বৃহত্তৰ পথৰুঘাট অঞ্চলত থাপিছিল বুলি বৌদ্ধিক মহলে কয়।

আলিখাঁ নামৰ জনৈক ৰণুৱা বা বিষয়াই পোনতে তাত বসতি স্থাপন কৰাৰ কাৰণে গাঁওখনৰ নাম আলিখাঁপাৰা হয়। অতীতত আলিখাঁ পাৰা গাঁওখনে এটা

১. সংমিশ্ৰণত অসমীয়া সংস্কৃতি : আঃ ছাঃ পৃঃ ১০।

বৃহৎ অঞ্চল আগুৰি আছিল। নৈনে নদীখন তেতিয়া বৰ্ত্তমানৰ বালিপাৰা, ভৰাগাঁৱৰ মাজেৰে বৈ গৈছিল। আলিখাঁ পাৰাৰ বৰ্ত্তমানৰ নৈনে নদীৰ অঞ্চল মানুহৰ বসতি আছিল। পূৰবলৈ নিৰ্ণচুবা পৰ্যন্ত পৰ্যবসিত হৈছিল। কালক্ৰমত নৈনে নদীয়ে গতি সলালে। বালিপাৰা বালিত পোত গ'ল। ইতিমধ্যে পোত যোৱা ভৰাগাঁও ভৰাতলি হ'ল। আলিখাঁপাৰাৰ ওচৰেৰে নৈনেয়ে গতি ললে। গৰাখহনীয়াৰ সম্মুখীন হৈ মানুহবোৰ বালিপাৰা, ভৰাগাঁওলৈ উঠি গৈ নতুন গাঁও গঢ়ি তুলিলে। এতিয়াও সেইবোৰ পূৰ্বৰ ক'ৰ মানুহ বুলি সুধিলে বুঢ়ালোকে কোচ বিহাৰৰ বুলি কয়। গতিকে সমূদায় মানুহখিনি যে আলিখাঁপাৰা, নিৰ্ণচুবাত কোচ ৰজাই সংস্থাপিত কৰা লোক সেইটো সহজেই অনুমেয়।

নিৰ্ণচুবা গাঁৱৰ কাইথ চুবা, পাটগিৰি চুবা, মুন্সী চুবা, ঢুলীয়াঘৰৰ চুবা, বক্সঘৰৰ চুবা, শইকীয়া চুবা আদিয়েই তাৰ সাক্ষ্য বহন কৰে। এই বক্স পৰিয়াল এটা মঙ্গলদৈ চহৰৰ নাতি দূৰৈত অভিবাসী মুছলমান গাঁও ওদোলাঝাৰতো আছে। তেওঁলোকৰ পূৰ্বপুৰুষ ব্যক্তিজনৰ নাম আছিল ইছাহক বক্স। সেই বংশৰ মানুহ বৰ্ত্তমান দুই ভাই ককাই আল্লা বক্স আৰু খোদা বক্স। হয়তো বক্স উপাধিধাৰী এটা দলৰে হব পাৰে। পৰিবেশ আৰু ভাষাৰ ভিন্নতাত নিৰ্ণচুবাৰ বক্স পৰিয়াল খাচ অসমীয়া হ'ল। আৰু ওদোলাঝাৰৰ বক্স পৰিয়ালটো মিঞা হ'ল। নিৰ্ণচুবাৰ বক্স বংশৰ আদি মানুহজনৰ নাম আছিল বক্সী মহম্মদ।

আলিখাঁপাৰাৰ মছজিদটোও অতি পুৰণি। জয়পাল পুখুৰীৰপাৰৰ বৰ মছজিদটোৰ পাছতেই চুফী জোলকাদ আলি চাহাবে মছজিদটো সজাইছিল বুলি স্থানীয় বিজ্ঞ মানুহৰ পৰা জনা যায়। সেই অঞ্চলত তেতিয়াৰ দ্বিতীয় জুমা মছজিদ। ১৯৪০ খৃঃ মানত জনৈক ভোদা নামৰ এজন পাগল লোকে মছজিদটো পুৰি পেলায়। পাছত গেলেই সেখৰ পুত্ৰ জফৰ আলিয়ে মছজিদটো কিছু উত্তৰত পুনৰ নিৰ্মাণ কৰে। তেতিয়াৰ পৰাই মছজিদটোই নাম পায় পোৰা মছজিদ।[১]

কথিত আছে যে জনৈক নিৰ্ণেণ বুঢ়াৰ নামেৰে নিৰ্ণচুবা গাঁৱৰ নামটো উৎপত্তি হৈছিল।

আলিখাঁপাৰাৰ পুৰণা নাম আল্টাতোলা। এতিয়াও তাত সেই নামৰ চুবুৰী এটা থাকিব পায়। চামছুদ্দিন শইকীয়াৰ দেউতাক ধনচা বালিপাৰালৈ উঠি গৈছিল।

---

১ : স্মৃতিগ্ৰন্থঃ আলিখাঁপাৰা প্ৰাথমিক বিদ্যালয়ৰ শত বাৰ্ষিকী।

তেঁৱেই পথৰুঘাট ৰণৰ দলি পুথিৰ প্ৰণেতা ধজৰ আলি ফকীৰ জীয়েকক বিয়া কৰাইছিল।

পথৰুঘাটৰ নিকটস্থ পূবফালে ৰামৰাইপাৰা এখন অতি পুৰণি গাঁও। অতীতত তাত ৰাম ৰয় আৰু শ্যাম ৰয় নামৰ দুজন ভাই ককায়ে বাস কৰিছিল। ৰাম ৰয় নামৰ ব্যক্তিজনৰ নামেৰেই ৰামৰাইপাৰা গাঁৱৰ নামৰ উৎপত্তি বুলি মানুহে ঠাৱৰ কৰে। এই গাঁৱৰ অন্তৰ্গত কেইবাটাও মুছলমান লোকৰ চুবা আছে।

ফকীৰ চুবা ঃ এই চুবাৰ পূৰ্বপুৰুষসকল ছিলেটৰ মানুহ। ফকীৰ মানুহ অনাই বনাই ঘূৰি ফুৰে। বিভিন্ন ঠাই ঘূৰি আহি ৰামৰাইপাৰাত থিতাপি লয়। তেনেকৈ থিতাপি লোৱা ব্যক্তিৰ ভিতৰত ছিলেটীয়া মুঞ্চি, জুমাৰ আলি, নেচাৰ আলি, উমাৰ আলি, কাদিৰ আলি অন্যতম। তেওঁলোক ধাৰ্মিক আছিল। ফকীৰ হিচাপে আহি তাত বসবাস কৰা কাৰণে চুবাটোক ফকীৰপাৰা বোলে।

ময়তানপাৰা ঃ নিৰ্মল গাঁওবুঢ়াৰ দেউতাক হানিফ আলি প্ৰথমে উত্তৰ প্ৰদেশৰ পৰা আহি কিছুদিন উত্তৰ গুৱাহাটীত বাস কৰি থকা লোকৰ বংশধৰ। এই চুবাৰ অন্যান্য পূৰ্বপুৰুষসকল হ'ল— ভাদৈ বুঢ়ী, শুকুনা সেখ, চহৰ আলি। সানোৱাৰ পৰা আহি বসতি কৰিছিল সঞ্চি সেখে। পাছত ঘোপাৰ পৰাও কেইজনমান গৈ তাতে সংস্থাপন লৈছিল। ই এখন হিন্দু-মুছলমানৰ সম্বন্ধিত গাঁও।

খুজ্জৰী ঃ আহোম ৰজা গৌৰীনাথ সিংহই ১৮৭০ খৃঃ মানত ভাটিৰ ফালৰপৰা এক বিশেষ শ্ৰেণীৰ মানুহ গৰু খাহী কৰাবলৈ আনি নিজ ৰাজ্যত বহুৱাইছিল। তাৰে দুঘৰ মানুহ বহুৱাইছিল ঘোঁৰাশালৰ খুজ্জৰীত। আহোম ৰজাই হেনো তেওঁলোকক বহুখিনি নানকাৰ মাটিও দান কৰিছিল। এওঁলোকক বদীয়া কোৱা হৈছিল। বংশ বৃদ্ধিৰ ফলত এওঁলোক দৰঙৰ বিভিন্ন অঞ্চললৈ সম্প্ৰসাৰণ ঘটে। কাউৰপৰি গাঁৱৰ নিকটত থকা লোজোৰাৰ বদীয়া বংশ এওঁলোকৰেই ঠাল ঠেঙুলি।

এই বদীয়া মানুহেই মুছলমান মানুহৰ ল'ৰা সন্তানক ধৰ্মীয় প্ৰথাৰে চুন্নত কৰে।

নগৰবাহী গাঁৱৰ ইতিবৃত্ত

মঙ্গলদৈ চহৰৰ উত্তৰ পশ্চিমে প্ৰায় ৩ কি.মি. আঁতৰত নগৰবাহী মুছলমান বসতিপৰ্ণ এটা বিৰাট অঞ্চল যদিও নগৰবাহী বুলি এখন নিৰ্দ্দিষ্টকৈ গাঁও নাই।

মোল্লাপাৰা, খাতলপাৰা, সাতঘৰীয়া পাৰা, কাণাইচুবা বা গোঁসাই চুবা, ববি গাঁও, হাউলি, টোকোৰাপাৰা, চমুৱাপাৰা, ঝাৰবাৰী আৰু বগাঘৰ চমুৱাপাৰা এই ১০খন গাঁৱৰ সমষ্টিয়েই নগৰবাহী।

নগৰবাহীৰ অধিক সংখ্যক মানুহ ধৰ্মান্তৰিত মুছলমান। ধৰ্মান্তৰিত আদি পুৰুষজন কানাই গোঁসাই বা সঞ্জয় গোঁসাই। তেওঁৰ পুৰুষ নামা এনে ধৰণৰ ঃ—

হৰিচন্দ্ৰ
↓
ৰঙ্গাগিৰি ভূঞা
↓
অনিৰুদ্ধ ভূঁঞা
(অনিৰুদ্ধ দেৱ গোস্বামী)
↓
চতুৰ্ভুজ দেৱগোস্বামী
↓
দিগম্বৰ দেৱ গোস্বামী — শম্ভুদেৱ গোস্বামী
↓
সঞ্জয়দেৱ গোস্বামী

প্ৰায় ৫৫০ বছৰ পূৰ্বে এওঁ তেজপুৰ চতুৰ্দ্দেশ ৰাজ্যৰ পাত্ৰমাৰি ঠাই (বৰ্ত্তমানৰ ভৰলী নদীৰ পাৰত)ৰ পৰা আহি দৰঙৰ জলজলীত বসতি স্থাপন কৰিছিল। এওঁ দামোদৰীয় ভূঞা বংশৰ লোক আছিল।

দৰঙ্গী ৰজাৰ অনুগ্ৰহ লাভ কৰি এওঁ দুবাৰ ভাৰতৰ তীৰ্থস্থানসমূহ দৰ্শন কৰিছিল। তীৰ্থই তীৰ্থই ঘূৰি ফুৰাত নাম পাইছিল ভূবন বৈৰাগী। বিশেষকৈ 'হৰিপুৰ' সত্ৰৰ 'অৰ্জুন দেৱে' তেওঁক এই বৈৰাগী উপাধি প্ৰদান কৰিছিল। তেওঁলৈ ৰাজ অনুগ্ৰহ প্ৰদান কৰা দৰঙী ৰজাজনৰ নাম আছিল মহীন্দ্ৰ নাৰায়ণ। ১৬৩৪-৫৩ খৃঃত এৱেঁই জলজলীত বৈৰাগী সত্ৰ স্থাপন কৰে। সত্ৰাধিকাৰ হৈ নাম লয় অনিৰুদ্ধ দেৱ গোস্বামী। ই এখন দামোদৰী পন্থাৰ অৰ্থাৎ ব্ৰহ্ম সংহতিত ভূক্ত সত্ৰ। বৈৰাগীজনে তীৰ্থস্থান ভ্ৰমি ফুৰাৰ কথা এওঁলোকৰ 'পটল'ৰ পৰা জানিব পাৰি। বৰ্ত্তমান সত্ৰখনৰ জৰাজীৰ্ণ অৱস্থা যদিও দামোদৰ দেৱৰ তিথিত ওজাপালী, নাম প্ৰসংগৰ প্ৰচলন চলি আছে। (টোকা-সত্ৰখন ১৫৬০খৃঃত স্থাপন হোৱা বুলি কয় যদিও মহীন্দ্ৰ নাৰায়ণ ৰজাৰ ৰাজত্ব কালৰ লগত সঙ্গতি দেখা নাযায়)

শঙ্কৰদেৱ গোস্বামীৰ দুই পুত্ৰ। এজনৰ নাম সঞ্জয় গোস্বামী বা কানাই গোসাই। সঞ্জয় গোস্বামীয়ে বিধবা বিবাহ প্ৰচলনৰ সপক্ষে মাত মতাত তেতিয়াৰ গোড়া হিন্দু মানুহে তেওঁক খেলৰ পৰা বাহিৰ কৰি দিয়ে। খেলৰ পৰা বাহিৰ হোৱাত সপত্নিক জলজলী ত্যাগ কৰি নোৱা নদী পাৰ হৈ পূব পাৰত (বৰ্ত্তমানৰ কানাই চুবা) বসতি কৰিবলৈ লয়। তেতিয়াৰ পৰা তেওঁ বাস কৰা ঠাইখনৰ নাম কানাই চুবা বা গোসাইচুবা নামেৰে পৰিচিত হয়। জলজলীত আছিল এখন সত্ৰ। সেই সত্ৰৰে সঞ্জয় গোস্বামী সত্ৰাধিকাৰ আছিল। কিন্তু মানুহৰ ৰোষত পৰি তেওঁ সত্ৰ হেৰুৱাব লগা হয়।

সঞ্জয় গোস্বামী আছিল এজন অলৌকিক গুণ সম্পন্ন ব্যক্তি। তেওঁৰ অলৌকিকতাৰ কাহিনী মানুহৰ মুখে মুখে বিয়পি পৰিছিল। অলৌকিক কাৰ্য সম্পাদন কৰি মানুহক চমক খুৱাইছিল। ১৮ শতিকাৰ আৰম্ভণি বা ১৭ শতিকাৰ শেষ ভাগত এই মনীষীজনাই সেই সময়ৰ দৰঙী ৰজাক কৰ শোধাবলৈ আৰু ৰাজকীয় কিছুমান বিধান মানিবলৈ অমান্তি হোৱাত ৰজাই তেওঁক ধৰি আনিবলৈ কটকী পঠালে। মাত্ৰ ১ কি.মি. দূৰত্বৰ ঠাইখন পাবলৈ কটকীয়ে দিক-বিদিক হেৰুৱাই নিশাটো ভ্ৰমিয়েই ফুৰিব লগা হৈছিল। এই কথা ৰজাৰ কৰ্ণগোচৰ হোৱাত আৰু ইতিমধ্যে ডা-ডাঙৰীয়াৰ মুখৰ পৰাও মনীষীজনাৰ মাহাত্ম্যৰ কথা শুনাত ৰজা মোহিত হৈ মনীষীজনাক ৰাজ দৰবাৰলৈ মাতি আনি নগৰৰ বাহিৰত মাটি দান কৰি লগতে নগৰীয়া (ৰজাৰ) শাসনৰ পৰা মুক্ত কৰি আনকি মাটিৰ খাজনাব পৰাও ৰেহাই দি সংস্থাপন কৰিছিল। খাজনা মুক্তৰ লগতে ৰজাৰ শাসনৰ পৰা মুক্ত কৰি অৰ্থাৎ সকলোৰে পৰা বাহিৰ কৰি নগৰৰ বাহিৰত থকাৰ ব্যৱস্থা কৰি দিয়াৰ কাৰণে ঠাইখনৰ নাম নগৰবাহী হয়। তেনে সময়তে ইছলাম ধৰ্মৰ একেশ্বৰবাদৰ বাণী লৈ তাত উপস্থিত হৈছিল জয়পাল ফকীৰ। তেৰোঁ মাত্ৰ ১ বছৰ নে ২ বছৰমান আগতে পীৰ বহৰম নামৰ চুফীসাধক এজনৰ সান্নিধ্যলৈ আহি ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। পূৰ্বতে তেওঁ আছিল হিন্দু সাধু। আছিল মানকাছাৰৰ কামাখ্যা মন্দিৰত। তেওঁ হিন্দু আৰু ইছলাম তত্ত্ব সমানে জানিছিল। জয়পাল ফকীৰৰ একেশ্বৰ বাদৰ বাণীত আকৃষ্ট হৈ সঞ্জয় গোস্বামীয়ে ইছলাম ধৰ্ম গ্ৰহণ কৰে লগতে ধৰ্মান্তৰিত হয় কালীয়া কেওঁট। হিন্দু ধৰ্মৰ আগশাৰীৰ ব্যক্তি দুজনেই যেতিয়া ধৰ্মান্তৰ হল তেতিয়া সেই ঠাইৰ মানুহে দলে দলে ইছলাম ধৰ্ম গ্ৰহণ কৰে। কিন্তু ইছলাম ধৰ্মলৈ ধৰ্মান্তৰিত হ'লে সঁচা তেতিয়াও মানুহে হিন্দুৰ আচাৰ-নীতিকে মানি চলিছিল। এটা মোকাম ঘৰ সাজি ধৰ্মীয় ৰীতি-নীতি পালন

কৰিছিল যদিও তাত ইছলাম ধৰ্মৰ নিষিদ্ধ প্ৰথাহে প্ৰচলন কৰা হৈছিল। তেনে অধুনালুপ্ত গৰাহৰপৰা মানুহক উদ্ধাৰ কৰিবলৈ বৰকলীয়াঝাৰৰ জয়পাল পুখুৰীৰ পাৰত বাহৰ পাতি থকা ধৰ্মসংস্কাৰক চুফী জোলকাদ আলি লগত ফকলু সেখক লৈ নগৰবাহীলৈ আহিছিল আৰু মানুহক ইছলাম ধৰ্মলৈ সংস্কাৰমুখী কৰিছিল। তেৱেঁই মানুহক নামাজ পঢ়োৱা শিক্ষা দিবৰ কাৰণে — এজন মানুহক ইছলামী শিক্ষা লবলৈ বাহিৰলৈ পঠায়। সেইজন ব্যক্তিয়ে শিক্ষা লৈ আহি— নগৰবাহীৰ মোল্লাপাৰাত ১৭ শতিকাৰ শেষ ভাগত এটা মছজিদ সজাই মানুহক নামাজ পঢ়িবলৈ শিকায়। মানুহে তেওঁক 'নামাজী' বা মোল্লা বুলি মাতিছিল। সেই নামেৰেই চুবাটোৰ নাম হয় প্ৰথমতে নামাজীপাৰা বৰ্ত্তমান মোল্লাপাৰা। এই বৃহৎ নগৰবাহীৰ সৰহ সংখ্যক মানুহেই ধৰ্মান্তৰিত মুছলমান। ধৰ্মান্তৰিত মুছলমান সঞ্চয় গোস্বামীৰ উত্তৰ পুৰুষ চহিৰুদ্দিন আলি আহমেদ বৰ্ত্তমান গড়কাপ্তানী বিভাগৰ কণিষ্ঠ অভিযন্তা। অতীত বংশধৰ সকলৰ সৈতে চহিৰুদ্দিন আলি আহমেদৰ বংশৰ মিত্ৰতা বৰ্তমানেও অক্ষুন্ন আছে। (চহিৰুদ্দিন আলি আহমেদ)

দৰঙী ৰজাই কিছু সংখ্যক শৰাইঘাটৰ মোগল যুদ্ধ বন্দী নগৰবাহীত সংস্থাপিত কৰা বুলি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ইৰশ্বাদ আলি চাহাবে মত দাঙি ধৰিছে। কোচ ৰজাৰ ৰাজধানী হাউলি মোহনপুৰৰ ওচৰতে নগৰবাহী গাঁও। নগৰৰ বাহিৰ > নগৰবাসী আৰু নগৰৰ বাহিৰ > নগৰবাহী এই দুটা শব্দৰ কোনোবা এটাৰপৰা নগৰবাহী নামৰ উৎপত্তি হয় বুলি মানুহে কয়। যদিও নগৰবাহী বুলি নিৰ্দ্দিষ্টকৈ কোনো এখন গাঁও নাই বৰ্ত্তমান নগৰবাহী নামেৰে এখন গাঁও পঞ্চায়ত গঠন হৈছে। বৰ্ত্তমান নগৰবাহী আৰবীক শিক্ষাৰ এখন ডাঙৰ কেন্দ্ৰস্থান।

নগৰবাহীৰে এটা চুবা হাউলি। এই হাউলিৰ দিন মাহমুদ (শিক্ষক)ৰ পিতৃ কোচ ৰজাৰ কবিৰাজ আছিল। উচ্চ মৰ্যদা পোৱাৰ কাৰণে তেওঁৰ বংশই চহৰীয়া উপাধি লিখিছিল। এই খিতাপ ৰজাই প্ৰদান কৰিছিল। বৰ্ত্তমান আৰক্ষী পৰিদৰ্শক হানিফুৰ ৰহমান চহৰীয়া এই বংশৰে লোক। উক্ত গাঁৱৰ ছহিৰুদ্দিন আলি আহমেদৰ পৰা জনা যায় যে শিক্ষাবিদ, গীতিকাৰ তফুজ্জল আলি চাহাবৰ দেউতাক ডাঃ মহবুব আলিৰ পূৰ্বপুৰুষ অবিভক্ত, নগাঁও জিলাৰ পৰা আহি এই নগৰবাহী গাঁৱতে বসতি স্থাপন কৰিছিল। এইদৰে ধৰ্মান্তৰিত, ৰাজকৰ্মী, যুদ্ধবন্দী আৰু প্ৰব্ৰজিত মুছলমানেৰে গঢ়ি উঠা বৃহত্তৰ নগৰবাহী এটা ঐতিহ্যপূৰ্ণ অঞ্চলস্বৰূপে আজিও

স্বীকৃত। বহুতে দাবী কৰাৰ দৰে তাৰ বাসিন্দাসকল অকল ধৰ্মান্তৰিতই নহয় অন্যান্য মুছলমানো সানমিহলি হৈ আছে।

চপৰা ঃ মঙ্গলদৈ মহকুমাৰ জলজলীৰ উত্তৰত চপৰা এখন মুছলমান প্ৰধান গাঁও। ৰজা আবিমন্তই মৃগয়া কৰিবলৈ কেইজন মান সৈন্য আৰু লগুৱা লিকচৌৰ সৈতে আহি দুপৰীয়া প্ৰখৰ ৰ'দত এখন হাবিতলীয়া ঠাইত এডাল প্ৰকাণ্ড গছৰ ছাঁত জিৰণি লৈছিল। ঠাইখন হাবী-জংঘলেৰে আবৃত আছিল। প্ৰাকৃতিক সৌন্দৰ্য আছিল অতি মনোৰম। ৰজা মুগ্ধ হৈ ঠাইখনৰ নাম দিলে ছাঁ-পৰা। পাছত মানুহৰ মুখত অপভ্ৰংশ হৈ 'চপৰা' হয়। এই চপৰা গাঁওখনৰ বাসিন্দাসকল মুখ্যতঃ মুছলিমঘোপা আৰু লোজোৰাৰ পৰা পাম ধৰিবলৈ গৈ স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱা মানুহ। অইন ঠাইৰ ধৰ্মান্তৰিত মুছলমান লোকো গৈ চপৰাৰ স্থায়ী বাসিন্দা হয়।

সানোৱা ঃ ১৬৬১ খৃঃত দিল্লীৰ সম্ৰাট ঔৰংগজেবৰ সেনাপতি মীৰজুমলা বংগৰ চুবাদাৰ হৈ থকাৰ সময়ত সম্ৰাটৰ নিৰ্দ্দেশক্ৰমে অসম অভিযানলৈ আহি ১৬৬২ খৃঃৰ ১৭ মাৰ্চত বিনা যুদ্ধে আহোম ৰাজ্যৰ ৰাজধানী গড়গাঁও অধিকাৰ কৰি আহোম সিংহাসন দখল কৰে। প্ৰায় ১১ মাহ মীৰজুমলা আহোম সিংহাসনত থাকি সন্ধি স্থাপনসূত্ৰে ১৬৬৩ খৃঃৰ ৯ জানুৱাৰী তাৰিখে সম্ৰাটৰ নিৰ্দ্দেশমৰ্মে ঢাকালৈ প্ৰত্যাবৰ্ত্তন কৰে। প্ৰত্যাবৰ্ত্তনৰ সময়ত মীৰজুমলাৰ সৈন্য বাহিনীটো দুৰ্ঘোৰ বিপদৰ সন্মুখীন হৈছিল। প্ৰাণ বচাবৰ কাৰণে মোগল বাহিনীৰ বহুতেই অসমৰ গাঁৱে-ভূএে সোমাই আশ্ৰয় লৈছিল। পাছত সেইসকল নিজ দেশলৈ ঘূৰি নগৈ অসমৰে অসমীয়া হৈছিল।

তাৰে কেইজনমান মোগল সৈন্যই ব্ৰহ্মপুত্ৰ নদ পাৰ হৈ পথ ভুল কৰিয়েই হওঁক নতুবা স্বইচ্ছাই হওঁক বৰ্ত্তমানৰ সানোৱাৰ ওচৰৰ ব্ৰহ্মপুত্ৰ মথাউৰিৰ দক্ষিণে শালমাৰাঝাৰত বসতি কৰিবলৈ লয়। তাত বাস কৰিবলৈ লোৱা সৈনিক কেইজন উত্তৰ প্ৰদেশৰ আগ্ৰাৰ সানোৱা নামৰ ঠাইৰ লোক আছিল কাৰণে নতুনকৈ বসবাস কৰিবলৈ লোৱা ঠাইখনৰো নাম সানোৱা দিয়ে। কিন্তু বানপানী, মহামাৰী, গৰাখহনীয়া আদিৰ প্ৰকোপত তিষ্ঠিব নোৱাৰি মানুহবিলাকে সেই ঠাই ত্যাগ কৰি ১৯ শতিকাৰ মাজভাগত ওখ ঠাই বৰ্ত্তমানৰ সোনোৱালৈ উঠি আহে। এই স্থানান্তৰ প্ৰক্ৰিয়া ১৮৫৭ খৃঃৰ পৰা আৰম্ভ হৈ ১৯৩২-৩৩ খৃঃত শেষ হৈছিল। তদুপৰি মুছলিম ঘোপাৰ পৰাও এদল মানুহেও সানোৱা গাঁৱত পাম ধৰিছিলগৈ। ঘোপেলিবাহা চুবাটোই

তাৰে সাক্ষী বহন কৰে। পূৰ্বৰ বসতিস্থান শালমাৰাঝাৰত এতিয়াও এটা ওখ ভেঁটি সংৰক্ষিত অৱস্থাত আছে। জনা মতে মানুহে সেইটো পূৰ্বৰ মছজিদৰ ভেঁটি বুলি বিশ্বাস কৰে।

আন এটা তথ্যমতে তাত বৈ যোৱা সৈন্য কেইজন শৰাইঘাট যুদ্ধৰ মোগল সেনাপতি ৰামসিংহৰহে সৈন্য আছিল। তেওঁলোকৰ পূৰ্বৰ বসতিস্থানৰ নাম 'খনুৱা' আছিল। ইয়াতবসতি কৰাৰ পাছত 'খনুৱাৰ' পৰা সানোৱা হয়।

গাঁওখনত গঢ় লোৱা মুছলমানৰ অস্পৃশ্যহীন সমাজ ব্যৱস্থাত আকৃষ্ট হৈ অঞ্চলটোৰ এক বুজন সংখ্যক মানুহ ধৰ্মান্তৰিত হৈ মুছলমান হয়। অতীতৰে পৰা ধৰ্মান্তৰিত নোহোৱা হিন্দু মানুহেও মুছলমানৰ লগত সৌহাৰ্দ্য অটুট ৰাখিছিল। সৌ সিদিনালৈ ৰহমত আলি চিকাৰী আৰু কান্তি ওজাৰ বন্ধুত্ব মন কৰিবলগীয়া। যি দুজনৰ বন্ধুত্ব আৰু সমাজ হিতৈষী কৰ্মত মুগ্ধ হৈ মানুহে "ৰহমত চিকাৰী-কান্তি ওজা স্মৃতি" প্ৰাথমিক বিদ্যালয় গঢ়ি তুলিছে প্ৰয়াত দুই বন্ধুৰ স্মৃতি যুগমীয়া কৰিবলৈ।

এই গাঁৱৰে বেজৰবাৰীত অৰ্থাৎ বৰ্ত্তমানৰ জয়মতী কুৱৰী বালিকা বিদ্যাপীঠৰ ওচৰত মাটি খান্দোতে মাটিৰ বাচন বৰ্ত্তনৰ ভগ্নাৱশেষ পোৱা গৈছে। তাৰপৰা মানুহে অনুমান কৰে অঞ্চলটোত মৃৎশিল্পী কুমাৰসকলৰ বসতি স্থান আছিল। আনহাতে ১৯৮১-৮২ খৃঃত বন বিভাগে মেৰামতিৰ কাৰণে পুখুৰীটো খান্দোতে কিছুমান ইটা, শিল, আদি পায়। কোনোবা ৰজাই হয়তো ইটা, শিলৰ খটখটিৰে পুখুৰীটো খন্দাইছিল। ৰজাই খন্দোৱা বাবেই হয়তো পুখুৰীটোই ৰাজা পুখুৰী নাম পাইছিল। পূৰ্বৰ মৃৎশিল্পী কুমাৰসকলে ইছলাম ধৰ্ম গ্ৰহণ যে কৰিছিল সেইটো সহজেই অনুমেয়। এইদৰে প্ৰব্ৰজিত, নৱদীক্ষিত আৰু পাম ধৰা মুছলমানেৰে সানোৱা এখন বৃহৎ গাঁৱত পৰিণত হয়। পূৰ্বৰ শালমাৰাঝাৰত এতিয়াও কেইটামান কবৰৰ চিহ্ন বিদ্যমান। উদাহৰণস্বৰূপে মদন গাঁওবুঢ়াৰ দেউতাক গোজো সেখৰ কবৰ উল্লেখনীয়।

১৯০৩ চনতে সানোৱাত সানোৱা প্ৰাথমিক বিদ্যালয় গঢ়ি উঠিছিল। এই বিদ্যালয়ে ১০০ বছৰ পূৰ্ণ কৰি ২০০৩ চনত শতবাৰ্ষিকী পালন কৰে। তদুপৰি ধৰ্মীয় শিক্ষা প্ৰদানৰ কাৰণে পুৰুষ মহিলা উভয়ৰ বাবে পৃথকে পৃথকে মাদ্ৰাছা স্থাপন কৰা হৈছে।

এই গাঁৱৰে সুসন্তান মৌলনা মহম্মদ ইছলামুদ্দিন। তেওঁ ইজিপ্তৰ কাইৰো চহৰত অৱস্থিত বিশ্বৰ ইছলামী শিক্ষাৰ প্ৰাণকেন্দ্ৰ আল্ আজাহাৰ বিশ্ব বিদ্যালয়ৰ পৰা এম, টি, এইচ আৰু আমেৰিকাৰ বিশ্ব বিদ্যালয়ৰ পৰা এম. এ. ডিগ্ৰী লাভ কৰিছিল। এম. এ. ডিগ্ৰী লাভ কৰোতে তেওঁ "The Introduction and Development of Islam In India" শীৰ্ষক গৱেষণামূলক গ্ৰন্থ দাখিল কৰিছিল।[১]

অবিভক্ত নগাঁও জিলাৰ মায়াং অঞ্চলৰ পৰা মানৰ আক্ৰামণত হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ মানুহ আহি সানোৱা অঞ্চলত বসতি স্থাপন কৰিছিলহি। তেওঁলোকৰ মিলাপ্ৰীতি আদিও যুগমীয়া হৈ আছে।

মৰানদীপাৰ আৰু চকৰমুখ — দৰঙ জিলাৰ পশ্চিম প্ৰান্তত থকা দুখন প্ৰাচীন মুছলমান গাঁও। গাঁওদুখন হলেও উৎপত্তিৰ উৎস একেটাই। প্ৰায় ১৮০ বছৰ আগতে কামৰূপৰ আন্টা অঞ্চলৰ পৰা কিছুলোক প্ৰব্ৰজিত হৈ আহি গাঁওখন প্ৰতিষ্ঠা কৰিছিল। মানে অসম আক্ৰমণৰ সময়ত সেই সকল মানুহ আশ্ৰয়ৰ কাৰণে তালৈ আহিছিল। অগা-দেৱাঁকৈ কামৰূপৰ বেজেৰা অঞ্চলৰ পৰাও এটা দল গৈ তাতে বসতি স্থাপন কৰিছিল। তাৰপাছত তুৰাই, বৰকলীয়াঝাৰৰ পৰাও পাম ধৰিবলৈ গৈ কিছুলোক বাসিন্দা হৈছিল। মৰানদীৰ পাৰত গাঁওখন স্থাপন হোৱাৰ কাৰণে গাঁওখনে মৰানদীৰপাৰ নাম পাইছিল। আনহাতে এটা চকৰ সম্মুখতে অৱস্থিত কাৰণে ইখনে চকৰমুখ নামে পৰিগণিত হৈছিল। এড্‌ভোকেট গিয়াচুদ্দিন আহমেদ আৰু এসময়ৰ বিডিঅ সেই গাঁৱৰে বাসিন্দা।

মুঠৰ ওপৰত অঞ্চলটো আভ্যন্তৰীণ প্ৰব্ৰজনৰে গঠিত। ঠিক তেনেকৈয়ে গঠিত দৰঙৰ পশ্চিমাঞ্চলৰ এখন মুছলমান গাঁও শালিকাঝাৰ। সেই গাঁৱৰ পূৰ্বৰ বাসিন্দাসকল আছিল দৰঙৰ ডুমুনিচকী আৰু কামৰূপৰ বেজেৰা অঞ্চলৰ।

হৰিণখোজা

মঙ্গলদৈ চহৰৰ পৰা প্ৰায় ৬ কি. মি. পশ্চিমত মঙ্গলদৈ খৈৰাবাৰী পথৰ দুয়োদাঁতিত হৰিণখোজা গাঁও অৱস্থিত। পূৰ্বতে এই গাঁওখন গাখীৰখোৱাপাৰা নামে জনাজাত আছিল। বৰ্ত্তমানেও চৰকাৰী নথি-পত্ৰত ৰাজহ গাঁও হিচাপে গাখীৰখোৱা

১ : স্মৃতিগ্ৰন্থঃ সানোৱা প্ৰাথমিক বিদ্যালয়ৰ শতবাৰ্ষিকী।

পাৰাকহে বুজায়। উক্ত গাঁৱৰপৰা প্ৰায় আধা কি.মি. দূৰত নোৱা নদীৰ পাৰত সাতশেয়া মামৰ সাত শ বিঘাৰ এখন প্ৰকাণ্ড ঝাৱণি আছিল। সাত শ বিঘাৰ মাটিকালিৰে ঝাৱনিখনে নাম পাইছিল সাতশেয়াজাৰ। পাছত অপভ্ৰংশ হৈ সাথেয়াঝাৰ নাম পায়। এই সাতশেয়াঝাৰ বাঘ, হৰিণ আদি নানা প্ৰজাতিৰ জন্তুৰ বিচৰণভূমি আছিল। মানুহেও সেই ঝাৰত নানা ৰকম ঘাঁহ থকাৰ কাৰণে গৰু-মহ চৰাইছিল। মানুহে জাকে জাকে গৰু-মহ পুহিবলৈ সুবিধা হৈছিল। দূৰণিৰ মানুহ গুদামলৈ খোজকাঢ়ি অহাত পিয়াহত পানী খাবলৈ বিচাৰিলে মানুহে পথচাৰীসকলক পানীৰ সলনি গাখীৰ খাবলৈ দিছিল। সেয়ে ঠাইখনৰ নাম গাখীৰ খোৱা পাৰা হৈছিল বুলি স্থানীয়লোকে কয়।

কোচ ৰজাৰ লগত মাটিৰ ৰাজহৰ কাৰণে মতানৈক্য হোৱাত গাখীৰ খোৱাৰ পৰা মানুহখিনি বৰ্ত্তমানৰ হৰিণখোজা লৈ স্থানান্তৰ হয়। সাতশেয়াঝাৰ হৰিণ পহুৰ বিচৰণ ভূমি আছিল। খাদ্যৰ কাৰণে মুকলি পথাৰত ভ্ৰমি ফুৰিছিল। আনকি মানুহৰ বাৰীতো কেতিয়াবা প্ৰৱেশ কৰিছিল। ধাননি পথাৰ, ৰাস্তা-ঘাট, বাৰী-বস্তিত প্ৰায়ে হৰিণৰ খোজ পোৱা গৈছিল কাৰণে ঠাইখনে পৰৱৰ্ত্তী কালত হৰিণখোজা নাম পায়। পুৰণিবাৰীত বৰ্ত্তমানেও এটা মছজিদৰ ভেটি পৰিত্যক্ত অৱস্থাত আছে বুলি স্থানীয় মানুহে কয়।

১৬৬২ খৃঃৰ ১৭ মাৰ্চত মোগল সেনাপতি মীৰজুমলাই গড়গাঁও, অধিকাৰ কৰি আহোমৰ সিংহাসনত বহে। মীৰজুমলাই অসমত ইছলাম ধৰ্মৰ ক্ৰমাত অৱনতি লক্ষ্য কৰি মোল্লা সদৃশ চাৰিজন ব্যক্তি ধৰ্ম সংস্কাৰৰ কাৰণে নিয়োগ কৰি অসমৰ বিভিন্ন ঠাইলৈ পঠিয়ায়। তাৰে এজন দৰং ৰাজ্যলৈ আহে। সেই মোল্লাজন কলিকতাফালৰ লোক আছিল। তেওঁ দৰঙৰ বিভিন্ন ঠাই ঘূৰি হৰিণখোজা গাঁৱত খন্তেক সময়ৰ কাৰণে জিৰণী লৈছিল। যদিও সেই সময়ত গাঁওখনৰ মানুহ হিন্দু আছিল তথাপি মানুহে তেওঁক গাখীৰ আৰু ফলমূলৰে আপ্যায়িত কৰিছিল। মোল্লাজনে মানুহবিলাকক ইছলামৰ বৰ্ণ-বৈষম্য, আৰু অস্পৃশ্যহীনতাৰ কথা কোৱাত আকৃষ্ট হৈ গাঁওখনৰ মানুহে তেওঁৰ ওচৰত দীক্ষা লৈ ইছলাম ধৰ্ম গ্ৰহণ কৰে। কিন্তু কালক্ৰমত সেইসকল ধৰ্মান্তৰিত লোক মহামাৰীত প্ৰায় উচন হয়। মাত্ৰ কেইটামান পৰিয়ালহে জীৱিত অৱস্থাত থাকে। তাৰ পাছত কিছু সংখ্যক লোক মুছলিমঘোপাৰ পৰা আহি তাত বসতি স্থাপন কৰে। মানৰ আক্ৰমণত অবিভক্ত নগাঁও জিলা আৰু

কামৰূপ জিলাৰ বৰভাগ অঞ্চলৰ পৰাও কিছুমান মানুহ ভাগি আহি হৰিণখোজা গাঁৱত বসবাস কৰিবলৈ লোৱাত গাঁওখন মুছলমান প্ৰধান গাঁও ৰূপে পৰিগণিত হয়। ওচৰতে থকা দৰঙী ৰজাৰ ৰাজধানীলৈ গৈ নতুবা অন্যান্য সবাহ আদিলৈ গৈ হৰিণখোজাৰ মুছলমান মানুহে ঢোল-ভাল বজাইছিল। কোচৰজাৰ শইকীয়া, হাজৰিকা আদি খিতাপ হৰিণখোজাৰ মুছলমান মানুহেও পাইছিল।

চুফী জোলকাদ আলি পীৰ আৰু মনিৰুদ্দিন আহমেদে গাঁওখনৰ মানুহক ধৰ্মীয় সংস্কাৰমুখী কৰে।

গাঁওখনত ১৯৩৯ খৃঃত এখন প্ৰাইমাৰী বিদ্যালয় আৰু ১৯৪২ খৃঃত এখন মাদ্ৰাছা প্ৰতিষ্ঠা কৰা হয়।

দুমুনিচকী আৰু পাৰ্শ্বস্থ অঞ্চল

দৰং জিলাৰ সদৰ মঙ্গলদৈ চহৰৰ পৰা পশ্চিমে প্ৰায় ২৫ কিঃমিঃ দূৰত কামৰূপ আৰু দৰং জিলাৰ সীমা ঐতিহাসিক বৰনদীৰ পাৰত ৫২ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দুয়োকাষে দুমুনিচকী গাঁও অৱস্থিত। বহুতে ইতিমধ্যে দুমুনিচকী গাঁৱৰ বিষয়ে লেখা মেলা কৰিছে বহুতে দুমুনিচকী শব্দটোৰ বানান বিভ্ৰান্তিৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছে। চাবলৈ গ'লে দুমুনিচকী গাঁওখন প্ৰধানতঃ মুছলমান অধ্যুষিত অঞ্চল কিন্তু কৰপৰা মুছলমানসকল আহি অঞ্চলটোত হিন্দু মুছলমানৰ সহ অৱস্থান গঢ়ি তুলিলে তাৰ ওপৰত আলোকপাত কৰা দেখা নাযায়। বৰনদীখনে বৰ্তমানৰ দৰং আৰু গ্ৰাম্য কামৰূপ জিলাৰ সীমা হলেও দুমুনিচকী হাইস্কুলকে ভিতৰ কৰি নদীখনৰ পশ্চিমৰ, কিছু ঠাই দুমুনিচকীৰেই অন্তৰ্ভুক্ত।

বৰনদীখনক ঐতিহাসিক নদী বুলি এই কাৰণেই কোৱা হৈছে যে বহিঃৰাজ্য বা দেশৰ লগত দেশীয় বা প্ৰান্তীয় ৰাজ্যৰ সীমা আছিল এই বৰনদী। কামৰূপৰ পালবংশীয় ৰজাসকল আৰু দৰঙৰ ভূঞাসকলৰো সীমা আছিল এই বৰনদী। ১২০৫ খৃঃত তুৰ্কী সেনাপতি ইখতিয়াৰুদ্দিন বখতীয়াৰ খালজীৰ কামৰূপৰ মাজেদি তিব্বত, চীন অভিযানৰ সময়তো কামৰূপৰ পূবৰ সীমা আছিল এই বৰনদী। ১৩৬২ খৃঃত সিকন্দৰ চাহে কামৰূপৰ সীমা বৰনদীলৈ আক্ৰমণ বঢ়াই তুলিছিল। গৌড়ৰ নবাব হুচেইন চাহে কমতেশ্বৰ নীলাম্বৰক বন্দী কৰি কোঁচ কমতা ৰাজ্য সমূলি ধ্বংস কৰি ১৪৯৮ খৃঃত পুতেক দানিয়েলক হাজোৰ গভৰ্ণৰ নিযুক্তি দি পূব ৰাজ্যৰ সীমা বৰনদীকে নিৰ্দ্ধাৰণ কৰি দিয়ে। বন্দী নীলাম্বৰক গৌড়লৈ লৈ যোৱাৰ পথত পলাবলৈ সক্ষম হৈছিল যদিও পাছত নীলাম্বৰৰ কি হ'ল সেই সম্পৰ্কে বুৰঞ্জী নিমাত। হোচেনচাহে কমতা ৰাজ্যৰ ৰঙ্গামাটিত বৰ্তমানৰ পানবাৰীত মোগলীয় ভাস্কৰ্যৰে এটি সুন্দৰ মছজিদ নিৰ্মাণ কৰি দিয়ে আৰু এখন ঐতিহাসিক ফলিৰ মতে ১৫০১-০২ খৃঃত কামৰূপত আৰবী শিক্ষাৰ এখন মাদ্ৰাছা স্থাপন কৰে। বৃহত্তৰ কামৰূপত গঢ়ি উঠে এখন সংস্কৃতিবান মুছলমান সমাজ।

উপৰোক্ত হিন্দু ৰজা বা মুছলমান আক্ৰমণকাৰীসকলৰ বাহিৰেও আহোম আৰু মোগলৰ সীমা নিৰ্দ্ধাৰণ হৈছিল ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰপাৰৰ এই বৰনদী। উভয় ৰাজ্যৰ চিঠি আদান প্ৰদান হৈছিল এই ঠাইখনতেই। নদীৰ দুয়োপাৰত স্থাপন কৰিছিল দুটা 'চকী'। 'চকী' শব্দটো ফাৰ্চী ভাষাৰ পৰা অহা। গতিকে চকী স্থাপন কৰা প্ৰথাটো মুলমানেই সৃষ্টি কৰা যেন লাগে। 'দুমুনি' দুখন ৰাজ্যৰ সীমা বা পূৰ্বদেশৰ দুই নদীৰ পথৰ সংযোগ স্থল। এই তথ্যসমূহৰ পৰা দমুনি + চকী = দুমুনিচকী নামে ঠাইখন খ্যাত হোৱা দেখা যায়।

দুমুনিচকী এখন পুৰণি গাঁও। ইয়াৰ গৰ্ভত লুকাই আছে বহুতো নিলিখা ইতিহাস। সমন্বয়ৰ ইতিহাস। অতীতে গচকি পেলালেও হিন্দুমুছলমানৰ সহ অবস্থানৰ ইতিহাস মুৰ দাঙি বৈ আছে ধৰ্মটোৰ বাহিৰে উভয় পক্ষৰ আচাৰ ব্যৱহাৰ, পোছাক-পৰিচ্ছদ, ভাব ভাষা এডাল গছৰ ফলৰ দৰে উভয় সম্প্ৰদায়ৰ মানুহৰ একে নামেৰে অতীত সুঁৱৰি।

এই দুমুনিচকীলৈ পূৰ্ব বাসিন্দা মুছলমানসকল ক'ৰপৰা আহি এখন সমাজ পাতি বহিল তাৰ ইতিহাস হয়তো ক'ৰবাত লুকাই আছে নতুবা পৰি আছে পাহৰণিৰ গৰ্ভত। সেই গৰ্ভৰপৰা অনুসন্ধিৎসু নৱ প্ৰজন্মসকলে হয়তো এদিন চেষ্টা কৰিব প্ৰকৃত উৎস উদঘাটন কৰিবলৈ। সেয়ে আমাৰ আশা।

দুমুনিচকীৰ বাসিন্দা বিশেষকৈ মুছলমানসকল একেদিনাই তাত উপস্থিত হোৱা নাই। বন-লতা, গছ-গছনি মাটি ফুটি ওলোৱাৰ দৰেও ওলোৱা নাই। তাত ঘটিছে উজনি নামনিৰ সমন্বয়। সংমিশ্ৰিত হৈছে হিন্দু মুছলমানৰ তেজৰ কণিকা। একেই প্ৰক্ৰিয়াৰে গঢ়ি উঠিছিল পাৰ্শ্বস্থ অঞ্চলত মাৰুৱাচকী, বাঁহগড়া, খলিহৈ, শিঙিমাৰী আদি গাঁও।

প্ৰবাসী ভাৰতীয় দুমুনিচকীৰে দুখুনী বুঢ়ীৰ সন্তান মতিউৰ ৰহমানৰ ককাক মনু সেখৰ বংশ দুমুনিচকীৰ পুৰণি বাসিন্দা বুলি কয়। অনুমান কৰিব পাৰি ইখতিয়াৰুদ্দিন বখতিয়াৰ খালজীয়ে ১২০৫ খৃঃত বাৰ্দ্ধু ৰজাৰ ৰাজ্য কামৰূপৰ মাজেদি তিব্বত, চীন, অভিযান চলাওঁতে জনজাতীয় মুখিয়াল লোক মেচ নামৰ এজন মানুহে খালজীক পথ দেখুৱাই লৈ আহিছিল আনকি ইছলাম ধৰ্মৰ একেশ্বৰবাদী নীতিত আকৃষ্ট হৈ তেওঁ ইছলাম ধৰ্ম গ্ৰহণ কৰি আলি মেচ নাম লৈছিল। বখতিয়াৰ অভিযান বিফল হোৱাত বহুতো মুছলমান সৈন্য কামৰূপৰ চুকে কোণে বৈ গৈছিল।

আলি মেচৰ সান্নিধ্য পায়ো বহুতো হিন্দু মানুহে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। কামৰূপৰ সেই মুছলমানৰ ছিটিকনিৰে বাসিন্দা মনু সেখৰ পূৰ্বপুৰুষসকল হ'ব পাৰে। দুমুনিচকীৰে দাৰ্শা কাজী আছিল বৃটিছ চৰকাৰৰ মনোনীত কাজী। কাজী চাহাবৰ ভতিজা ভথৌ সেখৰ ঔৰসত জন্ম গ্ৰহণ কৰে দৰঙত প্ৰথম ইছলাম ধৰ্মৰ পথ প্ৰদৰ্শক গোলাপ আলি ওৰফে গাঠি মুঞ্চি চাহাবে। চুফী জোলকাদ আলী পীৰ চাহাবে ১৮৮০ খৃঃত মুছলিমঘোপাকে আদি কৰি পশ্চিম দৰঙত প্ৰচলিত ইছলাম ধৰ্মৰ নিবন্ধ প্ৰথাবোৰ সংস্কাৰ সাধন কৰি ১৮৮৩-৮৪ খৃঃত মুছলিম ঘোপাত আৰবী শিক্ষাৰ কাৰণে এখন মোক্তাব প্ৰতিষ্ঠা কৰি দিছিল। সেই মোক্তাবৰ ওস্তাদ আছিল গাঠি মুঞ্চি চাহাব। পৰৱৰ্তী কালৰ বিখ্যাত মৌলানা আব্দুল মজিদ, আব্দুল কৰিম আৰু কুপীৰ হাছিমুদ্দিন আহমেদ যিজনা মৌলনাই দিল্লীৰ বৰ মছজিদত ইমামতীৰ আসন শুৱনি কৰিছিল মুছলিমঘোপাৰ মোক্তাবত গাঠি মুঞ্চি চাহাবে আৰবীৰ কুঁহিপাঠ শিকাইছিল। বংশটো দুমুনিচকীত অতি পুৰণা। সেইদৰে পুৰণা মঙ্গলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰথম অধ্যক্ষ বকদুল আলী চাহাবৰ দেউতাক ফজলু সেখৰ বংশ। স্মৰ্তব্য যে বখতিয়াৰ খালজীৰ ১২০৫ খৃঃৰ অভিযানৰ পৰা হোচেন চাহৰ ১৪৯৮ খৃঃৰ কমতা ৰাজ্য আক্ৰমণলৈকে সুদীৰ্ঘ ২৯২ বছৰৰ ভিতৰত কামৰূপৰ মাটিত এখন সংস্কৃতিবান মুছলমান সমাজ গঢ়ি উঠিছিল। সেই সংস্কৃতিবান সমাজৰ পৰাই ভথৌ সেখ আৰু অন্যান্য পৰিয়ালৰ পূৰ্ব বংশধৰসকল কামৰূপৰ পৰা আহিব পাৰে। আনহাতে মতিউৰ ৰহমানৰ মাকৰ ফালৰ ককাক ভেটু আলী পণ্ডিতৰ পূৰ্ব পুৰুষসকল অবিভক্ত নগাঁও জিলাৰ বেবেজীয়াৰ বুলি জনা যায়। বৰনদীৰ বেবেজীয়া ঘাট আৰু বেবেজীয়া ঘৰে আদিও অতীতক সোঁৱৰাই। তদানুৰূপ উপন্যাসিক দৰং জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰী নবাব নুৰুল ইছলামৰ পূৰ্বপুৰুষ সকল নগাওঁৰ পৰা আহি প্ৰথমে সানোবা গাঁওৰ নিকটত ব্ৰহ্মপুত্ৰৰ উত্তৰে শালমাৰাঝাৰত বসতি স্থাপন কৰিছিল। কিন্তু প্ৰাকৃতিক দুৰ্যোগ, মাৰিমৰকত তিষ্ঠিব নোৱাৰি এটা ঠাল বৰ্ত্তমানৰ সানোবা গাঁবলৈ আৰু এটা ঠালে দুমুনিচকীলৈ আহি বসতি স্থাপন কৰে। ইছলাম চাহাবৰ আজো ককাকৰ নাম লেতেক। শালমাৰাঝাৰৰ পৰা যোৱা কাৰণে তেওঁ শালমৰীয়া বুঢ়া নামে পৰিচিত হৈছিল। বৰ্তমানেও সানোবা আৰু দুমুনিচকীৰ লগত বংশ দুটাৰ আদান প্ৰদান আছে। তেওঁলোক আছিল চৌধুৰী বংশৰ মানুহ। তেওঁলোক কোনোবা কাছাৰৰ কছাৰী ৰজাৰ প্ৰদত্ত চৌধুৰী উপাধিপ্ৰাপ্ত লোক আছিল

নিশ্চয়। সেইদৰে ভূএল, লস্কৰ, মজুমদাৰ আদিও পশ্চিমৰ পৰা ধাৰ কৰা উপাধি যাক কছাৰী ৰজাই প্ৰদান কৰিছিল। কাছাৰ, নগাঁৱৰ ঠাই বিশেষে বহু মুছলমান লোকে এই উপাধিবোৰ বংশানুক্ৰমিকভাৱে এতিয়াও ধৰি ৰাখিছে। মঙ্গলয়দ প্ৰজাতিৰ লক্ষণীয় চাপ গৌড় আৰু বৃহত্তৰ কামৰূপত সৌ তাহানিতে পৰিছিল। জাকে জাকে মঙ্গলয়দ মানুহে ইছলাম ধৰ্ম গ্ৰহণো কৰিছিল।

দলগাঁও হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক মাহতাব আলীৰ বংশধৰসকল পথৰুঘাটৰ নিকটৰ তৰাগাঁৱৰ পৰা উঠি গৈ দুমুনিচকীত থিতাপী লোৱা লোক। সেইদৰে মুছলিমঘোপা, খুজ্জেৰী, দুনীফালৰ পৰা মানুহ গৈয়ো দুমুনিচকীত বসতি স্থাপন কৰিছিল। প্ৰাক্তন ফুটবল খেলুৱৈ মৰহুম আলীৰ ককাক সোলকা মেনাৰ দেউতাক সাংচাৰিৰ পৰা ১৬৫ বছৰমান আগতে দুমুনিচকীলৈ অহা বুলি খুৰাক মজিবৰৰ ভাষ্যৰ পৰা জনা যায়। ডেকা চাহাব নামে খ্যাত ইউচুফ আলীৰ দেউতাক দিলচা সেখৰ পূৰ্বপুৰুষ উত্তৰ প্ৰদেশৰ পৰা উজাই আহি ১৭৫০ খৃঃ মানত গুৱাহাটীৰ ফাঁচি বজাৰত বসতি স্থাপন কৰিছিল যদিও হয়তো কেয়া মাৰোৱাৰী প্ৰকোপত তিষ্ঠিব নোৱাৰি পূৰ্বৰ ঠাই এৰি দুমুনিচকীত বসতি স্থাপন কৰিছিলহি। এই ভাষ্য ইউচুফ আলিৰ নাতি শিক্ষক আব্দুল চফিকৰ।

বৰ্তমান মঙ্গলদৈ নিবাসী অৱসৰপ্ৰাপ্ত স্বাস্থ্য বিষয়া সাহিত্যিক ডাঃ এম আবিদ আলিৰ শহুৰেকৰ দেউতাক হাইদিয়া সেখ দুমুনিচকীৰ পুৰণি বাসিন্দা হোৱা হেতুকে দ্বাদশ শতিকাৰ মধ্য ভাগত গৌড়ৰ পৰা মুছলিম ঘোপালৈ প্ৰব্ৰজিত দলৰ লোক ফালৰি কাটি দুমুনিচকীতে বৈ যোৱা বাসিন্দা বুলি অনুমান কৰাৰ থল থাকে। ডাঃ আলি চাহাবৰ শহুৰেকৰ নাম মজিবৰ ৰহমান। তেওঁৰ শহুৰেক আছিল গাঠি মুঞ্চি চাহাব। আকৌ মজিবৰ ৰহমানৰ জোঁৱাই খ্যাতনামা চিকিৎসক ডাঃ জাকিৰ হুছেইনৰ পিতৃ বাঁহগড়া নিবাসী চুফীবাদী মহিবুদ্দিন আহমেদ।

কৰৱা হাইস্কুলৰ প্ৰাক্তন শিক্ষক বিলাত আলিৰ আজো ককাক দাইনাপালি ধৰ্মান্তৰিত মুছলমান যেন লাগে। তেওঁ বোধহয় শুকনানী ওজাপালিৰ ওজা আছিল। অৱশ্যে সেই সময়তো মুছলমানৰ ওজা বহুতো আছিল। কৰিম আতৈ, পৰশু ওজা একোটাইঁত উদাহৰণ। এইটো অবিশ্বাস্যভাৱে সত্য যে বংশানুক্ৰমিকভাৱে বিস্তাৰিত মুছলমান বা প্ৰব্ৰজিত মুছলমানতৈক দৰঙত ধৰ্মান্তৰিত মুছলমানৰ সংখ্যা বেছি।

দৰং কোনো মুছলমান আক্রমণকাৰীয়ে আক্রমণ কৰা নাছিল। গতিকে মুছলমান যুদ্ধ বন্দীও প্রত্যক্ষভাবে দৰঙত বৈ যোৱা নাছিল। কিন্তু অন্য জিলাৰ পৰা বিভিন্নসূত্রে আহি যুদ্ধবন্দীসকলে দৰঙত সংস্থাপন লৈছিল। সেই যুদ্ধবন্দীসকলৰ অস্পৃশ্যহীন সমাজ ব্যবস্থাত মোহ গৈ আৰু পীৰ ফকীৰৰ একেশ্বৰবাদী আহ্বানত বহুতো মানুহে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। সেই প্রক্রিয়াৰ পৰা দুমুনিচকী বা তাৰ পাৰ্শ্ববৰ্তী গাঁও-ভূই সমূহত ধৰ্মান্তৰৰ এটা মৌন জোৱাৰ উঠিছিল। সেই সময়ত হিন্দুধৰ্মলৈ জাত-পাতৰ অস্পৃশ্যতাই শিথিলতা আনিছিল।

"Hindu society looked askance at released prisoners of war and they often had no option but to the Muslim fold." (The Indian Heritage by prof. Humayun Kabir)

মানৰ অসম আক্রমণ অসমৰ বাবে এটা কলা অধ্যায়। ১৮১৬ খৃঃৰ পৰা ১৮২৬ খৃঃলৈ মানে অসমত যি বৰ্বৰ অত্যাচাৰ চলাইছিল সেই অত্যাচাৰত অসমীয়াৰ চোতাল দিনতে আন্ধাৰ হৈছিল। অসম হৈ পৰিছিল এখন জীয়া শ্মশান। কিন্তু মানৰ সেই অত্যাচাৰৰ পৰা দৰঙৰ কোচ ৰজা বিজয় নাৰায়ণ সিংহই বৈবাহিক সূত্রে দৰঙক ৰক্ষা কৰিছিল। শান্তিৰে টোপনি মাৰিছিল দৰঙী প্ৰজাই। সেই শান্তিৰ ঠাই দৰঙলৈ ধাবিত হৈছিল অত্যাচাৰত পীড়িত জনতা হিন্দু মুছলমান সমন্বিতে। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ কামৰূপৰ পূবৰ দৰঙলৈ সেই পীড়িত লোক আহি সাতশলী, বৰদলগুৰি, সানোৱা, খলিহৈ, দোকানপাৰা, দুমুনিচকী আদিত আশ্রয় লৈছিল। কিন্তু ওভতি নগৈছিল। দুমুনিচকীৰ জুমান কাণিয়াৰ পুতেকৰ নাম আছিল মান। মান ভগনীয়াৰ প্ৰতিচ্ছবিৰে হয়তো তেওঁৰ নাম ৰাখিছিল মান।

দুমুনিচকী গাঁৱৰ দক্ষিণতে মাৰুৱাচকী গাঁও। এটা মুদ্রাৰ ইপিঠি সিপিঠি। মাৰুৱাচকী আৰু দুমুনিচকীক আমি এখন গাঁও হিচাপে ধৰি লৈয়ে এই আলোচনা আগবঢ়াই নিছোঁ। ইয়াৰ বহুলোকে মানৰ আক্রমণত ব্ৰহ্মপুত্ৰ পাৰহৈ নতুবা কামৰূপৰ পৰা ভগনীয়া স্বৰূপে আহি বসতি স্থাপন কৰালোক হ'ব পাৰে। ইয়ালৈ আহিছিল কামৰূপৰ বৰভাগৰ বা গোগ আদিৰ বহু মানুহ। সেই মানুহখিনিক এতিয়াও বৰভগীয়া বুলি কয়।[১]

---

১ : দুমুনীচকীৰ বৃত্তান্ত নবাব নুৰুল ইছলামৰ পৰা সংগ্ৰহ কৰা হৈছে।

বাঁহগড়া — দুমুনিচকীৰ কুৰুৱা গড়কাপ্তানী পথেৰে কিছুদুৰ গৈ পলিহেৰ পৰা এক কিঃ মিঃ মান পশ্চিমে অৱস্থিত ঐতিহাসিক বাজনা পথাৰ। আহোম বুৰঞ্জী মতে বিখ্যাত শৰাইঘাট যুদ্ধক্ষেত্ৰ অকল শৰাইঘাটতে সীমাবদ্ধ নাছিল। মোগল সেনাপতি ৰামসিংহক ভেটা দিবলৈ আহোম কোঁচ মিলিত শক্তিৰে বাঁহ গড়াত বাঁহেৰে এটা গড় বান্ধিছিল। এই বিশাল গড়টোৱেই বাহগড়া খলিহৈ, বাজনা পথাৰ আদি কৰি এক বৃহৎ অঞ্চল সাঙুৰি লৈছিল। বাজনা পথাৰতেই হেনো প্ৰথম যুদ্ধৰ বাজনা বাজিছিল। তাৰ পৰাই পথাৰখনে নাম পায় বাজনা পথাৰ।

এই গড়টো যোগীগোপাত ১৬৬২ খৃঃৰ ৪ জানুৱাৰী তাৰিখে মোগল সেনাপতি মীৰ জুমলাক প্ৰতিহত কৰবলৈ আহোমে সজা গড়ৰ আৰ্হিৰ। ফাতিয়ায়ে-ই-ইব্ৰাহীৰ লেখকে যোগীঘোপাৰ দূৰ্গৰ বিষয় বিৱৰণ দাঙি ধৰিছে— ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত ই এটা ওখ আৰু ডাঙৰ দুৰ্গ। ইয়াতে শত্ৰুৰে গাত খান্দি তাত বাঁহৰ জোং খুমুৱাই থৈছিল যাতে মুছলমানৰ ঘোঁৰাবোৰ আহিলেই তাত পৰি মৰি থাকে। এনে ধৰণৰ গাঁত বিলাকৰ পৰা এটা গুলিৰ দূৰত্বত সমতল ভূমিত এটা ডাঙৰ খাৱৈ খান্দি ৰাখিছিল। তাৰ তিনি গজ দূৰে দূৰে আছিল অনেক খাৱৈ। গভীৰতা তিনি গজকৈ। ইয়াতো পোতা হৈছিল বাহৰ চোকা জোং। যাতে শত্ৰু খাৱৈত পৰি জোঙৰ বিন্ধাত আত্মজাহ যাব পাৰে। সেই সদৃশে আহোম ৰজাই শৰাইঘাটৰ গড়ক শত্ৰুৰ পৰা সুৰক্ষিত ৰাখিবলৈ বাঁহগড়াকে ভিতৰ কৰি আশে পাশে যোগীঘোপাৰ আৰ্হিত গড়টো সজাইছিল।[১] এই বাঁহগড়া গড়তেই শৰাইঘাটৰ যুদ্ধৰ প্ৰথমটো হিলৈ ফুটিছিল ১৬৬৯ খৃঃৰ জুন মাহত। মোগল সেনাপতি ৰামসিংহৰ চাৰি সহকাৰী সেনাপতি বাহলুল খান, প্ৰাণ নাৰায়ণ, কবি সেখৰ বৰুৱা আৰু ৰাজা সুৰ সিংহৰ নেতৃত্বত অহা বিৰাট অশ্বাৰোহী আৰু পদাতিক সৈন্যক এই বাঁহগড়াতেই দুই পাহাৰৰ মাজৰ ঠেক গিৰিপথত অসমীয়া সেনাই আক্ৰমণ কৰি পৰাভূত কৰ। তেতিয়াৰ পৰা বাঁহগড়া গড় বুৰঞ্জী খ্যাত হয়। বাঁহগড়া বাসিন্দাসকল আছিল হীৰা সম্প্ৰদায়ৰ। শৰাইঘাটৰ যুদ্ধ বন্দী সৈন্য কিছুমানক দৰঙী ৰজাই তাতেই সংস্থাপতি কৰিছিল। হীৰা মানুহ বহুতেই ধৰ্মান্তৰিত হৈ ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল।

---

১ : অসম বুৰঞ্জী ঃ চাৰ এড্‌ওৱাৰ্ড গেইটঃ পৃঃ ১১২

টোকা ঃ ৰূপালী জয়ন্তী উদ্‌যাপন সমিতি ২০০৬-০৭ ৰ দৰং দুৱাৰ ক্লাবৰ স্মৃতি গ্ৰন্থত উক্ত লেখাটো প্ৰকাশ পাইছে।

এই বাঁহগড়া ৰণৰ পৰিচালন সেনাপতি আছিল হেনো মহিবুদ্দিন আহমেদ চাহাবৰ পূৰ্বপুৰুষ এগৰাকী। স্থানীয় ৰাইজে এই যুদ্ধখনক নাম দিছিল ৰৰধূমা বা ডাঙৰ যুদ্ধ। সেনাপতিৰ বংশটোক আজিও ৰৰধূমা বংশ বুলি কয়। অসমৰ বিভিন্ন ঠাই পৰিভ্ৰমণ কৰি এই বাঁহগড়াতেই উপস্থিত হৈছিলহি হজৰত ৰহমান আলী শ্বাহ চফৰী আধ্যাত্মিক জ্ঞানৰ এজন বিদগ্ধ ফকীৰ। ইছলাম ধৰ্মৰ উপৰিও তেওঁৰ আছিল হিন্দু, খৃষ্টান, বৌদ্ধ, জৈন, ইহুদি ধৰ্মৰ ওপৰত সমান বুৎপত্তি আৰু সম্মান। চফৰী বংশ বা পন্থীয়ে সকলো ধৰ্ম আৰু দৰ্শনক অন্তদৃষ্টিৰে চায় আৰু সম জ্ঞান কৰে। এই মতধাৰী গুৰু হজৰত ছুফি আলি শ্বাহ চফৰীৰ শিষ্য আছিল এই হজৰত ৰহমান আলী শ্বাহ চফৰী। এইজনা গুৰুৰে শিষ্য চফৰী মতধাৰী মহিবুদ্দিন আহমেদ চাহাব যিজনক গুৰুৱে আধ্যাত্মিক নাম দিছিল মুৰ্তাজা আলী শ্বাহ চফৰী যিজনাৰ জন্ম হৈছিল বাঁহগড়াত। তেওঁৰে পুত্ৰ ডাঃ জাকিৰ হুছেইন, আধ্যাত্মিক আৰু সাহিত্যিক নাম ইৰফান চফৰী।[১]

দামপুৰ — দুমুনীচকীৰ দক্ষিণত গনেশ কুৱৰীৰ নিকটত দামপুৰ এখন মুছলমান বসতি প্ৰধান গাঁও। এই গাঁৱৰ পূৰ্বৰ বাসিন্দা সকল কামৰূপ জিলাৰ হাজোৰ ওচৰৰ একে নামৰ দামপুৰ গাঁৱৰ পৰা উঠি অহা লোক। পূৰ্বৰ বাসস্থান দামপুৰ গাঁৱৰ সাদৃশ্য ৰক্ষা কৰি এই গাঁওখনৰো নাম দামপুৰ ৰাখে।

শান্তিপুখুৰী — শান্তিপুখুৰী এটা পুৰণি নাম যদিও জনমানসলৈ আহে শান্তিপুখুৰী নামেৰে এখন এম্ ই মাদ্ৰাছা স্থাপনৰ পৰাহে। এইখন এম্ ই মাদ্ৰাছা স্থাপন কৰা হৈছিল ১৯৬৪/৬৫ চন মানত। মানুহে ঠাইখনক কটাহী নামেৰেহে জানে। চাৰলৈ গ'লে কালপানী নদীৰ উত্তৰত কটাহী নামৰ হিন্দু বসতি প্ৰধান চুবা এটাহে আছে। দিপীলা খৈৰাবাৰী পথৰ দাঁতিত কটৰা, শান্তিপুখুৰী, অলপ উত্তৰলৈ বাহমোল্লা সমন্বিতে শান্তিপুখুৰী এখন বৃহৎ মুছলমান প্ৰধান অঞ্চল। ঘাই পথৰ পৰা কিছু পশ্চিমত অতীতত এটা ডাঙৰ পুখুৰী আছিল। পাৰত আছিল ডাঙৰ ডাঙৰ আমলখি গছ। কিম্বদন্তী মতে এজন ফকীৰে নানা ঠাই ঘূৰি আহি দুপৰীয়া সময়ত পুখুৰীটোৰ পাৰত থকা আমলখি গছৰ তলত জিৰণি লৈ গছৰপৰা আমলখি পাৰি খাই পুখুৰীৰ পৰা পানী খালে। ফকীৰে পানী খাই বৰ শান্তি পালে। তেতিয়াই ফকীৰে পুখুৰীটোৰ লগতে ঠাইখনৰ নাম দিলে শান্তিপুখুৰী।

১: স্বৰ্গজ্যোতি : ইৰফান চফৰী : পৃঃ ১২-১৪

শান্তিপুখুৰী গাঁৱৰ আদি বাসিন্দা সকল কামৰূপৰ জালাহ, বৰভাগ আৰু দৰঙৰ তৰাগাঁও, বালিপাৰা আদি গাঁৱৰপৰা যোৱা মানুহ। খাইৰুল্লা মহৰীৰ দেউতাকৰ বংশটো তৰাগাঁৱৰ পৰা যোৱা।

চৈয়দ আব্দুল মালিক নামৰ এজন মৌলবী আহি ভূটানৰ পাদদেশ ডিমাকুছীৰ কানিখোলাত আছিলহি। তেওঁ কালিখলীয়া মৌলবী নামেৰেই জনাজাত হৈছিল। তেৰেঁই শান্তিপুখুৰীলৈ আহি তাত শান্তিপুখুৰী হাই মাদ্রাছা স্থাপন কৰে। পাছত মানুহৰ ৰোষত পৰি শালিকাঝাৰৰ দক্ষিণত খালেকঝাৰলৈ যায়। আৰু সেই ঠাইতো 'খালেকঝাৰ হাই মাদ্রাছা' প্ৰতিষ্ঠা কৰে। কামৰূপৰ ৰঙিয়া ৰেল জংচনৰ ওচৰত তেওঁৰ মৃত্যু হয়। বৰ্ত্তমান তেওঁৰ কবৰক মানুহে মাজাৰ স্বীকৃতি দিছে।

মৌলবী চেকেণ্ডাৰ আলি ছিলেটৰ পৰা আহি শান্তিপুখুৰীত বসতি স্থাপন কৰিছিল। তেওঁৰ বংশধৰ এতিয়াও আছে। ঘাইপথৰ দাঁতিত দৰঙী ৰজা দিনীয়া গঙ্গা পুখুৰী অৱস্থিত।

এই গাঁৱৰে বাসিন্দা মৌলবী ৰহমত উল্লাহ আছিল এজন সমাজ সেৱক। ৬০ৰ দশকত তেওঁ মঙ্গলদৈ কৃষক সন্থাৰ সভাপতি আছিল। তেওঁৰেই নেতৃত্বত কৃষকসকলে আন্দোলন কৰি ব্ৰহ্মপুত্ৰৰ চৰ অঞ্চল চাউলখোৱা চাপৰি বেদখল মুক্ত কৰিছিল।

শিঙিমাৰী — দুমুনিচকী আৰু খান্দাজানৰ মাজতে ৫২নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত শিঙিমাৰী গাঁও। নগাঁৱৰ কলিয়াবৰৰ উচ্চ কুলৰ বুৰঞ্জী প্ৰসিদ্ধ লাইধন খাঁৰ অষ্টম পুৰুষৰ বংশধৰ হুকুৎথুম মানৰ আক্ৰমৰ সময়ত দৰঙলৈ আহি কিছুদিন মাঁৰৈত থাকি শিঙিমাৰী গাঁৱলৈ গৈ বসতি স্থাপন কৰিছিল। ইতিমধ্যে তাত শৰাইঘাটৰ যুদ্ধত ৰৈ যোৱা মোগলসৈন্য কেইজনমানে বসতি স্থাপন কৰিছিল। পীৰ, দৰবেশ সকলৰ একেশ্বৰবাদ বাণীত মুগ্ধ হৈ কিছু সংখ্যক মানুহ ধৰ্মান্তৰিত হৈ ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। এনেকৈয়ে শিঙিমাৰী, হেতেমতোলা, মুছলমান বসতি প্ৰধান গাঁৱত পৰিণত হৈছিল।

হুকুৎথুম চাহেবৰ ৩য় পুৰুষত জন্ম হৈছিল প্ৰথিতযশা সাহিত্যিক যিগৰাকী আছিল একেধাৰে কবি, উপন্যাসিক, শিশু-সাহিত্যিক আৰু পাঠ্যপুথি প্ৰণেতা শিক্ষাবিদ এম ইব্ৰাহীম আলি চাহেবৰ। (১৯ শতিকালৈ অসমৰ মুছলমান সাহিত্যিক আৰু জনহিতৈষী ব্যক্তি অধ্যায় দ্ৰষ্টব্য) শিঙিমাৰীত অতীতত মোকামঘৰ নাছিল যদিও

এভোখৰ ওখ ঠাইত আহেলী প্ৰথাৰে ধৰ্মীয় নীতি নিয়ম পালিছিল বুলি নাজিকদ্দিন আহমেদে জানিবলৈ দিয়ে।

ইছলামপুৰ — মঙ্গলদৈ চহৰৰ উত্তৰ-পশ্চিম কোণত ইছলামপুৰ এখন মুছলমান বসতি প্ৰধান ঠাই। আগতে এই ঠাইখনৰ নাম মৰিয়া সম্প্ৰদায় মুছলমান মানুহৰ বসতিস্থান আছিল কাৰণে মৰিয়াপট্টি নামে জনা গৈছিল। পাছলৈ মহকুমা আৰু জিলাৰ সদৰ মঙ্গলদৈ লৈ চাকৰি সূত্ৰে আহি অইন মুছলমানলোকেও বসতি স্থাপন কৰিবলৈ লোৱাত ঠাইখন ইছলামপুৰ নামেৰে নামাকৰণ কৰা হয়। বৰ্ত্তমান ইছলামপুৰ মঙ্গলদৈ চহৰৰ অন্তৰ্গত।

আহোম স্বৰ্গদেউ — প্ৰতাপ সিংহৰ দিনত মোমাই তামুলী বৰবৰুৱাই অসমৰ গাঁও-ভূই চহৰ নগৰত বৰ্ণ বৈষম্য দূৰিভূত কৰিবৰ কাৰণে গাঁওবোৰ নকৈ সংগঠন কৰিছিল। ব্ৰাহ্মণ ২ ঘৰ, গৰীয়া ২ঘৰ, মৰীয়া ২ঘৰ আদি কৰি প্ৰায় ১৪টা সম্প্ৰদায়ৰ প্ৰত্যেকৰে ২ ঘৰকৈ মানুহ একো একোখন গাঁৱত বহুৱাইছিল। সেই ক্ৰমেৰে মঙ্গলদৈৰ উত্তৰ-পশ্চিম দিশতো বহুৱাইছিল। উক্ত অঞ্চলটোত, গৰিয়া, মৰিয়া ব্ৰাহ্মণ, কলিতা, বণিয়া ইত্যাদি মানুহৰ ওচৰা-ওচৰি বসতি মন কৰিবলগীয়া। যিখিনি ঠাইত মৰীয়া মানুহ বহুৱাইছিল সেইখিনি ঠায়ে মৰিয়াপট্টি নাম পাইছিল। সপ্তদশ শতিকাৰ শেষ ভাগত ইছলামপুৰ (মৰিয়াপট্টিত)ত মঙ্গলদৈ চহৰৰ দ্বিতীয়টো মছজিদ নিৰ্মাণ কৰিছিল। দৰৱৰ্ত্তী বজাই মৰীয়া সম্প্ৰদায়ৰ মানুহক বন্দুক আদি নিৰ্মাণ কাৰ্যত নিয়োগ কৰিছিল।

কালিয়াপাৰা — মঙ্গলদৈ চহৰৰ পৰা প্ৰায় ৫ কি.মি. পশ্চিমে আউলাচৌকাৰ উত্তৰে মেকেঞ্জি ৰোডৰ দুয়োকাষে এই গাঁও অৱস্থিত। প্ৰথমতে কালিয়াপাৰা গাঁৱ হিন্দু প্ৰধান আছিল। এই ঠাইত বসতি কৰা লোকে কালি (এবিধ বাদ্য) বজাই প্ৰসিদ্ধি লাভ কৰিছিল। কালি বজোৱাত ওস্তাদ আছিল কাৰণেই ঠাইখনৰ নাম কালিয়াপাৰা হৈছিল। দৰৱৰ্ত্তী বজাঘৰৰ বিয়া সবাহতো কালিয়াপাৰাৰ কালিবাদকে কালি, যোৰকালি বজোৱাতো প্ৰচলিত পৰম্পৰা আছিল। দ্বাদশ শতিকাৰ শেষৰ ফালে নকৈ প্ৰসাৰিত ইছলাম ধৰ্মৰ প্ৰভাৱত আৰু পীৰ, ফকীৰ, চুফী সাধক আদিৰ একেশ্বৰবাদৰ সান্নিধ্যলৈ আহি বহুলোক ধৰ্মান্তৰিত হয়। পাছলৈ ই এখন মুছলমান প্ৰধান গাঁও হৈ পৰে। অবিভক্ত নগাঁও বৰলুইতৰ কাষৰ বহু মুছলমানলোক আহি

ইয়াতে বসতি স্থাপন কৰি স্থানীয় হৈ পৰে। ঠেকেৰাবাৰী আৰু আঠিয়াবাৰী মানুহৰ লগত এওঁলোকৰ পূৰ্বসুৰী এটা সম্বন্ধ এতিয়াও আছে।

মাৰৈ — ছিপাঝাৰৰ দক্ষিণে প্ৰায় ১-½-কি.মি. দূৰত ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথৰ দুয়ো দাঁতিত মাৰৈ এখন হিন্দু আৰু মুছলমান ধৰ্মী লোকৰ ঘন বসতিপূৰ্ণ গাঁও। এসময়ত এই গাঁও সমূলি হিন্দু প্ৰধান আছিল। মৃৎশিল্পী বৃত্তিধাৰী কুমাৰ মানুহৰ সংখ্যাই আছিল অধিক। বাসিন্দা সকলে মাৰৈ পূজা কৰিছিল। সেই কাৰণে এই গাঁৱৰ নাম মাৰৈ হোৱা বুলি কয়। পাছত মুছলিমঘোৰা, বৰকলীয়াঝাৰ, সানোৱাকে আদি কৰি ওচৰৰ গাঁও-ভূইবোৰত মুছলমান বসতি গঢ়ি উঠাত মাৰৈ গাঁৱৰ বহুতো মানুহে ধৰ্মান্তৰিত হৈ মুছলমান ধৰ্ম গ্ৰহণ কৰে। মুছলমান হলেও বহু দিনলৈ মাৰৈ গীতৰ প্ৰচলন চলি আছিল। মুছলমানৰ ভিতৰতে ঢুলীয়া, কালীয়া দেউৰী, ওজা-পালি পৰ্যন্ত আছিল। মাৰৈৰ পৰশু ওজা সৰ্বজন স্বীকৃত হৈছিল। হিন্দুৰ বিবাহ-সবাহলৈয়ো পৰশু ওজাৰ দল নিমন্ত্ৰিত হৈছিল। মাৰৈৰ বৰ ওজাৰ বংশধৰ সকল আজিও বিদ্যমান।

মঙ্গলদৈ মহকুমাৰ হাজৰিকাপাৰা অঞ্চলতো মুছলমান ওজা আছিল। বিয়াহ গোৱা ওজাপালি নৃত্যত ওজায়ো চৌগা চাপকণ আৰু জামা পিন্ধিছিল। কৰিম আতৈ মাৰৈ গীত গোৱা তেনে এজন প্ৰসিদ্ধ ওজা আছিল। মাৰৈ গাঁৱৰ দুই এঘৰ মুছলমানৰ ঘৰত মাৰৈ পূজাৰ পুথি পাঁজি আৰু বলিকটা দাকে ভিতৰ কৰি থান এতিয়াও সংৰক্ষিত হৈ আছে।

শিৱসাগৰৰ পৰা মান ভগনীয়া পৰিয়াল এটাও আহি মাৰৈত বসতি স্থাপন কৰিছিল। উৎপল, ভোগো, পূৰণ চৌধুৰী, কাদিৰ বক্স চৌধুৰী আৰু ইছলামুদ্দিনৰ আপোন সকলেৰে হৈছে পূৰ্বৰ আহোম খিতাপধাৰী চৌধুৰীচুবা। এওঁলোক শিৱসাগৰ জিলাৰ পূৰ্ব বাসিন্দা।

বৰদ'লগুৰি — বৰদলগুৰিৰ পুৰণি নাম বৰাবাৰী। মঙ্গলদৈ চহৰৰ পৰা ৫২ নং ৰাষ্ট্ৰীয় ঘাই পথেৰে ১৪ কিঃমিঃ পশ্চিমে ছিপাঝাৰ নৌপাওঁতেই ই এখন উন্নত গাঁও। মাটিগিৰী ভূএগ ধৰ্মদেৱ মহন্তই এই গাঁৱতে মাটিৰে বৰদ'ল (মাটিৰে তৈয়াৰি বৰ ভিঠা) এটা বান্ধি বহাগ মাহত দৰঙত দৌলোৎসৱৰ পাতনি মেলে। এই দৌলোৎসৱ দুদিনীয়াকৈ উদ্‌যাপিত হৈছিল। গীত-মাত ভাওনাৰে অৰণ্যভূমি নন্দন কাননৰ দৰে আনন্দমুখৰ হৈছিল। সৰ্বভাৰতীয় পণ্ডিতৰূপে খ্যাতি অৰ্জন

কৰা 'শিয়াল বৈষ্ণৱ' সম্বৎসৰ ভূঞাৰ পিতৃ আছিল ধৰ্মদেৱ মহন্ত। তেৱেঁই পানীৰ হাহাকাৰ গুচাবলৈ মঙ্গলদৈ চহৰৰ পৰা ১১ কি.মি. পশ্চিমত ডাঁহী মৌজাৰ অন্তৰ্গত মঙ্গলদৈ খৈৰাবাৰী গড়কাপ্তানী পথৰ কাষত বৰ্ত্তমান দিঘীৰ পাৰত ১০১ বিঘা মাটি কালিৰ দীঘি পুখুৰী খন্দাইছিল।

ধৰ্মদেৱ মহন্তই বৰাবাৰীত বৰদল বন্ধাৰ পৰা ঠাইখনৰ নাম বৰদ'ল গুৰি হয়। "চতুৰ্দশ শতিকাৰ শেষৰ ফালে হৰিবৰ বিপ্ৰৰ বৰপুত্ৰ ধৰ্মাই বা ধৰ্মদত্ত ভূঞা হিন্দুঘোপা অঞ্চলৰ প্ৰখ্যাত বিপ্ৰ ভূঞাৰূপে খ্যাতিমান হৈ উঠে।" — (দৰঙৰ ঠাই নামৰ ইতিবৃত্ত (১ম খণ্ড)

এই তথ্যৰ পৰা চতুৰ্দশ শতিকালৈকে বৰাবাৰী তথা বৰদলগুৰিত মুছলমান মানুহৰ বসতি যে নাছিল সেইটো সহজেই অনুমেয়। পৰৱৰ্ত্তী কালত মুছলিমঘোপা আৰু সানোবাৰ এই গাঁৱৰ মাজেৰে যাতায়তৰ যোগসূত্ৰ ঘটাত বৰদলগুৰিৰ মানুহ ইছলাম ধৰ্মৰ সান্নিধ্যলৈ আহে। জাতি-বৰ্ণভেদ প্ৰথাত নিমজ্জিত মানুহখিনিয়ে ইছলাম ধৰ্মৰ উদৰতাৰ প্ৰতি আকৃষ্ট হৈ একাংশ মানুহ ধৰ্মান্তৰ হ'ব পাৰে। অবিভক্ত নগাওঁ জিলাৰ মায়াং অঞ্চলৰ পৰাও হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ বহুতো পৰিয়ালি ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ পৰা পৰিত্ৰাণ পাবলৈ আৰু মানৰ বৰ্বৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ ব্ৰহ্মপুত্ৰ পাৰহৈ বৰদলগুৰি অঞ্চলত থিতাপি লয়হি। সেইবোৰ মানুহ ঘূৰি নগৈ বৰদলগুৰিৰে বাসিন্দা হয়। এই গাঁৱৰ দক্ষিণ-পূব অংশ যিখিনিক পকাবাঙী নামে জনা যায় তাৰ বাসিন্দাসকল বৰ্ত্তমানৰ মায়াং অঞ্চলৰ লোক। মৌলবী আফাজুদ্দিন আহমেদৰ পূৰ্বপুৰুষ সেই অঞ্চলৰ পূৰ্বসূৰী।

সাতশলী— সেই একে পক্ৰিয়াৰে গঢ়ি উঠিছিল সাতশলী গাঁও। মুছলিমঘোপাৰ পৰাও কেইটামান পৰিয়াল গৈ সাতশলীত বসতি স্থাপন কৰিছিল। বৰ্ত্তমান মঙ্গলদৈ চহৰৰ নিবাসী সাতশলী গাঁৱৰ বাসিন্দা উদ্যোগ বিভাগৰ বিষয়া (অৱসৰ প্ৰাপ্ত)তমজিদ আলিৰ পূৰ্ববংশ মুছলিমঘোপাৰ পৰা গৈ সাতশলীত নিগাজীকৈ থকা লোক। দুমুনীচকীৰ পৰাও কেইটামান পৰিয়াল আহি সাতশলীৰে বাসিন্দা হৈছিল। কিছু সংখ্যক লোক অবিভক্ত নগাঁও জিলাৰ পৰা মানৰ আক্ৰমণৰ সময়তে হওঁক নতুবা গৰাখহনীয়াৰ পৰা পৰিত্ৰাণ পাবলৈ আহি ইয়াৰে স্থায়ী বাসিন্দা হৈছিল।

বেছিমাৰী — মঙ্গলদৈ চহৰৰ পৰা উত্তৰ-পশ্চিম দিশত ১২/১৩ কি.মি. নিলগত বেছিমাৰী গাঁও অৱস্থিত। সৰু হলেও ই এখন প্ৰাচীন গাঁও। শৰাইঘাট যুদ্ধত বন্দী হোৱা মোগল সৈন্য কিছুমানক কোচ ৰজা চন্দ্ৰনাৰায়ণে লৈ আহি তাৰে কিছু সংখ্যক বন্দী সৈন্যক ইয়াতে সংস্থাপন দিয়া বুলি বহুতে ঠাৱৰ কৰে। অৱশ্যে এইটোও প্ৰণিধানযোগ্য যে বন্দী মোগল সৈন্যসকল অকল মুছলমানেই নাছিল, তাত মোগল বাহিনীৰ হিন্দু সৈন্যও আছিল। তদুপৰি আহোমৰ সৈন্যও বন্দী হৈছিল। সন্ধিসূত্ৰে মোগলে বন্দী আহোম সৈন্যক আহোম ৰাজক অৰ্পণ কৰিছিল। কোচ ৰজা চন্দ্ৰনাৰায়ণে সকলো শ্ৰেণীৰ কিছু সংখ্যক বন্দী সৈন্য দৰঙলৈ লৈ আহিছিল। বেছিমাৰীত হয়তো মুছলমান সম্প্ৰদায়ৰ বন্দী সৈন্যক সংস্থাপিত কৰিছিল আৰু ওচৰে-পাজৰে সংস্থাপিত কৰিছিল অন্য সম্প্ৰদায়ৰ বন্দী সৈন্যক। ওচৰতে থকা ফুকন উপাধিধাৰী ব্যক্তিয়ে সেই ইংগিতকে বহন কৰে।

দলগাঁও — ত্ৰয়োদশ শতিকাত ভূঞাসকলৰ শাসন কালত বৰ্ত্তমানৰ দলগাঁৱত বহু কেইটা 'দেউল' বা দৌল সজোৱাসূত্ৰে পৰৱৰ্ত্তী কালত দলগাঁও নামটো হয় বুলি জনশ্ৰুতি আছে। মঙ্গলদৈ চহৰৰ পৰা প্ৰায় ২১ কি.মি. পূৱত ৫২নং ৰাষ্ট্ৰীয় ঘাই পথৰ দাঁতিত দলগাঁও অৱস্থিত। ইয়াৰ পূৰণি নাম গাছ-পোতা।[১]

দলগাঁওৰ নিকটত বিস্তীৰ্ণ চৰ অঞ্চল। প্ৰধানতঃ এই চৰবোৰ অভিবাসী মুছলমানৰদ্বাৰা অধ্যুষিত। মূল ঠাইখনত বঙালী হিন্দু মানুহো আছে। ঠাইখন অভিবাসী মুছলমানৰ খুচুৰা ব্যৱসায়িক কেন্দ্ৰ। শাক-পাচলী, গাখীৰ আদি উভৈয়নদীকৈ কম মূল্যতে পোৱাৰ কাৰণে আৰু যাতায়তৰ সুচল থকাৰ কাৰণে প্ৰধানত ঃ ছিপাঝাৰ অঞ্চলৰ পৰা চাকৰিজীৱী মানুহ গৈ দলগাঁৱত বসতি স্থাপন কৰে। বিভিন্ন মৌজাৰ মৌজাদাৰ সকলেও ঠাইখন কেন্দ্ৰ বিন্দু হোৱাৰ কাৰণে তাতে বসতি কৰিবলৈ লয়। এনেকৈয়ে দলগাঁৱত হিন্দু-মুছলমান আৰু অসমীয়া বঙালীৰ মিশ্ৰিত আঢ্যৱন্ত গাঁও এখন গঢ়ি উঠে। বৰ্ত্তমান দলগাঁও চহৰমুখী এখন উন্নত গাঁও। এই গাঁৱৰ কেইটামান পৰিয়াল অবিভক্ত নগাঁও আৰু যোৰহাট জিলাৰ পূৰ্ব বাসিন্দা। যদিও মৌজাদাৰসকল দৰঙৰ পশ্চিমাঞ্চলৰ লোক মৌজাৰ খাতিৰত বসবাস কৰি দলগাঁৱৰে বাসিন্দা হৈ পৰে।

---

১ : দৰঙৰ ইতিহাস ঃ দৰং জিলা সাহিত্য সভাঃ পৃঃ ২৬৭

ঠেকেৰাবাৰী — ঠেকেৰাবাৰী হিন্দু-মুছলমানৰ এখন সহ অৱস্থানৰ গাঁও। এই গাঁৱৰ নামকৰণ সম্পৰ্কে এখন মধুৰ পদ্য পুথি ৰচনা কৰিছে শ্ৰী ৰমাকান্ত শৰ্মাই—

"পূৰ্ব্বে হেনো ই ঠাইৰ নাম ঠাই কাৰা বাৰি।
বৃটিশ চাহাবে দিলে নাম ঠাকুৰবাৰী কৰি।।
এবে নাম সৰু ঠেকেৰাবাৰী-সৰু ঠেকেৰা নাপাব বিচাৰি।
ভাঙুৰী দাৰিয়া সৰু ভাই যেন অনুমান কৰি।।
উত্তৰে কুইয়াপানী বইনাওঝা দক্ষিণে মানৈঘাত ৰঙামাটি।
পূবে পুণিয়া পশ্চিমে নগাঁও দলৰ পথাৰত কৰোঁ খেতি।।

• • •

"পুতলা-ভাউৰীয়া, নাম-সংকীৰ্ত্তন আৰু কৃষ্টি ঢুলীয়া।
মুছলমানপাৰাতো আছিল কালিয়া।"

হিন্দু সম্প্ৰদায়ৰ লগতে এই গাঁওতেই সহ অৱস্থান কৰি মুছলমান সম্প্ৰদায়ৰ লোকো আছে ভ্ৰাতৃত্বৰ এনাজৰী গাঁঠি। মুছলমান চুবাটোৰ মানুহ অতীতত দুটা ভিন্ন সুঁতিৰে আহি তাৰ বাসিন্দা হৈছিল। ইছমত আলি (শিক্ষক)ৰ উপৰিপুৰুষ ব্ৰহ্মপুত্ৰ নদৰ সিপাৰৰ দৰং জিলাৰে অন্তৰ্গত কিন্তু অবিভক্ত নগাঁও জিলাৰ মায়াঙৰ নিকটতে থকা কটহগুৰি অঞ্চলৰ পৰা গৰাখহনীয়া আৰু বানপানীত তিষ্ঠিব নোৱাৰি ঠেকেৰাবাৰীলৈ উঠি অহা লোক। চাদমণি সেখ গাঁওবুঢ়া আৰু পেচালি ওৰফে ইয়াচিন আলিৰ পূৰ্ব বংশধৰসকল মোগলীয় সৈন্যৰ বংশসম্ভূত। ধনো সেখ চিকাৰী, হৰমুজ আলিৰ বংশ ধৰ্মান্তৰিত থলুৱা মুছলমান। কটাহগুৰিৰ পৰা অহা পৰিয়াল কেইটাও সেই ঠাইত ধৰ্মান্তৰিত লোক। ঠেকেৰাবাৰীত মুছলমান কালিবাদকো আছিল।

আঠিয়াবাৰী — এই গাঁও বৰ আঠিয়াবাৰী আৰু চোট আঠিয়াবাৰী নামেৰে দুখন গাঁৱত বিভক্ত মুছলমান বসতিপূৰ্ণ গাঁও। কালিয়াপাৰাৰ লগত এই গাঁওৰ ওচৰ সম্বন্ধ আছে। অধিক সংখ্যক মানুহেই ধৰ্মান্তৰিত মুছলমান। দুই এটা মোগলীয় সৈন্যৰ বংশও থাকিব পাৰে। পৰিবৰ্ত্তন আৰু পৰিবৰ্দ্ধনৰ লগত সেইসকলৰ সংমিশ্ৰণ ঘটাত অতীত পৰিচয় হেৰাই গৈছে।

দৰঙৰ অন্যান্য মুছলমান গাঁওসমূহ

বৰিগাঁও পাৰিয়াপাৰা ভোলাবাৰী আমগুৰি ৰহমপুৰ বোকোৰাঝাৰ ৰণথলী খিলাকুৰি দিপা, কাউৰপৰি	এই গাঁওসমূহৰ বাসিন্দাসকল প্ৰথমতে পাম ধৰিবলৈ গৈ স্থায়ী হোৱা মুছলিমঘোপা গাঁৱৰ বংশ ধৰ।
দোজোৰা	
নিজডলা ডেকাৰগাঁও	মুছলমিঘোপা আৰু খুজেৰীৰ বংশধৰ। অধিক সংখ্যক মানুহ মাথে দোকানপাৰা গাঁৱৰ বংশধৰ।
জজীয়া আমচকলি বগা চলা কেন্দুগুৰি ছচেইন চুবুৰী	তুৰাই, খুজেৰী, দোকানপাৰা, বালিপাৰা আদি গাঁৱৰ বংশধৰ।
মেদা	ৰৰকলীয়াঝাৰ, ৰৰকুমাৰপাৰা অঞ্চলৰ বংশধৰ
গৰাপৰি	এই গাঁওখন অভিবাসী মুছলমানৰ মাজত অৱস্থিত। বাসিন্দাসকল অবিভক্ত নগাঁও জিলাৰ।

সোনাজুলি, বৰঙ্গাজুলি আঠেৰিঘাট গৰিয়াঝাৰ ৰংজুলি ৰোহিনী গাঁও দিমাকুছী	এই গাঁওবোৰৰ বাসিন্দাসকল মুছলিমঘোপা, বৰকলীয়াঝাৰ, কটাহী, দিদা, মেদা আদি গাঁৱৰ বংশধৰ। ৰোহিনীগাঁৱৰ বাহিৰে বাকী গাঁওকেইখনত অভিবাসী মুছলমান লোকো আছে।

শালনিকুচি — চপাই মৌজাৰ অন্তৰ্গত ভকতপাৰা যিটো অঞ্চল মিশ্ৰিত জনগোষ্ঠীৰে ভৰপূৰ তাৰ ওচৰতে শালনিকুচি গাঁও। গৰাপৰি, মুছলিমঘোপা, নগৰবাহী আদি গাঁৱৰ ইয়াৰ জনসাধাৰণ পূৰ্ব বাসিন্দা। ৰহিমুদ্দিন আহমেদ গাঁওবুঢ়া গাঁওখনৰ এজন খ্যাত লোক আছিল। ৰোহো দেৱানী নামে জনাজাত হৈ পৰিছিল। গৰাপৰি গাঁৱৰ পৰা গৈ তেওঁ তাত বসতি স্থাপন কৰিছিল। ১৯৬১ খৃঃৰ ৭ ফেঃ তাৰিখে তেওঁৰ মৃত্যু হয়। দ্বিতীয় মহাসমৰত যোগদান কৰাৰ পুৰস্কাৰ স্বৰূপে মুছলিমঘোপাৰ পানা উল্লা আৰু নগৰবাহীৰ ডঃ হবিবুল্লাক এই শালনিকুছি-গাঁৱতে ইংৰাজ চৰকাৰে দহ বিঘাকৈ মাটি আবণ্টন দিছিল। পূৰ্ব-বংগৰ মুছলমান লোকো এই গাঁৱত যথেষ্ট সংখ্যক আছে। এই গাঁওখনক ৰাজহ গাঁও হিচাপে চালঙ্গিকুচি নামেৰেহে জনা যায়।

সোনাজুলি, বৰঙ্গাজুলি, আঠেৰিঘাট, ডিমাকুছি, গৰিয়াঝাৰ, ৰোহিনীগাঁও, শালনিকুচি, ভৈৰবকুণ্ড, ওদালগুৰিৰ পাৰ্শ্ববৰ্তী গাঁওসমূহ বৰ্ত্তমান বি, টি, এ, ডিৰ অন্তৰ্গত।

পানেৰী থানাৰ নিচেই ওচৰত এখন পুৰণি মুছলমান গাঁও আছে। তাৰ বাসিন্দাসকল নলবাৰী জিলাৰ বংশধৰ। তদুপৰি ভৈৰবকুণ্ড ওচৰত এখন বৃহৎ মুছলমান গাঁও আছে। তাৰ বাসিন্দাসকল পূৰ্বৰ দোকানপাৰা, মুছলিমঘোপা, বৰকলীয়াঝাৰ আদি অঞ্চলৰ পমুৱালোক।

মুঠৰ ওপৰত মঙ্গলদৈ খৈৰাবাৰী গড়কাপ্তানী পথৰ উত্তৰে নগৰবাহীৰ বাহিৰে যিমানবোৰ মুছলমান গাঁও আছে সেই সকলোবোৰ জন বিস্ফোৰণত আভ্যন্তৰীণ প্ৰব্ৰজনৰ ফলত সৃষ্টি হোৱা গাঁও। এইদৰে প্ৰব্ৰজনৰ ফলত গঢ়ি উঠা আন এখন গাঁও কালাইগাঁও থানাৰ অন্তৰ্গত পুঠিমাৰী গাঁও।

এইসকল মুছলমান মানুহ প্ৰথমতে পমুৱা হিচাপে গৈছিল যদিও পাছত সেইবোৰ ঠাইৰ স্থায়ী বাসিন্দা হয়। পূৰ্বৰ পিতা-পিতামহৰ গাঁওসমূহৰ লগত তেওঁলোকৰ বংশীয় সম্পৰ্ক প্ৰায় বিচ্ছিন্ন। নিজৰ স্বত্বৰ মাটি-বাৰী বিক্ৰী কৰি থৈ যোৱাৰ ফলত সতি-সন্ততিসকলে পূৰ্ব-বসতিৰ কথা পাহৰি গৈছে। দৰং জিলাৰ উত্তৰ অঞ্চলৰ বিশেষকৈ বি.টি, এ,ডিৰ অধিকৃত অঞ্চলৰ ৰাজনৈতিক-সামাজিক বাতাবৰণৰ লগত নিজকে বিলীন কৰি একাত্মবোধ গঢ়ি তুলিছে। বড়ো-কছাৰী, ৰাভা, চাওতালী, গাৰো, চাহ-মজদুৰ, নেপালী, বঙালী, অভিবাসী মুছলমান আদি সমাজ ব্যৱস্থাৰ লগত একেলগে হাঁহিছে, হা-হুমুনিয়াহ কাঢ়িছে, সহ অৱস্থান সমদৰ্শী হৈ একেলগে বাট বুলিছে। জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলোৰে লগত মিলিব পৰা ইছলাম ধৰ্মৰ ভ্ৰাতৃত্ববোধৰ ই এটা জলন্ত নিদৰ্শন।

বৃহত্তৰ ছিপাঝাৰৰ অন্তৰ্গত দোকানপাৰা আৰু খেতেংপাৰা প্ৰব্ৰজিত, ধৰ্মান্তৰিত আৰু কোচ ৰজাই সংস্থাপিত কৰা বাসিন্দাৰে গঢ় লোৱা ওচৰা-ওচৰি দুখন মুছলমান গাঁও।

খেতেংপাৰাৰ বাসিন্দা মৌলবী দিদাৰুদ্দিন আহমেদ চাহাবৰ আজো ককাকক দৰঙী ৰজাই 'বৰুৱা' উপাধি প্ৰদান কৰি ন্যায় বিচাৰৰ ভাৰ অৰ্পণ কৰিছিল। ৰাজকীয় খিতাপধাৰী বৰুৱা জাণ্ডৰীয়ায়ো তেওঁৰ ওপৰত ন্যস্ত কৰা গধুৰ দায়িত্ব পালন কৰি দোষীসকলক শাস্তিৰ বিধান কৰিছিল। তেওঁৰ বিচাৰ পদ্ধতিত হেনো ৰজা-প্ৰজা অতিকৈ সন্তুষ্ট হৈছিল।[১]

১: গাৰ্হৰুদ্দিন আহমেদঃ মুছলিমঘোপাঃ পশ্চিম মঙ্গলদৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাঃ শিক্ষক।

দৰঙী সংস্কৃতি আৰু মুছলমান সম্প্ৰদায়

দৰঙৰ অসমীয়া সমাজৰ অন্তৰ্গত বিভিন্ন জনসমষ্টিৰ ভিতৰত অসমীয়া মুছলমানসকলো এটা জনসমষ্টি। অসম আৰু মুছলমানৰ ৰাজনৈতিক সম্পৰ্কৰ ফলস্বৰূপে অসমত ইছলাম ধৰ্মৰ বিস্তাৰ হয় আৰু ক্ৰমশঃ অসমীয়া মুছলমান জনসংখ্যা বৃদ্ধি হয়। ঐতিহাসিক কালৰপৰা অসমত ইছলাম ধৰ্মৰ বিস্তাৰ আৰু অসমীয়া মুছলমান জনসংখ্যাৰ বৃদ্ধিৰ অৱস্থাটো দৰঙৰ ক্ষেত্ৰত মাথোন এটা স্থানীয়কৃত প্ৰকাশহে।[১]

ত্ৰয়োদশ শতিকাৰ আৰম্ভণিতে অসম মুছলমানৰ সংস্পৰ্শলৈ আহে যেতিয়া মহম্মদ বিন-বখতিয়াৰ খালজী নামৰ এজন তুৰ্কী সেনাধ্যক্ষই কামৰূপৰ মাজেৰে তিব্বত চীন অভিযান এটা চলায়। তথাপি এইটো কব পাৰি যে গৌড়দেশৰ শাসনকৰ্ত্তা ইখতিয়াৰুদ্দিন মালিক উজবেগ তুঘ্ৰীলখাঁই ১২৫৭ খৃঃত কামৰূপ হেল্লাৰঙে জয় কৰি কামৰূপত এটা মছজিদ সজাই জুমা নামাজৰ প্ৰচলন কৰাৰ পৰাই অসমত ইছলাম ধৰ্মৰ সূচনা হয়। অসমৰ মুছলমানৰ এই পথাৰখন সেই সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাৰ কামৰূপৰ কোচ কমতা ৰাজ্য আৰু বৰাক উপত্যকাৰ পশ্চিমাঞ্চলতে সীমাবদ্ধ আছিল। তাৰপাছত দুটা মূল অভিযান তুৰ্ব্বক আৰু মীৰজুমলাৰ অভিযানত বন্দীহোৱা সৈন্য আৰু স্বইচ্ছাই অসমত ৰৈ যোৱা সৈন্যৰে অসমৰ মুছলমান পথাৰখন বহল পৰিমানত বিস্তৃত হয়। সেই পথাৰখন অধিক সজীৱ কৰি তোলে বিভিন্ন সময়ত পশ্চিমৰপৰা অসমলৈ অহা পীৰ ফকীৰ সকলে।

দৰং ৰাজ্যৰ সৈতে মোগল তুৰ্কীৰ কোনো যুদ্ধ বিবাদ হোৱা নাছিল যদিও আহোমৰ তলতীয়া ৰজা হিচাপে দৰঙৰ স্থানীয় ৰজাৰ সৈতে এটা ৰাজনৈতিক সম্পৰ্ক গঢ়ি উঠিছিল। সেই ৰাজনৈতিক যোগাযোগৰ ফলস্বৰূপে গৌড়দেশৰ পৰা মুছলমানৰ প্ৰথম প্ৰৱেশ ঘটে দৰং ৰাজ্যলৈ। দৰং ৰাজ্যলৈ সেই সময়ত অহা পীৰ-ফকীৰসকলৰ অৱদানো কম নহয়। মুছলমানৰ সংস্পৰ্শলৈ আহি ইছলাম ধৰ্মৰ একেশ্বৰবাদ আৰু উচ্চ-নীচ বৰ্ণবৈষম্যহীন আদৰ্শত আকৃষ্ট হৈ বহুতো হিন্দু মানুহে

১ : দৰঙৰ লোক-সংস্কৃতি সমীক্ষাঃ ড° ইৰ্শ্বাদ আলিৰ প্ৰবন্ধ পৃঃ ৫৫

ধৰ্মান্তৰিত হৈ ইছলাম ধৰ্ম গ্ৰহণ কৰে। তদুপৰি কোচৰ বৃহৎ ৰাজ্য ৰঘুদেৱৰ দিনত দ্বিখণ্ডিত হৈ মঙ্গলদৈ অঞ্চলো নব গঠিত কোচ ৰাজ্যৰ অন্তৰ্ভুক্ত হোৱাত বহুতো মুছলমান ৰনুৱা-বিষয়া, ফাচী পঢ়ীয়া আৰু বাঢ়ৈ বৃত্তিধাৰী মুছলমান লোক নতুন ৰজাই লগত লৈ আহিছিল আৰু সেইসকলক দৰঙৰ পথৰুঘাট অঞ্চলত সংস্থাপন কৰিছিল। শৰাইঘাট যুদ্ধত কোচ ৰজাই আহোমক সহায় কৰিছিল আৰু যুদ্ধত বন্দী হোৱা কিছু সংখ্যক মোগল সৈন্য কোচ ৰজাই লৈ আহি দৰঙৰ মঙ্গলদৈ অঞ্চলত হয় সংস্থাপন দিছিল নহয় বিক্ৰী কৰিছিল। মঙ্গলদৈৰ বুৰঞ্জী প্ৰণেতা দীনেশ্বৰ শৰ্মাই মঙ্গলদৈৰ ওচৰত য'ত মোগল যুদ্ধ বন্দীক বিক্ৰী কৰিছিল সেই ঠাইখনৰ নাম 'মোগল বেচা' বুলি উল্লেখ কৰিছে।

ত্ৰয়োদশ শতিকাৰ মধ্য বা শেষ ভাগৰ পৰা দৰঙত গঢ়ি উঠা মুছলমান জনসমষ্টিৰ বংশধৰ সকলক এনে ধৰণৰে পোৱা যায়—

১। উপৰোক্ত কালছোৱাত প্ৰব্ৰজিত মুছলমান

২। ধৰ্মান্তৰিত মুছলমান

৩। কোচ ৰজাই দৰঙত সংস্থাপন কৰা মুছলমান

৪। যুদ্ধ-বন্দী মুছলমান আৰু মান-ভগন মুছলমান

৫। ৰজাৰ দ্বাৰা আমদানিকৃত বিশেষ বৃত্তিধাৰী মুছলমান

৬। অভিবাসী মুছলমান।

এই প্ৰক্ৰিয়াৰে গঠন হোৱা দৰঙৰ মুছলমানসকলৰ পূৰ্বৰ ভাষা আছিল বেলেগ, ৰীতি-নিয়মো আছিল বেলেগ। কিন্তু অসম তথা দৰঙৰ থলুৱা লোকৰ সৈতে বিভিন্ন প্ৰকাৰৰ সামাজিক সম্পৰ্ক আৰু সম্বন্ধ গঢ়ি তুলি থলুৱা মাত-কথা, নীতি নিয়ম ইত্যাদি সাবটি লৈ নিগাজী হৈ পৰিল। তেওঁলোকৰো পৰিচয় হ'ল অসমীয়া মুছলমান।

"দৰঙৰ অসমীয়া মুছলমানসকলৰ আবয়বিক লক্ষণ, জৈৱ-সামাজিক দিশসমূহ আৰু আনুবংশিক গঠন ইত্যাদিৰ বিষয়ে ইতিমধ্যে নৃতাত্বিকসকলে অধ্যয়ন কৰিছে। এই অধ্যয়নসমূহে সূচাইছে যে, এই অঞ্চলৰ অসমীয়া হিন্দু আৰু অসমীয়া মুছলমানৰ জৈৱ-সামাজিক দিশসমূহৰ ক্ষেত্ৰত সামঞ্জস্য আৰু কিছুমান ক্ষেত্ৰত প্ৰভেদো আছে। অধ্যয়নসমূহে আৰু সূচাইছে যে, অসমীয়া হিন্দু জাতি (কলিতা আৰু কৈৱৰ্ত) আৰু অমসীয়া মুছলমানৰ জৈৱ-সামাজিক দিশসমূহৰ ক্ষেত্ৰত অধিক সামঞ্জস্য আছে।

আকৃতিগত লক্ষণসমূহৰ ক্ষেত্ৰত কিছুমান অসমীয়া জাতি (ব্ৰাহ্মণ, কলিতা আৰু কৈবৰ্ত)আৰু অসমীয়া মুছলমানৰ মাজত সাদৃশ্য আছে।"[1]

কিন্তু নৃতাত্বিকসকলৰ বিশ্বৰ মানৱগোষ্ঠীৰ বিশ্লেষণ সমীক্ষাত প্ৰকাশ পাইছে যে অধিকসংখ্যক জনগোষ্ঠীৰ তেজৰ কণিকাত মঙ্গলয়দ সকলৰ চাপ পৰিছে। সেইদৰে দৰং ৰাজ্যৰ মুছলমানৰ আবয়বিক লক্ষ্যণ মঙ্গলয়দ্‌সকলৰ পৰা ভিন্ন নহয়। গৌড়দেশতো মঙ্গলয়দসকল ধৰ্মান্তৰিত হৈ মুছলমান হৈছিল। সেই সকলৰে প্ৰব্ৰজন ঘটিছিল দৰঙলৈ বিভিন্ন সূত্ৰে। গতিকে দৰঙৰ মুছলমানৰ দেহৰ গঠন প্ৰণালী মঙ্গলয়দৰ হোৱা তেনেই স্বাভাৱিক।

দৰং জিলাত মুছলমান সমাজ গঢ়ি উঠিছিল প্ৰথমে তুৰ্কী বংশোদ্ভৱৰে। তাৰপাছত মোগল বংশোদ্ভৱো সোমাই এক সংমিশ্ৰণ ঘটিছিল। ধৰ্মান্তৰিত মুছলমান আছেই। কিন্তু ইছলামীয় শিক্ষাৰ ব্যৱস্থা নথকাৰ কাৰণে আৰু প্ৰব্ৰজিত লোকসকলৰ লগত ধৰ্মীয় জ্ঞান থকা লোক নথকাৰ কাৰণে গাঁও-ভূইবোৰত হিন্দু-মুছলমানৰ এক মিশ্ৰিত সংস্কৃতিয়ে গা কৰি উঠিছিল। প্ৰথমতে মুছলিমঘোপাত এটা মোকাম ঘৰ গঢ়ি তুলিছিল। তাত প্ৰতিফলিত হৈছিল হিন্দু-মুছলমান উভয় ধৰ্মৰ আচাৰ-নীতি আৰু সংস্কৃতি। অকল দৰঙতে, বা অসমতে নহয় ভাৰতবৰ্ষ তথা বিশ্বৰ বিভিন্ন ঠাইত থলুৱা হৈ পৰা মুছলমান সমাজবোৰত সামাজিক-সাংস্কৃতিক জীৱনত যিদৰে স্থানীয় সংস্কৃতিৰ উপাদান অন্তৰ্নিহিত হৈ পৰে তাৰপৰা দৰং ব্যতিক্ৰমী নহয়। মুছলমানে মোকাম ঘৰত পীৰৰ নামত ভোজ পাতিছিল। আজিকালিও বছৰৰ প্ৰত্যেক জেঠ মাহত মুছলমানসকলে বিশেষকৈ গাঁওসমূহত অপায়-অমঙ্গলৰ পৰা পৰিত্ৰাণ পাবলৈ তেনে ভোজৰ আয়োজন কৰে। ইছলাম আৰু হিন্দু ধৰ্মৰ পাৰস্পৰিক সম্বন্ধৰ ফলস্বৰূপে মুছলমান সমাজত এই সংস্কৃতিয়ে গঢ় লৈ উঠিছিল বুলি ভবাৰ থল আছে। কিন্তু তেতিয়াৰ মুছলমান সকলে সেই ভোজত কুকুৰা কাটি তেজেৰে পিঠা তৈয়াৰ কৰি খাই জাহেলী (নিষিদ্ধ) গীত গাইছিল। এয়া মঙ্গলয়দ্‌ সংস্কৃতিৰ চিটিকণি হব পাৰে। মুছলমান ঢুলীয়াই ঢোল বজাইছিল, ওজাই ওজাপালি গীত আৰু নৃত্য কৰিছিল, কালিয়াই কালী বজাইছিল। তেওঁলোক হিন্দুৰ বিবাহ-সভালৈয়ো আমন্ত্ৰিত হৈছিল আনকি কোচ ৰজায়ো ৰাজ হাউলীত মুছলমান ওজাৰ দ্বাৰা ওজাপালি

১ : দৰঙৰ লোক-সংস্কৃতি সমীক্ষাঃ ড° ইব্‌খাদ আলিৰ প্ৰবন্ধ পৃঃ ৫৭

গীত গোৱাইছিল। কিছুমান গীত মুছলমান ওজাই যে ৰচনা কৰিছিল তাক অনুমান কৰা যায়। সঠিকৈ নহলেও নৃত্য-ভঙ্গিত মুছলমান সংস্কৃতিৰ প্ৰভাৱ পৰিছে নিশ্চয়।

"দৰং-কামৰূপ জিলাৰ লগলাগি অঞ্চলবোৰত ঢেপা ঢুলীয়াৰ দল আজিও আছে। তেওঁলোকে তুৰ্কী নাচোন নাচে, বিয়াত কালি বজায়। কালি জনজাতীয় বাদ্য। অসমৰ প্ৰাচীনতম বাদ্যৰ ভিতৰত কালি অন্যতম। তাৰ সুৰত ইছলামী প্ৰভাৱ সুস্পষ্ট। ইমান স্পষ্ট যে বজাওতাজনক নেদেখিলে চাহনাই শুনা যেন লাগি যায়। ঢুলীয়াৰ তুৰ্কী নাচোনত ঢোল-তাল লৈ ঢুলীয়া-তালীয়াইঁতে এজনে আন দুজনৰ মাজেদি দৌৰি সৰকি যোৱা ৰণুৱাৰ নাচ নাচে।[১] এনেকৈ সৰকি যোৱা অকোৱা-পকোৱা পদ্ধতিটো বৰ্ত্তমানৰ গেৰিলা যোদ্ধাসকলৰ লগত তুলনা কৰিব পাৰি। অসম তথা দৰঙৰ ওজাপালি পূৰ্বতে যে মঙ্গলয়দ তাৰ পাছত মুছলমান সংস্কৃতিৰ অন্তৰ্গত আছিল তাৰ এটা উদাহৰণ পোৱা যায় এনেদৰে— "ৰঘুদেৱ কোচবিহাৰৰ পৰা পলাই আহোঁতে লগত ভালেখিনি ৰণুৱা, বা বিষয়া, অনুচৰ আদি আহিছিল। এই সকলৰ ভিতৰত বহুতো মুছলমান ৰণুৱা, সম্ভ্ৰান্ত বা বিষয়া আৰু ওজাপালি গোৱা লোকো আহিছিল বুলি জনা যায়। এইদৰে বিভিন্ন সূত্ৰত মুছলমানসকল বাহিৰৰ পৰা আহি অসম ভূমিত নিগাজীক থিতাপি লয় আৰু সাংস্কৃতিক মিলনৰ সূত্ৰপাত হয়।[২]

মাৰৈ গাঁৱৰ পৰশু ওজাৰ মুখত ওজাপালি গীতৰ লহৰ বাগৰিছিল—"চান্দোৰ পুতেক লখীন্দৰ, সাজি পেলালে মেৰঘৰ।" একেই গীত গাইছিল নজৰ আলি পণ্ডিতৰ সম্বন্ধীয়লোক ব্যাসপাৰা অঞ্চলৰ কৰিম আতৈয়ে। মাৰৈৰ পৰশু ওজাৰ বংশটো তেতিয়াই বৰ ওজাৰ বংশ বুলি জনাজাত আছিল। সেই বংশৰ মানুহ ছিপাঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আব্দুল আলি আজিও বিদ্যমান। মনসা পূজা বা মাৰৈ পূজাত ওজাপালিৰ গীত হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ ওজাৰ মুখত এনেকৈ অভিন্ন হৈ পৰিছিল যে তাক ভিন্ন কৰাৰ উপায় নাছিল। হিন্দু ওজাই গাইছিল মুছলমান হাচান-হোচেনৰ গীত —

"শুন কুমাৰ কেশাই হাচান-হোচেন দুই ভাই
দিল্লী নগৰে হোৱে ৰজা।

---

১ : লুইত বৰাক আৰু ইছলাম ঃ মেদিনী চৌধুৰী ঃ পৃঃ ৫৩

২ : সংমিশ্ৰণত অসমীয়া সংস্কৃতি ঃ আব্দুছ ছাত্তাৰ ঃ পৃঃ ১০

আমাৰ ৰাখোৱালক মাৰি ভাঙিলা ঘাটৰ বাৰী
ভয়ে দিলা নও লক্ষ পূজা।।"

কোনোবা নিৰক্ষৰ ওজাই হয়তো নাজানিছিল হাচান-হোচেন দিল্লীৰ ৰজা নাছিল। কিন্তু তেওঁলোকক সন্মান জনাই ৰচিছিল ওজাপালিৰ গীত। হিন্দু-মুছলমান উভয় সম্প্ৰদায়ে— পৰস্পৰে যে পৰস্পৰক সন্মান যাচিছিল এই গীতসমূহে প্ৰমাণ কৰে। ওজাপালি দৰঙী লোক-সংস্কৃতিৰ সেই সময়ত সমন্বয়ৰ এটা বিৰাট কীৰ্ত্তি আছিল। সমসাময়িক ঘটনাসমূহৰ ওপৰত তাৎক্ষণিকভাৱে ওজাপালি গীত ৰচনা কৰি নঙলা নঙলাই, চৌকাই চৌকাই হিন্দু-মুছলমান উভয় পক্ষই ওজাপালি গীত গাই ফুৰিছিল। নিৰক্ষৰ মানুহে গীত সমূহ ৰচনা কৰিলেও ৰচনা পদ্ধতি অতিকৈ চমকপ্ৰদ। ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ত ৰচনা কৰা এটা গীতৰ অংশ এনে ধৰণৰ।

দিহা ঃ স্বৰাজ লৌ-বোল বন্দে-মাতৰম।
পদ ঃ ক-ই বোলে কংগ্ৰেছ কমিটী থানে থানে।
খ— ই বোলে খদ্দৰ লোৱা স্বৰাজৰ কাৰণে।।
গ— ই বোলে গুজৰাটত গান্ধী অৱতাৰ।
ঘ— ই বোলে ঘৰে ঘৰে ফুৰে ভলণ্টিয়াৰ।।' ইত্যাদি।

পথৰুঘাটৰ ৰণৰ ওপৰতো ওজাপালিৰ গীত ৰচিত হৈছিল—

"নাপাহাৰো আমি হত্যাৰ কাহিনী পথৰুঘাটৰে ঐ
প্ৰজাক চল কৰি মাতি আনি বধিলে বন্দুক লৈ।"

ওজাসকলে তাল মিলাই এই গীত গাইছিল যদিও ইয়াৰ বৈশিষ্ট্য ফুটি উঠিছিল— থলুৱা দৰঙী লোক গীত হিচাপে। গৰখীয়া সকলেও স্বৰাজৰ ভলণ্টিয়াৰ সকলৰ কাম-কাজৰ বৰ্ণনা কৰি লোকগীত হিচাপে গাইছিল—

"ভলণ্টিয়াৰ ভলণ্টিয়াৰ ৰে
কিনো স্বৰাজ কল্লিৰে,
ঝীয়াখানে কাপোৰ বোৱে
তাকো মানা কল্লিৰে
লিকিৰাখানে বিড়ি খাই
তাকো মানা কল্লি ৰে।" ইত্যাদি।

সেই সময়ত কানি, বিড়ি, তাংখু (ধপাত) আদি মাদক দ্ৰব্যৰ এনে প্ৰচলন হৈছিল যে সেইবোৰ সেৱন কৰি মানুহ তেনেই নীচতা হৈ পৰিছিল। তেনে নিচাযুক্ত

দ্ৰব্যৰপৰা মানুহক উদ্ধাৰ কৰিবলৈ ভলণ্টিয়াৰসকলে জনহিতৈষী কৰ্ম স্বৰূপে যি আন্দোলন কৰিছিল তাক নিচাখোৰসকলৰ হৃদয়ত পৰশাবলৈ এইবোৰ গীতৰ সৃষ্টি কৰিছিল। আকৌ ভাৰতে স্বাধীনতা লাভ কৰাত আনন্দত মতলীয়া হৈয়ো এবিধ গীত গাইছিল—

"গায় কৰে মোৰ কুন্দুল কুন্দুল
স্বাধীনতা পাই,
অ' মোৰ বেটা হব গভৰ্ণৰ, শহুৰ হব মন্ত্ৰীবৰ
ভাৰত কাউন্সিলত গৈ।" ইত্যাদি।[১]

ওজাপালিয়েই কওঁক বা লোকগীতেই কওঁক দৰঙী হিন্দু-মুছলমান উভয় সম্প্ৰদায়ে এই গীতবোৰ ঢোল-তাল লৈ গাইছিল। নাচিছিল। এইবোৰ গীত পাহৰণিৰ গৰ্ভত যদিও দৰঙৰ উভয়-সম্প্ৰদায়ৰ আপুৰুগীয়া সম্পদ।

এই ওজাপালি গোৱা মানুহ অকল মাঁৰৈতে নহয়, মুছলিমঘোপা, বৰকলিয়াঝাৰ আদি কৰি বিভিন্ন মুছলমান গাঁৱত আছিল। কালিবাদক আছিল— জয়পাল পুখুৰীৰ পাৰৰ গাঁৱত, কালিয়াপাৰা আদিত। জাহেলীপ্ৰথাৰ প্ৰচলন মোকাম ঘৰ যে অকল মুছলিমঘোপাতে আছিল সেইটো নহয়, কলিয়াঝাৰ, শালমাৰা, দুমুনীচকী, মাঁৰৈ, মেদা আদি গাঁৱতো জাহেলী নাম-গীতৰ প্ৰচলন আছিল।[২] মৰহুম ইব্ৰাহীম আলি চাহাবৰ ভাতৃ নজিমুদ্দিন আহমেদৰ পৰা জনা গৈছে, তেওঁলোকৰ শিঙিমাৰী গাঁৱতো ৰঙা কুকুৰা কাটি তাৰ তেজেৰে চিন্নি তৈয়াৰ কৰি ৰাইজে ভোজন কৰিছিল। কিন্তু তাত মোকাম ঘৰ নাছিল। এডোখৰ ওখ মাটি সংৰক্ষণ কৰি ৰাইজে তাত ভোজ-ভাত খাইছিল। ইয়াৰপৰা অনুমান কৰিব পাৰি যে এনে ৰঙা কুকুৰা কাটি পিঠা-চিন্নি হয়তো অইন গাঁৱতো খোৱা হৈছিল।[৩]

আনহাতে হিন্দু ৰীতি-নীতি সংযোগ হৈছিল মুছলমানৰ 'তাজিয়া' সংস্কৃতিত। তাজিয়া হৈছে কাৰবালাৰ কৰুণ দৃশ্য প্ৰদৰ্শন। এই তাজিয়া প্ৰদৰ্শনত কাৰবালাৰ কৰুণ জাৰী গীত গাঁওতে, ঢোল, তাল, নাগাৰা, কালিয়া আদি বাদ্য-যন্ত্ৰ সংযোগ কৰা হৈছিল। ইয়াৰ সাদৃশ্য ৰখা হৈছিল পূৰ্ব-বংগৰ বাউল গীত আৰু লালন ফকীৰৰ

---

১ : অসমীয়া প্ৰতিদিন ঃ শনিবৰীয়া এনাজৰী ঃ ১২ আগষ্ট ২০০৬ চন।
২ · দৰঙৰ লোক সংস্কৃতি সমীক্ষা ঃ ড° ইৰশ্বাদ আলিঃ পৃঃ ৫৭।
৩ : স্মৃতিগ্ৰন্থ ঃ হাছিম ঃ পৃঃ ১০৭।

গীতৰ জগত্। এই গীতসমূহৰ তত্ত্ব ইমান গধুৰ যে সেইবোৰৰ আধ্যাত্মিক গূঢ়ত্বৰে ভৰপূৰ। তাজিয়া, তাৰ লগত ব্যৱহৃত বাদ্য-যন্ত্ৰ আৰু ঈশ আৰাধনাৰ নৈবেদ্যসমূহ ৰক্ষণাবেক্ষণত ৰখাৰ উদ্দেশ্যেই পুৰণি মুছলমান গাঁওসমূহত মোকাম ঘৰ সজাৰ আন এটা কাৰণ আছিল। তদুপৰি এক শৰণ বৈষ্ণৱ ধৰ্মৰ প্ৰতি আকৃষ্ট হৈ কোনোবা গুৰুৰ শৰণ লৈ কোনো কোনো মুছলমানে ভকত ৰূপে পৰিগণিত হৈছিল। বৰ্ত্তমান পীৰৰ মুৰিদ বা শৰণ গ্ৰহণ কৰা সেই প্ৰথাৰে অনুসৰণ হব পাৰে। নতুবা পীৰৰ শৰণ লোৱা প্ৰথাৰ পৰাই হিন্দুৰ ভকত-শৰণ প্ৰথা প্ৰচলন হ'ব পাৰে। এই প্ৰথাটো যে উভয় ধৰ্মৰ ওচৰা-উচৰি সম্বন্ধ এটাত সাঙোৰ খাই আছে তাক সহজেই অনুমান কৰিব পাৰি।

দৰং ৰাজ্য আহোমৰ কৰতলতীয়া হোৱাত আহোম ৰাজ বিষয়া একোটাইত ফৈদৰ গুৰিয়াল হৈ মুছলমানেও হাজৰিকা, শ্‌ইকীয়া, বৰুৱা, বৰা, কাকতি খিতাপ লাভ কৰিছিল। দৰঙৰ প্ৰত্যেখন থলুৱা মুছলমান গাঁৱত এনে খিতাপধাৰী পৰিয়ালে আজিও নামৰ শেষত এইবোৰ উপাধি পুৰুশানুক্ৰমে লিখি আহিছে। সেইদৰে কিৰাত বংশীয় উপাধি 'চৌধুৰী' বহুতো মুছলমানে লাভ কৰিছিল। সেই পৰম্পৰা আজিও অটুট আছে। দৰঙী ৰজাৰ পৰা পোৱা বিশেষ উপাধি 'ওজা' (বৰ্ত্তমানৰ গাঁওবুঢ়া) আৰু 'চহৰীয়া' দুটা আঢ্যৱন্ত লোকৰ উপাধি। গাঁও বা অঞ্চলৰ দায়িত্বত থকা ব্যক্তিজনে ওজা লিখিছিল। সেইদৰে দৰঙী ৰজাৰ দৃষ্টিত থকা আৰু বিশয আনুগত্য লাভ কৰা ব্যক্তিসকলে চহৰীয়া উপাধি লাভ কৰিছিল। সেই সকলৰ বংশধৰ সকলে সেই উপাধি লিখি অতীত সোঁৱৰাই আছে।

মঙ্গোলীয় কৃষ্টি মুগা, পাট-পলু পুহি ঘৰতে সূতা কাটি হাতশালত কাপোৰ পোৱা দৰঙৰ হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ কৃষ্টি আছিল। মুগা পুহিবলৈ মানুহে চোম গছৰ বাগান কৰিছিল। পাট-পলু পুহিবলৈ এৰা গছৰ খেতি কৰিছিল। হাতশালখন উভয় সম্প্ৰদায়ৰ ডাঙৰ সম্পত্তি আছিল। ঘৰতে পৰিয়ালৰ লাগতিয়াল গামোচা, পান-গামচা, তহভন (লুঙী) ৰিহা-মেখেলা, আগুৰাণ, পাঁচহেতীয়া বই লৈছিল। আঢ্যৱন্ত লোকে কুৰ্ত্তাৰ দৰে ছুটি কামিজ, ধুতি আৰু মূৰত পাছলৈ ওলমি পৰা নেজ থকা পাগুৰি মাৰিছিল। উৰাল মাকোৰ প্ৰচলন হোৱাত হাতশালখনে তাঁতশাল নাম পাইছিল। তাৰ ব্যৱহাৰত বয়ন শিল্প অধিক সম্প্ৰসাৰণ হৈছিল। উভয়

২ : স্মৃতিগ্ৰন্থ- হাছিম : পৃঃ ১০৭

পক্ষৰ তিৰোতাই বুকুত মেকেলা পিন্ধিছিল। ব্লাউজ নিপিন্ধিছিল বুলিবই পাৰি। উভয় সম্প্ৰদায়ৰ মাইকী মানুহৰ অলঙ্কাৰৰ নামত কাণত নেজাপতা ফুটি, নাকত নাকফুল হাতত গামখাৰু আৰু ডিঙিত হাৰ পিন্ধিছিল। অৱস্থানুযায়ী সেইবোৰ সোণ বা ৰূপৰ হ'ব পাৰে। অতীতত ৰূপৰ ব্যৱহাৰেই অধিক আছিল। বিবাহিতা মহিলাক চিনাক্ত কৰা হয় হিন্দু নাৰীৰ শিৰৰ সেন্দুৰৰ ফোটেৰে আৰু মুছলমান নাৰীক মূৰৰ ওৰণিখনৰে। কিন্তু বিধবা তিৰোতাক সম্প্ৰদায় বিভক্ত কৰা অতি কঠিন কাৰণ হিন্দু বিধবাৰ বা শিৰৰ সেন্দুৰ নাথাকে আৰু উভয় সম্প্ৰদায়ৰ বিধবাই নাক-কাণৰ অলঙ্কাৰ পৰিহাৰ কৰাৰ উপৰিও শুধ বগা কাপোৰ পিন্ধনত ব্যৱহাৰ কৰে।

হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ বিবাহ প্ৰথাও থলুৱা উপাদানেৰে ভৰপূৰ। মাত্ৰ মাংগলিক ক্ৰিয়া কৰ্ম মুছলমানৰ দেনমোহৰ যোগে বিবাহ কৰ্ম সম্পন্ন কৰা হয়। হিন্দুৰ বিবাহ কৰ্ম সম্পন্ন কৰা হয় হোম-যজ্ঞৰে তেত্ৰিশ কৌটি দেৱতাক সাক্ষী কৰি আৰু আহোমৰ চকলং প্ৰথাৰে। বাকী আনুসঙ্গিক পৰ্বসমূহ বিয়াৰ পূৰ্বে তামোলপাণ কটা আৰু আঙঠি পিন্ধোৱা, তেলৰ ভাৰ দিয়া, বিবাহ-বাহৰত দৰা-কইনা উভয় পক্ষই শৰাইত ভৰাই পৰস্পৰে পৰস্পৰক তামোলপাণেৰে মান ধৰা, বিবাহৰ পাছত আঠমঙলা খোৱা, নেতা খোৱা, ঘৰবৰ চোৱা উভয় পক্ষই মাক-দেউতাক বা জেষ্ঠজনক বিশেষ নিমন্ত্ৰণ যোগে— ভাত খুউওৱা আদি থলুৱা প্ৰথা আজিও বিদ্যমান। তদুপৰি হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ কইনাক তেলৰ দিনা মাহ-হালধি সানি গা ধোওৱা, জেতুকাৰ বোলেৰে হাত-ভৰি বোলোৱা, পাটৰ বা মুগাৰ ৰিহা মেখেলাৰে কইনা সজোৱা প্ৰথা আজিও অভিন্ন হৈ আছে।

অতীত দৰঙত হিন্দু-মুছলমান উভয় সম্প্ৰদায়েৰে আজিৰ দৰে পকা বা কাঠৰ ঘৰ নাছিল। সেইদৰে ঘৰৰ মূল্যবান বস্তু ৰাখিবলৈ ষ্টিলৰ বা কাঠৰ আচবাব নাছিল। হস্তশিল্পৰ নামত বাঁহ-বেত-সৌকা আদিৰ তৈয়াৰী বস্তুহে আছিল। মানুহে ঘৰতে বাঁহ-বেত, সৌকা আৰু ঢেকীয়ালতাৰে পেৰা, জপা তৈয়াৰ কৰি ঘৰৰ আৱশ্যকীয় বস্তুবোৰ ৰাখিছিল। ধান, চাউল, মাহ সৰিয়হ আদি কৃষিজাত সামগ্ৰীবোৰ জুখিবলৈ ঢোল, দোন আদি তৈয়াৰ কৰি লৈছিল। ভজা সৰিহৰ গুৰি সোমাত ভৰাই শালত চেপি তেল উলিয়াইছিল। বাঁহ-বেতৰ কামক 'বিহকৰম' বুলিছিল। বাঁহৰ চিকুণ ৰূৱা কামী কৰি আটোম টোকাৰিকৈ থকা ঘৰ সাজি লৈছিল। পদুলিত জিৰাবলৈ সাজি লৈছিল বাটচ'ৰা। বৰ্ত্তমানৰ বৈঠকখানাৰ কাম কৰিছিল চ'ৰাঘৰে।

উভয় সম্প্ৰদায়ৰ গোহালি ভৰি আছিল গাই-দামুৰি, চেউৰী-দমৰা, বাজান-হালোৱা বলধ গৰুৰে। ছাগলি ৰাখিবলৈ তৈয়াৰ কৰিছিল খট্খটিযুক্ত চাংঘৰ। হাঁহৰ কাৰণে গড়াল। কিন্তু হিন্দু মানুহে মুৰ্গী চৰাই নুপুহিছিল। সৌ সিদিনালৈ ঘিউ, মাছৰ ভিতৰত শিঙি মাছ আৰু মছলা জাতীয় সামগ্ৰী নহৰু নাখাইছিল। এতিয়াও অৱশ্যে গৰুৱা মাছ নাখায়। কিন্তু মুছলমান সম্প্ৰদায়ৰ মানুহে অতীজৰ পৰাই এইবোৰ খাদ্য খাই আছে।

সন্তান জন্মৰ পাছত নাভিসৰাৰ লগে লগে হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ মানুহে 'সন্তান বাজ উলিওৱা'এটি সৰু উৎসৱ পাতিছিল। সেই উৎসৱত পৰিবেশন কৰা হৈছিল নাৰিকল আৰু চেনী। এই উৎসৱত অকল মাইকী মানুহ আৰু সৰু ল'ৰা-ছোৱালীহে ভাগ লৈছিল। হাতত অকণমান মিঠাতেল লৈ বয়সস্থা মাইকী মানুহে নৱজাতকৰ মূৰত ঘহি দি বৰ মানুহ হ'বলৈ আশীৰ্বাদ দিয়ে। নৱজাতকৰ নামকৰণ কৰিবৰ কাৰণে হিন্দুৰ পুৰোহিত বা জ্যোতিষীয়ে গণি-পিতি নাম ৰাখি কোষ্ঠী লিখি দিছিল। আজি কালিও তেওঁলোকৰ সেই প্ৰথা ধৰা বন্ধা নিয়মৰ ভিতৰত পৰিগণিত হৈ চলি আছে। মুছলমান সম্প্ৰদায়ৰ নৱজাতকক জন্মৰ সময় আৰু বাৰ জানিলৈ মোল্লাই নাম ৰাখি দিছিল যদিও লিখিত ৰূপত ৰখাৰ নিয়ম নাছিল। অতি কম সংখ্যক দূৰদৰ্শি মানুহে জন্মৰ বাৰ বা তাৰিখ লিখি ৰাখিছিল। সিও তেনেই খণ্ডেকীয়া আছিল। উত্তৰ পুৰুষে সেই জন্ম পঞ্জী বিচাৰি নলৈছিল। সেই কাৰণেই তাকৰীয় সংখ্যক মানুহৰ বাহিৰে অধিক সংখ্যক মানুহৰ বংশলতা পোৱা নাযায়। হিন্দু সম্প্ৰদায়ৰ কন্যা সন্তানৰ যি তোলনি বিয়া পতা হয় দৰঙৰ মুছলমান সম্প্ৰদায়ৰ মাজত সেই বিয়াৰ প্ৰচলন নাই। কামৰূপত অৱশ্যে কোনো কোনো ঠাইত মুছলমানৰ মাজতো সেই প্ৰথাৰ প্ৰচলন আছে বুলি জনা যায়।

মানুহৰ নামবোৰৰ ক্ষেত্ৰতো হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰে প্ৰায় একে দেখা গৈছিল। মুছলমানে মাথো নামৰ শেষত সেখ, আলি লিখি ধৰ্মীয় চিনাক্ত বজাই ৰাখিছিল। পয়লু, মনিয়া, ফটিক, শ্ৰীনাথ, কালীয়া, ভেদৌহঁত মুছলমান হৈয়ো সেই নামেৰেই মৰি অতীত হ'ল। তিৰোতা মানুহৰ নামৰ ক্ষেত্ৰতো একেই সাদৃশ্য দেখা গৈছিল। ফুলু, পদুমী, জানকী, বকুলী, হাৰমতী আদি নামৰ শেষত বিবি, বানু, সেখানী উপাধি লিখি কোনো ৰকম ধৰ্মটোক জীয়াই ৰাখিছিল। জন্ম ক্ষণৰ বতৰৰ ওপৰত নিৰ্ভৰ কৰিও অনেক মুছলমান মানুহে নামকৰণ কৰা দেখা গৈছিল। জেঠুৱা সেখ, বৈহাগী বিবি, শনিবৰ, দেওবৰসেখ, ওখ হ'লে দীঘলা সেখ তেনেকৈ

সৰু ফুটৰ হলে চানা আলি, সৰু সেখ, মনিয়া সেখ আদি নাম মন কৰিবলগীয়া। মাক-দেউতাকে বা মোল্লাই ৰাখি দিয়া নাম ক'ৰবাত হেৰাই গৈ উপনামবোৰহে সৰ্বজন বিদিত হৈছিল। মানুহবোৰ নিৰক্ষৰ হোবাৰ কাৰণেই এনে প্ৰথাবোৰ যুগ যুগ ধৰি চলি আহিছিল।

ইছলাম ধৰ্মৰ কলিমা, নামাজ, ৰোজা, হজ, জাকাত আদি অবশ্যেই পালনীয় কৰ্ত্তব্যসমূহ মুছলমানসকলে পাহৰি গৈছিল নতুবা শিকাই নাছিল। তথাপি 'মহৰম' উৎসৱত ঢোল-তালেৰে তাজিয়া প্ৰদৰ্শন কৰিছিল, হজৰত মহম্মদ (ছঃ) ৰ জন্ম আৰু মৃত্যু তিথিত ফাত্তেহা-দোৱাজ-দহমত সমূহীয়া ভোজ-ভাত খাইছিল তেনেকৈ অসুখ-বিসুখৰপৰা পৰিত্ৰাণ পাবলৈ বছৰৰ জেঠ মাহত সমূহীয়া ভোজৰ আয়োজন কৰিছিল। কাতি মাহত হিন্দু সম্প্ৰদায়ে ৰাতি নামঘৰত ভাগৱত পাঠ বা নাম-কীৰ্ত্তন কৰাৰ দৰে মুছলমানসকলেও সেই মাহটোত ঘৰে ঘৰে শ্বহীদ কাৰবালাৰ কৰুণ কাহিনী চেৰা ঢেক হিচাপে গাইছিল। হয়তো ধৰ্মীয় পৰম্পৰা হিচাপে লৈ প্ৰত্যেক গৃহস্থই চেৰা ঢেক গোৱা মানুহক বিশেষ ধৰণৰে আমন্ত্ৰণ কৰিছিল। কাৰবালাৰ সেই কৰুণ কাহিনী শুনিবলৈ ওচৰৰ হিন্দু মানুহো তাত সমবেত হৈছিল। এই চেৰাঢেক গোৱা সকলক সাধাৰণ অৰ্থত 'কিতাবী' বোলা হৈছিল। সৌ সিদিনালৈ মুছলিমঘোপাৰ ৰহমত আলি, হাতীমোল্লা, হামিৰ আলি, চকুৰ আলি, বৰমিএগ আদি নামজ্বলা কিতাবী আছিল। মুকলিভাৱে এওঁলোকে কিচ্ছাচল আম্বিয়া, হাতীম তাই, খায়ৰুল হাছাৰ, ফয়জলে আজম, শ্বহিদী কাৰবালা আদি বঙলা ভাষাৰ পদ্য ছন্দত লিখা কিতাপ মন-প্ৰাণ জুৰ পৰাকৈ গাইছিল। সেইদৰে বৰকুমাৰপাৰাৰ নেছাৰ আলি, বকাচ আলি, বাহাৰুল আহমেদ নিৰণচুবাৰ চবুৰ আলি মেনা, হামিদ আলি বৰকলিয়াঝাৰৰ জফৰ আলি বৰুৱা, ইউনুচ আলি পথৰুঘাটৰ আশ্ৰফ আলি, বচিৰুদ্দিন আহমেদ অন্যতম।

দৰঙৰ চেৰা ঢেকৰ কলি এনেধৰণৰ --

"আল্লা আল্লা বোলো ভাই নবীৰ নামে সাৰ
নবীৰ কলিমা পঢ়ি হৈয়া যাবি পাৰ,
হজৰত আলিৰ বেটা ৰচুলৰ নাতি
আপোনাৰ হাতে মৰ্দ ফেৰে দিলা হাতী।"

ইত্যাদি।

গাঁৱত বিয়া বা মৃতকৰ উদ্দেশ্য ভোজৰ আয়োজন কৰিলে অকল গৃহস্থই ধান-চাউল বনাৰ কাম কৰিব লগা নহৈছিল। গাঁৱৰ জীয়ৰী, বোৱাৰীসকল আহি ঢেঁকীত ধান বানি দিছিল। কিন্তু অকাঢ়ি চাউল কঢ়াবলৈ চুবাটোৰ ঘৰে ঘৰে ভগাই দিছিল। সিবিলাকেও চাউল হৰণ ভগণ নোহোৱাকৈ কঢ়াই আনি এটা নিৰ্দিষ্ট দিনত গৃহস্থক গটাই দিছিল। ইয়াকে 'চাউল লগোৱা' বুলি কোৱা হৈছিল।

পুৰণি দৰঙী সমাজখনত বিয়া বা অন্য সকামলৈ হি ন্দু মুছলমান পৰস্পৰে পৰস্পৰক নিমন্ত্ৰণ কৰিছিল যদিও মুছলমানৰ ঘৰত হিন্দু মানুহে বা হিন্দু মানুহৰ ঘৰত মুছলমানে খোৱা-পিয়া নকৰিছিল। তাৰ বাবে সিধাৰ ব্যৱস্থা আছিল। তামোল-পাণ, দৈ চিৰা আৰু মিঠৈৰে সিধা দি আহিছিল। এঘৰত বহি মানুহে সেই সিধা খাইছিল। তাৰ পাছত বিয়া আদিত দুখন ৰভাৰ ব্যৱস্থা কৰা হৈছিল। হিন্দু মুছলমান উভয়ে বেলেগে বেলেগে বহি চাহ-জলপান খাইছিল। অৱশ্যে সময়ৰ পৰিবৰ্ত্তনৰ লগত উভয় সম্প্ৰদায়ৰ সমাজৰ পৰা সেই গোড়ামী উঠি যায়। একেখন ৰভাৰ তলতে সনা পিটিকা হৈ বহি খোৱা হয়। এয়া হ'ল মানুহৰ মৌন সংস্কাৰ। উভয় সম্প্ৰদায়ৰ আন্তৰিক আহ্বান।

বিয়াত মুছলমান জীয়ৰী বোৱাৰীৰো পদ গোৱা এটা প্ৰচলিত প্ৰথা আছিল। কইনাক তেল দিয়াৰ পৰা দৰাঘৰলৈ উলিয়াই দিয়ালৈকে জীয়ৰী বোৱাৰীহঁতে পদ গাইছিল।

"মা ফাতেমাই কান্দে
কিনো কৰিব ওলাইছ আব্বাজান
কিনো কৰিব ওলাইছ মোক।
তোক খেদমত কৰি ইমানটো হলোঁ মই
আছিনো কি জগৰ লগালো তোক।"

এদলে তাৰ উত্তৰত গায়—

"হজৰত আলি আহিব লাগিছে
বাদছাহ লম্বনা ৰূপ
বৰিব লাগিব তই স্বামী কৰি
আল্লা মেহেৰবান হোক।"

অতীতৰ দৰং জিলাত হিন্দু-মুছলমানৰ সংমিশ্ৰণত ঢুলীয়া, কালীয়া, ওজাপালিৰে সংস্কৃতিৰ পথাৰখন যিদৰে ৰঞ্জন-জনাই আছিল সেইদৰে তুৰ্কী মুছলমানৰ যোগেদি দৰঙত প্ৰচলন হোৱা-চেৰা ঢেক মুছলমানসকলৰ এক সুকীয়া লোক সংস্কৃতি আছিল। সুকনান্নী আৰু বিয়াহৰ ওজাপালিৰ গীত, পদ, সুৰ, ৰাগ-ৰাগিনীৰ লগত চেৰা ঢেকৰ এক দূৰ সম্পৰ্কীয় সামঞ্জস্য পৰিলক্ষিত হয়। কিন্তু তেতিয়াৰ চেৰা ঢেক গোৱা লোকসকলৰ মৃত্যু হোৱাত লগতে উত্তৰ পুৰুষে সেইবোৰ আয়ত্ব নকৰাৰ ফলত বৰ্ত্তমান এই চেৰা ঢেক গোৱা প্ৰচলন প্ৰায় বন্ধ হৈ যায়। তদুপৰি ধৰ্মীয় গোড়ামীয়ে ইয়াৰ প্ৰচলন ৰুদ্ধতাত এক বিশেষ ইন্ধন যোগায়। বৰ্ত্তমান দৰঙী কলা-কৃষ্টিৰ অন্তৰ্গত হৈ মঞ্চত বেসুৰীয়া অৱস্থা এটা লৈ চেৰা-ঢেক নামৰ লোক-সংস্কৃতিটো কোনোৰকম জীয়াই আছে।

দৰঙত মুছলমান সমাজ গঢ়ি উঠিলেও সেইবোৰত জাহেলী (নিষিদ্ধ) প্ৰথাই এনেকৈ গা কৰি উঠিছিল যে নামটোৰ বাহিৰে আৰু মৃত্যুৰ পাছত কবৰ দিয়াৰ বাহিৰে ইছলাম ৰীতি-নীতি প্ৰায় হেৰাই গৈছিল। তেনে অধুনালুপ্ত গঢ়াহৰ পৰা মুছলমান মানুহক উদ্ধাৰ কৰিবলৈ দৰঙলৈ বহুতো পীৰ-ফকীৰৰ আগমন হয়। মানকাছাৰৰ পৰা প্ৰথমে আহিছিল জয়পাল ফকীৰ। তেওঁ জয়পাল পুখুৰীৰ পাৰত 'খানকাহ' পাতি ৰাইজক ধৰ্মৰ দীক্ষা দিছিল। আজিৰপৰা প্ৰায় আঢ়েশ বছৰৰ আগেয়ে কেও নামৰ ফকীৰ এজন আহি জয়পাল পুখুৰীৰ উত্তৰ-পশ্চিম পাৰত সাধাৰণ পঁজা ঘৰ সাজি বাস কৰিছিলহি। তেৰোঁ মানুহক ইছলাম নিয়ম নীতিৰ শিক্ষা দিছিল। বৰকলীয়াঝাৰৰ কৰিমচাহ মোল্লা তেওঁৰেই বংশধৰ। দৰঙী ৰজা সূৰ্য্য নাৰায়ণে মোগল শাসকৰ নিৰ্দ্দেশক্ৰমে ধৰ্মীয় সংস্কাৰ কৰাবলৈ কেইজনমান মোল্লা মুছলিমঘোপা, মাৰৈ, নগৰবাহী, আদি গাঁৱলৈ আমন্ত্ৰণ কৰি আনিছিল।

তৎস্বত্বেও শ শ বছৰ ধৰি পালন কৰি থকা পিতা-পিতামহৰ ধৰ্মীয় ৰীতি-নীতি পৰিহাৰ কৰিবলৈ মানুহ আগ্ৰাসন হোৱা নাছিল। মাজে সময়ে গোলাঘাট জিলাৰ বিখ্যাত সৰুৱাগুৰীয়া দেৱান বংশৰ মহম্মদ চেখায়ত আলি পীৰ চাহাব আহি সেই অঞ্চলৰ মুছলমান সমাজৰ কুপ্ৰথাবোৰ ত্যাগ কৰি প্ৰকৃত ইছলাম পন্থী হবলৈ আহ্বান জনাইছিল যদিও মানুহে সমূহীয়া ভাৱে সেই আহ্বানক বৰ্ণপাত নকৰিছিল। ১৮৮০ খৃঃত গুৱাহাটীৰ পৰা আহিছিল চুফী জোলকাদ আলি পীৰ চাহাব আৰু তেওঁৰ পুত্ৰ ইয়াকুব আলি। চুফী জোলকাদ আলি প্ৰথমতে মুছলিম

ঘোপাত সোমাই বাহৰ পাতিছিলহি ফক্‌লু সেখৰ ঘৰত।

"..... This state of affairs is said to have continued till 1880 when a revival of the Muhammadan faith was inaugurated by a preacher called Zulked Ali or Sufi Saheb, who came from Guahati and spent some years in the Sub-Division of Mangaldoi" (১৯০৫ খৃঃৰ B.C Allen, Assam District Gazatter (Darrang Districtৰ vo.v ৰ পৃঃ ১০১)

মুছলিমঘোপাত ইছলামৰ কু-প্ৰথাবোৰ সংস্কাৰ কৰিবলৈ যাওঁতে চুফীজনাই বহুতো কষ্ট আৰু অপমানৰ সন্মুখীন হ'ব লগা হৈছিল। তথাপি সেই কষ্টৰ মাজেৰেই তেওঁ কৃতকাৰ্য হৈছিল। জাহেলী প্ৰথা নিবাৰণ কৰি ইছলাম ধৰ্মীয় ৰীতি-নীতি প্ৰচলন কৰছিল। মুছলিমঘোপাৰ মোকাম ঘৰটোকে মছজিদলৈ উন্নীত কৰি মানুহক নামাজ পঢ়াৰ ব্যৱস্থা কৰিছিল। মুছলিমঘোপাত মছজিদ স্থাপন কৰাৰ পাছত তেওঁ বৰকলিয়াকাৰলৈ যায় আৰু জয়পাল পুখুৰীৰ পাৰত এটা জুমা মছজিত স্থাপন কৰে। চুফীজনাৰ এনে সংস্কাৰ ধৰ্মী কাৰ্যত সহযোগিতা আগবঢ়াইছিল তুৰাই গাঁৱৰ নজৰ আলি পণ্ডিতৰ পিতৃ শনিৰুদ্দিন আহমেদ আৰু কুপীৰ হাছিম আলি মৌলানা চাহাবৰ পিতৃ মুন্সি গণিৰুদ্দিন আহমেদ মহৰীয়ে। চুফীজনাৰ লাখুটি স্বৰূপ আছিল মুছলিমঘোপাৰ ফক্‌লু সেখ। চফীজনাই ধৰ্মীয় সংস্কাৰত ৰাইজৰ সহাৰি পাই দ্বিগুণ উৎসাহেৰে নিজৰ ব্ৰতত ব্ৰতী হৈ ফক্‌লু সেখৰ লগত নগৰবাহীলৈ যায় আৰু তাতো অনুৰূপ সংস্কাৰ সাধন কৰে।

"কিন্তু মাৰৈ পূজাত গীত গোৱা মুছলমানৰ ঐতিহ্য সণ্ঢালনি গতিত চলি থাকিলঃ মন্ত্ৰ সাহিত্যত সিসকলৰ প্ৰভাৱত "নবী, ৰচুল, মহম্মদ ফাপিয়ে নমঃ আদি কথা সোমাই পৰিল।"[১]

সিমানতে মুছলমানে ওজাপালি গোৱা অন্ত পৰিল যদিও হিন্দু ওজাই ঢোলত চেও দিয়াৰ আগতে মুছলমান ওজা মুছলিমঘোপাৰ বিখ্যাত ঢুলীয়া "জপাই ঢুলীয়া নমঃ" বুলিহে তেওঁক স্মৰণ কৰি ঢোল বজোৱা প্ৰথা বহু দিনলৈ চলি আছিল।

১৯২৫ খৃঃত কাছাৰ জিলাৰ অন্তৰ্গত চিলেট চহৰৰ (বৰ্ত্তমান বাংলাদেশৰ অন্তৰ্গত) দক্ষিণে প্ৰবাহিত সুৰমা নদীৰো দক্ষিণে অৱস্থিত খিত্তা নামৰ গাঁৱৰ পৰা

---

১ : পবিত্ৰ অসম : মহেশ্বৰ নেওগ সম্পাদিত : পৃঃ ৪৮

আলীম বগা মৌলবী চাহাব আছি মাৰে, মুছলিমযোগা আৰু ওচৰে পাজৰে থকা গাঁওসমূহত ভেতিয়াও চলি থকা কুসংস্কাৰবোৰ সাধন কৰি ফুৰিছিল। তেওঁ মুছলিমযোগা গাঁৱৰ চিদ্দিক আলি মাষ্টৰৰ ঘৰত থাকিবলৈ লৈছিল। যোগাত থকা সময়ত মুক্তি যোদ্ধা চিদ্দিক আলিৰ সান্নিধ্যত বগা মৌলবী চাহাবে ভাৰতৰ স্বাধীনতা আন্দোলনত সংক্ৰিয় অংশ গ্ৰহণ কৰি বৃটিছ চৰকাৰৰ ৰোষত পৰি তেওঁ এবছৰ কাৰাদণ্ড খাটে। এইজনা বগা মৌলবী চাহাবৰ প্ৰকৃত নাম আছিল মৌলবী আব্দুল খালেক। মাৰৈ গাঁও প্ৰায় সংস্কাৰমুখী হোৱাত শেষ বয়সত তেওঁ মাৰৈত থাকিবলৈ লয় আৰু তাতে এন্তেকাল হয়। ৰাষ্ট্ৰীয় ঘাই পথৰ দাঁতিতে মাৰৈত তেওঁৰ কবৰ এতিয়াও বিদ্যমান।

তাৰ পাছতো জৈনপুৰৰ আব্দুল মতিন, আব্দুল কাদিৰ, মনচুৰ আলি, কাণপুৰৰ সওদাগৰ আলি আদি চুফী, পীৰ আদি দৰঙলৈ আহি সমাজৰ মানুহক ধৰ্মীয় দীক্ষা দি ফুৰিছিল। যাৰ ফলশ্ৰুতিত দৰঙ জিলাত গঢ়ি উঠে এখন ধৰ্মীয় সংস্কৃতিবান মুছলমান সমাজ।

শঙ্কৰী সংস্কৃতিৰ ছিটি'কনিৰ এছিটিকাই প্ৰাচীন দৰঙৰ মাজভাগ সমৃদ্ধ কৰিছিল। কিয়নো এক শৰণীয় নাম ধৰ্ম আৰু ইছলামৰ একেশ্বৰবাদে দুয়ো পন্থী মানুহক এক ঈশ্ ভাৱজগতলৈ কৰ নোৱাৰাকৈয়ে আহ্বান জনাইছিল। ১৫৬৮ খৃঃত মহাপুৰুষ শঙ্কৰদেৱৰ তিৰোভাৱৰ পাছত মাধৱদেৱৰ সপ্তমজন আচাৰ্য লেচাকণীয়া গোবিন্দ আতৈয়ে বৰ্ত্তমানৰ দিপীলা চৌকাৰ উত্তৰে খটৰা সত্ৰ স্থাপন কৰিছিল। ইংৰাজৰ দিনত প্ৰাকৃতিক দুৰ্যোগত সত্ৰখন ভাঙি যোৱাত ৰাইজৰ সহায়ত পথৰুঘাটৰ মুছলমান তহচিলদাৰ দিদাৰুদ্দিন বৰাই ছকুৰি নাহৰৰ খুটাৰে অতি মজবুতকৈ সত্ৰখন পুনৰ নিৰ্মাণ কৰি দিছিল।

সংস্কৃতি জগতৰ অন্যতম সংস্কৃতি জিকিৰ আৰু জাৰী। মুছলমানৰ পোনপটীয়া এই অৱদানক মৃতপ্ৰায় অৱস্থাৰ পৰা গৱেষক-পণ্ডিতসকলৰ অক্লান্ত পৰিশ্ৰমৰ দ্বাৰা এই সংস্কৃতিক সম্প্ৰতি পুনৰুদ্ধাৰ কৰা হৈছে। কথা সাহিত্যিক আব্দুল মালিক চাহাবে অ'ত ত'ত সিচঁৰতি হৈ পৰি থকা জিকিৰ-জাৰীসমূহ উদ্ধাৰ কৰি কিতাপ আকাৰে প্ৰকাশ কৰে। গোলাঘাটৰ ৰেকিবুদ্দিন আহমেদে সুৰ দি জিকিৰ-জাৰীক যাউতি যুগীয়া অসমীয়া সংস্কৃতিত ৰূপ দিয়ে। সমগ্ৰ অসমৰ হিন্দু-মুছলমানৰ গায়ক-গায়িকাৰ মুখত জিকিৰ-জাৰীৰ সুৰে এক নৱ সংস্কৃতি ৰূপ দিয়াৰ লগতে

দৰঙৰ আব্বাচ আলি, ৰাহাৰুল ইছলাম, ছহিৰুদ্দিন আহমেদ, আৰিফ আলি, বুল বুল হুচেইন, হাফিজা বেগম চৌধুৰীৰ লগতে দৰঙৰ হিন্দু গায়কেও দূৰদৰ্শন আৰু আকাশ বাণীৰ যোগে জিকিৰ জাৰী-গাই খ্যাতি অৰ্জন কৰাৰ লগতে সম্প্ৰীতিৰ এনাজৰী ডাল কটকটীয়া কৰি তুলিছে। বৰ্ত্তমান অসমত জিকিৰ-জাৰীয়ে সাৰ্বজনীন ৰূপ পাবলৈ সমৰ্থ হৈছে। এই জিকিৰ-জাৰীত বৈষ্ণৱ ভাব ধাৰা বিদ্যমান।

দৰঙত ইছলাম ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰত কেতিয়াও বাধা পোৱা নাছিল তেনেকৈ বাধা পোৱা নাছিল পীৰ-ফকীৰসকলে ধৰ্মটো সংস্কাৰমুখী কৰাত। বৰঞ্চ দৰঙী হিন্দু মানুহেও পীৰ-ফকীৰক গুৰু ৰূপেই জ্ঞান কৰিছিল। দৰঙৰ মানুহে ইছলাম ধৰ্ম গ্ৰহণ কৰিলে, তেওঁলোকৰ তেজ মঙহত সামাজিক প্ৰভাৱ ইমান গভীৰভাৱে শিপাইছিল যে যথাৰ্থতে ধৰ্মই তাক আজিও উটুৱাই নিব পৰা নাই। শুকুৰবাৰৰ জুমা নামাজৰ পাছত নতুবা দিনটোৰ অন্য নামাজৰ পাছত ছিন্নি দিয়া, তিনি দিনত আৰু চল্লিশ দিনত মৰাসকাম পতা, মন্ত্ৰ মতা, জৰা-ফুকা কৰা ইত্যাদি লোকাচাৰ আজিও মুছলমান সমাজত চলি আছে। সেইদৰে জন বিশ্বাস কিছুমান বিশেষ মানুহ এজনৰ মুখ ৰাতিপুৱা দেখিলে যাত্ৰাৰ সময়ত কোনো কাৰণত বাধাপ্ৰাপ্ত হলে দিনটোৰ কাৰণে যাত্ৰা নাস্তি হোৱা বুলি ভবা, প্ৰথম কইনা চাবলৈ যাওঁতে মৃত বস্তু দেখিলে বিবাহ-ভঙ্গৰ সম্ভাৱনা থকা, দুপৰীয়া ঘৰৰ চৌহদত কাউৰীয়ে মতা, গধুলি ফেঁচাই নিউ নিউ কৰি মতা আদি অমঙ্গলৰ চিন বুলি লোকাচাৰ মুছলমান সমাজতো সমান্তৰাল গতিত বিৰাজমান। শনিবাৰে, মঙ্গলবাৰে দাড়ি-চুলি, নখ নকটা, ভাত খাওঁতে ডিঙিত চৰ্চৰণি খালে কোনোবাই মনত কৰা বুলি বিশ্বাস কৰা, সপোনত দাঁত সৰা দেখিলে পৰিয়ালৰ বিপদঘটা আদি প্ৰচলিত জনবিশ্বাস, অলিখিত ৰীতি নীতি, লোকাচাৰ, দেশাচাৰ আদি হিন্দু-মুছলমানৰ পাৰস্পৰিক, ক্ৰিয়াৰ ফলত গঢ় লোৱা একোটাইত ঐতিহ্য। এই ঐতিহ্য সামাজিক ৰীতি-নীতিত এনেকৈ সোমাই পৰিছে যে সেইবোৰক এৰাই চলি বাট বুলিব নোৱাৰি।

হিন্দু সম্প্ৰদায়ৰ সংস্কৃতিয়ে দৰঙত মুছলমান সম্প্ৰদায়ক যি দৰে আচ্ছন্ন কৰি ৰাখিছিল ঠিক সেইদৰে প্ৰাচীন মুছলমান সংস্কৃতি হিন্দু সংস্কৃতিত প্ৰৱেশ ঘটি অসমীয়া সমাজ আৰু সংস্কৃতিক অপৃথক আৰু অবিচ্ছন্নকৈ ৰাখিছে।

পৰিশিষ্ট -৮

অসম তথা দৰঙৰ মুছলমানসকলৰ বিষয়ে প্ৰণিধানযোগ্য তথ্যসমূহ

অসমৰ বুৰঞ্জী প্ৰণেতাসকলে অসমৰ মুছলমান সকলৰ বিষয়ে বিশ্লেষণাত্মক তথ্য সন্নিবিষ্ট কৰা নাই বুলি কলেও সম্ভৱ ভুল কোৱা নহব। বহুকেইজন বুৰঞ্জীবিদে আকৌ মুছলমানৰ অসম আক্ৰমণসমূহক 'বঙাল'ৰ আক্ৰমণ বুলিহে উপহাস কৰা দেখা গৈছে। এখন দেশৰ ৰাজনৈতিক, সামাজিক তথা ধৰ্মীয় অনুভূতি সমন্বয়-সম্প্ৰীতি আদিৰ বাস্তৱ চিত্ৰসমূহৰ সম্যক জ্ঞান উপলব্ধ হয় প্ৰধানতঃ ইতিহাস বা তেনে ধৰণৰ বিশ্লেষাণাত্মক পুথি অধ্যয়ণৰ পৰা। কিন্তু ইতিহাসবিদসকলে বৈচিত্ৰ্যময় অসমৰ জনগোষ্ঠীৰ প্ৰণিধানযোগ্য তথ্যৰে ইতিহাসসমূহ প্ৰণয়ন নকৰা যেন অনুমান হয়। ইতিহাসে অসমৰ মুছলমানসকলৰ তথ্য বৰ পুতৌ লগাকৈ দাঙি ধৰিছে। সেইবোৰ অকল অসম্পূৰ্ণই নহয় বহুক্ষেত্ৰত ব্যতিক্ৰম ধৰ্মী। গতিকে অসমীয়া জাতি গঠনত উত্তৰ পুৰুষসকলে 'অসমীয়া' আৰু 'মুছলমান' হিচাপে পৃথকীকৰণ কৰা দেখা গৈছে। মৌলবাদ চিন্তা ধাৰাই বৃহৎ অসমীয়া সমাজখনত এই পৃথকীকৰণক উদ্‌গনি দিয়াও দেখা যায়। তেতিয়াই মানুহৰ দৃষ্টিগোচৰত দুখন চিত্ৰই লুকাভাকু খেলে। অৱশ্যে এই চিত্ৰ অংকণ কৰোতে একপক্ষীয় ভাৱে কাকো দোষী সাব্যস্ত কৰিব নোৱাৰি। তাৰ কাৰণে হিন্দুৰ মৌলবাদ আৰু মুছলমানৰ মৌলবাদ উভয় পক্ষই দায়ী। ইয়াৰ গুৰিতে হ'ল বুৰঞ্জী প্ৰণেতাসকলৰ অসমীয়া জাতিৰ অসম্পূৰ্ণ চিত্ৰ অঙ্কণ আৰু হয়তো উদ্দেশ্যপ্ৰণীত লিখন।

অসম অভিযানত বিভিন্ন সময়ত মুছলমান তুৰ্কী-মোগল পাঠান সেনাপতিৰ লগত অহা বিভিন্ন জন মুছলমান পৰিব্ৰাজকে লিখা প্ৰায় ১৬খনমান গ্ৰন্থ আছে। কিন্তু সেইবোৰ ফাচী ভাষাত লিখাৰ কাৰণে সাধাৰণ পঢ়ুৱৈ সকলৰ বোধগম্য নহয়। তাৰে দুই-চাৰিখন ইংৰাজীলৈ অনুবাদ কৰা হৈছে যদিও সেইবোৰো কম সংখ্যক পঢ়ুৱৈৰ কাৰণেহে বোধগম্য। তথাপিও সেইবোৰৰ পৰা বিভিন্ন জনে লিখা প্ৰবন্ধ-নিবন্ধসমূহ অসমীয়া মুছলমানৰ জাতি গঠনৰ অৰিহণাৰ তথ্য বিচাৰি পাব পাৰি।

এইখিনিতে উল্লেখ কৰা যায় যে যদিও বহুজনৰ মনত শংকা আৰু সঠিক তথ্য সম্বলিত নহয় বুলি ভাৱৰ উদ্রেগ সৃষ্টি কৰিছে তথাপি সুদূৰৰ ইংৰাজ লেখক চাৰ এডোৱাৰ্ড গেইটে অসমত চৰকাৰী কাৰ্য্যনিৰ্বাহ কৰি থাকোতে বিভিন্ন ব্যক্তি, আৰু পাঁজি-পুথিৰপৰা তথ্য সংগ্ৰহ কৰি লিখা 'অসম বুৰঞ্জী' খন অসমৰ মুছলমান সম্পৰ্কীয় এখন তথ্য সম্বলিত বুৰঞ্জী। কিন্তু সেইখনো ইংৰাজী ভাষাত লিখাৰ কাৰণে লগতে উচ্চস্থৰীয় হোৱাৰ কাৰণে এশ্ৰেণী শিক্ষিত অসমীয়া লোকৰ মাজতে সীমাবদ্ধ আছিল। সেইখনৰ অসমীয়া অনুবাদ প্ৰকাশ হোৱাতহে সৰ্বসাধাৰণৰ কাৰণে প্ৰযোজ্য হয়। গেইট চাহাবৰ 'অসম বুৰঞ্জী' খনে অসমত মুছলমানৰ তথ্য যিখিনি দাঙি ধৰিছে সেইখিনিকে অনুসৰণ কৰি পৰৱৰ্তী বুৰঞ্জী প্ৰণেতা সকলে বিভিন্ন দিশত আলোকপাত কৰা পৰিলক্ষিত হৈছে। গতিকে গেইট চাহাবৰ অসম বুৰঞ্জীখন ১৯০৫ খৃঃৰ সময়ছোৱাৰ একক বুলি কোৱাৰ থল আছে। এইখনৰ পাছতে শ্ৰীমৃদু পৱণ গোস্বামীৰ 'বুৰঞ্জী প্ৰবাহ' নামৰ বুৰঞ্জীখন অসমৰ মুছলমান সম্পৰ্কীয় তথ্য ভৰপুৰ চিত্ৰৰে প্ৰণিধানযোগ্য পুথি। আন এখন উল্লেখযোগ্য গ্ৰন্থ হ'ল আব্দুছ ছাত্তাৰ চাহাবৰ 'সংমিশ্ৰণত অসমীয়া সংস্কৃতি'। এইখন বুৰঞ্জী নহলেও বুঞ্জীৰ সমল পাতে পাতে। তেখেতৰ ভাষাত এইখন "অসমীয়া মানুহৰ জীৱনৰ ওপৰত সাংস্কৃতিক প্ৰভাৱ সম্বন্ধীয় তথ্য পাতিৰ আলোচনা আৰু বিশেষকৈ— অসমীয়া ভাষাৰ শব্দমালাত মূল ফাৰ্চী, আৰবী আৰু পস্তু শব্দাৱলীৰ প্ৰভাৱ আৰু প্ৰচলন আৰু সেই শব্দসমূহৰ চলন্তি অসমীয়া ৰূপৰ ইতিবৃত্ত।' তদুপৰি তেখেতে পুথিখনৰ পাতনিত লিখিছে— 'এই অকণমান কিতাপখনত ভাৰতলৈ মুছলমান আগমন হোৱাৰ পৰা আৰম্ভ কৰি ক্ৰমান্বয়ে বিস্তৃতি লভা সম্বন্ধে আলোচনা কৰি অসমত মুছলমানৰ আগমনৰ লগে লগে সাহিত্য, সঙ্গীত, চিত্ৰকলা, পোছাক-পৰিচ্ছেদ, স্থপতি বিদ্যা আৰু খোৱা-বোৱা আদিত কিদৰে প্ৰভাৱ বিস্তাৰ কৰিলে আৰু অসমীয়া জীৱনত কি খিনি অৰিহণা যোগালে তাৰে সম্যক আভাস ইয়াত দিয়া হৈছে।" তেখেতৰেই 'প্ৰসঙ্গ কোষ' এখন অমূল্য গ্ৰন্থ। য'ত পাব পাৰি অভিধানিক মানুহৰ চমু জীৱনী আৰু লুপ্ত প্ৰায় বহুতো সমলৰ বিৱৰণ। ভবেন নাৰ্জ্জীৰ 'বড়ো-কছাৰীৰ সমাজ আৰু সংস্কৃতি'ত পোৱা কিৰাত বংশীয় বড়ো কছাৰীসকল মুছলমানৰ সংস্পৰ্শলৈ অহাৰ ফলত তেওঁলোকৰ পূজা পাৰ্বণত মুছলমান দেৱতালৈ ভোগ আগবঢ়োৱা বৃতান্তৰ লগতে মঙ্গলয়দ সকল ধৰ্মান্তৰিত হৈ মুছলমান হোৱা বৃতান্ত। অসম

আন্দোলনৰ সময়ত চিত্তৰঞ্জন মেদিনী চৌধুৰীৰ দ্বাৰা প্ৰণীত 'লুইত বৰাক আৰু ইছলাম' নামৰ ৰচনাধৰ্মী গ্ৰন্থখন অসমৰ মুছলমান সম্পৰ্কে বহুল তথ্য সম্বলিত এখন অনন্য গ্ৰন্থ। এই গ্ৰন্থখনিতে লেখকে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ মুছলমানসকলে সহ অৱস্থানৰ জৰিয়তে বৃহৎ অসমীয়া ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক পথাৰখনলৈ আগবঢ়োৱা অৱদানৰ নিভাঁজ তথ্য দাঙি ধৰিছে। যাৰফলত অতীত অসমখনৰ হৰলুকী দিয়া কিছুমান চিত্ৰ পুনৰ সজীৱ হৈ পঢ়ুৱৈৰ দৃষ্টিত দেখা দিয়ে— এক বলিষ্ঠ পদক্ষেপ হিচাপে। ড° মহেশ্বৰ নেওগ সম্পাদিত 'পবিত্ৰ অসম'ত অসমৰ পীৰ, ফকীৰ, চুফীসকলৰ দৰগাঁহ আৰু মছজিদ সম্পৰ্কে কিছু কথা জানিব পাৰি কিন্তু তাত সন্নিবিষ্ট দৰঙত মুছলমান অধ্যায়টো বৰ দুখ লগা। ইছমাইল হোচেইনৰ 'অসমৰ জাতীয় জীৱন আৰু অভিবাসী মুছলমান' শীৰ্ষক গ্ৰন্থৰ পৰা বংগমূলীয় মুছলমানৰ কিছু তথ্য পোৱা যায়। মৌলানা ভাসানীৰ জীৱন-গাঁথাও উক্ত গ্ৰন্থখনৰ আধাৰত লিখা হৈছে।

অসম সাহিত্য সভাৰ ৫৯ তম্ শিৱসাগৰ অধিবেশনৰ আদৰণী সমিতিয়ে প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ 'ৰংপুৰ' এখন অসমীয়া জনগোষ্ঠীৰ বাবে আপুৰুগীয়া স্মৃতিগ্ৰন্থ। এই স্মৃতিগ্ৰন্থখনিয়ে বিভিন্ন জাতি-জনজাতিৰ যি বিশ্লেষণাত্মক চিন্তা চৰ্চা দাঙি ধৰিছে অন্যান্য তেনে অনুষ্ঠানৰ স্মৃতি গ্ৰন্থসমূহে তেনেকৈ তথ্য দাঙি ধৰা দেখা নাযায়। উজনি অসমৰ মুছলমানসকলৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক দিশ উজ্জ্বল কৰি তোলাত সৌ তাহানিয়ে বৃত্তিধাৰী হিচাপে নিয়োজিত মুছলমান ফৈদসমূহৰ বিশেষকৈ ভাস্কৰ্য, স্থাপত্য, কলা-সাহিত্যক পৰিপুষ্ট কৰি যিবোৰ অৱদানেৰে বৰ অসম গঢ়ি তোলাত ভৰশুণি যোগালে সেই তথ্যসমূহ সঁচাকৈয়ে চমকপ্ৰদ। এই তথ্যসমূহ চিৰদিনলৈ অসমীয়া জাতিৰ সমন্বয়ৰ সেঁতু হৈ ৰব। আন এখন অসম সাহিত্য সভাৰ ৬২ তম বোকাখাত অধিবেশনৰ স্মৃতি গ্ৰন্থ 'নামদৈয়াং' তেনে সমতুল্যৰ স্মৃতি গ্ৰন্থ। অসমত মুছলমান যুদ্ধ বন্দীৰ স্থিতি গ্ৰহণ আৰু অসমকে মাতৃভূমি বুলি আকোৱালি লোৱা তথ্য এই স্মৃতিগ্ৰন্থ খনিয়ে বহন কৰিছে। ইতিহাসে চুকি নোপোৱা মুছলমানৰ বহুত তথ্য প্ৰণিধানযোগ্য হিচাপে ইয়াত দাঙি ধৰা হৈছে।

ড° লীলা গগৈৰ 'অসমৰ সংস্কৃতি' নামৰ গ্ৰন্থখনিত প্ৰাচীন অসমলৈ বিভিন্ন প্ৰজাতিৰ মানুহৰ প্ৰব্ৰজন, আৰু 'অসমীয়া সংস্কৃতি আৰু মুছলমান' শীৰ্ষক অধ্যায়ত মুছলমান সম্পৰ্কীয় কিছু তথ্য পাব পাৰি। অসমৰ অন্যান্য জিলা কামৰূপ, বৰপেটা,

গোৱালপাৰা, ধুবুৰী, উজনি অসমৰ শিৱসাগৰ, গোলাঘাট, ডিব্ৰুগড় আদি, বৰাক উপত্যকাৰ জিলাকেইখনৰ মুছলমান বিষয়ক কিছু প্ৰণিধানযোগ্য তথ্য পোৱা যায়। কিন্তু দৰং জিলাৰ মুছলমান সম্পৰ্কীয় তথ্য অতি দুখ লগা। দৰং জিলাৰ কোনো প্ৰামাণিক তথ্যই পূৰ্বৰ দৰঙী মুছলমানে লিখি থৈ যোৱা নাই। পণ্ডিত দীনেশ্বৰ শৰ্মাদেৱে মঙ্গলদৈ বুৰঞ্জী' প্ৰণয়ন কৰিছে যদিও তাত মুছলমান সম্পৰ্কীয় এটা তথ্যও সন্নিবিষ্ট কৰা নাই। নজৰ আলি পণ্ডিতে 'মোৰ জীৱনত কিছু কথা'ত অতীত দৰঙৰ মুছলমানসকলৰ এটা চিত্ৰ দাঙি ধৰিছে যদিও মুছলমানসকল ক'ৰপৰা আহি দৰঙত বসতি স্থাপন কৰিলেহি সেই বিষয়ে গ্ৰন্থখনিত কোনো মন্তব্য দাঙি ধৰা নাই। কাজেই দৰঙী মুছলমানৰ প্ৰণিধানযোগ্য দস্তাবেজ নাই বুলি কলেও অত্যুক্তি কৰা নহব। আজি কালি অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে বছৰেকীয় অধিবেশন পাতি একোখন স্মৰণিকা বা স্মৃতিগ্ৰন্থ প্ৰকাশ কৰাৰ ঢৌ উঠিছে। অসমীয়া সাহিত্য ভঁৰালৈ এয়া শুভ লক্ষণ হলেও তাত সন্নিবিষ্ট কৰা তথ্যসমূহে পঢ়ুৱৈ সমাজক বাৰুকৈয়ে চিন্তান্বিত কৰি তোলে। কিছুমান লেখাকে ৭ম শতিকাতে দৰঙত মুছলমান সমাজ গঠন হোৱা বুলি দাবী কৰে। কিন্তু আৰৱত ইছলাম ধৰ্মৰ আৱিৰ্ভাৱ আৰু সেই সময়ত আৰৱত কি কণ্টকময় পথেৰে ধৰ্মটোৱে আগবাঢ়িব লগা হৈছিল তাৰ প্ৰতি দৃষ্টি নিদি অকল নিজকে জাহিৰ কৰাৰ পথেৰে অগ্ৰসৰ হোৱা বুলি অনুমান হয়। কিছুমান আকৌ তেওঁলোকৰ পূৰ্বপুৰুষ ধৰ্মান্তৰিত মুছলমান বুলি গৌৰৱবোধ কৰে আৰু অঞ্চলটোৰ অইন মুছলমানসকলো ধৰ্মান্তৰিত বুলি দাবী কৰে। এনেকুৱা দাবী কৰা সকলৰ মতে সেই অঞ্চলৰ এশ শতাংশই ধৰ্মান্তৰিত মুছলমান। আনহাতে সেই অঞ্চলৰ মুছলমানে সেই দাবী মানি লবলৈ টান পায়। আমি এই পুথিখনত সেইবোৰ ঠাইৰ মুছলমানৰ বৃত্তান্ত দিবলৈ যাওঁতে বহুতো শালঠেকত পৰিব লগা হৈছে। বহুতে প্ৰতিবাদ কৰিব বুলিও হমকি দিছে। গতিকে স্পৰ্শকাতৰ ঠাইবোৰৰ বৰ্ণনা বিশেষকৈ মুছলমান সম্পৰ্কীয় বৰ্ণনা দিওঁতে বৰ সাৱধানে এই গ্ৰন্থত কলম চলাব লগা হৈছে। তদুপৰি প্ৰাচীন পুখুৰী, মছজিদ আদি নিৰ্মাণৰ ক্ষেত্ৰত মানুহৰ মাজত বহুত বিভ্ৰান্তমূলক তথ্য প্ৰচাৰিত হৈছে। তথাপি বিষৰপৰা অমৃত মথি উলিওৱাৰ দৰে সেইবোৰ স্মৰণিকাৰ পৰাই মুছলমান বিষয়ক তথ্যবোৰ চালি-জাৰি দৰঙত ইছলাম ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ অধ্যায়ত সন্নিবিষ্ট কৰা হৈছে। যিটো হয়তো প্ৰতিভাসিক হব পাৰে।

দৰঙৰ লোক সংস্কৃতি সমীক্ষা নামৰ গ্ৰন্থত ড° ইৰছাদ আলি ভাওৰীয়াই 'দৰঙৰ অসমীয়া মুছলমান সমাজ আৰু সংস্কৃতি এটি টোকা' নামৰ নিবন্ধত অতীত দৰঙৰ মুছলমানসকলৰ এটি সমীক্ষা দাঙি ধৰিছে। কম কথা হলেও উক্ত সমীক্ষাটোৰপৰা দৰঙী মুছলমান সমাজখনৰ কিছু কথা জানিব পাৰি। সেইদৰে লোক-সাহিত্য গৱেষক তৰুজ্জুল হচেইনৰ লিখনিসমূহতো দৰঙৰ মুছলমানৰ বিষয়ে ভালেখিনি তথ্য জনা যায়।

হিন্দু-মুছলমানৰ সহ অৱস্থান, সমন্বয়, সম্প্ৰীতি আৰু দেশপ্ৰাণ মনোভাৱৰ দ্বাৰাই যে বৃহৎ অসমীয়া জাতিসত্বা গঢ়লৈ বিশ্ব দৰবাৰত ভূমুকি মাৰিবলৈ সক্ষম হৈছে তৎস্বত্বেও কিছুমান প্ৰতিক্ৰিয়াশীল মানুহৰ মনত হিন্দু-মুছলমানৰ মাজত এটা প্ৰভেদ, এটা ভ্ৰান্ত ধাৰণাকে জীয়াই ৰাখিছে। এই জাতিসত্বা গঠনত আটাইতকৈ ডাঙৰ অৰিহণাটো যে অসমৰ জনজাতীয়সকলৰ তাকো মানি লবলৈ বহুতে টান পায়।

এটা উদাহৰণ এনেকুৱা ধৰণৰ-এদিন এখন আৰক্ষী থানাত বহি আছোঁ। লগত এজন ডি, এচ, পি.। এনেতে এজন দাৰোগাই এদল মানুহ ধৰি লৈ বীৰদৰ্পে থানাত প্ৰৱেশ কৰিলে। যৰি অন্য মানুহ আৰু লগত অহা মানুহৰে মুহূৰ্ত্ততে থানাখন ভৰি পৰিল। মানুহবিলাক অসমীয়া মুছলমান সম্প্ৰদায়ৰ। ভাৰপ্ৰাপ্ত বিষয়াজনে সিমানবোৰ মানুহ কিয় ধৰি আনিছে বুলি সুধিলে। ডি, এচ, পি আৰু মই নিৰ্বিকাৰ হৈ চাই আছোঁ। দাৰোগাজনে উত্তৰত কলে যে এইমুছলমান মানুহ মখাই অসমীয়া মানুহৰ ঘৰ-দুৱাৰ ভাঙি পেলাইছে। এই মুছলমানমখাৰ উৎপাতত ওচৰত থকা অসমীয়া মানুহকেইঘৰ তিষ্ঠি থকাই টান হৈছে। কথাষাৰত মই বাকৰুদ্ধ হৈছিলোঁ যদিও মুছলমানসকল অসমীয়া নহয় নেকি সুধিলোঁ। সেমেনা-সেমেনি কৰি দাৰোগাজন পাছফালৰ বাৰান্দাৰ ফালে গুচি গ'ল। এনেকুৱা অলেখ উদাহৰণ আছে— "মুছলমান কেইঘৰৰ ওচৰতে অসমীয়া গাঁওখন, মুছলমানকেইঘৰ পাৰ হৈয়ে অসমীয়া গাঁওখন পায় ইত্যাদি। এনেকুৱা উদাহৰণ অশিক্ষিত মানুহৰ মুখতে নহয়। শিক্ষিত মানুহৰ মুখতো যে অশোভনীয় ভাৱে প্ৰকাশ পায় সেইটো মানুহে জানিও নজনাৰ ভাও ধৰে। কোনেও প্ৰতিবাদ নকৰে।

অসমীয়া প্ৰতিদিন বাতৰি কাকতত তৰুণচন্দ্ৰ ভট্টাচাৰ্যৰ ২০০৩ চনৰ ২ আগষ্ট শনিবাৰৰ সংখ্যাত বাঘ হাজৰিকা কোন? শীৰ্ষক নিবন্ধ এটাত অসম বুৰঞ্জী

কেইখনমান উদ্ধৃতিৰে অসমত বাঘ হাজৰিকা নামৰ কোনো ব্যক্তি নাছিল বুলি প্ৰতিয়মান কৰি লিখা কথাখিনিয়ে আমাক বাৰুকৈয়ে শংকাৰ ঠেকত পেলাইছিল। ভ্ৰান্তিটো ভট্টাচাৰ্যৰ নে অসম বুৰঞ্জীসমূহৰ নে তেওঁৰ অধ্যয়নৰ অভাৱ নাজানো। কিন্তু বাঘ হাজৰিকাৰ অসীম বীৰত্বত শৰাইঘাট যুদ্ধত অসমীয়াৰ সফলতা যে ঐতিহাসিক ভাৱে প্ৰমাণিত তাক দেখোন অস্বীকাৰ কৰা টান। সেই যুদ্ধতে কোচ বজাই দৰঙী মুছলমান সৈন্যৰে আহোমক সহায় কৰা প্ৰমাণো ইতিহাস প্ৰসিদ্ধ।

ভাৰতৰ মুক্তি আন্দোলনত দৰঙী মুছলমানৰ যি সাহস আৰু ত্যাগ অন্যান্য সম্প্ৰদায়ৰ সেই সাহস আৰু ত্যাগতকৈ কোনো গুণে কম নহয়। সেইদৰে পথৰুঘাটৰ ৰণত প্ৰবল প্ৰতাপী ইংৰাজৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিবলৈ গৈ দৰঙী হিন্দু-মুছলমান উভয় সম্প্ৰদায়ে বন্দুকৰ গুলি বুকু পাতি লৈছিল। কিন্তু পৰিতাপৰ বিষয়ে যে দৰঙী মুক্তি যুঁজাৰু সকলৰ লিখনিত জেহিৰুদ্দিন আহমেদ চিদ্দিক আলি, চৈয়দ ফজলুৰ ৰহমান, মৌলবী আব্দুল খালেক আদি অনেক মুছলমান মুক্তিযুঁজাৰুৰ নাম পোৱা নাযায়। মাত্ৰ মুক্তি যুঁজাৰু সত্য নাথ বৰুৱাই যুগুতোৱা মুক্তি যুঁজাৰুৰ তালিকাখনে সেই দিশৰ কিছু কথা জানিবলৈ দিয়ে। সেইদৰে অৱসৰপ্ৰাপ্ত-স্বাস্থ্য বিষয়া - সাহিত্যিক এম আবিদ আলিৰ 'পথৰুঘাট' গ্ৰন্থখনে মুছলমান-হিন্দু সম্বন্বিতে কিছু দৰঙী প্ৰজাৰ সাহসিকতাৰ তথ্য পোহৰলৈ আনে।

এনেকৈ অসম তথা দৰঙৰ মুছলমানৰ ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক দিশৰ অৰিহণাৰ অনেক প্ৰণিধানযোগ্য তথ্য হয়তো দুৰৱি বনৰ তলত পৰি আছে যিবোৰ বুটলি আনিব পাৰিলে অসমীয়া সমাজ জীৱন অধিক বলীয়ান হ'ব।

এই গ্ৰন্থখন যুগুত কৰোতে যিবোৰ পুথিৰ সহায় লোৱা হৈছে তাৰ বিষয়ে পৃষ্ঠাসহ তলত উল্লেখ কৰা হৈছে। দৰঙ অধ্যায়ত অ'ত ত'ত পৰি থকা তথ্য আৰু গাঁও ভিত্তিক নবীন-প্ৰবীন ব্যক্তিৰ মুখৰপৰাও কিছু তথ্য সংগ্ৰহ কৰা হৈছে। অৱশ্যে সেইবোৰ তথ্যৰ সত্যতা অকল এজনৰ ওপৰতে নিৰ্ভৰ কৰি লিখা নাই। বহুজনৰ তথ্য একগোট কৰি তাৰপৰা মূল তথ্যটো লবলৈ যত্ন কৰা হৈছে।

তথ্য যোগানকাৰী সকলৰ পৰিচয় তালিকা এখনো পৰিশিষ্টৰ ভিতৰতে দাঙি ধৰা হৈছে।

পৰিশিষ্ট -২

দৰঙৰ অভিবাসী মুছলমান

থলুৱা অসমীয়া মানুহে ঢুকি নোপোৱা ইকৰা, বিৰিণা, খাগৰি গছ আদিৰে আবৃত জংঘলময় ব্ৰহ্মপুত্ৰৰ চৰ-চাপৰিলৈ আগমন ঘটিছিল অভিবাসী মুছলমান জনগোষ্ঠীৰ।

এই অভিবাসী মুছলমান সকল আহিছিল পূৰ্ববংগৰ পৰা। "মুছলমান বিলাক বংগদেশৰ পৰা জেতাৰূপে আহি সোমোৱা নাই। সিবিলাক আহিছে বঙ্গদেশৰ জমিদাৰসকলৰ উৎপীড়ণ সহিব নোৱাৰি, অসমৰ মুকলি পথাৰত নিৰুদ্বেগ আৰু নিৰ্বিঘ্নে পেটৰ ভাত মুকলি কৰিবলৈ। গতিকে এইবিলাক মুছলমানে কৃতজ্ঞতাৰ মূল্য স্বৰূপে অতি সহজেই সোনকলে অসমীয়া জাতিৰ লগত মিলি যাব বুলি বিশ্বাস হৈছে।" — (অম্বিকাগিৰী ৰায় চৌধুৰী)

পৰৱৰ্ত্তী কালত ৰায় চৌধুৰীদেৱৰ বিশ্বাস বাস্তৱত পৰিণত হয়। তেওঁলোকে কাহানিও অন্য জনগোষ্ঠীয়ে স্বকীয়তা দাবী কৰাৰ দৰে দাবী কৰা নাই পৃথিকীকৰণৰ। বৰঞ্চ অসমীয়াৰ মূল সুঁতিৰ লগত মিলি বৃহৎ অসমীয়া ভাষী ৰাজ্য গঠনত আকাৰ্পণ্য অৰিহণা যোগাই আহিছে।

১৮৪২ খৃঃৰ পৰা এই অভিবাসী মুছলমান সকলৰ প্ৰব্ৰজন আৰম্ভ হয় যদিও ১৮৪৭ খৃঃত বংগৰ পৰা অসমলৈ ব্ৰহ্মপুত্ৰৰে ভাপ নাও 'পাইনো'ৰ নৌপথ স্থাপন হোৱাত আৰু ১৯০৪ খৃঃত বংগৰ চিটাগঙ (চট্টগ্ৰাম)ৰ পৰা সৈতে ডিব্ৰুগড় তিনিচুকীয়ালৈ সম্প্ৰসাৰণ কৰা ৰেল সংযোগৰ ফলত প্ৰব্ৰজনৰ সোঁতটো প্ৰবল হয়। তদুপৰি ১৯০৫ -১৯১১ খৃঃৰ কালছোৱাত বৃটিছ চৰকাৰে অসম আৰু বঙ্গ চামিল কৰি এখন প্ৰদেশ কৰিছিল। এখন প্ৰদেশৰ মানুহ ইফালে সিফালে যোৱাত ৰাজনৈতিক বাধা একেবাৰে নাইকিয়া হৈছিল। ফলত বৃটিছ চৰকাৰৰ উপনিবেশিক আঁচনিখন সফল কৰাত ইয়ে সহায় কৰিছিল। প্ৰব্ৰজন কৰি অসমলৈ অহা লোকক সংস্থাপন দিবলৈ তেতিয়াৰ বৃটিছ চৰকাৰে "উপনিবেশিক আঁচনি (Colonisation Scheme) গ্ৰহণ কৰি বৰপেটা, নগাঁও আৰু দৰঙৰ মঙ্গলদৈত সংস্থাপনৰ উদ্দেশ্য ঔপনিবেশিক বিষয়া (Colonisation officer) নিয়োগ কৰিছিল।

"The Colonisation Scheme for opening out the remote tracts of the province encouraged people from other parts of the India to come to Assam, Immigrants came in substantial numbers from Mymensing and Pabna to Goalpara and Nowgong." [১]

কৃষি শতিকাৰ প্ৰাৰম্ভণিত পূৰ্ববংগৰ দৰিদ্ৰ মুছলমান কৃষকসকলক অসমলৈ আগমনৰ ক্ষেত্ৰত অসমীয়া সমাজৰো হাত আছিল। ১৮৭৪ খৃঃ তেই প্ৰায় এশ গৰাকী অসমীয়া মধ্যবিত্ত শ্ৰেণী মানুহৰ সম্বলিত এখন দৰ্খাস্ত লৰ্ড নৰ্থব্ৰুকৰ ওচৰত দাখিল কৰা হয়। দৰ্খাস্তত কোৱা হয় যে, অতি ক্ষুদ্ৰ জনসংখ্যাৰ ৰাজ্য অসম। সেই হেতুকে ইয়াৰ জনসংখ্যা বৃদ্ধি কৰিবলৈ ৰাজ্যৰ বাহিৰৰ পৰা মানুহ আনিব লাগিব। বৃটিছ প্ৰশাসকসকলেও অসমীয়া মধ্যবিত্তৰ আবেদনত সহঁাৰি জনাই অধিক শস্য উৎপাদন (Grow more food) আৰু কৰ-কাটল, খাজনা আদি আদায়ৰ অৰ্থে বংগৰ পৰা প্ৰথমে হাজাৰৰ হিচাপত আৰু পৰৱৰ্ত্তী সময়ত লাখৰ হিচাপত মৈমনসিঙীয়া কৃষক আমদানি কৰে।[২] অৱশ্যে ইয়াৰ পাছতো বংগীয় মুছলমানৰ সোঁত সণ্ডালনি গতিত প্ৰব্ৰজন চলি আছিল।

জনসংখ্যাৰ এই পৰিসংখ্যা বৃদ্ধি হ'ল মধ্য আৰু নামনি অসমৰ অন্যান্য জিলাৰ লগতে দৰং জিলাৰ চৰ-চাপৰি অঞ্চলত। চিন্তিত হ'ল অসমীয়া বুদ্ধিজীৱী সকল। অপৰিসীম কষ্ট স্বীকাৰ কৰি অসমৰ পতিত অনাবাদী মাটিক শস্য-শ্যামলা কৰা অভিবাসী মুছলমানসকলৰ মাতৃভাষা যিহেতু বাংলা সেই হেতুকে অসমীয়া মধ্যবিত্ত সকলৰ মাজত এনে এক ভয়ৰ উদ্ৰেক হৈছিল যে এটা সময়ত অভিবাসীসকলৰ হেঁচাত অসমীয়া ভাষী মানুহ সংখ্যা লঘুত পৰিণত হ'ব। এই আশংকাত উদ্বিগ্ন হৈ অসমীয়া মধ্যবিত্তসকলে চৰকাৰ ওচৰত দাবী উত্থাপন কৰিলে যে অভিবাসী মুছলমানৰ ওপৰত সতৰ্কতা অৱলম্বন কৰি সময় থাকোতেই এক বিহিত ব্যৱস্থা ল'ব লাগে। বৃটিছ চৰকাৰেও তেনে এটা আপত্তিৰ কাৰণেই অপেক্ষা কৰি আছিল। যি বৃটিছ চৰকাৰে বংগৰ পৰা মুছলমান আমদানি কৰি বংগত বঙালীৰ শক্তি হ্ৰাস কৰিছিল সেই বৃটিছ চৰকাৰেই অসমত অসমীয়াভাষী আৰু বাংলাভাষীৰ মাজত

১ অসমৰ জাতীয় জীৱন আৰু অভিবাসী অসমীয়া মুছলমান : ইছমাইল হোছেইনঃ পৃঃ ১৮
২ ঐ ঐ পৃঃ ৭৮

অনৈক্যৰ বীজ সুমুৱাই বিভাজন অনাৰ পথ মুকলি কৰি দিছিল। নিজৰ দোষ ঢাকি বৃটিছ চৰকাৰে মধ্যবিত্ত আৰু অসমীয়া বুদ্ধিজীৱীৰ চাপত পৰা দেখুৱাই ১৯১৭ খৃঃত লাইন প্ৰথা প্ৰৱৰ্ত্তন কৰে আৰু ইয়াৰ প্ৰয়োগ ঘটাই ১৯২০ খৃঃত। এই প্ৰথানুযায়ী অভিবাসী মুছলমান আধ্যুষিত জিলাবোৰত তেওঁলোকৰ বাবে পৃথক অঞ্চল চিহ্নিত কৰা হয়।

প্ৰথমতে মঙ্গলদৈ চহৰৰ আশে-পাশে থকা চৰ চাপৰি মোৱামাৰী, সাৰেং, বান্দিয়া, গাধোৱা, গঁৰৈমাৰী আদিত অভিবাসী মুছলমানৰ বসতি ঘন আছিল। সেই সময়তে মহাত্মাগান্ধীৰ নেতৃত্বত ১৯২১ খৃঃত সমগ্ৰ ভাৰতত বৃটিছ চৰকাৰৰ বিৰুদ্ধে অসহযোগ আন্দোলনে তীব্ৰতৰ ৰূপ লৈছিল। দৰঙৰ হিন্দু-মুছলমান ৰাইজেও এই আন্দোলনত সমানে ভাগ লৈ সদৰ ঠাই মঙ্গলদৈ চহৰত পিকেটিং হৰতাল আদি পালন কৰা হৈছিল। যিহেতু মঙ্গলদৈ চহৰৰ নিকটত অভিবাসী মুছলমান সকল, বৃটিছৰ বিৰুদ্ধে যি কোনো প্ৰতিবাদৰ কাৰ্যসূচী ললেই মাৰবান্ধি ওলাই আহি আন্দোলনত সহযোগ কৰিছিল; তাৰ ফলত আন্দোলন তীব্ৰৰ পৰা তীব্ৰতৰ হৈছিল, বৰ্জিত হৈছিল বিদেশী বস্তু।

যিহেতু অসমত লাইন প্ৰথা বলবৎ আছিলেই তাৰে সুযোগ লৈ বৃটিছ চৰকাৰৰ তৰফৰ পৰা অভিবাসী মুছলানসকলক প্ৰলোভন দেখুওৱা হ'ল মাটি পট্টন দিয়াৰ। মাটি পট্টন দিবলৈ প্ৰচলন কৰে দুবিধ কাৰ্ডৰ। এবিধ নীলা আৰু এবিধ লাল অৰ্থাৎ ৰঙা কাৰ্ড। এই দুবিধ কাৰ্ড বিতৰণৰ দ্বাৰা চৰকাৰে অভিবাসীসকলৰ মাজত যে বিভাজনৰ নীতি প্ৰয়োগ কৰাৰ চাতুৰালি খেলিছে তাক সহজ সৰল কৃষিজীৱী অভিবাসী মুছলমান সকলে বুজা নাছিল। প্ৰক্ৰিয়াটোত যথেষ্ট সময় লৈছিল যদিও অভিবাসীসকলে কোনোবাই নীলা কাৰ্ড আৰু কোনোবাই লাল কাৰ্ড গ্ৰহণ কৰিবলৈ একপ্ৰকাৰ বাধ্য হৈছিল।

প্ৰথমে নীলাকাৰ্ড গ্ৰহণ কৰা ব্যক্তি সকলক উচ্ছেদ কৰি দৰঙৰ উত্তৰ আৰু পূব অঞ্চললৈ পঠাইছিল তাৰ পাছত লাল কাৰ্ডৰ মানুহক ব্ৰহ্মপুত্ৰৰ চৰভূমি নাংনি, কিৰাকাটা, চাউলখোৱা আদি চৰলৈ পঠাইছিল।

বংগৰ প্ৰব্ৰজকৰ — সিংহভাগ মুছলমান হোৱা হেতুকে খিলঞ্জীয়া মুছলমানৰ কিছু সংখ্যকে ৰাজনৈতিক সমৰ্থন পাইছিল। ১৯৩৬ খৃঃৰ ১৬ মাৰ্চ তাৰিখে খান বাহাদুৰ নুৰুদ্দিন আহমেদে অসম বিধান পৰিষদত কৈছিল প্ৰব্ৰজক সকল অসমীয়া

সমাজত জাহ যোৱাৰ পথত অন্তৰায় হৈ আছে লাইন প্ৰথা। কাৰণ সেই সময়ত লাইন প্ৰথাই দুয়োটা সম্প্ৰদায়ৰ মাজত ভৌগলিক দূৰত্ব সৃষ্টি কৰাৰ উপৰিও মানসিক প্ৰতিবন্ধকতাও সৃষ্টি কৰিছিল। সেই কাৰণে দূৰদৰ্শী খান বাহাদুৰ চাহাবে 'লাইন প্ৰথা উঠাই দিয়া হওক' বুলি চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিছিল।

"My Hindu friends of Assam valley in order to prevent them from falling into the hands of the organisers of the Domiciled and Settlers Association, have been telling the immigrants that they regard them as Assamese people. But it is no use calling them Assamese without giving them the status of the Assamese" – ('Speech by Khan Bahadur Nuraddin Ahmed, 16 March. ALCP (1936-Vol. -16)'[১]

ইতিমধ্যে মহাত্মা গান্ধীৰ নেতৃত্বত 'ভাৰত ত্যাগ' আন্দোলন আৰম্ভ হৈছিল। সমান্তৰাল হিচাপে মহম্মদ আলি জ্বিন্নাৰ নেতৃত্বত গঢ়ি উঠিছিল মুছলিম লীগ। দুয়োবিধ আন্দোলনৰে একেটাই উদ্দেশ্য ঔপনিবেশীক বৃটিছ চৰকাৰক ভাৰত ত্যাগ কৰিবলৈ বাধ্য কৰা।

অসমত মুছলিম লীগৰ গুৰি ধৰিছিল মৌলনা ভাসানীয়ে। মৌলানা ভাসানীৰ জন্মস্থান আছিল পূৰ্ববংগৰ পাবনা জিলাৰ চিৰাজগঞ্জ চহৰৰ সমীপৱৰ্তী ধানগড়া গাঁও। পিতৃ আছিল হাজী মহম্মদ শৰাফত আলীখান আৰু মাতৃ মজিৰণ বিবি। ১৮৯৭ খৃঃত বংগত দেখা দিয়া দুৰ্ভিক্ষৰ সময়ত পিতৃহাৰা ভাসানী দৰিদ্ৰতাৰ সৈতে সংগ্ৰাম কৰি ১৯০৪ খৃঃত শিক্ষা গ্ৰহণৰ কাৰণে অসমৰ জলেশ্বৰলৈ আহে। তাতে তেওঁ চৈয়দ নাছিৰুদ্দিন বাগদাদীৰ অধীনত আৰবী, ফাৰ্চী, উৰ্দু আদি ভাষাৰ শিক্ষা গ্ৰহণ কৰে। শিক্ষা সমাপ্ত কৰি তেওঁ বংগলৈ উভতি যায় আৰু কংগ্ৰেছ দলত যোগদান কৰে। সেই সময়ত বংগত জমিদাৰ শ্ৰেণীয়ে কৃষক শ্ৰেণীৰ ওপৰত চলাইছিল চৰম নিৰ্যাতন। কৃষক সকলক নিৰ্যাতনৰ পৰা ৰক্ষা কৰিবলৈ তেওঁ কৃষক আন্দোলনৰ নেতৃত্ব বহন কৰে। কংগ্ৰেছ ত্যাগ কৰি তেওঁ কৃষক মুক্তি আন্দোলনৰ নেতা হিচাপে পুনৰ অসমলৈ গুচি আহে। কুৰি শতিকাৰ দ্বিতীয় আৰু তৃতীয় দশকত বংগীয় মূলৰ মুছলমান আৰু হিন্দু কৃষকৰ মাজত ভাসানী কৃষক নেতা হিচাপে জনপ্ৰিয় হৈ পৰে। ১৯২৪ খৃঃত অসমৰ ধুবুৰী জিলাৰ 'ভাসান' চৰত বহিৰাগত বঙালী কৃষকৰ

১ : অসমৰ জাতীয় জীৱন আৰু অভিবাসী অসমীয়া মুছলমান : ইছমাইল হোছেইনঃ পৃঃ ৮১

এক বিশাল সমদলত যোগদান কৰে। হিন্দু বঙালী সম্প্ৰদায়ৰ মানুহে তেওঁৰ প্ৰতি মুগ্ধ হৈ 'মৌলানা' উপাধিৰে অভিহিত কৰে। ধুবুৰীৰ সেই চৰটো আজিও ভাসানী চৰ নামে খ্যাত।

আইন অমান্য আন্দোলনত যোগদান কৰি মৌলানা ভাসানীয়ে ফকৰুদ্দিন আলি আহমেদৰ লগত একছৰ জেল খাটিছিল॥

ৰাজনীতিত ভাসানী আছিল দেশবন্ধু চিত্তৰঞ্জন দাসৰ শিষ্য। অসমত লাইন প্ৰথাৰ বিৰুদ্ধে আন্দোলন কৰি তেওঁ চৰকাৰৰ ৰোষত পৰে। ১৯৪৫–৪৬ খৃঃত অসমত গঢ়ি উঠিছিল অসমৰ বৃহত্তম জাতীয়তাবাদী সংগঠন 'অসম জাতীয় মহা সভা'। ফলস্বৰূপে গঢ়ি উঠে বিদেশী খেদা আন্দোলন। সুযোগ বুজি চৰকাৰে মঙ্গলদৈ, বৰপেটা, গুৱাহাটী, গোৱালপাৰা সংৰক্ষিত ভূমিৰপৰা অভিবাসী সকলৰ ঘৰ-দুৱাৰ হাতী লগাই উচ্ছেদ অভিযান আৰম্ভ কৰে। মঙ্গলদৈৰ দলগাঁও, খৈৰাবাৰী আৰু তেতিয়াৰ কামৰূপৰ বৰপেটা মহকুমাৰ চৰ আৰু নৈ পৰীয়া অঞ্চলত অভিবাসী মুছলমানৰ মাজত উচ্ছেদৰ বিভিষিকা সৃষ্টি হয়। মৌলানা ভাসানীয়ে এই নিৰ্যাতনৰ বিৰুদ্ধে ১৯৪৬ খৃঃত মে মাহত আমৰণ অনশন ধৰ্মঘট আৰম্ভ কৰে। ১৯৪৬ খৃঃৰ ২৬ জুন তাৰিখে মঙ্গলদৈত উচ্ছেদ অভিযানৰ প্ৰতিবাদত এক বিশাল জনসমাবেশ পাতি উদাত্ত ভাষণ দিয়াত বে-আইনী ঘোষণা কৰি চৰকাৰে মৌলানা ভাসানী সমন্বিতে উত্তৰ কাছাৰৰ পৰা ২০ বছৰ আগতে হাতীপুৰি আৰু মিছামাৰী চাপৰিত বসবাস কৰা কালু দেৱানীৰ সৈতে ৫৯ জন মুছলমান লোকক বন্দী কৰি মঙ্গলদৈ জেলত ৰাখে। সুদীৰ্ঘ ১৩ বছৰ অসমত আছিল মৌলানা ভাসানী। অসমৰ কাৰাগাৰত আছিল ৮ বছৰ। তেওঁ গঢ়ি তুলিছিল ৩৩ টা শিক্ষানুষ্ঠান।

তদুপৰি ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি মঙ্গলদৈৰ অভিবাসী মুছলমান বহুতেই জেল খাটে। সেই সকলৰ ভিতৰত ৰমজান মুন্সী, আকছেৰ আলি (দুয়োজন মোৱামাৰী চাপৰিৰ), ওৱাছুদ্দিন আৰিকাতি, ফুল মহম্মদ, আব্বাছ মুন্সী (আটাইকেইজন গাধোৱা চাপৰিৰ), মহম্মদ আলি (বেচিমাৰী) আৰু আব্দুল সেখ (মঙ্গলদৈ চহৰ) অন্যতম। মঙ্গলদৈ অসামৰিক চিকিৎসালয়ৰ বৰ্ত্তমান মৰা শ ৰখা ঘৰটোকে ভিতৰ কৰি তাৰ আশে-পাশে থকা মাটিখিনি আছিল মুক্তি যোদ্ধা আব্দুল সেখৰ। কিন্তু এই সকল ব্যক্তিয়ে মুছলিমলীগলৈ সমৰ্থন আগবঢ়োৱাৰ কাৰণে মুক্তি যোদ্ধা পেঞ্চনৰ পৰা বঞ্চিত হয়।

হাজী আকছেৰ আলি সুভাষ বসুৰ আজাদ হিন্দু ফৌজৰ সদস্য আছিল।

যদিও মঙ্গলদৈ তথা দৰঙৰ চৰ চাপৰিৰ পৰা বিভিন্ন সমস্যাৰ সম্মুখীন হৈ বাধ্যত পৰি নতুবা উচ্ছেদ হৈ কিম্বা স্ব-ইচ্ছাই ভাৰত ত্যাগ কৰিব লগা হৈছিল, বৈ যোৱা সকলে ভাৰতীয় নাগৰিকত্ব লাভ কৰি চৰ-চাপৰিত বাস কৰি থাকে। পৰবৰ্ত্তী কালত এই অভিবাসী মুছলমান সকলৰ দৰঙৰ ১২১ টা চৰ চাপৰিলৈ সম্প্ৰসাৰণ ঘটে। অৱশ্যে নৈ পৰীয়া চৰ সমূহ বছৰে বছৰে বঢ়া-টুটা হয়।

ভাটি কুৰুৱাৰ বৰনদীৰ মুখৰ পৰা সুদীৰ্ঘ ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে পূবে পাচনৈৰ মুখলৈ বিয়পি আছে বিস্তীৰ্ণ চৰ চাপৰি অঞ্চল। ইয়াৰ ভিতৰত উল্লেখযোগ্য হ'ল— চিতলমাৰী, শিয়ালমাৰী, বেচিমাৰী, বান্দিয়া (১,২) কবৈখোৱা, গুন্দোলাজাৰ, গৰাপৰি, হেন্তৌ, মোৱামাৰী, গেৰিমাৰী, চেৰেং, মেধি-চাপৰি, ধৰিয়াখাতী, বঙালপোতা, ডেৰপৰী, গাধোৱা, ফুহৰাৰ্ত্তলী, কিৰাকাটা, ধলপুৰ, অপৰিয়া, দালিখাতী, পহুমৰা, নাংলি চৰ (১,২,৩) ওপৰ কুৰুৱা, ক্ৰিংবৰী, দক্ষিণ কুৰুৱা, মাজ কুৰুৱা, কাছমাৰী, মাগুৰমাৰী, পুঠিমাৰী, আটাকাটা, শ্যামপুৰ (১,২,৩,৪) আৰিমাৰী (১,২,৩,৪,৫) এন. চি. বৰালী, ধৰণীপুৰ, বিলপাৰ, নদীৰপাৰ, বৌমাৰী (১,২) বদলি চৰ, খেৰনি চৰ, বগৰিবাৰী, খেতেচৰ, এন চি কাছমাৰী, সোণাৰি, নেপালী কাছমাৰী আদি প্ৰধান। এইবোৰৰ মাজে মাজে আৰু বহুতো সৰু সৰু চৰ আছে আৰু চৰুৱা গাঁও আছে।

এই চৰ-চাপৰিৰ অভিবাসী মুছলমানসকলৰ জন-বিস্ফোৰণ ঘটাত আৰু নৈ পৰীয়া হোৱা হেতুকে গৰাখহনীয়াৰ প্ৰকোপত পৰি এওঁলোকৰ বহুতেই দৰঙৰ উত্তৰ-পূব অঞ্চললৈ গৈ বসতি স্থাপন কৰে। পানীয়াখাতী, মহিলাঝাৰ, বৰঝাৰ, ৰাজাপুখুৰী, ৰাণীপুখুৰী, কাৰাতাংগা, ভেৰভেৰী বিল, গলন্দি, মৌচিতা, কুৱৰী পুখুৰী, কাজিয়ামাটি বৰুৱাঝাৰ (১,২) বৰবাগান, হাবিভাংগা, পুঠিমাৰী (কালাইগাঁও) গৰিয়াঝাৰ, কালিখোলা, সোনাজুলি, বৰিগাঁও, ভোটপুখুৰী ডিমাকুচি আদি ঠাইবোৰ বৰ্ত্তমান এওঁলোকৰ অধ্যুষিত অঞ্চল। এওঁলোকে চৰ-চাপৰি অঞ্চলত আলু, পিয়াজ, সৰিয়হ, জলকীয়া বেঙেনা, কেৰেলা, লাও, কোমোৰা, ভোল, জিকা, কবি, মূলা আদি তৰহে তৰহে শাক-পাচলিৰ খেতি কৰি খেতিত সেউজ বিপ্লৱ আনিবলৈ সমৰ্থ হোৱাৰ লগতে অসমলৈ আনিছে অৰ্থনৈতিক বৈপ্লৱিক পৰিবৰ্ত্তন। মৰাপাট খেতিত এওঁলোক পৃথিৱী বিখ্যাত। এইবোৰ খেতিৰ উৎপাদিত বস্তুৰ বাণিজ্যিক

কেন্দ্ৰ ৫২ নং ৰাষ্ট্ৰীয় পথৰ দাঁতিত খাৰুপেটীয়া ইতিমধ্যে চহৰলৈ উন্নীত হৈছে, দলগাঁও, বেচিমাৰী, লালপুল, ঢৌতা আৰু চহৰমুখী উন্নত ঠাই হিচাপে গঢ় লৈ উঠিছে।

অসমৰ লগতে দৰঙতো অভিবাসী মুছলমান সকলে চৰ আৰু নৈ কাষৰীয়া অঞ্চলসমূহত অসমীয়া বিদ্যালয় স্থাপন কৰি ল'ৰা-ছোৱালীক অসমীয়া ভাষা শিক্ষাৰে শিক্ষিত কৰি তুলিছে। ১৯৬০ খৃঃত অসমীয়া ভাষা 'ৰাজ্য ভাষা' হিচাপে স্বীকৃতি লাভ কৰাৰ ক্ষেত্ৰত এওঁলোকৰ অৱদান নিদৰ্শনীয়। এওঁলোকে অসমীয়া ভাষাক নিজৰ ভাষা বুলি স্বীকৃতি নিদিয়াহেঁতেন অসমীয়া ভাষাই ৰাজ্যিক ভাষাৰ মৰ্য্যদা পোৱাত এখন ডাঙৰ দেৱাল হিচাপে থিয় হ'লহেঁতেন। এইখিনিতে উনুকিয়াব পাৰি যে ব্ৰহ্মপুত্ৰৰ বালি চৰ ২নং নাংলি চৰত ১৯৩৮ খৃঃ তে প্ৰাইমাৰী স্কুল গঢ়ি উঠিছিল। ঠিক তেনেকৈ চাতিহাৰা চৰত গঢ়ি উঠা প্ৰাইমাৰী স্কুল ১৯৪০ খৃঃতে প্ৰাদেশীকৰণ হৈছিল।

অসমীয়া ভাষাৰ স্বকীয় মৰ্যাদা ৰক্ষা কৰাত অভিবাসী মুছলমানসকলৰ অৱদান যিদৰে স্বীকাৰ্য ঠিক সেইদৰে স্বীকাৰ্য ১৯৭২ খৃঃৰ মাধ্যম আন্দোলনত এওঁলোকে পালন কৰা ভূমিকা। এই আন্দোলনত মঙ্গলদৈৰ ছাত্ৰ হৰতাল পালন কৰিবলৈ গৈ মোজাম্মিল হক খাৰুপেটীয়াত শ্বহীদ হৈ যাউতিযুগলৈ খ্যাতি অৰ্জন কৰিলে তেনেকৈ শ্বহীদ হৈছিল খাৰুপেটীয়াৰ বাহবাৰী গাঁৱৰ অভিবাসী মুছলমান দশম শ্ৰেণীৰ ছাত্ৰ ওমৰ আলি। অসমীয়া ভাষা জননীৰ হকে শ্বহীদ হোৱা এইজনা ছাত্ৰৰ স্মৃতিতে খাৰুপেটীয়াৰ হস্পিতেল পথটো নামকৰণ কৰা হৈছে শ্বহীদ ওমৰ আলি পথ। দুয়োজনা উজ্জ্বল ৰত্ন শ্বহীদ হৈছিল ১৯৭২ খৃঃৰ ৫ অক্টোবৰ তাৰিখে। তদুপৰি এই আন্দোলনত সেইদিনা আহত হৈছিল মঃ ৰোস্তম আলি, আলতাফ আলি, নায়েব আলি, চলিমুদ্দিন আহমেদ আৰু আলিমুদ্দিন আহমেদ। ৰোস্তম আলিৰ ভৰিত পোৱা আঘাতৰ চিন এতিয়াও আছে। পৰৱৰ্তী কালত তেওঁ পুথিমাৰী চৰৰ গাঁও পঞ্চায়তৰ সভাপতি হৈছিল তেনেকৈ শ্যামটিলা গাঁও পঞ্চায়তৰ সভাপতি হৈছিল মঃ আলতাফ আলি।

ইমান বিলাক ত্যাগ আৰু অৰিহণা থকা স্বত্তেও একাংশ উগ্ৰ জাতীয়তাবাদী আৰু বৰ্ণবাদী শক্তিয়ে এওঁলোকৰ ত্যাগ আৰু অৰিহণাক অস্বীকাৰ কৰিব খোজে।

১৯৬১ খৃঃৰ অসমৰ লোক পিয়লৰ অধ্যক্ষৰ টোকা ঃ "When they come to Assam those Muslim immigrants honestly try to know the Assamese language and send their children to schools where the Assamese language is the medium of instruction."[১] এই তথ্যটো অকল দৰঙতে নহয় সমগ্ৰ অসমতে প্ৰযোজ্য।

তৎস্বত্বেও অসমীয়া অভিবাসী মুছলমান সকলে সময়ে সময়ে মানসিক কষ্ট ভোগ কৰিব লগা হয়। তথাপি "অসমীয়াৰ সুখ-দুখৰ সমভাগী হৈ পৰা চাহ-বাগিচাৰ বনুৱাসকল আৰু তাহানিতেই পূৰ্ব্বংগৰ পৰা অহা পমুৱা বা চৰুৱা মুছলমানসকলো অসমীয়াৰ বুকুৰ কুটুম হৈ পৰিছে। (- অতুল চন্দ্ৰ হাজৰিকা) এই কথাষাৰতে সুৰ মিলাই আন এগৰাকী অসমীয়া তাত্বিক, বামপন্থী চিন্তাবিদ, লোক-সংস্কৃতিৰ গৱেষক শশী শৰ্মাই অভিবাসীসকলে অসমীয়া ভাষা-সাহিত্যলৈ আগবঢ়োৱা অৱদানৰ কথা স্বীকাৰ কৰি কৈছেঃ "মধ্য যুগৰে পৰা অসমত বিভিন্ন ভাষা-ভাষী লোকৰ বাসস্থান। দেশ স্বাধীন হোৱাৰ পাছত ন-অসমীয়াৰূপে জনাজাত পমুৱা মুছলমানসকলে অসমীয়া ভাষা মাতৃভাষাৰূপে গ্ৰহণ কৰাৰ ফলতহে দেখোন অসমীয়া ভাষা অসমৰ প্ৰধান ৰাজ্যিক ভাষাৰ সম্মান পাবলৈয়ো সমৰ্থ হৈছে।" তেওঁৰ মতে — "মহা পৰিশ্ৰমী এই ন অসমীয়াসকলে যে অসমৰ অৰ্থনৈতিক ভেটিহে শক্তিশালী কৰি তুলিছে অকল তেনে নহয়, এওঁলোকৰ মাজৰপৰা ওলোৱা সাহিত্যিক শিল্পীয়ে অসমীয়া ভাষা, সাহিত্য তথা সংস্কৃতিৰ ভেটিও সুদৃঢ় আৰু বহল বিস্তৃত কৰি তুলিছে।"[২]

অসমৰ চুকে কোণে চৰ-চাপৰিত উদিত হৈছে ভালেকেইজন অভিবাসী মুছলমান অসমীয়া সাহিত্যিক। সেই সকলৰ ভিতৰত ইছমাইল হোছেইন, মিৰ্জ্জা হুমায়ুন কবীৰ, ইলিমুদ্দিন দেৱান, মোবাৰক হুছেইন, এম্ ইউচুফ আলি ভূঞা, এম হাৰুণৰ ৰচিদ অন্যতম। বৰপেটাৰ কয়াকুছি গাঁৱত জন্ম বৰ্ত্তমান চাকৰিসূত্ৰে গুৱাহাটীৰ বাসিন্দা ইছমাইল হোছেইন চিন্তাশীল লেখক আৰু সমালোচক হিচাপে ইতিমধ্যে অসমীয়া লেখক, প্ৰকাশক আৰু পঢ়ুৱৈ সমাজত প্ৰতিষ্ঠিত সাহিত্যিক ৰূপে পৰিগণিত হৈছে। সেইদৰে মীৰ্জ্জা হুমায়ুন কবীৰ এজন প্ৰতিষ্ঠিত চিনাকি মুখৰ কবি।

---

১ : উদ্ধৃতি ঃ অসম নমৰে আমিও নমৰো ঃ ড° অমলেন্দু গুহঃ সৃষ্টি লেখা ঃ ১৯৯৩

২ : অসমৰ জাতীয় জীৱন আৰু অভিবাসী অসমীয়া মুছলমান ঃ ইছমাইল হোছেইন।

দৰঙৰ তথা অসমৰ মুছলমান সমাজখন সংস্কৃতিৰ গছডালত এডাল শুকান ঠানি। হিন্দু-মুছলমান উভয় সম্প্ৰদায়ে জাতীয় উৎসৱ বিহুক হিয়াৰ আমঠু কৰি লৈছে যদিও অন্যান্য জনগোষ্ঠীৰ লোকৰ যিদৰে নিজস্ব সংস্কৃতি আছে মুছলমানসকলৰ তেনে লেখত লবলগীয়া সংস্কৃতি নাই। মুছলমানৰ জিকিৰ জাৰী বৰ্তমান সাৰ্বজনীন সংস্কৃতি।

মুছলমানসকলৰ সাংস্কৃতিক চেতনাৰ উন্মেষ নঘটাৰ মূল কাৰণটো হ'ল মৌলবাদ। তথাপি অভিবাসী মুছলমানসকলে তেওঁলোকক সুকীয়া সংস্কৃতি নাঙল গীত, নাওখেলৰ গীত, মাছমৰা গীত, লাঠীবাৰী গীত আৰু সংস্কৃতিৰে নব চেতনা লৈ ওলাই আহি অসমৰ বহল সংস্কৃতিৰ সমাজখনত মিলিবলৈ চেষ্টা কৰা শুভ লক্ষণ।

ৰাজনৈতিক পথাৰখনত খোজ দি ইতিমধ্যে মতলেবুদ্দিন আৰু তেওঁৰেই জোৱাই জব্বৰ আলি বিধায়ক হৈ অসম বিধান সভাৰ আসনত বহিছে দৰঙৰ অভিবাসী মুছলমান সমাজখনৰ পৰা। এইবাৰ (২০০৬ খৃঃ) বিধায়ক নিৰ্বাচিত হৈছে খাৰুপেটীয়াৰ ইলিয়াছ আলি। তেওঁ অভিবাসী মুছলমান।

পৰিশিষ্ট -৩

সংগ্ৰামী দৰঙী মুছলমান

শৰাইঘাটৰ যুদ্ধত — মোগল সম্ৰাট ঔৰংগজেবৰ সেনাপতি ৰামসিংহ আৰু আহোম ৰজাৰ সেনাপতি প্ৰবল প্ৰতাপী লাচিত বৰফুকণৰ মাজত যুদ্ধ হৈছিল। এই যুদ্ধত লাচিতৰ পালি সেনাপতি ইছমাইল চিদ্দিকীয়ে স্বদেশ ভূমি অসম ৰক্ষা কৰিবলৈ যুদ্ধ পৰিচালনাৰ যি নৱ কৌশল অৱলম্বন কৰিছিল সি বাস্তৱিকতে অতুলনীয় আৰু চিৰস্মৰণীয়। এই যুদ্ধত আহোমক সহায় কৰিবলৈ এদল সৈন্যৰে যুদ্ধত অৱতীৰ্ণ হৈছিল দৰঙী কোচ ৰজা। কোচ ৰজাৰ বাহিনীত দৰঙৰ বহুতো মুছলমান সৈন্য আছিল। দৰঙী মুছলমান সৈন্য দিনবৰ সেখ,আজান সেখ আঘাত প্ৰাপ্ত হৈ মোগলৰ হাতত বন্দী হৈছিল। কিন্তু তেওঁলোকে মোগলৰ বশ্যতা তেতিয়াও স্বীকাৰ নকৰাত হত্যাৰ বলি হ'ব লগা হৈছিল। পৰাজয়ৰ গ্লানি ললেও মোগল সেনাই অসমীয়া মুছলমান সেনাৰ বীৰত্ব, অদমনীয় দেশপ্ৰেম দেখি মুগ্ধ হৈছিল।

মানৰ আক্ৰমণত - ১৮১৬ খৃঃৰ পৰা ১৮২৬ খৃঃলৈ মানে তিনিবাৰ অসম আক্ৰমণ কৰিছিল। দ্বিতীয় আৰু তৃতীয় আক্ৰমণত অসমৰ জন গাঁথনিয়েই সলনি হৈছিল। অসমীয়া মানুহে প্ৰাণ ৰক্ষা কৰিবলৈ দিহিঙে দিপাঙে পলাইছিল। এৰাবাৰীত পৰিণত হৈছিল অসমীয়া গাঁও। কিন্তু মানৰ এই বৰ্বৰ আক্ৰমণৰ পৰা দুখন ৰাজ্য সুৰক্ষিত আছিল। এখন ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ মটক ৰাজ্য আৰু আনখন ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ দৰং ৰাজ্য। দৰং ৰাজ্য মানৰ আক্ৰমণৰ পৰা ৰক্ষা পৰাৰ গুৰিতে আছিল মহীয়সী গাভৰু ধনেশ্বৰী দেৱীৰ স্বাৰ্থ বলিদান। কোচ ৰজা বিজয়নাৰায়ণৰ ভতিজা ছোৱালী আছিল ধনেশ্বৰী দেৱী।

মানসেনা আহি দৰং ৰাজ্যৰ ডাকচকী পাইছিলহি। তাতে দৰঙী সেনাৰ লগত মানৰ তয়াময়া যুদ্ধ এখন লাগে। দৰঙী সেনাদলত কোচ, কছাৰী, কলিতা আৰু মুছলমান সেনা আছিল। যুদ্ধত মানৰ পৰাজয় হ'ল। মানসেনাই লুইতৰে গৈ ৰঙামাটিয়েদি দৰং ৰাজ্যত সোমাবলৈ চেষ্টা কৰিলে। কিন্তু সাহসী দৰঙী সৈন্যই তাতো মানক পৰাভূত কৰে। পৰাজয়ৰ গ্লানি সহ্য কৰিব নোৱাৰি লুইতৰ দক্ষিণ পাৰত থকা মানসেনা বহিনীটোলৈ বাৰ্ত্তা পঠালে যে সেই দলটোও আহি দৰং ৰাজ্য

আক্ৰমণ কৰাত সহায় কৰিব লাগে। তেনে সংকটত কথা বিষম দেখি দৰঙী ৰজা বিজয়নাৰায়ণে মানসেনাপতি মিঙ্গিমাহা তিলোৱালৈ বন্ধুত্বৰ প্ৰস্তাব পঠিয়ালে। মান ৰজাৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰিবলৈ মন কৰি ভতিজা জী ধনেশ্বৰী দেৱীক সালাকৃতাকৈ উলিয়াই দি মিঙিমাহা তিলোৱাক অৰ্পণ কৰে। মিঙিমাহাই ধনেশ্বৰী দেৱীক লৈ গৈ মানদেশৰ ৰজা বুদুক গটাই দিলে। মানৰজাই ধনেশ্বৰীক নিজৰ বোৱাৰী কৰি ৰাখি মিত্ৰ দৰং ৰাজ্যক আক্ৰমণ নকৰিবলৈ সেনাপতি সকললৈ কঢ়া নিৰ্দেশ পঠালে। স্ব-ভূমি আৰু স্বজাতিক ৰক্ষা কৰিবলৈ ধনেশ্বৰী দেৱীয়ে নিৰ্বাসন স্বৰূপে সুদূৰ ব্ৰহ্মদেশলৈ গৈ অকণো কুণ্ঠাবোধ নকৰি সকলো ত্যাগ কৰি খুৰাকৰ প্ৰস্তাৱতে সম্মতি জনাই মানৰজাৰ বোৱাৰী হ'ল। এনেকৈয়ে দৰং ৰাজ্য মানৰ আক্ৰমণৰ পৰা ৰক্ষা পৰিছিল।

মানদেশৰ পৰা এইজনী স্বদেশহিতৈষিণী কুৱৰীয়ে খুৰাক বিজয় নাৰায়ণলৈ এখন চিঠি পঠাইছিল। চিঠিখনৰ কিয়দংশ এনে ধৰণৰ আছিল—

শ্ৰী হৰি

পৰম পূজনীয় পূজ্যধাম শ্ৰীযুক্ত অপইতা মহাৰাজ খুড়া দেৱতাৰ শ্ৰীচৰণকমল যুগল মকৰন্দেষু।

পাদপদ্ম মকৰন্দ মধুকৰী শ্ৰীমতি ধনেশ্বৰী আইদেৱে চৰণাৰবিন্দে শত সহস্ৰ কোটিবাৰ দণ্ডৱৎ প্ৰণাম পৰং প্ৰাৰ্থনা এই যে, শ্ৰীশ্ৰী খুড়াদেৱতাৰ আশীৰ্বাদে বেটীৰ কোশল মঙ্গল ও শ্ৰীশ্ৰী যুৱৰাজ দেৱতাৰো মঙ্গল।...... পূৰ্বে খুড়া দেৱতাই বেটীক সালকৃতা কৰি মানৰজালৈ দিলে, পাচে মানদেশ পালত শ্ৰীশ্ৰী মানৰজাই লগতে থৈ প্ৰতিপাল কৰিবলৈ বৰফুকন এটাৰ "হাতত জী বুলি প্ৰতিপাল কৰিবি" বুলি শোধাই দি ভালমতে ৰজাৰ চাঙতে কুৱৰীৰ মৰ্যাদা দি ৰাখিছিল, পাছে উক্ত মহাৰাজাৰ ছত্ৰভঙ্গ হৱমেৱৎ কণিষ্ঠা ভ্ৰাতা ৰাজা হৈয়া তেহে একদেশ দি বিশিষ্টমতে ৰাখি আছিল। পৰ আসাম দেশ হইতে শ্ৰীশ্ৰী যুৱৰাজ দেৱতা এই দেশে আইসাতে মান ৰজাই বেটীক সেই যুৱৰাজকে দিলেন।.... দেৱতাসকলৰ কাৰ্যতহে বেটীয়ে কাণে-নুশুনা, চকুৰে নেদেখা ঠাই মানদেশত আছু। আৰু দেৱতাসকলৰ কোনো কথা ভাল মন্দ ওলালেও বেটীয়ে গা পাতি ধৰো। দেৱতাসকলৰ দেশৰ ৰাজ্য ৰক্ষাৰ কাৰণেহে বেটীয়ে আহি এই মানদেশ পালোহি।....

ইতি"

দৰং বা মঙ্গলদৈ অঞ্চলত মানৰ অত্যাচাৰতকৈও অসমীয়া দুষ্ট প্ৰজা কিছুমানে কৰা অত্যাচাৰহে ভয় লগা আছিল। নকল মানহে সেই সকলে বিৰিং বাবাং ভাবা মাতি সাধাৰণ মানুহৰ ধন-সম্পত্তি, বয়-বস্তু কাঢ়ি নিছিল। এইবোৰ মানুহে অসমীয়া তিৰোতা, গাভৰুক ধৰি নি মানক ভেটিছিল। ইয়ঁতক ঘটা কোবোৰা বোলা হৈছিল। কাৰণ, সিহঁতে কোনো ঠাইলৈ লুটপাট কৰিবলৈ যাওঁতে ঘণ্টা কোবাই গৈছিল। গাঁৱৰ তিৰোতা ধৰি নিয়া গৰ্হিত কাৰ্যত বাধা দান কৰোঁতে শ্বেতমদৰ গাঁৱৰ গাঁওবুঢ়া কলা হাজৰিকাক ইহঁতে বধ কৰিছিল। তিৰোতাসকলে কলা হাজৰিকাৰ কাৰ্যত সন্তুষ্ট হৈ গাঁৱৰ নামো হাজৰিকাপাৰা হবলৈ আশীৰ্বাদ কৰিছিল। হাজৰিকাপাৰাই আজিও কলা হাজৰিকাৰ নাম অমৰ কৰি ৰাখিছে।

মুছলিমঘোপা গাঁৱত এনে ধৰণৰ নকল মান সোমাই হাজীচুবাৰ পত্তা সেখ নামৰ ডেকা এজনক ধৰি নিছিল। কেইজনমানে মাজৰ চুবাত সোমাই তিৰোতা সকলৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰিছিল। কিন্তু নিৰ্ভীক মুছলিমঘোপাৰ ৰাইজে সন্ত্ৰাসবাদী দলটোক খেদি খেদি নি খলিহামাৰি পথাৰত এজনক ধৰি কোবাই মাৰি পেলাইছিল।

দৰঙত মানৰ আক্ৰমণ নহ'লেও ছদ্মবেশী সকলকে মান বুলি স্বভাৱ কবিয়ে পদ ৰচনা কৰিছিল—

> "পুখুৰীৰে পাৰে পাৰে
> আমি চাৰো গৰু
> যেতিয়া আহে মান বঙাল
> তেতিয়া আমি সৰু।"

পথৰুঘাটৰ ৰণত — ১৮৯৪ চনৰ জানুৱাৰী মাহত ইংৰাজ চৰকাৰে মাটিৰ খাজনা বৃদ্ধি কৰাৰ প্ৰতিবাদ সাব্যস্ত কৰিবলৈ পশ্চিম দৰঙৰ হিন্দু মুছলমান সমন্বিতে পথৰুঘাটৰ জিলাধিপতি মিঃ এণ্ডাৰচন আৰু মঙ্গলদৈৰ মহকুমাধিপতি মি. ৰেমচন সশস্ত্ৰ পুলিচসহ পাথৰিঘাটত উপস্থিত হৈছিল। পথৰুঘাটৰ তহচিলদাৰে চাহাবসকলৰ সেই দিনটো ৰাইজক নিৰ্দ্দিষ্ট কৰি দিছিল কাৰণেই ৰাইজ তাত সমবেত হৈছিল। কিন্তু জিলাধিপতি আৰু মহকুমাধিপতিয়ে ৰাইজৰ আশা আকাংখ্যাৰ কোনো মূল্য নিদি সগৌৰৱে ঘোষণা কৰিলে যে — ৰাইজৰ কোনো আপত্তি শুনা নহব বৰঞ্চ ৰাইজে বৰ্দ্ধিত হাৰত খাজানা আদাই দিবই লাগিব। ৰাইজেও ধৈৰ্যৰ বান্ধ ছিঙি হিন্দু মুছলমান একেলগে "হৰিধ্বনি" আৰু "আল্লাহ আকবৰ" ধ্বনি তুলি প্ৰতিবাদ জনাই

আগবাঢ়ি গ'ল। আৰম্ভ হ'ল সংঘৰ্ষৰ সূত্ৰপাত। ইংৰাজ বাহিনীৰ পুলিচৰ গুলিত ঠাইতে ১৪০ জন সংগ্ৰামী জনতাই প্ৰাণ হেৰুৱালে।

সংগ্ৰামী মুছলমান শ্বহীদ সকলঃ—

১। বৰ লিকিৰা
২। বলি সেখ — মুছলিমঘোপা

৩। কাটা সেখ — বৰকলিয়াঝাৰ

৪। পথৰু সেখ — পথৰুঘাট

৫। হাইদিয়া সেখ — লোজোৰা

৬। ভেবা সেখ
৭। ফাজিল সেখ
৮। আলিম সেখ — ঠিকনা বিহীন।

আহতসকল

১। ঠগা বদিয়া — ব্যাসপাৰা

২। সেখ হাগুৰা ফৌদাৰ — তুৰাই

৩। সৰু লিকিৰা (মেহেৰ) মুছলিমঘোপা

এই কেইজন আঘাতপ্ৰাপ্ত লোকৰ ঘৰত মৃত্যু হৈছিল।

৪। ফুকলু সেখ — আঠীয়াবাৰী

৫। গণি সেখ
৬। ডালিম সেখ
৭। মাণিক সেখ — বৰকলিয়াঝাৰ

৮। ইজ্জত আলি — বৰকুমাৰপাৰা

১০। গেৰো সেখ — ঠিকনা বিহীন [১]

এই বিদ্ৰোহত ১৪০ জন শ্বহীদ আৰু শ শ লোক আহতৰ ভিতৰত ঠিকনা বিহীন হৈ আৰু বহুতো মুছলমান লোক যে আছিল সেইটো তেনেই স্বাভাৱিক।

পথৰুঘাটৰ ৰণৰ দৃশ্য আৰু খবৰে মানুহক বিতত কৰি তুলিছিল। মুছলিমঘোপাৰ ফাফৰুসেখ এই ৰণৰ প্ৰত্যক্ষদৰ্শী আছিল। তেওঁ নিজমুখে মাজে

১ : পথৰুঘাট ঃ ডাঃ এম আবিদ আলি ঃ পৃঃ ৩৫-৩৭ '

মাজে গীত গাই শুনাইছিল—

"চলি কান্দে কোঁহা কোঁহা
মাকোৰ কঁপেই হিয়া
পথৌ ঘাটত ধাওবা লাগছি
ৰায়াত পলাই কিয়া।" ইত্যাদি

ভাৰতৰ স্বাধীনতা আন্দোলনত — ঔপনিবেশিক ইংৰাজ চৰকাৰৰ শাসনৰ পৰা ভাৰতক মুক্ত কৰিবলৈ বিশ্বৰ ৰাজনীতিত তেনেই অপৰিচিত অহিংস মন্ত্ৰ লৈ মহামানৱ মহাত্মা গান্ধীয়ে কংগ্ৰেছত যোগদান কৰি ১৯২০-২১ খৃঃত অসহযোগ আন্দোলনৰ পাতনি মেলে। পৰৱৰ্তী ২৭ বছৰলৈ ভাৰতৰ ৰাজনীতিত গান্ধীজীৰ অপ্ৰতিদ্বন্দী নেতৃত্বত স্বাধীনতা আন্দোলন অকল নগৰকেন্দ্ৰীক নহৈ ভাৰতৰ কৌটি কৌটি জনতাৰ বাসভূমি গাঁও-ভুইলৈয়ো সম্প্ৰসাৰণ হয়। স্বাক্ষৰ, নিৰক্ষৰ, পণ্ডিত শ্ৰমিক মাৰ বান্ধি ৰাস্তালৈ ওলাই আহে মহাত্মাৰ জয় উচ্চাৰণ কৰি।

১৯২১ খৃঃত অসমহযোগৰ কাৰ্যসূচী লৈ মহাত্মা গান্ধী অসমলৈ আহে। মহাত্মাৰ আগমনত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, দেশভক্ত তৰুণৰাম ফুকনে নৱ উদ্দীপনাৰে মানুহক জাগৃত কৰি আন্দোলনমুখী কৰে। এই আন্দোলনৰ অন্যতম কাৰ্যসূচী আছিল— ইংৰাজ চৰকাৰৰ লগত অসহযোগ কৰি খাজনা বন্ধ, বিদেশী বস্ত্ৰ বৰ্জন, মাদকদ্ৰব্য বিশেষকৈ কাণিৰ প্ৰচলন বৰ্জন, চৰকাৰী চাকৰি বৰ্জন, পেচাদাৰি বৃত্তি বৰ্জন, স্কুল-কলেজ বৰ্জন ইত্যাদি। তাৰ পৰিবৰ্তে জাতীয় স্কুল স্থাপন, স্বদেশী বস্ত্ৰ প্ৰচলন, অস্পৃশ্যতা বৰ্জন, সাম্প্ৰদায়িক সম্প্ৰীতি অটুট কৰণ আদি আহ্বানেই আছিল অন্যতম।

এই কাৰ্যসূচীসমূহ বাস্তবায়িত ৰূপ দিয়াৰ্থে অসমৰ একমাত্ৰ ৰাজনৈতিক অনুষ্ঠান "অসম এছোচিয়েচন"ৰ অধিবেশন বহিছিল তেজপুৰত। এই অধিবেশনতে কংগ্ৰেছৰ অসহযোগ কাৰ্যসূচীৰ প্ৰস্তাৱ গৃহীত হয়। এই অধিবেশনত মুছলমান ডেলিগেট্ আছিল *নুৰ উদ্দীন আহমেদ।

চৰকাৰী চাকৰি আৰু স্কুল-কলেজ বৰ্জন কাৰ্যসূচীমতে মুছলিমঘোপাৰ মঃ চিদ্দিক আলি, কটাহীৰ মেহেৰ আলিয়ে চাকৰি ত্যাগ কৰে। চিদ্দিক আলিয়ে শিক্ষকতাৰ চাকৰি ত্যাগ কৰে আৰু মেহেৰ আলিয়ে ত্যাগ কৰে মণ্ডল চাকৰি। সেইদৰে মুছলিম ঘোপা নিবাসী কটনৰ ছাত্ৰ জেহিৰুদ্দিন আহমেদে কলেজীয়া অধ্যয়ন ত্যাগ কৰে।

তেওঁলোকে গাঁওভুইত ভলন্টিয়াৰ দল এটা গঠন কৰি পিকেটিং কাৰ্যসূচীত জপিয়াই পৰে। এই ভলণ্টিয়াৰ দলটোত যোগদান কৰা মুছলিম যোপাৰ তাহাৰ আলি, ভোতোক আলি, আবিদা মোল্লা, মহৎ সেখ, আদমচা সেখ অন্যতম। আবিদা মোল্লাই অসহযোগ আন্দোলনৰ আহ্বাণত নবম শ্ৰেণীতে স্কুল ত্যাগ কৰিছিল। আন এজন মুক্তি যুঁজাৰু আব্বাচুদ্দিন আহমেদ আজীৱন ভাৰতীয় জাতীয় কংগ্ৰেছৰ সেৱক আছিল। ১৯৭৮ খৃঃত তেওঁক তাম্ৰপত্ৰৰে স্বাধীন চৰকাৰে সন্মান জনাইছিল। পেচাত আছিল তেওঁ চিটাদাৰ। ধৰ্মীয় সংস্কাৰ কৰিবলৈ সুদূৰ পূৰ্ব বংগৰ পৰা আহি মুছলিমঘোপাৰ চিদ্দিক আলিৰ ঘৰত থাকিছিলহি মোলবী আব্দুল খালেক যিজনাক বগা মৌলবী নামে জনা যায়। চিদ্দিক আলিৰ সান্নিধ্যলৈ আহি তেঁৱো ভাৰতৰ স্বাধীনতা আন্দোলনত জপিয়াই পৰে। তদুপৰি ৰিয়াজুদ্দিন আহমেদে হাইস্কুল ত্যাগ কৰি আন্দোলনত জপিয়াই পৰে। সেইদৰে জপিয়াই পৰে মঃ হাবিল আলি আৰু ৰমজান আলীয়ে। খাজনা নিদিয়াৰ গুৰিয়াল আছিল মঃ ফজলুল ৰহমান, ভেন্দা সেখ, মঃ ইছমাইল আলি আৰু অন্যান্য সম্প্ৰদায়ৰ নেতা সকল। খাজনা নিদিয়া অপৰাধত দুমুনিচকীৰ মঃ ভেন্দা সেখৰ সম্পত্তি ক্ৰোক হোৱাৰ উপৰিও তিনিমাহ সশ্ৰম কাৰাদণ্ড খাটিবলগীয়া হৈছিল।

অসহযোগ আন্দোলনত কংগ্ৰেছৰ সহায়ৰ কাৰণে ভলণ্টিয়াৰ সকলে ধন সংগ্ৰহ কৰি ফুৰিছিল। আমচকলি গাঁৱৰ এজনী মুছলমান বুঢ়ীৰ দান আগবঢ়াৱলৈ একো সম্বল নথকাত তেওঁৰ হাতত থকা মুৰ্গীৰ একমাত্ৰ কণীটোকে মহাত্মাৰ নামত দান কৰিছিল।

"মঙ্গলদৈৰ মহকুমাধিপতি এম্ এল্ মেহতাই ১ ম শ্ৰেণীৰ ছাত্ৰ (বৰ্ত্তমানৰ ১০ম) আফজল আলিক স্কুলৰ বৰ্ডিঙৰ পৰা ধৰি নি হাজোতত থয়। তাতে ক্ষুব্ধ হৈ ছাত্ৰসকলে শোভাযাত্ৰা কৰি গৈ হাজোতৰ পৰা আফজল আলিক জোৰ পূৰ্বক উলিয়াই আনে। সমূহ ছাত্ৰই তেতিয়াই স্কুল বৰ্জনৰ কাৰ্যসূচী লোৱাত উকীল তপেশ্বৰ শৰ্মাক হেডমাষ্টাৰ হিচাপে লৈ মঙ্গলদৈত এখন জাতীয়তাবাদী স্কুল স্থাপন কৰে। এই স্কুল প্ৰতিষ্ঠা কৰাৰ অন্যান্য উদ্দোক্তাৰ লগতে মোঃ ফজলুৰ ৰহমান মৌঃ আব্দুল খালেক (বগা মৌলবী) মঃ চিদ্দিক আলি অন্যতম"[১]। চিদ্দিক আলিয়ে চৰকাৰী স্কুলৰ চাকৰি ত্যাগ কৰাৰ পাছত এই জাতীয় বিদ্যালয়ত অবৈতনিক শিক্ষকতা

১ : দৰঙৰ ইতিহাস ঃ দৰং জিলা সাহিত্য সভা ঃ পৃঃ ১৬২

কৰিছিল। চৈয়দ ফজলুল ৰহমানে মঙ্গলদৈ চৰকাৰী হাইস্কুলৰ শিক্ষকতা বৰ্জন কৰিছিল।

১৯২১ খৃঃৰ আগষ্ট মাহত মহাত্মা গান্ধী অসমলৈ আহিছিল। লগত আহিছিল খিলাফৎ আন্দোলনৰ গুৰি ধৰোঁতা মৌলনা মহম্মদ আলি আৰু তেওঁৰ পত্নী। তেওঁলোক আহি গুৱাহাটীৰ ভৰলুমুখৰ তৰুণ ৰাম ফুকণৰ ঘৰত বাহৰ পাতিছিল। মঙ্গলদৈৰ পৰা ১০০ জন স্বেচ্ছাসেৱক খোজকাঢ়ি গৈ মহাত্মা গান্ধী উপস্থিত থকা ৰাজহুৱা সভাত যোগ দিছিল। মঙ্গলদৈৰ পৰা চিদ্দিক আলি, জেহিৰুদ্দিন আহমেদ আদি মুছলমান স্বেচ্ছাসেৱকো সেই দলত গৈছিল। মহম্মদ আলিৰ ককায়েক চৌকত আলিও খিলাফৎ আন্দোলনৰ গুৰি ধৰিছিল। সেই হেতুকে মুছলমান আন্দোলনকাৰী সকলে মহাত্মা গান্ধীৰ লগতে মহম্মদ আলি আৰু চৌকত আলিৰো জয়গান গাইছিল। তেওঁলোকৰ গুণানুকীৰ্ত্তন কৰি ভলণ্টিয়াৰ সকলে "বন্দে মাতৰম" ধ্বনি দি উঠি ৰাস্তাই ঘাটে এটা গীত গাই ফুৰিছিল—

"মহম্মদ আলি, চৌকত আলি
দুই ভাই ভাই,
প্ৰজাৰ দুখ দেখি
কান্দে হায় হায়।"

ভাৰতৰ স্বাধীনতা আন্দোলন ৰাজনৈতিক নিৰ্যাতিত মুছলমান লোকৰ অনুমোদিত তালিকা এনে ধৰণৰ ঃ

মহম্মদ চিদ্দিক আলি — মুছলিমঘোপা	স্কুলৰ চাকৰি ত্যাগ কৰে। ১৯২১ চনত ২ বছৰ সশ্ৰম কাৰাদণ্ড হয়।
চৈয়দ ফজলুৰ ৰহমান — মঙ্গলদৈ চৰকাৰী হাইস্কুলৰ শিক্ষক	শিক্ষকতা ত্যাগ কৰে। এবছৰ বিনাশ্ৰম কাৰাদণ্ড হয়।
মৌলবী আব্দুল খালেক— (বগা মৌলবী) অস্থায়ী ভাবে মুছলিমঘোপাত থাকিবলৈ লৈছিল।	১৯২১ চনত এবছৰ বিনাশ্ৰম কাৰাদণ্ড হয়।

ভেন্দা সেখ (ফকিৰ) দুমুনিচৌকি	—	সম্পত্তি বাজেয়াপ্ত হোৱাৰ লগতে ১৯২১ চনত ৩ মাহ্ সশ্রম কাৰাদণ্ড হয়।
মঃ তাহাৰ আলি মুছলিম ঘোপা,	—	১৯২১ চনত ৩ মাহ্ সশ্রম কাৰাদণ্ড হয়।
মঃ ৰঞ্জিত সেখ মুছলিম ঘোপা	—	ঐ
মঃ আব্বাচুদ্দিন আহমেদ মুছলিমঘোপা	—	১৯২১ চনত ৬ মাহ্ কাৰাদণ্ড হয়।
মঃ মেহেৰ আলি কটাহী	—	১৯২১ চনত মণ্ডল চাকৰি ইস্তফা দিয়ে। ৩ মাহ্ সশ্রম কাৰাদণ্ড হয়।
মঃ আমিৰুদ্দিন সেখ কটৰা	—	১৯৪২ চনত তেজপুৰ জেলত ৩ মাহ্ সশ্রম কাৰাদণ্ড হয়।
মঃ জেহিৰুদ্দিন আহমেদ মুছলিমঘোপা	—	১৯২১ চনত কলেজীয়া শিক্ষা ত্যাগ কৰে। ২ বছৰ সশ্রম কাৰাদণ্ড খাটিছিল।[১]

১ : ভাৰতৰ মুক্তি সংগ্ৰামত মঙ্গলদৈ : সত্য নাথ বৰুৱাই যুগুত কৰা তালিকাৰ পৰা।

পৰিশিষ্ট -৪

দৰগুৰ মাজাৰ, দৰগাহ আদি

ইন্‌জীল ফকীৰৰ মাজাৰ — মঙ্গলদৈ চহৰৰ ঈদগাহৰ ওচৰতে এই মাজাৰ অৱস্থিত। ইন্‌জীল ফকীৰ নামৰ ফকীৰ এজনৰ কবৰৰ ওপৰত এই মাজাৰ সৃষ্টি হৈছে। ১৯৪৪ খৃঃত এইজনা ফকীৰৰ মৃত্যু হৈছিল। তেওঁ কামৰূপ জিলাৰ মানুহ আছিল। দৰগুৱে আহি প্ৰথমতে মুছলিমঘোপা, বৰকলিয়াঝাৰ আদি গাঁৱত থাকিবলৈ লৈছিল। তেওঁ কোনো মানুহৰ ঘৰত নাথাকি গছৰ তলত বা হাবিয়নী ঠাইত বাস কৰিছিল। একে ঠাইতে কেতিয়াও নাথাকিছিল। মানুহৰ লগত কথা-বতৰাও নাপাতিছিল। পাছত তেওঁ মঙ্গলদৈ চহৰলৈ আহে। মানুহে তেওঁৰ মাহাত্ম্যৰ কথা জানিব পাৰি সান্নিধ্য লভিবলৈ চেষ্টা কৰে। উপযাচি দিয়া বস্তু তেওঁ গ্ৰহণ নকৰিছিল কিন্তু কোনোবা এখন দোকানত সোমাই স্ব-ইচ্ছাই মিঠাই আদি খাইছিল। তেনে দোকানসমূহে উন্নতি লাভ কৰা বুলি জানি বহুতে তেওঁক দেখিলে মিঠাইৰ আলমাৰী খুলি দিছিল। তেনেকৈ দিলেও সেইবোৰ তেওঁ গ্ৰহণ নকৰিছিল। মটৰ গাড়ীৰ গতিবেগৰ দৰে তেওঁৰ গতি আছিল কাৰণে ইঞ্জিন পাছত ইন্‌জীল ফকীৰ নাম পাইছিল। প্ৰকৃত নাম আছিল গফুৰ। তেওঁৰ আশীৰ্বাদ-পুষ্ট হৈ বহুতে লাভাবান হোৱা বুলি এতিয়াও জনশ্ৰুতি আছে। সেয়েহে তেওঁৰ দোৱা বিচাৰি মৃত্যুৰ পাছতো কবৰলৈ যোৱাত বৰ্ত্তমান তেওঁৰ কবৰ ডাঙৰ মাজাৰত পৰিণত হৈছে। জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে নিতৌ ইন্‌জীল ফকীৰৰ মাজাৰত মানুহৰ সমাগম হৈ থাকে।

ওৱাহেদ আলি ফকীৰৰ মাজাৰ — মঙ্গলদৈ চহৰৰ পৰা প্ৰায় ছয় কিঃ মিঃ পশ্চিমৰ হৰিণখোজাৰ বাসিন্দা আছিল ওৱাহেদ আলি। ডাক বিভাগৰ ৪ ৰ্থ শ্ৰেণীৰ কৰ্মচাৰী আছিল। পাছলৈ তেওঁ চাকৰি জীৱন ত্যাগ কৰাই নহয় ঘৰ দুৱাৰো ত্যাগ কৰি আধ্যাত্মিক জগতখনক সাৱটি লৈ অনাই বনাই ঘূৰি ফুৰিবলৈ লয়। মানুহে প্ৰথমে তেওঁক পগলা হোৱা বুলি ভাবিছিল। সেই কাৰণে নাম পাইছিল ওৱাহেদ পগলা। গাত মাথো এডোখৰ কাপোৰ মেৰিয়াই লৈছিল। নাকৰ সেঙুণে দাড়ি গোফত জঁট বান্ধিছিল। সৰু সৰু ল'ৰা ছোৱালীয়ে শিলগুটি বা দলি চপৰা দলিয়াই

খেদি ফুৰিছিল। পাছত মানুহে তেওঁৰ কিছুমান মাহাত্ম্যৰ পৰিচয় পাই ওচৰ চাপে। বিখ্যাত সাতশৰীয়াঝাৰত সোমাই তেওঁ ধ্যানত মগ্ন হৈ পৰে। তেওঁ মাত্র ফু মাৰি দিয়া পানীটোপা খাই উপকাৰ পোৱা বুলি জনাজাত হোৱাত ফকীৰ নাম পায় আৰু তেওঁৰ ওচৰত ক্রমান্বয়ে মানুহৰ ভীৰ হবলৈ ধৰে। কোনোবাই আহাৰ মুখত ঢালি দিলেও তেওঁ নাখাইছিল আনহাতে কাৰোবাৰ হাতৰ পৰা যি পাই তাকে খাইছিল। কণী বাকলিৰে খাইছিল। তেওঁৰ মাহাত্ম্যত বহুতো সন্তানহীনে সন্তান লাভ কৰাৰ দৃষ্টান্ত আছে। এইজনা ফকীৰৰ মাজাৰ হৰিণখোজা মছজিদ প্রাঙ্গণত অবস্থিত।

ৰঙামাটি পীৰৰ দৰগাহ — আউলা চৌকাৰ পৰা দক্ষিণত নাতিদূৰত ৰঙামাটি গাঁৱত এইজনা পীৰৰ দৰগাহ ক্রমান্বয়ে বিখ্যাত হৈ আহিছে। পীৰ জনাৰ প্রকৃত নাম আছিল মঃ চৈয়দুৰ ৰহমান। বৰ্ত্তমানৰ বাংলাদেশৰ নোৱাখালী জিলাৰ পৰা আহি তেওঁ প্রথমতে খাৰুপেটীয়াত থাকিবলৈ লয়। তাত কিছুদিন থকাৰ পাছত ৰঙামাটিলৈ আহে আৰু ৰঙামাটিৰ গোলাম চাহৰ জীয়ৰীৰ লগত বিবাহ পাশত আবদ্ধ হৈ তাতে স্থায়ী ভাৱে থাকিবলৈ লয়। পাছত তেওঁৰ ভক্তি সাধনাত মানুহ বিমুগ্ধ হৈ পৰে আৰু পীৰ আখ্যা দি তেওঁৰ ওচৰত দীক্ষা লয়। এইদৰে তেওঁ সমগ্র মঙ্গলদৈৰ মুছলমান ৰাইজক দীক্ষা দি একেশ্বৰবাদৰ সাৰগৰ্ভ জ্ঞান দান কৰে। এইজনা পীৰৰ দৰগাহকে ৰঙামাটি পীৰৰ দৰগাহ নামে জনাজাত। তেওঁৰ দৰগাহত আশীৰ্ব্বাদ বিচাৰি মানুহে নিতৌ জিয়াৰত কৰিবলৈ যায়।

ঘণ শিমলুগুৰিৰ মাজাৰ — খাৰুপেটীয়াৰ ওচৰত ৰুস্তম আলি ফকীৰৰ মাজাৰ ঘণ শিমলুগুৰিত অৱস্থিত।

গণি খলিফাৰ মাজাৰ — দল গাঁৱৰ নিকটত খলিফা চুবাত গণি খলিফাৰ মাজাৰ দিনক দিনে খ্যাত হৈ উঠিছে।

পৰিশিষ্ট -৫

দৰঙৰ কেইগৰাকীমান মুছলমান সাহিত্যিক আৰু বিশিষ্ট ব্যক্তি

নজৰ আলি পণ্ডিত

বৃহত্তৰ পথৰুঘাটৰ তুৰাই ঘোঁৰাশালত ১৮৭৮ খৃঃত মহম্মদ নজৰ আলি পণ্ডিতৰ জন্ম হয়। দেউতাকৰ নাম আছিল মঃ শনিৰুদ্দিন। মাতৃ মৰিয়ম বিবি।

মাত্ৰ এখন গ্ৰন্থ লিখিয়েই যে মানুহ বিখ্যাত হব পাৰে তাৰ উদাহৰণ নজৰ আলি পণ্ডিত। যিখন গ্ৰন্থক সু সাহিত্যিক, গৱেষক আব্দুছ ছাত্তাৰ চাহাবে এখন অমূল্য গ্ৰন্থ বুলি স্বীকৃতি প্ৰদান কৰি গৈছে। নজৰ আলি চাহাবৰ কলমত নিগৰা গ্ৰন্থখন 'মোৰ জীৱনৰ কিছু-কথা।' নিজৰ জীৱনী গ্ৰন্থ হলেও এইখন বৃহত্তৰ পথৰুঘাটৰ এখন ইতিহাস, চাহবাগানৰ ইতিবৃত্ত আৰু তেতিয়াৰ মঙ্গলদৈয়া সমাজ জীৱনৰ এখন প্ৰামাণ্য দলিল স্বৰূপ, বৰ্ত্তমান প্ৰজন্মৰ এখন হাতপুথি।

নজৰ আলি চাহাবে ১৯৩৪ খৃঃত মঙ্গলদৈত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ মুকলি অধিবেশনত মঙ্গলদৈয়া ৰাইজৰ মৰমৰ আদেশমৰ্মে এটি স্বৰচিত কবিতা পাঠ কৰিছিল। ৰায় বাহাদুৰ আনন্দ চন্দ্ৰ আগৰৱালা আছিল সেই অধিবেশনৰ সভাপতি। সেয়ে হয়তো গ্ৰন্থকাৰৰ সাহিত্যিক প্ৰতিভাৰ এচেৰেঙা ৰঙালী ৰ'দৰ ক্ষীণ পোহৰৰ ৰেঙনি (এম্ ইব্ৰাহীম আলি মোৰ জীৱনৰ কিছু কথাৰ ওপৰত দিয়া মন্তব্য)

নজৰ আলি চাহাব ডিগ্ৰীৰ মালাধাৰী নাছিল। মাত্ৰ মজলীয়া স্কুল সাং কৰিয়েই প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক হৈছিল। কিন্তু ব্যক্তিত্ব আছিল ডিগ্ৰীৰে জুখিব নোৱাৰা অপৰিসীম, কলমৰ চোক আছিল সাৱলীল গতিত বৈ যোৱা পানীৰ সোঁতৰ দৰে। তেওঁৰ 'মোৰ জীৱনৰ কিছু কথা' উপন্যাস নহয় যদিও তাত উপন্যাসৰ সমল পাতে পাতে। এইটো সহজেই ক'ব পাৰি যে উপন্যাসৰ নৱৰস তাত পৰিস্ফুট নহলেও কিতাপখনত কৰুণ ৰসৰ পয়োভৰ ঘটাত জনা যায় যে নজৰ আলি চাহাব জীৱনত বহুতো ঘাত-প্ৰতিঘাতৰ সন্মুখীন হৈছিল। সেয়ে তেওঁৰ গ্ৰন্থখনিত বাস্তৱ ঘটনাসমূহে

ইটোৰ পাছত সিটো ঘটনাই খেদি ফুৰিছে। সমাজ প্ৰিয় হোৱা হেতুকে সমসাময়িক চৰিত্ৰসমূহৰ তেওঁৰ অকপট শ্ৰদ্ধা গ্ৰন্থখনত প্ৰকাশ পাইছে আৰু তেতিয়াৰ সমাজখন তাত স্পষ্টকৈ ফুটি উঠিছে। প্ৰায় চাৰিকুৰি বছৰীয়া অভিজ্ঞতাৰে পুষ্ট হৈ নজৰ আলি চাহাবে সেই অভিজ্ঞতাসমূহ পুঞ্জীভূক্ত কৰিছে 'মোৰ জীৱনৰ কিছু কথা'ত। যিবোৰ সদা জীৱন্ত।

'মোৰ জীৱনৰ কিছু কথা' গ্ৰন্থখনি ২য় প্ৰকাশ কৰি উলিয়াইছে অসম প্ৰকাশন পৰিষদে।

প্ৰথম প্ৰকাশিত গ্ৰন্থখনি জীৱিত কালত লেখক গৰাকীয়ে দেখা নাপালে। ১৯৫৭ খৃঃৰ ১৫ ফেব্ৰুৱাৰী শুক্ৰবাৰে এইজনা ব্যক্তিৰ মৃত্যু হয়। ভুবন চন্দ্ৰ গোস্বামী, পণ্ডিত দীনেশ্বৰ শৰ্মা মৌলনা হাছিমুদ্দিন আহমেদ, চিদ্দিক আলি মাষ্টৰ যিদৰে বৃহত্তৰ পথৰুঘাটৰ গৌৰৱ ঠিক সেইদৰে গৌৰৱ নজৰ আলি পণ্ডিত। জীৱনৰ বিয়লি বেলাত তেওঁ বৰ নৈৰাশ্যত ভুগিছিল হবলা। তেওঁৰে ভাষাত — "সিপুৰীৰ ডাক কোন মুহূৰ্ত্তত আহি পাই তাৰ ঠিক নাই। মই প্ৰস্তুত হৈয়েই আছোঁ।" হয়, হিন্দু-মুছলমান সকলোকে ম্ৰিয়মান কৰি তেওঁ গুচি গৈছিল সিপুৰীলৈ।

ছিদ্দিক আলি মাষ্টাৰ

১৮৮৮ খৃঃত দৰং জিলাৰ মঙ্গলদৈ মহকুমাৰ ঐতিহ্যপূৰ্ণ মুছলিমঘোঁপা গাঁৱত ছিদ্দিক আলিৰ জন্ম হয়। দেউতাকৰ নাম কেৰকেৰীয়া মোল্লা আৰু মাক কুঠিবিবি।

মজলীয়া শিক্ষা শেষ কৰিয়েই ছিদ্দিক আলিয়ে চাকৰি জীৱনৰ পাতনি মেলে পাথৰিঘাট এম. ভি স্কুলত। শিক্ষকতা পদত থাকিয়েই যোৰহাটৰ পৰা নৰ্মাল ট্ৰেনিং পাছ কৰে। তেতিয়াৰ পৰা তেওঁ জনমানসত ছিদ্দিক আলি মাষ্টাৰ হিচাপে জনাজাত হয়। শিক্ষকতা কৰি সেই সময়ত দৰমহা পাইছিল ৯ টকা। পাথৰিঘাটৰ পৰা তেওঁ চাটগাৰী এম্ ভি স্কুললৈ আকৌ প্ৰধান শিক্ষকৰূপে পদোন্নতি পাই শোণিতপুৰ জিলাৰ বেচেৰীয়া এম্ ভি স্কুললৈ যায়।

১৯২১ খৃঃত ভাৰতৰ স্বাধীনতা আন্দোলনে অসমতো গা কৰি উঠিছিল। গঢ়ি উঠিছিল মহাত্মা গান্ধীৰ নেতৃত্বত অসহযোগ আন্দোলন। স্বাধীনতা প্ৰিয় ছিদ্দিক আলিয়ে স্কুলৰ শিক্ষকতা চাকৰি ত্যাগ কৰি আন্দোলনত জপিয়াই পৰিজন্মগাঁও

মুছলিমঘোপালৈ আহে আৰু তাত তেওঁ এটা ভলণ্টিয়াৰ দল গঠন কৰে। একে গাঁৱৰে জেহিৰুদ্দিন আহমেদ কটনকলেজৰ পৰা ছাত্ৰ জীৱন ত্যাগ কৰি ছিদ্দিক আলিৰ লগ লাগে। পাছত দুয়োজনৰ বন্ধুত্ব আৰু আন্দোলনৰ কৰ্মত এনেকৈ জড়িত হৈ পৰিল যে জেহিৰুদ্দিন-ছিদ্দিক নামেৰে এটা নামত দুয়োজনৰ নাম গঁথা খালে। অসহযোগ আন্দোলনৰ অন্যতম কাৰ্যসূচী আছিল বিদেশী বস্ত্ৰ বৰ্জন আৰু মাদক দ্ৰব্য নিষিদ্ধ কৰণ। সেই চনতে মহাত্মা গান্ধী আহি গুৱাহাটীৰ মাছখোৱাত তৰুণ ৰাম ফুকনৰ ঘৰত বাহৰ পাতিছিল। ছিদ্দিক আলি খোজকাঢ়ি গৈ গান্ধীজীৰ সান্নিধ্য লাভ কৰিছিল গুৱাহাটীত। তৰুণ ৰাম ফুকনৰ ঘৰৰ সন্মুখত বিদেশী কাপোৰৰ দ'ল বান্ধি তাত জুই লগাই দিছিল। ছিদ্দিক আলিয়েও নিজৰ গাৰ কাপোৰ সোলোকাই জুইত জাপি দিছিল। মহাত্মা গান্ধীৰ নিবিড় সান্নিধ্য লাভ কৰি ছিদ্দিক আলিয়ে নাম পাইছিল 'মঙ্গলদৈয়া গান্ধী'।

গুৱাহাটীৰ পৰা ঘূৰি আহি তপেশ্বৰ শৰ্মা, কুমুদ ৰাম বৰা, দীনেশ্বৰ শৰ্মা আৰু জেহিৰুদ্দিনৰ সহযোগত ইতিমধ্যে গঠন কৰা মুছলিম ঘোপাৰ তাহাৰ আলি, মহত আলি, ভোতোক আলি আদম চা সেখ আদি ভলণ্টিয়াৰ সকলক লগত লৈ গাঁৱে গাঁৱে ঘূৰি বিদেশী বস্ত্ৰ জ্বলাই ফুৰিছিল। সেই সময়ত ইংৰাজ চৰকাৰে অসমত কানিৰ এখন মুকলি বেহা খুলিছিল। ছিদ্দিক আলিয়ে কানিৰ দোকানৰ সন্মুখত পিকেটিং কৰিছিল এটা অভিনৱ উপায়েৰে। ভলাণ্টিয়াৰসকলৰ লগতে তেওঁ কানিৰ দোকানৰ সন্মুখত শুই পৰিছিল। যাতে কানিয়াসকলে গচকি পাৰ হৈ দোকানলৈ কানি কিনিব যাব নোৱাৰে। খলঠেকত পৰি কানিয়াসকলে কানি খোৱা প্ৰথা ত্যাগ কৰিবলৈ বাধ্য হৈছিল।

১৯২৪ খৃঃৰ এদিন মাজৰাতি শোৱা পাটিতে ইংৰাজ চৰকাৰে এৰেষ্ট কৰি তেজপুৰ জেললৈ পঠায়। বিচাৰত ছিদ্দিক আলিৰ দুই বছৰ সশ্ৰম কাৰাদণ্ড হয়। তাৰ কেইদিনমানৰ পাছতে জেহিৰুদ্দিন আহমেদকো এৰেষ্ট কৰি তেজপুৰ জেলত ৰাখিছিল। দুয়ো বন্ধুক ইংৰাজ চৰকাৰে জেলৰ ভিতৰত তেল পেৰা ঘাণিৰ বলধ ৰূপে কামত লগাই শাস্তি দিছিল।

১৯২৬ খৃঃত জেলৰ পৰা মুক্তি পাই কৰ্ম সংস্থাপনৰ উপায় পাঙি বন্ধু জেহিৰুদ্দিনৰ সৈতে মঙ্গলদৈ চহৰত "স্বদেশী দোকান" নামেৰে এখন কিতাপৰ দোকান খোলে। জেহিৰুদ্দিন ছিদ্দিক আলিয়েই মঙ্গলদৈ অঞ্চলৰ প্ৰথম কিতাপ

ব্যৱসায়ী।

জেহিৰুদ্দিন আহমেদ ১৯৩৫-৩৬ খৃঃত মঙ্গলদৈ টাউন কমিটীৰ চেয়াৰমেন নির্বাচিত হৈছিল। ব্যৱসায়ৰ মাজতেই ছিদ্দিক আলিয়ে সাহিত্য চর্চা কৰিছিল। তেওঁৰ প্রকাশিত পুথি সমূহ 'শান্তি সমাচাৰ' কবিতা পুথি, নতুন সাধু, গল্পৰ পুথি, ন-পাটী গণিত অঙ্কৰ পাঠ্য পুথি আৰু 'কিমে চাদাত' নামৰ আন্তর্জাতিক খ্যাতিসম্পন্ন ধর্মীয় পুথি খন বঙালীৰ পৰা অসমীয়ালৈ "সৌভাগ্য পৰশমণি" নামেৰে অনুবাদ কৰা গ্রন্থ অন্যতম। তদুপৰি "পোহৰৰ শেষৰ ৰেঙণি মাৰ গ'ল ডাৱৰৰ আঁৰত আৰু "আনন্দ লহৰী" নামৰ দুখন কবিতা আৰু "গৰায়ে গলদ" যাৰ অর্থ প্রথমতে ভুল এখন ধর্মীয় পুথি ৰচনা কৰিছিল। হাতে লিখা অৱস্থাতে বহুতো কিতাপ এৰি থৈ যোৱা বুলি জনা যায়।

১৯৪৭ খৃঃৰ ১৫ আগষ্টত দেশে স্বাধীনতা পোৱাত তেওঁ যিমান আনন্দিত হব লাগিছিল তাৰ পৰিৱর্তে মহাত্মা গান্ধীৰ দৰেই ভাৰতৰ সার্বভৌমত্ব দ্বিখণ্ডিত হৈ স্বাধীতা লাভ কৰাত তেৰোঁ দুখত ম্রিয়মান হৈ পৰিছিল।

১৯৫৩ খৃঃৰ চেপ্তেম্বৰ মাহত এইজনা বহুমুখী প্রতিভাসম্পন্ন ব্যক্তি ৬৫ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। তেওঁৰ ইচ্ছানুসৰিয়েই মুছলিমঘোপাত কবৰ নিদি মাঁৰৈৰ বগা মোলবী চাহাবৰ কবৰৰ ওচৰত কবৰ দিয়া হয়।

মহাত্মা গান্ধীৰ চিতাভস্ম ছিদ্দিক আলিয়েই মঙ্গলদৈ লৈ দুটা কলহত কঢ়িয়াই আনি মঙ্গলদৈ নদীত বিসর্জন দিয়া বুলি তেওঁৰ বৰপুত্রৰ পৰা জনা যায়।

ধজৰ আলি ফন্দি

ইতিহাস প্রসিদ্ধ পথৰুঘাটৰ নিৰণচুৱা গাঁৱত ১৮৬৭ খৃঃত ধজৰ আলি ফন্দিৰ জন্ম হয়। সেই সময়ত পথৰুঘাট ছাত্র বৃত্তি স্কুলখনৰ বাহিৰে অইন শিক্ষানুষ্ঠান নাছিল। দেউতাকে সেই স্কুলত ধজৰ আলিক নাম লগাই দিয়ে। কিন্তু ছাত্র-বৃত্তি শিক্ষা সাং কৰাৰ পাছত তেওঁ ঘৰুৱা দৈন্যতাৰ কাৰণে উচ্চ শিক্ষা লব নাপালে। বাঁহ-বেতৰ কামত তেওঁ অতি পার্গত আছিল কাৰণে ফন্দীয়াৰ (পার্গতালি) নাম পাইছিল। সেই গাঁৱৰে আতৰ আলিৰ ঘৰত ধজৰ আলিয়ে নিজ হাতে তৈয়াৰ

কৰা সামগ্ৰী বাঁহৰ ফণী, চাহচেকা চেকণী, বৰপেৰা আদি এতিয়াও সংৰক্ষিত হৈ আছে।

১৮৯২ খৃঃত ধজৰ আলি পথৰুঘাটৰ ডাক বঙলাত উমাদাৰী পেচাত সোমায়। সেই কামত থাকি তেওঁ অঞ্চলটোৰ বিভিন্ন মানুহৰ লগত চিনাকি হৈছিল। জীৱনটোত তেওঁ দুখৰ মাজেৰে অতিবাহিত কৰিব লগা হৈছিল। প্ৰথমা পত্নীৰ মৃত্যুৰ পাছত দ্বিতীয় বিবাহ কৰি তেওঁ বেছি নৈৰাশ্যত ভুগিছিল। দ্বিতীয়া পত্নীয়ে ১ মা পত্নীৰ সন্তান দুটিক এলাগী চকুৰে চোৱাত তেওঁ মৰ্মান্তিক দুখ পাইছিল। তেওঁ আছিল এজন স্বভাব কবি। মাহী মাকসকলৰ অত্যাচাৰৰ কথা বৰ্ণনা কৰি ত্ৰিপদী আৰু পয়াৰ ছন্দত এখন পদ্য পুথি লিখিছিল—

> "বিবাহ হেটি জৰা মাৰি, খনিৰ কৈমন ঘৰবাৰী,
> এতো দুখ দেখিলু কপালে, বাসি আছে ৰেওৱা
> বাৰী আনিবাৰে নাহি পাৰি, ৰূপৱতী হয় যদি হুৰ।।
> মোৰ আছে বেটা-বেটী, নাবাঞ্চিবো সেই হেটি
> মুখ চোকা যেন ভিক্ষুকুৰ।"

পথৰুঘাটৰ ৰণৰ কথা বৰ্ণাই ধজৰ আলিয়ে এখন পদ্য পুথি লিখিছিল, যিহেতু তেওঁ ইংৰাজৰ অধীনত উমাদাৰী কাম কৰিছিল, গতিকে ইংৰাজৰ তীক্ষ্ণ দৃষ্টিৰ ভয়ত সেইখন প্ৰকাশ কৰিব পৰা নাছিল কাৰণ সেই পথৰুঘাটৰ সংঘৰ্ষৰ কথা মানুহে আলোচনা কৰিব নোৱাৰাকৈ নিষেধাজ্ঞা জাৰি কৰি থৈছিল। কিন্তু মানুহে ঢেকস্বৰূপে তেওঁ লিখা কথাবোৰ গাঁৱে গাঁৱে গাই ফুৰিছিল। তেওঁৰ মৃত্যুৰ পাছত কিতাপখন আলিখাঁপাৰাৰ বগা সেখৰ ঘৰৰ পৰা ঢেক গাবলৈ সেই গাঁৱৰে কৰিমচা মোল্লাই নিয়ে। তেওঁৰ পৰা আকৌ কটাহী অঞ্চলৰ বাহমোল্লা গাঁৱৰ বুলেই মোল্লা নামৰ এজন মানুহে নিয়ে। তাৰ পৰা পাণ্ডুলিপিটোই হৰলুকি হয়। বৰ্ত্তমান পথৰুঘাটৰ ৰণৰ বিষয়ে বৰ্ণনা থকা 'দলি পুৰাণ'খনিত (নৰোত্তম দাস প্ৰণোদিত) পদৰ কিছু অংশ ধজৰ আলিৰ ৰচনাৰ পৰা সংগ্ৰহ কৰা হয় বুলি স্থানীয় মানুহে কব খোজে।

"এই ঘটনাৰ কোনো লিখিত তথ্য নাছিল। ঘটনাৰ সময়ত উপস্থিত থকা জনৈক নৰোত্তম নামৰ ব্যক্তিয়ে পদৰ আকাৰে সেই ঘটনাৰ কথাবোৰ গাই ফুৰিছিল। সেই গীত শুনি শুনি আনেও অ'ত ত'ত গাই ফুৰিছিল। তাৰে কিছু অংশ কোনো

কোনোৱে লিখি থৈছিল। "খৈৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত শিক্ষক তথা মোৰ প্ৰিয় বন্ধু হৰেন্দ্ৰনাথ শৰ্মা আৰু এই লেখকে সেই পদবোৰ একত্ৰিত কৰি দলি পুৰাণ (লিখিত অংশত সেই নাম আছিল) নাম দি পাথাৰিঘাটৰ ৰণৰ সেই কাহিনী প্ৰথমে বামুণপাৰা ভেবাৰঘাট ছাত্ৰ সংঘৰ নামত প্ৰকাশ কৰি উলিয়াইছিলোঁ।"[১]

এইদৰেই দলি পুৰাণ সৃষ্টি হৈছিল যদিও ইয়াৰ পদ সমূহৰ ৰচক যে নৰোত্তম দাস তাক ডাঠি কব নোৱাৰি। সংগৃহীত পদসমূহ ধজৰ আলিৰো হব পাৰে নতুবা অইনৰো হব পাৰে। নৰোত্তম দাস ৰচিত অইন পদ পোৱা নাযায়। কিন্তু ধজৰ আলিৰ একেই ঠাচৰ পদ বহুতো আছে। যেনে —

শুনহ মমিন ভাই সবে মুছলমান।
কানিয়াহাতৰ কথা ইতা কৰিব বয়ান।।
মৰ কানিয়া, বৰ কানিয়া গেছা যিটো নাম।
আৰু এক কানিয়া, আছিল নামতে অধম।।

ভৰিত বলিয়া কুকুৰে কামোৰাৰ ফলত ১৯০৯ খৃঃৰ ১০ এপ্ৰিল তাৰিখে এইজনা স্বভাৱ কবিৰ মৃত্যু হয়।

কুদ্ৰত আলি হেড্‌মাষ্টৰ

বৃহত্তৰ পথৰুঘাট অঞ্চলৰ বৰকলিয়াঝাৰ গাঁৱত এটি সম্ভ্ৰান্ত পৰিয়ালত ১৯১৫ খৃঃত কুদ্ৰত আলিৰ জন্ম হয় ১৫ মে' তাৰিখে। স্থানীয় বিদ্যালয়ত প্ৰাথমিক শিক্ষা লাভ কৰাৰ পাছত ১৯৩৩ খৃঃত মঙ্গলদৈ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। তাৰ পাছত তেওঁ কলেজীয়া জীৱনৰ পাতনি মেলে গুৱাহাটীৰ কটন কলেজত।

সেই কলেজৰ পৰা তেওঁ ১৯৩৫ খৃঃত প্ৰথম বিভাগত আই, এ, আৰু তাৰ পাছত দৰ্শনত অনাৰ্চ সহ বি.এ. পাছ কৰে। দৰ্শনৰ ছাত্ৰ হলেও ইংৰাজী আৰু ফাৰ্চী

১ : হেঙুল ঃ ১ম বছৰ ২য় সংখ্যা ঃ স্বৰ্গাদপি গৰীয়সী ঃ প্ৰসন্ন কুমাৰ শৰ্মাঃপৃঃ ৪৭ (জানুৱাৰী ফেঃ ২০০৫)

ভাষাত তেওঁৰ ব্যুৎপত্তি আছিল অপৰিসীম। বি এ পাছ্ কৰাৰ পাছতেই তেওঁ ছিপাঝাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত শিক্ষক পদত নিযুক্তি পায়। কেইবছৰমান শিক্ষকতা কৰাৰ পাছত তেওঁ যোগান বিভাগত পৰিদৰ্শকৰূপে চাকৰি পাই শিক্ষকতা ত্যাগ কৰি নতুন চাকৰিত যোগদান কৰে গৈ। কিন্তু পিছপৰা অঞ্চল পথৰুঘাটত কেইজনমান বিশিষ্ট ব্যক্তিৰ আপ্ৰাণ চেষ্টাত হাইস্কুল স্থাপন হোৱাত ৰাইজৰ অনুৰোধত চৰকাৰী চাকৰি ত্যাগ কৰি ৰাজহুৱা স্বাৰ্থক সন্মান জনাই নৱ নিৰ্মিত পাথৰিঘাট হাইস্কুলত যোগদান কৰে প্ৰধান শিক্ষক হিচাপে। তেতিয়াৰ পৰা জনমানসত হেডমাষ্টৰ ৰূপে পৰিগণিত হয়

কৃদ্ৰত আলি চাহাবৰ প্ৰচেষ্টাত সেই সময়ত পাথৰিঘাট উচ্চ ইংৰাজী বিদ্যালয়ে বেচ সুনাম অৰ্জন কৰিছিল আৰু বহুতো ছাত্ৰ সুনাম লৈ প্ৰবেশিকাত উত্তীৰ্ণ হৈছিল।

শিক্ষকতাৰ বাহিৰেও তেওঁ আছিল এজন সমাজসেৱক। তেওঁৰ যত্নতেই অঞ্চলটোৰ শিক্ষানুষ্ঠান চিকিৎসালয়, বান্ধ, দোং আদিৰ উন্নতি সাধন হৈছিল। তদুপৰি তেওঁ আছিল এজন সুবিচাৰক। অঞ্চলটোৰ মানুহক কাছাৰীমুখী হবলৈ নিদি ঠাইতে বিচাৰ কৰি মীমাংসা কৰি দিছিল।

১৯৭৭ চনৰ ২৩ এপ্ৰিল তাৰিখে এইজনা শিক্ষাবিদ তথা সমাজসেৱীৰ স্বৰ্গগামী হয়।

বকদুল আলি হেড্মাষ্টাৰে

দৰং জিলাৰ পশ্চিমৰ শেষ প্ৰান্তৰ দুমুনিচকী গাঁৱৰ ওচৰতে থকা মাবুৰাচকীত ১৯১৮ খৃঃৰ জানুৱাৰী মাহত বকদুল আলি চাহাবৰ জন্ম হয়। পিতৃ ফজল আৰু মাতৃহালিমা বেগম।

দুমুনিচকী মজলীয়া স্কুলৰ প্ৰাথমিক শিক্ষা শেষ কৰি ককায়েক ডালিম আলিৰ যত্নত ৮ মাইল আঁতৰৰ কৰৰা হাইস্কুলত বকদুল আলিয়ে নাম ভৰ্ত্তি কৰে। কিন্তু ৭ম শ্ৰেণীৰ পৰীক্ষা পাছ কৰাৰ পাছতেই দেউতাকে তেওঁক লৈ আহি মঙ্গলদৈ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত ৮ম্ শ্ৰেণীত নাম ভৰ্ত্তি কৰি দিয়ে। সেই স্কুলৰ পৰা ২য় বিভাগত মেট্ৰিক পাছ কৰি ১৯৩৯ খৃঃত কটন কলেজলৈ গৈ তাৰপৰা বি. এ. পাছ্ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ কাৰ্যালয় সহায়ক হিচাপে তেওঁ চাকৰি জীৱনৰ

পাতনি মেলি শিক্ষকতাকে পাচত জীৱনৰ ব্ৰত হিচাপে লয় — ১৯৪১ খৃঃত ৫ আগষ্টত গোলাঘাট বেজবৰুৱা উচ্চ ইংৰাজী বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে নিযুক্তি লাভেৰে। তাৰপৰা বদলি লৈ তেওঁ তেজপুৰ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়লৈ যায় আকৌ তাৰ পৰাও ১৯৪৩ খৃঃৰ আগষ্ট মাহৰ ২ তাৰিখে মঙ্গলদৈ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়লৈ বদলিসূত্ৰে আহে। ১৯৪৮ খৃঃত তেওঁ শ্বিলং বি. টি প্ৰশিক্ষণ কেন্দ্ৰৰ পৰা বি. টি. পৰীক্ষা পাছ কৰে। ১৯৫৮ খৃঃত তেওঁ মঙ্গলদৈ উচ্চ ইংৰাজী উচ্চ স্কুলতে সহকাৰী প্ৰধান শিক্ষকলৈ পদোন্নতি পায়।

১৯৫৯ খৃঃ ত হাউলী নৰ্মাল স্কুলৰ চুপাৰিন্‌টেন্‌ডেণ্ট ৰূপে নিযুক্তি গ্ৰহণ কৰে। ১৯৬২ খৃঃৰ আগষ্ট মাহত পুনৰ মঙ্গলদৈ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়লৈ হেড্‌মাষ্টাৰ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি মৃত্যুৰ সময়লৈকে সেই পদতে থাকি সুখ্যাতি উৰ্জন কৰে। বিদ্যালয়খন উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত হোৱাত তেওঁ উক্ত বিদ্যালয়ৰ অধ্যক্ষ হয়। বিদ্যালয়খনৰ তেঁৱেই প্ৰথম অধ্যক্ষ।

শিক্ষকতাৰ উপৰিও তেওঁ আছিল এজন ক্ৰীড়া সংগঠক। মঙ্গলদৈ ক্ৰীড়া সন্থাৰ তেওঁ অবৈতনিক সম্পাদক আছিল। তেওঁ আছিল এজন আগশাৰীৰ স্কাউট শিক্ষক।

তেওঁ একাধাৰে আছিল কবি নাট্যকাৰ আৰু প্ৰবন্ধ লেখক। বিভিন্ন আলোচনী আৰু কাকতত তেওঁৰ কবিতা, প্ৰবন্ধ, খুহুতীয়া ৰচনা সিচৰতি হৈ পৰি আছে। 'সহপাঠী' হ'ল তেওঁৰ প্ৰকাশিত পূৰ্ণাঙ্গ নাটক। তেওঁৰ আন এখন নাটক 'যুগৰ ডেকা'।

১৯৬৭ খৃঃৰ ৩০ এপ্ৰিলত এইজনা প্ৰতিভাসম্পন্ন ব্যক্তিৰ মৃত্যু হয়।

আব্বাছ উদ্দিন আহমেদ

জন্ম ১৯০২ খৃঃৰ জানুৱাৰী মাহৰ প্ৰথম তাৰিখে মঙ্গলদৈ মহকুমাৰ ঐতিহ্যশ্ৰিত মুছলিমঘোপা গাঁৱত। পিতৃৰ নাম আলিমুদ্দিন আহমেদ। আব্বাছ উদ্দিন আহমেদে হাইস্কুলীয়া জীৱন আৰম্ভ কৰে মঙ্গলদৈ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত। সেই বিদ্যালয়ৰ পৰা ১৯১৮ খৃঃত ১ম বিভাগত মেট্ৰিক পাছ কৰি কটন কলেজত

উচ্চ শিক্ষাৰ কাৰণে ভৰ্ত্তি হয়। ১৯২০ খৃঃত প্ৰথম বিভাগত ইণ্টাৰমেডিয়েট পৰীক্ষা আৰু ১৯২২ খৃঃত বি. এ. পাছ কৰে। চুডমাৰ্চন চাহাব আছিল তেতিয়াৰ কটন কলেজৰ অধ্যক্ষ। গতিকে ডিগ্ৰী লাভতকৈয়ো নিয়মানুবৰ্ত্তিতা আৰু ছাফ-চিকুণৰ ওপৰত ছাত্ৰ-ছাত্ৰী বিলাকে অধিক গুৰুত্ব দিব লগা হৈছিল।

১৯২৪ খৃঃত তেখেতে ঢাকা বিশ্ব বিদ্যালয়ৰ পৰা দৰ্শন বিভাগত দ্বিতীয় বিভাগৰ প্ৰথত স্থান দখল কৰি এম্ এ. ডিগ্ৰী লাভ কৰে। ব্ৰহ্মপুত্ৰ নদৰ উত্তৰ পাৰৰ হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ তেখেত আছিল প্ৰথম এম্ এ ডিগ্ৰীধাৰী ব্যক্তি। ১৯২৭ খৃঃত তেখেতে ঢাকা বিশ্ববিদ্যালয়ৰ পৰাই বি. এল. ডিগ্ৰীও লাভ কৰে। শিক্ষা জীৱন সাং কৰি প্ৰথমতে তেওঁ মঙ্গলদৈ কাছাৰীত অধিবক্তা হিচাপে কৰ্ম জীৱনৰ পাতনি মেলে। এই সময়চোৱাত তেখেতে মঙ্গলদৈ লোকেল বৰ্ডৰ উপসভাপতি হিচাপেও কাৰ্যনিৰ্বাহ কৰে। ১৯৩২ খৃঃত তেখেতে প্ৰশাসনীয় বিভাগত ই.এ. চি হিচাপে নিযুক্তি পায়। অসম ৰাজপত্ৰিকাত পোৱা মতে তেখেতে ডিব্ৰুগড়, যোৰহাট, উত্তৰ লক্ষীমপুৰ, গোৱালপাৰা, অবিভক্ত অসম তুৰা, গোলাঘাট আদি বিভিন্ন দিশত ই.এ.চি হিচাপে কাৰ্য নিৰ্বাহ কৰিছিল। সেই সময়ত ন্যায় পালিকা আৰু কাৰ্যালিকা এজন বিষয়াৰ ওপৰতে নিৰ্ভৰ কৰিছিল। সেই কাৰণে জনমানসত তেখেতে আব্বাছ হাকিম ৰূপে স্বীকৃতি লাভ কৰিছিল।

নিয়মানুবৰ্তিতা তেখেতৰ চৰিত্ৰৰ ভূষণ আছিল। ইংৰাজ চাহাবৰ আদব-কায়দাৰে তেওঁ জীৱন-নিৰ্বাহ কৰিছিল। তেখেত আছিল এজন দক্ষ সমাজ সেৱক। মুছলিমঘোপাৰ বাট-পথ তেখেতৰ যত্নতে বহল কৰা হৈছিল। আনে কৰিব নোৱাৰা কামটো কৰি তেওঁ ৰাইজৰ প্ৰশংসাৰ পাত্ৰ হৈছিল। অবসৰৰ পাছত নিজ গাঁও মুছলিমঘোপাত মেট্ৰিক পৰীক্ষাৰ্থী সকলক বিনা পাৰিশ্ৰমিকৰে নুৰ পুথি ভঁৰালত ইংৰাজী শিকাইছিল। মৃদু ভাষী আব্বাছ উদ্দিন আহমেদ চাহাব আছিল বিজ্ঞ আৰু দক্ষ বিষয়া।

জীৱনৰ বিয়লি বেলাত তেখেতে পুনৰ অধিবক্তা হৈছিল। কিন্তু ধনৰ কাৰণে নহয় নিজৰ পিছৰ বৃত্তি জীয়াই ৰখাৰ উদ্দেশ্যে আছিল মুখ্য।

১৯৬৯ খৃঃত তেখেতৰ দেহাৱসান ঘটে মুছলিমঘোপা গাঁৱত।

মৌলানা ইছলামুদ্দিন

মঙ্গলদৈ মহকুমাৰ দক্ষিণ-পশ্চিমৰ এখন অনুন্নত গাঁও সানোবাত ১৯১৯ খৃঃত মৌলানা ইছলামুদ্দিন চাহাবৰ জন্ম হয়। পিতৃৰ নাম মফিজুদ্দিন আহমেদ আৰু মাতৃৰ নাম থানেই বিবি। ইছলামুদ্দিনৰ শিক্ষা জীৱনৰ পাতনি আৰম্ভ হয় সানোবা প্ৰাথমিক বিদ্যালয়ত। পাছত মাৰৈ এম্ ভি. স্কুল, পাথৰিঘাট এম্ ভি. স্কুল, বৰ্ভীয়া হাইমাদ্ৰাছাৰ পৰা আৰবীৰ লগতে ইংৰাজী শিক্ষা লাভ কৰি ১৯৪৫ খৃঃত কলিকতা চৰকাৰী টাইটল মাদ্ৰাছাত ভৰ্ত্তি হয়। ১৯৪৭ খৃঃত তেওঁ সেই মাদ্ৰাছাৰ পৰা টাইটল পৰীক্ষাত উত্তীৰ্ণ হৈ ঘৰলৈ আহে।

কলিকতাৰ পৰা আহি তেওঁ বৰ্ভীয়া হাইমাদ্ৰাছাত কিছুদিন শিক্ষকতা কৰিছিল। ১৯৪৯ খৃঃত ভাৰত চৰকাৰে তেওঁক উচ্চ শিক্ষা লাভাৰ্থে বিশ্বৰ ইছলামিক শিক্ষা কেন্দ্ৰ ইজিপ্তৰ কাইৰো চহৰত অৱস্থিত আলআজ্‌হাৰ বিশ্ব বিদ্যালয়লৈ পঠায়। সেই বিশ্ববিদ্যালয়ৰ পৰা সৰ্বোচ্চ ডিগ্ৰী লাভ কৰাৰ পাছত আমেৰিকান বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। এই পৰীক্ষাত তেওঁ এখন গৱেষণামূলক প্ৰজেক্ট দাখিল কৰিছিল। যিখনৰ নাম আছিল "The Introduction and Development of Islam in India". এইখন গৱেষণামূলক গ্ৰন্থৰ সম্পৰ্কত ১৯৮৩ খৃঃত ভাৰত চৰকাৰৰ "শিক্ষা তথা সাংস্কৃতিক মন্ত্ৰাল"য়ে শিক্ষক দিৱসত তেওঁলৈ আগবঢ়োৱা সম্মান সংক্ৰান্তত প্ৰশস্তি পত্ৰত প্ৰকাশ কৰিছে— "He (Md. Islamuddin) has done research in Arabic and written a thesis in English about the introduction of Islam into India. His work received recognition from American University, Cairo, Egypt."

তাৰ পাছত ইছলামুদ্দিন চাহাবে ১৯৫২ খৃঃৰ পৰা ১৯৫৪ খৃঃলৈ ইৰাণ, ইৰাক, জৰ্দান, পেলেষ্টাইন আদি বহু দেশ ভ্ৰমণ কৰি প্ৰভূত জ্ঞানৰ অধিকাৰী হয়। সেইবোৰ ভ্ৰমণ কৰি থাকোতেই বিশেষকৈ চীনদেশৰ বন্ধু আব্দুৰ ৰহমান পুংছিংলিয়ে আগবঢ়োৱা পৰামৰ্শৰ ভিত্তিত অসমত এখন আৰবীক কংলেজ স্থাপনৰ পৰিকল্পনা কৰে। সেই পৰিকল্পনাক বাস্তৱত ৰূপ দিয়াৰ উদ্দেশ্য ১৯৫৫ খৃঃৰ ১ জানুৱাৰী তাৰিখে কামৰূপ জিলাৰ বৰ্ভীয়াত আৰবীক কলেজ প্ৰতিষ্ঠা কৰে।

১৯৬৭ খৃঃত ভাৰত চৰকাৰে মৌলানা ইছলামুদ্দিন চাহাবক পেলেষ্টাইনত বহা International Convention লৈ ভাৰতৰ প্ৰতিনিধি নিযুক্ত কৰি পঠায়। ১৯৮৩ খৃঃত তেওঁ ৰাষ্ট্ৰপতি বঁটা লাভ কৰিছিল।

এইজনা বিদগ্ধ পণ্ডিতে বৰ্তীয়া আৰবী কলেজৰ অধ্যক্ষ পদত কাৰ্যনিৰ্বাহ কৰাৰ উপৰিও ১৯৭৬ খৃঃৰ পৰা বৰ্তীয়াৰ কাজী হিচাপে নিযুক্তি পাইছিল।

মৌলনা ইছলামুদ্দিন চাহাব সুকবিও আছিল। ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত 'তৰুণ অসম' নামৰ আলোচনীত তেওঁৰ কবিতা নিয়মিতভাবে প্ৰকাশ পাইছিল। তদুপৰি ফুলৰ শৰাই নামৰ কবিতা পুথি এখন অপ্ৰকাশিত অৱস্থাত আছে।

১৯৮৮ খৃঃৰ ২৭ জানুৱাৰী তাৰিখে মৌলানা ইছলামুদ্দিন চাহাবৰ এন্তেকাল হয়। দৰং তথা কামৰূপৰ ইছলাম ধৰ্ম সংস্কাৰ সাধন তেওঁৰ পাণ্ডিত্যপূৰ্ণ কৃতিত্ব।

ডাঃ লতিফুদ্দিন আহমেদ

পাথাৰিঘাট অঞ্চলৰ বৰকুমাৰপাৰা গাঁৱৰ বাসিন্দা লতিফুদ্দিন আহমেদ সেই অঞ্চলৰ প্ৰথম চিকিৎসা বিজ্ঞানৰ ব্যক্তি। তেওঁৰ দেউতাকৰ নাম আছিল আমিৰুদ্দিন আহমেদ। তেওঁৰ পূৰ্বপুৰুষ কানাই দৰঙী ৰজাৰ 'শইকীয়া' খিতাপধাৰী ব্যক্তি আছিল। সেই ঐতিহ্য বহন কৰি উত্তৰসুৰী সকলে এতিয়াও শইকীয়া উপাধি লিখে।

লতিফুদ্দিন আহমেদে পাথৰিঘাট মাইনৰ স্কুলত শিক্ষাৰ পাতনি মেলি ডিব্ৰুগড় অসম মেডিকেল কলেজৰ পৰা চিকিৎসা বিজ্ঞানৰ ডিগ্ৰী লাভ কৰে। তেওঁ খুহতীয়া কথাৰ ভঁৰাল আছিল।

আজিজুৰ ৰহমান শইকীয়া

জন্ম ১৮৮৯ খৃঃৰ ১২ এপ্ৰিল। দেউতাক আলিমুদ্দিন আহমেদ। বৰকুমাৰপাৰা অঞ্চলৰ তেওঁ প্ৰথম এন্ট্ৰেন্স পাছ কৰা ব্যক্তি। ইংৰাজ চৰকাৰৰ আমোলত তেওঁ ৰেজিষ্টাৰ কাননগুহ আছিল। তেওঁৰো পূৰ্বপুৰুষ ৰজাঘৰীয়া শইকীয়া খিতাপধাৰী। ১৯৮৩ খৃঃৰ ২ আগষ্ট তাৰিখে আজিজুৰ ৰহমান শইকীয়াৰ মৃত্যু হয়।

মৌলানা হাছিমুদ্দিন আহমেদ

জন্ম ১৮৯১ খৃঃ। পিতৃ সমাজসেৱক গণিৰুদ্দিন আহমেদ। মাতৃৰ নাম নমিনা খাতুন। জন্ম স্থান বৰকুমাৰপাৰা।

তেওঁৰ দ্বীনি শিক্ষা জীৱনৰ পাতনি আৰম্ভণি হয় সেই অঞ্চলৰ বিখ্যাত মুঞ্চী শম্ভু সেখৰ ঘৰত। তাৰ পাছত দ্বীনি শিক্ষা লাভ কৰে মুছলিম ঘোপাৰ মোক্তাবত গাঠি মুঞ্চিৰ অধীনত। ১৯০৬-৭ খৃঃত তেওঁ যায় নগাঁও জিলাৰ পুৰণিগুদামৰ চলচলি নামৰ এখন মাদ্ৰাছালৈ। তাত কিছুদিন আৰবী শিক্ষা গ্ৰহণ কৰি উত্তৰ প্ৰদেশৰ 'ছচাইনিয়া মাদ্ৰাছা'লৈ উচ্চ শিক্ষা লাভ কৰিবলৈ ৰাওনা হয়। তাৰ পৰাই তেওঁ মৌলানা উপাধি লাভ কৰে।

এইজনা মৌলানা দিল্লীৰ জামে মছজিদৰ শ্বাহী ইমাম হিচাপে নিযুক্তি পাইছিল। সম্ভৱতঃ দৰঙৰ পৰা দিল্লীৰ জামে মছজিদৰ শ্বাহী ইমামৰ আসন শুৱনি কৰা তেঁৱেই প্ৰথম ব্যক্তি। ডা° আবিদ আলিৰ ককায়েক বাগানৰ বৰকেৰাণী মঃ কাছিমে চকুৰ অসুখ দেখুৱাবলৈ গৈ মৌলানা হাছিমুদ্দিন চাহাবক দিল্লীৰ জামে মছজিদত শ্বাহী ইমাম হিচাপে লগ পাইছিল।

১৯২৮ খৃঃত তেওঁ ঘৰলৈ প্ৰত্যাবৰ্ত্তন কৰি ছিপাঝাৰত উপস্থিত হোৱাত ছিপাঝাৰৰ ভুক্তাবাৰী নিবাসী শ্ৰীৰজনী কান্ত বৰুৱাই এখন গৰু গাড়ী ব্যৱস্থা কৰি ঘৰলৈ যোৱাত সুবিধা কৰি দিছিল। কাৰণ সেই সময়ত গৰুগাড়ীৰ বাহিৰে যাতায়তৰ অন্য ব্যৱস্থা নাছিল। গাঁৱলৈ আহি ল'ৰা-ছোৱালীৰ ইছলামিক শিক্ষা প্ৰদানৰ কাৰণে বৰকুমাৰপাৰা গাঁৱৰ পশ্চিমে বাঘমাৰাত বোন্দা বকাচ নামৰ এজন ব্যক্তিৰ মাটিত খেৰীঘৰৰ এখন মাদ্ৰাছা স্থাপন কৰে। সেই মাদ্ৰাছাখন জুইত পোৰা যোৱাত ১৯৩৮-৪০ খৃঃত দ্বিতীয়খন মাদ্ৰাছা প্ৰতিস্থা কৰে "চাফাৰুদ্দিন আহমেদৰ দানকৃত মাটিত। উক্ত মাদ্ৰাছাখন হেনো লোকেল বৰ্ডে চৰকাৰীকৰণ কৰিব খুজিছিল। কিন্তু মৌলানা চাহাবে সেই কথাত হয়ভৰ নিদিলে।

এবাৰ মৌলানা চাহাবৰ অসুখ হোৱাত মঙ্গলদৈ অসামৰিক চিকিৎসালয়ত ভৰ্ত্তি কৰা হৈছিল। ডাক্তৰ জে. এন. চক্ৰবৰ্ত্তীয়ে ৰোগীৰ পাণ্ডিত্যৰ উমান পাই কৈছিল — 'He is a man of God. ১৯৩০ খৃঃত তেওঁ হজ্জ কাৰ্য সমাপন কৰে।

১৯৫৯ খৃঃৰ ২০ মে তাৰিখে এইজনা বিদগ্ধ মৌলানাৰ এন্তেকাল হয়।

তেওঁৰ স্মৃতিৰ সোঁৱৰণত সেই ঠাইত তেওঁৰ নামেৰে বহুতো অনুষ্ঠান -প্ৰতিষ্ঠান বৰ্ত্তমান গঢ়ি উঠিছে।

মৌজাদাৰ খবিৰুদ্দিন আহমেদ

জন্ম ১৯০৭ খৃঃ ৰইনাকুছি মৌজাৰ ১ নং ঘোঁৰাশাল গাঁৱৰ তুৰাইত। পিতৃৰ নাম আছিল বছিৰুদ্দিন আহমেদ আৰু মাতৃ বগীবিবি। বছিৰুদ্দিন আহমেদৰ ককায়েক আমিৰুদ্দিন আহমেদ ৰইনাকুছি মৌজাৰ মৌজাদাৰ আছিল। বৃত্তিত প্ৰথমে তেওঁ মণ্ডল আছিল। সেই সময়ত ভূমি চেটোলমেণ্ট পিয়লত ইউৰোপীয়ান মেকছুইন চাহাবে আমিৰুদ্দিন আহমেদ মণ্ডলৰ দক্ষতা, কৰ্ম-নিপুণতা, আৰু শৃঙ্খলা নিপুণতাত মুগ্ধ হৈ তেওঁক ১৯০৮ খৃঃত ৰইনাকুছি মৌজাৰ মৌজাদাৰ হিচাপে নিযুক্তি দিয়ে। কিছুকালৰ বাবে তেওঁ অনাৰেৰী মেজিষ্ট্ৰেট স্বৰূপেও নিযুক্ত হৈছিল। তেওঁৰ বিয়োগৰ পাছত তেওঁৰ পুত্ৰ উচ্চ শিক্ষিত আৰু সৰবৰহী ডেকা ফৰিদউদ্দিন মৌজাদাৰ হৈ জনসাধাৰণৰ বৰ প্ৰিয়পাত্ৰ হৈছিল। তেওঁ একেধাৰে গায়ক, অভিনেতা আৰু ফুটবলাৰ হিচাপে খ্যাতি অৰ্জন কৰি জননায়ক হিচাবে অঞ্চলটোত স্বীকৃত হৈছিল। জয়পাল পুখুৰী পৰিষ্কাৰ কৰাত তেওঁ তেতিয়াৰ মহকুমাধিপতিৰ লগত লৈছিল আগভাগ। কলিকতাত এম্ এ পঢ়ি থকা অৱস্থাত পিতাকৰ টান নৰীয়া হোৱাত পঢ়া ত্যাগ কৰি আহি দেউতাকৰ শুশ্ৰূষাত ব্যস্ত হৈ পৰে। কিন্তু ফৰদউদ্দিন আহমেদে আকস্মিক অকাল মৃত্যুক সাৱটি লব লগা হোৱাত ভতিজাক খবিৰুদ্দিন আহমেদ বি. এল. ডাঙৰীয়া ৰইনাকুছি মৌজাৰ মৌজাদাৰ হয়।

খবিৰুদ্দিন আহমেদ মঙ্গলদৈ চৰকাৰী হাইস্কুলৰপৰা এন্ট্ৰেন্স্ পৰীক্ষাত বৃত্তি লাভ কৰি গুৱাহাটীৰ কটন কলেজত নাম ভৰ্ত্তি কৰি বি. এ. পাছ কৰে। গুৱাহাটীৰ আৰ্ল ল কলেজৰ পৰা বি. এল. ডিগ্ৰী লৈ মঙ্গলদৈ কাছাৰীত ওকালতি কৰে। ওকালতি কৰি থকাৰ সময়তে তেওঁ মঙ্গলদৈ লোকেল বৰ্ডৰ ভাইচচেয়াৰমেন হিচাপে কাৰ্য নিৰ্বাহ কৰে।

খবিৰুদ্দিন আহমেদ আছিল এজন আশাশুধীয়া সমাজসেৱক। তেওঁৰ যত্নতে স্থানীয় ঠাইত পানী খোৱা পুখুৰী বিদ্যালয় আদি প্ৰতিষ্ঠা হৈছিল। তেওঁৰ সমাজ

সেৱাৰ যত্নতে কেন্দুগুৰি ৰাজ্যিক স্বাস্থ্য কেন্দ্ৰ আৰু পাথৰিঘাটৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ গঢ়ি উঠিছিল। তদুপৰি পাথৰিঘাটৰ মাইনৰ স্কুলখন হাইস্কুললৈ তেওঁৰ যত্নতে উন্নীত হৈছিল।

১৯৪৩ খৃঃত তেওঁ বৰকুছি মৌজাৰ মৌজাদাৰ হৈছিল আৰু সেই চনতে পুনৰ মঙ্গলদৈ লোকেল বৰ্ডৰ ভাইচ চেয়াৰমেন হয়।

১৯৮৪ খৃঃৰ ৪ মে তাৰিখে তেওঁ ইহলীলা সম্বৰণ কৰে।

ইয়াৰ আগতে লোক্ৰাই মৌজাৰ মৌজাদাৰ শ্ৰী সংৰাম বৰুৱা ছুটীত যোৱাত বকদুল চাহক উক্ত মৌজাৰ অস্থায়ী মৌজাদাৰ হিচাপে নিযুক্তি দিছিল।

ড° ৰূপচান্দ আলি

জন্ম বৰকলিয়াঝাৰ গাঁৱত। ১৯৬৯ চনত। আৰবী বিষয়ত লেটাৰ সহ প্ৰবেশিকা পৰীক্ষা পাছ কৰে। ১৯৭১ চনত পি. ইউ আৰু ৰঙীয়া কলেজৰপৰা ১৯৭৮ চনত ডিষ্টিংচন সহ বি এ পাছ কৰে। ১৯৭৬ চনত গুৱাহাটী বিশ্ব বিদ্যালয়ৰ পৰা আৰবী বিষয়ত এম.এ, ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি স্বৰ্ণপদক পায়।

এম. এ. পাছ কৰি পাথৰিঘাট হাইস্কুলত ১ বছৰ শিক্ষকতা কৰি ডক্টৰেট ডিগ্ৰীৰ কাৰণে ১৯৭৮ চনত কলিকতাৰ বেনাৰচ হিন্দু বিশ্ববিদ্যালয়লৈ যায় আৰু সেই বিশ্ববিদ্যালয়ৰ আৰবী বিভাগৰ মুৰব্বী অধ্যপক ড° চৈয়দ বদৰুল হাচানৰ অধীনত আৰবী সাহিত্য আৰু পৱিত্ৰ কোৰাণৰ ওপৰত বৈজ্ঞানিক দৃষ্টিৰে গৱেষণাৰ কাম আৰম্ভ কৰে। ১৯৭৯ চনৰ মে মাহত গুৱাহাটী বিশ্ববিদ্যায়ত আৰবী বিভাগৰ প্ৰৱক্তা পদ এটা খালী হোৱাত তেওঁ সেই পদত নিযুক্তি লাভ কৰে। ১৯৯৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰাহে তেওঁ ডক্টৰেট উপাধি লাভ কৰে। ১৯৯৭ চনৰ পৰা তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ত আৰবী বিভাগৰ মুৰব্বী অধ্যাপক আছিল। ১৯৯৬ আৰু ১৯৯৮ চনত ৰাষ্ট্ৰীয় পৰ্যায়ত হাইদৰাবাদত অনুষ্ঠিত হোৱা চেমিনাৰত ভাগ লৈ আৰবী ভাষাত ভাষণ প্ৰদান কৰি গৌৰৱ অৰ্জন কৰিছিল।

২০০৪ চনৰ ১৩ মাৰ্চ তাৰিখে ৫২ বছৰ বয়সত হঠাৎ অসুস্থ হৈ তেওঁ মৃত্যু মুখত পৰে।

আব্দুল মজিদ

১৯২৮ খৃঃৰ অক্টোবৰ মাহৰ ১০ তাৰিখে মুছলিম ঘোপা গাঁৱত আব্দুল মজিদৰ জন্ম হয়। পিতৃৰ নাম মাণিক আলি আৰু মাতৃ জালিমা বেগম।

প্ৰকাশ কৰিব পাৰি যে তেওঁৰ পিতৃ মাণিক আলি বৃটিছ প্ৰশাসনৰ আমোলত আৰক্ষী বিভাগৰ উচ্চ বিষয়া চাব ইন্সপেক্টৰ অৰ্থাৎ ডাৰোগা আছিল। এই অঞ্চলৰ মুছলমানলোকৰ ভিতৰত মাণিক আলি ডাৰোগাই আৰক্ষী বিভাগৰ উচ্চ চাকৰিয়াল আছিল। সেই কাৰণে তেওঁ মাণিক আলি ডাৰোগাৰূপে খ্যাত হৈছিল। তেওঁ অবিভক্ত পূৰ্ব বংগৰ লোক আছিল। চাকৰি সূত্ৰে অসমলৈ আহি দৰঙত মকৰল হৈ মুছলিম ঘোপাত বিবাহসূত্ৰে থাকিবলৈ লৈছিল।

আব্দুল মজিদে ১৯৪৭ খৃঃত মঙ্গলদৈ হাইস্কুলৰ পৰা প্ৰৱেশিকা, ১৯৪৯ খৃঃত কটন মহাবিদ্যালয়ৰ পৰা আই, এচ, চি ১৯৫১ খৃঃত উক্ত মহাবিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞানত অনাৰ্চ সহ বি. এ. আৰু ১৯৫৫ খৃঃত এম. এ ডিগ্ৰী লাভ কৰে। উক্ত বিভাগত খ শাখাত সৰ্বোচ্চ নম্বৰ পাই 'কৃষ্ণ কান্ত সন্দিকৈ' পুৰস্কাৰ লাভ কৰিবলৈ সমৰ্থ হয়।

১৯৫৬ খৃঃত নৱ নিৰ্মিত মঙ্গলদৈ মহাবিদ্যালয়ত অধ্যাপক হিচাপে নিযুক্তি পাই ১৯৬২ খৃঃত ৰাজনীতি বিজ্ঞানৰ মুৰব্বী অধ্যাপকৰ দায়িত্ব গ্ৰহণ কৰে। অধ্যপনা কৰি থকা সময়তে ১৯৫৮ খৃঃৰ পৰা ১৯৬৫ খৃঃলৈ স দৌ অসম N.C.C. ৰ Commanding Officer হিচাপে কাৰ্যনিৰ্বাহ কৰি অসমৰ বাহিৰৰ বিভিন্ন ঠাইত অনুষ্ঠিত প্ৰশিক্ষণ শিবিৰত যোগদান কৰে। মঙ্গলদৈ মহাবিদ্যালয়ত উপাধ্যক্ষ হিচাপে ১০ বছৰ কাৰ্যনিৰ্বাহ কৰাৰ পাছত ১৯৭৭ খৃঃৰ ১ লা জুলাইৰ পৰা অধ্যক্ষ পদত অধীস্থিত হয়।

অধ্যপনা, অধ্যক্ষ আৰু বিভিন্ন সামাজিক জীৱনৰ মাজেদিয়েই মজিদ চাহাবে সাহিত্য সাধনা কৰে। তেওঁৰ প্ৰকাশিত গ্ৰন্থসমূহ — মৰুজ্যোতি, দৰঙৰ ঐতিহাসিক সম্বল (১ম খণ্ড), চুফী জোলকাদ আলিৰ চমু জীৱনী, দুগৰাকী মহান খলিফা, Foreign Hegemony in Middle East. The Prime Minister, দৰঙৰ সংগ্ৰামী ইতিহাস, মুছলিমঘোপা মাদ্ৰাছাৰ বুৰঞ্জী আদি অন্যতম।

তেওঁ মুছলিমঘোপা এম্ ই মাদ্ৰাছাৰ প্ৰতিষ্ঠাপক সভাপতি, পূৱ মঙ্গলদৈ কলেজৰ মুখ্য পৃষ্ঠপোষক আছিল।

১৯৯০ খৃঃত মঙ্গলদৈ কলেজৰ অধ্যক্ষ পদৰ পৰা অৱসৰ গ্ৰহণ কৰি ১৯৯১ খৃঃত এল এল্ বি পাছ কৰে আৰু মঙ্গলদৈ কাছাৰীত ওকালতি কৰিবলৈ লয়।

১৯৯৭ খৃঃৰ ১২ ডিচেম্বৰ তাৰিখে মৃদুভাষী নিৰহঙ্কাৰী আব্দুল মজিদ চাহাবে জন্মভূমি মুছলিমঘোপালৈ ফুৰিবলৈ গৈ হৃদক্ৰিয়া বন্ধ হৈ মৃত্যু মুখত পৰে।

ফজলুল কৰিম

জন্ম ১৯৪৪ খৃঃৰ ১ লা এপ্ৰিল। পিতৃ বকদুল আলি আৰু মাক চাহাজাদি বেগম।

কৰিম চাহাবে ১৯৬০ খৃঃত প্ৰৱেশিকা আৰু ১৯৬২ খৃঃ আই. এ. পৰীক্ষা পাছ কৰে। ১৯৬৭ খৃঃত তেওঁ মঙ্গলদৈ চৰকাৰী উচ্চ ইংৰাজী বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে নিযুক্তি পায়। ১৯৬৮ খৃঃত তেওঁ গোৱালপাৰা পৃথিৰাজ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ বদলি হৈ যায় আৰৌ ১৯৭০ খৃঃত মঙ্গলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ বদলি হৈ আহে।

ফজলুল কৰিম এজন নিৰ্ভীক ব্যক্তি আছিল। তেওঁ একেধাৰে সাহিত্যিক, গীতিকাৰ নাট্যকাৰ আৰু আভিনেতা আছিল। বিশেষকৈ তেওঁ কবি-গীতিকাৰ ৰূপে খ্যাত। তেওঁ আকাশবাণী আৰু দূৰদৰ্শন কেন্দ্ৰৰ স্বীকৃতিপ্ৰাপ্ত গীতিকাৰ আছিল। উক্ত মাধ্যম যোগে তেওঁৰ বহুতো গীত-সম্প্ৰচাৰ হৈছে আৰু এতিয়াও হৈ আছে। ১৯৭৮ খৃঃত তেওঁৰ গীত সমূহ, ১ম খণ্ড 'ঝংকাৰ' নামেৰে প্ৰকাশ পায়। ১৯৮৯ খৃঃত "ঝংকাৰ"ৰ দ্বিতীয় খণ্ড প্ৰকাশ পায়। 'সৰাফুলৰ পাপৰি' কবৰৰ কান্দোন, শাহু আই, ময়ুৰীৰ স্বপ্ন, অৰণ্যত জোনাক, মুক্তিযোদ্ধা বাহাদুৰ গাঁওবুঢ়া আদি তেওঁৰ উল্লেখযোগ্য নাটক।

তেওঁ 'নিজৰা, অজলা ককাই, আপোনজন, অনল, ৰ'দে পোৰা মাটি' আদি বোলছবিত অভিনয় কৰিছিল। দূৰদৰ্শনৰ যোগে প্ৰচাৰিত 'দেশ, মাটি মানুহৰ গান' তেওঁৰ আছিল এখন জনপ্ৰিয় সঙ্গীতালেখ্য। তেওঁ কিছুদিন 'শান্তি' নামৰ আলোচনী এখন সম্পাদনা কৰিছিল। ১৯৫৮ খৃঃৰ 'পূৰ্ণিমা' আৰু সিংহাসন' আলোচনীৰ মুখ্য সম্পাদক আছিল। তদুপৰি তেওঁ অসম সাহিত্য সভাৰ আজীৱন সভ্য, অসম সাহিত্য সভাৰ সংগঠক, অসম জাতীয় সন্মিলন মঙ্গলদৈ শাখাৰ উপসভাপতি, মঙ্গলদৈ মইনা

পাৰিজাত আৰু সংগীত বিদ্যালয়ৰ সভাপতি, শিল্পী সভা অসমৰ উপসভাপতি আছিল।

১৯২৮ খৃঃৰ কিছু বছৰ ধৰি বহুমূত্ৰ ৰোগত ভোগী থাকি ২০০০ খৃঃৰ ৬-মে তাৰিখে তেওঁৰ মৃত্যু হয়।

এম নবাব আলি

জন্ম ১৯৪২ খৃঃৰ ১ নবেম্বৰ কালাইগাঁও হাবিভাঙ্গা গাঁৱত। পিতৃ কেৰামত আলি আৰু মাতৃ হালিমুন নেছা।

১৯৬০ খৃঃত প্ৰবেশিকা পৰীক্ষা পাছ কৰি চাকৰি জীৱনৰ পাতনি মেলে প্ৰাইমাৰী স্কুলৰ শিক্ষকতাৰে। পাছত শিক্ষকতা ত্যাগ কৰি মাজবাট পঞ্চায়তত নিম্ন বৰ্গৰ সহায়ক পদত যোগদান কৰে আৰু বদলিসূত্ৰে আহি মঙ্গলদৈ মহকুমা পৰিষদত চাকৰি কৰি তাৰ পৰাই উচ্চ বৰ্গ সহায়ক পদৰ পৰা অৱসৰ গ্ৰহণ কৰে।

এম্ নবাব আঁলিৰ প্ৰথম প্ৰকাশিত কবিতা পুথি 'এটি মন অলেখ হিয়া'। তেওঁৰ তিনিখন প্ৰকাশিত উপন্যাস 'বন্ধন মুক্তি, প্ৰতিচ্ছবি আৰু নিবিড় নিৰ্শাৰ উচুপনি'। ১৯৯৯-২০০১ খৃঃৰ বৰ্ষকালত তেওঁ দৰং জিলা সাহিত্য সভাৰ উপসভাপতিৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। তদুপৰি তেওঁ মঙ্গলদৈ সাহিত্য সংস্কৃতি আলোচনা চক্ৰৰ লগতো জড়িত আছিল। মৃত্যুৰ সময়লৈকে তেওঁ মঙ্গলদৈ সুৰভি সমাজৰ সম্পাদক পদত আছিল। ২০০৫ খৃঃৰ ৪ নৱেম্বৰ তাৰিখে তেওঁৰ মৃত্যু হয়।

ডাঃ বচিৰুদ্দিন আহমেদ

মঙ্গলদৈ পথৰুঘাট অঞ্চলৰ এখন অনুন্নত দিদা নামৰ গাঁৱত ১৮৯৭ খৃঃৰ ১৫ আগষ্ট তাৰিখ সোমবাৰে বচিৰুদ্দিন আহমেদ চাহাবৰ জন্ম হয়। পিতৃৰ নাম মহম্মদ আলি-পেচাত গাঁওবুঢ়া। শিক্ষাৰ পাতনি মেলে ৰামৰাইপাৰা প্ৰাথমিক বিদ্যালয়ত। প্ৰাথমিক শিক্ষাৰ অন্তত মঙ্গলদৈ উচ্চ ইংৰাজী হাইস্কুলত নাম লগায়। কিন্তু প্ৰবেশিকাৰ দেওনা নৌপাওঁতেই তেওঁৰ মন ধাবিত হয় চিকিৎসা সেৱালৈ। সেই ইচ্ছানুযায়ীয়েই ১৯১৩ খৃঃত জলজলি চিকিৎসালয়ত বাহাৰ দেৰেচীৰ অধীনত

দেৰেচী কাম শিকিবলৈ লয়। পাঁচমাহৰ ভিতৰতে সেই বিদ্যাৰ কাম শিকি ছিপাঝাৰ চৰকাৰী চিকিৎসালয়ত দহ টকা বেতনত অস্থায়ীভাবে তেখেতে দেৰেচী পদত নিযুক্তি পায়। সেই বিদ্যাৰ উচ্চ শিক্ষা লবলৈ তিনি বন্ধু মহবুব আলি, হাচিম আলি আৰু বচিৰুদ্দিন আহমেদ চাহাব ১৯১৫ খৃঃৰ মে মাহত ডিব্রুগড়ৰ বেৰী হোৱাইট মেডিকেল কলেজলৈ কম্পাউণ্ডাৰী পঢ়িবলৈ যায়। সুখ্যাতিৰে কম্পাউণ্ডাৰী পৰীক্ষা পাছ কৰি ডিব্রুগড়ৰ ডাক্তৰ শশীকান্ত মিত্ৰৰ সৌজন্যত বচিৰুদ্দিন আহমেদ চাহাবে তেজপুৰৰ বৰজুলি চাহ বাগিচাৰ কম্পাউণ্ডৰ হিচাপে নিযুক্তি পায়। তাৰ পৰা দৰং জিলাৰ কুণ্ডৰ বিল চাহ বাগিচালৈ আহে দ্বৈত পদত কেৰাণী আৰু কম্পাউণ্ডৰ হিচাপে। তাৰ পাছত সেই বাগানৰ বৰবাবু কাছিম আলিৰ সৌজন্যত ঘগ্রাপাৰ বাগানলৈ বদলি হয়। বিভিন্ন চাহ বাগানত কম্পাউণ্ডৰ চাকৰি কৰাৰ পাছত নতুনকৈ খোলা বাদলা পাৰা বাগিচাৰ নতুন মেনেজাৰ এ. চি ক্লিণ্টৰ সহযোগত মুখ্য চিকিৎসা বিষয়াই. ১৯২৮ খৃঃৰ ১ লা মাৰ্চত কম্পাউণ্ডাৰ বচিৰুদ্দিন আহমেদ চাহাবক ডাক্তৰ পদলৈ উন্নীত কৰি উক্ত বাগানত চিকিৎসক হিচাপে নিযুক্তি দিয়ে।

বিভিন্ন বাগানত চিকিৎসা সেৱা আগবঢ়াই শেষত খৈৰাবাৰীত আফজুন ফাৰ্মাচী খুলি স্বাধীন ব্যৱসায় খোলে। খৈৰাবাৰীৰ বাসিন্দা হৈ তেখেতে খৈৰাবাৰীৰ উন্নতিৰ হকে দেহে কেহে খাটে। খৈৰাবাৰী হাইস্কুল, শঙ্কৰ মিচন আৰু খৈৰাবাৰী মছজিদ তেখেতৰ কৰ্মপ্ৰাণৰ সাক্ষ্য। তেখেত আছিল ইংৰাজ চাহাবৰ দৰেই পৰিপাতি। নিয়মানুবৰ্তিতা তেখেতৰ জীৱনৰ ভূষণ আছিল। শোৱা, খোৱা, সকলো নিয়মানুবৰ্তিতাৰ মাজেৰেই কৰিছিল। পৰিষ্কাৰ পৰিচ্ছন্নতাত আজিও তেখেত সেই ঠাইৰ উদাহৰণ হৈ আছে।

১৯৭২ খৃঃৰ ২১ অক্টোবৰ তাৰিখে তেখেতৰ মৃত্যু হয়।

টোকা ঃ দৰং জিলাৰ বিশিষ্ট ব্যক্তি, সাহিত্যিক আদি যিসকলে ইতিমধ্যে ইহলীলা সম্বৰণ কৰিলে সেইসকলৰ কেইগৰাকী মানৰ চমু জীৱনীহে ইয়াত সন্নিবিষ্ট কৰা হৈছে। কৰ্মযোগী সকলোৰে জীৱনালেখ্য দিব নোৱাৰি আমি দুখিত। — লেখক

পৰিশিষ্ট -৬

দৰং নাম উৎপত্তি সম্পৰ্কে

বহুতো ঠাই, অঞ্চল, দেশ কিম্বা ৰাষ্ট্ৰৰ নামকৰণৰ ক্ষেত্ৰত দ্বিমত থাকে — ই স্বাভাবিক। এজন অন্বেষণকাৰীয়ে পোনতে দুৱাৰখন মুকলি কৰি দিয়ে মাথো। তাৰ পাছত পৰৱৰ্তী পণ্ডিত, বুদ্ধিজীৱী আৰু সত্য অন্বেষণকাৰীসকলে সেই ঠাইখনৰ, সেই দেশখনৰ নতুবা ৰাষ্ট্ৰখনৰ মুকলি দুৱাৰেদি প্ৰৱেশ কৰি সত্য তথ্যৰ উদঘাটন কৰিবলৈ অহৰহ চেষ্টা কৰি থাকে— ই এটা চালিকা শক্তি। এই শক্তিক ৰোধ কৰিবলৈ চেষ্টা কৰিলে উত্তৰ পুৰুষসকল ভুল তথ্যৰেই পৰিচালিত হ'ব। ১৪৯২ খৃঃত কলম্বাচে সমুদ্ৰ যাত্ৰা কৰি আমেৰিকা আৱিষ্কাৰ কৰিছিল— "জ্ঞানানে" সাধাৰণ জ্ঞানৰ পুথিত এই তথ্য উল্লেখ কৰিছে। কিন্তু 'প্ৰসঙ্গ-কোষ'ত আব্দুছ ছাত্তাৰ চাহাবে উল্লেখ কৰিছে— "এজন প্ৰসিদ্ধ নাবিক আমেৰিগো ভেচপুচি নাম অনুযায়ী আমেৰিকা বা এমেৰিকা হয়।" প্ৰশ্ন— কলম্বাচ আৰু আমেৰিগো ভেচপুচিৰ মাজত তথ্যৰ পাৰ্থক্য কি? কলম্বাচে সমুদ্ৰযাত্ৰা কৰি ন ন দেশৰ অন্বেষণ কৰি গৈ আমেৰিকা পোৱাটো সঁচা। তেওঁ সেইখনকে ভাৰত বুলি নামাকৰণ কৰিলে ওৱেষ্ট ইণ্ডিচ'। কিন্তু আমেৰিগো ভেচপুচিৰ মনত সন্দেহ উপজিল। ভৌগলিক দিশমতে সেইখন ভাৰত হ'ব নোৱাৰে। সেই সন্দেহ দূৰিভূত কৰিবলৈ তেওঁ সমুদ্ৰ যাত্ৰা আৰম্ভ কৰিলে। সঁচা কথা সেইখন ভাৰত নহয় এখন নতুন দেশ। সেই নতুন দেশখনৰ নাম আমেৰিগো ভেচপুচিৰ নামৰ লগত সাদৃশ্য ৰাখি নামাকৰণ কৰিলে 'আমেৰিকা'। তাৰ পাছতহে 'ভাস্কো-দা-গামাই ভাৰত আৱিষ্কাৰ কৰে।

'দৰং' ৰাজ্যৰ নামাকৰণ সম্পৰ্কেও দ্বিমত এতিয়াও আছে। এই সম্পৰ্কত পূৰ্বতে বা এতিয়াও বহুত আলোচনা বিলোচনা হৈছে। কাকতে-পত্ৰে, আলোচনী বা পুথি আকাৰত অনেকে অনেক তথ্য প্ৰকাশ কৰিছে। কিন্তু সেই তথ্যবোৰত সন্দেহৰ অৱকাশ নথকা নহয়। সেই তথ্যবোৰ একপক্ষীয় যেন অনুমান হয়।

"দ্বাৰম" শব্দৰ পৰা দৰং শব্দৰ উৎপত্তি বুলি বহুতো তথ্য উদ্ধাৰকাৰী সকলে যুক্তি তৰ্কৰে কৈছে। "দ্বাৰম" সংস্কৃত শব্দ। অৰ্থ দুৱাৰ। দৰঙৰ উত্তৰত সু-উচ্চ

পৰ্বত শ্ৰেণী। তাৰপৰা ভোট বা অন্যান্য পৰ্বতীয় গোষ্ঠীয়ে কেইখনমান দুৱাৰেদি নামনি ভূমিলৈ অহা-যোৱা কৰিছিল। খালিং দুৱাৰ, চাৰিদুৱাৰ, ছয় দুৱাৰ আদিয়েই তাৰ প্ৰমাণ বহন কৰে। কিন্তু 'দ্বাৰম' শব্দৰ পৰা 'দৰঙ্গ' শব্দৰ উৎপত্তি চিন্তনীয়। যদি দ্বাৰমৰ পৰা খালিংদ্বাৰ বা দুৱাৰ, চাৰি দুৱাৰ, ছয় দুৱাৰ হ'ব পাৰে তেন্তে দ্বাৰমৰ পৰা পোনে পোনে দুৱাৰ নহৈ 'দৰঙ্গ' নাম পোৱা কথাটো খোকোজা লগা বিধৰ।

আকৌ কোনো পণ্ডিতে 'দৌৰঙ্গ' শব্দৰপৰা 'দৰঙ্গ' হোৱা বুলি কৈছে। দৌৰঙ্গ মানে বোলে দেৱতা সকলে ৰঙ্গ কৰা ঠাই। অমৰকোষত 'ৰঙ্গ' নামৰ এখন দেশৰ কথা উল্লেখ আছে। সম্ভৱ তিব্বত-ভূটানেই সেই ৰঙ্গ দেশ। তাত দেৱতা সকলে হেনো ৰঙ্গ কৰিছিল। কিন্তু কোন নৰ-মনিষে দেৱতাসকলৰ সেই ৰঙ্গ-উৎসৱ চাইছিল সেইটোহে আচৰিত। দেৱতাসকলে সুউচ্চ ৰঙ্গ দেশৰপৰা নামনিৰ দ ঠাইলৈ চাইছিল বোলে। তাৰ পৰাই দ + ৰঙ্গ > দৰঙ্গ > দৰং নামৰ উৎপত্তি বুলি কয়। কিন্তু এই তথ্য কিমানদূৰ বিজ্ঞান সন্মত লগতে সাহিত্যিক বিশ্লেষণাত্মক সেইটোহে বিচাৰ্য। ঋষি- মুনি সকলে দেৱ-দেৱীক সততে সন্তুষ্ট ৰাখিবলৈ তেওঁলোকৰ ভক্ত হৈ স্তুতি বা পুথি ৰচনা কৰিছিল। ৰজাৰ আমোলত একোজন বুৰঞ্জী লেখকে সেই ৰজাজনৰ গুণানুকীৰ্ত্তন কৰি ৰজাৰ সন্তুষ্টিৰ কাৰণে বুৰঞ্জী ৰচনা কৰিছিল য'ত অভাৱ ঘটিছিল সাৰ্বজনীনতাৰ। সেইবোৰ বিজ্ঞানসম্মতঃ দৃষ্টিৰে উত্তৰ পুৰুষ সকললৈ যে সকলো দিশ সামৰি সৃষ্ট হোৱা নাছিল সেইটো আজিৰ বিজ্ঞানৰ যুগত প্ৰতিয়মান হৈছে।

দৰং তথা সমগ্ৰ অসম বিভিন্ন জাতি জনজাতিৰ আবাসভূমি। বড়ো-কছাৰী জনগোষ্ঠীটোৰ অসমলৈ অৰিহণা অত্যাধিক বিশেষকৈ ঠাই নাম উৎপত্তিৰ ক্ষেত্ৰত। গতিকে কিম্বদন্তি, শাস্ত্ৰাদিৰ ভূমিকালৈ নগৈ দৰঙ্গ শব্দৰ উৎপত্তি বাস্তৱ দৃষ্টি ভঙ্গিৰে চাবলৈ গলে বড়ো মূলীয় শব্দৰ আশ্ৰয় লব লাগিব কিয়নো একপক্ষীয় মতবাদেৰে কোনো তথ্যই সিদ্ধ নহয়। আগতেই উল্লেখ কৰি অহা হৈছে যে মঙ্গোলীয় গোষ্ঠীৰ বড়ো কছাৰীসকলে উত্তৰ-পূব কোণৰ ব্ৰহ্মপুত্ৰৰ শাখা-নদীবোৰেদি ব্ৰহ্মপুত্ৰ উপত্যকাত সোমাই তাত আৰু পাহাৰৰ নামনিত সৰু সৰু ৰাজ্য স্থাপন কৰে। এই জনগোষ্ঠীটোৰ নিজস্ব এটা ভাষা আছে, সি উপভাষাই হওঁক বা মান্য ভাষাই হওঁক। বড়োমূলীয় শব্দ অসমীয়া ভাষাত কিছুমান যে পোনে পোনে সোমাইছে আৰু কিছুমান অপভ্ৰংশ হৈ সোমাইছে তাক ভাষাবিদসকলে স্বীকাৰ কৰিছে। আদিম বাসিন্দা বড়ো-কছাৰী জনগোষ্ঠীৰ মতে বৰলুইতে বৰ্ত্তমানৰ দৰং নামপোৱা ভূখণ্ডক প্ৰথমতে

জলাশয় সৃষ্টি কৰি পাছত পুতি পেলাই পলসুৱা কৰিছিল। সেই পলসুৱা মাটিত প্ৰচুৰ পৰিমাণে ধান উৎপন্ন হৈছিল। ধানখেতিত এই ভূখণ্ড বৰ চহকী আছিল। পশ্চিমৰ কামৰূপ আদি ঠাইৰ পৰা নদীৰে নাও লৈ আহি নতুবা গৰু-মহৰ গাড়ী লৈ আহি সদাগৰ সকলে ধান কিনি লৈ গৈছিল। মৰানদী, বৰনদী, দ্বিগজ, মঙ্গলদৈ নৈ তদুপৰি ব্ৰহ্মপুত্ৰৰ কৰাইখোৱা ঘাট, খাৰুপেটীয়া ঘাট আদিয়ে তাৰ সাক্ষী বহন কৰে। বড়ো কছাৰী ভাষাত 'দঙঃ' মানে 'আছে' অৰ্থাৎ উৎপাদিত বস্তু আছে, 'মাইৰং' মানে ধান বা চাউল। গতিকে যি ঠাইত প্ৰচুৰ পৰিমাণে ধান বা চাউল আছে সেই ভূখণ্ডক দঙঃ + মাইৰং > দংমাইৰং > দংমাৰং > দংৰং > দৰং হব পাৰে। অৰ্থাৎ শব্দটোই হোজা মানুহৰ মুখত সংক্ষিপ্ত ৰূপ লয়।

কালক্ৰমত দৰঙৰ ভৌগলিক পৰিসীমাই প্ৰসৰতা লাভ কৰাত জিলালৈ উন্নীত হয়।

দৌৰঙ্গ, দ্বাৰম, দৰঙ্গ আদি সংস্কৃত ভাষাৰ কোনো এটা শব্দৰপৰা দৰং নামৰ উৎপত্তি বুলি ধৰি ললে সংস্কৃত ভাষী আৰ্যসকলেই প্ৰথমতে দৰঙলৈ আহিব লাগিব। কিন্তু ইতিহাসৰ তথ্যমতে মঙ্গোলীয় কিৰাত (বড়ো-কছাৰী) ৰাভা ইত্যাদি সকলহে প্ৰথমতে অসমৰ অন্যান্য অঞ্চলৰ লগতে দৰং অঞ্চললৈ আহিছিল। গতিকে বড়ো-কছাৰী ভাষাৰ পৰা 'দৰং' শব্দৰ উৎপত্তি বিজ্ঞান সন্মতঃ আৰু ভাষাতাত্ত্বিক বুলি ঠাৱৰ কৰাৰ যুক্তিটো দলিয়াই পেলাব নোৱাৰি। (মিচং নামৰ এজন বড়ো গোষ্ঠীয় ব্যক্তিৰ পৰা পোৱা তথ্য) দৰং শব্দৰ উৎপত্তি এনেকৈ হোৱাৰ যুক্তিও নথকা নহয়।

কালক্ৰমত দৰঙত এক প্ৰবল গতিত মুছলমান জনগোষ্ঠীৰ প্ৰব্ৰজনৰ সূত্ৰপাত হয়। কোচ ৰজাসকলে কিছুমান মুছলমান বাঢ়ৈ আনি দৰঙত সংস্থাপিত কৰিছিল। যুদ্ধবন্দী, পীৰ ফকীৰসকলৰ সান্নিধ্যত ধৰ্মান্তৰিত মুছলমান, প্ৰব্ৰজিত আৰু কোচ ৰজাই সংস্থাপিত কৰা মুছলমানৰ এখন বৃহৎ সমাজ গঢ়ি উঠে দৰঙত।

মঙ্গলদৈ নাম উৎপত্তি সম্পৰ্কে

দৰং জিলাৰ সদৰ মঙ্গলদৈ। 'মঙ্গলদৈ' নাম উৎপত্তি সম্পৰ্কে এতিয়াও বিতৰ্কৰ অন্ত পৰা নাই। ইতিমধ্যে বহুজনে বহু মন্তব্য তথ্য সহকৰে প্ৰকাশ কৰিছে। কিন্তু এই মন্তব্যবোৰো একপক্ষীয় যেন অনুমান হয়।

দূৰ অতীজত সমগ্ৰ মঙ্গলদৈ অঞ্চল মঙ্গোলীয় গোষ্ঠী বড়ো কছাৰীসকলৰ দ্বাৰা অধ্যুষিত আছিল। আনকি আজি মঙ্গলদৈৰ যি ঠাইত উপায়ুক্তৰ কাৰ্যালয়, কাছাৰী, থানা অৱস্থিত সেইখিনি ঠাইত 'চুঙাপাৰা' নামৰ বড়ো-কছাৰীৰ এখন গাঁও আছিল। সেই সময়ত ব্ৰহ্মপুত্ৰ নদ এই চুঙাপাৰা গাঁৱৰ ওচৰেৰে বৈ গৈছিল। মঙ্গলদৈ নৈ আৰু ব্ৰহ্মপুত্ৰৰ সংগমস্থল আছিল চেৰেং চাপৰি। ওচৰতে আছিল ৰঙামাটি ঘাট। এই ঘাট বালিয়ে পুতি পেলাইছিল। তাৰফলত জাহাজ, যন্ত্ৰচালিত নাও, মাৰনাও আদিৰ ঘাটি স্থাপন কৰা হয় ভেৰেৰ ঘাটত। কালক্ৰমত সেই ঘাটটোও বালিয়ে পুতি পেলোৱাত বৰ্তমানৰ জিলা পৰিষদ ভৱনৰ দক্ষিণত জাহাজ ঘাট' পাতে। সেই ঘাটটোও বালিয়ে পোতাত জাহাজঘাট স্থানান্তৰিত কৰা হয় পুবৰ মিচামাৰিলৈ। তাত কিছুদিন থকাৰ পাছত সেই একে কাৰণতে পুনৰ স্থানান্তৰ কৰা হয় কৰৈখোৱালৈ। প্ৰথমতে ব্ৰহ্মপুত্ৰ নদ চহৰৰ কাষেৰে বৈছিল যদিও গতি সলনি কৰি কিছু আঁতৰি গৈ কৰৈখোৱাৰ ওচৰেৰে বৰলৈ ধৰে।

মঙ্গলদৈ বুৰঞ্জী প্ৰণেতা পণ্ডিত দীনেশ্বৰ শৰ্মাদেৱে উল্লেখ কৰিছে যে ৪০০মান বছৰৰ আগতে এই ঠাইখনৰ নাম মঙ্গলদৈ নাছিল। কোচ ৰজা পৰীক্ষিত নাৰায়ণৰ কন্যা মঙ্গলা দেৱীৰ নাম অনুসৰি 'মঙ্গলদৈ' নামৰ উৎপত্তি বুলি কৈছে।

ইতিহাসৰ পাতত পোৱা যায় যে কোচ সেনাপতি চিলাৰায়ৰ মৃত্যুৰ পাছত তেওঁৰ পুতেক ৰঘুদেৱে মহাৰাজ নৰনাৰায়ণৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। নৰনাৰায়ণে কোচ ৰাজ্য দ্বিখণ্ডিত কৰি ভতিজাক ৰঘুদেৱক বৰ্ত্তমানৰ মঙ্গলদৈ, কামৰূপ আৰু গোৱালপৰা জিলাক লৈ গঠিত ৰাজ্যখণ্ড এৰি দিছিল— (বুৰঞ্জী প্ৰবাহ ঃ মৃদুপৱন গোস্বামী)।

১৬০০ খৃঃত ৰঘুদেৱৰ মৃত্যু হোৱাত পুতেক পৰীক্ষিত নাৰায়ণ বহুতো মতানৈক্যৰ খলা-বমা গচকি নব গঠিত কোচ ৰাজ্যৰ ৰজা হয়। তেওঁৰেই ছোৱালী মঙ্গলদাহীক প্ৰবল প্ৰতাপী আহোম স্বৰ্গদেউ প্ৰতাপ সিংহলৈ বিয়া দি বৈবাহিক সূত্ৰে পৰীক্ষিত নাৰায়ণে নিজ ৰাজ্য অক্ষুণ্ণ ৰাখিবলৈ চেষ্টা কৰে। যি সময়ত মঙ্গলদাহীক বিয়া দিছিল সেই সময়ত প্ৰতাপ সিংহ অলৰ বুঢ়া। নিজ স্বাৰ্থ সিদ্ধিৰ কাৰণে জীয়েকক বুঢ়া ৰজালৈ বিয়া দিব পাৰে, সি স্বাভাৱিকতে একো আচাৰ্যজনক নহয়। ৰাজতন্ত্ৰত তেনে বৈবাহিক সম্বন্ধ ইতিহাসৰ পাতে পাতে বিৰাজমান। কিন্তু মঙ্গলদাহীৰ পূৰ্বেই যে আতাক ৰঘুদেৱ মঙ্গলদৈ সমন্বিতে ৰাজ্যখণ্ডৰ ৰজা হৈছিল

তাকবুৰঞ্জীয়ে প্ৰমাণ কৰে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে মঙ্গলদাহীৰ লগত 'মঙ্গলদৈ' শব্দৰ উৎপত্তিৰ কোনো তাত্বিক সম্বন্ধ নাই। আনহাতেদি পৰীক্ষিতৰ মৃত্যুৰ পাছত কোঁচ ৰাজ্য মোগলে অধিকাৰ কৰিছিল। মোগল শাসনকৰ্ত্তা মুকৰম খাঁই ১৬১৬ খৃঃত ৰাজধানী উত্তৰ গুৱাহাটীৰ পৰা হাজোলৈ স্থানান্তৰ কৰিছিল। কোঁচ হাজো ৰাজ্য মোগলৰ অধীনলৈ যোৱাত পৰীক্ষিতৰ ভায়েক বলিত নাৰায়ণে আহোম ৰজাৰ আশ্ৰয় লৈছিল। আহোম ৰজাই সোণাৰী ছোৱালী এজনী বলিত নাৰায়ণৰ লগত বিয়া দি দৰং দেশ যৌতুক হিচাপে দি তেওঁক দৰঙত কৰতলতীয়া ৰজা পাতে। বলিত নাৰায়ণক ৰজা পাতি আহোম ৰজাই তিনি হাজাৰ চুতীয়া মানুহক মঙ্গলদৈত পাইক হিচাপে বহুৱাইছিল। ইয়াৰ পৰাও অনুমান কৰিব পাৰি 'মঙ্গলদৈ' নাম ইয়াৰ পূৰ্বৰে পৰা আছিল।

কোঁচ বা আহোম আদি প্ৰব্ৰজিত গোষ্ঠীয় সমলৰ পৰা 'মঙ্গলদৈ' শব্দৰ উৎপত্তি বিচাৰি পোৱা কঠিন। কামৰূপ বুৰঞ্জী মতে বৰ্ত্তমানৰ দৰং আৰু কামৰূপৰ সীমাৰে বৈ যোৱা বৰনদীখনৰ অতীত নাম আছিল 'মঙ্গলা'। সেই মঙ্গলা নদীৰ নামানুসৰি তাৰ ওচৰৰ ঠাইখনৰ নাম মঙ্গলদৈ হয় বুলি কয়। কিন্তু ইয়াতো সন্দেহৰ অৱকাশ নথকা নহয়। সেইটো হলে বৰনদীৰ পাৰত লাগি থকা ঠাইখনকহে মঙ্গলদৈ নামেৰে বুজালেহেঁতেন। বৰনদীৰ পৰা প্ৰায় ২৭/২৮ কি.মি. দূৰত্বতহে মঙ্গলদৈ চহৰ।

আগতে উল্লেখ কৰা হৈছে যে সমগ্ৰ মঙ্গলদৈ অঞ্চলটো অতীজত বড়ো-কছাৰীৰ অধ্যুষিত অঞ্চল আছিল। চুঙাপাৰা, গেলাইডিং ৰামহৰি একোটাইঁত উদাহৰণ। বড়ো কছাৰীসকল কালৰ সোঁতত অন্যান্য গোষ্ঠীৰ প্ৰব্ৰজনৰ হেচাত পোহৰৰ পৰা আঁতৰি যায় আওহতীয়া অঞ্চললৈ। এইটো তেওঁলোকৰ সামাজিক আৰু চাৰিত্ৰিক বৈশিষ্ট্য। কিন্তু এৰি থৈ যায় কালৰ বুকুত মচ যাব নোৱাৰাকৈ বহুতো ঠাই নামৰ শব্দ আৰু সংস্কৃতি। সেই শব্দ আৰু সংস্কৃতিহে অকৃত্ৰিম। কিন্তু আধুনিকতাৰ পৰশত সেইবোৰ মানুহৰ অচেতনাবোধত অপমৃত্যুৰ গৰাহত পৰিছে। তথাপি তেওঁলোকৰ সাহিত্য-সংস্কৃতি আৰু ভাষা তাত্বিক বিশ্লেষণৰ পৰা বিকৃত তথ্য সমূহৰ মূল তথ্য উদঘাটন কৰাৰ চেষ্টা অব্যাহত ৰখা উচিত বুলি ভবাৰ থল আছে।

এইটো সৰ্বজন বিদিত যে বৰলুইতৰ জন্মৰ সময় জনা সহজ নহয়। এফেটা দিশত ই বৈ থাকিলেও বালিময় ঠাইত ই কেতিয়াবা সামান্য গতি সলায়। কোনোবাটো

সুঁতি প্ৰবল হৈ উঠে কোনোবাটো মৰা সুঁতিত পৰিণত হয় বা কোনোবাটো একেবাৰে বালিত পোত যায়। এসময়ত বৰলুইতখন বৰ্ত্তমানৰ মঙ্গলদৈ চহৰখনৰ একেবাৰে ওচৰেৰে বৈ গৈছিল। ওপৰত ঘাট সমূহৰ বিষয়ে উল্লেখ কৰা হৈছে। অধ্যয়নপুষ্ট, চিন্তাশীল, নীৰৱ সাধক বড়ো ভাষাবিদৰ পৰা জনা যায় যে অতীজত যেতিয়া ৰাষ্টা-ঘাট তেনে আধুনিকৰণ কৰা হোৱা নাছিল বৰলুইতে উগ্ৰমূৰ্ত্তি ধাৰণ কৰি বৰ্ত্তমানৰ সমগ্ৰ মঙ্গলদৈ পানীৰে উপচাই একোটাইত জলাশয়ত পৰিণত কৰিছিল। কালক্ৰমত এই কালমূৰ্ত্তিৰ বৰলুইতেই আকৌ বালিৰে জলাশয়বোৰ পুতি পেলাইছিল। মাটিত পলশ পৰিছিল। নদী এখনৰ এইটো এটা স্বকীয় বৈশিষ্ট্য। বড়োসকলৰ মতে জলাশয়বোৰ পুতি বৰলুইতে অঞ্চলটোলৈ মঙ্গল দান কৰিছিল। তেওঁলোকৰ ভাষাত ‘মঙ্গল’ মানে ভাল বা সোণ। দী মানে পানী। তেওঁলোকৰ মতে — জলাশয়বোৰ পুতি মঙ্গল বা সোণ পানীৰে অঞ্চলটো শস্য— শ্যামলা কৰি তুলিছিল। আজিও দেখা যায় মঙ্গলদৈৰ কুৱা বা নলীনাদৰ পানীত কেৰাচিন জাতীয় এবিধ গেদ উঠে। অপৰিষ্কাৰ। পূৰ্ব্বৰ জলাশয়বোৰ পোত গৈ উৰ্ব্বৰা মাটি সৃষ্টি হলেও নাতি গভীৰত তেনে ধৰণৰ গেদ জমা হৈ থকা বুলি অনুমান হয়। বড়োমূলীয় শব্দ ‘মঙ্গল + দীৰ পৰা মঙ্গলদৈ শব্দৰ উৎপত্তি বুলি কোৱা যুক্তিটো অধিক প্ৰকট।

তেতিয়াৰ চুঙাপাৰা গাঁওখনত ব্যৱসায়ৰ ‘গুদাম’ চৰকাৰী, বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়ি উঠাত নগৰীয়া পৰিবেশ পোৱাত বড়ো কছাৰীসকল আঁতৰি যাবলৈ ধৰে। তেতিয়াও ঠাইখনলৈ বজাৰ সমাৰ বা চৰকাৰী কামত অহা-যোৱা কৰোতে হোজা মানুহে ‘মৌ-গাল-ডি লৈ আহিছিলোঁ বা গৈছিলোঁ বুলি কৈছিল। মিলচ্ চাহাবৰ প্ৰতিবেদনত ঠাইখনক ‘মুঙ্গালদাই’ বুলি উল্লেখ কৰিছিল।

* কিৰণ শৰ্মাদেৱে একচত্বাৰিংশ অসম সাহিত্য সভাৰ মঙ্গলদৈ অধিবেশনৰ স্মৃতি গ্ৰন্থ ‘দৰঙ্গ - স্মৃতি’ৰ সম্পাদকীয় কলমত লিখিছে— “বৰ্ত্তমানে যি ঠাইত মঙ্গলদৈৰ থানা, কাছাৰী আদি আছে সেই ঠাইতে বড়ো-কছাৰীসকলে বাস কৰা চুঙ্গাপাৰা নামৰ গাওঁ এখন আছিল। ভেজ (vetch) নামৰ ইংৰাজ চাহাব এজনে ১৮৩১ কি ১৮৩৩ খৃঃত দৰঙ্গৰ অধিকৰ্তা হৈ মঙ্গলদৈত জিলাৰ সদৰ থানিকা পাতিছিল। কিন্তু ব্ৰহ্মপুত্ৰৰ প্ৰচণ্ড খহনীয়াৰ বাবে ‘কমিচনাৰ’ৰ ৰিপৰ্টৰ মতে ১৮৩৫

খৃঃত জিলাৰ সদৰ ঠাই মঙ্গলদৈৰ পৰা বিশ্বনাথ ঘাটলৈ উঠাই নিয়ে। কিন্তু জিলাৰ এমুৰীয়া হোৱাৰ কাৰণে ৯ বছৰৰ পাছত তেজপুৰলৈ জিলাখনৰ সদৰ ঠাই স্থানান্তৰিত কৰে। [১]

কিন্তু District Gazette ত বিশ্বনাথ ঘাটলৈ সদৰ স্থানান্তৰ কৰাৰ উল্লেখ নাই।

"It was tagged with lower Assam and administered from Gauhati till 1833 A.D. when it was separated and erected into a districk known as Darrang with Head quarters at Mangaldoi. In 1835 the Headquarters of the districk was removed from Mangoldoi to Tezpur." – DDG. Page - 82.

এইঠাইখন নামনি অসমৰ লগত সংলগ্ন আছিল। আৰু ১৮৩৩ খৃঃলৈ গুৱাহাটীৰ পৰা শাসনভাৰ চলোৱা হৈছিল। ইয়াক পৃথকিকৰণ কৰা হলত দৰং নামেৰে জিলালৈ উন্নীত কৰি মঙ্গলদৈত সদৰ ঠাই পতা হয়। ১৮৩৫ খৃঃত জিলাৰ সদৰ ঠাই মঙ্গলদৈৰ পৰা তেজপুৰলৈ স্থানান্তৰ কৰা হয়।

বৰ্ত্তমানৰ মঙ্গলদৈ চহৰখন পূৰ্বতে ১নং মঙ্গলদৈ আৰু ২নং মঙ্গলদৈ গাঁও হিচাপে চিনাক্তকৰণ কৰা হৈছিল। ১৯২১ খৃঃত মঙ্গলদৈ নগৰ সমিতি গঠন কৰা হয়। আৰু সেইখনকে ইং ১০/৪/১৯৫৬ তাৰিখে পৌৰসভালৈ উন্নীত কৰা হয়। ১নং মঙ্গলদৈ গাঁৱৰ শেষ গাঁওবুঢ়া আছিল ৰহিমুদ্দিন চাহাবৰ পিতৃ মঃ বিলাল আলি আৰু ২নং খনৰ আছিল কান্তি গাঁওবুঢ়া।

মঙ্গলদৈ মহকুমাত ১৮৫৩ খৃঃৰ মে মাহৰ তথ্য পোৱা মতে মঙ্গলদৈ মহকুমাৰ বিদ্যালয় এখনৰ বিৱৰণ এনে ধৰণৰ—

স্কুলৰ নাম — মঙ্গলদৈ

শিক্ষকৰ নাম — দেৱজিৎ লগত এজন মনিটৰ

ছাত্ৰৰ সংখ্যা — কছাৰী - ১২ জন

ব্ৰাহ্মণ - ৭ জন

১ : ভাখেৰী : অসম জাতীয়বাদী যুব ছাত্ৰ পৰিষদৰ ২০০২ খৃঃৰ স্মৃতিগ্ৰন্থঃ মঙ্গলদৈ নগৰৰ কিছু কথা : ধনপতি কলিতা।

শূদ্ৰ - ৩২ জন

মুছলমান -৮ জন

মুঠ ছাত্ৰৰ সংখ্যা ৫৯ জন

সেই সময়ত তেজপুৰ মহকুমাত চাৰিখন বিদ্যালয় থকাৰ বিপৰীতে মঙ্গলদৈ মহকুমাত পাঁচখন বিদ্যালয় আছিল। কিন্তু বিদ্যালয়সমূহ কি পৰ্যায়ৰ আছিল সেই বিষয়ে প্ৰাপ্ত তথ্যটোত উল্লেখ নাই।[১] যিমানদূৰ প্ৰাইমাৰী পৰ্যায়ৰ হ'ব।

ইংৰাজ শাসকসকলে নতুনকৈ পতা চহৰখনৰ উন্নয়নণৰ কাৰণে 'টাউন ফাণ্ড' নামেৰে অনুষ্ঠান এটাৰ জন্ম দিছিল। মঙ্গলদৈ পৌৰসভাৰ সেয়ে আছিল পিতামহ।[২] প্ৰকাশ তাকে যে টাউন ফাণ্ডৰ পুঁজিৰ সহায়ত তেতিয়াৰ মেজিষ্ট্ৰেট তথা এচ্ ডি, অ প্লেফেয়াৰ নামৰ ইংৰাজ প্ৰশাসনিক বিষয়া এজনে ১৮৪৯ খৃঃত মঙ্গলদৈ চহৰৰ ৰাজহুৱা পুখুৰীটো খন্দায় আৰু ১৮৯০ খৃঃত হানিফ আলি চাহাবৰ পিতৃ আব্দুল লতিফ চাহাবে চৰকাৰী অনুদানৰ সহায়ত পুখুৰীটোৰ পকাৰ খটখটীখন তৈয়াৰ কৰি দিছিল।

আগতেই উল্লেখ কৰা হৈছে যে মঙ্গলদৈলৈ যাতায়ত বুলিলে একমাত্ৰ আছিল নৌপথ। তাতে ঠাই খনে চন্দ্ৰমুখী ৰূপ পোৱাত গুদাম নাম পাইছিল— 'গুদাম' শব্দটো ইংৰাজীৰ 'গ'-ডাউন' (godown) শব্দৰ পৰা সৃষ্টি। অঞ্চলটোৰ উৎপাদিত পণ্য সামগ্ৰী গুদামত মজুত কৰি নৌপথৰে চালান দিয়া হৈছিল আৰু কেৰাচিন, নিমখ, সূতা কাপোৰ আদি নৌপথৰেই আমদানি কৰা হৈছিল। ব্ৰহ্মপুত্ৰ আৰু মঙ্গলদৈ নদীৰ সংগমস্থলত ভেবেৰঘাটত গঢ়ি উঠা জাহাজঘাট, তাৰ পাচত বৰ্ত্তমান জিলা পৰিষদৰ পাছৰ জাহাজ ঘাটতোও বন্ধ হৈ যোৱাত জাহাজ ঘাট নিৰ্মাণ কৰা হৈছিল মিচামাৰী ঘাটত। তাৰ কেইবছৰমান পাছতহে জাহাজ, যন্ত্ৰচালিত নাও আদিৰ ঘাটি স্থাপন কৰা হয় কৰৈখোৱাত।

এই কৰৈখোৱাঘাটৰে চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী আছিল আব্দুল আলি। দেউতাকৰ নাম নফৰ সেখ। আব্দুল আলি যদিও চতুৰ্থ শ্ৰেণীৰ দেশী কৰ্মচাৰী, তেওঁৰ দায়িত্ব আছিল অত্যাধিক। তাৰ ফলত প্ৰতিপত্তিও আছিল প্ৰচুৰ। কোন বস্তু কলৈ যাব, কোনখন জাহাজ বা বঁট নাৱত যাব, কি বস্তু কোন খন জাহাজৰ পৰা

১: ঐতিহ্যমণ্ডিত দৰং ৰাজ্যৰ বিচাৰ পদ্ধতি : গোবিন্দ্ৰবৰুৱা, পৃঃ ৪৭

২: দৰঙ্গ স্মৃতি : অসম সাহিত্য সভাঃ ১৯৭৪ খৃঃ সম্পাদকীয় প্ৰতিবেদন।

নমাব লাগিব সেই সকলোবোৰ দায়িত্ব তেওঁৰ ওপৰতে ন্যস্ত কৰা হৈছিল। মাল-বস্তু কঢ়িওৱা মজদুৰ সকলে তেওঁক যেনেকৈ ভয় কৰিছিল তেনেকৈ সমীহো কৰিছিল।

বড়ো-কছাৰীসকলৰ পাছতেই মঙ্গলদৈ চহৰ সেই সময়ত অভিবাসী মুছলমান বসতি প্ৰধান হৈ পৰিছিল। পূৰ্ব-বংগৰ ঢাকা জিলাৰ মানুহ আছিল অত্যাধিক। বেহা-বেপাৰৰ যোগেদি মঙ্গলদৈত 'গোলা' খুলি ঠাইখন চহৰমুখী কৰিছিল। সেই সময়ত ডাঙৰ দোকানবোৰক থলুৱা মানুহে 'গোলা' বুলিছিল।

আইমনা বিবি নামৰ বুঢ়ী এজনী প্ৰচুৰ মাটিৰ অধকাৰিণী আছিল। দুজনমান পুত্ৰও আছিল হেনো। কিন্তু কলাজ্বৰত পৰি মৰিল। শেষ অৱস্থাত তত্বাবধান লবলৈ কোনো নথকাত শিৱ শৰ্মাই বৃদ্ধ আইমনাৰ সেৱা-শুশ্ৰূষাৰ ভাৰ লয়। বুঢ়ীয়েও আকৃষ্ট হৈ শিৱ শৰ্মাক সকলো মাটি লিজত দিয়ে। মঙ্গলদৈ চহৰৰ ২নং ওৱাৰ্ডৰ ভৱশঙ্কৰ প্ৰাইমাৰী স্কুলৰ সন্মুখৰ সমুদায় মাটি এইজনী বৃদ্ধাৰ আছিল বোলে। শিৱ শৰ্মাই বুঢ়ীক শ্বিলঙৰ নিজা ঘৰতে ৰাখি বুঢ়ীয়ে নামাজ পঢ়িবলৈ সুকীয়াকৈ এটা কোঠা নিৰ্মাণ কৰি দিছিল।

শ্বিলঙতে আইমনা বুঢ়ীৰ মৃত্যু হোৱাত মুছলমান প্ৰথাৰে বুঢ়ীক কবৰ দিয়াৰ সকলো ব্যৱস্থা কাৰে দিছিল শিৱ শৰ্মাই। হিন্দু -মুছলমানৰ নিবিড় সম্বন্ধৰ এয়া এক জ্বলন্ত উদাহৰণ— সৌতাহানিৰ পৰাই।

সেইদৰে মোলবী লাখুটি সেখৰ মাটি আছিল বৰ্ত্তমান শ্যামলি হোটেলৰ মাটি দৰাৰ লগতে। তাতে তেওঁৰ ঘৰ দুৱাৰো আছিল। মানুহজন খঙাল প্ৰকৃতিৰ আছিল কাৰণে মানুহে নাম দিছিল বিহগুটি মৌলবী। আন এটা তথ্যমতে তেওঁ বাস কৰা মাটিখিনি ৰসিক লাল ঘোষৰআছিল। (ডাঃ আবিদ আলি)

স্বাধীনোত্তৰ পাছত ভাৰত আৰু পাকিস্থানৰ মাজত হোৱা এখন চুক্তিমৰ্মে দুয়োখন ৰাষ্ট্ৰৰ নাগৰিকৰ সুবিধাৰ বাবে মাটি-বাৰী, সা-সম্পত্তি সালসলনি কৰিবলৈ এখন আইন যোগে সুবিধা কৰি দিছিল। সেই চুক্তিমৰ্মে ভাৰতৰ মুছলমান মানুহ সমানুপাতৰ সম্পত্তিৰ পাকিস্থানৰ হিন্দু মানুহৰ লগত সাল-সলনি কৰি পূব পাকিস্থনলৈ যাব পাৰে, সেইদৰে পূৰ্ব পাকিস্থানৰ হিন্দু বঙালী মানুহ ভাৰতলৈ আহিব পাৰে। এই চুক্তিমতে মঙ্গলদৈৰ প্ৰায় ভাগ সমৃদ্ধিশালী ঢাকায়া মানুহ পূৰ্ব পাকিস্থানলৈ গুচি যায়। তেওঁলোক গলেও গঢ়ি থৈ গৈছিল, মঙ্গলদৈ চহৰ। লগতে ধৰ্মীয়নুষ্ঠান।

মঙ্গলদৈ চহৰৰ বৰ মছজিদ বুলিলে মঙ্গলদৈ ৰাজহুৱা পুখুৰীৰ দক্ষিণত অৱস্থিত দুমহলীয়া মছজিদটোকে বুজায়। মহম্মদ গিয়াচুদ্দিন আলি, ফজৰ আলি আৰু আব্দুল লটিফ চাহেব আদিয়ে সংৰক্ষিত মাটিত সপ্তদশ শতিকাৰ শেষভাগত এই মছজিদটো সজায়। প্ৰথমতে মছজিদটো আছিল সৰু খেৰী ঘৰৰ। ১৯১০ খৃঃৰ ভিতৰত কাজি চাহাদাত আলি চাহেবৰ সৌজন্যত আৰু স্থানীয় মুছলমান ৰাইজৰ যত্নত খেৰী ঘৰটো অলপ ডাঙৰ আকৃতিত অসম টাইপৰ টিনৰ ঘৰলৈ ৰূপান্তৰ কৰা হয়। ১৯৫১ খৃঃত মছজিটোৰ পকী প্ৰৱেশদ্বাৰ (তোৰণ) নিৰ্মাণ কৰা হয়। পুনৰ ১৯৬৫ -৬৬ খৃঃত মঃ হানিফ আলি, কৰিম চাহ্ মণ্ডল, চমছেৰ আলি, বদৰুদ্দিন আহমেদ (উকীল)আদি নেতৃস্থানীয় ব্যক্তিৰ যত্নত ঘৰৰ ভেঁটিৰ আৰু পৰিসৰ বৃদ্ধি কৰি পকা কৰা হয়। সেই পকাঘৰৰ ওপৰতে ১৯৮৫ খৃঃত মছজিদটো দুমহলীয়া কৰা হয়।

১৯২৫ খৃঃৰ ভিতৰত ইলিয়াচ দেৱান, কৰিম দেৱান, চাহ চাহেব, আব্দুল ওবাহেদ, মতিউৰ ৰহমান, মিন্নত খাঁ, ৰায়হান দেৱান আদি ব্যক্তিৰ যত্নত মঙ্গলদৈ চহৰত দ্বিতীয়টো মছজিদ গঢ়ি উঠে। যিটোক সৰু মছজিদ বা 'ঢাকায়' মছজিদ বুলি জনা যায়। উক্ত মছদিটোও বৰ্ত্তমান দুমহলীয়া হোৱাৰ পথত।

টোকা : উক্ত বৃতান্ত পুথিমাৰী চহৰৰ প্ৰাক্তন সভাপতি বৰ্ত্তমান মঙ্গলদৈ চহৰৰ বাসিন্দা মহম্মদ ৰুস্তম আলিৰ পৰা আৰু মছজিদৰ বিবৰণ দিওঁতে মঙ্গলদৈৰ বৰ্ষীয়াণ লোকৰ সহায় লোৱা হৈছে।

পৰিশিষ্ট -৭

সহায় লোৱা গ্ৰন্থসমূহ

১। বড়ো কছাৰীৰ সমাজ আৰু সংস্কৃতি — ভবেন নাৰ্জী
২। অসম বুৰঞ্জী — চাৰ এডোৱাৰ্ড গেইট
৩। বুৰঞ্জী প্ৰবাহ — শ্ৰীমৃদু পৱন গোস্বামী
৪। পবিত্ৰ অসম — মহেশ্বৰ নেওগ সম্পাদিত
৫। সংমিশ্ৰণত অসমীয়া সংস্কৃতি — আব্দুছ ছাত্তাৰ
৬। প্ৰসঙ্গ কোষ — আব্দুছ ছাত্তাৰ
৭। মঙ্গলদৈৰ বুৰঞ্জী — দীনেশ্বৰ শৰ্মা
৮। অসমীয়া জিকিৰ-জাৰী সাৰ — সংগৃহীত আৰু সম্পাদিত এছ, এম হুচেইন
৯। মোৰ জীৱনৰ কিছু কথা — নজৰ আলি পণ্ডিত
১০। দৰঙৰ ইতিহাস — দৰং জিলা সাহিত্য সভা
১১। ইতিহাসে গৰকা পথৰুঘাট — নান্দনিক সাহিত্য চ'ৰা, পথৰুঘাট।
১২। অসমীয়া জীৱনী অভিধান — শিৱনাথ বৰ্মন।
১৩। লুইত বৰাক আৰু ইছলাম — মেদিনী চৌধুৰী
১৪। ভাৰতৰ মুক্তি সংগ্ৰামত মঙ্গলদৈ — সম্পাদনাত ঃ সত্যনাথ বৰুৱা
১৫। অসমৰ জাতীয় জীৱন আৰু অভিবাসী অসমীয়া মুছলমান — ইছমাইল হোছেইন।
১৬। জীৱনীকোষ — আদৰণী সমিতি, অসম সাহিত্য সভাৰ অষ্টষষ্টিতম ছিপাঝাৰ অধিবেশন।
১৭। পথৰুঘাট — ডাঃ এম্ আবিদ আলি
১৮। শিয়ালা বৈষ্ণৱ মহন্ত সম্বৎসৰৰ কাহিনী — ভাৰত চন্দ্ৰ নাথ

২০। ঐতিহ্য মণ্ডিত দৰং ৰাজ্যৰ বিচাৰ পদ্ধতি — শ্ৰী গোবিন্দ ৰাম বৰুৱা
২১। মোলানা ইছলামুদ্দিনৰ কলম — সম্পাদনাত ঃ ফকৰুদ্দিন আহমেদ, ছাহিদুল হক।
২২। দৰঙৰ ঐতিহাসিক সম্বল — আব্দুল মজিদ।
২৩। দৰঙৰ ঠাই নামৰ ইতিবৃত্ত (১ম খণ্ড) — দৰং জিলা সাহিত্য সভা, সম্পাদক লোহিত কলিতা
২৪। ৰাণী লক্ষ্মীবাঈ — অনুবাদক পূৰ্ণকান্ত ভাগৱতী
২৫। অদ্ভুত চৰিত — শ্ৰী ৰমাকান্ত শৰ্মা
২৬। জীৱনৰ জীৱনী — শ্ৰী ৰাজেশ্বৰ ভট্টাচাৰ্য্য
২৭। অসমৰ সংস্কৃতি — ডাঃ লীলা গগৈ
২৮। দৰঙৰ লোক-সংস্কৃতি সমীক্ষা — ছিপাঝাৰ সাহিত্য সভা।
২৯। দৰঙৰ কলা সংস্কৃতিৰ ৰূপৰেখা — দৰং জিলা সাহিত্য সভা
৩০। মৰু ফুলৰ সৌৰভ — আবদুৰ ৰহমান
৩১। বালি পানী মানুহ — ঐ
৩২। স্বৰ্গজ্যোতি — ইৰফান ছফৰী
৩৩। Assam – Muslim Relation And its Cultural Significance – Dr Mohini Kr Saikia

স্মৃতি গ্ৰন্থ / আলোচনীসমূহ

১। ৰংপুৰ — স্মৃতি গ্ৰন্থ ঃ আদৰণী সমিতি ঃ অসম সাহিত্য সভাঃ ৫৯ তম্ অধিবেশনঃ শিৱসাগৰ।

২। নামদৈয়াং — স্মৃতি গ্ৰন্থ ঃ অসম সাহিত্য সভা ৬২ তম্ অধিবেশনঃ বোকাখাত।

৩। কপিলী — স্মৃতি গ্ৰন্থ ঃ অসম সাহিত্য সভাৰ দ্বিপঞ্চাশতম কামপুৰ অধিবেশন।

৪। দৰঙ্গ স্মৃতি — অসম সাহিত্য সভাঃ একচত্বাৰিংশ সন্মিলন ঃ মঙ্গলদৈ।

৫। সোণতৰা — ২২ তম্ সোণতলী অধিবেশন ঃ কামৰূপ সাহিত্য সভা।

৬। ভাথেৰী — অসম জাতীয়বাদী যুব ছাত্ৰ পৰিষদৰ স্মৃতি গ্ৰন্থঃ মঙ্গলদৈঃ সম্পাদক লক্ষীকান্ত শৰ্মা।

৭। সংগ্ৰামী দৰঙী — স্মৃতি গ্ৰন্থ ঃ অসম গণ পৰিষদৰ ১ ম্ অধিবেশন মঙ্গলদৈ ঃ ১৯৮৮ খৃঃ

৮। দৰং জিলা-সাহিত্য সভা পত্ৰিকা — ১৯৯২-৯৩ বৰ্ষ।

৯। হাছিম — স্মৃতি গ্ৰন্থ ঃ ৪৬ তম্ পাথৰিঘাট আঞ্চলিক মিলাদে মেহফিল উদ্‌যাপন ঃ ২০০৫ খৃঃ

১০। সানোৱা প্ৰাথমিক বিদ্যালয় শতবাৰ্ষিকী উদ্‌যাপন— স্মৃতি গ্ৰন্থ ঃ সম্পাদক ঃ ফকৰুদ্দিন আহমেদ ঃ ২০০৩খৃঃ

১১। মুছলিমঘোপা চুফী দিৱস উদ্‌যাপন সমিতি — স্মৃতি গ্ৰন্থ ঃ ১ ম সংখ্যা ঃ ১৯৯৬ খৃঃ

১২। স্মৃতি গ্ৰন্থ — কেন্দ্ৰীয় কৃষক শ্বহীদ দিৱস ঃ পথৰুঘাটঃ ২০০৬ খৃঃ

১৩। স্মৃতিগ্ৰন্থ — আলিখাঁপাৰা প্ৰাথমিক বিদ্যালয়।

১৪। হেঙুল ঃ আলোচনীঃ— ১ম বছৰ ২ য় সংখ্যা ২০০৫ বৰ্ষ।

১৫। ব্যাসজ্যোতি — স্মৰণিকা ঃ ছিপাঝাৰ সাহিত্য সভাৰ ৬৮ তম্ অধিবেশন

ইয়াৰ বাহিৰেও বিভিন্ন বাতৰি কাকতত প্ৰকাশিত প্ৰবন্ধ, নিবন্ধ আৰু এই লেখকৰ বিভিন্ন বাতৰি কাকত আৰু আলোচনীত প্ৰকাশিত লেখনিৰ আধাৰত পুথিখন যুগুতোৱা হৈছে।

পৰিশিষ্ট -৮

তথ্য আৰু সংবাদ যোগনিয়াৰসকলৰ নাম, ঠিকনা

১। ডাঃ এম, আবিদ আলি (৮৩) — অৱসৰপ্ৰাপ্ত স্বাস্থ্য বিষয়া, সাহিত্যিক। জন্ম তুৰাই (ঘোৰাশাল) গাঁও। বৰ্ত্তমান মঙ্গলদৈৰ বাসিন্দা।

২। গিয়াচুদ্দিন আহমেদ (৭২) — অধিবক্তা। জন্ম মৰানদীপাৰ। বৃত্তিসূত্রে মঙ্গলদৈ বাসিন্দা।

৩। জুলেখা বেগম (৯৩) — ছামছুদ্দিন আহমেদ শইকীয়াৰ পত্নী। বালিপাৰাৰ বাসিন্দা।

৪। চাহাবুদ্দিন আহমেদ (৭৩) — জেষ্ঠ তৰণী। বৃত্তিসূত্রে মঙ্গলদৈৰ বাসিন্দা।

৫। পূৰ্ণকান্ত ভাগৱতী (৭০) — অৱসৰপ্ৰাপ্ত অধ্যক্ষ, দলগাঁও শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ। জন্ম সৰু ঠেকেৰাবাৰী। বৰ্ত্তমান মঙ্গলদৈৰ বাসিন্দা। সু-সাহিত্যিক, শিক্ষাবিদ, সমালোচক।

৬। ৰোস্তম আলি (৫৫) — পুথিমাৰী চৰৰ গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি। বৰ্ত্তমান মঙ্গলদৈৰ বাসিন্দা।

৭। মোলবী আবুল হুছেইন (৪৫) — মঙ্গলদৈ নগৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ আৰবী শিক্ষক। জন্ম কটৰা (শান্তি পুখুৰী)। চাকৰিসূত্রে মঙ্গলদৈৰ বাসিন্দা।

৮। ছহিৰুদ্দিন আলি আহমেদ (৩৫) — মঙ্গলদৈ গড় কাপ্তানী (পথ) বিভাগৰ কনিষ্ঠ অভিযন্তা। চাকৰিসূত্রে মঙ্গলদৈৰ বাসিন্দা। গীতিকাৰ, দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক।

৯। লোহিত কলিতা (৫০) — মঙ্গলদৈ নগৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ। জন্ম ধূলা। চাকৰিসূত্রে মঙ্গলদৈৰ বাসিন্দা।

১০। দেব কুমাৰ শইকীয়া (৫০)— ইউকো বেঙ্কৰ বিষয়া। সাহিত্যিক। জন্ম ছিপাঝাৰ। চাকৰিসূত্রে মঙ্গলদৈৰ বাসিন্দা।

১১। নবাব নুৰুল ইছলাম (৫০) — দৰং জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ জেষ্ঠ সহায়ক। সাহিত্যিক। জন্ম দুমুনিচকী। চাকৰিসূত্ৰে মঙ্গলদৈৰ বাসিন্দা।

১২। জব্বৰ আলি (৪০) — অধিবক্তা। জন্ম ওদোলাঝাৰ। বৃত্তিসূত্ৰে মঙ্গলদৈৰ বাসিন্দা।

১৩। আক্কেল আলি (৫০) — কৃষি বিভাগৰ কৰ্মচাৰী। জন্ম মুছলিমঘোপা চাকৰিসূত্ৰে মঙ্গলদৈৰ বাসিন্দা।

১৪। ইলতাফ আলি (৫০) — তৰণী। জন্ম মুছলিমঘোপা। বৃত্তিসূত্ৰে মঙ্গলদৈ বাসিন্দা।

১৫। জুলমত আলি (৪২) — গ্ৰন্থগাৰিক। জন্ম আমগুৰি। চাকৰিসূত্ৰে মঙ্গলদৈৰ বাসিন্দা।

১৬। আজিজুৰ ৰহমান (৩৫) — দৰং জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰী। জন্ম আৰু বসতি মুছলিমঘোপা।

১৭। মতলিব আলি (৫৫) — মঙ্গলদৈ শান্তিপুৰ ছোৱালী মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক। জন্ম মাৰৈ। বৰ্ত্তমান মঙ্গলদৈৰ বাসিন্দা।

১৮। নজৰুল ইছলাম (মুকুট) (৪০) —অধিবক্তা। জন্ম তৰাগাঁও। বৃত্তিসূত্ৰে মঙ্গলদৈৰ বাসিন্দা।

১৯। ডিম্বেশ্বৰ শইকীয়া (৬২) — খাৰুপেটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালযৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক। জন্ম হালধা। বৰ্ত্তমান মঙ্গলদৈৰ বাসিন্দা। দৰং জিলা সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক।

২০। কুদ্ৰত আলি (৫৫) — মঙ্গলদৈ বিদ্যাপীঠ উচ্চ মাধ্যমিক বিদ্যালয়ৰ জেষ্ঠসহায়ক। জন্ম আৰু বাসস্থান হৰিণখোজা।

২১। গণিৰুদ্দিন আহমেদ (৬৫)— মুছলিমঘোপা নিবাসী। পশ্চিম মঙ্গলদৈ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক।

২২। কামালুদ্দিন আহমেদ (৫০)— পৰিদৰ্শক পৰিসংখ্যা বিভাগ, তেজপুৰ।

২৩। বাহাৰুল ইছলাম (২৮) — সাংবাদিক। জন্ম আৰু বাসস্থান নগৰবাহী।

২৪। নুৰ হুচেইন (৬০) — মঙ্গলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী। জন্ম আৰু বাসস্থান কাউৰপৰি।

২৫। নুৰুল হক (৬২) — প্ৰাক্তন শিক্ষক। জন্ম আৰু বাসস্থান মুছলিমঘোপা।

২৬। আব্দুল কাদিৰ আহমেদ (৩০) — দৰং জিলা সাহিত্য সভাৰ সম্পাদক। জন্ম আৰু বাসস্থান চপৰা।

২৫। মকিবৰ ৰহমান (৫৫) — তৰণী। জন্ম বেছিমাৰী। বৰ্ত্তমান মঙ্গলদৈৰ বাসিন্দা।

২৬। ফায়েজ উদ্দিন আহমেদ (৪৮) —খৈৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক। জন্ম খৈৰাবাৰী। বৰ্ত্তমান মঙ্গলদৈৰ বাসিন্দা।

২৭। ইন্‌চাফ আলি (৫০) — মীন বিভাগৰ কৰ্মচাৰী। জন্ম সানোৱা। চাকৰিসূত্ৰে মঙ্গলদৈৰ বাসিন্দা।

২৮। চামচুল হক শইকীয়া (৪০)— জন্ম বৰকুমাৰপাৰা। পিতৃৰ নাম ডাঃ লতিফুদ্দিন আহমেদ। বৃত্তিত ঠিকাদাৰ। বৰ্ত্তমান মঙ্গলদৈ বাসিন্দা।

২৯। গোলবাহাৰ বেগম (৬৮)— অৱসৰ প্ৰাপ্ত শিক্ষয়িত্ৰী। জন্ম আৰু বাসস্থান মুছলিমঘোপা।

৩০। পুষ্প মিচং (৫৫) — আৰক্ষী উপ-পৰিদৰ্শক কৰ্মস্থান ডিমাকুছি আৰক্ষী চকী। নাট্যকাৰ আৰু প্ৰযোজক। দূৰদৰ্শনৰ যোগে ধাৰাবাহিক চিত্ৰনাট্য নিৰ্মাতা।

৩১। ইমৰাণ হুছেইন (৫২) — জন্ম দলগাঁৱত। ছিপাঝাৰ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ প্ৰৱক্তা। বৰ্ত্তমান মঙ্গলদৈৰ অস্থায়ী বাসিন্দা।

৩২। খায়ৰুল আনম (৪০) — জন্ম মুছলিমঘোপা। চাকৰিসূত্ৰে মঙ্গলদৈ বাসিন্দা।

অতিৰিক্ত সংযোজন - ১

বিখ্যাত আৰু প্ৰথম ভাৰতীয় মুছলমান

১।	ভাৰতৰ সৰ্বকালৰ ফুটবল কোচ	-- আব্দুল ৰহিম
২।	ভাৰতৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ ক্ৰিকেট অধিনায়ক	-- মহম্মদ আজহাৰ উদ্দিন
৩।	ভাৰতৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ ৰেফাৰি	-- ইক্ৰামুল হক (দিল্লী)
৪।	ভাৰতৰ ফুটবলৰ যাদুকৰ	-- আব্দুচ চামাদ
৫।	সৰ্ব প্ৰথম বিদেশৰ মাটিত টেষ্ট ক্ৰিকেটত চেঞ্চুৰী কৰা ভাৰতীয়	-- মুস্তক আলি।
৬।	সৰ্ব প্ৰথম এদিনীয়া আন্তৰ্জাতিক ক্ৰিকেট মেচত ৯ হাজাৰ ৰাণ কৰা ভাৰতীয়	-- মহম্মদ আজহাৰউদ্দিন।
৭।	'দ্ৰোণচাৰ্য' পুৰস্কাৰ প্ৰাপ্ত ভাৰতীয়	-- চৈয়দ নৈমুদ্দিন (ফুটবলত)
৮।	কম বয়সতে আন্তৰ্জাতিক ক্ৰিকেটৰ অধিনায়ক	-- টাইগাৰ মনচুৰ আলি খাঁ পতৌদি।
৯।	টেষ্ট ক্ৰিকেটত ভাৰতৰ পক্ষত দ্ৰুততম অৰ্ধশত ৰাণ কৰা	-- চেলিম দুৰাণী ২৯ মিঃ-৫০ ৰাণ (কাণপুৰ ১৯৬৩-৬৪)
১০।	অক্সফৰ্ট ইউনিভাৰচিটি দলত অধিনায়ক নিৰ্বাচিত হোৱা প্ৰথম ভাৰতীয়	-- পতৌদিৰ নবাব টাইগাৰ মনচুৰ আলি খাঁ।
১১।	ভাৰতৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ উইকেট ৰক্ষক	-- চৈয়দ মুস্তফা হুচেন কিৰমাণি।
১২।	আন্তৰ্জাতিক ফুটবল মেচত ভাৰতৰ হৈ সৰ্বাধিক গ'ল কৰা ব্যক্তি	-- চাব্বিৰ আলি
১৩।	ভাৰত আৰু ইংলেণ্ডৰ উভয় দলত ক্ৰিকেট খেলা ভাৰতীয়	-- পতৌদিৰ নবাব (জ্যেষ্ঠ)
১৪।	চতুৰ্থ ডিভিজনৰ পঞ্চাচ দশকত সৰ্বপ্ৰথম ইংলিচ লীগত খেলা ভাৰতীয়	-- মাচুদ ফাৰুকি

১৫। বেডমিণ্টনত ৮ বাৰ জাতীয় চেম্পিয়ন ভাৰতীয় -- চৈয়দ মুদি।
১৬। ক্রিকেট, হকি, বাস্কেট বলত ভাৰতৰ হৈ প্রতিনিধিত্ব কৰা মহিলা -- চিৰিণ কিয়াচ।
১৭। ভাৰতীয় প্রতিবন্ধিয়ে ইংলিচ চেনেল পাৰ হয় -- মাচুদুৰ ৰহমান।
১৮। সৰ্বপ্রথম দিল্লীৰ সিংহাসনত বহা মহিলা -- ৰেজিয়া চুলতানা।
১৯। চুপ্রিম কৰ্টৰ প্রথম মহিলা বিচাৰ পতি -- এম্ ফতিমা বিবি।
২০। ভাৰতৰ প্রথম মহিলা মুখ্য মন্ত্রী -- চৈয়দা আনোৱাৰা টাইমুৰ।
২১। সাহসীকতাৰ কাৰণে ভিক্টোৰিয়া ক্ৰচ পোৱা প্রথম ভাৰতীয় -- চিপাহী খুদদান খাঁ।
২২। প্রিভি কাউন্সিলৰ প্রথম ভাৰতীয় সদস্য -- চৈয়দ আমীৰ আলি
২৩। প্রথম লেলিন পুৰস্কাৰ প্রাপ্ত ভাৰতীয় -- চফিউদ্দিন
২৪। ভাৰতৰ সৰ্বপ্রথম কুমেৰু অভিযানৰ (১৯৮১) দলপতি -- ড° এস, জেদ, কাছিম।
২৫। বৰ্ত্তমান ভাৰতৰ বিখ্যাত বিজ্ঞানী আৰু সম্পূৰ্ণ দেশীয় প্রযুক্তি বিদ্যাৰে ক্ষেপণাস্ত্র নির্মাতা -- ডা° এ, পি, জে আবুল কালাম।
২৬। ভাৰতত প্রথম কামান ব্যৱহাৰ কৰোঁতা -- জহিৰুদ্দিন মহম্মদ বাবৰ।
২৭। ভাৰতত প্রথম ডাক প্রচলন কৰে -- চেৰচাহ।
২৮। নেপোলিয়নৰ লগত প্রথম পত্র বিনিময় হোৱা সম্রাট -- টিপু চুলতান
২৯। ভাৰতৰ সৰ্ব শ্রেষ্ঠ শাৰদ বাদক -- ওস্তাদ আমজাদ আলি খাঁ।
৩০। ভাৰতৰ সৰ্ব শ্রেষ্ঠ তবলা বাদক -- ওস্তাদ জাকিৰ হুচেইন।
৩১। ভাৰতৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ চিত্রশিল্পী -- মকবুল ফিৰদা হুচেইন।
৩২। এচিয়া তথা ভাৰতৰ প্রাচীন শিক্ষানুষ্ঠান-কলিকতা -- আলিয়া মাদ্রাছা কলেজ।
৩৩। বিখ্যাত ভাৰতীয় পক্ষীতত্ত্ববিদ -- চালিম আলি।
৩৪। বৃটিছৰ বিৰুদ্ধে যুদ্ধত ৰকেট ব্যৱহাৰ কৰোতা -- টিপু চুলতান।

সংগ্ৰাহক সেখ জাকিৰ হুচেইন [১] (১ ঃ ফাইজুদ্দিন আহমেদৰ পৰা প্ৰাপ্ত তথ্যৰ পৰা)

অতিৰিক্ত সংযোজন - ২

ফাৰ্চী বুৰঞ্জী কেইখনমানৰ তালিকা

ছাহ্‌নামা	--	ফিৰদোচা
তাৰিফ - ই-ফিৰিয়া	--	মঃ কাজিম
তবাকৎ - ই - নাছিৰী	--	মিনহাছুদ্দিন চিৰাজ
ৰিয়াচুচ চালাতিন	--	গুলাম হুচেইন চালিম
আকবৰ নামা	--	আবুল ফজল
আইন - ই - আকবৰী	--	ঐ
তুজুক - ই - জাহাঙ্গীৰী	--	মুতামদ খান
ফাতিয়ায়ে - ইব্‌ৰিয়া	--	চাহাবুদ্দিন তালিচ
পাদশ্যাহ নামা	--	মঃ আমিন বিন আব্দুল হুচেইন কাজমি (এইখনকে 'Annals of the Delhi Badshahate' নাম দি ড° সূৰ্যকুমাৰ ভূঞাই ইংৰাজীলৈ অনুবাদ কৰে।)
আলমগীৰ নামা	--	মুঞ্চি মঃ কাজিম
মছীচিৰ -ই- আলমগীৰী	--	মঃ ছাকী মুস্তাইদ খাঁ
তাৰিখে- ই - খাকী	--	ফাচীম আলি খাফিখাঁ
হাকিকৎ - উচ-চাফা	--	গুলাম আলি খাঁ
ৰিচালাৎ - উচ- চাহাদা	--	পীৰ মহম্মদ ছট্ৰৰী
মাচিৰুল উমাৰা	--	ছাহ নেৱাজ খাঁ
বাহাৰিস্তানে -ই- ঘাইবী	--	মিৰ্জা নাথন

উপৰোক্ত বুৰঞ্জীবিদ সকলে ফাৰ্চী ভাষাত এইবোৰ বুৰঞ্জী বা টোকা লিখি দূৰদৰ্শীতাৰ পৰিচয় দাঙি ধৰাৰ লগতে উত্তৰ পুৰুষলৈ বুৰঞ্জী সম্বন্ধে বিশেষকৈ মুছলমানক বহিৰ্জগতৰ লগত স্থাপন কৰিছে। কিন্তু লেখা সমূহ ফাৰ্চী ভাষাৰ হোৱাৰ কাৰণে অন্ধকাৰতে আবদ্ধ থাকিল। অসমৰ ফাৰ্চীভাষাৰ পণ্ডিতসকলে কষ্ট ত্যাগ স্বীকাৰ কৰি সেইবোৰ অসমীয়া ভাষালৈ অনুবাদ কৰিলে কালৰ বুকুত হেৰাই যোৱা বহুতো তথ্য পুনৰুদ্ধাৰ হব সেইটো ধ্ৰুৱপ।

লেখকৰ প্ৰকাশিত গ্ৰন্থসমূহ

১। সন্তান -- সামাজিক উপন্যাস

২। গৰাখহনীয়া - ঐ

৩। এই ভাষা চকুলোৰ -- ঐ ১ম, ২য় সংস্কৰণ

৪। স্বপ্ন মধুৰ -- ঐ

৫। মৰা নদীত ঢৌ - ঐ ১ম, ২য় সংস্কৰণ

৬। মৰু ফুলৰ সৌৰভ -- হজৰত মহম্মদ (ছঃ)ৰ জীৱনী গ্ৰন্থ।

৭। বালি পানী মানুহ -- (চৰ-চাপৰিৰ জন গাঁথনিৰ ভিত্তিত লিখা সামাজিক উপন্যাস)

৮। মানুহৰ ৰং (শিশু গল্প) -- ৬ ষ্ঠ মানৰ দ্ৰুতপাঠ (১ম, ২য়, নতুন সংস্কৰণ)

৯। হৃদয় বাগিচাৰ ফুল -- (বড়ো-কছাৰীৰ সাংস্কৃতিক জীৱনৰ ভিত্তিত লেখা আৰু 'হেণ্ডুল' আলোচনীত ধাৰাবাহিক প্ৰচাৰিত উপন্যাস)

১০। প্ৰেম, সংঘাত ইত্যাদি (ছবছৰীয়া অসম আন্দোলনৰ ভিত্তিত লিখা উপন্যাস)